# সৈনিক শিল্পী বিষ্ণু ৰাভা

(বিভিন্ন দৃষ্টিকোণৰপৰা ৰাভাৰ জীৱন আৰু কৃতিৰ আলোচনা)


সম্পাদনা সমিতি

নলিনীধৰ ভট্টাচাৰ্য

শশী শৰ্মা

ড° হীৰেন গোহাঁই

সম্পাদক

ড° হীৰেন গোহাঁই

সহযোগী

পৰমানন্দ মজুমদাৰ



জাৰ্ণাল এম্প'ৰিয়াম

নলবাৰী - ৭৮১৩৩৫

**SAINIK SILPI BISHNU RAVA,** an article collection on Bishnu Prasad Rava, editor –Dr. Hiren Gohain, Co-editor: Paramananda Majumdar, Published by Suren Baishya, Journal Emporium, Nalbari. Price Rs. 75.00 only.

---

প্ৰকাশক : শ্ৰীসুৰেন্দ্ৰ চন্দ্ৰ বৈশ্য
জাৰ্ণাল এম্প'ৰিয়াম
নলবাৰী - ৭৮১৩৩৫

প্ৰথম প্ৰকাশ : ২০ জুন, ১৯৮২
দ্বিতীয় সংস্কৰণ : জুন, ১৯৮৯
তৃতীয় সংস্কৰণ : ডিচেম্বৰ, ২০০২

প্ৰচ্ছদ : ত্ৰৈলোক্য দত্ত


মূল্য : ৭৫.০০ টকা

ডি. টি. পি.
জিতেশ ইলেকট্ৰিক প্ৰিণ্টাৰ্ছ
পাণবজাৰ, গুৱাহাটী-১

মুদ্ৰণ :
হৰাইজন প্ৰিণ্টাৰ্ছ
১৪৮৮ পাটাউদী হাউচ
নতুন দিল্লী-২

## ।। অৰ্পণ ।।

যিসকলে ৰাভাৰ জীৱনাদৰ্শৰ
যথাযোগ্য মুল্য দিবলৈ
ওলাই আহিছে
সেইসকলৰ
হাতত —



# ।। মুখবন্ধ।।

## ।। প্ৰথম সংস্কৰণ।।

.........কি লিখোঁ........কেনেকৈ লিখোঁ..........ৰাভাৰ সমগ্ৰ ৰচনা আজিও অপ্ৰকাশিত অৱস্থাতে থাকিল.............'

সংকলনটোৰ বাবে যেতিয়া বিভিন্ন লেখকৰ ওচৰ চাপোঁ প্ৰায় আটায়েই কথাষাৰ আমাৰ আগত উল্লেখ কৰিছিল। লিখাৰ সমস্যাৰ বিষয়ে উনুকিয়াইছিল। এয়া তেনেই স্বাভাৱিক। সঁচাকৈ, অসমৰ জনজীৱনৰ প্ৰাণপুৰুষ শিল্পীজনাৰ স্মৃতিৰ যথাযোগ্য মূল্য দিবলৈ আজি যাৰ বছৰে আমি কি কৰিলোঁ?

আমি পণ লৈছিলোঁ এইবাবে —এই গ্ৰন্থৰ প্ৰকাশে ৰাভাৰ প্ৰতি আমাৰ দায়িত্ববোধ কিজানি কিঞ্চিৎ জগাই তোলেই! বছৰি একোবাৰ ৰাভাৰ নামত ঢাক্-ঢোল বজাই ৰাভাৰ গুণানুকীৰ্ত্তনত অভ্যস্ত সাংস্কৃতিক পুৰুষসকলৰ বিপৰীতে কিঞ্চিৎ সুস্থ চিন্তা-চৰ্চাৰ পথ দিয়েই।।......সেয়ে বহুকেইজন বিশিষ্ট লেখকে সময়ৰ অভাৱত লিখিবলৈ অসমৰ্থতাৰ কথা সদৰী কৰিলেও, আমাৰ নেৰা-নেপেৰা তাগিদাত বহুতেই কলম তুলি ল'লে। কিছুৱে অৱশ্যে পূৰ্ব সিদ্ধান্ততে অবিচল থাকিল। কেইজনমানে আকৌ সম্পাদনা সমিতিত থকা নাম-ধাম দেখিয়ে আমাৰ পিনে পিঠি দিলে। দুই-এজনৰ বাক্যালাপৰ পৰা আমাৰ এইটো বোধ হ'ল —অসমীয়া বুদ্ধিজীৱীৰ এটা অংশই আজিও ৰাভাক মূল্য দিব পৰা পুৰুষ নহয় বুলিয়েই ভাবে! তেখেতসকলে হয়তো নিজৰ কৃতিখিনিকে 'কালজয়ী' বুলি আপোন বিভোৰ হয় অথবা নিজকে 'যুগশ্ৰেষ্ঠ' ভাবি লৈ 'ষ্টেণ্ডাৰ্ড' বজাই ৰাখে। এজন কলাজ্ঞানী সমালোচক-সাহিত্যিকে আমাক এনেদৰেও ক'লে : ".......ৰাভাইনো কি সংস্কৃতি কৰিছিলহে? সংস্কৃতি আৰু কিছুমান অমসীয়া শব্দৰ উৎপত্তি সম্পৰ্কে ৰাভাই অদ্ভুত ব্যাখ্যা দাঙি ধৰিছিল মাথোঁ..... তেওঁ য'তে ৰাতি ত'তে কাতি হোৱা মানুহহে....আমাৰ পিচে ঘৰ-বাৰী আছে বাবেই ৰাভাৰ দৰে সংস্কৃতি কৰিব নোৱাৰিলোঁ। ৰাভাৰ শৰীৰৰ অৱয়ৱ আছিল বিৰাট, ....সেয়ে তেওঁ মঞ্চত ওলাই গাটো লৰাই দিয়াতেই বহুতে নৃত্য প্ৰদৰ্শন কৰা বুলি ভাবিছিল। প্ৰকৃততে ৰাভা প্ৰতিভাৰ কোনো স্থায়িত্ব নাথাকিব.......।"

এনেবোৰ নানান তিতা-কেঁহা অভিজ্ঞতাৰ মাজেদি গ্ৰন্থখনি অৱশেষত পাঠকৰ হাতত তুলি দিবলৈ সক্ষম হ'লোঁ।

এইখিনিতে, সংকলনটিৰ জন্মলগ্নত বিভিন্ন ধৰণে আমালৈ সহায়-সহযোগ আগবঢ়োৱাসকলক কৃতজ্ঞতাৰে স্মৰণ কৰিছোঁ :

প্ৰবীণ সাংবাদিক শ্ৰীযুত তিলক হাজৰিকাদেৱে নিবন্ধপাতি গোটোৱাত আমাক দিহা-পৰামৰ্শ দি উপকৃত কৰিছে। 'সাম্প্ৰতিক সাময়িকী' আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'প্ৰস্তাৱ' আলোচনীৰ সহায়ত আমি দুটামান পূৰ্বে প্ৰকাশিত মূল্যবান নিবন্ধও এই গ্ৰন্থত সন্নিবিষ্ট কৰিছোঁ।

'পথৰ সঞ্চয়'ত আমি ৰাভাৰ সান্নিধ্যলৈ অহা ভিতৰুৱা অঞ্চলৰ কেইজনমান লোকৰ মুখৰ পৰা সংলাপ বুটলি আনিছোঁ। ইয়াৰ বাবে ঘগ্ৰাপাৰ হাইস্কুলৰ শিক্ষক শ্ৰীযুত খগেন ৰামচিয়াৰীয়ে আমাৰ লগত পূৰ্ণ সহযোগ আগবঢ়াই বিভিন্ন ঠাইত ভ্ৰমিছে। শ্ৰীসমীন্দ্ৰ হাজুৰী আৰু দলুৰা গাঁওৰ শ্ৰীৰাজেশ্বৰ তালুকদাৰৰ ওচৰতো ইয়াৰ বাবে আমি কৃতজ্ঞ। পিচে, গ্ৰন্থখনি খৰখেদাকৈ প্ৰকাশ কৰি উলিয়াব লগা হোৱাত ৰাভাৰ সান্নিধ্যলৈ অহা আন বহু গঞা-ৰাইজৰ মতামত ইয়াত সন্নিবিষ্ট কৰিব পৰা নহ'ল।

সৰ্বশ্ৰী খগেন মেধি, মুকুত কলিতা আৰু গণেশ বৈশ্যৰ নামো উল্লেখ কৰাৰ প্ৰয়োজন অনুভৱ কৰিছোঁ। শ্ৰীমেধি আৰু হাজুৰিয়ে প্ৰেছত আহি কাকত চোৱাৰ উপৰি, আন্তঃঅলংকৰণৰ প্ৰতিও চকু দিছে। শ্ৰীসমীৰ তাঁতীয়ে নিষ্ঠাৰেই প্ৰচ্ছদ আঁকি দিছে আৰু অলংকৰণ কৰিছে। শ্ৰীহৰকুমাৰ ডেকাই ইয়াৰ তত্বাৱধান লৈছে।

পৰিশেষত, জাৰ্ণাল এম্প'ৰিয়ামৰ স্বত্বাধিকাৰী শ্ৰীযুত সুৰেন চন্দ্ৰ বৈশ্যলৈ আমাৰ অকৃত্ৰিম অভিনন্দন যাচিছোঁ। বিষ্ণুপ্ৰসাদ ৰাভাৰ জ্বলন্ত আভাক প্ৰকৃত অৰ্থত ধৰি ৰাখিবলৈ ওলাই আহি শ্ৰীযুত বৈশ্যই সঁচাকৈ মহানুভৱতাৰ পৰিচয় দিলে। ইয়াৰ বাবে পাঠকসকলৰ পৰাও নিশ্চয় তেখেতে শুভাশীষ আদায় কৰিব পাৰিব।

এইখিনিতে, ছপাশালৰ কৰ্মকৰ্তা —বিশেষকৈ কৰ্মীবৃন্দৰ শলাগ লৈছোঁ। তেখেতসকলে লাগি-ভাগি কাম কৰা বাবেই সংকলনটি সোনকালেই পাঠকৰ হাতত তুলি দিব পৰা হ'লগৈ।

আমাৰ বিশ্বাস ৰাভাৰ বিশাল প্ৰতিভাৰ পৰশ পঢ়ুৱৈ সমাজে এই গ্ৰন্থত পাব। শিল্পীজনাৰ জীৱন আৰু কৃতিৰ যথাযথ মূল্যায়নত গ্ৰন্থখনে কিঞ্চিৎ বৰঙণি যোগালেই আমাৰ কষ্ট সাৰ্থক হোৱা বুলি ভাবিম।

—পৰমানন্দ মজুমদাৰ

২০ জুন ১৯৮২

# ।। দ্বিতীয় সংস্কৰণ প্ৰসঙ্গ।।

'সৈনিক শিল্পী বিষ্ণু ৰাভা' —পাঁচ বছৰ আগতে প্ৰথম প্ৰকাশ হৈ ওলাইছিল। পাঠক সমাজৰ মাজত গ্ৰন্থখনি তেতিয়াই জনপ্ৰিয় হৈ উঠিছিল। প্ৰকাশৰ এবছৰৰ ভিতৰতে গ্ৰন্থখনি বজাৰতো বিক্ৰী হৈ গৈছিল। কিতাপখনৰ প্ৰতি পাঠকৰ এই আগ্ৰহৰ কাৰণ এয়ে, ৰাভাৰ বিষয়ে বিভিন্ন দৃষ্টিকোণৰপৰা আলোচিত এইখনেই আছিল প্ৰথম সংকলন। এনে এটা প্ৰয়োজনীয় নিবন্ধ সংকলন প্ৰকাশ কৰিবলৈ ওলাই আহি শ্ৰীসুৰেন বৈশ্য পাঠকৰ দ্বাৰা উচ্চ প্ৰশংসিত হৈছিল। সংকলনটিৰ প্ৰকাশত আমাৰো আগ্ৰহ আৰু উদ্যমৰ সীমা নাছিল। ব্যক্তিগতভাৱে আমি কষ্ট স্বীকাৰ কৰি বিভিন্নজনৰ লেখা গোটাইছিলোঁ আৰু আলোচনী আদিৰপৰা লেখা সংগ্ৰহ কৰিছিলোঁ। আমাৰ জোৰ-জুলুম সত্বেও অৱশ্যে কেবাজনো বুদ্ধিজীৱীয়ে কলম তুলি নল'লে। বহুতেই আকৌ প্ৰথম আমাৰ এই সংকলনটিতে ৰাভাৰ বিষয়ে লিখিছিল বা কৈছিল। সংকলনটিৰ প্ৰকাশে অন্ততঃ ৰাভাৰ বিষয়ে আলোচনাৰ পথ মুকলি কৰিছিল। তাৰ স্পৰ্শ পাইছিলোঁ পৰৱৰ্তী কালৰ ৰাভাৰ স্মৃতি-সভাসমূহত। আমি আশ্বস্ত হৈছিলোঁ এই দেখি যে অন্ততঃ ৰাভাৰ আবেগিক মূল্যায়নৰ ঠাইত কিঞ্চিৎ হ'লেও সংকলনটিয়ে বস্তুনিষ্ঠ মূল্যায়নত ইন্ধন যোগাইছে।

প্ৰকাশক শ্ৰীবৈশ্যৰ আগ্ৰহতে সংস্কৰণটি দ্বিতীয় সংস্কৰণটি পাঠকৰ হাতত তুলি দিলোঁ। প্ৰথম সংস্কৰণটি উলিয়াবলৈ যাওঁতে যিসকল শুভাকাংক্ষী ব্যক্তিৰ সহায়-সহযোগ আৰু পৰামৰ্শ পাইছিলোঁ, সেইসকলৰ এই ছেগতে পুনঃস্মৰণ কৰিলোঁ। তেখেতসকল ঃ প্ৰবীণ সাংবাদিক শ্ৰীযুত তিলক হাজৰিকা, শ্ৰীখগেন ৰামচিয়াৰী (দীঘেলী), শ্ৰীসমীন্দ্ৰ হুজুৰী (বৰগাছা), শ্ৰীৰাজেশ্বৰ তালুকদাৰ (দলুৱা, ঘগ্ৰাপাৰ), শ্ৰীখগেন মেধি (গুৱাহাটী), শ্ৰীমুকুত কলিতা (নলবাৰী), গণেশ বৈশ্য (নলবাৰী), শ্ৰীসমীৰ তাঁতী (গুৱাহাটী), শ্ৰীবিপিন দৈমাৰী (সৰকুৰছাকাটি, কোকৰাঝাৰ) আৰু শ্ৰীহৰকুমাৰ ডেকা (গুৱাহাটী)।

দ্বিতীয় সংস্কৰণত, প্ৰথম সংস্কৰণত বৈ যোৱা ত্ৰুটীবোৰ শুধৰোৱাৰ চেষ্টা কৰা হৈছে।

—পৰমানন্দ মজুমদাৰ

## ।। বিষয় সূচী।।

(১) উপক্ৰমণিকা / (.০১)

### স্মৃতিচাৰণ

(২) বিপ্লৱী গণশিল্পী ৰাভাৰ সোঁৱৰণত /
নগেন কাকতি / ১
(৩) কমৰেড বিষ্ণু ৰাভা অমৰ ৰহে /
মণি ভৌমিক / ৭
(৪) মোৰ দৃষ্টিত বিষ্ণুপ্ৰসাদ ৰাভা /
কমলা মজুমদাৰ / ১৬
(৫) অন্ধগলি ঃ জ্যোতিৰেখা /
শোভা ব্ৰহ্ম / ২০
(৬) বিষ্ণু ৰাভাৰ সান্নিধ্যৰ ৰূপৰেখা /
ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য / ২৬
(৭) জনতাৰ শিল্পী বিষ্ণু ৰাভা মানুহজন /
চন্দ্ৰধৰ গোস্বামী / ৩১

### জীৱন আৰু কৃতি

(৮) ৰাভাৰ মানসিক উত্তৰণ / শশী শৰ্মা / ৫৯
(৯) ৰাজনৈতিক জীৱনৰ মূল্যায়ন / দধি মহন্ত / ৭৫
(১০) কমৰেড ৰাভা ঃ অসমৰ বামপন্থী আন্দোলনৰ
এটি অসমাপ্ত পৰ্ব / প্ৰবীণ বৈশ্য / ৯১
(১১) বিষ্ণু ৰাভা আৰু অসমৰ জাতি সমস্যা /
ড° হীৰেন গোহাঁই / ১০৩

(১২) বিষ্ণুপ্ৰসাদৰ মূল্যায়নৰ প্ৰয়োজনীয়তা তথা
সমস্যা / প্ৰসেনজিৎ চৌধুৰী / ১১৩
(১৩) নৱ-জাগৰণৰ প্ৰতীক ঃ বিষ্ণু ৰাভা /
ড° বিশ্বনাথ বৰ্মন / ১২৩
(১৪) ৰাভাৰ কবিতা / নলিনীধৰ ভট্টাচাৰ্য / ১২৯
(১৫) পৰিব্ৰাজক ৰাভা / তিলক হাজৰিকা / ১৩৬
(১৬) ৰাভাৰ ৰাজনৈতিক আচৰণ /
বালেশ্বৰ শইকীয়া / ১৪০
(১৭) বিষ্ণুপ্ৰসাদ ৰাভাৰ ইতিহাস অনুসন্ধান ঃ
কেইটামান বিক্ষিপ্ত চিন্তা / নিত্য বৰা / ১৪৬
(১৮) বিশ্বৰ ছন্দে ছন্দে...... / কেশৱ মহন্ত / ১৪৯
(১৯) ব্যক্তি আৰু ব্যক্তিত্ব / ড° অমলেন্দু গুহ / ১৫৭
(২০) অসমৰ শিল্পী সৈনিক ঃ বিষ্ণুপ্ৰসাদ ৰাভা /
হেমাঙ্গ বিশ্বাস / ১৬৪

প্ৰথৰ সঞ্চয়

(২১) হাৰুণ আলী / ১৭২
(২২) ধুপাৰাম বসুমতাৰী / ১৭৪
(২৩) ভবেন ওৱাৰি / ১৭৭
(২৪) প্ৰকাশ বসুমতাৰী / ১৭৯
(২৫) বিপিন দৈমাৰী / ১৮১
(৩৬) ভৰত কলিতা / ১৮৩
(২৭) জনৈক বাহুযাত্ৰী / ১৮৪

# ।। উপক্ৰমণিকা ।।

আজি প্ৰায় এবছৰমান আগতে উদীয়মান লেখক পৰমানন্দ মজুমদাৰ আৰু উৎসাহী ডেকা প্ৰকাশক সুৰেন বৈশ্যই মোক লগ ধৰি ক'লে যে, বিষ্ণু ৰাভাৰ মৃত্যু-দিৱসত তেওঁৰ বিষয়ে এখন প্ৰবন্ধ-সংকলন উলিয়াব লাগে। ঘাইকৈ দুয়োৰে আন্তৰিক আগ্ৰহ আৰু উৎসাহৰ বাবেই কামটো হাতত লৈ তাৰ আঁচনি তৈয়াৰ কৰিছিলোঁ। প্ৰবন্ধ-পাতি গোটোৱাৰপৰা দূৰ-দূৰণিলৈ গৈ সাক্ষাৎকাৰ গ্ৰহণ কৰালৈ বেছিভাগ শাৰীৰিক শ্ৰম মজুমদাৰেই দায়িত্ব সহকাৰে কৰিছে। অৱশ্যে এনে এক গুৰুত্বপূৰ্ণ কামত আন বিজ্ঞ লোকৰো সহায়-সহযোগিতাৰ প্ৰয়োজন হ'ব বুলি উপলব্ধি কৰি আমি এখন সম্পাদনা সমিতিও গঠন কৰিছিলোঁ আৰু শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্য আৰু শ্ৰীযুত শশী শৰ্মা সানন্দে তাৰ সদস্য হৈছিল। সম্পাদনা সমিতিয়ে আমাৰ মূল আঁচনিখন্ গ্ৰহণ কৰাৰ উপৰিও সম্পাদনাৰ মূল নীতিসমূহ নিৰ্ধাৰণ কৰে। কিতাপখনৰ নামকৰণো সম্পাদনা সমিতিৰ সিদ্ধান্তক্ৰমেই হৈছে। আমাৰ আঁচনিমতে যিসকল লেখকৰ অৰিহণা বিচৰা হ'ল তেওঁলোকৰ সৰহভাগেই তৎপৰতাৰে সঁহাৰি দি আমাক উদগনি দিছে। সেয়ে এনেকৈ ক'লে বোধহয় বঢ়াই কোৱা নহ'ব যে আজি কিছুকালৰপৰা প্ৰগতিশীল বামপন্থী মহলৰ প্ৰচেষ্টাত বিষ্ণু ৰাভা সম্পৰ্কে যি নতুন কৌতূহল আৰু অনুসন্ধানৰ ধল আহিছে, সংকলনখনে তাৰ পৰাই জীপ লৈছে। ই এক সমূহীয়া কৃতিৰ উৎসাহজনক নিদৰ্শন।

অৱশ্যে এনে এখন সংকলন যুগুতোৱাৰ সমস্যাও বহুত। ৰাভাৰ জীৱন সম্পৰ্কে নিৰ্ভৰযোগ্য তথ্য আৰু দলিলেৰে সমৃদ্ধ কোনো প্ৰামাণ্য গ্ৰন্থ আজিলৈকে নোলাল। শ্ৰীযুত তিলক দাসৰ সুখপাঠ্য জীৱনীখন পূৰ্ণাংগ নহয়, ৰাভাৰ জীৱন আৰু কৃতিৰ বহু দিশৰ উল্লেখ আৰু আলোচনা তাত নাই। ফলত তথ্যপাতি সম্পৰ্কেই, যেনে —চন, তাৰিখৰ ক্ষেত্ৰত —আমাৰ এই সংকলনৰ নিবন্ধকাৰসকলৰ মাজত মাজে মাজে মতান্তৰ দেখা গৈছে। ৰাভাৰ ৰচনা সমগ্ৰ প্ৰকাশ নোহোৱা বাবেও আমাৰ লেখকসকল কেতিয়াবা বিপাঙত পৰিছে। দুজনমানে আমাক দুখেৰে জনাইছে যে প্ৰবন্ধ ৰচনাৰ সময়ত এক বিশেষ সূত্ৰৰপৰা ৰাভাৰ ৰচনাৱলীৰ অংশবিশেষ চাবলৈ তিনি-চাৰিবাৰ চেষ্টা কৰিও তেওঁলোক বিফল হৈছিল। উদাৰমনা আৰু অকপট ৰাভাৰ উত্তৰাধিকাৰ আজি এনে এক কৰুণ পৰিস্থিতিত আবদ্ধ হৈ পৰা সম্পৰ্কে আমাৰ মন্তব্য নিষ্প্ৰয়োজন।

অৱশ্যে প্ৰথমৰপৰা এটা কথাত মই জোৰ দিছিলোঁ। কথাটো পাঠকসকলক

আগন্তীয়াকৈ জনাই থোৱা উচিত হ'ব। সংকলনখনত যাতে কোনো বিশেষ বামপন্থী মহলৰ মতামত অবিসম্বাদী হিচাপে ঠাই নাপায় তাৰ বাবে আমি সতর্ক হৈছোঁ। ভাৰতীয় তথা অসমীয়া সমাজৰ বিকাশ আৰু চৰিত্ৰ সম্পৰ্কে বামপন্থী মহলত যি বিবাদ আৰু বিতর্ক চলি আছে তাৰ চূড়ান্ত নিষ্পত্তি হৈ যোৱা বুলি আমি ভবা নাই। সেয়ে শ্ৰদ্ধাসহকাৰে দল, মত নির্বিশেষে সকলোৰে মতামত আহ্বান কৰিছোঁ আৰু সকলোকে আসন দিছোঁ। প্ৰবন্ধবোৰৰ মাজতো কেতিয়াবা এই মতভেদ প্ৰকট হৈছে। কথাটো অৱশ্যে সংকলনখনৰ দুর্বলতা বুলি আমি নাভাবোঁ।

আমাৰ দেশত বর্তমান বিভিন্ন বামপন্থী মহলৰ মাজত সাংগঠনিক সংঘাত যিমান মাত্ৰাত হৈছে, যুক্তিগত আৰু তাত্ত্বিক সংগ্ৰাম সেই পৰিমাণে হোৱা দেখা নাযায়। ই ভাৰতৰ বামপন্থী আন্দোলনৰ অন্যতম দুর্বলতা। বিতর্কহীন পৰিবেশত প্ৰকৃত সত্যৰ উদঘাটন দুৰূহ। দ্বিতীয়তে ইও এক আচৰুণীয়া সত্য যে বিতর্কৰ অভাৱৰ বাবে বামপন্থী মহলবোৰৰ কেতবোৰ মতামত অপৰীক্ষিত মতান্ধতাৰ দোষত দুষ্ট —যথেষ্ট গভীৰতা বা ব্যাপ্তি সেইবোৰ মতামতত হয়তো দুর্লভ। কোনো কোনো গোষ্ঠীৰ মত বা দৃষ্টিভঙ্গী যদি সংকলনখনত অপ্ৰতিফলিত তাৰ কাৰণ আমাৰ আগ্ৰহ বা উদ্যোগৰ অভাব নহয়। শ্ৰদ্ধেয় হেমাংগ বিশ্বাস আৰু শ্ৰদ্ধেয় অমলেন্দু গুহ প্ৰতিশ্ৰুতিবদ্ধ আছিল যদিও শেষ মুহূর্তত সময়ৰ অভাৱৰ বাবে নতুন চিন্তাৰ ফচল আমাৰ ওঁৰালত দিব নোৱাৰিলে। তথাপি ইয়াত পুনর্মুদ্রিত পুৰণা প্ৰবন্ধকেইটাও সহজে পোৱা নাযায় — সেইবোৰ তথ্য আৰু ব্যাখ্যাৰ পিনৰপৰাও মূল্যবান। নতুনকৈ লেখা প্ৰবন্ধকেইটাও যথেষ্ট ভাবোদ্দীপক আৰু মৌলিকতাসম্পন্ন। মুঠতে সংকলনখন বিভিন্ন দৃষ্টিভঙ্গীৰ মাজেদি বিচ্ছুৰিত হোৱা ৰাভাৰ জীৱন, চিন্তা আৰু কৃতিৰ এক বিচিত্ৰ বৰ্ণালী।

ৰাভাৰ মৃত্যু-বার্ষিকীৰ সময়ত তেওঁৰ প্ৰতিভা আৰু ভূমিকাৰ চূড়ান্ত মূল্যায়ন নহ'লেও এটা অন্তৰ্বৰ্তীকালীন মূল্যায়নৰ প্ৰয়োজন সকলোৱে উপলব্ধি কৰিছে। ৰাভাৰ অৱদানৰ মূল্য আৰু তেওঁৰ জীৱনৰ তাৎপৰ্য নিৰূপণ কৰিবলৈ এই ব্যাপক আগ্ৰহৰ ঐতিহাসিক কাৰণো আছে নিশ্চয়। ৰাভা আজি আনকি জ্যোতিপ্ৰসাদতকৈও বেছি মাত্ৰাত কেৱল তেওঁৰ বস্তুনির্ভৰ ৰূপত প্ৰতিভাত নহৈ অসংখ্য কিংবদন্তি আৰু উপাখ্যানৰ মাজেৰে, প্ৰেম-শ্ৰদ্ধা-মোহৰ কুঁৱলিৰ মাজেৰে দেৱতাৰ দৰে জলমলাই আমাৰ দৃষ্টিত উদ্ভাসিত হৈছে। তেওঁ এনে প্ৰবাদ-পুৰুষত পৰিণত হোৱাটো তেওঁৰ প্ৰতিভাৰ পৰিণাম —কিন্তু দুখৰ বিষয়, সি কাৰো কামত নাহিব। মৰলোকৰ মানুহ হিচাপে যদি আমি ৰাভাৰ জীৱনৰ পৰা শিক্ষা লাভ কৰিবলৈ বিচাৰোঁ, তেন্তে বস্তুনিষ্ঠভাৱে তেওঁৰ তেজ-মঙহৰ চেহেৰাটোও নিৰিখি চাবলৈ চেষ্টা কৰিব লাগিব।

আজি অসমত অসমীয়াভাষীসকলৰ লগত জনজাতীয়সকলৰ সম্পৰ্ক কেনে

হ'ব সি বহুতৰে বাবে উদ্বেগৰ বিষয়। স্বাভাৱিকতে আজিৰ এই সঙ্কিক্ষণত বহুতে মনত পেলাইছে অসমত বাস কৰা বিভিন্ন জাতি আৰু গোষ্ঠীৰ মহা-মিলনৰ জীৱন্ত প্ৰতীক ৰাভালৈ। বামপন্থী আন্দোলনৰ তৰুণ কৰ্মীসকলে অপৰিসীম নিৰ্যাতন, ক্লেশ আৰু অৱমাননাৰ মাজত ভৱিষ্যৎ সমাজৰ যি দীপ্তমান সপোন দেখিছে, তাৰ এক অক্ষয় প্ৰেৰণাৰ উৎস ৰাভাৰ জীৱন। অসমৰ জনগণৰ জাগৰণৰ মাজেদি অসমৰ জাতীয় আশা-আকাংক্ষা ফলৱতী কৰাৰ কথা যিসকলে ভাবিছে, তেওঁলোকৰ বাবেও ৰাভা এক বাঞ্ছিত ধনৰ সন্ধানী। জনগণৰ পক্ষ লৈ সংগ্ৰামী শিল্পী হিচাপে শাসক শ্ৰেণীৰ আগত থিয় দিয়া ৰাভাৰ ছবিৰ লগত সংঘাত হৈছে শিল্পীসুলভ কোমলতা আৰু উদাৰতাৰ অন্য এক ভাবমূৰ্তিৰ। এইবোৰ পৰস্পৰবিৰোধী শিবিৰে ৰাভাৰ কাৰ্যকলাপ, মতামত আৰু ৰচনাৱলীক নিজৰ নিজৰ লক্ষ্য সিদ্ধিত ব্যৱহাৰ কৰিবলৈ তুমুল হেতাওপৰা লগাইছে। ৰাভাৰ ব্যক্তিত্ব আৰু চিন্তাৰ প্ৰকৃত স্বৰূপ সেয়ে এক অমীমাংসিত ৰহস্য হৈ পৰিছে।

তেওঁৰ সংগ্ৰামী জীৱন প্ৰকৃততে সাম্যবাদী আদৰ্শত উদ্বুদ্ধ উৎসৰ্গিত জীৱন নে জীৱনপিপাসু ৰোমাণ্টিক শিল্পীৰ অতৃপ্ত অন্বেষণ, সেই অপ্ৰীতিকৰ প্ৰসংগও আমি এৰাই যোৱা উচিত নহ'ব। ৰসজ্ঞ আৰু বিদগ্ধসকলে ৰাভাৰ কৰ্মজীৱন আৰু শিল্পসাধনাৰ সাৰ্থকতা আৰু ব্যৰ্থতা সম্পৰ্কেও ক্ৰমে কঠোৰ প্ৰশ্ন তুলিব। উন্নাসিক বিদগ্ধতাৰ বিভ্ৰান্তি আমি হয়তো বুজিছোঁ, কিন্তু গদ্‌গদ্ বামপন্থী "বীৰপূজা"ৰ অৰ্থহীনতা সম্পৰ্কেও সজাগ হোৱাৰ প্ৰয়োজন —কাৰণ চৌখিন মধ্যবিত্ত বিপ্লৱীৰ মাজত এনে প্ৰতিক্ৰিয়া অত্যন্ত সুলভ। কেনেবাকৈ ৰাভাৰ ভুল-ত্ৰুটীবোৰেই যদি বীৰপূজাৰ আতিশয্যত আমাৰ আৰ্হি হৈ পৰে তেন্তে সি আমাৰ যুগৰ সম্ভাৱনাসমূহ মূৰ্ত নকৰি পংগুহে কৰিব। কিন্তু এটা বিষয়ে মই নিসন্দেহ ঃ সংশয় আৰু বিচাৰৰ এই অগ্নিপৰীক্ষাৰ ফলত ৰাভাৰ প্ৰতিভা আৰু দুগুণে জিলিকি উঠিব।

বিষ্ণু ৰাভাৰ জীৱন আৰু অৱদানৰপৰা পোনপটীয়াকৈ শিক্ষা লোৱাত কিছুমান আহুকাল আছে। আজিৰ যুগ বিষ্ণু ৰাভাৰ যুগতকৈ বহু বিষয়ত জটিল। ভাৰতৰ শাসকশ্ৰেণীসমূহে সৃষ্টি কৰা ৰাষ্ট্ৰৰ শক্তি আৰু সংগঠন সেইকালৰ তুলনাত বহুগুণে বৃদ্ধি পাইছে। শোষিত শ্ৰেণীসমূহৰ মাজত বিভ্ৰান্তি আৰু বিভাজন আনিবলৈ কেইবা দশকৰ কূট গৱেষণা-প্ৰসূত কৌশল এতিয়া এই ৰাষ্ট্ৰই ব্যৱহাৰ কৰে। সেইদৰে জনগণৰ প্ৰকৃত বন্ধুসকলক জনগণৰপৰা বিচ্ছিন্ন কৰাৰ সামান্য সুযোগ সি অথলে যাবলৈ নিদিয়ে। শাসক শ্ৰেণীৰ মাজতো কেবাটাও শিবিৰ। বিদেশী সাম্ৰাজ্যবাদৰ সাংগঠনিক মাৰণাস্ত্ৰ CIA প্ৰভৃতি গুপ্ত সংঘৰ কীৰ্তিকলাপো লোমহৰ্ষক হৈ উঠিছে। একে সময়তে বামপন্থী শিবিৰো বহু পৰস্পৰ বিৰোধী দল-মতত বিভক্ত। অন্ততঃ

প্ৰতি পাঁচ বছৰে নিৰ্বাচনৰ সময়ত প্ৰত্যেকেই স্ফীতকায় প্ৰতিশ্ৰুতি আৰু প্ৰতিজ্ঞাৰে জনগণৰ ওচৰ চাপে। সেয়ে সংশয় আৰু বিভ্ৰান্তিৰ কুঁৱলিত জনগণৰ মন আচ্ছন্ন হৈ আছে। যুক্তিৰ এই বিপত্তিৰ সময়ত স্বাভাৱিকতে চোৰাং পথেৰে আহে ধৰ্ম বা ভাষা বা সম্প্ৰদায়ৰ চেলু লৈ অন্ধ আবেগৰ ৰাগি। এই ঘটনা ব্ৰিটিছৰ দিনতে আৰম্ভ হৈছিল। কিন্তু আজি তাৰ ক্ৰিয়া বহুগুণে বেছি সূক্ষ্ম আৰু সুদূৰপ্ৰসাৰী।

ঠিক এইবাবেই আমি ক'বলৈ বাধ্য হৈছোঁ যে ৰাভাৰ একালৰ ঘনিষ্ঠতম সহকৰ্মীও সদায় তেওঁৰ জীৱন, আদৰ্শ, ভূমিকাৰ নিৰ্ভৰযোগ্য সাক্ষী নহ'ব পাৰে। তেওঁৰ একালৰ সহকৰ্মীসকল নিশ্চয় ৰাভাৰ স্মৃতি আৰু ৰাভাৰ বিষয়ে অজ্ঞাতপূৰ্ব বহু তথ্যৰ ভঁৰাল। কিন্তু সকলো তথ্য সত্যৰূপত তেওঁ আমাৰ আগত দাঙি ধৰিছে নে নাই জানিবলৈ হ'লে সেই সহকৰ্মী বা বন্ধুৰ বৰ্তমান ভূমিকা আৰু জীৱনদৰ্শনো আমি তীক্ষ্ণ দৃষ্টিৰে পৰীক্ষা কৰিব লাগিব। ৰাভাৰ আদৰ্শৰপৰা বিচ্যুত হৈ যি ব্যক্তিগত সিদ্ধিৰ সাধনা কৰিছে নাইবা প্ৰতিক্ৰিয়াশীল আদৰ্শত আসক্ত হৈছে নাইবা জনগণৰ বিৰুদ্ধে শাসক শ্ৰেণীৰ লগত হাত মিলাইছে। তেওঁলোকৰ সাক্ষ্য-প্ৰমাণক নিৰ্মোহভাৱে চালি-জাৰি চোৱাৰ প্ৰয়োজন আছে।

বিষ্ণু ৰাভাৰ প্ৰতি আজিৰ ডেকাচামৰ অনুৰাগ আৰু শ্ৰদ্ধাৰ প্ৰধান কাৰণ তেওঁৰ সংগ্ৰামী শিল্পীৰ ভূমিকা —সমাজৰ ৰূপান্তৰৰ সংগ্ৰামৰ লগত শিল্পৰ আবেগ আৰু ফৰ্ম্ (ৰূপ) একান্তভাৱে জড়িত কৰাত তেওঁৰ দক্ষতা। তেওঁৰ পৰৱৰ্তী জীৱনৰ বেদনাবিধুৰ কালাতিপাতত তৰুণসকল বিশেষ অনুপ্ৰাণিত নহয়। সেয়ে তেওঁৰ সেই সংগ্ৰামমুখৰ পৰ্বৰ সতৰ্ক মূল্যায়নৰ প্ৰয়োজন। বিদ্ৰোহী তৰুণৰ কল্পনাত অৱশ্যে কিছুদূৰ সেই ভূমিকাই কথাছবিৰ নায়কৰ দৰে মোহ সঞ্চাৰ কৰিছে। কিন্তু সেই আবেদনৰ সাৰবস্তু হ'ল অসমাপ্ত ভাৰতীয় বিপ্লৱৰ আকৰ্ষণ। সেই পৰ্বৰ ব্যৰ্থতাৰ প্ৰধান কাৰণ নিশ্চয় আছিল অধীৰ বিচাৰ আৰু হঠকাৰী কাৰ্যসূচী। কিন্তু হঠকাৰিতাই তাৰ শেষ কথা হোৱা হ'লে আজিৰ যুৱমানসক ঘটনাৰ ত্ৰিশবছৰৰ মূৰত আকৰ্ষণ কৰিব পৰা শক্তি তাৰ নাথাকিলহেঁতেন। সেই অভূতপূৰ্ব জনজাগৰণৰ মাজত নিশ্চয় এনে সম্পদ আৰু প্ৰভাৱেও গঢ় লৈছিল যাৰ প্ৰতিক্ৰিয়া আজিও সক্ৰিয়। ৰাভাৰ সেই ভূমিকা কেৱল হঠকাৰী হোৱা হ'লে বুজা নাযাব ৰাভাই পিছলৈ তেনে সৃষ্টিক্ষম ভূমিকা ল'ব নোৱাৰিলে কিয়।

ৰাভা কোনো নিঃসংগ বিদ্ৰোহী নাছিল। তেওঁৰ মনস্তত্ত্বৰ বিকাশত কেতবোৰ পাৰিবাৰিক তথা সামাজিক ঘটনাই নিশ্চয় গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিছিল। সকতে ঘাটমাউৰা হোৱা ৰাভাৰ দুৰ্ভগীয়া জীৱনত নিশ্চয় আনৰ মৰম-চেনেহৰ অমৃত পৰশে অলৌকিক মহিমা অৰ্জন কৰিছিল। জনজাতীয় সমাজৰ সংগপ্ৰিয়তাই (Gregari-

ousness) সেই বৈশিষ্ট্য অধিক প্ৰবল কৰিছিল। একাধিক নাৰীৰ সংগৰপৰা তেওঁ বিচাৰিছিল শৈশৱতে হেৰুৱা এই সোণৰ সোলেং। পিছলৈ পাৰ্টি তথা জনগণৰ মাজত তেওঁ বিচাৰিছিল —আৰু সৌভাগ্যবশতঃ পাইছিল এই স্নিগ্ধ ৰসধাৰাৰ অক্ষয় প্ৰস্ৰবণ। কিন্তু মোৰ ধাৰণা যে এইবাবেই এই অমিততেজা আৰু অতুল শক্তিধৰ মানুহজনৰ ব্যক্তিত্বত এটা দুৰ্বলতাও আছিল। প্ৰয়োজনত সকলো সংগৰপৰা আঁতৰি অকলশৰীয়া অৱস্থান ল'ব পৰা মানসিক প্ৰস্তুতি তেওঁৰ কোনোকালেই নাছিল। সেই প্ৰয়োজনো জনগণৰ স্বাৰ্থতে আহে কেতিয়াবা।

সংগঠনৰ একনিষ্ঠ সদস্য ৰাভাই শৃংখলা আৰু আন্তৰিকতাৰে সংগঠনৰ নিৰ্দেশ আৰু বিধি মানি চলিছিল। কিন্তু ভাৰতীয় জনগণৰ সংগ্ৰাম যে সেই পৰ্য্যায়ত বন্ধ্যা হ'ল তাৰ বাবে সেইকালৰ সংগঠনৰ নেতৃত্বৰ লগতে ৰাভায়ো দায়িত্ব বহন কৰিব লাগিব। বিশেষকৈ ভাৰতীয় সমাজৰ শ্ৰেণীবিন্যাস, ভাৰতীয় ৰাষ্ট্ৰৰ চৰিত্ৰ আৰু প্ৰভাৱ, জনগণৰ ৰাজনৈতিক তথা সাংস্কৃতিক চেতনা —এই সকলোৰে পুংখানুপুংখ অনুসন্ধান আৰু তাত্বিক সমন্বয় সেই দশকত হোৱা নাছিল। সংগ্ৰামৰ সেই স্তৰত ৰুছিয়াত ৰচিত হৈছিল লেনিনৰ কষ্টকৰ, তথ্যসমৃদ্ধ দিক্‌দৰ্শী ৰচনা Development of Capitalism in Russia আৰু চীনৰ মাওৰ Human Repart সেয়ে যথেষ্ট মাত্ৰাত নমনীয় ৰণনীতি আৰু যুক্তফ্ৰন্টৰ বিচক্ষণ প্ৰয়োগ ভাৰতীয় জনগণৰ সংগ্ৰামৰ সেই পৰ্বত আমাৰ চকুত নপৰে। এই দুৰ্বলতাৰ ৰেশ আজিও ভাৰতৰ বামপন্থী আন্দোলনত ৰৈ গৈছে।

বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সংগঠনতো তাৰ পৰিণতি স্বৰূপে কিবা গুৰুতৰ ত্ৰুটী থকাটো সম্ভৱ আছিল। কিন্তু নিসন্দেহে সেই সংগঠনে তেতিয়া যি গণভিত্তি আৰু গণচৰিত্ৰ অৰ্জন কৰিছিল তাৰ পিছৰ কোনো বামপন্থী দলে তেনে গণচৰিত্ৰ পাইছে নে নাই সন্দেহ। এই পৰিবেশত গাঁৱে-ভূঞে অদ্ভুত জনপ্ৰিয়তা লাভ কৰে ৰাভাই। গায়ক, সুৰকাৰ, শিল্পী হিচাপেই ঘাইকৈ এই জনপ্ৰিয়তা। কিন্তু গীত, সুৰ আৰু কথকতাৰ জৰিয়তে জনগণক নিজস্ব শ্ৰেণীগত দাৰিদ্ৰ্য আৰু বঞ্চনা আৰু তাৰ মূলত থকা শোষণ সম্পৰ্কে সচেতন কৰিবপৰা বাবেই তেওঁৰ শিল্পী প্ৰতিভাই এই জনপ্ৰিয়তা অৰ্জন কৰিছিল।

আমাৰ বহুকেইজন নিবন্ধকাৰে আঙুলিয়াই দিয়া দৰে জনগণৰ লগত প্ৰাণৰ সম্পৰ্কই এই পৰ্যায়ত ৰাভাৰ সৃষ্টিশীলতাৰ প্ৰধান শিক্ষা। কিন্তু গভীৰ ভাৱে চালে বোধহয় পৰিষ্কাৰ হ'ব যে ৰাভাৰ এই ব্যক্তিগত ভূমিকা অসমৰ জনগণৰ সাম্প্ৰতিক ইতিহাসৰ দৰ্পণ। তেওঁলোকৰ জাগৰণ আৰু সংগ্ৰামৰ লগত ৰাভাৰ ভূমিকাৰ অংগাংগী সম্পৰ্ক। জাতীয় মুক্তি আন্দোলনৰ প্ৰবাহ জাতীয়তাবাদী পথেৰে বৈ

যোৱাৰ সময়ত ৰাভাৰ কবিতা শংকৰ-মাধৱ, লাচিত-জয়াৰ স্মৃতিত উদ্দীপ্ত। চল্লিশৰ দশকৰ প্ৰবল গণ-আন্দোলনৰ মাজত অসমৰ কৃষক সমাজ যিদৰে চঞ্চল আৰু উত্তেজিত হৈ উঠিছিল তাৰ মাজেৰে জনগণৰ শৌৰ্য আৰু সামৰ্থ্য সম্পৰ্কে সৎ, আন্তৰিকতা সম্পন্ন, নিঃস্বাৰ্থ দেশপ্ৰেমিক কেইজনে প্ৰত্যক্ষ শিক্ষা পাইছিল। জাগ্ৰত জনতাৰ সেই মহীয়ান ৰূপ দেখি জ্যোতিপ্ৰসাদ অভিভূত হৈছিল। এই জোৱাৰেই স্বাধীনতাৰ প্ৰতিশ্ৰুতিত থমকি নৰৈ দেশীয় শাসকশ্ৰেণীৰ বিৰুদ্ধে প্ৰবলবেগে ধাবিত হৈছিল সশস্ত্ৰ সংগ্ৰামৰ পৰ্বত। এই সময়তে এজন জনজাতীয় খেতিয়কে পুলিচৰ আগত পাৰ্টিৰ গোপন কথা প্ৰকাশ হোৱাৰ ভয়ত নিজৰ জিভা কামুৰি ছিঙি পেলাইছিল। ৰাজনী বড়ো নামৰ বড়ো গাভৰু এগৰাকীয়ে সগৰ্ভা অৱস্থাত পুলিচৰ মাৰৰ কোবত প্ৰাণ হেৰুৱাইছিল। অসমৰ গাঁৱে-ভূঞে এই সময়তে ত্যাগ, সাহস, উদ্ভাৱনী শক্তি আৰু বীৰত্বৰ বহু অলিখিত, অজ্ঞাত ইতিহাস ৰচিত হৈছিল। জ্যোতিপ্ৰসাদে যে কৈছিল, শিল্পীৰ কাম হ'ল বোকামাটিৰ তলত ঢাক খাই থকা ৰাইজৰ অন্তৰৰ মণি-মুকুতা ধুই-পখালি নিকাকৈ লোৱা —ৰাভাই যেন তাৰেই পৰীক্ষা চলাইছিল হাতে-কামে। গণনাট্য সংঘৰো মূলমন্ত্ৰ আছিল তেনে ধৰণৰে। কিন্তু সশস্ত্ৰ সংগ্ৰামৰ ব্যৰ্থতাঁৰ বাবেই হওক বা স্বাধীনতাৰ মোহনিদ্ৰাৰ বাবেই হওক জনগণ পুনৰ সুপ্তিমগন হ'ল। লগে লগে ৰাভাৰ সৃষ্টিৰ গতিবেগ যেন স্তিমিত হৈ আহিল। দেশীয় আৰু আন্তৰ্জাতিক বিভ্ৰান্তিৰ ফলত যাঠিৰ পিছত সাম্যবাদী সংগঠনসমূহ যেতিয়া হীনবল, জনগণ যেতিয়া নিষ্ক্ৰিয় তেতিয়া ৰাভাৰ সৃষ্টি প্ৰতিভা নিৰ্বাণমুখী বন্তিৰ দৰে ঢিমিক-ঢামাক। ব্যক্তিগতভাৱেও তেওঁ গ্লানি আৰু হতাশাৰ কবলত নপৰাকৈ থকা নাছিল।

শত কষ্ট, অপমান, নিৰ্যাতন, অৱহেলাৰ মাজতো কিন্তু ৰাভাৰ মুখৰ মধুৰ হাঁহি মাৰ যোৱা নাছিল। তেওঁৰ দুখত আনেই বেছিকৈ কান্দিছিল —তেওঁৰ নিজৰ বাবে অশ্ৰু বিসৰ্জন কৰাত বেছি সময় খৰচ কৰা নাছিল। অসম আন্দোলনৰ সময়তে শাসকশ্ৰেণী আৰু সুবিধাভোগী মধ্যবিত্তই বামপন্থী কৰ্মীৰ ওপৰত কেনে ভয়ানক নিপীড়ন চলাব পাৰে, নতুনকৈ তাৰ পৰিচয় বহুতে পালে। জ্যোতিপ্ৰসাদৰ দৰে প্ৰখ্যাত শিল্পীয়ে নালিয়াপুলৰ ঘটনাৰ বিৰুদ্ধে জনোৱা প্ৰতিবাদ অসমৰ কোনো কাকতে প্ৰকাশ কৰা নাছিল। ৰঘুনাথ চৌধাৰীৰ দৰে সৰ্বজনশ্ৰদ্ধেয় কবিৰ সাহিত্যিক পেঞ্চন অসম চৰকাৰে কাটি দিছিল সাম্যবাদী উদ্যোগত গঢ়ি উঠা বিশ্বশান্তি আন্দোলনত যোগ দিয়া অপৰাধত। তেনে সময়ত বা তাৰ পিছত কৃষক জনগণক অত্যাচাৰী শোষকৰ বিৰুদ্ধে অস্ত্ৰ ধৰিবলৈ শিকোৱা ৰাভাৰ ওপৰত শাসক শ্ৰেণীয়ে কেনে অত্যাচাৰ কৰিছিল বহলাই বুজাই কোৱাৰ প্ৰয়োজন নাই। কিন্তু এই সাংসাৰিক ক্লেশ আৰু

বৈষয়িক অসাফল্য তেওঁ হেলাৰঙে অৱহেলা কৰিব পাৰিছিল জনগণৰ প্ৰতি থকা তেওঁৰ অকৃত্ৰিম মমতাৰ বাবে, জনগণৰ ওপৰত থকা তেওঁৰ অটল আস্থাৰ বাবে। ছোভিয়েট কমিউনিষ্ট পাৰ্টিৰ ইতিহাসত ষ্টালিনে যে গ্ৰীক পুৰাণৰ দৈত্য আণ্টেউছৰ (Antaeus) কথা উল্লেখ কৰিছে —বসুমতীৰ লগত স্পৰ্শ থকা বাবে যি আহৰণ কৰিছিল অপৰিসীম শকতি —ৰাভাৰ জীৱন যেন আছিল তাৰ আধুনিক সংস্কৰণ। নিজকে তেওঁ কোনো বাহুল্য নোহোৱাকৈ নিঃসংকোচে বৰ্ণনা কৰিছিল 'ৰাইজৰ হিয়াৰ আমঠু' বুলি আৰু এই পৃথিৱীৰপৰা বিদায় লৈছিল 'ৰাইজৰ পদ চুমি'। ৰাইজৰ হিয়া মৌ-কোঁহৰ মৌ নিগৰাই তাক ৰাইজৰ ওঁঠতে পুনৰ সপি দিছিল তেওঁ। তেওঁ যে কৈছিল শিল্পীৰ 'ঝঞ্ঝা বিজয়ী আত্মাৰ' কথা —তাৰ সৃষ্টি হৈছিল গণহৃদয়ৰ কমাৰশালত।

আৰু এইবাবেই তেওঁৰ গীত, কবিতা আৰু ৰচনাত নিভাঁজ পোনপটীয়া অসমীয়া ভাষাৰ এনে সাৱলীল প্ৰয়োগ। সকলো কথাকে সহজ ভাষাত বুজোৱাত তেওঁৰ দক্ষতা আজি আখ্যানপ্ৰসিদ্ধ। সেই দক্ষতা কেৱল সহজ শব্দৰ ওপৰত দখল নহয়। সি হ'ল জনগণৰ মনৰ লগত একাত্ম হৈ তাৰ সকলো সাংস্কৃতিক আৰু ঐতিহাসিক বৈশিষ্ট্য নিজৰ হৃদয়ত ধাৰণ কৰি, —সমাজবাদৰ নতুন তত্ত্বসমূহক সেই সাঁচত গঢ় দিব পৰা ক্ষমতা। শোষক শ্ৰেণী আছিল তেওঁৰ এই জনমুখী ভাষাত 'তেজপিয়া কুবেৰ' —Underground আছিল মহাভাৰতৰপৰা লোৱা 'অজ্ঞাতবাস।' য়েনান ফৰ্মাত মাওৱে গণ-সাহিত্যৰ ভাষা সম্পৰ্কে দিয়া নিদান আজি এচাম সমালোচকে অবাস্তৱ বুলি ঘোষণা কৰিছে। কিন্তু বিষ্ণু ৰাভাৰ ৰচনাত সেই সূত্ৰৰ সফল প্ৰয়োগ ঘটিছিল বাৰে বাৰে। এই সাফল্যৰ কাৰণ এয়ে যে নেতা হিচাপে দূৰত্বত অৱস্থান নলৈ কৃষক-শ্ৰমিক কৰ্মীক উন্নত ৰাজনৈতিক আৰু সাংস্কৃতিক চেতনালৈ তুলি অনাৰ চেষ্টা তেওঁ সততে কৰিছিল। বহু নিৰক্ষৰৰ চকু আৰু মনত তেওঁ পেলাইছিল এই উন্নত চেতনাৰ পোহাৰ।

ৰাভাৰ চিন্তাধাৰা কেৱল তাত্ত্বিক দিশতে সীমাবদ্ধ হৈ থকা হ'লে কথা বেলেগ আছিল। কিন্তু তেওঁৰ জীৱনৰ অন্যতম মহৎ বৈশিষ্ট্য হ'ল চিন্তাক কৰ্মত ৰূপায়িত কৰাৰ, তত্ত্বক জীৱনত প্ৰতিফলিত কৰাৰ সাহস আৰু নিষ্ঠা। সেইবাবেই তেওঁৰ ভুল-ত্ৰুটীও স্বস্তিকৰভাৱে উদাহৰণ হ'বৰ যোগ্য —কুঁৱলিয়ে ঢকা চাকনৈয়া নহয়।

তেওঁৰ জীৱনী লেখিবলৈ ওলোৱা তিলক দাসক তেওঁ পৰামৰ্শ দিছিল আঁদ্ৰে মৰোয়াৰ শেলিৰ জীৱনী Ariel ৰ আৰ্হিত তেওঁৰ জীৱন-কাহিনী দাঙি ধৰিবলৈ। ইউৰোপীয় ৰোমান্টিক কবিকুলৰ এচামৰ মাজতো দেখা গৈছিল গতানুগতিক জীৱন এটা মানি লোৱাৰ বিপৰীতে জীৱনক আদৰ্শৰ সাঁচত গঢ়ি তোলাৰ প্ৰেৰণা। ৰাভায়ো

বিচাৰিছিল জীৱনক শিল্প কৰ্মৰ দৰে গঢ়িবলৈ। কিন্তু এই জীৱনদৰ্শনৰ সাহস, গতিশীলতা আৰু অভিনৱত্বৰ ওলোটা পিঠিত আছে একধৰণৰ অগভীৰতা বা দায়িত্বহীনতা। আমাৰ জীৱন আনৰ জীৱনৰ লগত এনে অংগাংগীভাৱে জড়িত যে নিজৰ জীৱন লৈ পৰীক্ষা-নিৰীক্ষা চলোৱাৰ হেঁপাহে কেতিয়াবা আনৰ জীৱন বিধ্বস্ত কৰিব পাৰে। এই দায়িত্ব সচেতনভাৱে গ্ৰহণ নকৰাৰ অৰ্থ হৈছে পলায়নবাদ।

কিন্তু ভাবাদৰ্শ আৰু সংগঠনৰ পিনৰপৰা সাম্যবাদৰ ওচৰ চপাৰ আগতেও ৰাভাৰ ব্যক্তিত্ব আছিল বিচ্ছিন্নতা আৰু আত্মকেন্দ্ৰিতাৰ ওলোটা মেৰুত। তেওঁ সমাজপ্ৰিয়। আনৰ লগত মিলিজুলি কাম কৰাতেই তেওঁ সদায় পৰিতৃপ্ত। আনৰ আনন্দত উৎফুল্ল হোৱা, আনৰ দুখত গলি যোৱা, আনৰ বিপদত সহায় কৰা, আনৰ উন্নতি আৰু মংগলত অৰিহণা যোগোৱা —যিজন লোকৰ স্বাভাৱিক প্ৰবৃত্তিয়েই এই ধৰণৰ, তেওঁক দায়িত্বহীন বোলাৰ আগতে আমি থমকি ৰ'ব লাগে। ই আছিল জনজাতীয় ঐতিহ্যৰপৰা তেওঁ পোৱা অমূল্য উত্তৰাধিকাৰ। জনজাতীয় ব্যক্তিত্বৰ সমাজপ্ৰাণতা তেওঁ অৱশেষত নিয়োগ কৰিছিল উন্নততৰ সমাজ গঢ়াৰ কামত। ব্যক্তিগত কেৰিয়াৰ গঢ়াৰ মনোভাব আজি যেন সুলভ, ৰাভাৰ চৰিত্ৰৰ এই ধৰ্ম মাজে মাজে অলৌকিক বুলিয়ে ভ্ৰম হয়। আনহাতে লুনাচাৰস্কিয়ে লেনিনৰ চৰিত্ৰৰ যি সাম্যবাদী লক্ষণলৈ আঙুলিয়াই দিছিল —"his complete lack of any personal interest", ব্যক্তিগত স্বাৰ্থৰপৰা তেওঁৰ সম্পূৰ্ণ মুক্তি —ৰাভাৰ চৰিত্ৰত তাৰ সমগোত্ৰীয় এক মানসিকতা লক্ষ্য নকৰি নোৱাৰি। সচেতন চৰ্চায়ো তাত সহায় কৰিছিল। মৃত্যুশয্যাৰপৰা দিয়া বাণীত তেওঁ 'প্ৰকৃত কমিউনিষ্ট' হ'বলৈ তেওঁৰ হেঁপাহৰ কথা উল্লেখ কৰিছিল। এই পথেদি আন বহুতকৈ দূৰলৈ তেওঁ আগুৱাই গৈছিল। কিন্তু তাত সচেতন আৰু প্ৰণালীবদ্ধ আত্মসমালোচনাৰ স্থান কিমান আছিল সিও বিচাৰ্য।

কোনো কোনো চেঙেলীয়া প্ৰবীণৰ ধাৰণা যে সৃষ্টিতকৈ সমালোচনাৰ গুৰুত্ব বহুত কম। সৰু ল'ৰাৰ দুষ্টালিৰ দৰে এনে মনোভাবৰ কাৰণ বুজা সহজ। দায়িত্বমান সমালোচকক নিৰস্ত্ৰ কৰি বজাৰৰ সস্তীয়া পণ্য বা ফটুৱা বেহানিকে অতি উচ্চস্তৰৰ শিল্প বুলি সমাজক চলিবলৈ কাৰো কাৰো স্পৃহা প্ৰবল হোৱাই স্বাভাৱিক কিন্তু সমালোচনাতো কল্পনা আৰু অন্তৰ্দৃষ্টিৰ প্ৰয়োজন আৰু এই অন্তৰ্দৃষ্টি দীৰ্ঘস্থায়ী সাধনা অবিহনে আয়ত্ত কৰিব নোৱাৰি। এটা সমালোচনা অসাৰ্থক বা টুলুঙা সৃষ্টিৰ প্লাৱনৰপৰা সমাজৰ ৰুচি আৰু বুদ্ধিৰ ৰক্ষা কৰিবৰ বাবে অপৰিহাৰ্য আৰু এই সমালোচনাৰ নিৰন্তৰ ব্যাপক চৰ্চাৰ ফলতহে ব্যক্তিৰ মাজত আত্মসমালোচনাৰ অভ্যাস গভীৰ হৈ পৰে। অসম এইপিনৰপৰা আগবঢ়া নহয়। ৰাভাৰ জীৱন যদি সমালোচনা-আত্ম-সমালোচনাৰ

জুইত পুৰি আৰু উজ্জ্বল হৈ জ্বলা নাছিল তাৰ বাবে যাইকৈ অসমৰ অনগ্ৰসৰতাই দায়ী।

নিয়মিত অনুশীলনৰ সুযোগ ৰাভাৰ সৃষ্টিমুখৰ কালছোৱাত কমেই আছিল। সংগঠনৰ দাবী, পুলিচৰ নজৰ এৰাবৰ প্ৰয়োজন, সংগী-সহকৰ্মীৰ অবিৰত সান্নিধ্যৰ মাজতো তেওঁ চিন্তা কৰা বা সৃষ্টি কৰাৰ সময় কেনেকৈ উলিয়াইছিল ভাবিলে অবাক হ'ব লাগে। সংগী-সহকৰ্মীৰ লগত অৱশ্যে তেওঁ সঘনে আলোচনা কৰিছিল — কিন্তু মাৰ্ক্সবাদৰ তত্ত্বৰ বাহিৰে আনবোৰ বিষয়ত তেওঁৰ সমকক্ষ লোক বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ মাজত বেছি নাছিল। সাংস্কৃতিকভাৱে শিক্ষিত, ৰুচিবান, ৰসজ্ঞ লোক এই মহলত যদি বিৰল আছিল, জনগণৰ মাজতো কলাকৃষ্টি উপভোগ কৰাৰ ক্ষমতা থাকিলেও তাৰ ভুল-ত্ৰুটী ধৰিব পৰা চেতনা ব্যাপক আছিল বুলি ভবাৰ থল নাই।

ৰাভাৰ ঐতিহাসিক গৱেষণা —নৃতাত্ত্বিক, ভাষাতাত্ত্বিক বা সামাজিক কৃষ্টিৰ ক্ষেত্ৰত বিশেষকৈ —সেই পৰিবেশত আছিল ততোধিক দুষ্কৰ। তেনে গৱেষণাৰ কোনো আনুষ্ঠানিক ভিত্তিয়েই তেতিয়ালৈ অসমত গঢ় লৈ উঠা নাছিল। নাছিল এটা ভাল গ্ৰন্থাগাৰ, নাছিল বিশ্ববিদ্যালয়ৰ নৃতত্ত্ববিভাগ, নাছিল কোনো গৱেষণাপত্ৰ —Assam Research Society ৰ ক্ষীণ কলেৱৰৰ দুৰ্লভ পত্ৰিকাখন বাদ দিলে। একক প্ৰচেষ্টাৰ বহু সিদ্ধান্তই অলীক হ'বলৈ বাধ্য। ভাষাতত্ত্বৰ ক্ষেত্ৰত তেওঁ দিয়া কেতবোৰ ব্যাখ্যা কাল্পনিক আৰু আনুমানিক যেনেই লাগে। কামাখ্যা আৰু ব্ৰহ্মপুত্ৰ প্ৰকৃততে 'কা-মে'-খা' বা 'ভুল্লুং বুথুৰ'ৰ সংস্কৃতীয়া ৰূপ হয় নে নহয় নিশ্চয়কৈ কোৱা টান। কিন্তু ৰাভাৰ গৱেষণাৰ সাধাৰণ দিশটো যে সঠিক আছিল পৰৱৰ্তী কালৰ বহু অনুসন্ধানত তাৰ প্ৰমাণ পোৱা গৈছে। অসমীয়া জীৱনযাত্ৰা আৰু সংস্কৃতিৰ বুনিয়াদ যে জনজাতীয়, ৰাভাৰ সেই ধাৰণা আজি বিদ্বৎসমাজত ব্যাপকভাৱে স্বীকৃত হৈছে। (ৰাভায়েই পোনপ্ৰথমে আঙুলিয়াই দিছিল অসমৰ থলুৱা নিচুকনি গীত, বিয়ানাম আৰু ওজাপালি আদিত সপ্তস্বৰৰ সৰ্গমৰ্ত্যকৈ পঞ্চস্বৰৰ ব্যাপ্তিহে (Pentatonic Scale) সুলভ।)

তাহানিয়েই এড্‌বাৰ্ড গেইটে তেওঁৰ Census Report তে লক্ষ্য কৰি গৈছিল যে তথাকথিত হিন্দু অসমীয়া জনগোষ্ঠীৰ শতকৰা আশীজনেই জন-জাতীয় মূলৰপৰা অহা। ই অসমৰ সমাজৰ এক চলমান ঐতিহাসিক প্ৰক্ৰিয়া। কিন্তু এই 'উত্তৰণ'ৰ মূল্য আছিল সাধাৰণ হিন্দু অসমীয়াৰ মনত জনজাতীয় কৃষ্টিৰ প্ৰতি এক উচ্চাভিমানিকা আৰু অৱজ্ঞা। ৰাভাই এনে এক বহল অসমীয়া সমাজ বিচাৰিছিল য'ত এই উচ্চাভিমানিকাৰ স্থান নাথাকিব, যাৰ ভিত্তি হ'ব সমন্বয়, য'ত অসমীয়াই মুকলি মনেৰে প্ৰকাশ্যভাৱে জনজাতীয় কৃষ্টিৰ উপাদান গ্ৰহণ কৰিব। কিন্তু এনে সাংস্কৃতিক সমন্বয় সামন্তবাদী

পৰিবেশত সম্ভৱ নহয়। সমাজবাদী কাঠামোৰ মাজত প্ৰকৃত গণতন্ত্ৰৰ ভিত্তিতহে ৰাভাৰ কল্পনাৰ সমন্বয় সম্ভৱ; আৰু অৰ্থনৈতিক সাম্য এনে সমন্বয়ৰ অপৰিহাৰ্য চৰ্ত। সেইবাবেই হয়তো একালত বহল অসমীয়া জাতিৰ সপোন দেখা ৰাভাই সমাজবাদ প্ৰতিষ্ঠাৰ সাধনাত নিজকে উচৰ্গা কৰিছিল।

জনজাতীয় স্বকীয়তাৰ বিলোপ সাধনৰ জৰিয়তে সমন্বয় ঘটোৱাৰ আকাংক্ষা তেওঁৰ নাছিল। প্ৰভুত্বকামী হিন্দু অসমীয়াৰহে, ই এক ভেঁকুৰা সপোন। জ্যোতি প্ৰসাদেও ৰাভাৰ লগতে এই সপোনৰ মায়া এৰিছিল। ৰাভাই শেষ জীৱনলৈকে সেয়ে বিনাদ্বিধাই জনজাতীয় সামাজিক অনুষ্ঠানবোৰত যোগ দিছিল। জন-জাতীয়সকলে ভোগ কৰা বৈষম্য আৰু সামাজিক অৱমাননাই তেওঁৰ অন্তৰ দহি আছিল। কিন্তু বিচ্ছিন্নতাবাদক তেওঁ কেতিয়াও সচেতেনভাৱে সমৰ্থন কৰা নাছিল, বৰং তাৰ তীব্ৰ বিৰোধিতাহে কৰিছিল। কেৱল একক ব্যক্তিগত প্ৰচেষ্টাত জনজাতীয় আৰু অসমীয়াৰ সমন্বয়ৰ সেতু গঢ়া সম্ভৱ নাছিল। সেয়ে তেওঁৰ মনে-প্ৰাণে অসমৰ বিভিন্ন সংস্কৃতিৰ সমন্বয়তকৈ মধুৰ সহাৱস্থানহে সক্ৰিয় হৈছিল। জনজাতীয় 'বাথৌ ব্ৰাই' নটৰাজৰ পূৰ্বপুৰুষ হয়তো —কিন্তু নটৰাজ আৰু বাথৌ ব্ৰাইক সমাৰ্থক কৰিব নোৱাৰি। মৃত্যুৰ সময়ত অন্তৰৰ গভীৰ আবেগ-অনুভূতি উজাৰি লেখা 'মোৰ জীৱন নাটৰ শেষ ৰাগিনীৰ' গীতটোত শংকৰী অংকীয়া নাটৰ বিভিন্ন অংগক উপমা হিচাপে প্ৰয়োগ কৰিছে। বিচ্ছিন্নতাবাদৰ প্ৰতি আকৃষ্ট হোৱা হ'লে তেওঁ তেনে কাম কাহানিও নকৰিলেহেঁতেন।

শ্ৰদ্ধেয় চন্দ্ৰধৰ গোস্বামীদেৱে যুক্তি-তথ্যসহ সাব্যস্ত কৰিবলৈ প্ৰয়াস কৰিছে যে ৰাভাৰ সাম্যবাদ তেওঁৰ এক আংশিক প্ৰকাশহে। তেখেতৰ এই মত উৰুৱাই দিব নোৱাৰি। পাঠকসকলে তাৰ যুক্তিযুক্ততা নিজেই বিচাৰ কৰি চাব। কিন্তু মোৰ বিশ্বাস যে ৰাভাৰ মাৰ্ক্সবাদ তেওঁৰ সৃষ্টিমুখৰ পৰ্বৰ প্ৰধান বৈশিষ্ট্য —আৰু মৃত্যুশয্যাৰপৰা দিয়া বাণীত তেওঁৰ জীৱনত মাৰ্ক্সবাদৰ গুৰুত্বও তেওঁ অকপটে স্বীকাৰ কৰিছে। তেওঁৰ কাব্যিক ভাষাত মাৰ্ক্সবাদে তেওঁৰ অস্থিৰ, চঞ্চল জীৱনলৈ আনি দিলে 'সাগৰ সংগমৰ গভীৰতা আৰু পূৰ্ণতা'। কিন্তু এই মাৰ্ক্সবাদৰ স্বাস্থ্য কেৱল ৰাভাৰ একক প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰশীল হ'ব নোৱাৰে। সেয়ে যদি পৰৱৰ্তী জীৱনত মাৰ্ক্সবাদী হিচাপে তেওঁৰ বিশেষ স্মৰণীয় কোনো অৱদান নাই, তাৰ বাবে তেওঁ অকলে দোষী নাছিল।

ধাৰণা হয় যে গণসংগ্ৰামৰ জৰিয়তে ভাৰতৰ জনগণৰ ৰাজনৈতিক চেতনা যিমানে উন্নত হৈছিল, সিমানেই ৰাভাৰ ৰাজনীতি আৰু শিল্পৰ মাজত সম্পৰ্ক গভীৰ হৈছিল। কিন্তু হঠকাৰিতাৰ ফলত সেই সংগ্ৰাম যেতিয়া দুৰ্বল আৰু ব্যৰ্থ হ'ল, তেতিয়া সংসদী ৰাজনীতি আৰু অৰ্থনীতিবাদে সাময়িকভাৱে হ'লেও অনিবাৰ্যভাৱে প্ৰাধান্য

বিস্তাৰ কৰিলে। জনগণৰ ভূমিকা পুনৰ নিষ্ক্ৰিয় হৈ পৰিল। তেনে পৰিবেশত গণশিল্পৰ চৰ্চা কঠিন হৈ পৰিল। ভাৰতীয় গণনাট্য সংঘৰো অৱনতিৰ কাল এইডোখৰেই।

কাৰো কাৰো মতে ৰাভাই CPI-ত যোগ দিয়াটো তেওঁৰ মানসিক দুৰ্বলতাৰ লক্ষণ, কাৰো কাৰো মতে সি পৰিণতি বা শুভবুদ্ধিৰ প্ৰমাণ। পাঠকৰ ৰাজনৈতিক দৃষ্টিভংগী মতেই তেওঁ নিশ্চয় এই প্ৰশ্নৰ উত্তৰ বাছি ল'ব। প্ৰবন্ধকাৰসকলৰ মতো এই ক্ষেত্ৰত নিজা —সম্পাদক বা সম্পাদনা সমিতি সেই মতৰ লগত একমত নহ'বও পাৰে। ১৯৬২ চনৰ পিছত অন্ততঃ কেইবছৰমানৰ বাবে ভাৰতৰ বামপন্থী ৰাজনীতিয়ে পশ্চাদপসৰণ কৰিবলৈ বাধ্য হৈছিল। ৰাভাৰ ভূমিকা এই কালছোৱাত অপক্ষোকৃত নিষ্প্ৰভ হৈ পৰাটো তেওঁৰ বাবে ৰাজনীতিৰ গুৰুত্বৰে প্ৰমাণ।

বিষ্ণু ৰাভা কোনো বিশেষ দলৰ সম্পত্তি নহয়, তেওঁ অসমৰ জনগণৰ এক অমূল্য সম্পদ। দল-মত অনুযায়ী এই সম্পদৰ বিশ্লেষণ আৰু ব্যৱহাৰ বিচিত্ৰ হোৱাটোৱেই স্বাভাৱিক। কিন্তু তেওঁৰ সাধনাৰ মৌল চৰিত্ৰ যাতে বিকৃত নহয় তাকে আমি চকু ৰাখিব লাগিব। এই সম্পৰ্কে সন্দেহৰ কোনো অৱকাশেই নাই যে মাৰ্ক্সবাদেই অসম তথা ভাৰতৰ জনগণৰ মুক্তি আৰু সৰ্বাংগীণ মংগলৰ পথ বুলি তেওঁ ১৯৪৬ চন মানৰপৰা আমৃত্যুকাল অবিচলিতভাৱে বিশ্বাস কৰিছিল, আৰু এই কথাও জল্-জল্ পট্-পট্ যে সকলো ধৰণৰ সংকীৰ্ণতা আৰু জাতিগত বিদ্বেষৰপৰা তেওঁ মুক্ত আছিল। তেওঁৰ ৰচনাৱলী পূৰ্ণাংগভাৱে আৰু যথাযোগ্য মৰ্যাদাৰে প্ৰকাশ নোহোৱালৈকে তেওঁৰ চিন্তাৰ ভালেমান দিশ অনুদ্‌ঘাটিত হৈ থাকিব। ইতিমধ্যে আমাৰ এই প্ৰচেষ্টাই কৌতূহল আৰু অনুসন্ধান জাগ্ৰত কৰাত সহায় কৰিলে আমাৰ পৰিশ্ৰম সাৰ্থক হ'ব।

গুৱাহাটী —হীৰেন গোহাঁই

২২ মে', ১৯৮২

**পুনশ্চ ঃ**

ৰাভাৰ ৰচনাৱলী প্ৰকাশত অসমৰ শাসকশ্ৰেণী উৎসাহী নহয়, কিন্তু ৰাভাৰ স্মৃতিৰ পূজাত হেজাৰ-বিজাৰ টকাৰ ধূপ-ধূনা পুৰিবলৈ তেওঁলোকৰ আপত্তি নাই। কিয়, বহলাই লেখাৰ সকাম নাই। ❑

# স্মৃতিচাৰণ

# বিপ্লৱী গণশিল্পী ৰাভাৰ সোঁৱৰণত

।। নগেন কাকতি।।

জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভা অসমৰ সাংস্কৃতিক জগতৰ দুটি উজ্জ্বল নক্ষত্ৰ। এই দুয়োজনা শিল্পীৰ নাটক, বোলছবি, কবিতা-গীত, চিত্ৰকলা, প্ৰবন্ধাদি, তেওঁলোকৰ বহুমুখী প্ৰতিভাৰাজি অসমৰ নতুন পুৰুষৰ আলোচ্য বিষয় হৈ পৰাটো সুখৰ কথা হৈছে। লগতে এচাম শিল্পী-সাহিত্যিকে এই দুজনা প্ৰতিভাশীল শিল্পীৰ সামগ্ৰিক সৃষ্টিক, তেওঁলোকৰ কৰ্ম আৰু জীৱন দৰ্শনক বিকৃতভাৱে মূল্যায়ন কৰাৰ অপচেষ্টা চলোৱাও দেখা গৈছে। জনগণৰ জীৱন সংগ্ৰামৰ লগত এই শিল্পী দুজনাৰ নিবিড় সম্পৰ্ক আৰু একাত্মবোধ, লগে লগে বিশ্বজুৰি সমাজতন্ত্ৰ অভিমুখে জনসাধাৰণৰ জয়যাত্ৰাৰ লগত দুয়োজনে নিজৰ কৰ্মজীৱন জড়িত কৰিছিল —এই কথা ঢাকি ৰাখিবৰ কাৰণে এক পৰিকল্পিত প্ৰচেষ্টা চলোৱা হৈছে। হেমাংগ বিশ্বাসে এনেচাম শিল্পী-সাহিত্যিক সম্পৰ্কে লিখিছিল, 'অসমৰ দাৰিদ্ৰ্যক্লিষ্ট জনসাধাৰণৰপৰা সম্পূৰ্ণ বিচ্ছিন্ন এই শিল্পী-সাহিত্যিকসকলে যেতিয়া ক্ষয়িষ্ণু আত্মমগ্ন দুৰ্বোধ্যতাৰ কল্পনাৰে গল্প-উপন্যাসত মধ্যবিত্তৰ অৱক্ষয়ী অসুস্থ মানসিকতাৰ মনস্তত্ত্ব বিশ্লেষণত ব্যস্ত তেতিয়া বিষ্ণু ৰাভাৰ বলিষ্ঠ জীৱনবেদ ইয়াৰ বিপৰীতমুখী এক বিস্ময়ৰ চেলেঞ্জ।'

বিষ্ণু ৰাভা সঁচাকৈয়ে এই শিল্পী-সাহিত্যিকসকলৰ বিপৰীতে এক বিস্ময়কৰ চেলেঞ্জ। বামপন্থী আন্দোলনৰ সাধাৰণ সাংস্কৃতিক কৰ্মী হিচাপে চল্লিশৰ দশকতে জ্যোতি আৰু ৰাভাৰ ঘনিষ্ঠ সান্নিধ্যলৈ অহাৰ মোৰ পৰম সৌভাগ্য ঘটিছিল। তাৰে ওপৰত ভিত্তি কৰি মোৰ সীমাবদ্ধ জ্ঞান আৰু অভিজ্ঞতাৰে এই 'বিস্ময়কৰ চেলেঞ্জ' ৰাভাক যিদৰে মই লগ পাইছোঁ তাৰ আংশিক ছবি দাঙি ধৰিছোঁ।

১৯৪১ চন। মই কাশী বিশ্ববিদ্যালয়ৰ ছাত্ৰ। সেই সময়তে ৰাভাৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ লগত পৰিচয় হয়। সেই সময়ৰ বেনাৰছ বিশ্ববিদ্যালয়ত থকা এমুঠি ছাত্ৰক লগত লৈ পশ্চিম ভাৰতৰ তবলা-পাখোৱাজ, ঢোলক-চেতাৰ-সাৰেঙ্গী বাদক কেইজনমানক লৈ আখৰাদি অতি কম সময়তে অসমৰ সত্ৰীয়া নাচ, শিৱ-তাণ্ডৱ নৃত্যকে আদি কৰি অসমৰ থলুৱা গীত-মাত, বিশ্ববিদ্যালয়ৰ পণ্ডিত শিক্ষক আৰু বুদ্ধিজীৱী মহলৰ আগত সফলভাৱে পৰিবেশন কৰি যি প্ৰশংসা আৰু সমাদৰ লাভ

কৰিলে ভাবিলে আজিও বিস্মিত হওঁ। অসমৰ থলুৱা গীত-মাত, নৃত্যৰ ওপৰত তেখেতৰ আছিল অগাধ ব্যুৎপত্তি আৰু তাক সাংগঠনিকভাৱে নিখুঁত পৰিবেশন কৰাৰ যি ক্ষমতা তাক দেখি আমি অভিভূত হৈছিলোঁ। অসমৰ কৃষ্টি-সংস্কৃতিৰ ওপৰত তেখেতৰ গভীৰ জ্ঞান আৰু নিৰ্ভীকভাৱে তাক দাঙি ধৰাৰ ক্ষমতা আৰু সাহসৰ উৎস আছিল —জনসাধাৰণৰ প্ৰতি থকা আন্তৰিক শ্ৰদ্ধা আৰু প্ৰেম।

আমাৰ ছাত্ৰাবাসতে থাকি সেই বেনাৰছ বিশ্ববিদ্যালয় লাইব্ৰেৰীৰ অধ্যয়ন কক্ষত গৱেষণাৰত ৰাভাক আজিও মনত পৰে। আমি সেই সময়ত তেখেতক খোৱা-লোৱা, থকা-মেলাৰ সু-ব্যৱস্থা কৰি দি পুথিভঁৰালত গৱেষণা কৰাৰ এক পৰিবেশ সৃষ্টি কৰাৰ আপ্ৰাণ চেষ্টা কৰিছিলোঁ। পৰৱৰ্তীকালত আৰু ওচৰ সংস্পৰ্শলৈ আহিহে উপলব্ধি কৰিব পাৰিছিলোঁ যে আমাৰ অসমৰ জাতি-উপজাতি, বিভিন্ন জনগোষ্ঠীৰ বাবে ৰহনীয়া গণ-সংস্কৃতিৰ সৃষ্টিকৰ্তা অসমৰ অগণন খাটি খোৱা হালোৱা-হজুৱা জনতাৰ মাজতেই আছিল ৰাভাৰ আচল বিশ্ববিদ্যালয় —'জনতাৰ বিশ্ববিদ্যালয়' —য'ত ৰাভাই তেওঁৰ 'যাযাবৰী জীৱন-সংগ্ৰাম চলাই গৈছিল। তেখেতৰ ভাষাতে ৰাইজৰ হিয়া কোষৰপৰা সৃষ্টি অমৃতৰ সুৰৰ টোপালবোৰ বুটলি আনি মই মোৰ নিজৰ মনকোঁহত ভৰাই লওঁ। সেই মনকোঁহতে ৰহঘৰা, মৌচাক সাজি তাৰপৰা নিজৰি নিজৰি ওলোৱা ৰসৰ টোপালবোৰ বিলাই দিবলৈ ধৰোঁ।

১৯৪৭ ৰ অক্টোবৰ কি নৱেম্বৰ মাহ। ভাৰতীয় গণনাট্য সংঘৰ ডিব্ৰুগড় শাখাৰ পৰা খোৱাঙত এটা শ্ব' কৰিবলৈ নিমন্ত্ৰণ পালোঁ। ট্ৰাইবেল ছাত্ৰ সন্মিলন। '১৫ আগষ্টৰ আহ্বান' নামৰ ছায়া-নাটিকা (Shadow play) আৰু কিছুমান নতুন গীত লৈ আমাৰ অনুষ্ঠান। এই ছায়া-নাটিকাৰ 'স্ক্ৰিপ্ত'খন আমাৰ জ্যোতিপ্ৰসাদে নিজে হাত ফুৰাই ৰিহাৰ্চেলতো প্ৰায়ে উপস্থিত থাকি শিল্পীসকলক উৎসাহিত কৰিছিল। নাটিকাখনিত ১৫ আগষ্টৰ প্ৰকৃত তাৎপৰ্য দেখুওৱা হৈছিল। দেশ স্বাধীন হোৱাত জনসাধাৰণৰ মনলৈ অহা নতুন আশা, প্ৰতিক্ৰিয়াশীল ন্যস্ত স্বাৰ্থ, বৃহৎ একচেটিয়া পুঁজিপতিয়ে কেনেকৈ সাম্ৰাজ্যবাদৰ বহতীয়া হৈ জনসাধাৰণৰ আশা-আকাংক্ষা খৰ্ব কৰাৰ ষড়যন্ত্ৰ কৰিছে, তাৰ বিৰুদ্ধে শ্ৰমিক-কৃষক, ছাত্ৰ-শিক্ষক, পৰ্বতীয়া ভাই-ভনীসকল আৰু সকলো দেশপ্ৰেমিকে ঐক্যবদ্ধ হৈ কেনেকৈ সোণৰ অসম গঢ়িব পাৰিব সকলো কথা ইঙ্গিত দি দেখুওৱা হয়। সেই সময়ত 'কমিউনিষ্ট বিৰোধিতা'ৰ নামত এক প্ৰতিক্ৰিয়াশীল চক্ৰই ট্ৰাইবেলসকলক আছুতীয়াকৈ ৰখাৰ সংকীৰ্ণ মনোভাব প্ৰচাৰ কৰি আমাৰ শ্ব'ত আহুকালৰ সৃষ্টি কৰিবৰ অৰ্থে নানা ছল-চাতুৰি আৰু অপচেষ্টা চলাইছিল। অৱশ্যে সেই সময়ত তৰুণ প্ৰগতিশীল গ্ৰুপ এটাই গণনাট্যক আঁকোৱালি লৈছিল। সেই সন্মিলনৰ কৃষ্টি শাখাৰ সভাপতি হিচাপে ৰাভাই গণনাট্যৰ মঞ্চত থিয় হৈ গণনাট্য

আন্দোলনক আদৰণি জনাই কৈছিল "গণনাট্য সংঘ অতি প্ৰয়োজনীয় অনুষ্ঠান। সকলো জনজাতীয় মানুহেই এই অনুষ্ঠানত পূৰ্ণ সহযোগিতা আগবঢ়াই ট্ৰাইবেলৰ মাজত থকা কৃষ্টিক পুনৰ উদ্ধাৰ কৰা দৰকাৰ।" তেওঁ লগতে কৈছিল "এই অনুষ্ঠানক ৰাজনৈতিক পাৰ্টিৰ প্লেটফৰ্ম বোলা কথা মিছা। জনসাধাৰণৰ বাস্তৱ জীৱনৰ ঘাত-প্ৰতিঘাত, সুখ-দুখ, অভাৱ-অভিযোগক ৰূপ দিয়াই গণনাট্যৰ আদৰ্শ।" অসমত থকা জনজাতীয়, অৰ্ধ-জাতীয় লোকসংস্কৃতিৰ সম্পৰ্কে আৰু তাৰ সমন্বয়ৰ বিষয়ে তেখেতৰ জ্ঞান, জনগণৰ প্ৰতি থকা তেখেতৰ অকৃত্ৰিম ভালপোৱাই সেই সময়ৰ যুৱ-মনটোক বৰকৈ আকৃষ্ট কৰিছিল। পৰৱৰ্তী সময়ত ভাৰতীয় গণনাট্য সংঘৰ তেওঁ এজন ওজা, সক্ৰিয় উপদেষ্টা হিচাপে উদ্যোগী হৈছিল।

১৯৪৫ চনৰপৰাই ৰাভাৰ 'চঞ্চল অস্থিৰ শিল্পীজীৱনলৈ' মাৰ্ক্সবাদ-লেনিনবাদে আনি দিলে সাগৰ সঙ্গমৰ পূৰ্ণতা। প্ৰতিভাশালী গণশিল্পী ৰাভাই যোগ দিলে তেতিয়াৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিত। ১৯৪৮-৪৯ চনৰপৰাই কমিউনিষ্ট দমন-পীড়ন-নিৰ্যাতন আৰম্ভ হ'ল। ১৯৪৮ ৰ পৰা '৫২ চনলৈ ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত দক্ষিণ ভাৰতৰ টেলেঙ্গনাত নিজাম ৰাজত্বৰ বিৰুদ্ধে কৃষকৰ সশস্ত্ৰ সংগ্ৰাম আৰম্ভ হ'ল। চি. পি. আই. আৰু আৰ. চি.পি. আয়ে এই জাগৰণ সংগঠিত কৰিছিল। যিসকল জমিদাৰ-মাটিগিৰী মহাজনৰ বিৰুদ্ধে এই সংগ্ৰাম পৰিচালিত হৈছিল তেওঁলোকক লৈয়ে গঠিত হৈছিল অসমৰ কংগ্ৰেছী শাসকশ্ৰেণী। গতিকেই তেওঁলোকৰ শ্ৰেণীস্বাৰ্থ ৰক্ষা কৰিবলৈকে আন্দোলন বে-আইনী ঘোষিত হ'ল। পুলিচ, মিলেটেৰীৰ দমন-সন্ত্ৰাস সংগঠিত কৃষকসকলৰ ওপৰত চলিল। ৰেল, কয়লা আৰু চাহ শ্ৰমিকৰ মাজতো জঙ্গী আন্দোলনে প্ৰসাৰ লাভ কৰিলে। আন্দোলনৰ সকলো কৰ্মীক ধৰপাকৰ, মাৰ-পিট, হুলিয়াজাৰী, গাঁৱে-গাঁৱে পাইকাৰী জৰিমনা চলিল। ধুবুৰীৰ পৰা শদিয়ালৈকে বহু নেতৃস্থানীয় কৰ্মী আৰু নেতাই আত্মগোপন কৰি সংগ্ৰাম চলাই গ'ল। সমগ্ৰ অসমৰ মিকিৰ, বড়ো, মিচিং, কছাৰী, আহোম, নেপালী, চাহ-শ্ৰমিক সকলোধৰণৰ কৃষকৰ মাজত আত্মগোপন কৰি জঙ্গী কৃষক আন্দোলন বিয়পাই পেলোৱা সংগ্ৰামী ৰাভাৰ চিন্তা আৰু দৃষ্টিভংগী সেই আন্দোলনৰ পটভূমিত বিচাৰ কৰিব লাগিব।

"আজি আমি হিংসামূলক দমননীতিৰে এটা ঐতিহাসিক অন্যায়ৰ বিৰুদ্ধে পৃথিৱীজোৰা প্ৰতিৰোধ জগাই তোলা আদৰ্শবাদী দলক দমন বা নিৰ্মূল কৰিব পাৰিম বুলি ভাবি লোৱাটো ভাৰত বুৰঞ্জীৰ আটাইতকৈ ডাঙৰ বিভ্ৰান্তি বুলি মোৰ দৃঢ় ধাৰণা হৈছে।" ১৯৪৯ চনত জ্যোতিপ্ৰসাদৰ শেষ জীৱনৰ এই নিৰ্ভীক আৰু স্পষ্ট ভাষাৰে কংগ্ৰেছী দমন নীতিৰ বিৰুদ্ধে কৰা প্ৰতিবাদ বিশেষ তাৎপৰ্যপূৰ্ণ আৰু ঐতিহাসিক।

১৯৪৮ চনৰ জুলাই মাহত ডিব্ৰুগড়ৰ নালিয়াপুলত অসমৰ গণনাট্য সংঘৰ

দ্বিতীয় অধিবেশন আৰু লগতে প্ৰথম শান্তি সন্মিলন অনুষ্ঠিত হয়। প্ৰথম দিনাৰ গণনাট্য সংঘৰ সন্মিলনৰ সভাপতি হিচাপে জ্যোতিপ্ৰসাদে অসমৰ শিল্পী-সাহিত্যিকসকললৈ উদাত্ত আহ্বান জনায় —গণ-সংস্কৃতিৰ আন্দোলন শক্তিশালী কৰিবলৈ। পাছদিনা আছিল শান্তি সন্মিলন। পুলিচে ভাৰতীয় গুণ্ডা লগত লৈ সন্মিলন ভঙ্গৰ ষড়যন্ত্ৰ কৰিলে। নিৰ্মম অত্যাচাৰ আৰু গুলীচালনা হ'ল, এগৰাকী গাঁৱৰ যুৱতী শ্বহীদ হ'ল। বহুজন আহত হ'ল। শ শ লোকক গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ ওপৰত নৃশংস অত্যাচাৰ চলোৱা হ'ল। প্ৰতিবাদত গৰজি উঠা জ্যোতিপ্ৰসাদৰ কথা অসমৰ এখন বাতৰি কাকতেও প্ৰকাশ নকৰিলে। অসমৰ প্ৰতিষ্ঠিত বুদ্ধিজীৱী, সাহিত্যিক কোনেও তাৰ প্ৰতিবাদত এষাৰ মাতো নামাতিলে।

সেই পৰিস্থিতিত এহাতে ষ্টেনগান আৰু আনহাতে কলম তুলি লৈ কংগ্ৰেছী চৰকাৰৰ 'দহ হাজাৰ টকীয়া পুৰস্কাৰ'ৰ বিপদ মূৰত লৈ 'ঐতিহাসিক অন্যায়ৰ বিৰুদ্ধে পৃথিৱীজোৰা প্ৰতিৰোধ জগাই তোলা আদৰ্শবাদী' দলৰ অনুপ্ৰেৰণাৰে আত্মগোপন কৰি অসমৰ হালোৱা, হজুৱা গঞাক চৰকাৰী দমন উৎপীড়নৰ বিৰুদ্ধে সংগঠিত কৰি ফুৰা এজন বিপ্লৱী শিল্পী ধুমুহাৰ গতিত পাহাৰে-ভৈয়ামে দৌৰি ফুৰিছিল। অসমত এনে গাঁও খুব কমেই আছে য'লৈ তেওঁ যোৱা নাই, এনে পাহাৰ কমেই আছে যিটো তেওঁ বগোৱা নাই, এনে নদী, জান, বিল কমেই আছে য'ত তেওঁ সাঁতোৰা নাই —সেইজন বিপ্লৱীয়েই বিষ্ণু ৰাভা। অসমৰ এটা যুগৰ আটাইতকৈ প্ৰতিভাশালী দুজন শিল্পীৰ (জ্যোতি আৰু ৰাভাৰ) সমান্তৰালভাৱে ঘটা একেধৰণৰ মানসিক চিন্তা আৰু দৃষ্টিভংগী কম তাৎপৰ্যপূৰ্ণ আৰু ঐতিহাসিক ঘটনা নহয়।

দেশৰ সেই পৰিস্থিতিত এই দুইজন মহান সংগ্ৰামী শিল্পীক বিভিন্ন পৰিবেশত ঘনিষ্ঠভাৱে লগ পোৱাৰ সৌভাগ্য মোৰ ঘটিছিল। ময়ো সেই সময়ত পাৰ্টিৰ নিৰ্দেশত আত্মগোপন কৰি সংগঠনৰ কাম চলাই গৈছিলোঁ, মোৰ মূৰৰ বাবেও কংগ্ৰেছ চৰকাৰে তিনিহাজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। অসমত কাম কৰি থকা প্ৰায়খিনি বামপন্থী কৰ্মীক গ্ৰেপ্তাৰ কৰিবলৈ চৰকাৰ সমৰ্থ হৈছিল যদিও মোক গ্ৰেপ্তাৰ কৰিব পৰা নাছিল। 'গ্ৰেপ্তাৰী পৰোৱানা' আৰু হুলিয়াজাৰী তুলি লোৱাৰ ঘোষণা কৰাৰ পাছতহে মই আত্মগোপন কৰাৰ পৰা ওলাই আহিছিলোঁ। চৰকাৰী দমন-পীড়ন, ধৰা পৰা ভয় সত্ত্বেও জ্যোতিপ্ৰসাদৰ ব্যক্তিগত নিৰ্দেশ পাই ১৯৪৯ চনৰ শেষৰ ফালে ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত তেখেতক লগ ধৰিছিলোঁ। পাৰ্টিৰ অতি হঠকাৰী বিচ্যুতিৰ পটভূমিতো তেখেতে আমাৰ আন্দোলনলৈ নৈতিক সমৰ্থন জনাইছিল। নৱিয়াপাটীত পৰিও সুদীৰ্ঘ আলোচনাৰ পাছত কৈছিল 'যি কৰা জনতাক লগত লৈহে কৰিবা'। পাৰ্টি পুঁজিলৈ যেতিয়াই প্ৰয়োজন হৈছিল তেতিয়াই অকাতৰে দান দিছিল।

'অজ্ঞাতবাস'ত থকা বাকীছোৱা সময় মই আঁতৰত থকাত তেখেতৰ লগত আৰু সাক্ষাৎ নহ'ল। যেতিয়া ওলাই আহিলোঁ জ্যোতি নাই।

সমগ্র অসম জুৰি 'কমিউনিষ্ট' ধৰাৰ নামত গাঁৱে-ভূঞে কৃষক, মুনিহ, তিৰোতা পুলিচৰ বৰ্বৰ আক্রমণৰ বলি হৈছিল। 'অজ্ঞাতবাস'ত এনে উত্তেজনাময় আৰু ব্যস্ত দিনবোৰত উজনি অসমৰ গাঁও অঞ্চলত আত্মগোপন কৰি থকা ৰাভাক লগ পাইছিলোঁ। অতি সহজে গাঁৱৰ খেতিয়কৰ লগত আত্মীয়তা গঢ়ি তুলিব পৰাৰ এক অদ্ভুত ক্ষমতাৰ অধিকাৰী আছিল —ৰাভা। সেয়ে হয়তো অনুসন্ধিৎসু ৰাভাক দেখা পাওঁ কোনো এখন গাঁৱত বুঢ়া-মেঠাৰ লগত 'হাইদাংগীত', 'বাইঠপূজা' বা 'কহুৱা বিহু' সম্পৰ্কে আলোচনাত্ মগ্ন। আকৌ ক'ৰবাত ডেকা-জীয়ৰী এদল গোটাই গাইছে ঃ

"শেষ যুদ্ধৰ আমি ৰণুৱা
পৃথিৱীৰ হালোৱা-বনুৱা
হ'ম বিজয়ী আমি দুখীয়া
ক'ত ৰবি ধনী এইবাৰ
হঁচিয়াৰ হঁচিয়াৰ।।"

তেখেতৰ ভাষাতে —"যিসকল অসমীয়াৰ প্ৰাণস্বৰূপ, যিসকল অসমীয়া সংস্কৃতিৰ ধাৰক আৰু বাহক সেইসকল হালোৱা, হজুৱা-বনুৱা, তল-মজলীয়া ৰাইজ ক্লিষ্ট, দলিত, শোষিত, নিষ্পেষিত, নিপীড়িত এই ৰাইজৰে দুখত সমদুখী হৈ ৰাইজৰ হিয়াৰ মৰম-চেনেহৰ অঠাই সাগৰৰ পানীত নাদুৰি-সাঁতুৰি উমলি ফুৰিছিলোঁ।" আকৌ তেখেতৰ ভাষাতে —"এবছৰ কাৰাবাস খাটি ওলাই আহি কিছুদিন পিছত এই বিৰাট সাধনাৰ স্বাভাৱিক পথেই মোক লৈ আহে কমিউনিষ্ট পাৰ্টিলৈ, বিশ্বজুৰি মহামানৱৰ মুক্তিৰ যি অভিযান সেই অভিযানৰ অংশভাগী হ'বলৈ। সেই কথা ১৯৫৫ চনৰ। তেতিয়াৰে পৰা বিশ্বভ্ৰাতৃত্বৰ, শ্ৰমিক-কৃষক, সৃষ্টিকাৰী জনতাৰ শান্তি, প্ৰগতি আৰু নতুন সমাজৰ সাধনাত মোৰ ক্ষুদ্ৰ শক্তিৰে দুখকাৰী জনগণৰ শাৰীত থিয় দিছোঁ....।"

বিশ্বত পুঁজিবাদ-সাম্ৰাজ্যবাদী সমাজ ব্যৱস্থা উবলি যাব ধৰিছে। সমাজতন্ত্ৰ, সাম্যবাদ অভিমুখে পৃথিৱী আজি ধাবিত। সমাজ সচেতন শিল্পী-সাহিত্যিকে কাৰ হকে কলম-তুলিকা ধৰিব লাগিব তাৰেই নিৰ্দেশ দি গ'ল মহান শিল্পীদ্বয় জ্যোতিপ্ৰসাদ আৰু ৰাভাই।

দুয়োগৰাকী শিল্পীয়েই 'কাৰ্পেটৰপৰা ঘাঁহনিলৈ' নামি আহি কেৱল বুদ্ধি-মত্তাৰেই নহয় হৃদয়েৰে গণ-সংগ্ৰামত নিজক বিলীন কৰি জনতাৰে এজন বুলি অনুভৱ কৰিলে। অসমৰ গণ-সংস্কৃতিৰ মহান ধাৰাটোৰ আঁত ধৰি জনতাৰ জীৱন সংগ্ৰামৰ, হাঁহি-

কান্দোনৰ, আশা-নিৰাশাৰ, জয়-পৰাজয়ৰ লগত একাত্মবোধ কৰাটোৰেই আছিল শিল্পী দুগৰাকীৰ জীৱনবেদ।

সমাজ সচেতন শিল্পী-সাহিত্যিক বিশ্ব-সমাজতন্ত্ৰমুখী জয়যাত্ৰাৰ পটভূমিত ল'ব লগা এক নিৰ্দিষ্ট অৱস্থানৰ, সমাজ ৰূপান্তৰৰ কাৰণে ল'বলগা এক নিৰ্দিষ্ট ভূমিকাৰ ইঙ্গিত তেওঁলোকৰ নিজৰ জীৱনৰ কথা আৰু কামৰ মাজেদি দি গৈছে। ভিন্ন পৰিবেশ, ভিন্ন অভিজ্ঞতাৰপৰাই আহি দুয়ো এক অভিন্ন ঐতিহাসিক অৱস্থানত উপনীত হ'ল।

আজি জনতাই যিজন ৰাভাক জানে, যিজনক আজি নতুন পুৰুষে বিচাৰিছে সেইজনক তত্ত্বগধুৰ আলোচনা-বিলোচনাৰে তেওঁৰ বিপ্লৱী সত্তাক গৌণ কৰি, ঢাকি ৰাখি 'কলাগুৰু' (যেনিবা গান-নাচৰ মাষ্টৰ) জনকে সমুখলৈ অনা হৈছে। জ্যোতিপ্ৰসাদৰ ক্ষেত্ৰতো তেওঁৰ বিপ্লৱী সত্তাটো বাদ দি ৰূপকোঁৱৰজনকে প্ৰাধান্য দিয়া হৈছে। এইখিনিতে ড° হীৰেন গোহাঁইদেৱৰ এষাৰ কথা মন কৰিবলগীয়া—

"বিষ্ণু ৰাভা জীৱন বৃত্ত নতুনকৈ পৰীক্ষা কৰি চোৱাৰ সময় আহিছে। বিশ্লেষণ বাদ দি ভাবাবেগত উটি গ'লে সেইসকলৰে লাভ হ'ব যিসকলে এটা ৰাভা পূজা (Rava cult) সৃষ্টি কৰি তাৰ দ্বাৰা নিজৰ সংকীৰ্ণ 'মতলব হাচিল' কৰিবলৈ বিচাৰিছে।"

আজি জ্যোতি-ৰাভাৰ কৰ্ম আৰু জীৱন দৰ্শনক ঐতিহাসিক বস্তুনিষ্ঠ বিশ্লেষণ কৰি জনসাধাৰণৰ সমুখত প্ৰতিষ্ঠা কৰা, তেখেতসকলৰ প্ৰগতিশীল বিপ্লৱী ধাৰাক জনতাৰ আজিৰ দিনৰ সংগ্ৰামৰ এপাট তীক্ষ্ণ অস্ত্ৰ হিচাপে তৈয়াৰ কৰাৰ ঐতিহাসিক দায়িত্ব অসমৰ সকলো সমাজ সচেতন প্ৰগতিশীল শিল্পী-সাহিত্যিক, সাংস্কৃতিক কৰ্মীৰ ওপৰত। ❑*

* 'প্ৰস্তাৱ', ডিব্ৰুগড়, শাৰদীয় সংখ্যা, ১৯৮১

# কমৰেড বিষ্ণু ৰাভা অমৰ ৰহে

**।। মণি ভৌমিক।।**

১৯৪২ চনৰ মাৰ্চ মাহ। পূৰ্ণ এবছৰৰ বিনাশ্ৰম কাৰাদণ্ড ভোগ কৰি নগাঁও জিলা কাৰাগাৰৰপৰা ওলালোঁ। চাপটগ্ৰামত থকা মাজু ককাইদেউৰ ঘৰ পালোহি। জুলাই মাহৰ শেষৰফালে ঘৰত ফাঁকি-ফুকা দি ধুবুৰীমুৱা হ'লোঁ। ধুবুৰীৰপৰা মোক কমৰেডসকলে প্ৰথম সৰ্বক্ষণ কৰ্মী হিচাপে প্ৰশিক্ষণৰ বাবে ৰংপুৰৰ কমিউনিষ্ট আখৰালৈ পঠিয়াই দিলে। অসমত তেতিয়াও পাৰ্টি হিচাপে কমিউনিষ্ট পাৰ্টি গঢ় লোৱা নাই। গতিকে ৰংপুৰৰ পাৰ্টিৰ লগত যোগাযোগ ৰাখিব লগা হৈছে।

ৰংপুৰ পায়ে ঘৰলৈ চিঠি দিলোঁ কবিৰাজী চিকিৎসা শিকি আছোঁ বুলি। ঘৰৰ সকলোৱে যিয়ে নাভাবক মই আচলতে আন কেবাজনৰ লগত ৰংপুৰ গুপ্তপাড়াৰ তাহানিৰ বাঘা কমিউনিষ্ট অৱনী বাগ্‌চিদেৱৰ ঘৰত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত কমিউনিষ্টসকলৰ ৰণ-নীতি আৰু ৰণ কৌশল সম্পৰ্কে প্ৰশিক্ষণ লৈ থাকিলোঁ।

ইজনে-সিজনৰ লগত চিনাকি হৈ থকা সময়ত কোচবেহাৰৰপৰা অহাজনৰ নাম, ধাম আৰু পিতৃ পৰিচয়াদি শুনি মই যেনেকৈ চমক খাই গ'লোঁ, সিজনেও মোৰ সকলো পৰিচয় শুনি তেনেকৈ চমক খাই গ'ল। দুয়ো দুয়োকে সাবটি ধৰিলোঁ। সিজন আছিল তাহানি পূৰ্ববঙ্গৰ প্ৰখ্যাত শিক্ষাদি আশুতোষ ভৌমিকৰ জ্যেষ্ঠ ল'ৰা বিনয় ভৌমিক। সম্পৰ্কত মোৰ সৰু দদাইদেউৰ ল'ৰা। বয়সত মোতকৈ দুবছৰৰ সৰু। জন্মৰেপৰা সিও মোক দেখা নাই, ময়ো তাক দেখা নাই। তাৰোপৰি মোৰ জন্ম ঠাই কোচবেহাৰ। গতিকে মই বৰ বেছি আবেগাপ্লুত হৈ পৰা স্বাভাৱিক।

তাৰ মুখতে মই মোৰ জীৱনত সৰ্বপ্ৰথম বিষ্ণু ৰাভাদেৱৰ নাম শুনিলোঁ। সি বিষ্ণু ৰাভা প্ৰসঙ্গ তুলি মোক চমক খুৱাই দিলে। খেল-ধেমালি, আবৃত্তিত পাৰদৰ্শী বিষ্ণু ৰাভাই যে মনৰ গহীন সাগৰত বিপ্লৱী মুকুতাও ভৰাই থৈছিল সেই কথা জানিব পৰা যায় তেওঁক ভিক্টোৰিয়া কলেজৰপৰা আৰু কোচবেহাৰ ৰাজ্যখনৰপৰা বহিষ্কাৰ কৰি দিয়াৰ পাছত। কোচবেহাৰৰ ৰজা ঘৰৰ দুৱাৰ মুখত ঃ

"ৰাজ্য আছে দুইটি পাঠা,
একটি কালো একটি সাদা,
ৰাজ্যৰ যদি মঙ্গল চাও
দুইটি পাঠাই বলি দাও।"

—ব্যঙ্গ কবিতাটি যে বিষ্ণু ৰাভাই লিখিছে সেয়া উচ্চ ৰাজ-কৰ্মচাৰীৰপৰা আৰম্ভ কৰি ৰাজনৈতিক সচেতন ৰাইজৰ সকলোৱেই বুজিব পাৰে। ৰজা আৰু কৃপাভোগীসকলে তেওঁক ৰাজ্যখনৰপৰা বহিষ্কাৰ কৰি বিপদমুক্ত হোৱা বুলি ভাবিলেও তেওঁ ৰাইজৰ হৃদয় ৰাজ্যখন ইতিমধ্যে দখল কৰি পেলালে। কোচবেহাৰৰ নতুন পুৰুষসকলৰ আগত তেওঁ উদীয়মান বিপ্লৱী জ্যোতিৰূপে দেখা দিলে। সেইবাবেই তেওঁ ৰংপুৰ কাৰমাইকেল কলেজত ভৰ্ত্তি হোৱাৰ সময়ত বিবেচিত বৈপ্লৱিক সম্মান পালে। কাৰমাইকেল কলেজখনৰ সেই সময়ৰেপৰা বিপ্লৱী ছাত্ৰসকলৰ লগত সম্পৰ্ক থকা হেতুকে তাহানিৰ কলেজৰ অধ্যক্ষ দেবপ্ৰসাদ ঘোষ ডাঙৰীয়াই তেওঁক অলপ সাৱধানো কৰি দিয়ে। ৰাভাদেৱে ৰংপুৰৰ মানুহৰ মনোজগত আৰু বহিৰ্জগতত কিছু কীৰ্ত্তি চিনি থৈ যায়। তেওঁ যে একাধাৰে শিল্পী, গায়ক, নাচুৰৈ, কবি, খেলুৱৈ, ভাস্কৰৰূপে সুখ্যাতি আৰু গুণ-কীৰ্ত্তন পায় তাৰ আভাস মই ৰংপুৰৰ বিভিন্ন মহলৰ পৰা গম পাওঁ।

এনে বহুমুখী প্ৰতিভাধৰ অসমৰ সন্তান এজনক মই অসমত থাকিও চিনি নাপাওঁ, নাজানো বুলি কোৱাত তেওঁৰ সম্পৰ্কে প্ৰশ্ন সোধা আটাইকেইজন সমাজসেৱী আৰু বিপ্লৱী কৰ্মী আচৰিত হয়। "বিষ্ণু ৰাভা এখন কোথায়? কি কৰছেন? কোন পাৰ্টি-ফাৰ্টি কৰেন কি? কখনও সাক্ষাৎ হয়েছে কি?" —জাতীয় প্ৰশ্নবোৰৰ সন্মুখীন হওঁ। ৰংপুৰৰ লালবাগত অৱস্থিত কাৰমাইকেল কলেজত তেওঁ সজা সৰস্বতী মূৰ্তি আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৰু এটি আবক্ষ মূৰ্তি চোৱাৰ সৌভাগ্য মোৰো ঘটে। ৰংপুৰ এৰি অহা দিনৰপৰা মোৰ হৃদয় ৰাজ্যখনিত ৰাভাদেৱে ৰহস্য পুৰুষৰূপে বিৰাজ কৰি থাকে।

এনেহেন ৰহস্য পুৰুষজনক দেখাৰ পৰম সৌভাগ্য হ'ল ১৯৪৭ চনৰ শেষ ভাগত। ডিব্ৰুগড় পেৰাদাইজ বোৰ্ডিং পথাৰত 'অসম কৃষক বনুৱা পঞ্চায়ত'ৰ আহ্বানত হোৱা ৰাজহুৱা সভা এখনত তেওঁ হাজিৰ হ'ল। সৌমেন ঠাকুৰ পৰিচালিত বিপ্লৱী কমিউনিষ্ট দলৰ সভ্য তেওঁ। সভাখনত সভাপতিত্ব কৰিছিল কেদাৰনাথ গোস্বামীদেৱে। সেই পাৰ্টিৰ ৰাজ্যিক নেতৃবৃন্দৰ ভিতৰত হৰেন কলিতা, উপেন দাস, মোহনলাল মুখাৰ্জী আদি কৰি কেইবাজনো উপস্থিত। আন সকলোৰে দৰে ময়ো বিষ্ণু ৰাভাদেৱক চোৱা আৰু তেওঁৰ মাত-কথা শুনাৰ হেঁপাহ লৈ সভাখনিত উপস্থিত। সভাৰ উদ্দেশ্য ব্যাখ্যাৰ পিছত সুন্দৰ-সুঠাম দেহাৰ স্বাস্থ্যবান সুপুৰুষ এজনে গহীন-গম্ভীৰ মাতেৰে নাটকৰ ভাৱৰীয়াৰ কণ্ঠগত পাঠৰ দৰে মিঠা মিঠা অথচ সহজ-সৰল বাক্য গাঁথনিৰে নিজৰাৰ অনৰ্গল ধাৰাত সমজুৱাৰ আগত তেওঁৰ বক্তব্য ৰাখিলে। কৃষক-বনুৱা পঞ্চায়তৰাজৰ প্ৰতি মন্ত্ৰমুগ্ধ কৰি পেলালে। প্ৰথম দৰ্শন আৰু প্ৰথম ভাষণতে মোৰ মনতো তেওঁলৈ সাঁচি থোৱা শ্ৰদ্ধা আৰু ঘন হৈ পৰিল। এতিয়াও মনত পৰে কাব্যিক

ছন্দেৰে, অপূৰ্ব আৱেগেৰে অথচ ৰাজনৈতিক তত্ত্বকথাৰ মেৰপাক নোহোৱা নিমজ-নিভাঁজ কথাৰে তেওঁ কৃষক, মজদুৰ, পঞ্চায়তৰাজৰ উজ্জ্বল ভৱিষ্যৎ সম্ভাৱনাৰ এখনি চিত্ৰ দাঙি ধৰিলে।

দিল্লীৰ গাদীত বহাসকলে কৃষক, বনুৱাক ঠগিছে। তেওঁলোকৰ প্ৰতি বিশ্বাসঘাতকতা কৰিছে। ভুৱা দি গাদী দখল কৰি ধনিক, বণিক, মাটি মহাজনৰাজ পাতিছে। শোষণকাৰী ৰাষ্ট্ৰ ধ্বংস কৰিব লাগিব। শেষত কেন্দ্ৰীয় শোষণ ৰাষ্ট্ৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব লাগিব। এয়ে আছিল তেওঁৰ বক্তব্যৰ মূল কথা।

১৯৪৮ চনৰ এপ্ৰিল-মে' মাহৰপৰা এফালে বিপ্লৱী কমিউনিষ্টসকলে কৃষক-বনুৱা পঞ্চায়তৰাজ প্ৰতিষ্ঠাৰ সপোনত বিভোৰ হ'ল ; আনফালে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ অনুগামীসকলে "এই স্বাধীনতা ভুৱা স্বাধীনতা" গতিকে "তেলেঙ্গানাৰ পথেই আমাৰ পথ" প্ৰস্তুতিৰ কামত লাগি গ'ল। চাহ, ৰেল, কয়লাখনিৰ বনুৱা, আৰু কামৰূপ, নগাঁও, শিৱসাগৰ, লক্ষীমপুৰ, গোৱালপাৰা, কাছাৰ, মণিপুৰ আদিৰ কৃষকসকলে লাগি গ'ল শেষ আঘাতৰ আখৰাত। ঠায়ে ঠায়ে বিদ্ৰোহ আৰু বিস্ফোৰণ ঘটিল। একেটা সুঁতিত দুয়োটা পাৰ্টিৰ বিপ্লৱী কাৰ্যক্ৰমবোৰ বৰলৈ ধৰিলে। গোটেই অসমৰ নগৰ, গাঁও, শিল্পাঞ্চল :

"ব'ল ব'ল ব'ল কৃষক শক্তিদল.......
.....ধনী! মহাজন!! জমিদাৰ!!!
—হুচিয়াৰ! হুচিয়াৰ!!" (বিষ্ণু ৰাভা)

"ভুৱা স্বাধীনতা যাও ভুলে যাও,
শোষকেৰ শোনিতে ধুয়ে ফেলে দাও।" (হেমাংগ বিশ্বাস)

".......অন্যায়-অবিচাৰ
ভাঙি দিম ছিঙি দিম
শেষ কৰি ধনিকৰ দম্ভ।" (কেশৱ মহন্ত)

"বিচাৰপতি তোমাৰ বিচাৰ কৰবে যাৰা
আজ জেগেছে এই জনতা।" (সলিল চৌধুৰী)

আদি গীত-মাতেৰে ৰজন-জনাই উঠিল।

কুটিল গতিত সময়ো বাগৰি বাগৰি ১৯৪৯ চনৰ ১৭ জুলাই পালেহি। নালিয়াপুলৰ বিস্ফোৰণৰ আলোড়নত ছিটিকি আকৌ কাৰাগাৰত পৰিলোঁ। ডিব্ৰুগড়, গুৱাহাটী আকৌ গুৱাহাটীৰ পৰা ডিব্ৰুগড়-তেজপুৰ কাৰাগাৰ হৈ নগাঁও স্পেচিয়েল কাৰাগাৰ পালোঁ। ১৯৫১ চনৰ ৭ চেপ্তেম্বৰৰ পুৱতি নিশালৈকে থাকিলোঁ ৰাজ-অতিথি হৈ। সকলো কাৰাগাৰতে বিষ্ণু ৰাভাদেৱৰ সম্বন্ধে সঁচাই-মিছাই অনেক কথা শুনিলোঁ। নগাঁও কাৰাগাৰত শুনিলোঁ তেওঁ আত্মগোপন কৰি থকা সময়ত হেনো বেলশৰৰ নবীন মেধিৰ জীয়ৰী কনকলতাক বিয়া কৰাই বৈপ্লবিক বিশ্বস্ততা ভঙ্গ কৰিছে। সেয়ে কাৰাগাৰত ৰাভাদেৱৰ পাৰ্টি শিবিৰত ঘৃণা আৰু বিদ্বেষৰ ছাঁ। আমাৰ শিবিৰত হাঁহি আৰু ৰসালাপ যদিও, শিল্পী ৰাভাদেৱক বিপ্লৱী শিল্পীৰূপে গঢ় ল'বলৈ নিদি তেওঁৰ প্ৰতিভাক অবাটে নি খতম কৰাহে অতিবিপ্লৱী ব্যৱস্থা কৰা হৈছে আদি মন্তব্যই তেওঁৰ প্ৰতি থকা অকৃত্ৰিম শ্ৰদ্ধাৰো অভিব্যক্তি ঘটায়।

১৯৫১ চনৰ ৮ চেপ্টেম্বৰৰ দিনা মই মুক্তি পালোঁ। চাপটগ্ৰামত গৃহবন্দী হ'লোঁ। জীয়াই থাকি পাৰ্টি কৰা টান হৈ পৰিল। মুখ্যমন্ত্ৰী বিষ্ণু মেধি ডাঙৰীয়াক টানি ধৰিলোঁ —জীৱন-ধাৰণৰ বানচ দিয়ক, নহ'লে কোকৰাঝাৰত গৃহবন্দী কৰক। বানচ দিয়াৰ পৰিবৰ্তে ১৯৫১ চনৰ ১৩ ডিচেম্বৰৰ পৰা কোকৰাঝাৰত অন্তৰীণ কৰিলে। গতিকে কোকৰাঝাৰত ফাৰ্মাচিষ্ট বন্ধু বেনীমাধৱ সৰকাৰৰ ঘৰত আশ্ৰয় লৈ প্ৰথম দিনাখন থানাত হাজিৰা দিবলৈ গ'লোঁ। হাজিৰা লোৱাৰ পাছতে ভাৰপ্ৰাপ্ত বিষয়াই সুধিলে —"বিষ্ণু ৰাভা ক'ত আছে ক'ব পাৰেনে?" "মই বাৰু কেনেকৈ কম?" এয়ে আছিল মোৰ স্বাভাৱিক উত্তৰ। তথাপি বিষয়াজনে মোক....."আ! খবৰ ল'বলৈ চেষ্টা কৰকচোন!" কৈ আকৌ জোৰ দি ধৰে। তেনেতে মই খণ্ডতে জুলি-পকি গুচি আহিলোঁ। ইয়াৰ ভালেমান দিনৰ পিছত স্বাধীন ভাৰতৰ প্ৰথম সাধাৰণ নিৰ্বাচনৰ পিছত এদিনাখন হুলস্থুল লাগি গ'ল কোকৰাঝাৰ চহৰখনত। বিষ্ণু ৰাভা হেনো সস্ত্ৰীক পুলিচৰ হাতত ধৰা পৰিছে —সতমা অঞ্চলৰ খিলাগুৰি গাঁৱত। গৰম দিনৰ সন্ধিয়াৰ আগে আগে খবৰ ওলাল যে ধুবুৰী-বঙ্গাইগাঁও শ্বাটল ট্ৰেইনেৰে তেওঁক ধুবুৰীলৈ চালান দিয়া হ'ব। কোকৰাঝাৰ ষ্টেচনৰ প্লেটফৰ্ম মানুহেৰে ভৰ্তি। ময়ো ভিৰৰ মাজত সোমাই পৰিলোঁ। বিৰাট চণ্ডীবাহিনীয়ে তেওঁক আৰু তেওঁৰ পত্নীক বেৰি থৈছে। জনতাক কাষ চাপিবলৈ দিয়া নাই। গাড়ী আহি পোৱা মাত্ৰকে তেওঁক আৰু কনকলতাক মধ্যমশ্ৰেণীৰ দবা এটাত তুলি দিলে। এডাল ৰছীৰে দুয়োৰে হাতত হেণ্ডকাফ্ বন্ধা। ৰাভাদেৱে তেনে অৱস্থাতে গাড়ীৰ খিৰিকীয়েদি মুখখন উলিয়াই সমজুৱা ৰাইজক সম্বোধিলে, "মই খুনী নহয়। ডকাইতো নহয়। মই বিপ্লৱী, মই শিল্পী। মই ৰাইজৰ সেৱক। মোৰ জীৱন কাহিনী .....বিপ্লৱী শিল্পীৰ" ইত্যাদি ইত্যাদি। ৰাইজৰ

মাজত গুণ-গুণনি উঠিল —"এৱেঁ নেকি ৰাভাদেউ! কি সুন্দৰ-সুঠাম দেহা, সদা হাঁহি মুখ আৰু অদ্ভুত মনোমোহা মাত-কথা!! এইজন খুনী-ডকাইত হ'ব পাৰেনে বাৰু? এৰা!! মেধি ডাঙৰীয়াৰ দিনত আৰু ক'ত যে সঁচাই-মিছাই শুনিম!!!" ৰাভাদেৱে তাকৰীয়া সময়ৰ ভিতৰতে নিতান্ত চুটিকৈ তেওঁৰ কল্পনাদপূর্ণ জীৱন চিত্ৰখনি দাঙি ধৰি সামৰিলে —"মই কোনো অপৰাধ কৰা নাই। ময়ো এই সমাজৰে মানুহ। সমাজ জীৱনৰ স্বাভাৱিক নিয়মমতে মই বিদ্ৰোহ কৰিছোঁ মাথোন।" গাড়ী প্লেটফৰ্ম এৰি গুচি গ'ল। মানুহবোৰে অতি আপোনজনক বিদায় দিয়াৰ দৰে ব্যথা-বেদনাহত দৃষ্টিৰে চাই ৰ'ল।

সৌ তাহানি বিষ্ণু মেধি ডাঙৰীয়াৰ মুখ্যমন্ত্ৰিত্বৰ কালত কমিউনিষ্ট সম্পৰ্কে কিমান যে ঘৃণা, বিদ্বেষ আৰু অশ্ৰদ্ধা সৃষ্টিৰ অপচেষ্টা চলাই থকা হয় তাক ভাষাৰে বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। কমিউনিষ্টসকল যেন মানৱ সমাজ-বহিৰ্ভূত এক হিংস্ৰ প্ৰাণীৰ দল। লেখত ল'বলগীয়া যে সেই সময়ত কমিউনিষ্টসকলৰ গণভিত্তি আছিল মূলতঃ জনজাতি অধ্যুষিত বেলতলা, কোকৰাঝাৰ, খোৱাং, ডাঙৰী, তিতাবৰ, বকো, দুধনৈ প্ৰভৃতি অঞ্চলৰ কৃষকৰ মাজত আৰু ডিব্ৰুগড়, তিনিচুকীয়া, লামডিং, বদৰপুৰ, গুৱাহাটী, পাণ্ডু, আমিনগাঁও আদিৰ ৰেলশ্ৰমিকসকলৰ মাজত। ইয়াৰোপৰি মজলীয়া কৃষক অধ্যুষিত অ-জনজাতীয় গণভিত্তি আছিল শিৱসাগৰ, নগাঁও, ডিব্ৰুগড়, দৰং আদি জিলাৰ কেতবোৰ ঠাই। এইবোৰ অঞ্চলৰ মানুহৰ মাজত "সমাজ বিৰোধী", "খুনী", "ডকাইত", "ৰাষ্ট্ৰদোহী" বুলি আখ্যা পোৱা কমিউনিষ্টসকলক ধৰা পেলাবলৈ যি বৰ্বৰ অত্যাচাৰ, নিৰ্যাতন চলোৱা হয় ভেৰোণীয়া কাকতবোৰৰ যোগেদি সঁচাই-মিছাই অপপ্ৰচাৰ চলোৱা হয় তাৰে পৰিপ্ৰেক্ষিতত কমিউনিষ্ট বিষ্ণু ৰাভাকো সাধাৰণ মানুহে অদ্ভুত প্ৰাণী বুলি ভবাটো একো আচৰিত নহয়। সেয়ে প্লেটফৰ্মত গোট খোৱা জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে মানুহবোৰৰ কিম্বদন্তিৰ নায়ক সদৃশ বিষ্ণু ৰাভাক নিজ চকুৰে চাই আৰু তেওঁৰ তেজোদীপ্ত স্বল্পভাষণ শুনি মোহমুক্ত হৈ মেধি চৰকাৰৰ মুণ্ডপাত কৰা অতি স্বাভাৱিক।

ৰাভাদেৱৰ বিৰুদ্ধে এশ-এবুৰি অভিযোগ তৰা হ'ল। সকলো অভিযোগ থান-বান হৈ গ'ল। এবছৰমান পিছত তেওঁক স-সন্মানেৰে মুকলি কৰি দিব লগা হ'ল।

১৯৫৫ চনত বিপ্লৱী কমিউনিষ্ট দলৰ সৰহসংখ্যকে লোৱা সিদ্ধান্তমতে অধিকাংশ সভ্যৰ লগত ৰাভাদেৱও ভাৰতৰ কমিউনিষ্ট পাৰ্টিত যোগদান কৰে।

১৯৫৭ চনৰ দ্বিতীয় সাধাৰণ নিৰ্বাচনৰ দুই-তিনি মাহ মানৰ আগতে ১৯৫৬ চনৰ শেহৰ ফালে তেজপুৰত পাৰ্টিৰ সাধাৰণ সম্পাদক অজয় ঘোষৰ উপস্থিতিত অসমৰ কমিউনিষ্টসকলৰ এক অভিবৰ্তন বহে। অভিবৰ্তন তিনিদিনীয়াকৈ বহে —

বাণ বঙ্গমঞ্চৰ সন্মুখ ভাগত থকা মুকলি ঠাইত ৰভাৰ তলত। অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে ৰাভাদেৱে প্ৰতিনিধিসকলক আদৰণি জনাবলৈ গৈ তেজপুৰৰ পুৰণি ঐতিহাসিক বৰ্ণনা দি বৰ্তমান যুগৰ বিপ্লৱী প্ৰেক্ষাপট তুলি ধৰে। সেই সময়তে এদিনাখন সময় কৰি তেজপুৰৰ পুৰণি বিপ্লৱী কৰ্মী ৰমেশ শৰ্মা, জীৱন কলিতা, মণি ভৌমিকক লগত লৈ তেওঁৰ ঘৰ পালোঁ। তেওঁৰ পিতৃদেৱৰ কালত নিৰ্মিত ঘৰ-দুৱাৰৰ ওপৰেদি বহু ধুমুহা, বা'-মাৰলি বৈ গৈছে — ঘৰখনৰ পিনে চালেই ধৰিব পৰা যায়। বিপ্লৱী শিল্পীজনে গণ-মানৱৰ ঘৰে-ঘৰে, পথাৰে-পথাৰে নৱ-নৱ সৃষ্টিৰ আনন্দ-সুধা বিলাইছে। অথচ তেওঁৰে ঘৰখন অতি সাধাৰণ সৌন্দৰ্য আৰু ঔজ্জ্বল্যৰপৰা বঞ্চিত। তেওঁৰ বাহিৰা বহা ঘৰৰ চেহেৰা-পাতিয়েই বিপ্লৱী গণ-শিল্পীৰে পৰিচয় বহন কৰিছে। ৰাভাদেৱে অলপ পৰ বহি আমাক চাহ-জলপানেৰে আপ্যায়িত কৰি তেওঁৰ পত্নীৰ সৈতে মোক চা-চিনাকি কৰাই দিলে।

১৯৫৮ চনত পাৰ্টিৰ বিশেষ অধিবেশনৰ সময়ত শিৱসাগৰৰ মুকলি সভাত অসমৰ পুৰণিকলীয়া সভ্যতা, সংস্কৃতি আৰু কৃষ্টিৰ ক্ৰমবিকাশৰ ধাৰাবাহিক ঐতিহাসিক বৰ্ণনা দি বৰ্তমান পুঁজিবাদী সভ্যতাই যে সেই ঐতিহ্য বহন কৰি নতুন যুগৰ সভ্যতা, সংস্কৃতি আৰু কৃষ্টিৰ মহাসমুদ্ৰলৈ কঢ়িয়াই নিব নোৱাৰে আৰু তাৰ বাবেই শোষিত, নিপীড়িত শ্ৰেণীয়ে সমাজব্যৱস্থা পাতিবলৈ নিজা শক্তিৰে আত্মপ্ৰতিষ্ঠাৰ কাৰণেই কমিউনিষ্ট পাৰ্টিৰ প্ৰয়োজন তাক ইমান নিমজ ভাষাৰে ব্যাখ্যা কৰিলে যে সমজুৱা সকলোৱেই মোহিত নোহোৱাকৈ থাকিব নোৱাৰিলে।

ইয়াৰ পিছতো ৰাভাদেৱক লগ পাওঁ —বিভিন্ন ঠাইত ভিন-ভিন ভূমিকাত। ক'তবা শিল্পীৰূপে, ক'তবা নাট্য পৰিচালক অথবা ভাৱৰীয়াৰূপে, ক'তবা ৰাজহুৱা সভাৰ বক্তাৰূপে। মনত পৰে নলবাৰী নে কোনোবা এঠাইত ৰাজ্যিক পাৰ্টি কৰ্মী সভাৰ শেষত মুকলি সভাত দিয়া তেওঁৰ বক্তৃতাৰ কথা। ১৯৬২ চনত ভাৰত-চীন সংঘৰ্ষৰ সময়ত ৰাতি ৩ বজাত তেওঁক গ্ৰেপ্তাৰ কৰাৰ কৰুণ কাহিনীৰ বৰ্ণনা দিওঁতে তেওঁ নিজে কান্দি পেলাইছিল, সমজুৱাসকলকো কন্দুৱাইছিল।

১৯৬১ চনৰ শেষভাগত তেওঁৰ পত্নী কনকলতাৰ চিকিৎসাৰ কাৰণে ডিব্ৰুগড়লৈ অহাৰ সময়তো তেওঁক লগ পাইছিলোঁ। কিন্তু দুৰ্ভাগ্য যে তেওঁৰ পত্নী বিয়োগৰ দিনা মই ডিব্ৰুগড়ত নাছিলোঁ। গতিকে তেওঁৰ পত্নীৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদন আৰু তেওঁলৈ সমবেদনা জ্ঞাপনৰপৰা বঞ্চিত হৈছিলোঁ।

সি যি কি নহওক, ৰাভাদেৱ সাধাৰণ মানুহৰ মাজত যে অসাধাৰণ, বহুমুখী প্ৰতিভাৰ পুৰুষ আছিল সেয়া কোনেও অস্বীকাৰ কৰিব নোৱাৰে। .....কিন্তু বৰ দুৰ্ভাগ্যৰ কথা যে ৰাভাদেৱ জীয়াই থকা কালত তেওঁৰ সৃষ্টিধৰ্মী, বহুমুখী শিল্প-প্ৰতিভা আৰু

বিভিন্ন জনজাতিৰ বুৰঞ্জী তথা ভাষাৰ গৱেষণাবোৰৰ সদ্ব্যৱহাৰ কৰিব পৰা নহ'ল। তেওঁক চিনি পাবলৈ বহু দেশপ্ৰেমিক, জনসেৱক, সাহিত্যপ্ৰেমিকৰ বৰ বেছি পলম হ'ল। চৰকাৰবতো তাতোকৈ আৰু বেছি পলম হ'ল। তেওঁক লৈ এতিয়া হয়তো কাব্যৰস ৰচনা কৰিব পৰা হ'ব, কথিকা সৃষ্টি কৰিব পৰা যাব আৰু কথাৰ ফুলজাৰিৰে মানুহক সম্মোহিত কৰিব পৰা যাব; কিন্তু তেওঁৰ প্ৰতিভাৰ ফল্গুধাৰাক আৰু আহৰণ কৰিব পৰা নাযাব। হালোৱা-বনুৱাৰ ঘৰে ঘৰে গৈ গণ-সংস্কৃতিৰ বোৱতী ধাৰাক একে প্ৰবাহিত কৰাৰ জীৱন্ত নায়কজনক আৰু পোৱা নাযাব। সেয়ে বঙ্গালী কবি এজনৰ লগত সুৰ মিলাই গাবলৈ মন যায় ঃ

"জীৱনে যাৰে দাওনি মালা
মৰণে তাৰে দিতে এলে ফুল?"

অৱশ্যে সুখৰ কথা যে গণ-নাট্য, গণ-সংস্কৃতি, গণ-সাহিত্য, গণ-শিল্প, গণ-ভাস্কৰ্য প্ৰভৃতিৰ যোগে গণ-জাগৰণৰ বোৱতী ধাৰাৰ লগত সম্পৰ্ক ৰখাসকলে ৰাভাদেৱক সঁচাকৈয়ে চিনি পাইছিল। সেয়েহে গণ-নাট্য সংঘৰ (অসম শাখা) প্ৰথম সভাপতি জ্যোতিপ্ৰসাদৰ পিছতেই ৰাভাদেৱক দ্বিতীয় সভাপতি ৰূপে বাছি লয় আৰু অসমৰ প্ৰগতিশীল শিল্পী-সাহিত্যিক সংঘৰ প্ৰথম সভাপতিত্বৰ সন্মান দিয়ে।

যি কলা সাধকে ঃ

"তেজেৰে বোলেৰে লিখি যাম ইতিহাস
মচি যাম দীন সমাজৰ হীন পৰিহাস

.... ..... ..... ....

ৰচি যাম বহু শোষিতাৰ হা-হুতাশ...।"

লিখি যাব পাৰে, সেই সাধক পুৰুষ কলাগুৰু বিষ্ণু ৰাভাক জনতা আৰু জনতাৰ আগৰণুৱা বাহিনীয়ে কেতিয়াও পাহৰিব নোৱাৰে। ৰাভাদেৱে জীৱনৰ যি জয়গান গাই গ'ল তাৰ চৰমতম বিকাশ সাধনৰ দায়িত্ব তেওঁলোকৰেই। প্ৰকাশিত, অপ্ৰকাশিত আৰু অনাবিষ্কৃত হৈ থকা তেওঁৰ মহামূল্যবান মেনুস্ক্ৰিপ্টবোৰৰ উদ্ধাৰ কৰি অসমীয়া আৰু অন্যান্য ভাষাত প্ৰকাশ কৰিলেহে তেওঁৰ সমাদৰ বাঢ়িব আৰু সেয়াই হ'ব তেওঁৰ প্ৰতি আমাৰ প্ৰকৃত শ্ৰদ্ধা নিবেদনৰ পাতনি।

তেওঁৰ মৃত্যুৰ এমাহমান আগতে ১৫ মে' তাৰিখে ৰোগ-শয্যাৰপৰা ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ অসম ৰাজ্যিক শাখাৰ ৰূপালী জয়ন্তী উপলক্ষে লেখনী ধাৰণ কৰি লিখিলে ঃ

"ৰাইজৰ অসীম বল। সীমাহীন শকতি। এই জোৰাল কথাবোৰকে বুজা নাছিলোঁ। ভাবিছিলোঁ চহৰৰ, নগৰৰ, ভেমপুৰীয়াসকলেই দেশৰ, সমাজৰ আৰু ৰাইজৰ

নেতা। দৰাচলতে অসমৰ সীমামূৰীয়া ঠাইত যেতিয়া দ্বিতীয় মহাসমৰৰ কামান গৰজি উঠিল, সৌমাৰৰ সীমান্ত অঞ্চলত জাপানৰ জাকে জাকে উৰাজাহাজ আহি ডেউকা মেলি আকাশ ছানি পেলালে আৰু সীমাভূমিত জঁয়াল জাপানী বোমাৰ বিস্ফোৰণ হ'ল, তেতিয়া মোৰ মনত কোটিকলীয়া অসমৰ লাখ লাখ বছৰীয়া সংস্কৃতি আৰু সভ্যতা জানোচা জাপানী আগ্নেয়াস্ত্ৰৰ দাবানলত দহি-পুৰি ছাই হৈ যায়, এই চিন্তাই মোৰ হিয়া খুলি খুলি খাইছিল।

অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সভ্যতাৰ সঁচাকৈ যিসকল ধাৰক আৰু বাহক সেইসকলৰপৰা যদি অসমীয়া সংস্কৃতি আৰু সভ্যতাৰ কিছু ধৰি ৰাখিব পাৰোঁ, তেন্তে মোৰ টোপোলাতো হয়তো অসমীয়া ৰাইজৰ কাৰণে কিছু সমল থাকিব পাৰে আৰু ধ্বংসৰ মাজতো অসমীয়া কৃষ্টি-সংস্কৃতি বাচিব পাৰে এনে বলিষ্ঠ সংকল্প প্ৰাণত লৈয়ে অসমীয়া ৰাইজৰ মাজত জঁপিয়াই পৰোঁ।

ৰাইজেই গণদেৱতা। এই গণদেৱতাৰ অতীত হিয়াত কিমান দয়া, কিমান কৃপা! অথচ প্ৰাণৰো প্ৰাণ কিমান অজেয়! এই ৰাইজৰ হিয়া-কোঁহৰ পৰা সৃষ্টি অমৃতৰ সুৰৰ টোপালবোৰৰ বুটলি আনি এই মোৰ নিজৰ মনকোঁহত ভৰাই লওঁ। সেই মনকোঁহতে ৰহমৰা, মৌচাক সাজি তাৰ পৰা নিজৰি নিজৰি ওলোৱা ৰসৰ টোপালবোৰ বিলাই দিবলৈ ধৰোঁ।

যিসকল অসমীয়াৰ প্ৰাণস্বৰূপ, যিসকল অসমীয়া সংস্কৃতিৰ ধাৰক আৰু বাহক; সেইসকল হালোৱা-হজুৱা, তল-মজলীয়া ৰাইজ ক্লিষ্ট, শোষিত, দলিত, নিষ্পেষিত আৰু নিপীড়িত। এই ৰাইজৰ দুখত সমদুখী হৈ ৰাইজৰ হিয়াৰ মৰম-চেনেহৰ অঠাই সাগৰৰ পানীত সাঁতুৰি-নাদুৰি উমলি ফুৰিছিলোঁ।

১৯৪৫ চনৰপৰা ৰাইজৰ মাজত জঁপিয়াই পৰি বহু সভা-সমিতিৰ যোগে ৰাইজৰ প্ৰতি মোৰ কৃতজ্ঞতা যাচিছিলোঁ। তেতিয়াৰপৰাই ভাৰতৰ বিপ্লৱী সাম্যবাদী দলৰ লগত সংশ্লিষ্ট থাকি মাৰ্ক্সীয় দৰ্শন, মাৰ্ক্সীয় অৰ্থনীতি, দ্বন্দ্ববাদৰ লগত পৰিচিত হৈ আৰু লেনিনবাদৰ সম্যক জ্ঞানৰ উপলব্ধিৰ আশাত, প্ৰকৃত কমিউনিষ্ট হোৱাৰ আশাত ৰাইজৰ হিয়াৰ আমঠু, ৰাইজৰ প্ৰাণৰ লগৰী আৰু ৰাইজৰ লগত একেলগে মিলি-জুলি ৰাইজক মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি উদ্বুদ্ধ কৰাৰ কাৰণে নিজৰ সকলো শক্তি নিয়োগ কৰোঁ।

১৯৪৬ চনৰ শেষৰফালে প্ৰসিদ্ধ অসমীয়া বোলছবি 'চিৰাজ'ৰ পৰিচালনাৰ একাংশত অসমৰ বাহিৰত ব্যস্ত থকাত সেই কাম প্ৰায় দহ মাহ মানৰ পিচত সমাধা কৰি স্বাধীনতাৰ পিচত অসমলৈ আহি দলীয় ৰাজনীতিত ব্যস্ত থাকি সভাই-সমিতিয়ে ঘূৰি ফুৰোঁতে কংগ্ৰেছ চৰকাৰৰ শেন চকুত পৰি অজ্ঞাত বাসৰ "বিৰাট-পৰ্ব"ৰ বিৰাট

সাধনাত অংশগ্ৰহণ কৰিছিলোঁ। সেই বিৰাট সাধনাত জনসাধাৰণৰ মাজত থাকি জনসাধাৰণৰ সেৱাত থাকোতেই ধৰা পৰি এবছৰৰ কাৰাবাস খাটি ওলাই আহি কিছুদিনৰ পিচত সেই বিৰাট সাধনাৰ স্বাভাৱিক পথেই মোক লৈ আহে ভাৰতৰ কমিউনিষ্ট পাৰ্টিলৈ। বিশ্ব জুৰি মহামানৱৰ মুক্তিৰ যি অভিযান —সেই অভিযানৰ অংশভাগী হ'বলৈ। সেই কথা ১৯৫৫ চনৰ। তেতিয়াৰেপৰা বিশ্ব ভ্ৰাতৃত্বৰ শ্ৰমিক, কৃষক, সৃষ্টিকাৰী জনতাৰ শান্তি, প্ৰগতি আৰু নতুন সমাজ সাধনাত মোৰ ক্ষুদ্ৰ শক্তিৰে দুখকাৰী জনসাধাৰণৰ পাৰ্টি কমিউনিষ্ট পাৰ্টিৰ সভ্যৰূপে ৰাইজৰ সেৱা কৰি আহিছোঁ। ১৯৬২ চনত চীনা আক্ৰমণৰ আশঙ্কাত তেজপুৰবাসী যেতিয়া সন্ত্ৰস্ত হৈ পৰিছিল, দেশৰক্ষা আৰু ৰাইজক সাধ্য অনুসৰি অভয় দিয়াৰ চেষ্টা কৰাৰ দোষতে মাতৃ-হীন দুটি শিশুক বুকুত লৈ শুই থকাৰ পৰা কংগ্ৰেছ চৰকাৰৰ পুলিচে তেজপুৰৰপৰা গুৱাহাটীলৈ পথাৰে বান্ধি সাত মাহ সুদূৰ উৰিষ্যাত কাৰাৰুদ্ধ কৰি ৰাইজৰ সেৱাৰপৰা বঞ্চিত কৰিবলৈ বিচাৰিছিল। কিন্তু বিচলিত হোৱা নাছিলোঁ। পাইছিলোঁ নতুন বল।

আজি মই ৰোগ-শয্যাত। মোৰ অসীম প্ৰেৰণা যোগোৱা পাৰ্টি আৰু জনসাধাৰণৰপৰা মই আঁতৰত থাকিব লগা হৈছে। তথাপিও মোৰ মন ৰাইজৰ মাজত। যি আদৰ্শৰ সাধনাত জীৱনৰ সকলো সামৰ্থ্য আগবঢ়াইছিলোঁ সেই আদৰ্শৰ পাৰ্টিৰ অসমত ৰূপালী জয়ন্তী উপলক্ষে ৰোগ-শয্যাৰপৰাই অভিনন্দন জনাইছোঁ।"

এয়া আছিল বোধহয় তেওঁৰ শেষ বাণী। এই বাণীৰ যোগেদি তেওঁ বিপ্লৱী আদৰ্শৰ প্ৰতি অবিচলিত আস্থা আৰু ৰাইজৰ প্ৰতি অসীম শ্ৰদ্ধা ব্যক্ত কৰি গৈছে। সেয়ে আজি বিশ্বকবি ৰবীন্দ্ৰনাথৰ কণ্ঠত কণ্ঠ মিলাই গাবলৈ মন যায় ঃ

"জীৱন মন্থন বিষ নিজে কৰি পান
অমৃত যা উঠেছিল কৰে গেছ দান।"

কমৰেড বিষ্ণু ৰাভা অমৰ ৰহে। ❑*

---

* প্ৰস্তাৱ ; ডিব্ৰুগড়, শাৰদীয় সংখ্যা, ১৯৮১ (পুনঃ সম্পাদিত ৰূপ)

# মোৰ দৃষ্টিত বিষ্ণুপ্ৰসাদ ৰাভা

**।। কমলা মজুমদাৰ।।**

বৰ্তমান বিষ্ণু ৰাভা যেতিয়া 'কলৰৱ মুখৰিত খ্যাতিৰ প্ৰাঙ্গণত' সেইসময়ত বিষ্ণু ৰাভা-সোঁৱৰণী সংকলনৰ তৰফৰপৰা বিষ্ণু ৰাভাই বিপ্লৱী কমিউনিষ্ট পাৰ্টিত থকা কালৰ 'জীয়া কাহিনী'ৰ এটি লিখা দিবলৈ কোৱাত এক কথাতে সন্মত হ'লোঁ, যিহেতু আজি কিছুদিনৰপৰা অনুভৱ কৰিছিলোঁ যে বিষ্ণু ৰাভাৰ জীৱনৰ এই সময়ছোৱাৰ যথাযথ বিচাৰ নহ'লে তেওঁৰ প্ৰকৃত মূল্যায়নত বিৰাট ফাঁকি থাকি যাব।

সেই সময়ৰ দলৰ এজন কৰ্মী হিচাপে মই তেওঁৰ যি সৰ্বতোমুখী প্ৰতিভা, আন্তৰিকতা, সাহসিকতাৰ পৰিচয় পাইছিলোঁ, সি মোৰ নিচিনা বহুতৰে মনত চিৰসেউজীয়া হৈ আছে।

দলীয় ৰাজনীতিৰ লগত জড়িত বুলি কিছু বিতৰ্কমূলক কথা এই লেখাত আহিব। মই ভাবোঁ যে এই সময়ছোৱাই বিষ্ণু ৰাভাৰ জীৱনৰ সৰ্বোত্তম সময়। এই সময়খিনিতেই তেওঁ শোষণহীন নতুন সমাজৰ ভিত্তি গঠনৰ ঐতিহাসিক দায়িত্ব সম্পৰ্কে সচেতন হয়। এই সময়ৰ তেওঁৰ ৰচনাসমূহে সমাজৰ কালিমা নাশ কৰি 'পঞ্চায়তীৰাজ' বাস্তবায়িত কৰাৰ বাবে নিপীড়িত মানুহক ঐক্যবদ্ধ কৰি সংগ্ৰামৰ পথত, বিপ্লৱৰ পথত উজ্জীৱিত কৰি তুলিছিল।

ছাত্ৰাবস্থাৰপৰাই বিষ্ণু ৰাভা ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ লগত জড়িত। গান্ধীজীৰ নেতৃত্বত সৰ্বভাৰতত চলা অসহযোগ আন্দোলনত ৰাভাই কলেজ এৰি যোগ দিয়ে। লোক-সংস্কৃতিৰ উপাদান বিচাৰি জনসাধাৰণৰ সান্নিধ্যলৈ আহিছিল, সেইসকলৰ লগত নিবিড় সম্পৰ্ক গঢ়ি উঠাৰ সময়তে তেওঁৰ পৰিচয় ঘটিছিল শোষণৰ কদৰ্য ৰূপটোৰ লগত। ইয়াৰ প্ৰতিকাৰৰ বাবে পথ বিচাৰি শেষত মাৰ্ক্সবাদ গ্ৰহণ কৰিলে। শান্তিপুৰৰ অধিবক্তা শ্ৰীউপেন শৰ্মাৰ যোগাযোগত তেওঁ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সভ্য হয়। ১৯৪৮ চনত দলৰ বীৰভূম থিছিছ (পান্নালাল দাসগুপ্ত) গৃহীত হোৱাৰ পিচত বিষ্ণু ৰাভাই ক্ষমতা দখলৰ সংগ্ৰামত অসমত মুক্ত অঞ্চল গঢ়ি তুলিবলৈ অগ্ৰসৰ হয়। 'সমাজতান্ত্ৰিক বিপ্লৱ আজিয়েই নহয় কিয়?, —সেই সময়ৰ এই মূল ৰাজনৈতিক প্ৰশ্ন লৈ তেখেতে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰচাৰ অভিযানত ঘূৰিছিল। এই কালছোৱাত বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে গণতান্ত্ৰিক বিপ্লৱৰ অসম্পূৰ্ণ কাম সমাজতান্ত্ৰিক বিপ্লৱৰ মাজেৰেই সমাধানত গুৰুত্ব দিছিল। ৰক্তপাতৰ পৰিণামৰ

ওপৰত বিপ্লৱৰ জয় বা শোষণহীন নতুন সমাজ গঠন কৰি নিৰ্ভৰ নকৰে, কৰে কেৱলমাত্ৰ উন্নত চেতনাৰে উদ্বুদ্ধ সামূহিক কল্যাণৰ প্ৰেৰণাৰ ওপৰত। শ্ৰেণী সংগ্ৰামৰ ওপৰত। এই ৰাজনীতিক আদৰ্শ কৰি বিষ্ণু ৰাভাই দলৰ তদানীন্তন এটি ধ্বনি 'পঞ্চায়তীৰাজ' কায়েমৰ বাবে অসমৰ পাহাৰ-ভৈয়ামৰ সকলো ভাষা-ভাষী, ধৰ্মাৱলম্বী কৃষক, চাহ বাগিচাৰ চাওতালী মজদুৰ, কয়লাখনি, শোধনাগাৰৰ হিন্দীভাষী শ্ৰমিক আৰু ব্ৰহ্মপুত্ৰৰ পাৰৰ নেপালীসকলক ঐক্যবদ্ধ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ধনতন্ত্ৰবাদৰ বিৰুদ্ধে সংগ্ৰামত ব্যক্তিকেন্দ্ৰিক স্বাৰ্থ নিহিত হৈ যাতে প্ৰতি বিপ্লৱৰ মাধ্যম হৈ নুঠে, হালোৱা-হজুৱা-বনুৱাৰ মাজত প্ৰতিদ্বন্দ্বিতা, শত্ৰুতাই যাতে ঠাই নেপায় —সামূহিক উন্নত চেতনাৰে ইজনে সিজনৰ দুখত দুখী, সুখত সুখী হৈ জীৱন-যাপনত উৎসাহ পায় —প্ৰকৃত সমতা গঢ়ি তুলিব পাৰে, তাৰ বাবে নিজে গান-কবিতা-গল্প লিখি, আলোচনা-বৈঠক পাতি জনসাধাৰণক নতুন পথৰ সন্ধান দিছিল। সমূহীয়া ভঁৰাল আদি কৰ্মসূচীও ৰূপায়িত হৈছিল।

বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ তেতিয়াৰ সংগ্ৰামী গণসংগঠন 'অসম কৃষক বনুৱা পঞ্চায়ত', 'নাৰী মুক্তি সংঘ', 'বিপ্লৱী ছাত্ৰ সংঘ' আদি সংগঠনবোৰক প্ৰাণময় কৰি তুলিছিল —ষ্টেনগান, কলম আৰু তুলিৰে। এনেকৈ শোষিত জনগণৰ পুঞ্জীভূত বেদনাক, সুখ-অনুভূতিক ভাষা দিছিল। গঞা ৰাইজে গভীৰ আস্থা আৰু আন্তৰিকতাৰে তেওঁক গ্ৰহণ কৰিছিল। এদিনৰ কথা সুঁৱৰিছোঁ —বৰদুৱাৰ গাঁওখনলৈ দলৰ কামত গৈছোঁ। ৰাভা তেতিয়া সেই অঞ্চলত। গধূলি এঘৰত সোমাইছোঁ, ঘৰৰ গৃহিণীয়ে বহিবলৈ দি তামোল-পাণ আগবঢ়ালে। তাৰ পিছত দেখি আচৰিত হ'লোঁ গৃহিণীয়ে বিষ্ণু ৰাভাই থৈ যোৱা ষ্টেনগানটোক ফুলেৰে সেৱা জনাই ফুলবিলাক উটুৱাই দিবলৈ ওলাই গ'ল। এনে ঘটনা বহুতো। ক'ৰবাত নাৱৰীয়াই জীৱন বিপন্ন কৰি চোৰাংচোৱাক ভ্ৰূক্ষেপ নকৰি তেওঁক নদী পাৰ কৰিছে। ডাক্তৰে নিজা ঘৰত আশ্ৰয় দি শুশ্ৰূষা কৰিছে।

জনসাধাৰণৰ তেওঁ যেনেকৈ প্ৰিয় নেতা আছিল, নিজেও ৰাইজৰ শক্তিৰ ওপৰত দৃঢ় বিশ্বাস ৰাখিছিল। 'সোণপাহি' নামৰ কিতাপখন অজ্ঞাতবাসত থকাকালত জনসাধাৰণৰ সুখ-দুখৰ অভিজ্ঞতা লৈ লিখা, তাৰ পাতনিত ৰাভাই লিখিছে যে সেই অজ্ঞাতবাসত কটোৱা জীৱনত তেওঁ এক বিৰাটপৰ্বৰ সৃষ্টি কৰি এক বিৰাট শক্তিৰ সাধনা কৰে, সেই শক্তি গণশক্তি, যি 'বিধাতাকো' টলাব পাৰে আৰু লিখিছে যে সেই 'অজ্ঞাতবাসত' তেওঁৰ শিল্পী জীৱনে এটি অজ্ঞাত অধ্যায় অৰ্জন কৰে —যাৰ অবিহনে তেওঁৰ শিল্পী জীৱন অপূৰ্ণ থাকিলেহেঁতেন। তাতেই তেওঁ লিখিছে জনসাধাৰণ অফুৰন্ত কলা-শিল্পৰ উৎস।

'ৰাইজ' —এই শব্দটো অসমীয়া ভাষা আৰু লোক ব্যৱহাৰত গণতান্ত্ৰিক মূল্যবোধৰ এক উচ্চ নিৰ্দৰ্শন। গাঁৱত দেখিছোঁ শব্দটিৰ সঘন ব্যৱহাৰ। বিষ্ণু ৰাভাই এই 'ৰাইজ' শব্দৰ উচ্চাৰণ হঠাতে কৰা নাছিল। সকলো সময়তে কথা কওঁতে তেওঁৰ মুখৰপৰা এই শব্দ উচ্চাৰিত হৈছিল। জীৱনৰ শেষলৈকে, মৃত্যুৰ আগে আগে লিখা গীতটিতো 'ৰাইজৰ পদ চুমে' বুলি বিদায় গ্ৰহণ কৰিছে। বোম্বেৰপৰা কেন্সাৰ্ ৰোগৰ চিকিৎসা কৰি ঘূৰি অহাৰ পিছতো তেখেতে ক'লে 'ৰাইজৰ' আশীষেই তেওঁক ফিৰাই আনিছে। দৰিদ্ৰতাৰ মাজেৰে তেওঁ জীৱন অতিবাহিত কৰিছিল। উত্তৰাধিকাৰী সূত্ৰত যথেষ্ট ধন-সম্পদৰ গৰাকী হৈয়ো সেইবোৰ ধৰি থকা নাছিল। নিৰ্মম উদাসীনতায়ো তেওঁক আদৰ্শৰপৰা বিচলিত কৰিব পৰা নাছিল। অহাকালি খাবলৈ আছে নে নাই সেই চিন্তাও তেওঁৰ নাছিল। ইয়াৰ মাজতে কোনোবাই কিবা বিচাৰিলে অকাতৰে তেওঁ বিলাই দিছিল। 'ৰাইজৰ আশীষত' কিবা ব্যৱস্থা হ'ব —এয়ে আছিল তেওঁৰ উত্তৰ।

তেওঁৰ লিখা গান, কবিতা, গল্প আদিয়ে ল'ৰা, বুঢ়া সকলোকে স্পৰ্শ কৰিছিল। এয়া আমি বহু ঠাইত দেখিবলৈ পাইছোঁ। চেঁচামুখৰ গাঁৱত অনুষ্ঠিত হোৱা এখন সভালৈ গৈছোঁ। সভা আৰম্ভ হোৱা আগতে এঘৰ মানুহৰ চোতালত বহিছোঁ — কিন্তু গএগ্ৰা-ৰাইজৰ সমাগম হৈছে, ৰাভাক অনুৰোধ কৰা হ'ল —স্বৰচিত গান শুনাব লাগে। হাৰমনিয়ামটো আগতে লৈ তেওঁ গান জুৰিলে —'মোৰ কবিতাৰ ছন্দ লাগি স্পন্দন তোমাৰ জাগেনে, কথা মালিকাৰ গন্ধ লাগি মোৰ সোণৰ সপোন ভাগেনে?' হিয়া উজাৰি গোৱা ৰাভাৰ কণ্ঠই উপস্থিত গএগ্ৰাৰ কলিজা স্পৰ্শ কৰিলে। সকলোৱে নিস্তব্ধ হৈ গান শুনি তাৰ প্ৰেৰণাৰে অনুপ্ৰাণিত হৈ সভাস্থলীত গৈ ঠাই ল'লে। আমি ৰাইজক উদ্দেশি বক্তৃতা দিয়াৰ পিচত ছাত্ৰ বন্ধুসকলে ৰাভা ৰচিত গীতেৰে সভাস্থলীত ৰণশিঙা বজালে —'সাজ সাজ মুক্তি সেনা সাজ / হওঁ সমদল আজি বাজ / সুখেৰে পঞ্চায়তৰাজ /, ৰাইজেই ৰজা মাত্ৰ বলেৰে হোৱা সবে আগুৱান / লবই লাগিব পঞ্চায়তৰাজ স্বৰ্গময় জ্যোতিষ্মান', ইত্যাদি।

ক্ষমতা দখলৰ সংগ্ৰামৰ সময়ত চিলং জেলত সকলো মহিলা ৰাজনৈতিক বন্দীক একত্ৰিত কৰা হৈছিল। বিষ্ণু ৰাভা ৰচিত গানবোৰে আমাৰ সেই বন্দী জীৱনত সজীৱতা আনিছিল। বিশেষকৈ উজনি অসমৰ নাৰীমুক্তি সংঘৰ চৈধ্য / ষোল বছৰ বয়সীয়া কেইগৰাকীমান ছোৱালীৰ সাৱলীল কণ্ঠত শুনা ৰাভাৰ গীতবোৰে আমাৰ মনত মুক্তিৰ তৃষ্ণা জগাইছিল।

তেওঁৰ বহু ৰচনা হাতে লিখা অৱস্থাত দেখিছিলোঁ। এবাৰ আত্মগোপন কৰি থকা কালতেই ৰাভা কামাখ্যাৰ নামনিত এঘৰত আশ্ৰয় লৈ আছিল। তালৈ যাওঁতে

দেখিলোঁ —তেওঁ দুজন কঁহাৰৰ লগত কথা পাতি আছে, ওচৰতে কাগজ-কলম। তেওঁ ক'লে যে 'নতুন অসমৰ বুৰঞ্জী' নামৰ এখন কিতাপ লিখি আছে আৰু তাৰ বাবে সমল গোটাইছে। কিতাপখন লিখা প্ৰায় শেষ হৈ আহিছে বুলিও তেওঁ জানিব দিলে। কিন্তু সেই মূল্যবান কিতাপখন ক'ত গ'ল পিছত কোনো সম্ভেদ পোৱা নগ'ল।

তেওঁ বাৰ্মাৰ পূব-সীমান্ত, পশ্চিমৰ নেপাল সীমান্ত, তিব্বত সীমান্তলৈ ঘূৰি ফুৰি অসম-সংস্কৃতিৰ নৱজাগৰণৰ উদ্দেশ্যে বহুতো উপাদান সংগ্ৰহ কৰিছিল। তেজপুৰৰ ঘৰত এইবোৰ কিছু দেখিছিলোঁ। পঢ়িছিলোঁ।

অজ্ঞাতবাসত থকা কালছোৱাই জীৱনত কিদৰে প্ৰভাৱ পেলাইছিল হস্পিতালত চিকিৎসাধীন হৈ থাকোতে সেই বিষয়ে ৰাভাই কোৱা কথাকিটা আজি বাৰে বাৰে মনত পৰিছে : "মোৰ সেই ভ্ৰাম্যমাণ জীৱন, বনবাস-অজ্ঞাতবাস দুৰ্বাৰ বেগেৰে অগ্ৰসৰ হৈছিল। মোৰ সঞ্চয়ৰ কি দিছোঁ, কি দিব পৰা নাই তাৰ হিচাপ-নিকাচ কৰিবলৈ মন যোৱা নাই। মই জাপি খুলি থ'লোঁ, ৰাইজে যদি মোৰ এই ক্ষুদ্ৰ সেৱক মৰমেৰে গ্ৰহণ কৰে সেয়ে মোৰ বাবে ডাঙৰ উপহাৰ।"

আজি বিষ্ণু ৰাভা সম্পৰ্কে গবেষণা আদিৰ কথা ওলাইছে। বোধকৰো তিনি বছৰ আগতে 'দৈনিক অসম' বাতৰিখনত বিষ্ণু ৰাভাৰ বিষয়ে এটি প্ৰবন্ধ পঢ়িছিলোঁ। সেই লেখাটোত বিষ্ণু ৰাভাই বিপ্লবী কমিউনিষ্ট পাৰ্টিত থকাকালৰ ভূমিকাৰ বিন্দুমাত্ৰ উল্লেখ নাই। প্ৰথমেই তেওঁ কমিউনিষ্ট পাৰ্টিৰ সভ্য হয় বুলিয়ে লিখিছে। লেখকক এই বিকৃতিৰ কথা সোধাত নিৰুত্তৰ আছিল। সেয়েহে মোৰ এই ক্ষুদ্ৰ প্ৰচেষ্টাৰে ইতিহাসক বিকৃত নকৰি বিষ্ণু ৰাভাৰ যাতে যথাযথ মূল্যায়নত সহায়ক হ'ব পাৰে তাৰে প্ৰয়াস কৰিছোঁ। বৰ্তমানৰ হতাশাৰ ক'লামেঘ আঁতৰাই যাতে বলিষ্ঠ আশাবাদৰ সৃষ্টি হ'ব পাৰে তাৰ বাবে প্ৰয়োজন বিষ্ণু ৰাভাৰ সঠিক মূল্যায়ন —সকলো ৰচনাৱলী প্ৰকাশ। ইয়াৰ অভাৱতেই আজি সুবিধাবাদীসকলৰ কোনোবাই বিষ্ণু ৰাভাক জনজাতীয় নেতা, কোনোবাই বা কেৱল সুন্দৰৰ পূজাৰী, কোনোবাই আকৌ উগ্ৰ জাতীয়তাবাদী কমিউনিষ্ট বুলি চিত্ৰিত কৰিছিল অপচেষ্টা কৰিবলৈয়ে। এই সোঁৱৰণী সংকলনটিয়ে ৰাভাৰ মূল্যায়নৰ ক্ষেত্ৰত সেই অভাৱ কিছু পৰিমাণে দূৰ কৰিব পাৰিব বুলি ভাবোঁ।

ৰাভাৰ জীৱনাদৰ্শই এখন শোষণহীন সমাজ গঢ়াৰ পথত বৰ্তমানৰ যুৱশক্তিক দ্ৰুত গতিত অগ্ৰসৰ কৰক। ❑

# অঙ্গুলি ঃ জ্যোতিৰেখা

।। শোভা ব্ৰহ্ম।।

১৯৫৪ চন। বিষ্ণু ৰাভা ইতিমধ্যে মোৰ কাৰণে এক লিজেণ্ড। নাম শুনিছোঁ, কাহিনী শুনিছোঁ, অভিভূত হৈছোঁ; কিন্তু মানুহজনক দেখা নাই।

শান্তি নিকেতনৰ কলাভৱনত মই তেতিয়া তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। এটি বিশেষ আদৰ্শগত বিসম্বাদৰ হেতুকে এগৰাকী শিক্ষকৰ লগত মনোমালিন্য হোৱাত মই শান্তি নিকেতন এৰি বেনাৰসৰ হিন্দুবিদ্যালয়ত নাম লগাওঁ। তাৰে চেণ্ট্ৰেল হিন্দু কলেজত পাঁচমাহ অধ্যাপনাৰ পাছত 'মোৰ সত্তাত নিগাজিকৈ থিতাপি লোৱা শিল্প-কলা'ৰ অত্যাচাৰত কলেজ এৰি মোৰ ঘৰলৈ ঘূৰি আহোঁ। উদ্দেশ্য, নতুন শিক্ষাবাৰ্ষিকত মাদ্ৰাজ আৰ্ট কলেজত আকৌ নাম লগোৱা।

তেনে এটা সময়ত, মোৰ জীৱনৰ আটাইতকৈ সংঘাতবহুল কালত, মোৰ এগৰাকী বাল্যবন্ধুৱে (পিছলৈ বিধানসভাৰ সদস্য আৰু মন্ত্ৰী হয়) কামৰূপ জিলাৰ টিহুৰ ওচৰৰে খুকুন্দিপাৰাত হ'বলগীয়া 'খেৰাই' উৎসৱলৈ যোৱাৰ কাৰণে মোক লগ ধৰিলে। তালৈ হেনো বিষ্ণু ৰাভা আহিব। এনেই 'খেৰাই' উৎসৱ, তাতে আকৌ বিষ্ণু ৰাভা। ৰেলত বন্ধুগৰাকীৰ লগত টিহু ষ্টেচন পালোঁগৈ। মানুহক সুধি সুধি খুকুন্দিপাৰালৈ খোজ ললোঁ, অজান পথ! পোন্ধৰ-ষোল বছৰীয়া ডেকা মানুহ এজনক লগ পাই তাৰ পিছে পিছে খোজ ললোঁ (মানুহজন পিছলৈ এবাৰ বিধানসভাৰ সদস্য হয়)। উৎসাহী ল'ৰা। আঠ-ন মাইলমানৰ পথ —সন্ধিয়া হৈ আহিছে। আজি খুকুন্দিপাৰা গৈ পোৱা অসম্ভৱ। ল'ৰাটোৰ আমন্ত্ৰণ মতেই তাৰ ঘৰতেই ৰাতিটো আলহী হৈ মুৰগীৰ মাংসৰে ৰাতিটোৰ আহাৰ সামৰি পিছদিনা খুকুন্দিপাৰা পালোঁগৈ।

গাঁৱত পতা সভা-সমিতি বিশেষকৈ সময়মতে নবহে। নিৰ্ধাৰিত সময়ৰ বহু পিছত বাৰ-এটা বজাত 'খেৰাই' উৎসৱৰ মুকলি সভা আৰম্ভ হ'ল। মুখ্য অতিথি বিষ্ণু ৰাভাক খাম-চিফুং-চেৰজা আৰু গাভৰুসকলৰ মাঁচাগীলাং নাচোনৰ ছেঁৱে-ছেঁৱে বৰণ কৰি আনি সভামণ্ডপত মুখ্য অতিথিৰ আসনত বহুৱা হ'ল। আমিও দুয়ো মুখ্য অতিথিৰ ঠিক পিছতে আসন গ্ৰহণ কৰিলোঁ। সময় আৰু সুবিধামতে মোৰ বন্ধুগৰাকীয়ে বিষ্ণু ৰাভাক মোৰ পৰিচয় দিলে।

তেতিয়া আৰম্ভ হ'ল মোৰ শিল্পীনিৰীক্ষণ। শিল্পীসত্তাই মোক ইমানকৈ আকৰ্ষণ কৰে কিয় ক'ব নোৱাৰোঁ। সি যেন ৰবীন্দ্ৰনাথৰ 'আমাৰ আৰ এমন টানে / কেউতো টানেনা.........।'

বিষ্ণু ৰাভা এককথাত সুন্দৰ। সুষম, সুসমঞ্জস, শাৰীৰিক ঐশ্বৰ্য। তাৰ লগত ব্যক্তিত্বৰ জ্যোতি, সংবেদনশীলতা লগ লাগি বিষ্ণু ৰাভাক এক অনন্য সুপুৰুষত ৰূপ দিছে। আয়তনিক বিশালতা সত্বেও বিষ্ণু ৰাভা শিলাখণ্ডৰ স্তূপাকৃতি নিশ্চল নহয়; সচল আৰু সংবেদনশীল গতি। ভাৰতবৰ্ষৰ কোনো শিল্পী, অভিনেতা বা কোনো উল্লেখনীয় পুৰুষৰ লগত বিষ্ণু ৰাভাৰ সাদৃশ্য বিচাৰি নাপাওঁ —নৃত্যাচাৰ্য উদয়শঙ্কৰৰ লগত তেওঁৰ কিছু শাৰীৰিক সাদৃশ্য দৃষ্ট হ'লেও, উদয়শঙ্কৰ আদৰ্শ আৰ্যপুৰুষ। আনহাতে মঙ্গোলীয় আদৰ্শপুৰুষৰ লগত আৰ্য্য-ক্লাসিক আদৰ্শযুক্ত হৈ বিষ্ণু ৰাভাৰ সৃষ্টি হৈছে। এক কথাত বিষ্ণু ৰাভা নৃত্যশিল্পীৰ আদি স্ৰষ্টা দেৱাদিদেৱ মহাদেৱৰ আদৰ্শৰ এটি সাৰ্থক ৰূপদান।

মুখ্য অতিথিৰ ভাষণ দিবলৈ উঠিল বিষ্ণু ৰাভা। সযত্নে পিন্ধা বগা চাফা ধুতী-পাঞ্জাবীৰ লগত সমানে বগা আৰু চাফা ডিঙিত ওলমা চাদৰখন, মাংসাল অথচ আটিল, মঙ্গোলীয় অথচ চোকা নাক আৰু পাতল ওঁঠ, সুদীৰ্ঘ দেহাকৃতিৰে বিষ্ণু ৰাভা আনকাৰণে নহ'লেও সুপুৰুষ হিচাপে সঁচাকৈয়ে এক লিজেণ্ডৰ অধিকাৰী —নায়ক। ভাষণৰ বিষয় —অসমৰ সংস্কৃতিৰ পটভূমি ; লুইতৰপৰা আৰম্ভ কৰি কামাখ্যা, প্ৰাগজ্যোতিষপুৰ, উমানন্দ, কামৰূপ, বীৰ ভগদত্ত আদি শব্দৰ তাৎপৰ্য বিশ্লেষণ কৰি তেওঁ অতি কঠিন বিষয়বস্তুত জলবৎ তৰলতা আৰোপ কৰি তাতোকৈয়ো অধিক ৰস সঞ্চাৰ কৰি সৰহভাগ অশিক্ষিত আৰু অন্ধকাৰত বুৰ গৈ থকা বাহিৰেৰে থুপ-থুপীয়া সভামণ্ডপখন তিনি-চাৰি ঘণ্টা ধৰি মন্ত্ৰমুগ্ধ আৰু স্তব্ধ কৰি ৰাখিলে। সেই ভাষণত আছে অভিনয়, ছন্দ, শব্দৰ ঝঙ্কাৰ, কণ্ঠৰ লালিত্য, গভীৰতা, বিশুদ্ধ উচ্চাৰণ, চিন্তাৰ প্ৰাঞ্জলতা, বিদগ্ধতা, সুৰ-সংগীত, মুদ্ৰামাধুৰ্য্য আৰু সৰ্বোপৰি বিদ্যুৎচালিত এক কৰ্ষণশক্তি। সংস্কৃতিৰ নিচিনা অসাৰ আৰু কঠিন বিষয়বস্তুৰ ওপৰত ভাষণ দি তেনেই অপৰিপক্ক শ্ৰোতাৰ সমাবেশক ইমান সময় তেওঁ কেনেকৈ মন্ত্ৰচালিতৰ দৰে স্তব্ধ কৰি ৰাখিলে! তাৰ কাৰণে, ৰাভাৰ সত্তাত আছিল এক primitive fervour, আদিম আস্বাদ —সেয়ে সকলো মানুহৰ আদিম সত্তাক আঘাত কৰি তেওঁ জগাই তুলিব পাৰিছিল।

এটা সময়ত সভা শেষ হ'ল। এতিয়া সম্পূৰ্ণ বেলেগ ৰাভা। ধুতীখন তেওঁ আঁঠুৰ ওপৰত কোঁচাই ল'লে, চাদৰখনেৰে মূৰত পাগুৰি মাৰিলে। জোতাযোৰ হাতত লৈ মামাৰ ঘৰলৈ বুলি গাঁও অভিমুখে খোজ দিলে। তেওঁৰ কথামতেই মোৰ বন্ধু-গৰাকী আৰু মই দুয়ো নন্দী-ভৃঙ্গীয়েই (চেহেৰা ৰাভাৰ তুলনাত তেনেকুৱাই লাগিছিল বোধকৰোঁ) তেওঁৰ লগ ললোঁ।

মামাৰ ঘৰ পালোঁ। মামা-মামী দুয়ো ওলাল। অলপ পিছতে ডাঙৰ কাঁহৰ বাটিত (খুৰৈ ডাঙৰা) জু আহিল। লগতে আলুভাজি আৰু তিনিওৰে কাৰণে তিনিটা

কাঁহুৰ ৰাতি। মই জু নেখাওঁ —মদ্যপায়ী সমাজত জন্ম লোৱা কাৰণে সঁচা-মিছা আদৰ্শৰ খাতিৰত কম বয়সতে মই মদ খোৱা এৰিছিলোঁ। ৰাভায়ো ক'লে —মই নেখাওঁ যেতিয়া খাব নালাগে —ভৱিষ্যতে যাতে অভিযোগ নোলায় বিষ্ণু ৰাভাই মদ ধৰোৱা বুলি। যিহ'ক, মোৰ বন্ধুৱে ৰাভাৰ সঙ্গ দিলে। মই অকল আলুভাজিখিনিহে চোবাই থাকিলোঁ।

খুবৈ ডাঙৰৰ পানীয়খিনি যিমানে কমি আহিবলৈ ধৰিলে, সিমানে ৰাভাৰ চকুহালো তিৰ্-বিৰাবলৈ ধৰিলে। আকাশত অলেখ তৰাই তিৰ্-বিৰায় —আকাশৰ বিশাল বুকুত থাকি কত কথা কয় —দূৰত্বৰ কাৰণে আমি নুশুনোঁ। বিষ্ণু ৰাভাৰ বিশাল হৃদয়ৰ প্ৰতিনিধি দৰ্শন-ইন্দ্ৰিয় সৰু সৰু চকুহালেও তিৰ-বিৰাবলৈ ধৰিলে, কত কথা ক'লে, যিমানে সময় অন্তৰ্হিত হ'ল, এটাৰ পিছত এটা খুবৈ ডাঙৰাত পানীয় আহিবলৈ ধৰিলে, সিমানেই সেই কথা দূৰৰো দূৰৰ পৰা আহি আমাৰ কাণত সোমোৱা যেন লাগিল। সৰ্বশেষত, ৰাভা কলিকতাৰ সেই মেছ পালেগৈ —কলেজীয়া জীৱনৰ সেই মেছ।

ৰাভা এটা মেছত আছিল। অনতিদূৰত এটি পৰিয়ালৰ ঘৰ। ৰাভাই গীত গাইছিল —পুৰুষ কণ্ঠত চিএৰি-চিএৰি গাইছিল। সুপুৰুষ ৰাভাৰ সেই পুৰুষকণ্ঠৰ আহ্বানত অনতিদূৰত থকা সেই পৰিয়ালৰ গাভৰু ছোৱালীজনীৰ সকলো সত্তা বুৰ গৈছিল। তাই নিজকে পাহৰি পেলালে —কঠিন বেলাভূমিৰ প্ৰবল আকৰ্ষণত সাগৰৰ ঢউ আকুল হৈ দৌৰি অহাৰ দৰে, সেই গাভৰু ছোৱালীজনী দৌৰি আহিল বিষ্ণু ৰাভাৰ বিশাল বুকুত নিজকে আহুতি দিবলৈ। অন্ধগলিত জ্যোতিৰেখাৰ আবিৰ্ভাৱ হ'ল —দেৱতাই ধৰা দিলে। এটি অন্ধগলিত বিষ্ণু ৰাভাই সেই গাভৰু ছোৱালীজনীক গ্ৰহণ কৰিলে। কুসুমশয্যা হ'ল কেইখিলামান পৰিত্যক্ত চট্ কাপোৰ। দিনৰ পিছত দিন সেই গ্ৰহণ চলিল —তাই অন্তঃসত্ত্বা হ'ল; কালৰ গৰ্ভত চিৰদিনৰ কাৰণে নিঃশেষ হৈ গ'ল। পূৰ্ণচন্দ্ৰৰ আকৰ্ষণত যদি লক্ষ লক্ষ ঢউ উদ্‌বাউল হৈ কঠিন বেলাভূমিত আছাৰ খাই নাইকিয়া হৈ যায় তাত পূৰ্ণচন্দ্ৰৰ নাইবা বেলাভূমিৰ কিবা দোষ?

অন্ধগলি অন্ধগলি হৈ থাকিল। জ্যোতিৰেখা মোলান নপৰিল, জ্যোতিৰেখাই হৈ থাকিল। আকণ্ঠ হলাহল পান কৰি শিৱ হয় দেৱতাসকলৰ অনন্য, নীলকণ্ঠ বিষ্ণু ৰাভা নীলকণ্ঠ হৈ থাকিলেহেঁতেন যদিহে তেওঁ নৰদেহ ধাৰণ নকৰিলেহেঁতেন।

কিমান আঘাত, কিমান বেদনা, দাৰিদ্ৰ, সংগ্ৰাম, প্ৰেম-বঞ্চনা জীৱনৰ পৰিকল্পনা মৃত্যু। কাহিনীৰ শেষ নাই —আছে অকল আৱৰ্তনীহে। সেই সেই প্ৰিয়বালা ৰাভা —প্ৰেয়সী পত্নী প্ৰিয়বালাই কলিজাত সানি যোৱা বেদনাৰ ৰক্ত-কৰবী —সি কেতিয়াও মচ নেখায়, মিলি যাব নোৱাৰে। আমাৰ আগত তেওঁ সকলো ক'ব —আমি যে তেওঁৰ চিৰসহচৰ নন্দী-ভৃঙ্গি। "তুমি যদি শিল্পী হোৱা কমিউনিষ্ট নহৈ থাকিব

নোৱাৰা"—তেওঁ এটা কমিউনিষ্ট পাৰ্টিকহে জানে, যি কমিউনিষ্ট পাৰ্টিয়ে জাতিভেদ, ধনী-দৰিদ্ৰ, ডাঙৰ-নীচ দূৰ কৰি সমাজত সমতা প্ৰতিষ্ঠা কৰিব। সেয়া জানো সম্ভৱ? যদি সম্ভৱ, কেতিয়া আৰু কেনেকৈ?

কলিকতাত থাকোতে হেনো তেওঁ চোচাইটি অব অৰিয়েন্টাল আৰ্টত (Society of Oriental Art) গগনেন্দ্ৰনাথ ঠাকুৰৰপৰা চিত্ৰকলাৰ প্ৰশিক্ষণ লৈছিল। মই পিছে তেওঁ অঁকা চিত্ৰ প্ৰায় দেখাই নাই —যি দুই এখন দেখিছোঁ, নেদেখাহেঁতেন ভালেই আছিল। হ'ব পাৰে, তেওঁৰ লগত মোৰ সান্নিধ্য আৰু অন্তৰঙ্গতা তেওঁৰ জীৱনৰ শেষৰ ফালেহে গঢ়ি উঠে। সেয়ে বোধকৰো, তেওঁৰ চিত্ৰ সম্বন্ধে মই ওৱাকিবহাল হ'ব নোৱাৰিলোঁ। ৰবীন্দ্ৰ সংগীতো তেখেতে এবাৰ গোৱা মই শুনিছোঁ —'আলোকেৰই ঝৰণাধাৰায় ঝৰিয়ে দাও / আপনাকে এই লুকিয়ে ৰাখা......

মামীৰ হাৰ গল্পটো, গল্প নহয় কাহিনী। হাৰ চোৰ কৰা ভাগিনটো যে তেওঁ জেলত লগ পোৱা ল'ৰাটো। পূৰ্ববঙ্গৰ (বাংলাদেশ) বাঙাল ভাষা, হিন্দুস্থানী, ভোজপুৰী, অসমীয়া, বঙলা এনে বিশুদ্ধ নিখুঁতকৈ ক'বলৈ ক'ৰপৰা শিকিলে। নিখুঁত উচ্চাৰণ আৰু সুন্দৰ বড়ো ভাষা —সেই 'বৈৰাথী'ৰ তত্ত্ববহুল, ৰসাল ৰচনাটো। কোনো বড়ো লেখকে বড়ো ভাষাত তেনে ৰসাল ৰচনা লিখিব পৰা নাই। তেওঁৰ ৰচনা নিজে যেতিয়া পঢ়ি শুনাব সেয়া আৰু কাগজত লিখা ৰচনা হৈ নাথাকে —সুবিশাল প্ৰকৃতিপৰ্দাত চকুৰে দেখা আৰু শুনা বাস্তৱৰ চাক্ষুষ ৰূপায়ণ।

বহুতো ৰাতি হ'ল। আকণ্ঠ পান-কৰিও ৰাভাৰ স্বাভাৱিক চেতনা লুপ্ত হোৱা নাই। বহুতো ক'লে —হৃদয়ত পুঞ্জীভূত হৈ থকা বেদনাৰ আংশিকহে আমাৰ আগত তুলি ধৰিলে। 'খেৰাই' উৎসৱৰ কেম্পলৈ উলটি অহাৰ পথত খেতিৰ পথাৰৰ আলিয়ে আলিয়ে খোজ কাঢ়ি আহোতে তেওঁৰ পদস্খলন হোৱাৰ আংশিক চিনচাবো নেদেখিলোঁ।

'খুকুন্দিপাৰা' কামৰূপৰ এখন অতি পিছপৰা কছাৰী গাঁও। পিছপৰাই নহয়, অস্বাভাৱিকভাৱে পিছপৰা। যিখন জিলাৰপৰা স্বৰ্গগত গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি আৰু মহেন্দ্ৰমোহন চৌধুৰীৰ নিচিনা তিনিগৰাকী মুখ্যমন্ত্ৰীয়ে অসম শাসন কৰিছে, সেইখন জিলাৰ অন্তৰ্গত গাঁও 'খুকুন্দিপাৰা'ত তাৰ মানুহে গৰু-ম'হে গা ধোৱা মৰাবিলৰ পানী খায় আৰু সেই পানী সকলো কামৰ কাৰণে ব্যৱহাৰ কৰে। বোধকৰোঁ, কছাৰী গাঁও হোৱা কাৰণেই সেইবোৰ গাঁও মানুহৰ গাঁও বুলি বিবেচনা কৰা হোৱা নাই। সেইখন গাঁৱত বাট এটাও নাই —তালৈ অহা-যোৱাৰ কাৰণে আলি-পদূলি থকাৰ প্ৰশ্নই নুঠে।

আৰু সেয়া ১৯৫৪ চনৰ কথা —স্বাধীনতাৰ সাত বছৰৰ পিছৰ কথা।

গাঁৱৰ মানুহবোৰৰ চেহেৰা ভূ-তলনিবাসী ভূত-প্ৰেতৰ দৰে স্বাস্থ্য বা স্বাভাৱিক

জীৱনৰ তাত কোনো লক্ষণ নাই। সেয়া বিষ্ণু ৰাভাৰ নিচিনা 'নীলকণ্ঠ'ৰ কাৰণে তেনেই স্বাভাৱিক কিন্তু আমাৰ সকলো সত্তা বিদ্ৰোহী হৈ উঠিল। ৰাতি আৰু পিছদিনা দুপৰীয়াৰ আহাৰ খাওঁতে সেই মৰাবিলৰ পানীকে চুঙাত খাব লগা হ'ল। সেই পানী খাই 'শিব-ভোলানাথ'ৰ কোনো অঘটন হোৱাৰ কথা নুঠে— কিন্তু সহচৰ নন্দী-ভৃঙ্গিৰ মৰণ দশা হ'ল। ঘৰলৈ উলটি আহি মোৰ প্ৰায় কলেৰাৰ নিচিনা ব্যাধিত প্ৰাণ যোৱাৰ অৱস্থা।

১৯৫৭ চন। শান্তিনিকেতনৰ কলাভৱনৰপৰা শিল্পকলাৰ পাঠ্যক্ৰম সমাপ্ত কৰি পোনে পোনে গুৱাহাটীলৈ উভতি আহিলোঁ। উদ্দেশ্য, অসমত এটি আৰ্ট কলেজ স্থাপন কৰা। কাৰণ, প্ৰকৃত শিল্পী হ'ব লাগিলে আৰ্ট অনুষ্ঠান এখনৰ সাহচৰ্যত সেয়া আংশিকভাৱে সহনীয় হ'ব পাৰে। দ্বিতীয়তে, উত্তৰ-পূব অঞ্চলৰ জনজাতীয় জীৱন-সংস্কৃতি কলাৰ ভিত্তিত এটি নতুন শিল্পধাৰাৰ জন্ম দিয়া। প্ৰথমটোৰ ইতিহাস, এই ৰচনাত দাঙি ধৰা সম্ভৱ নহয়। দ্বিতীয়টোৰ পৰিচয়, মোৰ শিল্পসাধনাৰ সামগ্ৰিক আৰু অন্তিম ৰূপাভাসৰপৰাহে বিচাৰি উলিওৱা সম্ভৱ হ'ব। সেয়া হ'ল মোৰ লক্ষ্য — কিন্তু তালৈ যাত্ৰা কৰোঁতে পথৰ সন্ধান বিচাৰি নেপালোঁ —পথ তেনেই নিশ্চিহ্ন। তিনিটা বছৰ গ'লেই —আত্মাৰ ৰক্ষণাবেক্ষণ দিয়াৰ কথা নাই, দেহটো ৰক্ষা পৰে নে নাই সেয়া হ'ল প্ৰশ্ন। নিসন্দেহে ধাৰণা হ'ল, অসমত শিল্প-সংস্কৃতিৰ চৰ্চা বা সাধনা এটি বিলাসিতা নাইবা 'সস্তীয়া শ্লোগান'ৰ পৰিসীমা তেতিয়াও অতিক্ৰান্ত হোৱা নাই। এতিয়া জীৱনটো চৰম বিড়ম্বনাত গলিত আৱৰ্জনাত পৰিণত হ'বলৈ ওলাইছে। তেনে এটি জীৱনৰ চৰম সংঘাত কালত শ্বিলঙত স্বৰ্গত ৰূপনাথ ব্ৰহ্মাৰ বাসভৱনত আকৌ বিষ্ণু ৰাভাক লগ পালোঁ। তেওঁৰ ঘৰত আমি দুয়ো আলহী —তেনেই অনাহূত। মই তালৈ গৈছিলোঁ, দেহটোৰ ৰক্ষাৰ কিবা এটা ব্যৱস্থা কৰিবলৈ চাকৰিৰ সন্ধানত। বিষ্ণু ৰাভা গৈছিল 'জ্যোতি কলাকেন্দ্ৰ'ৰ প্ৰতিষ্ঠাৰ কাৰণে। মুখ্যমন্ত্ৰী স্বৰ্গত বিমলাপ্ৰসাদ চলিহা। চলিহাৰ প্ৰতি তেওঁৰ অপৰিসীম শ্ৰদ্ধা। ৰাভাৰ প্ৰতিও চলিহাৰ শ্ৰদ্ধাৰ অন্ত নাই। তুচ্ছ চাকৰিৰ সন্ধানত যোৱাৰ কাৰণে 'ৰাভা' মোৰ ওপৰত অসন্তুষ্ট। মই আৰ্ট কলেজৰ কাৰণে লাগি আছোঁ যেতিয়া লাগি থকা উচিত। মোক বাৰে বাৰে কয়, "জ্যোতি কলাকেন্দ্ৰ"টো হৈ নুঠিলে সঁচাসঁচিকৈ তেওঁ ল'ৰা-তিৰোতা লৈ গছৰ তলত আশ্ৰয় ল'ব লাগিব।

ৰাতি আলহী থকা ঘৰত ওচৰা-উচৰিকৈ আমি শোওঁ। লক্ষ্য কৰিছোঁ, ৰাভাৰ পিন্ধা কাপোৰ বোধকৰো এযোৰেই। সন্ধিয়া, বিভিন্ন কাম-কাজ সামৰি উলটি অহাৰ পিছত ৰাভাই ধুতী-পাঞ্জাবীযোৰ নিয়াৰিকৈ ভাজ কৰি গাৰুৰ তলত থয়। পিছদিনা আকৌ তাকে উলিয়াই পিন্ধে আৰু বিভিন্ন কাম-কাজত বাহিৰলৈ ওলাই যায়। দেখিলোঁ, পাঞ্জাবীটো আন কিবা নীলাৰে নীল দিয়া হৈছে, কাপোৰত দিয়া নীলাৰে

নহয়। পাঞ্জাবীটোৰ ভাজবোৰ ইস্ত্রি কৰা যন্ত্রৰে কৰা নহয়, গাৰুৰ তলত থৈহে কৰা হৈছে। সেইবাৰ, স্বৰ্গত ব্ৰহ্মাৰ বাসভৱনত আমি কেইবাদিনো আলহী হৈ আছিলোঁ —আমি যে তেনেই অনাহূত অতিথি —সেই সম্বন্ধে ৰাভাৰ চেতনা সজাগ আছিল। বাৰে বাৰে তেওঁ মোক সাৱধান কৰি কয় যে মন্ত্রীগৰাকীৰ আগত (মোৰ স্বভাৱ অনুসৰি) কোনো ৰকমৰ চোকা মাত প্ৰয়োগ নকৰোঁ —আমি যে অনাহূত অতিথি।

সেয়া ১৯৬০ চনৰ কথা। সেই বছৰৰে আগষ্ট মাহত স্বৰ্গত জীৱেশ্বৰ বৰুৱাই পতা 'স্কুল অব আৰ্ট'ত শিক্ষক হিচাপে মই যোগদান কৰোঁ। আজিলৈকে সেই অনুষ্ঠান ১৯৭০ চনৰপৰা চৰকাৰী অনুষ্ঠান হিচাপে, পূৰ্ণাঙ্গপ্ৰাপ্তিৰ অভিযান-যাত্ৰাত লিপ্ত হৈ আছে।

বিষ্ণু ৰাভাৰ অন্তিম অধ্যায় কাষ চাপি আহিছিল। সেই কাৰণেই বোধকৰো শেষ স্বীকৃতি হিচাপে ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত তেওঁ জয়লাভ কৰে আৰু অসম বিধানসভাৰ সদস্য হয়। যিজন মানুহে চিৰকাল নোপোৱাৰ তীব্ৰ বেদনাত হাঁহি হাঁহি দৈৱিক নিস্পৃহতাৰ মাজেদি জীৱন অতিবাহিত কৰিবলৈ বিচাৰে, জীৱনৰ অন্তিম কালছোৱাত তেওঁ নিৰ্বাচনত জয়ী হৈ বিধানসভাৰ সদস্য হোৱাৰ মাজত কি তাৎপৰ্য থাকিব পাৰে ক'ব নোৱাৰোঁ ; কিন্তু এই চাৰুকলা শিক্ষানুষ্ঠানৰ চৰকাৰীকৰণৰ ক্ষেত্ৰত তেওঁৰ ব্যক্তিত্বৰ অৱদান অপৰিসীম। বিধানসভাৰ সদস্য হৈ থকা কালত তেওঁক বহুবাৰ লগ পাওঁ —শান্তিপুৰত মোৰ থকা ঘৰলৈকো কেইবাবাৰো আহিছিল।

গুৱাহাটীৰ মেডিকেল কলেজত কেন্সাৰ ৰোগীৰ শেষ ভূমিকাত অৱতীৰ্ণ বিষ্ণু ৰাভাক দেখি মৰণপথ-যাত্ৰী বুলি কাৰ ধাৰণা হয়! তেওঁ বাৰে বাৰে মোৰ খবৰ লয় —সোধে, দৰমহা-পাতি ঠিকমতে পাই আছা নে নাই। সেই সময়ত আহাৰ গ্ৰহণত অক্ষম বিষ্ণু ৰাভাক পথ্য যোগোৱাৰ সৌভাগ্য আমাৰ হৈছিল।

কি সংগীত, কি শিল্পকলা, কলা-সংস্কৃতিয়ে কুঁহিপাত মেলি মহীৰূহত বিকশিত হ'বলৈকো উৰ্বৰা ক্ষেত্ৰৰ প্ৰয়োজন হয়। কালিদাস, ছেক্সপীয়েৰ নাইবা ৰবীন্দ্ৰনাথৰ জন্ম এটা জাতিৰ কেইবা শতাব্দীৰো সাধনাৰ ফলতহে সম্ভৱ। জাতীয় চেতনাৰ বিবৰ্তন আৰু জৈৱিক অতি-মানৱিকতা নেথাকিলে মৰুভূমিত ফল ফুলিব কেনেকৈ? অসম মৰুভূমিত 'ৰাভা কুসুম' আঘাতৰ পিছত আঘাত সহ্য কৰি নিঃশেষ হৈ গ'ল। ❑

---

বিঃ দ্ৰঃ — স্বৰ্গত বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনৰ তেনেই ব্যক্তিগত কাহিনী এই ৰচনাত সন্নিবিষ্ট কৰা হৈছে। তাৰ বাবে মই ক্ষমাৰ প্ৰাৰ্থী। তাৰোপৰি এই ৰচনাত মোৰ ব্যক্তিগত কাহিনী সোমাই পৰিছে। তাৰ বাবেও মই দুখিত আৰু ক্ষমাৰ প্ৰাৰ্থী।

—লেখক

# বিষ্ণু ৰাভাৰ সান্নিধ্যৰ ৰূপৰেখা

।। ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য।।

উত্তৰ-পূব ভাৰতবৰ্ষ তথা অসম ৰাজ্যৰ বিপ্লৱী শিল্পী-সাহিত্যিক কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰহস্যৰঞ্জিত জীৱনৰ ৰেঙণি চাটামাটাকৈ (চকামকাকৈ) দেখাৰ সৌভাগ্য মোৰ ঘটিছিল। 'ৰাইজৰ বুকুৰ এফাল, কলিজাৰ এডুখৰি, হিয়াৰ আমঠু' বুলি ৰাভা ককাইদেৱে সঘনে প্ৰয়োগ কৰা জঁতুৱা ঠাঁচ ফাকিলৈ মোৰ মনত পৰিছে : সেই সুৰতে ক'ব পাৰি যে কলাগুৰু বিষ্ণু ৰাভা, ৰাইজৰ মুখত সচৰাচৰ উচ্চাৰিত 'বিষ্টু ৰাভা' আৰু আমাৰ বহুতৰ কাৰণে 'আদা' ৰাভা (ৰাভা ককাইদেউ) প্ৰকৃতপক্ষে, সদৌ অসমৰ পাহাৰ-ভৈয়ামৰ ৰাইজৰ বুকুৰ এফাল, কলিজাৰ এডুখৰি আৰু হিয়াৰ আমঠু। কুৰি শতিকাৰ স্বৰাজোত্তৰ কালৰ ৰাজনীতি লাঙি গদাপাণি হৈ ৰূপতীৰ্থৰ যাত্ৰী আৰু সুন্দৰৰ মহান পূজাৰী জীৱন-শিল্পী ৰূপে বিষ্ণুপ্ৰসাদ ৰাভাৰ এটি নিজস্ব চমকপ্ৰদ জীৱনসঁত্তা আছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ মন্ত্ৰপূত শিষ্য বিষ্ণুপ্ৰসাদ অসমৰ সাহিত্য-কলা-সংস্কৃতিৰ সুযোগ্য অধিকাৰী আৰু পাহাৰ-ভৈয়ামৰ জনজাতীয়-অজনজাতীয় সমগ্ৰ জনসাধাৰণৰ আশা-আকাংক্ষাৰ প্ৰতীক, ৰাষ্ট্ৰীয় তথা জাতীয় সংহতিৰ প্ৰতিনিধি। ৰাভাই জীৱন কালত নানা ঘাত-প্ৰতিঘাতৰ মাজত জ্যোতিপ্ৰসাদৰ আদৰ্শ শিৰোগত কৰি 'জীৱনৰ আকাশত ইন্দ্ৰধনু' গঢ়াৰ প্ৰচেষ্টা চলাইছিল। সেই প্ৰচেষ্টাৰ পূৰ্ণতা কিমান পৰিমাণে হ'ল, কিমান থাকিল বাকী —সেয়া ৰাভাৰ পৰৱৰ্তী শিল্প সাধকৰ বিবেচ্য আৰু কৰণীয়।

## ঘৰুৱা পৰিবেশত সান্নিধ্য লাভ

বিষ্ণু ৰাভাক বড়ো ভাষাৰে 'আদা' (মোৰ ককাইটি) বুলি মই সম্বোধন কৰিছিলোঁ। মোক তেওঁ বুলিছিল —আগাঁই (মোৰ ভাইটি)। মৰম-চেনেহৰ এনে ঘৰুৱা আৰু পাৰিবাৰিক সম্বন্ধ-সম্বোধনৰ মাজত দোষে-গুণে, ৰঙে-খঙে, হাঁহি-কান্দোনৰ মাজেৰে সভা-সমিতি, ঘৰে-পৰে, উৎসৱে-ব্যসনে বিবিধ উপলক্ষত এই মহান ব্যক্তিত্বৰ সান্নিধ্য লাভৰ মোৰ সুযোগ ঘটিছিল —সেই অভিজ্ঞতাৰ কিঞ্চিৎ আভাসহে দিব খুজিছোঁ। ৰাভা ককাইদেউৰ জীৱন-ৰহস্যৰ বহু দিশ এতিয়াও অজ্ঞাত আৰু অপ্ৰকাশিত হৈ আছে। কিছুমান জীৱন-চিত্ৰ তেওঁৰ অন্তৰঙ্গসকলৰ জ্ঞাত হ'লেও, এতিয়ালৈকে ৰাভাৰ সম্পূৰ্ণ জীৱন-চৰিত আৰু ৰচনাৱলী প্ৰকাশ নোহোৱা কাৰণে, আমাৰ কাৰণে এতিয়াও কিছুমান সাঁথৰ হৈয়ে আছে।

পাণ্ডৱৰ অজ্ঞাতবাসৰ লেখীয়া আৰু গদাপাণি কোঁৱৰৰ ৰাজনৈতিক আত্ম-গোপনৰ অনুৰূপে বিচিত্ৰ কাহিনীৰ পটন্তৰ ৰাভাৰ জীৱন কালতে মানুহৰ মুখে মুখে প্ৰচলিত হৈছিল। ঘৰুৱা আৰু নিভৃত পৰিবেশত দুই-চাইটা গোপনমনৰ বাৰ্তা প্ৰকাশিত হৈছিল —ৰাভাৰ সুৰদি কণ্ঠৰপৰা ঃ সেইবোৰ উপভোগৰ সামগ্ৰী যদিও, প্ৰকাশৰপৰা সম্প্ৰতি বিৰত থাকিলোঁ। ৰাভাৰ অজ্ঞাতবাসৰ কাহিনীবোৰ নেপাল, ভূটান, শদিয়া অঞ্চল, আনকি নগাপাহাৰলৈকে উত্তৰ-পূব ভাৰতৰ জীয়া ভূগোলৰ জন-মানসৰ দগ্‌মগীয়া চিত্ৰাঙ্কন। তেওঁৰ টুকুৰা-টুকুৰ জীৱন চিত্ৰ নানা পৰিবেশত নিজ মুখে বিক্ষিপ্তভাবে কৈছিল যদিও কোনে কিমান সেইবোৰ ধৰি ৰাখিছে আৰু লিপিবদ্ধ কৰিছে নেজানোঁ ঃ সেইবোৰৰ আকৰ্ষণ আৰু মায়া যে সৰ্বজনপ্ৰসাৰী আৰু কালজয়ী, সেই বিশ্বাস সবিনয়ে দোহাৰিছোঁ মাথোন।

## পাণ্ডিত্য আৰু মনীষাৰ পৰিধি

বিষ্ণু ৰাভা অসমীয়া কৃষ্টিৰ এজন বিশিষ্ট পণ্ডিত আৰু ব্যাখ্যাকাৰ। কুৰি শতিকাৰ ষষ্ঠ দশকৰ আৰম্ভণি আৰু পঞ্চম দশকৰ শেষভাগত বিবিধ ৰাজহুৱা সভা-সমিতি, ছাত্ৰ সভাত অসমীয়া সংস্কৃতিৰ বিষয়ে দিয়া তেওঁৰ বহল আৰু সাৰগৰ্ভ ভাষণ কেইটিমান শুনিছিলোঁ। প্ৰাগ্‌জ্যোতিষ, কামৰূপ, কামাখ্যা, লুইত, ব্ৰহ্মপুত্ৰ, উমানন্দ, কিৰাত আদি শব্দৰ তিব্বত বৰ্মী, আৰু কাৰ্বি, নগা, বড়ো মূলাধাৰ নিৰূপণৰ ব্যাখ্যা তেওঁৰপৰা শুনি মুগ্ধ হৈছিলোঁ। স্বৰ্গীয় ডক্টৰ বাণীকান্ত কাকতিৰ গৱেষণাত এই শব্দবোৰৰ ঘাইকৈ অষ্ট্ৰিক মূলাধাৰৰ প্ৰতি আগবঢ়োৱা বিশ্লেষণৰ প্ৰতিকূলে ৰাভাই বড়ো তথা কিৰাত মূলাধাৰৰ যুক্তিহে আগবঢ়াইছিল। ১৯৪৭ চনত চনত গুৱাহাটীৰপৰা প্ৰকাশিত আৰু বিষ্ণু ৰাভা ৰচিত 'অসমীয়া কৃষ্টি' পুথিখনত পৰৱৰ্তী সংস্কৃত ভাষাত গৃহীত ব্ৰহ্মপুত্ৰ নামৰ তিব্বত-বৰ্মী বা কিৰাত মূলাধাৰৰূপে আগবঢ়োৱা ভুল্লুম-বুথুৰ (বুল্লম-বুথুৰ) সম্পৰ্কত ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ে 'কিৰাত-জন-কৃতি' (১৯৫১) গ্ৰন্থত দিয়া সমৰ্থনসূচক মন্তব্য তথা স্বীকৃতিয়ে ৰাভাৰ পাণ্ডিত্য আৰু মনীষাৰ প্ৰতিভা সৰ্বভাৰতীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰিসৰলৈ আগুৱাই নিছে। ভাষাতাত্ত্বিক ক্ষেত্ৰত বৈজ্ঞানিক প্ৰশিক্ষণ নোহোৱাকৈয়ে, বিস্তৃত ক্ষেত্ৰ-অধ্যয়ন, গভীৰ অনুভূতিৰে ৰাভাই দাঙি ধৰা ব্যাখ্যাবোৰত হয়তো ভুল-চুক ওলাব পাৰে, কিন্তু সম্ভাৱনাৰ নতুন দিগদৰ্শক ৰূপে ৰাভা হৈ ৰ'ব —আমাৰ উত্তৰোত্তৰ গৱেষণা ক্ষেত্ৰৰ সাৰথি। প্ৰাগ্‌জ্যোতিষ; কামৰূপ, কামাখ্যা, লুইত (লৌহিত্য), উমানন্দ, কিৰাত আদি শব্দবোৰ আৰ্যভিন্ন ভাষাৰ মূলধাৰাৰপৰা গ্ৰহণ কৰি পিছত সংস্কৃত ৰূপত নকৈ ব্যৱহৃত কৰা হৈছে, এই মতৰ সমৰ্থকসকলৰ সংখ্যা ক্ৰমে বাঢ়ি গৈছে আৰু অষ্ট্ৰিক, কিৰাত, দ্ৰাবিড়ী আদি বিভিন্ন মূলাধাৰৰপৰা শব্দ গঠনৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। ভাষা-সাহিত্য, গীত-নৃত্য, নাটিকা-

অভিনয়, চিত্ৰাঙ্কন আদি বিবিধ বিষয়ত তেওঁৰ পাণ্ডিত্য আৰু মনীষাৰ পৰিধি বিস্তৃত হৈ পৰিছিল।

## অজ্ঞাতবাসৰ আঁৰে আঁৰে

১৯৫৩ চনত উত্তৰ কামৰূপৰ টিহু-দীঘেলীত খেৰাই উৎসৱ উপলক্ষে যাওঁতে বড়ো ভাষাৰ গৱেষণাৰ সমল বিচাৰি গাঁও-ভূঁইত কেইদিনমান আছিলোঁ। বড়ো সংস্কৃতিৰ নীৰৱ সাধক ধুপাৰাম বসুমতাৰী আৰু জনপ্ৰিয় নেতা বীৰেন্দ্ৰ কুমাৰ দাস বড়োৰ লগত সেই উপলক্ষত আমি বড়ো ভাষা-সংস্কৃতিৰ আলোচনা কৰিছিলোঁ। সেই সময়ত বিষ্ণু ৰাভা ৰাজৰোষত পৰি ৰাজবন্দী। তেওঁৰ মুক্তিৰ কাৰণে সেই উৎসৱৰ মুকলি সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। চৰকাৰী চোৰাংচোৱাই আমাৰ আলেখ-লেখ চাই ফুৰিছিল। সেই অঞ্চলত ৰাভা ককাইদেৱে অজ্ঞাতবাসৰ কাল যাপন কৰাৰ নানা তথ্য আৰু ৰহস্য আমি শুনিবলৈ পাইছিলোঁ। ডুমডুমা, ডাঙৰী অঞ্চললৈ কেইবছৰমানৰ পিছত যাওঁতে বন্ধু গগনচন্দ্ৰ সোণোৱাল আৰু বয়সিয়াল লোকৰপৰা অজ্ঞাতবাসী আৰু গদাপাণিসুলভ ৰাভাৰ অজ্ঞাত কাল যাপনৰ কাহিনী শুনিছিলোঁ। কাছিমপুৰ, মছলপুৰ, আচৰাবাৰী, টংলা, ওদালগুৰি, হৰিশিঙা, নগাঁও, কোকৰাঝাৰ, ছিপলী, ডিমাপুৰ, হল্টুগাঁও, বিজনী, অভয়াপুৰী, তামুলপুৰ আদি ঠাইৰ সভা-সমিতিত বিভিন্ন সময়ত যাওঁতে ৰাভাৰ অঘৰী যাযাবৰী জীৱনৰ দুই-চাইটা কথা-কাহিনী শুনিছিলোঁ। পিছত ব্যক্তিগতভাৱে তেওঁক সোধোতে হাঁহিমুখে সেই কথাবোৰ স্বীকাৰ কৰিছিল। বেছিভাগ ঠাইতে ৰাভাৰ আপোন মানুহ আৰু চিনাকি মানুহে মোক সংগোপনে ৰাভাৰ ৰহস্যময় জীৱনৰ ঘটনাৰ ডুখৰীয়া ছবি বৰ্ণাইছিল। ৰাভাৰ অজ্ঞাতবাস আধুনিক অসমীয়া জন-জীৱনৰ এটি মনোৰম পৰ্ব ঃ ইয়াক সংকলন কৰিব কোনে?

ৰাভাৰ জীৱনত আৰু কাৰ্যকলাপত লোক-দেৱতা শিৱৰ লেখীয়া ভালেমান গুণ-দোষ ফুটি ওলাইছিল। বড়োসকলে শিৱক বাথৌব্ৰাই বুলি অভিহিত কৰে। এই বুঢ়া বাথৌৰ দৰেই বিষ্ণু ৰাভাই জনসাধাৰণৰ মাজত শ্ৰদ্ধা, মৰম আৰু সেৱা লাভ কৰিব পাৰিছিল। যেতিয়া খেৰাই উৎসৱ আৰু কৃষ্টিসভাত বড়ো 'ছেংগ্ৰা-ছিখ্‌লা' (ডেকা-গাভৰু) সকলে চিফুং, খাম, ছেৰজা আদি লৈ নাচে আৰু গীত গায়, ৰাতি ক্ৰমে দোভাগ হৈ যায় ঃ তেতিয়াহে আদা ৰাভাই ভাষণ দিবলৈ উঠে ঃ তেওঁ কথাৰে গান গায়, গানেৰে নচুৱায়, নাচোনেৰে হাঁহি-ধেমালিৰ জোৱাৰ তোলে।

## সমন্বয়-সংহতিৰ বাটকটীয়া

বহুগুণাকৰ ৰাভা ককাইদেৱে নগাপাহাৰ অসমৰ পৰা বিচ্ছিন্ন হওঁতে দুখ কৰি মোক কৈছিল —"আগাই, মোক আজি অসম চৰকাৰে দায়িত্ব দিয়ক, মই ভূপেন

হাজৰিকাইতক লৈ এটি প্ৰতিনিধি দল ৰূপে গৈ অসমৰ লগত নগা ৰাইজক একলগ কৰি ৰাখিবলৈ চেষ্টা চলাম।" —কিন্তু সংহতি সাধিব কোনে? সমন্বয়-সংহতিৰ বাটকটীয়া যে অকলশৰীয়া!

টংলাৰ ওচৰত ১৯৫৪ চনত বড়ো সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনত বুৰঞ্জীবিদ বেণুধৰ শৰ্মাৰ সৈতে যোগদান কৰোঁতে ৰাভা ককাইদেউৰ সান্নিধ্য লাভ হৈছিল। অধিবেশনৰ পিছদিনা টংলা উচ্চ ইংৰাজী বিদ্যালয়ত আমি তিনিওজনে ছাত্ৰসভাত ভাষণ দিছিলোঁ। শৰ্মাদেৱে অসমৰ বুৰঞ্জী, ৰাভা ককাইদেৱে অসমৰ সংস্কৃতি আৰু মই অসমৰ ভাষাৰ বিষয়ে সহজ ভাষাৰে পঢ়াশলীয়া বৰ্ণনা কৰিছিলোঁ। ৰাভাৰ শিল্পী-মানস সজীৱ আৰু সক্ৰিয় হৈ উঠিছিল। ভাৰতীয়, বিশেষতঃ অসমৰ গীত, নৃত্য, বাদ্যৰ ইতিবৃত্ত, বৰগীত আৰু কামৰূপীয় সংগীত-নৃত্যৰ আধাৰত ৰাভাৰ বিশ্লেষণ পাণ্ডিত্যৰ পৰিচায়ক আৰু সমন্বয়-সংহতিৰ বাৰ্তা-বাহক বুলি সমকালীন সমাজে বিবেচনা কৰিছিল। বিষয়বস্তুৰ ব্যাপকতা আৰু বিক্ষিপ্ততাৰ বাবে ৰাভাৰ বিশ্লেষণবোৰ লিপিবদ্ধ নোহোৱাত আৰু ৰেকৰ্ডিং কৰি ৰাখিব নোৱাৰা বাবে জাতীয় ক্ষতি হৈছে।

১৯৬৫ চনৰ ২৩ জুন বুধবাৰে তেজপুৰ জিলা ট্ৰাইবেল সংঘৰ তৃতীয় বাৰ্ষিক সন্মিলনৰ মুকলি অধিবেশনত ৰাভা ককাইদেৱে সভাপতিত্ব কৰিছিল ; সেই চনৰে ১৫ জুন তাৰিখে মই বড়ো ভাষাৰ গৱেষণাৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ডক্টৰেট উপাধি পাইছিলোঁ। মই উপস্থিত থাকিব নোৱাৰা কাৰণে সভাপতি ৰাভাই সযতনে বন্ধোৱা অভিনন্দন পত্ৰখনি নিজে লৈ আহি মোক আমাৰ ঘৰত দিছিল। তাত ৰাভাসুলভ ভঙ্গিৰে লিখা এফাকি কথা তুলি দিলোঁ ঃ 'বি বৰুৱা কলেজৰ নিচিনা এটা ডাঙৰ অনুষ্ঠানৰ অধ্যক্ষ হৈয়ো বড়োসকলৰ এফাল, হিয়াৰ আমঠু আৰু কলিজাৰ এডুখৰি হৈ তেওঁলোকৰ লগত সমদুখী আৰু সমভাগী, সমব্যথী হৈ শিক্ষাৰ বিষয়ত কৰ্মব্যস্ততাৰ মাজত থাকিও গাঁৱে-ভূঞে, হাবি-বননিয়ে ঘূৰি-ফুৰি ধ্যান-ধাৰণা কঠোৰ সাধনাৰে .....সন্তোষ লাভ কৰিছোঁ।'

## অসমীয়া সংস্কৃতিৰ ৰূপশিল্পী

ৰাভাৰ কথা ক'বলৈ গ'লেই নিজৰ কথাহে ওলাই পৰে আৰু ওলাই পৰে ৰাভাৰ অনুৰাগী বহুতৰে বিচিত্ৰ সান্নিধ্য। ৰসাল মাত-বোলেৰে ৰঙে ৰসে ভৰপূৰ ৰঙীণ সপোন দেখোঁতা ৰাভাই মোক বহুত শিকাইছে, বহু বুজাইছে। অকল বড়ো ভাষা, সাহিত্য, সংস্কৃতিয়ে নহয়, অসমৰ কাৰ্বি, মিচিং, ৰাভা, গাৰো, নগা জনকৃষ্টিৰ প্ৰত্যক্ষ পৰিচয়, ভাৰতীয় জীৱনবোধ আৰু নাট্য-নৃত্য শিল্পকলাৰ তেওঁ এজন প্ৰাঞ্জল ব্যাখ্যাকাৰ। মোৰ অজ্ঞতা আৰু বড়ো ভাষাৰ উচ্চাৰণৰ অপূৰ্ণতাৰ বাবে বাৰে বাৰে তেওঁৰ চেনেহৰ ধমকি খাইছোঁ। অসমীয়া কৃষ্টিৰ দ্ৰষ্টা, 'সোণপাহি'ৰ স্ৰষ্টা, সুৰৰ পূজাৰী

ৰাভাৰ মান-অভিমানৰ উমান বহু উজাগৰী নিশাত পাইছোঁ। অসমৰ বাহিৰত ঢাকা নগৰীত জন্মলাভ কৰি, কলিকতা, বাৰানসী আদিত কামৰূপীয় সঙ্গীত পদ্ধতিৰ প্ৰচাৰ কৰি, জ্যোতিৰ গানৰ সুৰৰ চানেকি সম্পূৰ্ণ কৰি ৰাভাই কি অপূৰ্ব অসাধ্য সাধনা সাধিলে, তাৰ আভাস দিবলৈ নগৈ তেওঁৰ ভাষাৰে সামৰিছোঁ —"শোণিত কুঁৱৰী যুগ আৰু কাৰেঙৰ লিগিৰী যুগৰ জ্যোতি ককাইদেউৰ গানবোৰৰ সুৰৰ চানেকি সম্পূৰ্ণ কৰে। 'জ্যোতিৰ গান' সেই পুথিখন বুকুত সাবটি লৈ ঘূৰি ফুৰিছিলোঁ। পাঁচ বছৰ ৰাজনৈতিক দুৰ্যোগত পৰি অজ্ঞাতবাসত থাকি বিৰাটপৰ্ব সৃষ্টি কৰি বিৰাট শক্তিৰ সাধনা কৰিছিলোঁ। কিন্তু জাতিৰ দুৰ্ভাগ্য, দেশৰ দুৰ্ভাগ্য, সেই পুথিখন হেৰাল।

অসমীয়া কৃষ্টি হেজাৰ-বিজাৰ, লাখ-বিলাখ বছৰৰ সাধনাৰে পৰিপুষ্ট এই অসমীয়া সংস্কৃতি ব্ৰহ্মপুত্ৰৰ দৰেই বিশাল, গভীৰ। যেনেকৈ কোনো দুৰ্বাৰ শক্তি বিশাল, গভীৰ ব্ৰহ্মপুত্ৰক ভেটা দি হেঙাৰ দিব নোৱাৰে, বিশাল, গভীৰ অসমীয়া সংস্কৃতিৰ কোবাল সোঁতকো কোনো চক্ৰান্তকাৰীৰ চক্ৰান্ত আৰু ষড়যন্ত্ৰকাৰীৰ ষড়যন্ত্ৰই ৰুধিব নোৱাৰে।"

হে জ্যোতিপ্ৰসাদৰ মন্ত্ৰমুগ্ধ অসমীয়া সংস্কৃতিৰ ৰূপশিল্পী সাধক আৰু সংহতিৰ বীজমন্ত্ৰ প্ৰচাৰক, তোমাক নমস্কাৰ। জয়তু জ্যোতি-ৰাভা : জয়তু অসম।* ❑

---

* 'ৰূপকাৰ'ৰপৰা; লেখকৰ দ্বাৰা সংশোধিত।

# জনতাৰ শিল্পী বিষ্ণু ৰাভা মানুহজন

।। চন্দ্ৰধৰ গোস্বামী।।

অসমীয়াৰ বুকুত মহাসুন্দৰৰ দুটি জীৱন্ত ৰেণুণি পৰিছিল যাৰ সেৱাত, সাধনাত সৃষ্টিত অসমৰ সাহিত্য-সংস্কৃতিৰ ফুলনিখনিত নানা বৰণৰ ফুলৰ সৌৰভ ছটিয়াই আমাৰ মন আনন্দময় কৰি তুলিছিল। চহকী কৰিছিল আমাৰ মনোজগত, বন্ধ হৈ থকা সংস্কৃতিৰ সৰোবৰত প্ৰবল সোঁতেৰে বোৱতি সুঁতিলৈ ৰূপান্তৰিত কৰি এক মহা সমন্বয়ৰ নৱ সংস্কৃতিৰ ৰূপ দি আমাৰ চিন্তাৰ আৰু কৰ্মৰ জগতখনক চহকী কৰি তুলিছিল। এটি আহিছিল জ্যোতিৰ প্ৰসাদ ৰূপে আনটি আহিছিল বিষ্ণুৰ প্ৰসাদ ৰূপে, এটি জ্যোতি আনটি আভা, এটি উজ্জ্বল আনটি নিৰ্মল। এটিয়ে অন্ধকাৰত জ্যোতিৰে আমাক বাট দেখুৱাই দিলে। অসমীয়া গীত-মাতৰ সোৱাদৰ জুতি লগাই অসমৰ আইনাম, বিয়ানাম, বনগীতৰ মৰ্যাদা থাপিলে। পূৰ্বভাৰতীয় সংস্কৃতিৰ ৰূপটো দেখুৱাই দিলে। 'জয়মতী' কথাছবিৰ যোগেদি অসমৰ সুকীয়া কৃষ্টিক জনসাধাৰণৰ আগত দাঙি ধৰিলে। আনটিয়ে তেওঁৰ আভাৰে গছে-বনে থকা সেউজী সৌন্দৰ্যখিনি জনতাৰ অন্তৰত থকা সুন্দৰখিনিক মৌ-মাখিৰ দৰে শুহি আনি নিজৰ অন্তৰত এখনি বিৰাট মৌচাক গঢ়ি চাৰিওকাষৰ সমস্ত অসুন্দৰতা, অসমতা, শোষণ দূৰ কৰি এখন সুন্দৰৰ সমতাৰ শোষণহীন ৰাজ্য স্থাপন কৰিবলৈ মন বান্ধি পৰ্বত-ভৈয়াম মিলি অসমৰ বুকুৰ বড়ো, কছাৰী, ৰাভা, মিজো, মিৰি, মিছিমি, অকা, ডফলা, আলং, গালং, আদি, পাদাম (পাদি), আপাতানি (আবতানি), ছেৰডুকপেন আদিক লৈ এখন বৃহৎ অসমৰ গঢ় দিয়াৰ বাসনা লৈ এখন শোষণহীন-শ্ৰেণীহীন, সুন্দৰৰ ৰাজ্য স্থাপন কৰিবলৈ বিশ্বনিয়ন্তাৰ বিধানত "বিশ্বৰ ছন্দে ছন্দে মহানন্দে" নাচি "দৰিদ্ৰৰ লাওলোটা ভিক্ষাৰ সঁজুলি, সেয়ে মোৰ অতুল বৈভৱ" (ৰঘু চৌধুৰী) বুলি জীৱনটোক দেউতাকে থৈ যোৱা ঐশ্বৰ্যৰপৰা আঁৰত ৰাখি জীৱনৰ প্ৰাণৰ শেষ স্পন্দনৰ শেষ তৰঙ্গলৈকে আনন্দৰ, মানৱ মুক্তিৰ গীত ৰচনা কৰি গ'ল। ৰাভাদেৱে অন্তৰৰ বিৰাট মৌচাকৰ ৰস এটুপি এটুপিকৈ জনতাৰ জীৱন সুন্দৰ কৰি তুলিবলৈ দি থৈ গ'ল। ফুলে ফুলে উৰি ফুৰি ফুলৰ গৰ্ভত সোমাই মৌমাখিয়ে ৰস গোটায়, তাৰে বান্ধে মৌচাক। ৰাভায়ো মানুহৰ লগত মিলি নিজকে তেওঁসকলৰ লগত নিয়োজিত কৰি একেবাৰে আপোনজন হৈ মানুহৰ সুখ-দুখ আৰু মানুহৰ অন্তৰত থকা সৌন্দৰ্যখিনি চুহি আনিব পাৰিছিল কাৰণেই গোটাব পাৰিছিল মানুহৰ অন্তৰৰ সুন্দৰখিনিৰ মৌখিনিক। তাৰে তেখেত

চহকী হৈছিল, সেয়ে আছিল তেখেতৰ অতুল বৈভৱ। মানৱ-প্ৰীতিৰ এই অতুল বৈভৱৰ মাজতে তেখেতে গাইছিল জনতাৰ অন্তৰৰ সুন্দৰতাক জগাই তোলাৰ গান ঃ

"সুৰৰে দেউলৰে
ৰূপৰে শিকলি
ভাঙি দিয়া খুলি দুৱাৰ সোণোৱালী
পূজাৰী অ' সুন্দৰ পূজাৰী ........
যাউতি-যুগীয়া বৰগীত অমিয়া
গোৱা অসমীয়া মন-প্ৰাণ ভৰি
পূজাৰী অ'......"

এয়ে ৰাভাৰ প্ৰথম জীৱনৰ চিন্তা-ভাৱনা ঃ সুৰ দেউলৰ ৰূপৰ শিকলি ভাঙি সোণোৱালী দুৱাৰ খুলি সুন্দৰৰ পূজাৰীয়ে শঙ্খ-ঘণ্টাৰে-আৰতিৰে সুন্দৰৰ পূজা কৰক। সেই পূজাৰে জনতাৰ মঙ্গল হওক। শ্ৰেণী বিভাজনে চৰম দাৰিদ্ৰলৈ ঠেলি পঠোৱা-জনো, যি জনে এই প্ৰবল হেঁচাত অসীম যন্ত্ৰণা ভোগ কৰি নিজৰ সাংস্কৃতিক জীৱন হেৰুৱাই পেলাইছে, তেওঁৰ অন্তৰতো আকাশৰ বাণী আনি তেওঁকো সুন্দৰৰ ৰাজ্যলৈ লৈ যাওক। এইজন মানৱ প্ৰেমিকে গালে ঃ

এই জনমৰ কুসুম মালা / যতনে তুমি গাঁঠি ৰাখিলা / কাহানিও তুমি নিপিন্ধিলা / শূন্য মোৰ বুকু হ'ল উকা / এই জীৱনৰ আঁউসী ৰাতি / চকুলো টুকি যাবানে কাটি / কাহানিও সুখৰ ৰূপহী জোনাই / হৃদয়ৰ জিলিকনি নিবিলায় / এই জনমৰ গোপন কথা / গুপুতে থাকি দিয়ে যে ব্যথা / কাহানিও তুমি নেদেখিলা / শোকৰে ছবিটি হিয়াত আঁকা। পৰজনমত বিশ্বাসী এই ৰাভাৰ প্ৰথম অৱস্থাৰ ৰোমান্টিচিজিমৰ প্ৰতি আকৰ্ষণ মনত নাৰাখিলে পূৰ্ণ বিষ্ণু ৰাভাক বুজি উঠা টান হ'ব আৰু পূৰ্ণ মানুহজনৰ স্বৰূপটো আমাৰ আগত উদ্ভাসিত নহ'ব। ৰাভাৰ বহুৰূপ, বহুৰূপত বহুজনে লগ পাইছে। সেই খণ্ডিত ৰূপৰে ৰাভাক যদি আঁকা হয় তেন্তে আমি পূৰ্ণ ৰাভাক ক'ত পাম? ৰাভাৰ জীৱনত, চিন্তাৰ ক্ষেত্ৰত সময়ৰ লগে লগে বিৱৰ্তন আহিছে। এজন সৃষ্টিধৰ্মী প্ৰতিভাৰ কাৰণে এইটো স্বাভাৱিক। সময়ৰ লগে লগে নতুন সত্য আৰু তথ্যৰ মুখামুখি হৈ সেই সত্য আৰু তথ্যৰ ওপৰত নিজৰ চিন্তাধাৰাৰে তাক পৰ্যবেক্ষণ কৰি সেই সত্য আৰু তথ্যৰ নিজস্ব ব্যাখ্যা দি জনগণৰ মনোজগতখন চহকী কৰে। এয়ে হ'ল সৃষ্টিকামী শিল্পীৰ জনতালৈ মহৎ দান। এনে প্ৰতিভাই যুগক আগবঢ়াই নিয়ে। ন সমাজক ন গঢ় দিয়াত সমল যোগায়। মানুহৰ অন্তৰৰ সুন্দৰখিনিৰ মৌখিনি গোটাবলৈ তেখেতে নিজকে একেবাৰে আপোনজন হৈ সকলো শ্ৰেণীৰ মানুহৰ মাজত নিজকে সম্পূৰ্ণৰূপে বিলাই দিব পাৰিছিল, তেখেতৰ মনত ধনী-

দুখীয়া নাই, চহা-পণ্ডিত নাই, জাতি-অজাতি নাই। পৰ্বত-ভৈয়ামৰ বিভিন্নতাও নাছিল —সকলো সমান : সেয়ে ৰাভাই সকলোৰে লগত কোনো Complex নোহোৱাকৈ মিলি গৈছিল। সেয়ে তেওঁৰ মন মানৱ প্ৰীতিয়ে গভীৰ কৰি তুলিছিল। আমাৰ বহুতে ডা-ডাঙৰীয়াৰ মনোবৃত্তি লৈ মানুহৰ মাজত মিলিবলৈ যায় ফলত মিলাও হয় কিন্তু মিলাসকলৰ অন্তৰখন পোৱা নাযায়। ৰাভাই মানুহৰ অন্তৰ পাইছিল। সেয়েহে তেজপুৰৰ ৬০ মাইল পূবে কুলাজানত বহা সদৌ অসম মিৰি সন্মিলনৰ বানে কেবাওলৈ গৈ তাত থুপখোৱা বিভিন্ন ৰঙৰ, কৃষ্টিৰ সাজ-পোছাকৰ মানুহখিনি দেখি তেওঁলোকৰ লগত আপোনজন হৈ মিলি গৈ তেওঁলোকৰ মাজত নিজকে সম্পূৰ্ণকৈ বিলাই দি তেওঁলোকৰ এজন হৈ থাকিব পৰাত তেখেতে লিখিছিল :

"মোৰ হিয়াৰ আমঠু
কলিজাৰ এডুখৰি বুকুৰ এফাল ...."

ক্ৰমে ক্ৰমে মানুহ বিধ বিধ ভেশ, নানা তৰহৰ দেশ, ততাতৈয়াকৈ মুখ-হাত ধুই সেই ৰামধেনু হেন নানা বৰণীয়া ধুনীয়া ৰাইজৰ মাজলৈ বিৰ দি সোমাওঁ নিজে নোহোৱা হওঁ আপোন পাহৰি নিজকে বিলাই দিওঁ সেই ৰং সাগৰত হিয়াই হিয়াই চিনাকি হওঁ।"

নিজকে বিলাই দি হিয়াই হিয়াই চিনাকি হোৱাটোৱেই ৰাভাৰ এক বৈশিষ্ট্য আৰু বিশেষত্ব। তেখেতৰ সুকীয়া সত্তা। এয়ে তেখেতৰ আত্মা। গোটেই জীৱন এয়ে আছিল তেখেতৰ জীৱন দৰ্শন :

"হিয়াই হিয়াই চিনাকি হওঁ।"

তেখেতৰ সকলো সৃষ্টি, সকলো গান, সকলো সুৰ, সকলো চিন্তা, ধ্যান-ধাৰণা, প্ৰতিদিনৰ বাক্যালাপ, কৰ্ম-প্ৰেৰণা, সংস্কৃতিৰ ব্যাখ্যা, পূজা, কৰ্ম-প্ৰেৰণা। তেখেতৰ জীৱনৰ উৎস হ'ল তেখেতৰ এই জীৱন দৰ্শন। ৰং সাগৰত নিজকে বিলাই দি হিয়াই হিয়াই চিনাকি হোৱা। তেখেতৰ এই জীৱন দৰ্শনৰ সৌন্দৰ্যৰ গভীৰ উপলব্ধিৰে আমি বিষ্ণু ৰাভাক চিনিব পাৰিম। বুজিব পাৰিম পূৰ্ণ ৰাভাক।

তেখেতে ওপৰত উল্লেখ কৰা বিভিন্ন সংস্কৃতি লৈ অসমৰ বুকুত বাস কৰা মানুহখিনিক লৈ এখন বহল অসমৰ, সকলোৰে মনৰ অসুন্দৰতা, আৰ্থিক বৈষম্য দূৰ কৰি এখন সুন্দৰৰ ৰাজ্য স্থাপন কৰি যিখন জ্যোতিপ্ৰসাদৰ শিল্পীৰ পৃথিৱী স্থাপন কৰি বিশ্ব-নিয়ন্তাৰ বিশ্বৰ ছন্দে ছন্দে মহানন্দে নাচি তমো হৰণ কৰিবলৈ।

"দৰিদ্ৰৰ লাও লোটা ভিক্ষাৰ সঁজুলি
সেয়ে মোৰ অতুল বৈভৱ"

বুলি জীৱনটোক ঐশ্বৰ্য আৰু খ্যাতিৰ হাবিয়াহৰপৰা আঁতৰত ৰাখি প্ৰাণৰ

স্পন্দনৰ শেষ তৰঙ্গলৈকে তেওঁৰ অন্তৰৰ মৌচাকৰ ৰস এটুপি এটুপিকৈ দি থৈ গ'ল আমাৰ ভালৰ উদ্দীপনাৰ কাৰণে।

বিষ্ণু ৰুকাইদেউ একাধাৰে আছিল গায়ক, বাদক, গীতিকাৰ, সুৰকাৰ, কবি, অভিনেতা, নৃত্যশিল্পী, চিত্ৰকৰ, খনিকৰ, ভাল খেলুৱৈ, কৃতী ছাত্ৰ। তেখেত আছিল স্থিৰ প্ৰতিজ্ঞ, মানুহৰ মুক্তিৰ সপোন দেখোঁতা, জীৱন অধ্যয়নকাৰী স্ৰষ্টা, দ্ৰষ্টা, গৱেষক, লেখক, ভাবুক, দাৰ্শনিক, সত্যনিষ্ঠ, নিৰ্ভীক, বিপ্লৱী, মহৎ শিল্পী। জ্যোতিপ্ৰসাদে তেখেতৰ 'নিমাতী কইনা'ৰ প্ৰণেতাৰ একেষাৰত যি Artist Philosopher ৰ কথা কৈছে ৰাভা আছিল সেই 'Artist Philosopher'।

"সবাৰ উপৰ মানুষ সত্য তাঁহাৰ উপৰে নেই" —এই মানুহৰ পূজাৰী। যি মানুহৰ পূজাৰ অভাৱত কবি গণেশ গগৈয়ে চিঞৰি উঠিছিল ঃ

"মানুহে মানুহ পূজিব নাজানে
দেৱীক কৰিব অৰ্থ দান।"

ৰাভাই অৰ্থদান কৰিছিল মানুহৰ পূজাতহে। সোণৰ চামুচ মুখত লৈ পৃথিৱীৰ পোহৰলৈ আহিছিল বিষ্ণু ৰুকাইদেউ। পিতৃৰ অবিহনেও সমৃদ্ধিৰ মাজতে চলিব পৰাকৈ থৈ গৈছিল ২৫০০ বিঘা মাটিৰ বিৰাট জমিদাৰী, লগতে থৈ গৈছিল চৰকাৰৰ ঘৰত ভাল চাকৰি পোৱাৰ সুযোগ। চৰকাৰে মাতি নি পুলিচ বিভাগত ভাল চাকৰিও যাচিছিল যাক তেখেতে প্ৰত্যাখ্যান কৰিলে।* অমিয় কুমাৰ দাসদেৱ শিক্ষা বিভাগৰ মন্ত্ৰী হৈ থাকোঁতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ভাল চাকৰি এটা দিয়াৰ বাবে ৰাভাৰ লগত এটা কথা কৈছিল। ল'বলৈ মান্তি হৈয়ো পাছত তেখেতে তাকো নলৈ কাগজতে এক বিবৃতি দি প্ৰত্যাখ্যান কৰিলে।

আগতে উল্লেখ কৰিছোঁ ছাত্ৰ হিচাপে তেখেত এজন কৃতী ছাত্ৰ আছিল। তেখেত আছিল বিজ্ঞানৰ ছাত্ৰ, পদাৰ্থ বিজ্ঞান আছিল বি. এ.-ত তেখেতৰ বিশেষ বিষয়। খেলুৱৈ হিচাপে তেওঁৰ সময়ৰ এগৰাকী শ্ৰেষ্ঠ চেন্টাৰ ফৰৱাৰ্ড। তেখেতে বল পালে প্ৰতিপক্ষ চিন্তিত হৈ পৰিছিল। ফুটবল, হকী, ক্ৰিকেট টাংগুটি, গুদু গুদু আদিত সমান পাৰ্গত আছিল। খেলাৰ সময়ত মই লেফ্‌ট হাফ্ বেকত খেলিছিলোঁ।* ফণী শৰ্মাই গ'লকীপাৰ হিচাপে খেলিছিল। তেখেতে ভালকৈ ঘোঁৰা চেকুৰাব পাৰিছিল আৰু ভালকৈ সাঁতুৰিব পাৰিছিল। শাস্ত্ৰীয় সঙ্গীতত অকল পাৰদৰ্শীয়েই নাছিল, এই বিষয়ে তেখেতে গভীৰ অধ্যয়নৰ মাজেদি প্ৰভূত জ্ঞান অৰ্জন কৰিছিল। ৰাগ-ৰাগিনীৰ ৰূপ তেখেতৰ ধ্যানস্থ মনত সুন্দৰকৈ ধৰা পৰিছিল। ভাৰত নাট্যম্ নৃত্য, শঙ্কৰী নৃত্যৰ পদ্ধতি আৰু মুদ্ৰা তেখেতে ভালকৈ আয়ত্ত কৰি নৃত্যৰ সাধনা কৰিছিল। তাল জ্ঞানত তেখেত আছিল দক্ষ। তবলা, চেতাৰ, এচৰাজ, বাঁহী, বেঞ্জু, ক্লেৰিয়নেট, বেহেলা,

খোল আদি বিভিন্ন বাদ্যযন্ত্ৰতো হাত আছিল সমানে দক্ষ। এই বিৰাট প্ৰতিভাৰে তেখেতে গীত ৰচনা কৰে, সুৰ দিয়ে, তুলিৰ বং বোলাই ছবি আঁকে, শিল কাটি মূৰ্ত্তি গঢ়ে। ঘণ্টাৰ পিছত ঘণ্টা ধৰি সুন্দৰ ব্যঞ্জনাময় শব্দৰে সুন্দৰ-শুৱলা ভাষাত আমনি নলগাকৈ বক্তৃতা দিয়ে, প্ৰেৰণা যোগায়, উৎসাহ দিয়ে। সকলো পৰিস্থিতিতে অন্তৰৰ আনন্দ ৰসৰপৰা নিগৰি অহা মনজুৰুৱা অনাবিল হাঁহিটো মাৰিবলৈ তেখেতে কেতিয়াও নাপাহৰে। এয়ে হ'ল বিষ্ণু ককাইদেউৰ স্থূল গুণ।

তেখেতৰে-মোৰে বয়সৰ পাৰ্থক্য ৬ বছৰ। মই যেতিয়া এম ই পাছ কৰি হাইস্কুলত ভৰ্ত্তি হওঁ তেখেতে তেতিয়া প্ৰবেশিকা পৰীক্ষা পাছ কৰি কলেজলৈ গ'ল। তাৰ পিছত তেখেত আহিল। মই কলেজীয়া শিক্ষাৰ কাৰণে শান্তি-নিকেতনলৈ যাওঁ যদিও মই সংক্ষকালৰে পৰা তেখেতক পাওঁ আৰু তেখেতৰ তালৈ প্ৰায়ে গৈ আছিলোঁ। তেখেতৰ গান শুনিছিলোঁ, (তেখেতে প্ৰায় সদায় পুৱা গাইছিল "শৃন্বন্তু বিশ্ব অমৃতস্য পুত্ৰাঃ" শুনা বিশ্বজন তোমালোক অমৃতৰ সন্তান) তেখেতৰ লগত একেবাৰে ঘনিষ্ঠ সংযোগ ঘটে ১৯৩৫ চনৰপৰা, যিটো সম্বন্ধ ক্ৰমে গাঢ় হৈ উঠি মৃত্যুৰ সময়লৈকে বৈ গ'ল। আমাৰ মাজৰ বয়সৰ ব্যৱধান হেৰাই গ'ল। সকলো অৱস্থাতে ৰাভাৰ সাহায্য পালোঁ। আমাৰ এই সাহায্য পৰম বন্ধুত্বলৈ ৰূপান্তৰিত হোৱা সম্ভৱ হ'ল তেখেতৰ বহল অন্তঃকৰণত থকা মৰমখিনিৰে সামৰি ল'ব পৰা গুণৰ কাৰণে। বিষ্ণু ৰাভা Complex personality ৰ মানুহ। কলাৰ প্ৰায়বোৰ দিশতে তেখেতৰ দক্ষতা থকাত তেখেতৰ খেয়ালি মনে যেতিয়াই যিটোত মন যায় তাতে লাগি পৰে। সেয়ে তেখেতে কলাৰ কোনো এটা দিশত একাণপতীয়াকৈ লাগি থাকিব নোৱাৰিছিল। তাৰোপৰি প্ৰায়েই তেজপুৰৰ বাহিৰত থাকি' দিহিঙে-দিপাঙে হিয়া বিচাৰি ঘূৰি ফুৰিব লগা হোৱাত যদিও তেখেত বাণ থিয়েটাৰৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল তথাপি তেখেতৰ অভিনয় সীমিত। বাণ থিয়েটাৰৰ তেখেত সঙ্গীতৰ দিশতহে বেছিকৈ জড়িত আছিল। তথাপি যি কেইটা চৰিত্ৰ তেখেতে ৰূপায়িত কৰিছে তাৰ মাজেদি তেখেতৰ অভিনয় প্ৰতিভাৰ স্বাক্ষৰ ৰাখি গৈছে। তেখেতৰ কণ্ঠস্বৰ আছিল গুৰু-গম্ভীৰ। দেহৰ গঠন আছিল সুন্দৰ-সুঠাম। মঞ্চত ওলালেই তেখেতৰ ব্যক্তিত্বই দৰ্শকৰ মন আকৃষ্ট কৰিছিল। তেখেতে 'কাৰেঙৰ লিগিৰী'ত (১৯৩৫ চনৰ সপ্তমী পূজাৰ নিশা মঞ্চস্থ হোৱা) সুদৰ্শনৰ চৰিত্ৰটো ৰূপায়িত কৰিছিল। তেখেতৰ অবয়বে আৰু গলগলীয়া কণ্ঠস্বৰ চৰিত্ৰটোৰ লগত একেবাৰে ৰজিতা খাই গৈছিল। সুন্দৰ-নিজম অভিনয়ে আৰু তেখেতৰ অন্তঃস্থলীৰপৰা ওলোৱা "মোৰ জীৱনৰে সখা কৃষ্ণ" প্ৰাণ ঢালি গোৱা গীতটোৱে তেখেতে দৰ্শকৰ মনত এক গভীৰ ৰেখাপাত কৰিছিল যাৰ স্মৃতি সেই সময়ৰ দৰ্শকসকলৰ মনত আজিও সজীৱ হৈ আছে। এই গীতটোৰ

কাৰণে তেখেতৰ কণ্ঠস্বৰ আছিল খাপ খাই যোৱা। ঐতিহাসিক বা পৌৰাণিক নাটকৰ চৰিত্ৰ ৰূপায়িত কৰাত তেখেত নিপুণ আছিল। তেখেতৰ বিশেষ কৃতিত্ব আছিল সেইবোৰ চৰিত্ৰত যিবোৰত এটা পৌৰুষ এক উদ্দামতা থাকে। সেই হিচাপে তেখেতৰ শ্ৰেষ্ঠতম অভিনয় হ'ল "দিগ্‌বিজয়" নাটকৰ 'নাদিৰ শ্বাহৰ' চৰিত্ৰ ৰূপায়ণত। যি নিষ্ঠুৰতাৰে, যি উন্মাদনাৰে প্ৰবল ধুমুহাৰ দৰে নাদিৰ শ্বাহে দেশ জয় কৰি ফুৰিছিল, নাদিৰ শ্বাহৰ চৰিত্ৰৰ সেই উন্মাদনা, বীৰত্বৰ অভিব্যঞ্জনা অতি সুন্দৰকৈ ফুটাই তুলি চৰিত্ৰটোক ৰাভাই জীৱন্ত কৰি তুলিছিল যেন জীৱন্ত নাদিৰ শ্বাহ বাণ থিয়েটাৰৰ দৰ্শকৰ আগত থিয় হৈছিল। সেইদৰে "কংস" নাটকৰ কংসৰ চৰিত্ৰৰ নিষ্ঠুৰতা, দুৰ্দান্ততা অতি সুন্দৰকৈ ফুটাই তুলি নাটকখনক একেবাৰে জীৱন্ত কৰি তুলিছিল। তেখেতৰ অভিনয় দক্ষতা আছিল অতি স্বাভাৱিক (Natural) ভাৱেই উদয় হোৱা আৰু তেখেতৰ অভিনয়ত সৌন্দৰ্য (Beauty), আৰু লাৱণ্য (Grace) দুয়োটাৰ সামঞ্জস্য সুন্দৰভাৱে Blending হোৱাত তেখেতৰ অভিনয় হৈ পৰে জীৱন্ত আৰু মনোমোহা।

তেখেতৰ প্ৰথম সামাজিক নাটকৰ চৰিত্ৰৰ অভিনয় হ'ল ˚ ফণী শৰ্মা ৰচিত Satire ব্যঙ্গ নাটক 'গঙ্গাটোপ'ত গেঠুৰ চৰিত্ৰ। সৰলচিতীয়া হেবাং জনজাতীয় লগুৱাৰ ভাও এনে নিপুণভাৱে ফুটাই তুলিছিল যে ভাবিলে আচৰিত লাগে। মঞ্চত তেখেতৰ খোজৰ চলন-ফুৰণ, বচনৰ ভঙ্গিমা আৰু modulation ইমান সুন্দৰ হৈছিল যে দৰ্শকৰ মন সম্পূৰ্ণভাৱে জয় কৰিছিল। এই 'গঙ্গাটোপ' নাটকখনক পিছলৈ শৰ্মাদেৱে M.L.A. নামকৰণ কৰে আৰু পিছত পূৰ্ণাঙ্গ নাটকলৈ ৰূপায়িত কৰি "কিয়" নাম দিয়ে। মোৰ চৰাত সচৰাচৰ আলোচনা কৰাৰ দৰে মই,˚ শৰ্মা;˚ ৰাভা।˚ ৰাভাৰ গাত সেই বেঙুনীয়া ৰঙৰ লুঙিখন আৰু গাত গামোচাখন। তিনিও সংস্কৃতিৰ কথা পাতি আছোঁ। প্ৰসঙ্গক্ৰমে থিয়েটাৰৰ কথা ওলাল।˚ ফণী শৰ্মাই দুখ কৰি ক'লে "আজিকালি ডেকা ল'ৰাবোৰে থিয়েটাৰলৈ মন নিদিয়া হ'ল। নতুন এচাম ভাল অভিনেতা ওলোৱা নাই।" মই ক'লোঁ, "এইক্ষেত্ৰত কিবা এটা আমিয়েই কৰিব লাগিব।" ˚ৰাভাই হয়ভৰ দিলে। তেতিয়াই আমি 'নাট্যসংঘ' বুলি এটা অনুষ্ঠান খুলিলোঁ। সভ্য আমি তিনিওজনেই। এই সংঘ খুলি ঠিক কৰিলোঁ "কিয়" নাটকখন লৈ আমি অসমৰ বিভিন্ন ঠাইলৈ গৈ বাকী চৰিত্ৰৰ কাৰণে স্থানীয় শিল্পী লৈ নাটকখন কৰিম আৰু তাৰ মাজেৰে সেই সেই ঠাইৰ শিল্পীসকলৰ মাজত অভিনয়প্ৰীতি জগাই তুলিম। এই নাটকত ˚ৰাভাই গেঠুৰ চৰিত্ৰ,˚শৰ্মাই ৰত্নেশ্বৰ বৰুৱাৰ আৰু মই মূল চৰিত্ৰৰ শিল্পী প্ৰদীপৰ চৰিত্ৰটো ৰূপায়ণ কৰিছিলো।˚ৰাভাই গেঠুৰ চৰিত্ৰৰ সুন্দৰ অভিনয়ৰে দৰ্শকক মোহিত কৰিছিল। এটা কথা মন কৰিবলগীয়া যে ৰাভাই এনে এটা সৰু চৰিত্ৰ ৰূপায়িত কৰিবলৈ অকণো সঙ্কোচবোধ কৰা নাছিল। প্ৰতিভাই যে সৰু চৰিত্ৰৰ মাধ্যমেৰেও দৰ্শকৰ চকুত পৰাকৈ

ভাল অভিনয় কৰিব পাৰে তাক ৰাভাই তেখেতৰ অভিনয় প্ৰতিভাৰে দেখুৱালে। আমাৰ উদ্দেশ্য সফল হ'ল। স্থানীয় শিল্পীসকলৰ মাজত এটি আলোড়ন আহিল। আমাৰ অভিনয় চাবলৈ অহা প্ৰভূত দৰ্শকৰ সমাগমে স্থানীয় শিল্পীসকলক প্ৰেৰণা যোগালে। আজি সেইবোৰ ঠাইত ভাল ভাল অভিনয় হৈছে। আমি তৃপ্ত। ইয়াৰ পিছত আৰ্থিক উপাৰ্জনৰ আশা মনত লৈ শৰ্মা আৰু ৰাভাই "চিৰাজ" নাটকখন অভিনয় কৰিবলৈ ওলাল স্থানীয় শিল্পী লৈ আৰু অসমৰ কেইবা ঠাইতো মঞ্চস্থ কৰে। ইয়াত শৰ্মা 'চিৰাজ' আৰু ৰাভা 'আযোণা'। এই আযোণাৰ চৰিত্ৰত তেখেতে দক্ষতাৰে অভিনয় কৰি নাটকখন সফল কৰি তোলে। 'চাহজাহান' নাটকত এবাৰ তেখেত 'চাহজাহান', ফণী শৰ্মা 'ঔৰংজীৱ' আৰু মই 'দাৰা'। পিছৰবাৰ আকৌ 'চাহজাহান', ফণী শৰ্মা, ঔৰংজীৱ ৰাভা আৰু মই 'দাৰা'। পিছত দেখা গ'ল 'চাহজাহান' চৰিত্ৰ ৰূপায়ণত শৰ্মা বেছি কৃতকাৰ্য হ'ল আৰু ঔৰংজীৱ চৰিত্ৰ ৰূপায়ণত ৰাভা বেছি কৃতকাৰ্য হ'ল। কূটকৌশলী সিংহাসন লোভী, চতুৰ ঔৰংজীৱৰ চৰিত্ৰ ৰাভাই জীৱন্তকৈ ফুটাই তুলিছিল। 'দাৰা'ৰ মৃত্যুদণ্ডৰ আদেশ পত্ৰখন লৈ কোৱা —"নহয় নহয় ই কাজীৰ বিচাৰ" আৰু আন এটা দৃশ্যত "বলা মহম্মদ আমি মক্কালৈ যাওঁ", —বচন মাতোতে ইমান সুন্দৰকৈ, চকুৰ দৃষ্টি আৰু অঙ্গ সঞ্চালন ফুটাই তুলিছিল যে তাৰ মাজেদিয়েই তেখেতৰ অভিনয় দক্ষতাৰ প্ৰমাণ পোৱা গৈছিল। নৃত্য কৰাৰ কাৰণেই তেখেতৰ গোটেই শৰীৰটোৰ চৰিত্ৰৰ Mood ভাবৰ লগত সামঞ্জস্য ৰাখি হেন্দোলিত হৈ এক সুষমাৰ সৃষ্টি কৰিছিল। মঞ্চত প্ৰৱেশ কৰাৰ লগে লগে তেখেতৰ যি ব্যক্তিত্ব ফুটি উঠিছিল সেই ব্যক্তিত্বই দৰ্শকক মোহগ্ৰস্ত কৰি তুলিছিল।

তেজপুৰৰ কামৰূপীয় সনাতন ধৰ্মমণ্ডলীৰ ষ্টেজ নিৰ্মাণৰ বাবে পুঁজিলৈ সহায় কৰিবলৈ আমি 'চাহজাহান' নাটকখন মঞ্চস্থ কৰিছিলোঁ। সেইবাৰ ফণী শৰ্মা 'চাহজাহান', ৰাভাই 'ঔৰংজীৱ' আৰু মই 'দাৰা'ৰ ভাও লৈছিলোঁ। বিষ্ণু ককাইদেৱে দৃশ্য বিৰতিৰ পিছত ভিতৰত চশমাযোৰ পিন্ধি পাৰ্ট মুখস্থ কৰি আছে। তেখেতৰ প্ৰৱেশৰ সময় হোৱাত মই ক'লো 'ককাইদেউ' আপোনাৰ ওলাবৰ হ'ল।' চশমা খুলি থ'বলৈ পাহৰি চশমাৰ সৈতে তেখেত মঞ্চত প্ৰৱেশ কৰিলে। কিন্তু তেখেতৰ ব্যক্তিত্ব আৰু সু-অভিনয়ৰ কাৰণে এনে অৱস্থাত দৰ্শকৰ হাঁহিৰ ৰোল নুঠিল। তেখেতে প্ৰথম 'চিৰাজ' কথাছবিত 'সুবিমল ফুকন'ৰ চৰিত্ৰ ৰূপায়িত কৰে। তাৰ পিছত 'প্ৰতিধ্বনি'ত খাটী 'চিয়েম'। 'এৰাবাটৰ সুৰ'ত 'ভূজলুংকা'ৰ অভিনয় যিসকলে দেখিছে তেখেতসকলৰ ৰাভাৰ অভিনয় প্ৰতিভাৰ সোৱাদ পাইছে। 'মিচৰকুমাৰী' নাটকত এবাৰ ৰাভা 'আবন' আৰু শৰ্মা 'চামন্দেশ'ৰ আৰু এবাৰ শৰ্মা 'আবন' আৰু ৰাভা 'চামন্দেশ'ৰ ভাওত অৱতীৰ্ণ হৈছিল। 'আবন'ৰ মাজেৰে প্ৰকাশ পাইছে জাতিপ্ৰীতি, জাতিৰ ওপৰত

অত্যাচাৰ কৰ্মাসকলৰ ওপৰত প্ৰতিশোধ লোৱাৰ তীব্ৰ আকাঙক্ষা। ৰাভাৰ বচনভঙ্গিমা, কণ্ঠস্বৰৰ Modulation, শৰীৰৰ বিভিন্ন Mood ত বিভিন্ন ভঙ্গিমা মঞ্চত উপস্থাপনৰ মাজেদি 'আকন'ৰ চৰিত্ৰ ইমান সুন্দৰকৈ ফুটাই তুলিছিল যেন জীৱন্ত 'আকন' আমাৰ আগত উপস্থিত হৈছিল। অভিনয়ৰ বিষয়ে তেখেতৰ জ্ঞান বহল। কিন্তু আগতে কৈ আহিছোঁ কলাৰ এটা দিশত একেৰাহে লাগি থাকিব নোৱাৰা কাৰণেই তেখেতৰ অভিনয় জীৱন সীমিত। ইয়াতে লাগি থকা হ'লে তেখেতে অসমৰ শ্ৰেষ্ঠ অভিনেতা হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিলেহেঁতেন। কিন্তু যি সীমিত অভিনয় কৰি গ'ল তাৰ মাজেদিয়েই তেখেত যে এজন অতি উচ্চ খাপৰ অভিনেতা তাৰ স্বাক্ষৰ ৰাখি গৈছে।

বিষ্ণু ককাইদেউৰ সৃষ্টিবোৰ আছিল বলিয়া বতাহৰ দৰে। কেতিয়া, ক'ত, কোন সময়ত তেখেতৰ সৃষ্টিৰ প্ৰেৰণা আহে ক'ব নোৱাৰি। বিছনাত শোওঁতে, ৰেলত যাওঁতে, কাৰবাৰ লগত কথা পাতি থাকোতে অথবা কিবা কাম কৰি থাকোতে আহিল প্ৰেৰণা ওচৰত যিহকে পলে পুৰণা খবৰ কাগজ, ফটা কাগজৰ টুকুৰা, চেনি বান্ধি অনা ঠোঙা তাতে মূৰ্ত হৈ উঠে তেখেতৰ ভাৱৰাশি —লেখা আৰু তুলিৰ মাধ্যমেৰে। সঞ্চয়ৰ স্বভাৱ তেখেতৰ নাছিল। মৃত্যুৰ পিছত শটো দাহ কৰি পেলোৱাৰ দৰে তেখেতৰ সৃষ্টি সমাপ্ত হ'লেই সেই কাগজ তেখেতে যতেনেৰে নেৰাখিছিল। সেয়ে তেখেতৰ বহুত অমূল্য কবিতা-গীত আদি নোহোৱা হ'ল। পলাতক অৱস্থাত তেখেতৰ লেখাসমূহৰ (মোক কোৱা মতে) এটা বাকচ ডিব্ৰুগড়ৰ ফালে থকা কোনোবা এখন বাগিচাৰ এগৰাকী কৰ্মচাৰীৰ ঘৰত থৈ গৈছিল। জেলৰপৰা ওলাই আহি সেই বাকচটো বিচাৰি তেখেত গৈছিল। কিন্তু বাকচটো নাপালে। ইয়াৰ বাবে অসমৰ সাহিত্য-সংস্কৃতিৰ জগতখনৰ অপূৰণীয় ক্ষতি হ'ল। ৰাভাৰ অজ্ঞাতবাসৰ সময়ৰ বহুত সৃষ্টি এনেকৈয়ে হেৰাই গ'ল।

মই শান্তিনিকেতনত কলেজীয়া শিক্ষা লৈ থকাৰ সময়ত গুৰুদেৱ ৰবীন্দ্ৰনাথ আছিল। তেখেতক লগ পাবলৈ আহিছিল ভাৰত আৰু ভাৰতৰ বাহিৰৰ গুণী, জ্ঞানী শিল্পী, গায়ক, সমাজসেৱক, ৰাজনৈতিক নেতাসকল যেনে —মহাত্মা গান্ধী, জৱহৰলাল নেহৰু, সৰোজিনী নাইডু আদি আৰু তেখেতৰ আগত নিজৰ নিজৰ শিল্প-কলা প্ৰদৰ্শন কৰিবলৈ আহিছিল গায়ক, বাদক, নৃত্যশিল্পী আদি স্বনামধন্য শিল্পীৰ দল। সেই কাৰণেই এবাৰ মহান শিল্পী উদয়শঙ্কৰৰ নৃত্য একেবাৰে ওচৰৰ পৰা চোৱাৰ সুযোগ হৈছিল। সুযোগ পাইছিলোঁ তেখেতৰ নৃত্যৰ বিষয়ে কোৱা কথা শুনাৰ, আৰু তিমিৰ বৰণৰ সৰোদ বাদন শুনাৰ। উদয়শঙ্কৰে অপূৰ্ব তাণ্ডৱ নৃত্য এটা কৰিছিল। তেখেতৰ প্ৰত্যেক মাংসপেশী সঙ্গীতৰ তালে তালে সঞ্চালিত হৈছিল। তথাপি মোৰ ভাব হৈছিল যেন তেখেতৰ এই তাণ্ডৱ নৃত্যৰ মাজত মহাকালৰ নটৰাজে নতুন সৃষ্টিৰ পথ মুকলি কৰিবলৈ পুৰণিৰ ধ্বংসৰ কাৰণে যিটো উদ্দামতাৰে, যি নিৰ্মমতাৰে, যিটো

বিশাল গতিৰে তেওঁ নাচিব লাগিছিল সেই প্ৰলয় নাচোন যেন নালাগিছিল। যি নাচত —

"হে নটৰাজ প্ৰলয় নাচন
নাচলে যখন আপন ভুলে
হে নটৰাজ
জটোৰ বাধন পৰল খসে
জাহ্নবী তাই মুক্ত ধাৰাই
দিশহাৰা"

সেই প্ৰলয়ৰ, সেই ধ্বংসৰ উদ্দাম গতিবেগ নাই, যেন ধ্বংসৰ পিছত পাৰ্বতীৰ লাস্য নৃত্যৰ যি কোমলতাৰ নতুন সৃষ্টি হ'ব তাৰহে আভাস আছে।

মনত হ'ল সেই তাণ্ডৱনৃত্য প্ৰলয় আৰু স্থিতি, ধ্বংস আৰু সৃষ্টিৰ এটা সমন্বয়ৰ। নৰও নহয় সিংহও নহয় যেন নৰসিংহ। কিন্তু বিষ্ণু ককাইদেউৰ নটৰাজৰ তাণ্ডৱ নৃত্য যিদিনা দেখিলোঁ, দেখিলোঁ দুৰ্বাৰ গতিত প্ৰলয় নাচোনে গতি লাভ কৰিছে। তেখেতৰ প্ৰতিটো মাংসপেশী, চকুৰ প্ৰতি অভিব্যক্তিয়ে এক প্ৰলয় পয়োধি জলৰাশিৰ সৃষ্টি কৰিছে, অন্তৰত এক শংকাৰ ভাবৰ সৃষ্টি কৰিছে। মনত হৈছিল যেন সেয়া মহাকালৰ মহা তাণ্ডৱ। ধ্বংসৰ সকলো উদ্দামতা লৈ নাচিছে। তাতাথৈ তাতাথৈ কৈ একেটা তাণ্ডৱনৃত্যৰ মূল ভাব যি জনে নিখুঁতভাৱে আৰু জীৱন্ত কৰিব পাৰে নৃত্যৰ ছন্দৰে। তেখেতে বিশ্ববিশ্ৰুত জ্ঞানী দাৰ্শনিক ৰাধাকৃষ্ণণৰ পৰা কলাগুৰু উপাধিৰে মৰম নোপোৱাটো হ'লহেঁতেন এটা ব্যতিক্ৰম। তেজপুৰৰ চাৰিওকাষে সিঁচৰিত হৈ থকা শিলৰ মূৰ্ত্তিবোৰৰ মুদ্ৰাবোৰো বাভাই আয়ত্ত কৰিছিল।

ৰামকৃষ্ণ পৰমহংসদেৱে কৈছিল "মাটি টকা, টকা মাটি।" অৰ্থাৎ কাঞ্চনৰ মোহৰপৰা মুক্তি পোৱা। এই কাঞ্চনৰপৰা মুক্তি পোৱাটোও তেখেতৰ এটি সাধনা। কিন্তু স্বভাৱসুলভভাৱেই শিল্পী স্বভাৱৰ সাধক বিষ্ণু ককাইদেৱে সেই সাধনাত সিদ্ধি লাভ কৰিছিল। কাঞ্চনৰ কাৰণে, সম্পত্তিৰ কাৰণে, খ্যাতিৰ কাৰণে অকণো মোহ নাছিল। আছিল হাবিয়াহ সমৃদ্ধিৰ মাজত নিজৰ সুকীয়া মানৱ সত্তাটোক হেৰুৱাই পেলোৱাৰ। সেয়েহে নিতান্ত প্ৰয়োজনীয় অৰ্থৰ বাহিৰে বেছি টকা হাতলৈ আহিলে হাঁহি হাঁহি সেই টকা আনৰ মাজত বিলাই দিছিল। বসনো প্ৰায় সময়ত এযোৰতকৈ বেছি নাছিল, আৰু আছিল তেখেতৰ প্ৰিয় ৰঙৰ লুঙিখন, কিন্তু বসনৰ এই অৱস্থা অভাৱ-অনাটনৰ বাবে নহয়। মূলতে ই বাহুল্যৰ প্ৰতি তেখেতৰ স্বাভাৱিক বিৰাগ, কেতিয়াবা বেছি হ'লেও ক'ৰবাত এৰি আহে। অন্তৰ যাৰ সুন্দৰৰ ৰেঙণিৰে পৰিপূৰ্ণ তেওঁৰ আকৌ প্ৰচুৰ বহিৰ্বাসৰ প্ৰয়োজন ক'ত? তেখেতৰ নাছিল প্ৰবল চাহকীয়ানা

বা প্ৰচুৰৰ নবাবী দেখুৱাই সন্মান আৰু আকৰ্ষণ লাভ কৰাৰ প্ৰবৃত্তি। ভূষণহীন সাৰল্যই তেখেতৰ আছিল বহুমূলীয়া ভূষণ।

সংস্কৃতিৰ সুৰুচিৰ সুৰত তেখেতৰ অন্তৰ এনেদৰে বন্ধা আছিল যে কোনো অৱস্থাতে তালভঙ্গ হোৱা নাছিল। সেয়েহে তেখেতৰ বাজনৰ্য়া ক্ষেত্ৰত, ঘৰত, মানুহৰ লগত বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰত, কথাত, ভাষাত, চিন্তাত সকলো সময়ত এটি মধুৰ, সুন্দৰ সোৱাদলগা আনন্দ পোৱা বাতাবৰণ সৃষ্টি কৰিব পাৰিছিল। মোৰ চ'ৰাঘৰত বহি একেবাৰে নিভৃত অন্তৰঙ্গ আলোচনাৰ সময়তো দেখিছোঁ তেখেতে কাৰো বেয়াটো নকয়। কাৰো প্ৰতি বিদ্বেষ বা বিদ্ৰূপ বাক্য ব্যৱহাৰ নকৰে বা কাকো বেয়া বুলি নকয়। ভালটো আলোচনা কৰে। তেখেতৰ মত প্ৰকাশ কৰে। মতৰ অমিলক যুক্তি-তৰ্কেৰে মিলনৰ মাজলৈ আনিবলৈ চেষ্টা কৰে। সকলোবোৰ কথা হয় যেন এটি সুন্দৰ সঙ্গীতৰ দৰে। কোনো ক্ষেত্ৰতে ৰাভাৰ খং উঠা দেখা নাই। মুখত আঁৰ চকুহালত নিৰ্মল মন শাঁত পৰা হাঁহিটি লাগিয়েই আছে। কত আমনি, কত অসুবিধা, কত দুৰ্যোগ, কত অনাহাৰত দিন পাৰ হৈ গৈছে কিন্তু ৰাভাৰতো খং উঠা দেখা নাই।

কৰ্কট ৰোগৰ দৰে এটা ৰোগ, যি ৰোগে অসীম যন্ত্ৰণা দি মানুহক ক্ৰমে মৃত্যুৰ মুখলৈ ঠেলি দিয়ে, যি ৰোগৰ যন্ত্ৰণাত মূৰ কটা পাৰ চৰাইৰ দৰে ধৰ্-ফৰাই থাকিব লাগে, য'ত ৰোগীয়ে জানে মৃত্যু তেওঁৰ অৱধাৰিত, এই অৱস্থাত-অকণমান অসুবিধা পালেই আনৰ খং উঠিলহেঁতেন, বিতুষ্ট হৈ উঠিলহেঁতেন। এদিন আবেলি মই আৰু ফণী শৰ্মা ৰাভাৰ ঘৰলৈ আহিলোঁ খবৰ ল'বলৈ। তেখেত হয়তো যন্ত্ৰণাত কেঁকাই আছিল কিন্তু আমাক দেখিয়েই তেখেতৰ মধুৰ হাঁহিটি মাৰিলে আৰু সকলো পাহৰি সংস্কৃতিৰ কথা পাতিলে। আমি ওলাই অহাৰ পিছত বাটতে শৰ্মাই ক'লে, "বুইছ চন্দ্ৰ, ই (ৰাভা) পকা অভিনেতা, অদ্ভূত তাৰ মনৰ বল, মৃত্যুভয় শূন্য। নিশ্চয় যন্ত্ৰণাত কেঁকাই আছিল। আমাক দেখিয়েই কেনে ভাও দিলে দেখিলি। যেন একোৱেই হোৱা নাই। অসুস্থতাৰ আগৰ বিষ্ণুজনহে।" ৰাভাৰ মৃত্যুত পাগলৰ দৰে হোৱা ফণী শৰ্মাই শেষবাৰলৈ তেখেতৰ শবদেহটো চাই চকুপানী টুকি কৈছিল, "বিষ্ণু-তই গলিগৈ মোক এৰি। বাৰু ঠিক আছে ময়ো তোৰ পিছে পিছে যাব লাগিছোঁ। লগ পামগৈ।" ঠিক এবছৰৰ পিছতে ফণী শৰ্মাই ইহধাম এৰি বিষ্ণু ৰাভাৰ ওচৰ পালেগৈ।

যাবৰ সময় শেষ হৈ আহিছে বুলি জানিও তেখেতৰ অন্তৰৰ মৌকস টুপি টুপিকৈ দি গ'ল। ধুনীয়া নাৰ্চজনীক জোকাই ধেমালি কৰিলে। গুণ-গুণকৈ গান বচিলে, সুৰ দিলে কিন্তু সেইবোৰ ধৰি ৰখা নহ'ল। ওচৰত থকাসকল যেতিয়া বেজাৰত সেমেকি আছিল ৰাভা তেতিয়া আনন্দৰসত বিভোৰ। এই ৰাভাৰো কেতিয়াবা খং উঠে। ক্ষুদ্ৰ কথাত নহয়, তেখেতৰ হৃদয় যন্ত্ৰৰ সুন্দৰতম অংশত আঘাত পালে।

সেই খং তেখেতে আনৰ ওপৰত বা মাধ্যমেৰেও প্ৰকাশ নকৰে। কৰে নিজৰ ওপৰত নিজে আত্মনিগ্ৰহ কৰি, হয়তোবা তেখেতৰ একমাত্ৰ চোলাটো ফালি পেলায়। কেতিয়াবা আকৌ তেখেতৰ সুন্দৰ সৃষ্টিবোৰ ফালি-ছিৰি নষ্ট কৰি পেলাইছে — তেখেতৰ এখন নাটক বাণষ্টেজৰ ওপৰত ফালি পেলায়। সেই সময়ত তেখেতৰ আগত কোনোবা এজন আহি যদি থিয় দিয়ে তেন্তে সকলো পাহৰি উদং গাৰেই মধুৰ হাঁহিটোৰে অভ্যৰ্থনা কৰে। অলপ আগতে যে মহা তাণ্ডৱ হৈছিল তাৰ উমান পাবৰো উপায় নাই।

তেখেতৰ প্ৰথম প্ৰিয়া অকণমানি, ভাল নাম প্ৰিয়বালা বৰুৱা ৰাভাৰ বিশিষ্ট বন্ধু অভিনেতা প্ৰবোধ চন্দ্ৰ বৰুৱাৰ খুলশালিয়েক। তেখেত আছিল সেই সময়ৰ এগৰাকী সুকণ্ঠী সু-গায়িকা। সেই সময়ত প্ৰবোধ বৰুৱাৰ পৰিবাৰ শ্ৰীযুতা প্ৰফুল্লবালা বৰুৱাই সুন্দৰ গীত গোৱাৰ উপৰিও ভাল বেহেলা বজাইছিল। প্ৰবোধদাৰ ভনীয়েক গিৰিজা বৰুৱা আৰু বৰুৱাৰ খুলশালিয়েক প্ৰিয়বালা বৰুৱা আৰু জীয়েক পাৰুলি। শ্ৰীযুতা প্ৰিয়বালা বৰুৱাই সেই সময়ৰ অসমৰ সঙ্গীতৰ জগতখন জাতিষ্কাৰ কৰি অৱদান দি গৈছিল।

"বিহ্বতী", "জন্মাষ্টমী" আদি নাটকৰ পালা গ্ৰামাফোন ৰেকৰ্ড কৰাবলৈ এই দলটো লৈ ৰাভা কলিকতালৈ যায়। "জয়মতী" আৰু "শোণিত কুঁৱৰী" পালা ৰেকৰ্ড কৰোতে জ্যোতিপ্ৰসাদ আগৰৱালা তেখেতৰ লগত আছিল, আৰু আছিল অকণমানি ভূপেন হাজৰিকা। গিৰিজাৰ কণ্ঠৰে "উটি যা ৰূপালী নাও", "ফুল কুঁৱৰীৰ ৰস চুমি লৈ পলায় ভোমোৰা", তেতিয়াৰ অকণমানি পাৰুলিৰ কণ্ঠৰে ৰেকৰ্ড কৰালে ঃ

"ৰদালি এ ৰ'দ দে ৰ'দ দে
সোণৰ বেণু ছটিয়াই দে"

শ্ৰীযুতা প্ৰফুল্লবালা বৰুৱাৰ হতুৱাই ৰেকৰ্ড হ'ল ঃ

"টিলাই টিলাই ঘূৰি ফুৰে উলাহৰে
খামতি ছোৱালী"

ৰাভা আৰু শ্ৰীযুতা প্ৰফুল্লবালাৰ দ্বৈত সঙ্গীত ৰেকৰ্ড হ'ল —

"এ গুৰু মোৰ শঙ্কৰ তৰিবাৰে কিনো পাৰ।" শ্ৰীযুতা প্ৰিয়বালাৰ হতুৱাই ৰেকৰ্ড কৰালে —

"লুইতৰ পাৰৰ ৰূপহী কুঁৱৰী / নাচি নাচি হালি আপোন বিভোৰ / তোৰ নাচোন দেখি বনৰ হৰিণী / থমকি থমকি চায় জুমি জুমি / পাহৰি আপুনি হয় বাউল / নীলিম দাপোণত তোৰেই ছবিটি / জ্বলি জ্বলি উঠি মনো যে নিজৰ / জেউতিৰ বোল নীল বৰণীয়া আঁচল উৰাই / জিলমিলীয়া ৰূপটি চাই তোল উলাহৰ ধল।"

জিল্‌মিলীয়া কপটি চবায়ে উলাহৰ ঢৌ তোলাৰ মাজতে দুখনি হিয়া পিৰীতিৰ বোল লৈ ওচৰ চাপি আহিল। বিষ্ণু ককাইদেউ আৰু প্ৰিয়বালাৰ বিয়া হ'ল কলিকতাত। ভোলানাথৰ কাষত পাৰ্বতী থিয় দিয়াত আমি নথৈ ৰং পাইছিলোঁ। অঘৰী এইবাৰ ঘৰমুৱা হৈ এই যুগল মিলনে স্থিতি লৈ অসমৰ কলা-সংস্কৃতিৰ বাৰীখনত বহুত ৰঙৰ ফুল ফুটাই তুলিব। তেখেতৰ সাংস্কৃতিক জীৱনলৈ স্থিতি আহিব। কিন্তু নিয়তিৰ বিধান অন্যধৰণৰ। কেইমাহমান পিছতেই নিউমোনিয়া ৰোগত ভুগি প্ৰিয়বালাই ভোলানাথক এৰি চিৰ বিদায় লৈ আকাশৰ ৰামধেনুৰ লগত বিলীন হৈ গ'ল। সতীৰ বিচ্ছেদ সহ্য কৰিব নোৱাৰি যেনেকৈ সতীৰ মৃতদেহ কান্ধত লৈ মহাদেৱে উন্মাদৰ দৰে ভাৰতৰ প্ৰান্তই প্ৰান্তই ঘূৰি ফুৰিছিল, প্ৰিয়বালাৰ বিচ্ছেদৰ বেজাৰ বুকুৰ মৌকোঁহত লৈ অসমৰ গাঁৱে-ভূঞে পৰ্বত-ভৈয়ামে জীৱনৰ প্ৰথম প্ৰেম, প্ৰথম ঘৰখন আৰম্ভণিতে নষ্ট হৈ যোৱাত সেই গভীৰ বেজাৰৰ ৰূপটো আজিও চকুৰ আগত জিলিকি আছে। যদিও বিষ্ণু ককাইদেৱে অন্তৰৰ বেদনা অন্তৰতে ৰাখি তাৰ বহিঃপ্ৰকাশ নকৰে। সেয়ে এই গভীৰ শোকৰো কোনো বাহ্যিক প্ৰকাশ নহ'ল কিন্তু এই বেজাৰৰ হাত সাৰিবলৈ তেখেত সোমাই পৰিল অসমীৰে বুকুৰ অন্তঃস্থলত, অসমৰ পৰ্বত-ভৈয়ামৰ মানুহখিনিৰ মাজত। সংগ্ৰহ কৰিলে অসমৰ পৰ্বত-ভৈয়ামত থকা নানা খেলৰূপৰা গীত, মাত, সুৰ, তাল। লগতে তেখেতে হিয়াৰ মৌচাকত গোটালে এইসকলৰ সৌন্দৰ্যৰ ৰস। যি ৰস তেখেতৰ বুকুৰ মৌচাকৰ পৰা নিগৰি নিগৰি বৈ আছিল জীৱনৰ শেষ স্পন্দন থকালৈকে।

এই সময়তে ৰাভাই অসমৰ ভৈয়ামৰ আৰু পৰ্বতৰ বিভিন্ন জনজাতিসকলৰ বাদ্যযন্ত্ৰৰ লগতে অসমীয়া ঢোল, পেঁপা, টোকাৰি, কালিয়া, খোল, তাল আদিৰ কিছুমান Sketch কৰিছিল আৰু বহুততে ৰং দি সুন্দৰ এখন এলবাম কৰিছিল। লগতে বিভিন্ন গীত-মাতৰ সুৰবোৰৰ স্বৰলিপিও কৰিছিল। ৰাভা স্বৰ্গী হোৱাৰ আগলৈকে সেই বহীখন আছিল। বৰ্তমান নাই। এইখন হেৰোৱাৰ মাজেদি অসমৰ সাংস্কৃতিক জগতে এক অমূল্য সম্পদ হেৰুৱালে।

সম্পূৰ্ণ যোগ্যতা থকাতো বিশ্ববিদ্যালয়ৰ ছাপ লৈ সিংহ দুৱাৰ পাৰ হৈ আহিব নোৱাৰিলে। তেখেতৰ বিপ্লৱী মনে ভাৰতৰ পৰাধীনতাৰ গ্লানি সহিব নোৱাৰি ভাৰতক স্বাধীন কৰিবলৈ অস্ত্ৰৰ সহায়েৰে যি বিৰাট আন্দোলন গঢ়ি তুলিছিল, যি অগ্নিযুগৰ সৃষ্টি কৰিছিল তাৰ ভাব-ধাৰণাই উদ্দীপনাই ৰাভাৰ মনত গভীৰ ৰেখাপাত কৰিছিল। শ্বহীদ ক্ষুদিৰামৰ ফাঁচীৰ পিছত মুকুন্দ দাসে যাত্ৰাৰ মাজেদি যি প্ৰবল দেশপ্ৰেমৰ সোঁত বোৱাইছিল সেই সোঁতে ৰাভাৰ অন্তৰো প্লাৱিত কৰিছিল।

"বলি একবাৰ বিদায় দে মা ঘুৰে আসি" আদি গীতে ৰাভাৰ অন্তৰতো হিল্লোল তুলিছিল আৰু এই গীতটো ৰাভাৰ অতি প্ৰিয় গীত আছিল।

ৰাভা শ্ৰীমন্ত শঙ্কৰৰ ভক্ত আছিল। শ্ৰীমন্ত শঙ্কৰৰ লেখাসমূহ তেখেতে গভীৰভাৱে পঢ়িছিল আৰু সাংস্কৃতিক বিপ্লৱৰ ধাৰাটো অতি সুন্দৰকৈ উপলব্ধি কৰিছিল। চিত্ৰকৰ ৰাভাই শঙ্কৰদেৱৰ অঁকা ছবিখনত গুৰুচৰিত বৰ্ণিত ব্যঞ্জনাৰ জেউতি যেনেকৈ ফুটি উঠিছে সেইদৰে অসমৰ সেউজী ৰূপটি উঠিছে অতি সুন্দৰকৈ। Background ত দিয়া ৰঙৰ সমাবেশত অপূৰ্ব হৈছে চিত্ৰখন। তাৰ ৰং বা বৰ্ণৰ সৌন্দৰ্যৰ এক অপূৰ্ব ৰসৰ সৃষ্টি কৰিছিল। আৰু এক সাত্ত্বিক ভাবৰ অৱতাৰণা কৰিছিল, কিন্তু ধৰ্মীয় চিন্তাৰ সীমাৰ মাজৰপৰা চিন্তা কৰাৰ ফলত সেই চিত্ৰখনে প্ৰকাশ নাপালে। শঙ্কৰদেৱে অনা সামাজিক বিপ্লৱে ৰাভাক গভীৰভাৱে আকৃষ্ট কৰিছিল।

ৰাভাই ভাৰতীয় সংস্কৃতিৰ আত্মাৰ বাণী গভীৰভাৱে উপলব্ধি কৰিছিল আৰু নিজৰ জীৱনো সেইদৰে গঢ়ি তুলিছিল। বিষ্ণু ৰুকাইদেউ সমাজ বা জনতাৰপৰা আঁতৰত নাছিল, সকলোৰে মাজত সকলোৰে এজন হৈ পৰিছিল। সেয়ে তেখেত জনতাৰ শিল্পী। জনতাৰ বৰ মৰমৰ এজন। তেখেত আছিল আশাবাদী। বিষ্ণু ৰুকাইদেৱে ভাৰতৰ সংস্কৃতিৰ আত্মাৰ বাণী শুনিছিল আৰু গভীৰভাৱে উপলব্ধি কৰিব পাৰিছিল। সেয়ে তেখেতে তামোহৰ দেৱতাক বাৰে বাৰে আহ্বান কৰিছিল। তমো ভাবে মানুহৰ মন অন্ধকাৰ কৰি ৰাখে। নিজক চিনিবলৈ সুবিধা দিয়ে, মাত্ৰ নিজৰ ব্যক্তিগত স্বাৰ্থৰ কাৰণে সৰহকৈ সংগ্ৰহ কৰে বহুতক বঞ্চিত কৰি। এইদৰে বঞ্চিত কৰা, শোষণ কৰাটো যে বেয়া তাক উপলব্ধি কৰিব নোৱাৰে। সেয়ে ৰাভাই ভাবিছিল এই তমো গুণ দূৰ কৰিব পাৰিলে মানুহৰ জীৱন আৰু সমাজখন সুন্দৰ হৈ উঠিব।

চাৰিওফালে আগুৰি থকা আমাৰ সামাজিক আৰু আৰ্থিক সমস্যাৱলীৰ প্ৰতি তেখেত সজাগ আছিল। জাত-পাতৰ বিচাৰেৰে কিছুমানক সমাজৰ নিম্নস্তৰত থোৱা আৰ্থিক দিশত কেইজনমানে হাজাৰজনক নানা উপায়েৰে শোষণ কৰি শোষিতসকলৰ ওপৰত বৰ-মতা হৈ ফুৰা, তেওঁলোকৰ ওপৰত চলা অত্যাচাৰত ৰাভাৰ অন্তৰ ভাগি পৰিছিল। ব্যথিত কৰি তুলিছিল। কিন্তু প্ৰতিকাৰৰ উপায় দিব নাপালে। মনৰ ভিতৰত এই দ্বন্দ্বৰ মাজতে তেখেতে মাৰ্ক্স দৰ্শনৰ লগত চিনাকি হয়। তেখেতে ভাবিলে যে সমাজবাদৰ মাজেৰে পৰিবৰ্তন আনিলে সমূহ ৰাইজৰ উপকাৰ হ'ব। আগতে কৈ অহাৰ দৰে এইখিনিৰপৰা ৰাভাৰ জীৱনত এটা বিবৰ্তন আহে। ৰোমান্টিক ভাবধাৰাৰপৰা বাস্তৱিকতাৰ মাজলৈ আহে আৰু পিছৰ লেখাসমূহত সেই চিন্তাৰাশিৰ প্ৰকাশ পায় কিন্তু ৰাভাই যেনেকৈ মহাত্মাৰ অহিংসা নীতিক নীতি হিচাপে গ্ৰহণ কৰা নাছিল সেইদৰে হত্যা বা হিংসা কৰাটোও তেখেতৰ স্বভাৱ বিৰোধী কথা আছিল।

তেখেতৰ হাতত বন্দুক তুলি দিয়া হৈছিল, তেখেতে লৈছিলো। কিন্তু সেই বন্দুক তেখেতে কাৰো বিৰুদ্ধে ব্যৱহাৰ কৰিবলৈ নোৱাৰিলেহেঁতেন।

এইটোতে তেখেতৰ খেয়ালি মনৰ এই খেয়াল তেখেতৰ আন এটা ৰূপ। এই ৰূপটোৱে তেখেতক লৈ নানা কিম্বদন্তি প্ৰচাৰিত হৈছিল। কিন্তু তেখেত যেতিয়া তেজপুৰ সমষ্টিৰপৰা বিধানসভালৈ নিৰ্বাচনৰ কাৰণে নিৰ্দলীয়ভাৱে উঠে তেতিয়া যিসকলে তেখেতৰ হৈ কাম কৰিছিল, (বহু ব্যৱসায়ীও আছিল) আৰু যিসকলে তেখেতক ভোট দিছিল সেইসকলে ৰাভাই বন্দুক লৈ বিপ্লৱ কৰাৰ কথা ভাবি ভোট দিয়া নাছিল ভোট দিছিল জীৱনশিল্পী ৰাভাক —হিয়াই হিয়াই চিনাকি হোৱা ৰাভাক, আৰু Artist, Philosopher ৰাভাক। এই নিৰ্বাচনত তেওঁ কংগ্ৰেছৰ বিৰুদ্ধে জয়লাভ কৰে।

মাৰ্ক্সৰ দৰ্শনৰ অনুগতসকল বোধহয় ৰাভাই বন্দুক লৈ ঘূৰাটোত স্বাভাৱিকভাৱেই বিশেষ গুৰুত্ব দিব আৰু তেখেতসকলৰ দৃষ্টিভঙ্গীৰপৰা ৰাভাক দাঙি ধৰিব, আৰু ৰাভাৰ বহুৰূপৰ ভিতৰত ইয়ো এটা ৰূপ। কিন্তু ই খণ্ডিত ৰূপহে, পূৰ্ণ ৰূপ নহয়। বিষ্ণু ৰাভাৰ গভীৰ মানৱপ্ৰীতিয়ে তেওঁক মাৰ্ক্সৰ নীতিৰ প্ৰতি আকৃষ্ট কৰে আৰু কথাবোৰ নতুনভাৱেৰে ভাবি লৈ আৰম্ভ কৰে। মাৰ্ক্সবাদৰ বিষয়ে ৰাভাৰ নিজস্ব ব্যাখ্যা আৰু মত আছিল। ৰাভাৰ নিজস্ব দৃষ্টিভঙ্গীৰ লগত অমিল হোৱাৰ কাৰণেই তেখেতে R.C.P.I. ৰ সভ্য পদ এৰি দিয়ে। তেখেতে এবাৰ দুখ কৰি কৈছিল মাৰ্ক্সৰ দৰ্শনৰ ব্যাখ্যা লৈ ইমানবোৰ দলৰ সৃষ্টি হৈছে যে সি দুখৰ কথা আৰু মাৰ্ক্সবাদৰ প্ৰচাৰৰ পথত ই বাধা স্বৰূপ হৈছে।

প্ৰিয়বালাৰ মৃত্যুৰ পিছত তেখেতে লিখিছিল "লগন উকলি গ'ল / তেওঁ যে নহ'ল কোৱা / মনৰ কথাটি মোৰ / হিয়াত গুপুতে থোৱা / কিমান হেঙুলী উষা / কিমান জোনাকী নিশা / মিছাতেই গ'ল মোৰ / কিমান গধূলি-পুৱা ......" মানৱ প্ৰেমিক ৰাভাৰ অন্তৰে দুখীয়া-নিছলাসকলৰ অৱস্থা গভীৰভাৱে উপলব্ধি কৰিছিল। তেখেতে বুজিছিল এই মানুহবোৰ শোষণত জৰ্জৰিত হৈ মূক হৈ পৰিছে। তেওঁলোকক জগাই তুলিব লাগিব। মূকৰ মাত ফুটাব লাগিব। তেহে বিপ্লৱ আনি সমাজৰ শোষণকাৰীসকলক ধ্বংস কৰি এখন সমাজবাদী সমাজ গঢ়ি তুলিব পৰাটো সম্ভৱ হ'ব। সেয়ে তেখেতে ৰচনা কৰিলে অসমীয়া হালোৱা-বনুৱাৰ ৰূপটো —"অ মোৰ নিছলা অসম আইৰ হালোৱা-বনুৱা ভাই / কোনে কোনে পতিয়াব তোমাৰ আজিৰ কিয়নো এনে বিলাই / কপালৰ ঘাম ভৰিত পেলাই সাঁচিছিলো যিটো ধন / সকলো লুটিলে ধনী চিনাজোকে ভাঙিলে তোমাৰ মন / এদিন তুমি গৈছিলা এই ধুনীয়া অসম সোণৰ / গোটেই অসম তোমাৰ আছিল অমিয়া সপোনৰ। /"নতুন আলোৰে

উজলি উঠিব্য বিলোবা জ্যোতি নবীন / পিছু পৰি আৰু নাথকিবা হেৰা বন্ধোৱা নতুন বীণ / নতুন বাটেৰে যাব যে লাগিব আহা যাওঁ আগুৱাই /" লগতে শোষক শ্ৰেণীক সাৱধান কৰি গ'ল —

"প্ৰশান্তি মুকুতি / শুনা শুনা বিশ্ববাসী পিষ্ট ক্লিষ্ট দলিত / পীড়িত জনগণ / জাগে আজি জগতৰ জন সাধাৰণ / কুঁহেলিকা জাল ফালি ওলাল উজলি / দীপ্ত গণদেৱতা"। গণক দীপ্ত কৰি তোলাৰ সাধনাই কৰি গ'ল ৰাভাই চিৰকাল। ৰোমান্টিক ভাৱধাৰাৰপৰা প্ৰকৃত বস্তুগত সত্য আৰু তথ্য আহৰণ কৰা প্ৰচেষ্টাৰে ৰাভাৰ জীৱনৰ বিবৰ্তনটো চমকপ্ৰদ আৰু গৱেষণাৰ উপযুক্ত স্থল। মাৰ্ক্সৰ দৰ্শনৰ ফালে আকৃষ্ট হৈ তাক গ্ৰহণ কৰাৰ পিছতো এদিন মোৰ চ'ৰাঘৰতে আলোচনা প্ৰসঙ্গত কৈছিল, "বুইছা চন্দ্ৰ, মই মূলতে শিল্পী। মই মানুহৰ অসমতা আৰু দৰিদ্ৰতাৰপৰা মুক্তি বিচাৰোঁ। কিন্তু যি তন্ত্ৰতেই হওক যি অৰ্থনৈতিক, সামাজিক ব্যৱস্থাৰ মাজতেই হওক মানুহে নিজৰ কল্পনাৰ মাধ্যমেৰে সৃষ্টি কৰা মহান সৌন্দৰ্যবোধ নষ্ট কৰাটো মই নিবিচাৰোঁ। ৰুছ দেশতো তেনে কৰা নাই। জাৰৰ প্ৰাসাদ ধ্বংস কৰা নাই ক্ৰেমলিনলৈ পৰিৱৰ্তন কৰিলে। তাতো 'মেকবেথ', 'শকুন্তলাৰ' অভিনয় হয়। হয় এই কাৰণেই যে তাত এক মহান শাশ্বত সৌন্দৰ্য আছে। আৰু মানুহৰ সৌন্দৰ্যপ্ৰিয়তা তাৰ গাতে লাগি অহা বস্তু। গতিকে যি তন্ত্ৰই হওক সি, তুমি মানুহৰ এই সৌন্দৰ্যপ্ৰিয়তাক ধ্বংস কৰিব নোৱাৰা।"

'চিৰাজ' কথাছবিৰ তেখেত যুটীয়া পৰিচালক আৰু সঙ্গীত পৰিচালক আছিল। ৰাভা, শৰ্মা আৰু শিল্পীসকল আছিল টালিগঞ্জত ভাড়া লোৱা ঘৰ এটাত। মই আছিলোঁ হোটেল ৰয়েলত। কলিকতাত সংঘটিত হোৱা হত্যাকাণ্ডৰ পিছতে আমি ছবি তুলিবলৈ কলিকতালৈ গৈছিলো, curfew তেতিয়াও চলি আছিল। গতিকে আমি ৰাতিৰ shooting ব্যৱস্থা কৰিছিলোঁ। এদিন আবেলি কেম্প পাই দেখোঁ সকলোবোৰ গহীন বেশত, ফণী শৰ্মাহি বাৰাণ্ডাখনত ইফাল-ইফাল কৰি আছে। মই সুধিলোঁ "বলীন, (ফণী শৰ্মা) কি হৈছে?" বলীনে উত্তৰ দিলে, "হ'ব কি আৰু বৈৰণীয়েকৰ (কামাখ্যাৰ গৰাকী) লগত কিবা লাগিল হবলা চোলা-টোলা ফালি শুদা গাৰে গোমোঠা মাৰি বহি আছে। ইফালে shooting -লৈ যাবৰ হ'লেই।" মই ৰাভা থকা কোঠালৈ সোমাই গৈ সুধিলোঁ, "ককাইদেউ কি হৈছে?" হাঁহিটো মাৰি ক'লে, "কথা এটাত খং উঠিল। চোলাটো ফালি পেলালোঁ।" মই ক'লোঁ, "ভাল কৰিলে, এতিয়া ষ্টুডিঅ'লৈ ওলাওক। বচ্, পুৰণা নীল ৰঙৰ লুঙিখনৰে কান্ধত এখন লেতেৰা গামোচা লৈ যাবলৈ প্ৰস্তুত হ'ল। মই ক'লোঁ, "এই বেশেৰে চিৰাজৰ যুটীয়া ডিৰেক্টৰ ষ্টুডিঅ'লৈ যাবনে?" তেখেতে ক'লে, "ঠিক আছে চলি যাব।" মই ক'লোঁ, "নচলে।" আনফালে তেখেতৰ

দ্বিতীয় চোলা এটা নাই, 'হোটেল ৰয়েলৰ'পৰা মোৰ কাপোৰ আনিবলৈ সময় নাই। curfew আছে। উপায়ান্তৰ হৈ ডাঃ ভৱ হাজৰিকাক (তেওঁ কন্দৰ্পৰ চৰিত্ৰটো ৰূপায়িত কৰিছিল) ক'লোঁ, "তোৰ খাকি পেণ্ট আৰু মিলিটেৰীৰ ধৰণৰ কোটটো দে।" তেওঁ দিলে। ৰাভাক আনি দি ক'লোঁ, "এইযোৰেৰে আজি চলাওক কাইলৈ বাৰু কিবা এটা কৰা যাব।" তেখেতে পিন্ধিলে, পেন্টটো কঁকাললৈকে নহাত তেখেতৰ গামোচাখনৰে এটা বান্ধ দিয়া হ'ল। কোটটো গাত হয় কিন্তু বুতাম কিটা মাৰিব পৰা নগ'ল বুকুখন উদং হৈ থাকিল। সেইভাবেই তেখেত ষ্টুডিঅ'লৈ গ'ল। পিছদিনা মই মোৰ খদ্দৰৰ পায়জামা, এটা পাঞ্জাবী আৰু জবহৰ কোটটো আনি দিওঁ। এই পোছাকেৰেই তেখেতে চিৰাজ কথাছবিৰ কাম শেষ কৰে। আমি তিনিও ঘূৰি আহিবলৈ টিকট কিনি বাৰ্থ ৰিজাৰ্ভ কৰা হৈ গ'ল। shooting শেষ হোৱাত শিল্পীসকলক ঘৰলৈ পঠিয়াই দি বাকী কামৰ কাৰণে মই হোটেল ৰয়েলত, শৰ্মা, 'শ্ৰীনিকেতন' হোটেলত আৰু ৰাভা 'শান্তিনিকেতন' হোটেলত ৰৈ গ'লোঁ। কাম শেষ কৰি ঘৰলৈ ওভোতাৰ আগদিনা মই আৰু শৰ্মাই ৰাভা থকা 'শান্তি নিকেতন' হোটেললৈ গ'লোঁ। দেখোঁ, ৰাভা নাই। অলপ সময় ৰোৱাৰ পিছত ছিৰিত তেখেতৰ ভৰিৰ শব্দ শুনি শৰ্মাই ক'লে, "সি আহিছে।" অলপ পিছত ককাইদেউ ওপৰলৈ উঠি আহিল। দেখোঁ, মই যি পায়জামা-পাঞ্জাবী দিছিলোঁ সেইবোৰ গাত নাই। তাৰ পৰিবৰ্তে গুণাৰ পাৰী দিয়া এখন শান্তিপুৰী ধুতী, গাত এটা নতুন পাঞ্জাবী যিটোৰ পিছফালে কাপোৰত দিয়া মিলৰ নম্বৰ জিলিকি আছে আৰু এযোৰ নতুন কাবুলী চেণ্ডেল। মই সুধিলোঁ, "বিষ্ণু ককাইদেউ, এইবোৰ ক'ৰপৰা ল'লে?" তেখেতে হাঁহি মাৰি ক'লে, "খোৱাং যুৱক সংঘৰ এখন মিটিং আছে, তালৈকে মোক সভাপতি হিচাপে মাতিছে আৰু টকা ৭০টা পঠাইছিল। আজি পালোঁ। যোৱাৰ টিকটটো তোমালোকে কৰিয়েই থৈছা, গতিকে ভাবিলোঁ মিটিঙৰ পোছাক এসাজ লৈ লওঁ।" মই ক'লোঁ, "ভালেই কৰিলে পিছে, পাঞ্জাবীটোৰ পিছফালে থকা নম্বৰবোৰ কিহৰ?" তেখেতে ক'লে, "পিছফালৰ বস্তু পিছফালে থাকিব, তাৰ বাবে চিন্তা নাই।" মই সুধিলোঁ, "মোৰ কাপোৰবোৰ কি কৰিলে?" তেখেতে হাঁহি মাৰি ক'লে, "অকণো চিন্তা নকৰিবা, কমলালয়লৈ যাবা আৰু দুৱাৰৰ পোনে পোনে যিটো আলমাৰি আছে তাৰ পিছফালে মই কাপোৰ সলাই তোমাৰ কাপোৰবোৰ থৈ আহিছোঁ। গ'লেই পাবা।" এয়ে ৰাভা। মোৰ আৰু কমলালয়লৈ গৈ কাপোৰ অনা নহ'ল। আমি ঘৰমুৱা হ'লোঁ। ৰঙিয়াত ককাইদেৱে আমাক মাত লগাই ক'লে, "সপ্তমী পূজাৰ দিনা থিয়েটাৰ পোৱাকৈ তেজপুৰ পামগৈ।" কিন্তু সেই যে গ'ল তাৰ পিছৰপৰা তেখেতৰ অজ্ঞাতবাস আৰম্ভ হ'ল। এই কালছোৱাৰ ইতিহাসত ৰাভাক বুজিবলৈ অত্যন্ত প্ৰয়োজন আছিল কিন্তু কোনো বিৱৰণ নাই। তেখেতক মই এই বিষয়ে বহুবাৰ কৈছিলোঁ

তেখেতে লিখিম লিখিম বুলি থাকোতেই চিৰবিদায় ল'লে। এইখিনি নজনাৰ কাৰণে তেখেতৰ বিবৰ্তনৰ ধাৰা সম্পূৰ্ণ জনা নহ'ল। অৱশ্যে এই বিষয়ে মূলগত কথা কিছুমানৰ বিষয়ে মোৰে তেখেতৰে আলোচনা হৈছিল।

শিৱনাথ শাস্ত্ৰীয়ে বিদ্যাসাগৰৰ বিষয়ে লিখা প্ৰবন্ধৰ আগতে তলৰ শ্লোকটো দিছিল,

"তৰবেহেপি হি জীৱন্তি জীৱন্তি মৃগ পক্ষী গণঃ
স জীৱতি মনো যশ্য মন নেন হি জীৱতি"

তৰুলতায়ো জীৱন ধাৰণ কৰে। পশু-পক্ষীয়েও জীৱন ধাৰণ কৰে ; কিন্তু তেৱেঁই প্ৰকৃত ৰূপে জীৱিত যি মনৰ দ্বাৰা জীৱিত থাকে। বিষ্ণু ৰাভা এনে এজন মনোজীৱী। এই মনোজীৱীসকলৰ মন বিক্ষিপ্ত হৈ বিচ্ছিন্ন হৈ নাথাকে। এক সুৰত বন্ধা থাকে। আমি নিজৰ স্বাৰ্থক যেনেকৈ আৰু সুতীব্ৰভাৱে অনুভৱ কৰোঁ মনোজীৱী সকলে পৰমাৰ্থক বা মহা সুন্দৰক ঠিক তেনেকৈয়ে উপলব্ধি কৰে। তেওঁলোকৰ দ্বিতীয় জীৱনে, তেওঁলোকৰ অন্তৰৰ প্ৰাণে যি খাদ্য বিচাৰে, যি বেদনা বোধ কৰে, যি আনন্দ-অমৃতত সাংসাৰিক ক্ষতি আৰু মৃত্যুৰ বিৰুদ্ধেও অমৰ হৈ উঠে। আমাৰ ওচৰত তাৰ অস্তিত্ব নাই, বিষ্ণু ককাইদেউ এনে এজন মনোজীৱী লোক সেয়ে তেওঁ ধীগুণী লোক। তেখেতে যি চেতনা ৰাজ্যত বাস কৰিছিল আমি তাৰপৰা বহুত দূৰত। তেখেতৰ চিন্তা, চেষ্টা আৰু বেদনা গতানুগতিক নাছিল, আছিল পাৰমাৰ্থিক।

বচৱেলে যেনেকৈ ইংলণ্ডৰ মহাপুৰুষ জনচনৰ ধী আৰু মনুষ্যত্ব জনসাধাৰণৰ আগত দাঙি ধৰিলে আমাৰ এজন বচৱেল থকা হ'লে বিষ্ণু ককাইদেউৰ দৈনন্দিন কাৰ্য, বাক্য, চিন্তাৰ তীক্ষ্ণতা, সৰলতা, উদাৰতা যদি দাঙি ধৰি মহান পুৰুষ বিষ্ণু ৰাভাৰ পৌৰুষৰ আচল ৰূপটো আমাৰ আগত দাঙি ধৰিলেহেঁতেন!

আজিৰ জীৱনধাৰাত অৰ্থনীতিৰ প্ৰভাৱ অনস্বীকাৰ্য। আৰ্থিক অসমতা আনহাতে মুষ্টিমেয়ৰ হাতত প্ৰভূত ধন গোট খোৱাৰ ফলত সমাজত শোষণৰ লগতে বহু অন্যায় আৰু ব্যভিচাৰে ঠাই লৈছে। এই বিষয়ত তৰ্ক কৰিবলৈ একো নাই। কিন্তু মানুহৰ প্ৰগতিৰ ইতিহাসলৈ যদি আমি চাই পঠিয়াওঁ তেন্তে দেখিম, যুগে যুগে সভ্যতাৰ এটা স্তৰৰ পৰা আন এটা স্তৰলৈ উন্নতি হোৱা এছোৱা সময়ৰ ভিতৰত হতাশা আৰু বিশৃংখলা সমাজৰ জীৱনলৈ আহিছে আৰু এনে অৱস্থাৰ মাজতেই এচাম মানুহে অশেষ কষ্ট আৰু ত্যাগৰ মাজেদি সৃষ্টিমুখী বিপ্লৱৰ সৃষ্টি কৰি নতুন সভ্যতাৰ পথ ৰচনা কৰিছে। এই যে ৰচনা কৰাৰ চেষ্টা বা প্ৰচেষ্টা ইয়াৰ মাধ্যমেৰে মানুহৰ প্ৰগতি সাধিত হৈছে। নতুন সভ্যতাৰ সংস্কৃতিৰ সৃষ্টি হৈছে। মানৱৰ প্ৰবহমান গতি আৰু

ছন্দ অখণ্ড হৈ আছে। এই সৃষ্টিমুখী বিপ্লৱ অতি কঠিন আৰু অসীম ত্যাগ আৰু কষ্টৰ। এইসকল কৰ্মযোগীৰ আগত কি নাই হোৱা সেইটো লক্ষ্য নহয়, কি কৰিম তাৰ ছবিখন সম্পূৰ্ণভাৱে আয়ত্ত কৰি সেই ছবিত প্ৰাণ প্ৰতিষ্ঠা কৰিবলৈ মন আৰু শৰীৰৰ দ্বিধাহীন, প্ৰশ্নহীন পৰিপূৰ্ণ সমৰ্পণ। বিষ্ণু ককাইদেউ এই জাতৰ লোক আছিল।

মই জনা আৰু বুজামতে বিষ্ণু ককাইদেউ হ'ল সেইজন পুৰুষ যিজন আজিৰ পুৰুষৰ সৃষ্টিৰ Image ৰ Image হ'ব পাৰে। হ'ব পাৰে বুলি মই কিয় ভাবোঁ ককাইদেউৰ মৃত্যুত পতা তেজপুৰৰ প্ৰথম ৰাজহুৱা সভাখনত মোৰ লিখিত ভাষণত কৈছিলোঁ যে গীতাত বৰ্ণোৱা পূৰ্ণ মানুহজনৰ ৰূপটো মই দেখা পাইছোঁ বিষ্ণু ককাইদেউৰ জীৱনৰ মাজেদি। তেখেত পূৰ্ণ মানৱ, তাৰ অলপ দিনৰ পিছত কলিকতাত পতা সভা এখনত ডাঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে কৈছিল "ৰাভা পূৰ্ণ মানৱ, চুফি দৰ্শনৰ ইনচান এ কামিল।"

ইংৰাজীত এফাকি কবিতা আছে —

"I slept and dreamt that life
was beauty
I woke and found that life
was duty."

এই যে duty ইয়াৰ কাৰণে আৰু ব্যাখ্যাত গীতা এক উচ্চ স্তৰলৈ গৈছে। অকল duty কৰাত কৰোঁতাজনৰ অহঙ্কাৰ থাকে, থাকে ফল লাভৰ আশা। জীৱ একেধাৰে কৰ্তা, জ্ঞাতা আৰু ভোক্তা।

কৰ্মশক্তিৰ ক্ৰিয়াত ই কৰ্তা, জ্ঞান শক্তিৰ ক্ৰিয়াত ই জ্ঞাতা আৰু ইচ্ছা শক্তিৰ ক্ৰিয়াত ই ভোক্তা। কৰ্মশক্তিৰ বিকাশ চেতনাত (Conation) জ্ঞান শক্তিৰ বিকাশ ভাৱনাত (Emotion) কৰ্মন, জ্ঞাত, প্ৰেম (Life, Light and love) প্ৰত্যেকৰ অন্তৰত অস্ফুট, অপূৰ্ণ প্ৰকৃতি জড়িত অবিশুদ্ধ অৱস্থাত থাকে। যি সকলে নিজৰ সাধনাৰে ইয়াক স্ফূৰ্ত, পূৰ্ণ আৰু শুদ্ধ কৰি তোলে তেওঁলোকেই হ'ল আমাৰ ওপৰ স্তৰৰ, সুন্দৰৰ সাধনাৰ সুৰ তেওঁলোকৰ অন্তৰৰ তন্ত্ৰীত বাজি থাকে। তেওঁলোক মনোজীৱী। গীতাৰ মতে আমি আমাৰ আমিত্বক অহং বুদ্ধিক অতিক্ৰম কৰি সকলোৰে কাৰণে আমাৰ কৰিবলগীয়া কাম নিৰ্লোভভাৱে কৰি যাম তেতিয়াহে আমি ঋক্‌বেদৰ সেই মহান মন্ত্ৰ —

"সমানী ব আকুতিঃ সমানা হৃদয়ানি বঃ
সমান মস্ত বো মনো যথা বঃ সুসহাসতি"

তোমালোকৰ অভিপ্ৰায় এক হওক, তোমালোকৰ হৃদয় এক হওক, তোমালোকৰ মন এক হওক, তোমালোক যেন সৰ্বাংশত ঐক্য লাভ কৰিব পাৰা।

আমাৰ জীৱনৰ মাজেদি প্ৰকাশ কৰি সেই সৰ্বাংশৰ মহা ঐক্যৰ Image সমাজৰ আগত দাঙি ধৰি সমাজৰ মাজলৈ আনিব পৰা শান্তিৰ, প্ৰীতিৰ, সৌন্দৰ্যৰ বোৱতি সোঁত এই ঐক্যৰেই জীৱন্ত প্ৰতীক আছিল বিষ্ণু ককাইদেউ।

আগতে কৈছোঁ বিষ্ণু ককাইদেউ খেয়ালি মানুহ কেতিয়া কি খেয়াল আহে কোৱা টান। শ্ৰদ্ধেয় শ্ৰীহেমাঙ্গ বিশ্বাস ডাঙৰীয়াই কলিকতাত দিয়া ভাষণটো যিটো "আমাৰ প্ৰতিনিধি"ৰপৰা "খোজ" নামৰ আলোচনীখনত পুনৰ মুদ্ৰিত কৰিছে মই অতি গভীৰভাৱে পঢ়িছোঁ। শ্ৰীবিশ্বাসৰ লগত মোৰ চিনাকি বিষ্ণু ককাইদেউৰ যোগেদি, Tragedy ৰ ওপৰত মই লিখা প্ৰবন্ধ এটাৰ সন্দৰ্ভত। তেখেতক মই গভীৰভাৱে শ্ৰদ্ধা কৰোঁ। এই শ্ৰদ্ধাৰে মই নিবেদন কৰিব খোজোঁ যে শ্ৰীবিশ্বাসে যি তন্ত্ৰত বিশ্বাস কৰে সেই তন্ত্ৰৰ দিশৰপৰা তেখেতৰ কথাখিনি সম্পূৰ্ণ সত্য। অলপ দিনৰ কাৰণে হ'লেও ৰাভাৰ খেয়ালি মন Artist in Arms হ'ল হয় কিন্তু সেইটোৱেই তেখেতৰ সম্পূৰ্ণ ৰূপ নহয়, এটি খণ্ডিত ৰূপহে।

যিজন বিষ্ণু ৰাভাক মই সকৰেপৰা পাইছোঁ, একেলগে ফুৰিছোঁ, খাইছোঁ, থিয়েটাৰ কৰিছোঁ, লগতে আন বহুতো কাম কৰিছোঁ মৃত্যুৰ আগ মুহূৰ্তলৈকে লগত আছোঁ সেইজন বিষ্ণু ৰাভাক মই যি ভাবে চিনিছোঁ আৰু বুজিছোঁ তাৰপৰা মই ডাঠি কব পাৰোঁ যে তেখেতে কাকো হত্যা কৰিবতো নোৱাৰেই আনকি কাকো টানকৈ কথা এষাৰো ক'ব নোৱাৰে। হাতত বন্দুক ল'ব পাৰে কোনোবাই তুলি দিলে কিন্তু শ্ৰেণী শত্ৰুকো তেখেতৰ দ্বাৰা হত্যা কৰা সম্ভৱ নহয়, ই তেখেতৰ স্বভাৱ বিৰোধী কথা, অৱশ্যে তেখেতৰ লগত সমাজবাদৰ বিষয়ে আলোচনা কৰোতে তেখেতে কৈছিল, "শোষণকাৰীসকলক শেষ কৰিব লাগিবই কিন্তু অস্ত্ৰৰ সহায়েৰে নহয় জনগণক আমাৰ পৰা জগাই তুলি মহা বিপ্লৱৰ সৃষ্টি কৰি। তাকে কৰিবলৈকে বৰ্তমান মোৰ কলম লৈছোঁ" সেয়ে তেখেতে লিখিলে—

"দুখীয়াৰ কলিজা নিঙাৰি লব/তেজ শুহি শুহি পিব/ককি ককি মঙহ চোবাই খাব/কুৰুকি হাড় কেইডালো চোবাব/হুচিয়াৰ! হুচিয়াৰ।/ধনী! মহাজন জমিদাৰ!!! /হুচিয়াৰ! হুচিয়াৰ!

........শেষ যুদ্ধৰ আমি ৰণুৱা/পৃথিৱীৰ হালোৱা-বনুৱা/হ'ম বিজয়ী আমি দুখীয়া/ক'ত ৰ'বি ধনী এইবাৰ!/হুচিয়াৰ!..হুচিয়াৰ!/ধনী মহাজন!! জমিদাৰ!!" যদিও ৰাভাই শেষ বয়সৰ ফালে মাৰ্ক্সবাদৰ প্ৰতি আসক্ত হ'ল তথাপি তেখেতে ভাৰতৰ আত্মাৰ বাণী ভালকৈ বুজিছিল আৰু উপলব্ধি কৰিছিল। সকলো ক্ষেত্ৰতে তেখেতে তমোহৰ দেৱতাক স্মৰণ কৰিছিল যদিও সেই দেৱতাৰ আগত বিপ্লৱী গান নৈবেদ্য হিচাপে দিছিল। তেখেতৰ 'মুক্তিদেউল' নামৰ সঙ্গীত আলেখ্যখনিৰ এটি দৃশ্য দাঙি ধৰিলোঁ মোৰ বক্তব্যৰ সমৰ্থনত।

"আঁৰ কাপোৰ আঁতৰে। তমোহৰ মূৰ্ত্তিৰ তলাত দেখা যায় এজন পূজাৰীয়ে একমনে এক ধ্যানে পূজা কৰে।

* * *

সূত্ৰধাৰে আওৰায়—

পূজাৰীৰ গানে তমোহৰ দেৱতাৰ
অকস্মাতে জাগি হয় প্ৰাণৰ সঞ্চাৰ
পাই নৱ সঞ্জীৱনী
জাগ্ৰত মূৰতি খনি।

* * *

সমাপ্তিৰ পিছত জীৱন্ত মূৰতিয়ে ধীৰে ধীৰে পিছুৱাই উঠি সেই অসম বেদীত বহে। নেপথ্যৰ পৰা পিষ্ট, ক্লিষ্ট বন্দী দলৰ হাহাকাৰৰ ৰোল উঠে।

সূত্ৰধাৰে কথিকাৰ সূত্ৰ গাঁথে ঃ

স্বাগত হে বৰ পূজাৰী
কৰা আৱাহন
কৰা পূজা আয়োজন
এক ধ্যানে আদৰি সাদৰি।

সৌৱা সৌৱা জলে তপোহোম বহ্নি
মুকুতি যজ্ঞৰ বিপ্লৱ আনি
বিপ্লৱী সাগ্নিক পুৰোহিত হয় নিজে হেতু
মুক্তি দাতৃ ;
গাই মুকুতিৰ মহা-মন্ত্ৰ বিপ্লৱৰ তন্ত্ৰ।
ব'ল ব'ল ব'ল
পিষ্ট, ক্লিষ্ট, নিপীড়িত
নিষ্পেষিত, নিৰ্যাতিত
দলিত, পীড়িত
উপবাসী
কাৰাবাসী
অন্নহীন দল।

ব'ল ব'ল ব'ল.....।
লভি সেই তমোহৰ মুক্তি দেৱতাৰ মহা পৰম প্ৰসাদ
হ'ই শক্তিমান
কৰি মুক্তি স্নান
নিজ শকতিত মুক্তিমান
দিবং —জ্যোতিষ্মান
গঢ়িম ধৰাত নব স্বৰ্গসম মুকুতি প্ৰসাদ
ফাঁকিবাজ, ধড়িবাজ, ধনী জমিদাৰ
কাহানিও কেতিয়াও আমাক নিদিয়ে মুক্তি
নিতে-নিতে তিলে তিলে হেৰুৱাওঁ শক্তি।
অসহ্য নৰক হয় এই কাৰাগাৰ।
সৌৱা সৌৱা আজি গণ-দেৱতাৰ কপালত জ্বলে
কোপানল —বহ্নি।
জনতাৰ হৃদয়ত জ্বলে চিতাঅগ্নি
ভস্মীভূত হয় অভিশাপ
অন্তৰৰ শতাব্দীৰ তাপ।
"ভাং, ভাং" বুলি গায় সবে উপবাসী কাৰাবাসী
ভাঙনৰ গান
এৰে বীৰ দৰ্পে অগ্নিবাণ।
চতুৰ্দিকে উঠে প্ৰতিধ্বনি
ভাং ভাং ভাং ভাং ছিং ছিং ছিং খোল
ভাং ধ্বনি।
পূজাৰীয়ে গায় —
শুনা জনতাৰ কোলাহল শুনা।
শত জৰ্জৰ কণ্ঠৰ
দুৰ্ব্বল মৰ্মৰ
নয়নত কোপানল শুনা।

জনতাৰ বক্ষ ভেদী
বোৱা শোণিতৰ ধল
গঢ়ে মহাসাগৰ টল্-মল্
আগবাঢ়ে জল-মল

বোৱা শোণিতৰ ধল
কৃষকে বিনায়
শ্ৰমিকে কান্দে
অস্পৃশ্য অসহায়,
সেই অসহায়তাৰ
সৃষ্টি আজি বিদ্ৰোহ মহানল
বোৱা শোণিতৰ ধল
জ্বল-মল্-জ্বল-মল্
শুনা।

বগা আঁৰকাপোৰ পৰে। কাৰাৰ ফাঁকে ফাঁকে দেখা যায় বন্দীসৱে হাত মেলি গায়।

"ভাং ভাং ভাং ভাং
লোহাৰ শিকলি ভাং,
ছিং ছিং ছিং ছিং
দাসৰ বান্ধোন ছিং,
খোল্ খোল্ খোল্ খোল
কাৰাৰ ফাটক খোল্
ভাং ভাং দুৱাৰৰ দাং।।
শুন সৌৱা শুন শুন্
ঘোষিছে ৰণ বিষাণ
মুকুত আকাশে উৰে
দীপ্ত ৰঙা চিচান
ৰক্তেৰে ৰঞ্জিত
সূৰুয উদীয়মান
শুন মুকুতিৰ দুৰ্মদ আহ্বান,
হালোৱা-হজুৱা হেৰ মজুৰ-কিচান!
মুক্তিমান! মুক্তিমান! মুক্তিমান!
শোষকৰ দল আজি হ'ল অৱসান
পেষকৰ সঁচ বন্ধ সাং",

এইগৰাকী জীৱনশিল্পী জনতাৰ পৰা আঁতৰত নাছিল। আছিল জনতাৰ মাজত। তেওঁলোকৰ লগত একেলগে বহিছিল, খাইছিল, সুখ-দুখৰ লগত ভাগ লৈছিল। সেয়ে

তেখেত জনতাৰ বৰ আপোন, জনতাৰ দুখ-দুৰ্গতি, আশা-আকাংক্ষা, নিৰাশা-হুতাশাৰ মাজত তেখেত আছিল, গতিকে জনতাৰ দুখ-দুৰ্গতিৰ যি অভিজ্ঞতা তেখেতে লাভ কৰিছিল সি জীয়া অভিজ্ঞতা। দূৰৰপৰা কল্পনাৰে প্ৰকাশ কৰা বস্তু নহয়। সেয়ে তেখেত জনতাৰ প্ৰাণৰ মৰমৰ, বেথাৰ শিল্পী নিজৰ আপোনজন। সেয়ে তেখেত আজিও জনতাৰ অন্তৰত অমৰ হৈ আছে। তেখেত শিল্পী, কিন্তু শিল্পী হ'বলৈ কি গুণ লাগে তাৰ বিষয়ে জ্যোতিপ্ৰসাদে কৈছে।

"শিল্পী মোৰ মনৰে তই
শিল্পী মোৰ প্ৰাণৰে তই
শিল্পী মোৰ গানৰে
সুৰৰে
ছবিৰে
ৰূপৰে তই জুই জ্বলালি
নিত্য নতুন হবিৰে
চিনাকি তোৰ যুগ যুগৰে
ৰবিবে।"

এইবিষয়ে ৰাভাই কৈছে, "শিল্পী কথাষাৰ আজিকালি বৰ সহজ হৈ গৈছে। মই ভাবোঁ শিল্পী হ'বলৈ হ'লে ঝঞ্ঝা বিজয়ী আত্মাৰ অধিকাৰী হ'ব লাগিব, প্ৰশান্ত সাগৰত বুৰ মাৰি অসংখ্য মুকুতা আহৰণ কৰাৰ দুঃসাহস আৰু দুৰ্বাৰ শক্তি থাকিলেহে আজিৰ আৰ্টৰ মুকুতা ফলোৱা সম্ভৱ।"

ৰাভা আছিল এনে এজন ঝঞ্ঝা বিজয়ী শিল্পী, আজিৰপৰা বহু বছৰ আগতে সাৱধান বাণী শুনাই গৈছিল।

"অসম মৰিমূৰ হ'লে অসমীয়াও মৰিব। অসমীয়াৰ লাখ-বিলাখ বছৰৰ সাধনাৰ ফলত পোৱা ব্ৰহ্মপুত্ৰৰ দৰে বিশাল-বিৰাট অসমীয়া কৃষ্টিও লুপ্ত হ'ব। এই লুপ্ত ৰাজ্যৰ বুকুত শ্মশানৰ মৰুভূমি সদৃশ শূন্যতাৰ বুকুত পূৰ্ব্ব-পুৰুষসকলৰ হা-হুমুনিয়াহৰে ভৰা হাহাকাৰ গৰজি উঠিব। ভৱিষ্যৎ বংশধৰসকলৰ শাও-শপনিৰে ভৰা অভিশাপ গুমৰি উঠিব।

আজি প্ৰত্যেক অসমীয়াই সঙ্কল্প কৰা উচিত, অসমক মৰিবলৈ নিদিওঁ, অসমীয়াক জীণ যাবলৈ নিদিওঁ। অসমীয়া সংস্কৃতিক লুপ্ত হ'বলৈ নিদিওঁ। অসমৰ বুকুত বৈচিত্ৰ্যৰ মাজত ঐক্যৰ ডোলেৰে গুঁথি দুনাই শক্তিশালী নতুন অসমীয়া জাতি গঢ়োঁ। শক্তিমান ন-অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰতম ন-অসমীয়া সংস্কৃতি ৰচোঁ। সোণৰ অসম গঢ়ি আশাৰ ৰংঘৰ, আকাংক্ষাৰ কাৰেংঘৰ, কামনা-বাসনাৰ তলাতল

ঘৰ সাজোঁ" (অসমীয়া কৃষ্টি)। ৰাভাই কৈছিল, "মই কল্পনাৰ ৰাজ্যত থাকোঁ। মই এজন কমিউনিষ্টত্বকে মূলতঃ শিল্পীহে।"

১৯৬৭ চনৰ ৮ মে'ৰ দিনা ও গৰাকী জৈন পবিত্রা পৰিব্রাজিকাই যেতিয়া শান্তিৰ বাণী উচ্চাৰিত কৰিছিল সেই দিনাই সেই পবিত্ৰক্ষণত পুলিচৰ গুলিৰ আঘাতত শোণিতপুৰৰ বাট শোণিতেৰে ৰঞ্জিত হৈছিল। এজনৰ মৃত্যু হ'ল ঘটনাৰ আৰম্ভণিতে। ৰাভাই উপায়ুক্তৰ লগত কথা হৈ আছিল। উপায়ুক্তই যোন পাই ৰাভাক লগত লৈ থানালৈ যায় আৰু ৰাইজৰ উত্তেজনা সাম কটাবলৈ চেষ্টা কৰে যদিও সফল নহ'ল। গুলি চলিল চৰকাৰৰ তৰফৰপৰা। সেই সময়ৰ উচ্চ ন্যায়ালয়ৰ বিচাৰপতি শ্ৰীপাঠকক (পিছত মুখ্য ন্যায়াধীশ হয়গৈ) লৈ এটা তদন্ত কমিচন বহুৱালে। তাত পুলিচ পক্ষৰ হৈ ওকালতি কৰিলে ময়নুল হক ডাঙৰীয়াই আৰু ৰাইজৰ হৈ ওকালতি কৰিলোঁ মই। ৰাভা ৰাইজৰ ফালৰ প্ৰধান সাক্ষী। কিন্তু পুলিচ পক্ষই এনেভাৱে গোচৰ সজাবলৈ চেষ্টা কৰিছিল যেন সেইদিনাৰ ঘটনাৰ কাৰণে ৰাভাই জগৰীয়া। পিছে সফল নহ'ল। এই উপলক্ষে পতা ৰাজহুৱা প্ৰতিবাদ সভাত ৰাভাই দ্বেষশূন্য কোনো উত্তেজনা নোহোৱাকৈ ধীৰ-স্থিৰভাৱে তেখেতৰ বক্তৃতাত কৈছিল, "বন্দুকৰ গুলী যেন মোৰ বুকুতহে লাগিছে। মোৰ বুকুৰ আমঠুৰপৰা যেন কেঁচা তেজ নিগৰি নিগৰি পৰিছে।" চৰম উত্তেজনাৰ মুহূৰ্ততো ৰাভাৰ সাংস্কৃতিক মনে সংযম হেৰুওৱা নাছিল। পাঠক কমিচনৰ আগত দিয়া তেখেতৰ সাক্ষ্যৰপৰা তলৰ কথাখিনি তুলি দিলোঁ। তাৰপৰাই ৰাইজে বুজিব পাৰিব ৰাভা মূলতে কি আছিল। তেখেত কি আছিল তেখেতে নিজেই কৈ গৈছে।

মইনুল হক চৌধুৰীৰ জেৰাৰ উত্তৰত তেখেতে কৈছিল —"I was a member of the R.C.P.I. from 1947. I was connected with the Party up-to the year 1953. This party believes in violence."

প্ৰশ্ন : Is it correct Mr. Rava, that in this period from 1950 to '52 police started as many as 14 prosecution case against you on serious charge like murder, dacoity with murder rioting assault, waging war against the state etc.

উত্তৰ : Yes, a large number of cases were started against me on such allegations but I do not remember the number, I was acquitted in all these cases except one. This was under Arms Act and I came out of the jail II months after. Then I joined the Communist Party of India. I am in the Communist Party since 1953. Now I am not an active member of the Communist Party

but I have got connection with the Communist Party. তাৰ পিছত তেখেত কিয়, কেনেকৈ নিৰ্বাচনত উঠিল তাৰ কথা কৈ শেষত ক'লে —

"I am an artist, I am a happy go lucky type of man. I live mere in imagination than in reality. I am more an artist than a communist. I always want to see everything nice and beautiful. I want to make everything beautiful."

(Commissions Paper Book Party Pages 202 & 204) খেয়ালী মনৰ অসাৱধানতাৰ কাৰণে তেখেতৰ বহুত কবিতা আৰু হেৰাই গ'ল। আনকি স্বৰলিপি কৰিবলৈ বাইজে উপহাৰ দিয়া হাৰমোনিয়ামটোও হেৰুৱালে। এয়ে তেখেতৰ স্বভাব।

অসমৰ অঙ্গচ্ছেদ হোৱাত তেখেতে গভীৰ দুখ পাইছিল আৰু তেখেতেই বোধকৰো একমাত্ৰ ব্যক্তি আছিল যি প্ৰায়বোৰ ৰাজহুৱা সভাত ইয়াৰ বিৰোধিতা কৰি বক্তৃতা দিছিল।

অসমৰ পৰ্বতে-ভৈয়ামে থকা লোকসকলৰ সংস্কৃতিৰ বিষয়ে তেখেতৰ জ্ঞান সেইসকল লোকৰ এজন হৈ থাকি লাভ কৰা। বড়োসকলৰ অসমীয়া সমাজলৈ যি সাংস্কৃতিক অৱদান আছে তালৈ লক্ষ্য ৰাখি শেষৰ ফালে ৰাভাই পৰ্বত-ভৈয়ামৰ জনজাতিসকলৰ মাজত থকা সংস্কৃতিৰ মুকুতাবোৰ বুটলি আনি অসমীয়া সমাজৰ মাজত চিনাকি কৰি দি এখন বহল অসম গঢ়া আৰু সমন্বয়ৰ মাজেৰে অসমৰ সুকীয়া সংস্কৃতিৰ সৌৰভ বঢ়াব খুজিছিল। এইক্ষেত্ৰত তেখেতক বহুতে ভুল বুজিছিল।

১৯৬৮ চনত কোকৰাঝাৰ সংসদী সমষ্টিৰপৰা তেখেত কমিউনিষ্ট প্ৰাৰ্থীৰূপে উপনিৰ্বাচনত নামি পৰাজয় বৰণ কৰে। ব্যক্তিগতভাৱে ৰাভা এই নিৰ্বাচনত নমাৰ এটা উদ্দেশ্য আছিল যিটোৰ প্ৰতি সেই সময়ত কোনেও অকণো ধ্যান দিয়া নাছিলোঁ। অথচ কথাটো গুৰুতৰ। জয়লাভ কৰা ৰাজনৈতিক দলটোৱে আনন্দ লাভ কৰিছিল কিন্তু বিষ্ণু ৰাভাই এই নিৰ্বাচনত উঠাৰ মূল কাৰণটোৰ বিষয়ে ধ্যান দিয়া নাছিল। আৰু এনে মূল কাৰণবোৰৰ সমাধান কৰিবলৈ চেষ্টা নকৰি গা সাৰি থকাৰ আমাৰ যি চেষ্টা তাৰ ফলতেই আজি অসমত নানা সমস্যাৰ সৃষ্টি হৈছে।

ৰাভা নিৰ্বাচনত নামিছিল সেই সময়ত গা কৰি উঠা বিচ্ছিন্নতাকামী মনোভাবটোৰ বিৰুদ্ধে যুঁজ দিবলৈকে। তেখেতৰ নিৰ্বাচনী সভাবোৰৰ বক্তৃতাত শোষণকাৰীৰ বিৰুদ্ধে কোৱাৰ উপৰিও মূলতঃ এই বিচ্ছিন্নতাকামী মনোভাবটোৱে অসমৰ কি সৰ্বনাশ কৰিব তাক প্ৰাঞ্জল ভাষাত দাঙি ধৰিছিল অসমীয়া ভাষা, সংস্কৃতি, অসমৰ শ্ৰীৰ কাৰণে।

অসমৰ অঙ্গচ্ছেদ হোৱাত প্ৰকাশ্যভাৱে যদি কোনোবাই প্ৰতিবাদ কৰিছিল

সেইজন আছিল বিষ্ণু ৰাভা। তেখেতে প্ৰায়বোৰ ৰাজহুৱা সভাতে ইয়াৰ বিৰোধিতা কৰিছিল আৰু দীপ্ত গণদেৱতাৰ কথা ভাবিছিল :

*কুহেলিকা জাল ফালি ওলায় উজলি*
*দীপ্ত গণদেৱতা*

এই দীপ্ত গণদেৱতাক দীপ্ত কৰি তেখেত কঞ্ঝাবিজয়ী অজেয় শিল্পী। ৰাভাৰ জীৱিত কালত তেখেতক আমি চিনি নাপালোঁ। মৃত্যুৰ পিছতো তেখেতক চিনিবলৈ, বুজিবলৈ চেষ্টা কৰাটো অতি উত্তম কথা হৈছে। ইয়াৰ মাজেদি আমি আমাক নিজকে সন্মান জনাইছোঁ। জীৱিত কালত যি ৰাভাৰ মূৰৰ মূল্য ১০,০০০ (দহ হাজাৰ) টকা বুলি চৰকাৰে ঘোষণা কৰিছিল আজি চৰকাৰে ৰাভাৰ মৃত্যু দিৱস পাতিবলৈ সিদ্ধান্ত লৈ এই বছৰৰপৰা কাম আৰম্ভ কৰিছে। আজি আমি আজিৰ প্ৰয়োজনৰ কাৰণে তেখেতক ঐক্য আৰু সমন্বয়ৰ প্ৰতীক হিচাপে মানি লৈছোঁ।

তেজপুৰৰ অ, ভা, উ, সা সভাই তেখেতক পোন প্ৰথমবাৰৰ বাবে ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়। মৃত্যুৰ কেইদিনমানৰ আগতে তেজপুৰ চিভিল হস্পিতালত থকা ১৩ টা দিনত ৰাভাৰ কাণত মনে মনে কথা কৈ গ'ল মৰণে, কৰি গ'ল মৰণৰ প্ৰণয়ৰ খেলা। দিনবোৰ শেষ হৈ আহি পালেহি ১৯ জুন, বৃহস্পতিবাৰ, চতুৰ্দশী তিথি। বুৰ দিলে ৰাঙলী বেলিটি পশ্চিম দিশত ৰাভাৰ শেষ আভাকণ পৃথিৱীৰ বুকুত শেষবাৰৰ বাবে উদ্ভাসিত হ'বলৈ সহায় কৰি। অন্ধকাৰ ওৰণিৰ তলত নীল বিজুলী বন্তিৰ পোহৰত সৃষ্টি হোৱা মোহময় পৰিবেশত ৰাভাৰ ৰোগক্লিষ্ট দেহৰ স্পন্দন লাহে লাহে ধীৰ হৈ আহিল। তেখেতৰ অন্তৰৰ সৌন্দৰ্যৰ আভা তেখেতৰ মুখত এক প্ৰশান্তিৰ ছবি। লাহে লাহে সেই মহাসুন্দৰৰ আনন্দৰ মাজতে বিলীন হৈ গ'ল নিশা ২-১০ মিনিটত, আমাৰ দিন মতে ২০ জুনৰ পুৱা ২-২০ মিনিটত শেষযাত্ৰাৰ সময় উপস্থিত। ৰাভা ৰামধেনুৰ মাজৰ ৰঙৰ মাজলৈ গুচি গ'ল। মৃত্যুৰ আগমুহূৰ্তত তেখেতে এটা বৰ ডাঙৰ কথা কৈ গ'ল। এই মহাবিপ্লৱী ঝঞ্ঝা বিজয়ী মহা শিল্পীজনৰ শেষৰ কথা। তেখেতে ক'লে "এই পৃথিৱীৰ মানুহবোৰ বৰ ভাল।" —এয়ে আছিল ৰাভাৰ গভীৰ মানৱপ্ৰীতি।

এবাৰ আমি কেইবাজনে লাগি-ভাগি ৰাভাক চৰকাৰৰ মনোনীত সভ্য হিচাপে তেজপুৰ পৌৰসভাৰ সভ্য কৰালোঁ। সেই সময়ত তেজপুৰত বঙালীৰ প্ৰাদুৰ্ভাৱ বেছি আছিল। তেখেতসকলৰ সদস্যসংখ্যা সৰহ থকাত অসমীয়া পৌৰ সভাপতি হোৱাটো প্ৰায় অসম্ভৱেই আছিল। গোহাঞিঃ বৰুৱা আৰু আনন্দচন্দ্ৰ আগৰৱালা ইয়াৰ ব্যতিক্ৰম। এবাৰ এটা প্ৰস্তাৱ আমাৰ স্বাৰ্থৰ বিৰুদ্ধে যাব বুলি ভাবি কেইবাদিনৰ আগৰেপৰা সেই প্ৰস্তাৱৰ বিৰুদ্ধে তীব্ৰ আপত্তি কৰিবলৈ আৰু প্ৰস্তাৱৰ বিৰুদ্ধে ভোট দিবলৈ

ৰাভাক সাজু কৰা হ'ল। কিন্তু সভাৰ দিনা দেখা গ'ল ৰাভা ঘৰত নাই। তেজপুৰৰপৰা ২০ মাইল দূৰৰ চাহ বাগিচা এখনলৈ গ'ল; পোনে গাড়ী এখন লৈ ৰাভাক বিচাৰি ওলালোঁ, গন্তব্য স্থানত গৈ দেখো ২০।২৫ জন শ্ৰোতাৰ মাজত বহি গান গাই মছগুল হৈ আছে। তাৰপৰা ৰাভাক লৈ তেজপুৰ পাওঁ মানে প্ৰস্তাৱ গৃহীত হৈ গ'ল। বৰ খং উঠিছিল, ক'লোঁ, "আপুনি ইমান দায়িত্বহীন কিয়? আপোনাৰ অনুপস্থিতিৰ কাৰণে কি হ'ল দেখিলে?" তেখেতে হাঁহি মাৰি ক'লে, "ৰাতিপুৱাই বাগানৰ এজন আহি ক'লে, ৰৰবাবুৰ তাত এখন গানৰ মজলিছ পাতিছে, মই যাবই লাগে। গানৰ মজলিছৰ কথা শুনি বাকী আন কথা সকলো পাহৰি গ'লোঁ।" —এয়ে আছিল সঙ্গীতপ্ৰেমী ৰাভা, তেখেতৰ আৰু এটা ৰূপ।

এবাৰ তেখেতক বাণ থিয়েটাৰৰ সঙ্গীত বিভাগৰ সম্পাদক পতাৰ কথা উঠিল। ৰাভা যে উপযুক্ত লোক, তাত কাৰো সন্দেহ নাছিল। কিন্তু প্ৰশ্ন উঠিছিল পূজাৰ থিয়েটাৰৰ সময়ত তেখেতে জানো থাকিব? যদি ডুব মাৰি কোনোবাখিনি পায়গৈ তেতিয়া কি হ'ব?

আধ্যাত্মবাদ আৰু বস্তুবাদ —এই দুটা তত্ত্বৰ মাজত সুমেৰু-কুমেৰুৰ পাৰ্থক্য। ইয়াৰ সমাধান নোহোৱালৈকে সাহিত্য বা ব্যক্তিৰ বিচাৰ কৰা টান, কাৰণ প্ৰত্যেকেই নিজ তত্ত্বৰ ফালৰপৰা বিচাৰ কৰিব। এই ক্ষেত্ৰত ঐতিহাসিক বিৱৰ্তনবাদৰ সহায় লোৱাৰ বাহিৰে উপায় নাই। ৰাভা কি আছিল এই কথা তেখেতে ধৰ্মাধিকৰণত শপত লৈ নিজমুখে কৈ গৈছে। তাৰ ওপৰত আমাৰ ক'বলৈ আৰু কি থাকিব পাৰে? তেখেতে কৈছিল "মই সন্তোষৰ মাজত থাকোঁ, মই বাস্তৱতকৈ বেছিকৈ কল্পনা ৰাজ্যত বাস কৰোঁ। মূলতঃ মই এজন কমিউনিষ্টতকৈ এজন শিল্পীহে। মই সকলো বস্তু ধুনীয়া আৰু সৌন্দৰ্যময় হোৱাটো বিচাৰোঁ। মই সকলো সৌন্দৰ্যময় কৰিবলৈ বিচাৰোঁ।"

এই সৌন্দৰ্য্য পূজাৰী মানৱ, মহাসাগৰৰ মনৰ গভীৰৰ মুকুতা বিচাৰি অনা এই ঝঞ্ঝা বিজয়ী শিল্পীগৰাকীলৈ মোৰ প্ৰণিপাত জনালোঁ।

# জীৱন আৰু কৃতি

# ৰাভাৰ মানসিক উত্তৰণ

## ।। শশী শৰ্মা।।

বিষ্ণু প্ৰসাদ ৰাভাৰ মুখ্যতঃ দুটা ৰূপ, —(১) শিল্পী-সাহিত্যিক আৰু (২) ৰাজনীতিক। জীৱনৰ আগছোৱাত তেওঁ উভয় ক্ষেত্ৰতে আছিল ভাববাদী। কিন্তু মাৰ্ক্সবাদ-লেলিনবাদৰ অধ্যয়ন আৰু অনুশীলনে তেওঁক ক্ৰমে ক্ৰমে বাস্তববাদী অৰ্থাৎ বৈজ্ঞানিক বস্তুবাদী ৰূপে গঢ়ি তুলিলে।

ৰাভাৰ এই মানসিক উত্তৰণ প্ৰকৃততে সংঘাতৰ মাজেদিয়ে ঘটিছে। আমি জানো যে তেওঁ সোণ-ৰূপৰ চৰুত হাত দিয়ে উপজিছিল। বাপেক গোপাল চন্দ্ৰ ৰাভা আছিল ইংৰাজ চৰকাৰৰ ওখ পুলিচ বিষয়া, ইষ্টাৰ্ণ ৰাইফলচ্ বাহিনীৰ চুবেদাৰ মেজৰ, তাহানিৰ পূৰ্ববঙ্গ-অসমৰ গৱৰ্ণৰৰ এডি-কং আৰু পিছত অ', বি, ই, (Order of British Empire) উপাধিৰে সম্মানিত ব্যক্তি। গোপালচন্দ্ৰ ৰাভাৰ প্ৰীতিত ইংৰাজ চৰকাৰ তুষ্ট হৈয়ে ইংৰাজ প্ৰশাসনে তেজপুৰৰ ওচৰত দুহাজাৰ বিঘা মাটি তেওঁক দান দিছিল। শিশু বিষ্ণু প্ৰসাদে সৈনিকৰ সন্তানক শিকোৱা বিদ্যালয়তে ঢাকা নগৰীত প্ৰাথমিক শিক্ষা সাং কৰি মজলীয়া স্তৰৰ শিক্ষাও আৰম্ভ কৰিছিল। বিষ্ণু ৰাভাৰ জন্ম আৰু শৈশৱৰ পৰিবেশ সাম্ৰাজ্যবাদী শোষক চৰকাৰৰ অভিজাত আমোলাৰ পৰিবেশ।

১৯০৯ চনৰ ৩১ জানুৱাৰীত বিষ্ণু ৰাভাই জন্ম লাভ কৰা পৰিবেশ শোষক বৰ বৰ আমোলাৰ সৌপন্থী পৰিবেশ। কিন্তু তেতিয়াৰ ভাৰতত বিশেষকৈ বঙ্গত বঙ্গ-ভঙ্গক কেন্দ্ৰ কৰি গঢ় লৈ উঠা স্বদেশী আন্দোলনৰ পয়োভৰ কমা নাছিল। এই স্বদেশী আন্দোলনৰ গইনা লৈয়ে সংগঠিত হৈছিল একাংশ বিদ্ৰোহী ভাৰতীয়ৰ দ্বাৰা নৈৰাজ্যবাদী আন্দোলন। এই নৈৰাজ্যবাদী আন্দোলনৰ প্ৰধান ঘাটি আছিল ৰাভাৰ জন্মস্থান ঢাকা আৰু তাৰ ওচৰৰ চট্টগ্ৰাম। হিংসাৰ বদলি হিংসা আৰু খুনৰ বদলি খুন আছিল নৈৰাজ্যবাদীসকলৰ আদৰ্শ। ই এটা সু-সংগঠিত আন্দোলন নাছিল সঁচা, কিন্তু ইয়েই তেতিয়াৰ সাম্ৰাজ্যবাদী বিদেশী ইংৰাজ চৰকাৰৰ থৰকাচুটি নোহোৱা কৰিছিল। আনহাতে শোষিত, নিপীড়িত একাংশ ভাৰতীয় প্ৰজা হৈছিল আনন্দত উৎফুল্ল।

শিশু ৰাভাই চেতনা লাভৰেপৰা নৈৰাজ্যবাদীসকলৰ অত্যুৎসাহী কাৰ্য-কলাপৰ কাহিনী সাধুকথা-প্ৰবাদৰ দৰে মানুহৰ মুখে মুখে শুনিছিল। সৌপন্থী বৰ বৰ আমোলাৰ পৰিবেশত জন্মা সত্বেও নৈৰাজ্যবাদীসকলৰ বিদ্ৰোহ আৰু বিপ্লৱৰ কথা কাহিনীয়ে

শিশু বিষ্ণু প্ৰসাদৰ মনত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল; আৰু তেনেকৈয়ে আৰম্ভ হৈছিল আদৰ্শৰ সংঘাত।

ৰাভা শিল্পী আৰু সাহিত্যিকো। তেওঁ সুকুমাৰ শিল্প, নৃত্য, গীত, চিত্ৰ আৰু কবিতাৰ সাধক শিল্পী আছিল। এই ক্ষেত্ৰতো পৰিবেশৰ প্ৰভাৱ পৰিলক্ষিত হয়। ৰাভাৰ জীৱনীকাৰ তিলক দাসেও লেখিছে যে ৰাভাই উত্তৰাধিকাৰ সূত্ৰে পিতৃ গোপালচন্দ্ৰ ৰাভাৰ পৰা পাইছিল ২০০০ বিঘা মাটি আৰু বৈঠকী গানৰ আড্ডা। এই কথা অনুসন্ধিৎসু মাত্ৰেই জানে যে সৈন্য শিবিৰত বৰ বৰ বিষয়াসকলক কেন্দ্ৰ কৰি নৃত্য-গীতৰ মজ্‌লিচ্‌ চলে। সৈন্য শিবিৰত বজোৱা বিকুলৰ ধ্বনিয়েই কিজানি শিশু বিষ্ণু প্ৰসাদৰ ৰাতিপুৱা টোপনি ভাঙিছিল। বৈঠকী গানৰ ৰেৱাজ আৰু বাঈজীৰ নৃত্যৰ লহমায়ো হয়তো শিশু ৰাভাৰ চিত্তত আলোড়নৰ সৃষ্টি কৰিছিল।

পিতৃ বিয়োগৰ পিছত ১৯১৭ চনত বিষ্ণু প্ৰসাদ তেজপুৰলৈ স্থানান্তৰিত হয় আৰু তাত চৰকাৰী হাইস্কুলত পঢ়িবলৈ লয়। এই ১৯১৭ চনতে সফলভাৱে সংঘটিত হৈছিল আধুনিক পৃথিৱীৰ ৰূপান্তকাৰী ঐতিহাসিক অক্টোবৰ বিপ্লৱ। সাম্ৰাজ্যবাদী ইংৰাজে প্ৰেছ আইন, চেন্সৰ প্ৰথা আৰু অন্যান্য দমনমূলক আইন প্ৰয়োগ কৰিও ভাৰতবাসীক অক্টোবৰ বিপ্লৱ আৰু বিপ্লৱৰ নায়ক লেনিন আৰু বলশ্বেভিক দলৰ বিষয়ে শুদ্ধ তথ্য জনাৰপৰা বিৰত ৰাখিবপৰা নাছিল। এই ক্ষেত্ৰত অসমো পিছ পৰি থকা নাছিল। সেই সময়ত প্ৰকাশ পোৱা অসমীয়া আলোচনী আদিত অক্টোবৰ বিপ্লৱ বিষয়ক নানা কথা প্ৰকাশ হৈছিল। উদাহৰণস্বৰূপে 'আসাম বান্ধৱ' বোলা আলোচনীখনৰ ৮ম বছৰ ৪ৰ্থ সংখ্যালৈয়ে আঙুলিয়াব পাৰি। এই সংখ্যা 'অসম বান্ধৱ'ত তেতিয়াৰ কাৰ্জন হল লাইব্ৰেৰীৰ লাইব্ৰেৰীয়ান গোপাল কৃষ্ণ দেই 'ৰুচ বিপ্লৱ' বোলা আলোচনা এটা প্ৰকাশ কৰি ৰুচ বিপ্লৱৰ প্ৰতি পঢুৱৈ সমাজক আকৃষ্ট কৰিবলৈ সমৰ্থ হৈছিল।

সাম্ৰাজ্যবাদী শাসন আৰু শোষণৰ বিৰুদ্ধে গঢ় লৈ উঠা ভাৰতীয় ৰাইজৰ মুক্তি সংগ্ৰামৰ প্ৰধান প্ৰেৰণা —অক্টোবৰ বিপ্লৱ। ভাৰতীয় মুক্তি সংগ্ৰামীসকলে নিজক বলশ্বেভিক বা কমিউনিষ্ট বুলি পৰিচয় দি আত্মতৃপ্তি পোৱা হৈছিল। অক্টোবৰ বিপ্লৱৰ দশম বাৰ্ষিকী উৎসৱৰ সময়ত ছোভিয়েট দেশ ভ্ৰমণ কৰি অহাৰ পিছত জৱাহৰলাল নেহৰুক একাংশ ভাৰতীয়ই 'কমিউনিষ্ট' বুলি ক'বলৈ লৈছিল। ১৯৩৬ চনতে লেখা আত্মজীৱনীত 'সমাজতন্ত্ৰই ভাৰতৰ আদৰ্শ' বুলি জৱাহৰলালে নিজেই লিখিছিল। ১৯২৯ চনৰ লাহোৰ অধিৱেশনত কংগ্ৰেছৰ সভাপতিৰ আসনৰপৰা দিয়া অভিভাষণকো সমাজতন্ত্ৰৰ বাৰ্তাবাহক বুলি আখ্যা দিয়া হৈছিল।

অক্টোবৰ বিপ্লৱে সৃষ্টি কৰা এই ন ভাবাবেশে অসমকো চুৱাইছিল। অসমৰ

একাংশ লেখক, সাহিত্যিক আৰু সাংবাদিকে যথাসম্ভৱ বিশুদ্ধ ৰূপত সকলো কথা অসমবাসীক জানিব দিছিল। অম্বিকাগিৰী ৰায়চৌধুৰী, চন্দ্ৰনাথ শৰ্মাৰ যুটীয়া সম্পাদনা আৰু প্ৰচেষ্টাত ১৯২১ চনৰ পৰা প্ৰকাশ হ'বলৈ লোৱা আলোচনী 'চেতনা'ৰ ৫ম বছৰৰ ৮ম সংখ্যাত 'ৰুচিয়াৰ ৰাষ্ট্ৰবিপ্লৱ' (বলশ্বেভিজিম)ৰ বিষয়ে অতি উৎসাহেৰে আলোচনা কৰি পৰিণতিত লিখিছে —"এই বিপ্লৱৰ ফলাফল কেৱল ৰুচ জাতিৰ ভাগ্যতে আবদ্ধ থকা নাই, বলশ্বেভিজিমৰ প্ৰভাৱত ৰুচ সিংহাসন উফৰি গ'ল, শ্ৰমিক পীড়িত দলেই ৰাজ্যত হৰ্তাকৰ্তা ৰূপে অভিষিক্ত হ'ল, সমাজত অৰ্থ-গৌৰবাদিৰ দ্বাৰাই ইমান দিনে ওখ আসন পাই অহা শ্ৰেণীৰ মানুহৰ হাহাকাৰ লাগিব ; আৰু লগে লগে পৃথিৱীৰ সকলো জাতিয়েও এটা নতুন শিক্ষা পালে!" এনে আলোচনাই অসমতো অক্টোবৰ বিপ্লৱৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ নিৰ্ণয়ত সহায় কৰে।

কিশোৰ বিষ্ণু প্ৰসাদ এই প্ৰভাৱৰ আবেষ্টনীৰ বাহিৰত থাকিব পৰা নাছিল। বিষ্ণু ৰাভাও বিদ্ৰোহী, বিপ্লৱী হৈ উঠিছিল। ছাত্ৰ ৰাভাই ভাৰতৰ মুক্তি সংগ্ৰামৰ বিভিন্ন কাৰ্যসূচীত সক্ৰিয়ভাৱে যোগ দিছিল। আনকি সেই ছাত্ৰকালতে জাত-পাত, বৰ্ণ-বৈষম্য আদিৰ বিৰুদ্ধেও সাহসেৰে থিয় দিছিল। তেওঁৰ মুখৰ কথা। ভিনিহিয়েকৰ বৰপেটাৰ ঘৰলৈ যাওঁতে তেওঁ কীৰ্তন ঘৰত সোমাল। সমগ্ৰ বৰপেটা জুৰি উখল-মাখল লাগিল —অপৱিত্ৰ মেলেছৰ ল'ৰা পৱিত্ৰ কীৰ্তন ঘৰত সোমাই ধৰ্মত কলংক আনিলে। অধিকাৰ পুৰুষসকলে বিচাৰ সভা পাতিলে। আৰু কিশোৰ বিষ্ণু ৰাভাই দিয়া প্ৰত্যুত্তৰত সকলো নিৰ্বাক হ'ল। তেওঁ বৰ মেলুবৈসকলক জনাই দিলে যে মেছ (মেলেছ) নৰনাৰায়ণ ৰজাই সজোৱা কীৰ্তন ঘৰত সোমোৱাৰ বিশিষ্ট অধিকাৰ যেন তেওঁৰেই। বিষ্ণু প্ৰসাদৰ এই কাৰ্য জানিবা পিছত নৈৰাজ্যবাদী আন্দোলনত যোগ দিয়াৰ আখৰাহে।

তেজপুৰীয়া ছাত্ৰ জীৱনে ৰাভাৰ দুয়োটা জীৱনৰ —ৰাজনৈতিক আৰু সাংস্কৃতিক —বিকাশ সাধনত সহায় কৰিছিল তেতিয়াৰ অসমৰ মুক্তি আন্দোলনৰ ছাত্ৰনেতা চন্দ্ৰনাথ শৰ্মা, লক্ষ্মীধৰ শৰ্মা, হেমচন্দ্ৰ বৰুৱা, অমিয় কুমাৰ দাস আদি তেজপুৰীয়া দৰৱৌীয়াই। ৰাভাই সততে এওঁলোকৰ সান্নিধ্য লাভ কৰিছিল। তেজপুৰ আখ্যান প্ৰসিদ্ধ শোণিতপুৰ। ই উষা-চিত্ৰলেখাৰ স্মৃতি-বিজড়িত সাহিত্য-শিল্পৰ পীঠস্থান। এই উষা-চিত্ৰলেখাৰ নগৰী তেজপুৰৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কমলাপ্ৰসাদ আগৰৱালা প্ৰভৃতি সঙ্গীত বিশাৰদসকল ছাত্ৰকালেৰেপৰা ৰাভাৰ নলে-গলে লগা বন্ধু। তেজপুৰৰ পৰিবেশেও ৰাভাক ৰাজনীতি-সাহিত্য-সঙ্গীত আদিৰ প্ৰতি বাৰুকৈয়ে আকৰ্ষিত কৰিছিল।

১৯২৬ চনত প্ৰৱেশিকা মহলাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ কাৰণে ৰাভা কলিকতালৈ গ'ল। তেতিয়াও কলিকতা আধুনিক ভাৰতৰ শিক্ষা, সংস্কৃতি আৰু

ৰাজনীতিৰ স্নায়ুকেন্দ্ৰ। উনবিংশ শতিকাত কলিকতাক কেন্দ্ৰ কৰি যি ভাৰতীয় নৱ-জাগৰণৰ সৃষ্টি হৈছিল তাৰ ৰেশ তেতিয়াও মাৰ যোৱা নাই। আনহাতে কলিকতা হ'ব ধৰিছে ক্ৰমে ক্ৰমে ভাৰতৰ চেন্ট পিটাৰ্চবাৰ্গ। ৰাভাৰ বহুমুখী প্ৰতিভাৰ বিকাশ কলিকতাতেই ঘটে।

কলিকতাৰ কলেজত সহপাঠীসকলৰ মাজত নৈৰাজ্যবাদী ছাত্ৰ আছিল ; হিমাংশুদত্ত সুৰসাগৰৰ দৰে ব্যক্তিও আছিল ৰাভাৰ নলে-গলে লগা সহপাঠী বন্ধু। এইখন কলিকতাত ৰবীন্দ্ৰনাথ, শৰৎচন্দ্ৰ আদিৰ দৰে সাহিত্যিকসকলৰ তেতিয়া অতুল প্ৰভাব। আগশাৰীৰ বিজ্ঞানী জগদীশ চন্দ্ৰ বসু, প্ৰফুল্ল চন্দ্ৰ ৰায়, চন্দ্ৰশেখৰ ভেংকটৰমণ আদি তেতিয়াৰ কলিকতাৰ আকৰ্ষণ। সাম্ৰাজ্যবাদী শোষক ইংৰাজৰ অধীনত থকা সত্বেও তেতিয়াৰ কলিকতাত নিত্য নতুন ভাবৰ প্ৰবল আলোড়ন।

এইখন কলিকতাই বিষ্ণু ৰাভাক জানিবা কেউদিশে হাত-বাউল দি আমন্ত্ৰণ জনাব ধৰিলে। ৰাভাৰ জীৱন চঞ্চল-অথিৰ হৈ উঠিল। ক'লৈ যায়, কি কৰে ঠিকনা নোহোৱা হৈ পৰিল। কেৱল উথল-মাথল, উথল-মাথল। ফলত যিহকে দেখে বা শুনে তাৰ প্ৰতিয়ে ৰাভা আকৃষ্ট হ'বলৈ ধৰিলে। ১৯২৮ চনত বিশ্ববিখ্যাত ৰুচ নৃত্যশিল্পী বেলেৰিনা আঁনাপাভ্‌লোভাই কলিকতাত নৃত্য পৰিবেশন কৰে। এই নৃত্যই যুৱ ৰাভাক আকৃষ্ট কৰে। আনাপাভ্‌লোভাৰ দলত যোগ দি অনুগামী হ'বলৈ আগ্ৰহ প্ৰকাশ কৰে। আনাপাভ্‌লোভাৰ পৰামৰ্শ ক্ৰমেহে ৰাভা অসমৰ থলুৱা নৃত্য-গীত আদিৰ চৰ্চা, অনুশীলন আৰু প্ৰচাৰ কাৰ্যত ব্ৰতী হৈছিল। আনহাতে সহপাঠীসকলৰ সম্পৰ্কই ৰাভাক নৈৰাজ্যবাদী আন্দোলনৰ মাজলৈও টানি নিছিল। ফলত কলিকতাৰ কলেজ এৰি গৈ কোচবেহাৰৰ ভিক্টোৰিয়া কলেজত গৈ যোগ দিব লগাত পৰিছিল। কোচবেহাৰতো ৰাভা নৈৰাজ্যবাদীসকলৰ সান্নিধ্যলৈ আহিছিল। ফলস্বৰূপে কোচবেহাৰত চলি থকা ৰিজেন্ট আৰু দেৱান বিৰোধী আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰিছিল। ৰাজবাৰীৰ সিংহদ্বাৰত ঃ

ৰাজ্যে আছে দুইটি পাঠা।
একটি কালো একটি সাদা।।
ৰাজ্যেৰ যদি মঙ্গল চাও।
দুইটি পাঠাই বলি দাও।।

বুলি বঙালীত 'ছড়া' ছন্দ লেখি আৰি দিব পাৰিছিল। প্ৰতিফল স্বৰূপে কোচ-বেহাৰো এৰিব লগাত পৰে। এইবাৰ গৈ ছাত্ৰ হ'ল ৰংপুৰৰ (বৰ্তমান বাংলাদেশৰ ভিতৰুৱা) কাৰ মাইকেল কলেজৰ। তাতো নৈৰাজ্যবাদীৰ সম্পৰ্কই তেওঁক চিৰদিনৰ কাৰণে ছাত্ৰ জীৱনৰ ওৰ পেলাবলৈ বাধ্য কৰে।

এই কালছোৱাৰ ভাৰতবৰ্ষখনেই চঞ্চল-অথিৰ আছিল। ১৯২০-২১ চনৰপৰা মুক্তি-সংগ্ৰাম ব্যাপক ৰূপত গঢ় লৈ উঠিছে। কিন্তু ই আছিল প্ৰায় লক্ষ্যবিহীন। সেই কাৰণেহে চৌৰি-চৌৰাৰ হত্যাকাণ্ডৰ লগে লগে আন্দোলন বৰ্জন কৰা হৈছিল বুলিব পাৰি। প্ৰকৃততে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়লৈকে ভাৰতৰ মুক্তি-সংগ্ৰামৰ স্থিৰ লক্ষ্য নাছিল। সাম্ৰাজ্যবাদী ইংৰাজৰ কবলৰপৰা মুক্ত হৈ স্বাধীন ভাৰতে যি সংবিধান ৰচনা কৰিলে, তাত সমাজতন্ত্ৰই ভাৰতৰ লক্ষ্য বুলি ঘোষণা কৰা হৈছে ; কিন্তু সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ অৰ্থে কোনো যথাৰ্থ পথৰ সন্ধেদ তাত দিয়া হোৱা নাই। জানিবা 'অন্ধ নিয়তিৰ অন্ধপথত'হে ভাৰতবাসীৰ জীৱন ৰথ জৰ্জৰিত হ'বলৈ এৰি দিয়া হৈছে।

বহুতে কয় যে ১৯২৫ চনতে ভাৰতত কমিউনিষ্ট পাৰ্টি সংগঠিত হৈছিল। কিন্তু ই তথ্যৰ ভেটিত প্ৰতিষ্ঠিত নহয় বুলি কোৱাৰ থল আছে। অৱশ্যে মানবেন্দ্ৰ নাথ ৰায়ৰ নেতৃত্বত ছোভিয়েট দেশৰ তাছকন্দত ভাৰতীয় মুছাফিৰসকলে ভাৰতীয় কমিউনিষ্ট পাৰ্টি ১৯২০ চনতে গঠন কৰা কথা সঁচা। এই কথাও সঁচা যে মানবেন্দ্ৰ নাথ ৰায়ৰ নেতৃত্বাধীন এই পাৰ্টিয়ে ভাৰতৰ বুকুতো কমিউনিষ্ট পাৰ্টি গঠন কৰিবলৈ নানা প্ৰকাৰে চেষ্টা চলাইছিল। কিন্তু কেইবাবছৰলৈ ভাৰতত কমিউনিষ্ট পাৰ্টি গঠন হোৱা নাছিল বুলি ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ জন্মলগ্নৰ আগৰেপৰা সক্ৰিয়ভাৱে জড়িত বিশিষ্ট কমিউনিষ্ট নেতা মুজফৰ ৰহমানে 'আমাৰ জীৱন ও ভাৰতেৰ কমিউনিষ্ট পাৰ্টি' বোলা গ্ৰন্থত স্পষ্টভাৱেই কৈ গৈছে। বোম্বাই আৰু কানপুৰৰ যি সংগঠনক মুজফৰ ৰহমানে "কেৱল নামতহে" থকা ভুৱা সংগঠন বুলিছে, একে প্ৰসঙ্গতে তেওঁ কোৱা মতে সেই সংগঠনবোৰৰ লক্ষ্য আছিল আন্তৰ্জাতিক কমিউনিষ্ট সংগঠন 'কমিণ্টাৰ্ণ'ৰপৰা ধন আত্মসাৎ কৰা। ১৯২১ চন মানৰপৰা কলিকতা, কানপুৰ, বোম্বাই আদিত যি শ্ৰমিক-কৃষকৰ সংগঠন 'ৱৰ্কাৰ্চ এণ্ড পেজাণ্টচ্ পাৰ্টি' গঢ় লৈ উঠিছিল সিও আছিল তেনেই দুৰ্বল। অৱশ্যে ১৯২৮ চনৰ ২১-২৪ ডিচেম্বৰলৈ কলিকতাত 'ৱৰ্কাৰ্চ এণ্ড পেজাণ্টচ্ পাৰ্টি'ৰ যি সৰ্বভাৰতীয় সন্মিলন অনুষ্ঠিত হৈছিল তাকেই ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ ভেটি বুলিব পাৰি। কিন্তু ১৯৪৫ চন মানলৈ ভাৰতীয় কমিউনিষ্ট পাৰ্টি আছিল ৰাষ্ট্ৰীয় কংগ্ৰেছ অনুষ্ঠানৰ ভিতৰুৱা। কৃষক-শ্ৰমিকক সংগঠন কৰাত বা কৃষক-শ্ৰমিকৰ দাবী সাব্যস্ত কৰাত এই দলে সক্ৰিয় ভূমিকা বহন কৰিছিল সঁচা, কিন্তু কমিউনিষ্ট ভাৰত গঢ়াৰ দৃঢ়তা তেতিয়া ঘোষণা হোৱা নাছিল।

ছাত্ৰকালৰেপৰা বিষ্ণু ৰাভা জড়িত থকা নৈৰাজ্যবাদী আন্দোলনো আছিল এক প্ৰকাৰ ভাববাদী আন্দোলনহে। কোনো সন্দেহ নাই যে নৈৰাজ্যবাদী আন্দোলনৰ লগত সক্ৰিয়ভাৱে জড়িতসকল আছিল ওখ খাপৰ দেশপ্ৰেমী, দেশৰ স্বাৰ্থত চূড়ান্ত ত্যাগ

কৰিবলৈ তেওঁলোক সাজু আছিল। কিন্তু তেওঁলোকে অনুভৱ কৰিব পৰা নাছিল যে যথানিৰ্দিষ্ট আদৰ্শেৰে সমাজৰ বৃহত্তম সংখ্যক লোকক সচেতনভাৱে সংগঠিত কৰিব নোৱাৰিলে কোনো আন্দোলনেই ইপ্সিত ফল লাভত সহায় কৰিব নোৱাৰে। কেইজনমান অত্যাচাৰী আমোলাক হত্যা কৰিলেই সমাজৰ পৰিবৰ্তন আহিব বুলি কল্পনা কৰা কেৱল আকাশ কুসুমহে। অৱশ্যে নৈৰাজ্যবাদীসকলৰ গঢ় লৈ উঠিব ধৰা ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ লগত সম্পৰ্ক আছিল আৰু ভাৰতীয় বিপ্লৱী কমিউনিষ্ট পাৰ্টি গঠনত এই নৈৰাজ্যবাদী আন্দোলনৰ প্ৰভাৱ আছিল বুলিব পাৰি।

ভাৰতীয় জাতীয় জীৱনৰ এনে চঞ্চল-অথিৰ পৰিস্থিতি আৰু পৰিবেশেই চল্লিশৰ দশকৰ আৰম্ভণিলৈকে অন্যান্য বহুতৰ দৰেই বিষ্ণু ৰাভাকো চঞ্চল-অথিৰ কৰি ৰাখিছিল বুলিব পাৰি। এই কালছোৱাতে তেওঁ চিনেমা কোম্পানীও খুলিছিল, মাছৰ বেপাৰো কৰিছিল, অসমীয়া সংস্কৃতিৰ প্ৰচাৰক ৰূপেও অৱতীৰ্ণ হৈছিল। এই কালছোৱাৰ বিষ্ণু ৰাভা জানিবা জোনাকী যুগীয়াসকলৰ সদৃশহে আছিল। অতীত-প্ৰীতি, শংকৰ-মাধৱৰ স্মৃতি আদিয়েই আছিল তেতিয়াৰ ৰাভাৰ জীৱনৰ আদৰ্শ। এই সময়তে তেওঁ গান ৰচনা কৰি গাইছিল —

অ' অসমীয়া ডেকাদল!
অ' অসমীয়া ডেকাদল!
আজি তোৰ তেজাল বদন মলিন কিয় হ'ল?
দুৰ্গম নদ-পাহাৰ গিৰি
লংঘিছিলে ডেকাগিৰী
সুন্দৰ শংকৰে লৰি কৰিছিলে তল
দেখুৱাইছিল জগত জুৰি অসীম বাহুৰ বল,
সিও যে তোৰ নাইকিয়া হ'ল।
কীৰ্তন, দশম, নামঘোষা
হওক আমাৰ শৌৰ্য
নাট-গীত-নাম-বৰগীত
হওক আমাৰ তূৰ্য্য
আহিঁ তেওঁৰ এই অসমৰ
হও অসীম বীৰ্য
অসমীয়া, সমনীয়া, আগবাঢ়ি যাওঁ ব'ল।

শংকৰদেৱ সামন্তযুগৰ সৃষ্টি ; অন্যান্য ভাৰতীয় বৈষ্ণৱৰ দৰে তেওঁৰো মূল আদৰ্শ আছিল সামন্তযুগীয়া সামাজিক ভেদভাৱ, জাতিভেদ আদি আঁতৰোৱা। ই এটা সজ চেষ্টা। কিন্তু শ্ৰেণীহীন সমাজ-ব্যৱস্থা গঢ় লৈ নুঠে মানে এনেবোৰ সামন্তযুগীয়া

বিভেদ-বিচ্ছিন্নতাৰো ওৰ নপৰে। শংকৰদেৱে কিন্তু শ্ৰেণী সমাজকেই সমৰ্থন কৰিছিল। ভাগৱতৰ অনুকৰণত হ'লেও তেওঁ যেতিয়া কয়, —

তেজস্বীক কিছো পাতকে নপাৱে
আত কোন দোষ আছে।
যেন সৰ্বভক্ষ বহ্নি তথাপিতো
তাংক কোন জনে বাছে।।

(ভাগৱত : ১০।১৫৩৫)

তেতিয়া শ্ৰেণী প্ৰভু 'তেজস্বী' পুৰুষসকলক শংকৰদেৱে ৰক্ষাকবচ পিন্ধাইছে। তথাপি বিষ্ণু প্ৰসাদ ৰাভাই যেতিয়া গীত-পদ আৰু প্ৰবন্ধ ৰচনা কৰি শংকৰী সংস্কৃতিৰ বহল প্ৰচাৰ হ'লেহে সুখী-সমৃদ্ধিশালী সমাজ গঢ় লৈ উঠিব বুলি কল্পনা কৰে, তেতিয়া তেওঁক ভাববাদীত বাহিৰে অন্য বুলিব নোৱাৰি।

ৰাভাৰ সম্পূৰ্ণ ৰচনাৱলী প্ৰকাশ নোহোৱা কাৰণে আৰু এতিয়ালৈ এখন বিজ্ঞানসম্মত জীৱনী পুথিও প্ৰকাশ নোপোৱা কাৰণে ৰাভাৰ মানসিক উত্তৰণৰ বিষয়ে সঠিক অভিমত দাঙি ধৰা টান। জনা যায় যে ত্ৰিশৰ দশকৰ শেষৰ বছৰত অসমত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সংগঠন গঢ় লৈ উঠে। ১৯৫১।৫২ চন মানলৈ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সংগঠন অসমত প্ৰবল। কিন্তু ১৯৫০।৫১ চনৰ কমিউনিষ্ট নিৰ্যাতনৰ পিছত বহুতো বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সদস্য ভাৰতীয় কমিউনিষ্ট পাৰ্টিত যোগ দিয়ে। ৰাভাই চল্লিশৰ দশকৰ আৰম্ভতে বিপ্লৱী কমিউনিষ্ট পাৰ্টিত আৰু পঞ্চাশৰ দশকৰ মাজভাগত ভাৰতীয় কমিউনিষ্ট পাৰ্টিত যোগ দিয়ে। হেমাংগ বিশ্বাসে 'অসমৰ শিল্পী-সৈনিক বিষ্ণু প্ৰসাদ ৰাভা' বোলা আলোচনাত কোৱাৰ দৰে "তেওঁৰ চঞ্চল, অস্থিৰ শিল্পী জীৱনলৈ (ইয়ে) আনিছে সাগৰ-সংগমৰ পূৰ্ণতা আৰু গভীৰতা।"

কমিউনিষ্ট পাৰ্টিত যোগ দি মাৰ্ক্সবাদী-লেনিনবাদী আদৰ্শেৰে নিজৰ লগতে সমাজক গঢ়িবলৈ লোৱা দৃঢ়তাই সঁচাকৈয়ে যেন ৰাভাৰ জীৱনলৈ পূৰ্ণতা আৰু গভীৰতা আনি দিছিল। বিশৰ দশকৰ মাজৰ ভাগৰপৰা তেওঁ কলা-সংস্কৃতি, নৃত্য-গীত আদিৰ বিকাশত আত্মনিয়োগ কৰিছে, শংকৰী কৃষ্টিৰ প্ৰচাৰৰ অৰ্থে প্ৰচাৰকৰ ভূমিকা লৈছে, তেতিয়াৰ বৰ অসমৰ পৰ্বতে-ভৈয়ামে ঘূৰি ঘূৰি শংকৰী নৃত্য-গীত, তত্ত্ব আদি প্ৰচাৰ কৰিও ফুৰিছে। কিন্তু ভাববাদী আদৰ্শৰ অনুগামী হৈ থকাৰ কাৰণে অসমীয়া প্ৰজাৰ দুখ-দুৰ্গতিৰ কাৰণ অনুভৱ কৰিব পৰা নাছিল আৰু জন-জীৱনৰ বিকাশৰ প্ৰকৃত পথৰো সন্ধেদ দিব পৰা নাছিল। পুৰণিকলীয়া আলংকাৰিকসকলৰ দৰে ৰাভায়ো তেতিয়া সাহিত্য-সংস্কৃতি তথাকথিত সুৰুচিসম্পন্ন সহৃদয় সামাজিকৰ সম্পদ বুলিয়ে অনুভৱ কৰিছিল।

কমিউনিষ্ট পাৰ্টিত যোগ দিয়াৰ লগে লগে তেওঁ, —

কীৰ্তন, দশম, নামঘোষা
হওক আমাৰ শৌৰ্য
নাট-গীত-নাম-বৰগীত
হওক আমাৰ তুৰ্য্য।

আদিৰ দৰে গীত ৰচনা কৰিবলৈ এৰিলে। তেওঁ নতুনকৈ শিকিলে যে সমাজ গঢ়ে —কৃষক আৰু শ্ৰমিকেহে। কৃষক-শ্ৰমিকক সচেতনভাৱে সংগঠিত কৰি বিপ্লৱৰ জৰিয়তে শোষণহীন সমাজ গঢ়ি তুলিব নোৱাৰিলে এই শ্ৰমজীৱী লোকসকলৰ কল্যাণ সাধন অৰ্থাৎ সমাজৰ প্ৰকৃত সাংস্কৃতিক বিকাশ অসম্ভৱ। শোষণহীন সংস্কৃতিসম্পন্ন সমাজ গঢ়াৰ অৰ্থে তেওঁ নতুন গান ৰচনা কৰিবলৈ ল'লে, —

ব'ল ব'ল ব'ল ব'ল
কৃষক-শক্তি দল!
অ' বনুৱা অসমীয়া
আগবাঢ়ি যাওঁ বল।

এতিয়া তেওঁৰ গান হ'ল কৃষক-শ্ৰমিকক জগাই তোলা বিপ্লৱৰ একো একোপাট অস্ত্ৰ ঃ

জাগ্ জাগ্ জাগ্ জাগ্
মজদুৰ ন-জোৱান।
নিৰ্যাতিত-নিপীড়িত
কৃষক শক্তিমান।

কৃষক-শ্ৰমিকক আত্মসচেতন কৰি তুলিবৰ অৰ্থে গাবলৈ ল'লে, ঃ

তোৰ বাহুতে আছে লুকাই
অসীম শক্তি বল।
ৰণৰ শিঙা বাজে শুন ঐ
আগবাঢ়ি যাওঁ ব'ল।
কিহৰনো ভয়? আছে অভয়—
বাণী দেৱতাৰ
শতক সৌ চৌপাশে ৰয়
ধনী জমিদাৰ ;
শুহে কলিজাৰ ৰঙা তেজ
প্ৰজা দুখীয়াৰ

ধ্বংস কৰ ধ্বংস কৰ
ধনীৰ অহংকাৰ।
দয়া-মায়া নকৰিবি
ক্ষমাৰ দিন যে গ'ল
হাল-কোৰ-দা-হাতুৰি লৈ
আগবাঢ়ি যাওঁ ব'ল।

এই সুৰেই হ'ল চল্লিশৰ পিছৰপৰা মৃত্যুৰ সময়লৈ ৰাভাৰ জীৱনৰ প্ৰকৃত সুৰ। কিন্তু বিচ্যুতি ঘটা নাছিল বুলি ক'ব নোৱাৰি। কাৰণ তেওঁ জীৱনৰ শেষলৈকে মধ্যযুগীয়া একান্ত ভক্তৰ দৃষ্টিৰে শংকৰদেৱৰ জীৱন অলৌকিক ৰূপত ব্যাখ্যা কৰিবলৈ এৰা নাছিল ; কমিউনিষ্ট ৰাভাই ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী ৰূপেহে নিৰ্বাচিত হৈছিল। আদৰ্শৰ ক্ষেত্ৰত শিথিলতা নথকাহেঁতেন এনে ব্যতিক্ৰম নঘটিলহেঁতেন।

কমিউনিষ্ট পাৰ্টিত, বিশেষকৈ বিপ্লৱী কমিউনিষ্ট পাৰ্টিত যোগ দিয়াৰ পিছত ৰাভাই 'সাগৰ সংগমৰ পূৰ্ণতা আৰু গভীৰতা' লাভ কৰিছিল বুলি ভবাৰ যুক্তি নথকা নহয়। ধাৰণা হয় জানিবা তেতিয়া তেওঁ এক ব্যক্তি নাছিল, এক বিৰাট শক্তিৰূপেহে প্ৰকাশ পাইছিল। এতিয়া তেওঁ যেন জন-জীৱনৰ প্ৰাণৰ তন্ত্ৰীৰ লগত সংযোগ-সেতু বান্ধিবলৈ সমৰ্থ হ'ল। আগতে তেওঁৰ ধাৰণা আছিল যে কীৰ্তন, দশম, নামঘোষা, নাট, গীত, বৰগীত আদিৰ চৰ্চা হ'লেই বৰ অসম আপোনা-আপুনি ৰমকজমক হৈ জিলিকি উঠিব। সেই হেতুকেই গৈ বৰপেটাৰ ভকত-বৈষ্ণৱৰ মাজত থাকি সিবোৰৰ চৰ্চা-অনুশীলন কৰিবলৈ লৈছিল আৰু বৰ অসম জুৰি প্ৰচাৰকৰ ভূমিকাতো অৱতীৰ্ণ হৈছিল। এতিয়া তেওঁ বুৰ মাৰিলে জনসমুদ্ৰৰ মাজত, —"চিৰ শাসিত, শোষিত, নিৰ্যাতিত আৰু অত্যাচাৰিত" এই জন-জীৱনক মুক্তিৰ সম্ভেদ দিয়াৰ দৃঢ়তাৰে। গণ-জীৱনক শোষণ, শাসন, নিৰ্যাতন, অপমানৰপৰা মুক্ত কৰি প্ৰকৃত সংস্কৃতিসম্পন্ন ৰূপে গঢ়ি তোলাই হ'ল জানিবা ৰাভাৰ জীৱনৰ ধ্যান-ধাৰণা।

১৯৪৫ চনৰ ৰঙালী বিহুৰ সময়ত উত্তৰ কামৰূপৰ কনিহাৰ বিহুতলীৰ সাংস্কৃতিক অনুষ্ঠানত সভাপতিত্ব কৰি দিয়া অভিভাষণখনি ৰাভাৰ মানসিক উত্তৰণৰ এখন মূল্যবান দলিল। ইয়াত তেওঁৰ চিন্তাৰ পূৰ্ণতা আৰু গভীৰতাৰ লক্ষণ স্পষ্ট। ব্যক্তিত্ববাদ বা অহমিকাবোধ বোলা কিবা আছিল যদি সি এতিয়া আঁতৰি গ'ল, নিজক "ৰাইজৰ চৰণৰ ধূলি এই নিঃকিনজন" বুলিহে তেওঁ পৰিচয় দিয়া কৰিলে। তেওঁ বুজি পালে যে সংস্কৃতি ধনী, জমিদাৰ, হাকিম, পুঁজিপতি, চাহ বাগিচাৰ মালিক প্ৰভৃতি শোষক শ্ৰেণীয়ে গঢ়া নাই, সংস্কৃতি গঢ়িছে আৰু জীয়াই ৰাখিছে —নিৰ্যাতিত-নিষ্পেষিত দুখীয়া গাঁৱলীয়া কৃষক-বনুৱাইহে।" (অসমীয়া কৃষ্টিৰ চমু আভাস)। কনিহাৰ এই

সাংস্কৃতিক সন্মিলনৰ ভাষণত তেওঁ দ্বিধাহীনভাৱে ঘোষণা দিলে যে ধনী-জমিদাৰ, হাকিম, পুঁজিপতি, চাহ বাগিচাৰ মালিক আদি "অসমীয়া নহয় আৰু ভাৰতৰ নাগৰিকো নহয়। পৃথিৱীৰ আন আন দেশৰ সেই একে শোষক সম্প্ৰদায়ৰ তেওঁলোক, যাৰ জাতি নাই, দেশ নাই, কেৱল সুবিধাবাদী, মুনাফাখোৰ, চোৰাংবজাৰী।" লেনিনে কোৱাৰ দৰে ৰাভাৰো উপলব্ধি হ'ল যে সংস্কৃতি গণ-জীৱনৰ সম্পদ, গণ-জীৱনক কেন্দ্ৰ কৰিয়েই সংস্কৃতি গঢ়িবও লাগিব আৰু সংস্কৃতি জীয়াই ৰাখিবও লাগিব ; আৰু তাকে কৰিবলৈ হ'লে "চিৰ শাসিত, শোষিত, নিৰ্যাতিত আৰু অত্যাচাৰিত" গণ জীৱনক সমাজতন্ত্ৰ-সাম্যবাদৰ পোহৰেৰে আলোকিত কৰিব লাগিব। তেওঁ নিজে কৈছে, — "কমিউনিজিমৰ পোহৰে ৰাইজৰ অন্তৰৰ অজ্ঞতাৰ তিমিৰ-অন্ধকাৰ আঁতৰাই দিয়ে। পোহৰত মুকুতিৰ বাট মুকলি হয় —বিপ্লৱৰ বাট। আমি জ্বলাওঁ সেই জুঁৰি কাঠীৰ জুই —জুমুঠি।" (পাতনি : সোণপাহি)।

গণ-সমুদ্ৰ জন-জীৱনৰ মাজত বুৰ মৰাৰ পিছত ৰাভাৰ ক্ৰমে ক্ৰমে মানসিক বিকাশ ঘটা অনুভৱ কৰা যায়। তেওঁ ক্ৰমে ক্ৰমে সমাজতান্ত্ৰিক গবেষক-পণ্ডিত ৰূপে প্ৰকাশ পাব ধৰিলে। ভাষা, সংস্কৃতি, সমাজ সকলো দিশতে মৌলিক ব্যাখ্যাও আগবঢ়াব ধৰিলে। সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ দৰে ভাষাবিদ পণ্ডিতেও ৰাভাৰ মৌলিক চিন্তাৰ তাৰিফ কৰিব ধৰিলে। কিন্তু ৰাভাক চিনি নাপালে গণতান্ত্ৰিক ভাৰত তথা অসম চৰকাৰে। চৰকাৰে ৰাভাক আটক কৰি শাস্তি বিহিব বিচাৰিলে। ৰাভাৰ দোষ যে ৰাভা কমিউনিষ্ট, কমিউনিষ্ট ৰাভাই গণ-জীৱনক শোষণ-নিৰ্যাতনৰপৰা মুক্ত কৰিব বিচাৰে। গণ-জীৱনৰ মাজত নিজক আবদ্ধ ৰখা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক জীৱিত বা মৃত অৱস্থাত চৰকাৰক ধৰিব দিব পৰাজনলৈ লোভনীয় পুৰস্কাৰ ঘোষণা কৰিবলৈ আমাৰ দেশৰ গণতান্ত্ৰিক চৰকাৰে লজ্জা অনুভৱ নকৰিলে।

ৰাভা কিন্তু তেতিয়া আদৰ্শত অটল। ভদ্ৰবেশী তথাকথিত সু-সভ্যলোকে যিবিলাক শ্ৰমজীৱী মানুহক কোনো দিনে মানুহ বুলি স্বীকৃতি দিয়া নাই, মৰম-সহানুভূতিৰ মাত এষাৰ দিয়া নাই, সেইসকলক সচেতনভাৱে জাগ্ৰত কৰি তোলাৰ অৰ্থে ৰাভা নিয়োজিত, যিটোক তেওঁ নিজে 'অজ্ঞাতবাসপৰ্ব' নামে অভিহিত কৰিছিল। ৰাভাই এই গণ-জীৱনক বুলিছে "গণপতিগণেশ।" লোকায়ত দৰ্শনৰ দৃষ্টিৰে 'গণেশ'ৰ ব্যাখ্যা দাঙি ধৰি কৈছে, —"মানৱ সমাজত গণপতি আন একোৱে নহয়, —স্বয়ং জনগণ আৰু সেই জনগণেই গণপতি! গতিকে গণপতি, কাৰণ স্বয়ং জনগণেই ঈশ বা ঈশ্বৰ, গণেশ, গণেশ্বৰ। তেওঁৰ অৰ্থাৎ একতাবদ্ধ জনতাৰ সিদ্ধি সৰ্বত্ৰ। এই কাৰণে তেওঁ সিদ্ধিদাতা সিদ্ধেশ্বৰ। এই সিদ্ধিদাতা এগুটীয়া ৰাইজেই সমাজৰ মহাৰ্ঘ প্ৰগতিৰ অব্যৰ্থ বাহন। এই গণেশ যেই-সেই গণেশ নহয়, এদঁতীয়া গণেশ, —একতা ডোলেৰে গুঁথা গণেশ গণদেৱতা।" (পাতনি : সোণপাহি)।

এই গণশক্তি গণেশক আত্মশক্তিৰ মহিমাৰে জাগ্ৰত কৰি তোলাই হ'ল 'অজ্ঞাতবাস' আৰু তাৰ পিছৰ বিষ্ণু ৰাভাৰ জীৱনৰ মূল লক্ষ্য। তেওঁ গণশক্তি গণেশক আত্মশক্তিৰ মহিমাৰে জাগ্ৰত কৰি তোলাৰ অৰ্থেই গাবলৈ ধৰিলে, —

আমি খুৱাওঁ বিশ্ববাসীক
মাটি ফালি ধান,
আমি যোগাওঁ ধনী শ্ৰেণীক
অস্ত্ৰ শক্তিমান।
কাৰখানা-কল আমাৰ সৃজন
পথাৰ সুবহল।.......
তেওনো কিয় আমাৰ এনে
আলৈ-বিলৈ হ'ল?
অ' হালোৱা অ' বনুৱা
গা তুলিবৰ হ'ল—
ৰঙা তেজৰ নিচানটি লৈ
আগবাঢ়ি যাওঁ বল।

ওপৰত কৈ আহিছোঁ যে চল্লিশৰ দশকৰ আৰম্ভলৈকে ৰাভা জোনাকীযুগীয়া আদৰ্শৰ প্ৰচাৰক স্বৰূপহে আছিল। তেতিয়াৰ ৰাভাই অসম-অসমীয়াৰ কথাহে গুণা-গঁথা কৰিছিল। বেজবৰুৱাই কৃপাবৰী ভঙ্গিত ক'লেও তেতিয়া "অসমীয়া জাতি আছিল ডাঙৰীয়া জাতি" —(অসমীয়া জাতি ডাঙৰ জাতি) আৰু অসমীয়া ভিন্ন অন্যান্য ভাৰতীয় আছিল অসমীয়াৰ মানত বিদেশী। এই বিদেশী মাত্ৰৰে প্ৰতি ঘৃণাই" আছিল তেতিয়াৰ অসমীয়াৰ মানত "দেশ গৌৰৱৰ প্ৰমাণ।" (ঐ)। এনে উগ্ৰ জাতীয়তাবাদী আদৰ্শেৰে অনুপ্ৰাণিত ৰাভাই কেৱল অসমীয়াৰ উন্নতি বা বিকাশৰ কথাহে আগতে গীত-মাতে প্ৰকাশ কৰিছিল। এতিয়া ৰাভা হ'ল ভাৰতীয়, লগে লগে সমাজতান্ত্ৰিক হিচাপে বিশ্বৰ নাগৰিকো। এতিয়া তেওঁ 'অসমী জননী'ৰ লগতে 'ভাৰতী জননী'ৰো গুণ-গান কৰিব ধৰিলে।

আই মোৰ ভাৰতী জননী
লখিমী দুখুনী
ভাৰতবাসীৰ হৃদয়ৰে ৰাণী ;
মোৰ পৰাণৰ
মোৰ জীৱনৰ
চেনেহী গোসাঁনী।

সোণামুৱা সঁফুৰা মুখেৰে কোলাত তোৰ
উমলি পাওঁ সৰগৰ অমিয়া মোৰ
তেও কিয় নপৰে শত শত দুখৰ ওৰ।......
চেনেহী চিকুণী দেৱী! অসমী জননী
লখিমী দুখুনী মোৰ চেনেহী গোঁসানী
পিশাচে নি শুহি
ৰকত পিয়েহি
হিয়া তোৰ যায় জহি
ওৰে নিশা দিন........

ভাৰতীয় নৱ-জাগৰণৰ আদৰ্শেৰে অনুপ্ৰাণিত বিষ্ণু ৰাভাই ছাত্ৰ কালৰেপৰা বিস্তৰ পঢ়া-শুনা, চিন্তা-চৰ্চা কৰিছিল বুলি জনা যায়। নৈৰাজ্যবাদী আন্দোলনৰ লগত জড়িত থকা দিনৰেপৰা তেওঁ সমাজতান্ত্ৰিক ছোভিয়েট ৰুচিয়াই ভাষা আৰু জাতি-সমস্যা কিদৰে সমাধা কৰিবলৈ সমৰ্থ হৈছিল তাক আনহে নালাগে ত্ৰিশৰ দশকৰ অসমীয়া আলোচনী 'আৱাহন' আৰু 'বাঁহী'ৰ বুকুতেই, জানিব পৰা হৈছিল। তেতিয়াই 'বৰ অসম' বোলা এটা নিবন্ধত অসমৰ ভাষা আৰু জাতি-সমস্যাৰ আলোচনা দাঙি ধৰি সমাধানৰ পথৰ ইংগিত দি কৈছিল, —"অসমৰ অত্যাচাৰিত আৰু অৱনত জাতিসমূহক আন আন উন্নত জাতিৰ লগত একে আসনতে ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজনেতাসকলে এতিয়াৰপৰা চেষ্টা কৰা উচিত। তাকে নকৰিলে অৱনত জাতিসমূহৰ বুকুত বিদ্ৰোহৰ অগনি জ্বলাই আৰু অসমত এটা গৃহকন্দলৰ বাহ সাজি দিয়া হ'ব।" (আবাহন ঃ ২য় বছৰ, ১১ শ সংখ্যা)।

কমিউনিষ্ট দলত যোগ দিয়াৰ পিছত ৰাভাৰ এই দৃষ্টি আৰু স্পষ্ট হৈছিল, বহল আৰু উদাৰ কমিউনিষ্ট গণতান্ত্ৰিক দৃষ্টিৰে অসমৰ ভাষা আৰু জাতি-সমস্যা সমাধানৰ ওপৰত তেওঁ সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল। প্ৰকৃত কমিউনিষ্ট প্ৰকৃত গণতান্ত্ৰিকো —পুঁজিপতি, মহাজন, জমিদাৰ, বৰ বৰ আমোলা প্ৰভৃতি স্বৈৰতন্ত্ৰী —ফেটীবাদী— আনৰ ওপৰত সততে নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিব বিচাৰে। কমিউনিষ্টে বিচাৰে সকলোৰে শান্তিময়, সুখময় আৰু সমতাময় পূৰ্ণ বিকাশ, ব্যক্তিয়েই হওক বা সমষ্টিয়েই হওক দুৰ্বলৰ ওপৰত কোনোপধেও সবলৰ প্ৰভুত্ব বা অত্যাচাৰ-নিপীড়ন সহ্য নকৰে। এই কমিউনিষ্ট দৃষ্টিৰেই ৰাভাই অসমৰ ভাষা, সাহিত্য আৰু জাতি-সমস্যা সমাধান কৰিব বিচাৰিছিল। সেই কাৰণেই তেওঁ অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিক বৰ লুইতৰ লগত তুলনা কৰিছিল। লুইতৰ বিশালতা-গভীৰতাৰ মূলতে আছে তাত মিলা অসংখ্য নৈ, জান, জুৰি। নৈ, জান, জুৰিবোৰ আহি লুইতত নিমিলাহেঁতেন লুইত

ইমান বিশাল, ইমান গভীৰ নহ'লহেঁতেন। অসমৰ ভাষা, সাহিত্য আৰু সংস্কৃতি ভিন ভিন গোষ্ঠীৰ জাতি-উপজাতিৰ সমন্বয়ত গঢ় লৈ উঠিছে। অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি গঢ়াত অৰিহণা যোগোৱা এই ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিবোৰৰ ভাষা, সাহিত্য, সংস্কৃতিৰ পূৰ্ণ বিকাশ ঘটিলে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ ৰূপো বিশালৰপৰা বিশালতৰ হ'ব বুলি তেওঁ প্ৰকৃত কমিউনিষ্টৰ দৃষ্টিৰে বিশ্বাস কৰিছিল। তেওঁ প্ৰকৃত কমিউনিষ্টৰ দৃষ্টিৰে ইয়াকো বিশ্বাস কৰিছিল যে বিভিন্ন গোষ্ঠী বা জাতি সত্তাৰ ভাষা, সাহিত্য, সংস্কৃতিৰ বিকাশ ঘটিলেহে অসমবাসী ৰাইজৰ পাৰস্পৰিক সন্দেহ-সন্দিগ্ধতা আঁতৰি গৈ প্ৰকৃত বন্ধুত্ব প্ৰতিষ্ঠা হ'ব আৰু তেতিয়াহে অসমৰ দ্ৰুত বিকাশ সম্ভৱপৰ হ'ব।

অৱশ্যে এনে কমিউনিষ্ট দৃষ্টিভঙ্গীৰ কাৰণে ৰাভা শোষক শ্ৰেণী আৰু তেওঁলোকৰ বহতীয়া একাংশ বুদ্ধিজীৱীৰ কটু সমালোচনাৰ সন্মুখীন হ'ব লগাত পৰিছিল। তেওঁলোকে ৰাভাক 'নষ্ট যোৱা ল'ৰা' (Spoiled child) বুলি তিৰস্কাৰ কৰি ৰাইজকো ৰাভাৰ প্ৰতি অৰ্থাৎ কমিউনিষ্ট আদৰ্শৰ প্ৰতি বিমুখ কৰি তুলিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। (বৰ আচৰিত কথা এয়ে যে অসমৰ বিদেশী বিতাড়ন আন্দোলনৰ কালছোৱাত সেইচাম বুদ্ধিজীৱী পণ্ডিতেই তেৰাসবৰ সোণসেৰীয়া বাইকেৰে ৰাভাৰ প্ৰশস্তি আৰম্ভ কৰিছে।) এওঁলোকে কিন্তু উপলব্ধি কৰিবলৈ এতিয়াও বহু বাকী যে ৰাভাই ১৯৩০/৩১ চনতে কোৱা "অত্যাচাৰিত আৰু অৱনত জাতি" সত্তাসমূহৰ বিকাশৰ প্ৰতি যথোপযুক্তভাৱে মন-কাণ নিদিয়া কাৰণেই এসময়ৰ 'বৰ অসম' আজি থান-বান হৈ গ'ল ; পুনঃ বিভাজনৰ আশংকাও যে আঁতৰি যোৱা নাই তাকো আজি আশীৰ দশকলৈ ৰাজনীতিজ্ঞ আৰু সমাজনেতাসকলে অনুভৱ কৰিব পৰা নাই। 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি?' কবিতাত "তুমি সাৰে আছা, সাৰে আছে আৰু জাগ্ৰত জনতা, নিদ্ৰাবিহীন ৰাতি" বুলি পঞ্চাশৰ দশকতে বিষ্ণু ৰাভাৰ জীৱন আৰু দৰ্শনৰ প্ৰতি গভীৰ শ্ৰদ্ধা প্ৰদৰ্শন কৰা বিশিষ্ট কবি-সাহিত্যিকেও আজি বিষ্ণু ৰাভাই গ্ৰহণ কৰা কমিউনিষ্ট আদৰ্শৰ প্ৰতি অধিক আগ্ৰহ আৰু সমৰ্থন আগবঢ়োৱাৰ সলনি ভাববাদী প্ৰতিক্ৰিয়াশীল চক্ৰৰ কুহক জালতহে আবদ্ধ হৈছে।

সময়ে সময়ে উজুতি খাইছিল যদিও আৰু ভাববাদী আদৰ্শৰ প্ৰভাৱৰপৰা নিজক সম্পূৰ্ণৰূপে মুক্ত কৰিব পৰা নাছিল যদিও, কমিউনিষ্ট আদৰ্শ গ্ৰহণ কৰাৰপৰা মৃত্যুলৈকে প্ৰকৃত কমিউনিষ্ট হোৱাৰ নিষ্ঠা বিষ্ণু প্ৰসাদ ৰাভাৰ আছিল। এই কাৰণেই স্বাধীন ভাৰতৰ গণতান্ত্ৰিক অসম চৰকাৰে ৰাভা আৰু তেওঁৰ দলৰ বিৰুদ্ধে অ-গণতান্ত্ৰিক আৰু অ-মানবীয় নিৰ্যাতন-নিষ্পেষণ চলোৱা সত্বেও ৰাভা আদৰ্শত অটল আছিল। চীন-ভাৰত সংঘৰ্ষৰ সময়ত 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা'ক বৰচোৰতকৈও

নিকৃষ্টভাৱে অপমান কৰি কঁকালত জৰী লগাই বৰ ফাটেকলৈ টানি নিয়া সত্ত্বেও ৰাভাই কমিউনিষ্ট আদৰ্শ বৰ্জন কৰা নাই। পুঁজিবাদী সমাজত সাধাৰণতে নেতৃবৰ্গই "কয় লিখে এক, কৰে-ধৰে আন, লুটি-পুতি গায় শান্তিৰ গান।" (অম্বিকাগিৰী ৰায়চৌধুৰী)। সংবিধানে আমাৰ দেশক গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ বুলি পৰিচয় দিছে। কিন্তু বাস্তৱত দেখা গৈছে যে দেশৰ ৰক্ষক চৰকাৰ গণতান্ত্ৰিকো নহয়, ধৰ্মনিৰপেক্ষও নহয়। দেশ স্বাধীন হোৱাৰে পৰা ভাৰতত গঠিত চৰকাৰ স্বৈৰতন্ত্ৰী আৰু আধায়েচীবাদী ৰূপে বিদ্যমান, চৰকাৰে অবৈধ আইন-কানুন ৰচনা কৰি ৰাইজৰ গণতান্ত্ৰিক মানবীয় অধিকাৰ ক্ৰমে ক্ৰমে লোপ কৰিবহে ধৰিছে। ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ ভাৰতবৰ্ষত ধৰ্ম আৰু সম্প্ৰদায়ৰ অসংযত আৰু অসংগত অত্যাচাৰত জন-জীৱনে শান্তিৰে উশাহ-নিশাহ ল'ব নোৱাৰা হৈছে। দেশৰ প্ৰধানমন্ত্ৰীয়ে মন্দিৰে মন্দিৰে পূজা-উপাসনা কৰি আৰু "ৰাজনীতিজ্ঞ সমাজনেতা"সবে উগ্ৰ সাম্প্ৰদায়িকতাত লেটি লৈ জানো ধৰ্মনিৰপেক্ষতাৰ নতুন আদৰ্শকে দাঙি ধৰা নাই?

এই ক্ষেত্ৰতো ৰাভা আছিল ব্যতিক্ৰম আৰু বৈশিষ্ট্যপূৰ্ণ। কমিউনিষ্ট ৰাভা মনে-প্ৰাণে, সপোনে-দিঠকে কমিউনিষ্টেই আছিল। তেওঁ মুখত যি 'ভাৰতী জননী' বা 'অসমী জননী'ৰ কথা কৈছিল, কামতো তাকেই প্ৰতিফলিত কৰিব বিচাৰিছিল। সম্প্ৰতি জনজাতীয়সকলৰ মাজৰ একাংশ নেতৃস্থানীয় লোকে জনজাতীয় লোকসকলক বৃহৎ জাতি সত্তাৰ পৰা বিচ্ছিন্ন কৰি ৰাখি চিৰদিন তেওঁলোকক জনজাতীয় কৰি ৰাখিবলৈহে সকলো প্ৰকাৰৰ বিচ্ছিন্নতামূলক কাৰ্য-কলাপত লিপ্ত থাকে। কমিউনিষ্ট কাৰণেই বিষ্ণু ৰাভাই জনজাতীয় লোকসকলক মনে-প্ৰাণে কমিউনিষ্ট ৰূপতহে গঢ়ি তুলিব বিচাৰিছিল। 'ফুংখা' বা 'হিয়াৰ পুং' বোলা, প্ৰথমে বড়ো ভাষাত লিখি পিছত অসমীয়া অনুবাদত প্ৰকাশ কৰা গল্পটো ইয়াৰ উজ্জ্বল নিদৰ্শন। এই গল্পটোৰ অন্তত সংযোগ কৰা গান, —

এই ধৰণীৰ
চিৰ মুকুতিৰ
ৰণ নিৰভয়ে দিম;
কৰি আমৰণ
জীৱনৰ পণ
আমি মিলি যুঁজ দিম।।.......
ডৰ ভয় নকৰিবি
পাছ-পিছ নপৰিবি

দোপে-দোপে খোপে-খোপে আগুৱাই
আগবাঢ়োঁ আহ বল।....
একেলগে মিলি একেচিপে গই ভাঙো শতৰুৰ ব'ল।.....
কৰি আমৰণ
জীৱনৰ পণ
আমি মিলি যুঁজ দিম।
দুখৰ কলীয়া আকাশত
নতুন সূৰুযে দিয়ে দেখা
ৰাঙলি বোলৰ পোহৰত
দেখোঁ মুকুতিৰ পথ ৰেখা;
সেই পটিয়েদি গলে আগুৱাই
দলিতৰ হ'ব জয়
বিজয় নিচান দিম উৰুৱাই
পুৰণিৰ হ'ব ক্ষয়।।

কিন্তু তথাপি নিবিড়ভাৱে অধ্যয়ন কৰিলে দেখা যায় যে প্ৰকৃত কমিউনিষ্টৰ কাৰণে অস্বাভাৱিক হতাশা বা নিৰাশাৰ দ্বাৰা ৰাভা আচ্ছন্ন নোহোৱাকৈ থকা নাছিল। 'ব্যক্তি আৰু ব্যক্তিত্ব' বোলা নিবন্ধত বিশিষ্ট সমাজ বিজ্ঞানী ড° অমলেন্দু গুহই ৰাভাৰ জীৱনৰ এই দিশটোৰ বিষয়ে আলোচনা কৰি লেখিছে —"বিষ্ণু ৰাভা যেন অসমৰেই প্ৰতীক। এফালে বিভিন্ন ভাষা-ভাষী গণ-জীৱনৰ লগত গভীৰ যোগাযোগ আৰু আনফালে অদ্ভুত সৃজনশীল প্ৰতিভাৰ অধিকাৰী হোৱা সত্ত্বেও বহু ক্ষেত্ৰত প্ৰাথমিক চমক সৃষ্টি কৰি তেওঁ আৰু অগ্ৰসৰ হ'ব নোৱাৰিলে বা তেওঁৰ প্ৰচেষ্টা নানা সংকটৰ মাজত অৰ্ধ-সমাপ্ত হৈ ৰ'ল।"

অসমৰ অনগ্ৰসৰ অৰ্থনৈতিক পৰিস্থিতিয়েই যে ৰাভাৰ মানসিক আৰু মানবীয় বিকাশৰ পথত হেঙাৰ আছিল তাক বহলাই কোৱা নিষ্প্ৰয়োজন। অসম প্ৰাচুৰ্যৰ মাজত দৰিদ্ৰ। অসমৰ খাৰুৱা তেল আৰু চাহ পৃথিবী বিখ্যাত। কিন্তু ইয়াক শোষণ কৰি আছে বিদেশী শোষক আৰু অসমৰ বাহিৰে থকা একচেটিয়া জমিদাৰ আৰু পুঁজিপতিসকলে। ফলত তেল আৰু চাহৰ মুনাফাৰে অসমত ন ন উদ্যোগ স্থাপন হোৱা নাই, অসমত সমাজতান্ত্ৰিক বিপ্লৱ গঢ়ি তোলাৰ অনুকূলে এটা শ্ৰমিক শ্ৰেণীও গঢ় লৈ উঠা নাই। অসম এখন কৃষি প্ৰধান দেশ। ইয়াৰ কৃষকসকলৰ অৱস্থা 'ফুংখা' গল্পৰ নায়ক 'লখা'ৰ সদৃশ। লখাৰ জীৱনৰ হতাশা-নিৰাশা আৰু আত্মঘাতী কাৰ্য জানিবা শোষিত, নিৰ্যাতিত, অপমানিত, লাঞ্ছিত সমগ্ৰ অসমীয়া কৃষকৰ হতাশা-নিৰাশা।

এইসকল কৃষকক সমাজতান্ত্রিক বিপ্লৱৰ কাৰণে সংঘটিত কৰা সহজসাধ্য নাছিল। অৱশ্যে কৃষি প্ৰধান চীনত কৃষক সংগঠনৰ জৰিয়েতেই জনগণতান্ত্ৰিক লোক-চীন গঢ়া সম্ভৱপৰ হৈছিল। মাও-চে-টুঙৰ নেতৃত্বাধীন চীন কমিউনিষ্ট পাৰ্টিয়ে ঐতিহাসিক 'লংমাৰ্চ'ৰ দ্বাৰা অপূৰ্ব সফলতা লাভ কৰিবলৈও সমৰ্থ হৈছিল। বিষ্ণুপ্ৰসাদ ৰাভাৰ আগত এইবোৰ জীৱন্ত আদৰ্শ আছিল ; তেওঁৰ 'অজ্ঞাতবাস পৰ্ব' 'লংমাৰ্চ'ৰ অসমীয়া ৰূপান্তৰ আছিল বুলিবই পাৰি। কিন্তু তেতিয়াৰ অসম-ভাৰতৰ সমাজতান্ত্ৰিক সংগঠন আছিল তেনেই ঠুনুকা। বাইজৰ অৰ্থনৈতিক অনগ্ৰসৰতা আৰু দলৰ সাংগঠনিক দুৰ্বলতাই ৰাভাক হতাশাচ্ছন্ন কৰি তুলিছিল বুলি অনুমান কৰা ভুল নহ'ব।

তদুপৰি তেতিয়াৰ অসমৰ এক বিপুল সংখ্যক ভব্য-গব্য পণ্ডিত আৰু সাহিত্য-সংস্কৃতিৰ ধ্বজাবাহী নেতাই ৰাভাক 'নষ্ট যোৱা মদাহী' বুলি সততে উপহাস কৰিছিল। মদাহী বিষ্ণুপ্ৰসাদ ৰাভাক এই শুচিবায়ুৰাসকলে সততে এৰাই ফুৰিবলৈ সংগোপনে পৰিকল্পনা চলাইছিল। অসমৰ ভাষা-সংস্কৃতিৰ বৰসবাহ 'সাহিত্য সভাৰ অধিবেশনলৈ' ৰাভালৈ নিমন্ত্ৰণী চিঠি পঠাবলৈও বাদ দিয়া কৰিছিল। এই জ্ঞানীসকলৰ বৰসবাহত কেনেবাকৈ ৰাভা উপস্থিত হ'লে এওঁলোক আতংকিত হৈ উঠিছিল ; ৰাভাক এৰাবলৈ সংগোপনে শলা-পৰামৰ্শ কৰিছিল। এওঁলোকৰ ভয় জানোচা ৰাভাই সকলোকে কমিউনিষ্ট কৰে।

কমিউনিষ্ট ৰাভাই সাহসেৰে এইবোৰ প্ৰতিক্ৰিয়াৰ সন্মুখীন হোৱাই আছিল স্বাভাৱিক। তেওঁ এইবোৰৰ বহুতকেই হেলাৰঙে অতিক্ৰম কৰিছিলো! কিন্তু মন-প্ৰাণ ঢালি এখন শোষণহীন স্পন্দনপূৰ্ণ সমাজ গঢ়িবলৈ ওলোৱা বিষ্ণুপ্ৰসাদ ৰাভাৰ ঘৰত যেতিয়া সখনাই টেকেলি কাটি হ'ব ধৰিলে, সম্ভৱতঃ তেতিয়াই তেওঁ হতাশাচ্ছন্ন হৈ আদৰ্শৰ পথত সময়ে সময়ে উজুতি খাবলৈও ধৰিলে। তথাপি সাম্ৰাজ্যবাদী বিদেশী ইংৰাজ চৰকাৰৰ ভক্ত বিষয়া জমিদাৰ গোপাল চন্দ্ৰ ৰাভাৰ পুত্ৰ এসময়ৰ চঞ্চল-অথিৰ ভাববাদী বিষ্ণুপ্ৰসাদ ৰাভা প্ৰায় অবিচলভাৱে মাৰ্ক্সবাদী-লেনিনবাদী ৰূপে নিজৰ লগতে বহল সমাজখনকো গঢ়ি তুলিবলৈ জীৱন পণ কৰিবলৈ সমৰ্থ হৈছিল।

# ৰাজনৈতিক জীৱনৰ মূল্যায়ন

।। দধি মহন্ত ।।

শিৰোনামাটি লেখকৰ নহয়। এই গ্ৰন্থৰ সম্পাদনা সমিতিয়ে নিৰ্দিষ্ট কৰি দিয়া। শিৰোনামা সম্পৰ্কেই প্ৰথম উল্লেখৰ কাৰণ প্ৰয়াত ৰাভাৰ দৰে বহুমুখী ব্যক্তিত্বৰ এজন পুৰুষৰ কোনো এটা দিশ আলোচনাৰ কাৰণে হয় তেখেতৰ অৱদানৰ সমগ্ৰ দিশ সামৰি প্ৰকাশ কৰা "ৰাভা সমগ্ৰ" বা আন কোনো তেনে ধৰণৰ গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজন নতু আশৈশৱ তেখেতৰ জীৱনৰ লগত সান্নিধ্যৰ প্ৰয়োজন। প্ৰথম কথা ৰাভাৰ অৱদানসমূহ সামৰি এতিয়ালৈকে কোনো গ্ৰন্থ প্ৰকাশ হোৱা নাই। দ্বিতীয়তে, ৰাভাৰ কৰ্মময় জীৱনৰ শেষৰ কেইবছৰ মানত সান্নিধ্যলৈ অহাৰ অভিজ্ঞতাহে লেখকৰ আছে। গতিকে ৰাভাৰ ৰাজনৈতিক মূল্যায়ন সম্পৰ্কে লেখকৰ ধাৰণা যথাযথ নহ'ব সেই সম্পৰ্কে লেখক সচেতন। তথাপি ৰাভা প্ৰয়াত হোৱাৰ এটা দশক অতিবাহিত যৈ যোৱাৰ পিছতো সাম্প্ৰতিক এই সংকলনটিৰ উদ্যোক্তাসকলৰ প্ৰশংসনীয় প্ৰচেষ্টাৰ অংশীদাৰ হোৱাৰ মানসেৰেই এই সীমিত প্ৰচেষ্টা।

প্ৰয়াত ৰাভা সম্পৰ্কে আলোচনাৰ ক্ষেত্ৰত লেখকৰ এক ব্যক্তিগত দুৰ্বলতা আছে। সি হ'ল, ৰাভা ৰোগশয্যাত পৰি থকাৰ সময়তে তেখেতক দুৰাৰোগ্য কৰ্কট ৰোগে আক্ৰমণ কৰাৰ কথা এই লেখককে প্ৰয়াত ৰাভাই জানিবলৈ দিয়া সত্ত্বেও এই লেখক যি ৰাজনৈতিক সংগঠনৰ সদস্য, সেই সংগঠনৰ তেতিয়াৰ ৰাজ্যিক সম্পাদক শ্ৰীফণী বৰা আৰু এই লেখকে যথা সময়ত ৰাভাৰ অমূল্য জীৱন সম্পৰ্কে গুৰুত্ব নিদিয়াৰ অভিযোগেৰে শ্ৰদ্ধেয় ড° ভূপেন্দ্ৰ নাথ হাজৰিকাদেৱৰ সম্পাদিত 'আমাৰ প্ৰতিনিধি' কাকতত এজনৰ এখনি চিঠি প্ৰকাশিত হয়। সেই চিঠিক কেন্দ্ৰ কৰি ড° হাজৰিকা আৰু লেখকৰ মাজত উভয়েৰে দ্বাৰা প্ৰকাশিত কাকতত কিছু বিতৰ্কৰ সৃষ্টি হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ থকা অৱস্থাত ৰাভাই তেনে বাদানুবাদৰপৰা বিৰত থকাৰ কথা কয়। তেখেতৰ অকাল বিয়োগৰ পিছতে তেখেতৰ স্মৃতিত লেখকৰ একাধিক লেখা বিভিন্ন কাকতত প্ৰকাশ হয়। কিন্তু লেখকৰ লেখা বা মূল্যায়ন সম্পৰ্কে ভিন্নমত পোষণ কৰা কেইবাজনো শ্ৰদ্ধেয় ব্যক্তিৰ লেখা প্ৰকাশ হৈছে। প্ৰধানতঃ সুপ্ৰসিদ্ধ 'লোকায়ত' কাকতৰ শাৰদীয় সংখ্যা প্ৰকাশ হোৱাৰ পিছত দ্বন্দ্বমূলক বস্তুবাদ সম্পৰ্কে সম্যক ধাৰণা নাথাকিলেও বিশ্বাস থকা কোনো লোকৰ পক্ষেই আলোচনাৰ যোগে মীমাংসাৰ্থে অহাৰ প্ৰচেষ্টাৰপৰা বিৰত

থকা সমীচীন নহয়। কিন্তু অন্তিম শয্যাত পৰি থকা অৱস্থাত অসমৰ অন্যতম স্মৰণীয় আৰু বৰেণ্য নেতা ৰাভাৰ উপদেশৰ কথা স্মৰণ কৰিয়ে এতিয়াও ৰাভাৰ জীৱনক কেন্দ্ৰ কৰি বিতৰ্কৰ ক্ষেত্ৰলৈ যাবলৈ মনত এক অতিক্ৰম কৰিব নোৱাৰা দ্বিধাৰ ভাব আহি পৰে। বৰ্তমানৰ এই প্ৰচেষ্টায়ো স্বভাৱতেই সকলোৰে চিন্তাধাৰাৰ লগত সামঞ্জস্যপূৰ্ণ নহ'ব। কিন্তু এই বিষয়ত লেখকৰ বিৰুদ্ধে কোনোজনে চোকা অভিমত প্ৰকাশ কৰিলেও ভৱিষ্যতে লেখক ৰাভাক কেন্দ্ৰ কৰি কোনো বিতৰ্কৰ ক্ষেত্ৰলৈ নমাৰ অসামৰ্থ্যৰ কথা আগতীয়াকৈ জনাই ৰখা হ'ল।

## (এক)

ৰাভাৰ জন্ম হৈছিল ১৯০৯ চনত বৰ্তমান বাংলাদেশৰ ৰাজধানী ঢাকা মহানগৰীত। পূৰ্ববঙ্গৰ ঢাকা তেতিয়া ভাৰতৰ পৰা উচ্ছেদ কৰিবৰ কাৰণে জীৱন-পণ কৰা জাতীয় বিপ্লৱী —যাক সাম্ৰাজ্যবাদে সন্ত্ৰাসবাদী আখ্যা দিছিল —সকলৰ অন্যতম কেন্দ্ৰ হিচাপে গঢ়ি উঠিবলৈ আৰম্ভ কৰিছিল।

১৯০৫ চনত ৰুচ বিপ্লব সফল হোৱা নাই যদিও সাধাৰণ শ্ৰমিক-কৃষকে বিদ্ৰোহ কৰি প্ৰবল প্ৰতাপী জাৰ সম্ৰাটৰ শাসনৰ ধৰিষণা লৰাই দিয়াৰ বাতৰিয়েই নহয় তাৰ প্ৰভাৱো বিশ্বৰ শ্ৰমিক আৰু উপনিবেশিক দাসত্বৰ কবলত থকা জনসাধাৰণৰ মাজত পৰিছিল। ১৯০৬ চনৰ ইতিহাসপ্ৰসিদ্ধ বঙ্গভঙ্গ আন্দোলনত প্ৰথম ৰুচ বিপ্লৱৰ পৰোক্ষ প্ৰেৰণাৰ কথা আন্তৰ্জাতিক আৰু আমাৰ দেশৰ বিভিন্নজনৰ বিশ্লেষণত পোৱা যায়। সম্ভৱতঃ পূব-বঙ্গৰ সেই বিপ্লৱী ধাৰায়ে ৰাভাৰ কিশোৰ জীৱনত বিপ্লৱী মনোভাবৰ প্ৰথম ৰেখাপাত কৰে।

১৯১৭ চনত মহান লেনিনৰ নেতৃত্বত বিশ্বৰ প্ৰথম সমাজতান্ত্ৰিক বিপ্লব সফল হয়। তাৰ প্ৰভাৱ কেৱল যে ছোভিয়েত ইউনিয়নতে সীমাবদ্ধ এনে নহয়, সমগ্ৰ বিশ্ব-বিয়পা, সেই কথা লেনিনে কৰা অক্টোবৰ বিপ্লৱৰ তাৎপৰ্য ব্যাখ্যাতে আছে।[১]

ছোভিয়েত সমাজতান্ত্ৰিক বিপ্লব সংঘটিত হৈছিল ১৯১৭ চনৰ ৭ নৱেম্বৰত। সেই বিপ্লৱৰ প্ৰভাৱ বিশ্বৰ শ্ৰমিক আৰু উপনিবেশে বা আধা উপনিবেশৰ দেশসমূহত কেনেদৰে পৰিছিল তাৰ প্ৰমাণ ১৯১৮ চনৰ পৰাই আৰম্ভ হোৱা বিশ্ব জুৰি এক নতুন জাগৰণ। বিশ্ব সাম্ৰাজ্যবাদে ছোভিয়েত ইউনিয়নক জন্মতে কণ্ঠৰোধ কৰি অপমৃত্যু ঘটোৱাৰ দুৰভিসন্ধিৰে যি অৱৰোধ-অপচেষ্টা চলাইছিল সমগ্ৰ ইউৰোপৰ সচেতন শ্ৰমিক শ্ৰেণীয়ে তাৰ প্ৰতি সমৰ্থন জনোৱা দূৰত থাওক প্ৰকাশ্যে তাৰ প্ৰবল বিৰোধিতা কৰিছিল। ইজিপ্ত, তুৰ্কিস্তান, পাৰস্য, ভাৰত আৰু চীনত জাতীয় আন্দোলনৰ নতুন ধাৰাৰ সূত্ৰপাত হৈছিল ১৯১৮-১৯ চনত ভিতৰতে।

আমাৰ দেশত ছোভিয়েত বিপ্লৱৰ প্ৰত্যক্ষ প্ৰভাৱ এহাতে আমাৰ জাতীয়

আন্দোলনৰ বৰেণ্য নেতাসকল আৰু আনহাতে সাম্রাজ্যবাদৰ দ্বাৰাও স্বীকৃত। তাৰ 'বহুতথ্যগত' উদ্ধৃতি দিয়া সম্ভৱ।

ছোভিয়েত বিপ্লৱৰ তিনি সপ্তাহ পিছতে বৰ্তমানৰ চলিত ১৯৮২ চনত ভাৰতে জন্ম শতবাৰ্ষিকী পালন কৰিবলৈ লোৱা মহাকবি সুব্ৰামনিয়ম ভাৰতীয়ে ছোভিয়েত বিপ্লৱক অভিনন্দিত কৰি কবিতা প্ৰকাশ কৰে। জাতীয় আন্দোলনৰ তেতিয়াৰ বৰেণ্য নেতা বাল গঙ্গাধৰ তিলকেই ছোভিয়েত বিপ্লৱৰ স্রষ্টা মহান লেনিনৰ প্রতি শ্রদ্ধা জ্ঞাপন কৰি ভাৰতীয় সংবাদ-পত্ৰত পোনপ্ৰথম সম্পাদকীয় মন্তব্য কৰে। তেতিয়াৰ পৰা মহাত্মা গান্ধী, বিশ্বকবি ৰবীন্দ্ৰনাথ, পণ্ডিত জৱাহৰলাল নেহৰু প্ৰমুখ্যে জাতীয় মুক্তিৰ আৰু সাংস্কৃতিক ভাৰতৰ অবিসম্বাদী নেতাসকলৰ বহু উদ্ধৃতিৰে ভাৰতত ছোভিয়েত বিপ্লৱৰ প্ৰভাৱৰ কথা প্ৰমাণ কৰিব পৰা সম্ভৱ। সৰ্বশেষ বৰ্তমান সময়তো কমিউনিষ্ট বা বামপন্থী ভাবাপন্ন গণতান্ত্রিকসকলৰ উপৰিও ভাৰতৰ প্ৰখ্যাত আধুনিক ইতিহাস ৰচক শ্ৰীকে. এম. পানিক্কৰেও তেখেতৰ "এ ছাৰ্ভে অৱ ইণ্ডিয়ান হিষ্ট'ৰী" নামক গ্ৰন্থত এই শতিকাত ভাৰতত ৰাজনৈতিক আৰু নৈতিক আন্দোলনত প্ৰেৰণা যোগোৱাৰ ক্ষেত্ৰত ছোভিয়েত বিপ্লৱৰ অৱদান সৰ্বাধিক বুলি স্বীকাৰ কৰিছে।[২]

আনহাতে বৃটিছ সাম্রাজ্যবাদেও ছোভিয়েত বিপ্লৱৰ বাতৰিয়ে যাতে ভাৰতবাসীক স্পৰ্শ নকৰেহি, তাৰ কাৰণে ছোভিয়েত বিপ্লৱ সম্পৰ্কীয় বা মাৰ্ক্স, এঙ্গেলচ, লেনিনৰ লেখা ভাৰতত নিষিদ্ধ কৰাকে ধৰি সকলো ধৰি সকলো অপচেষ্টা অৱলম্বন কৰিছিল। তথাপি জুইৰ অঙঠা কাপোৰেৰে বান্ধি ৰখা সম্ভৱ নোহোৱাৰ দৰেই আহি পৰা ছোভিয়েত বিপ্লৱৰ প্ৰভাৱৰ কথা সাম্রাজ্যবাদেও স্বীকাৰ কৰিব লগাত পৰিছিল। সেই স্বীকৃতিৰ প্ৰমাণ হ'ল ১৯১৮ চনত গঠিত মণ্টেগু চেম্‌চফৰ্ডৰ আয়োগৰ প্ৰতিবেদন।[৩]

সাম্রাজ্যবাদৰ তেনে অপপ্রচাৰৰ যোগ্য প্ৰত্যুত্তৰ দি মহাত্মা গান্ধীয়ে ১৯১৯ চনত ঘোষণা কৰিছিল যে তেখেতে 'বলছেভিক' ভীতিৰ কথা বিশ্বাস নকৰে। লগতে তেখেতে এই কথাও ঘোষণা কৰিছিল "পাষণ্ড" (বৃটিছ) চৰকাৰক সংশোধন কৰাৰ কোনো পথ নাই। এই শাসনৰ বিলোপ কৰিব লাগিব।[৪]

ছোভিয়েত বিপ্লৱৰ সবিশেষ বাতৰি ভাৰতে পোৱা নাছিল। পাইছিল মাত্ৰ ইয়াকে যে লেনিনৰ নেতৃত্বত সশস্ত্র বিদ্রোহ কৰি ছোভিয়েতৰ জনসাধাৰণে ক্ষমতা লাভ কৰিছিল। তাৰেই প্ৰেৰণাত ভাৰততো সেই সময়ত গোপনে অস্ত্ৰ সংগ্ৰহ কৰি বৃটিছ সাম্রাজ্যৰ বিৰুদ্ধে বিদ্রোহ কৰাৰ এনে ব্যাপক প্ৰস্তুতিৰ স্বাক্ষৰ সেই সময়ৰ সশস্ত্ৰ বিপ্লৱীসকলৰ ইতিহাসে বহন কৰিছে।

ধাৰণা হয় কিশোৰ কালৰ পৰাই বিষ্ণু ৰাভাৰ প্ৰাণতো স্পন্দন উঠিছিল এই বিপ্লৱৰ প্ৰতিধ্বনিৰে। তাৰ প্ৰমাণ, ছাত্ৰ অৱস্থাতে গোপন বিপ্লৱী কাৰ্য-কলাপৰ কাৰণে

তেখেতে একাধিক শিক্ষালয়লৈ যাব লগা হৈছিল সাম্রাজ্যবাদৰ শেন চকুৰ পৰা আঁতৰত থাকি বিপ্লৱী সাধনাৰ অভিলাষত। তাৰে সুস্পষ্ট নিদৰ্শন প্ৰয়াত ৰাভা সম্পৰ্কে বহুজনে উল্লেখ কৰা কোচবিহাৰৰ ভিক্টৰিয়া মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা সময়ত তেখেতে সেই ৰাজ্যত থকা ইংৰাজ শাসনৰ প্ৰতিনিধি ৰিজেন্ট হাটচিন্‌চন্ আৰু বৃটিছৰ পদলেহনকাৰী দেশীয় দেৱান খাস্তগীৰ দুয়োকে বলি দিয়াৰ আহ্বান জনাই ৰাজভৱনৰ প্ৰৱেশদ্বাৰত সেই যুগৰ আহ্বানৰ নিদৰ্শন তুলি ধৰিছিল। সেয়ে প্ৰমাণ কৰে বিষ্ণু ৰাভা আছিল কিশোৰ কালৰ পৰা বিপ্লৱী।

## (দুই)

ৰাভা আছিল কৃতী ছাত্ৰ। ইংৰাজী বিষয়ত সন্মানসহ স্নাতক হোৱাৰ সম্ভাৱনা থকা আৰু সকলোৱে আশা কৰা সত্বেও তেখেতে স্নাতক উপাধি লাভৰ পৰীক্ষা নিদিলে। শিক্ষা জীৱনৰ সামৰণি পৰিল।

ৰাভা আছিল সুনিপুণ খেলুৱৈ। একাধিক খেলত তেখেতে পাৰদৰ্শিতা প্ৰকাশ কৰি পদক লাভ কৰিছিল। কিন্তু ছাত্ৰ জীৱনৰ লগে লগে তেখেতৰ শৰীৰ চৰ্চা আৰু খেল প্ৰতিযোগিতাও শেষ হয়।

ৰাভা আছিল আশৈশৱ শিল্পী। বয়স বাঢ়ি অহাৰ লগে লগে তেখেতে গীত ৰচনা, সুৰসাধনা, নৃত্য অনুশীলন, চিত্ৰাঙ্কন প্ৰমুখ্যে সুকুমাৰ কলাৰ বিভিন্ন দিশত য'তেই অংশগ্ৰহণ কৰিছিল তাতেই ভূয়সী প্ৰশংসা অৰ্জন কৰিছিল। ৰুচ নৃত্য পটীয়সী প্ৰখ্যাত আনা পাভলোভা আৰু ভাৰতৰেই আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰা অমৰ নৃত্য বিশাৰদ উদয় শংকৰে তেখেতৰ পৰা নৃত্য সম্পৰ্কে পৰামৰ্শ গ্ৰহণ কৰিছিল।

ৰাভা আছিল সুনিপুণ অভিনেতা। নাটক আৰু কথাছবিত সাধাৰণতে তেখেতক দেখা পোৱা গৈছিল গৌণ চৰিত্ৰত। কিন্তু তাৰ মাজেদিয়ে তেখেতে প্ৰমাণ কৰিছিল ঃ অননুকৰণীয় অভিনয় কুশলতা।

ৰাভা আছিল অসমীয়া সাহিত্যৰ অতীত পৰম্পৰাৰ অন্যতম সাধক আৰু অসমীয়া সাহিত্যৰ আধুনিক ৰূপান্তৰৰ কলাকাৰ। অসমীয়া ভাষা আৰু সাহিত্যত ৰাভাৰ লিখনিয়ে যেনে নিভাঁজ আৰু সুৱদি ৰূপ লৈ গীত, কবিতা, গল্প, উপন্যাস আদি সাহিত্যৰ প্ৰধান উপাদানসমূহত আত্মপ্ৰকাশ কৰিছিল, তাৰ তুলনা বিৰল।

ৰাভা আছিল থলুৱা ভাস্কৰ্যৰ অন্যতম সম্ভাৱনাপূৰ্ণ অনুশীলনকাৰী। তেখেতৰ চিত্ৰ ভাস্কৰ্যৰ যি সামান্য নমুনা পোৱা যায় শিল্প ভাস্কৰ্যৰ বিশাৰদসকলে তাৰেই প্ৰতি প্ৰকাশ কৰা অভিমতে সেই কথা প্ৰমাণ কৰে।

ৰাভা আছিল অসমীয়া, বড়ো, ৰাভা, নেপালী, বাংলা, ইংৰাজী, হিন্দী ভাষাত

নিভাঁজ-নিখুঁতভাৱে নিজৰ মনৰ ভাব প্ৰকাশ কৰিব পৰা গুণৰ অধিকাৰী। হয়তো তেখেতে আৰু অন্যান্য ভাষাও জানিছিল। কিন্তু কিমান ভাষা জানিছিল বা কিমান ভাষাত তেখেতে ৰচনা কৰিব পাৰিছিল সেই কথা জনা নাযায়।

ৰাভা আছিল সম্ভৱতঃ অসমৰ একমাত্ৰ পুৰুষ যিজনে অসমৰ বৈষ্ণৱ সংস্কৃতি আৰু অসমত বাস কৰা বিভিন্ন জনসমষ্টিৰ সংস্কৃতি সমল সংগ্ৰহ কৰি সমন্বয় সাধন কৰাই নহয় নিজৰ জীৱনক তাৰ লগত ওতপ্ৰোতভাৱে জড়িত কৰি তুলিছিল। বৈষ্ণৱ, শাক্ত আদি বিবিধ ধৰ্মীয় বা জনজাতীয় গীত-মাত, সুৰ-নৃত্য আদি ৰাভাই যেনেদৰে গভীৰভাৱে অধ্যয়ন আৰু অনুশীলন কৰিছিল অনুমান যেন ৰাভা আছিল শিল্পী হিচাপেই জন্মগ্ৰহণ কৰা পুৰুষ।

ৰাভাৰ পিতৃ আছিল বৃটিছ চৰকাৰৰ আৰক্ষী বিভাগৰ চুবেদাৰ। সেই সূত্ৰে আৰু ব্যক্তিগত যোগ্যতাৰ ফালৰ পৰাও ৰাভাই চৰকাৰৰ উচ্চপদস্থ বিষয়াৰ স্থান লাভ কৰা কোনো কঠিন কাম নাছিল। বৰং তেখেতক চৰকাৰে উপযাচি নিয়োগ কৰাৰ আহ্বান জনাইছিল। ৰাভাই শেষ আহ্বান প্ৰত্যাখ্যান কৰি কৈছিল, পিছলৈ যাতে কোনো চৰকাৰী চাকৰি কৰিব নোৱাৰে তাৰ বাট তেখেতে বন্ধ কৰি আহিছিল।

ওপৰত উল্লেখ কৰা যিকোনো এটা ক্ষেত্ৰকে ৰাভাই জীৱনৰ পাথেয় হিচাপে গ্ৰহণ কৰা হ'লেও সম্ভৱতঃ চৰকাৰী চাকৰি গ্ৰহণ কৰাৰ পৰিবৰ্তে অন্য যিকোনো ক্ষেত্ৰতে তেখেতৰ অৱদান অসমবাসীৰ পক্ষে স্মৰণীয় হৈ থাকিলেহেঁতেন। এজেন পুৰুষৰ ক্ষেত্ৰতে ইমানখিনি গুণৰ সমাবেশ সাধাৰণতে প্ৰকাশ পোৱা দেখা নাযায়। কিন্তু ৰাভাই নিজক প্ৰতিষ্ঠা কৰিব পৰা এই সকলো সম্ভাৱনা বিসৰ্জন দিব পৰাৰ অন্তৰ্নিহিত শক্তি তেখেতে আহৰণ কৰিছিল এক মূল চালিকা শক্তিৰ পৰা। সেয়ে হ'ল তেখেতৰ পৰাধীন, শোষিত, লাঞ্ছিত, দলিত আৰু নিপীড়িত জনসাধাৰণৰ মুক্তি-মন্ত্ৰৰ সাধনাত নিজৰ সমগ্ৰ সত্তা উৎসৰ্গা কৰাৰ এক আশৈশৱ বিপ্লৱী প্ৰেৰণা। সেয়ে ৰাভা জীৱনৰ চালিকা শক্তি। তাকেই সবল, সুস্থ, ব্যাপক, প্ৰাণস্পৰ্শী আৰু প্ৰেৰণাপদ কৰি তোলাৰ কাৰণেই যেন ৰাভাৰ অন্যান্য বহুমুখী সাধনা।

## (তিনি)

ৰাভাৰ জীৱনৰ এই মূল চালিকা শক্তি ৰাজনৈতিক দিশতো ৰাভা অসমৰ ভিতৰত দুটা ক্ষেত্ৰত তুলনাহীন। প্ৰথম তেখেতৰ ৰাজনৈতিক কৰ্মধাৰা, বক্তৃতা মঞ্চ, নিৰ্দিষ্ট আসনত বহি তত্ত্ব বা বাণী প্ৰচাৰ নাইবা উপদেশ বৰ্ষণৰ ধাৰাৰ পৰা সম্পূৰ্ণ বেলেগ। পানীৰ অবিহনে যেনেদৰে মাছৰ জীৱন কল্পনাৰ অতীত তেনেদৰেই জনসমুদ্ৰৰ মাজত বিচৰাৰ বাহিৰে ৰাভাৰ কৰ্মজীৱনৰ অন্য কোনো নিৰ্দিষ্ট ক্ষেত্ৰ নাছিল।

তেখেতৰ ৰাজনৈতিক জীৱনৰ আন এটি তুলনাহীন দিশ হ'ল ভাৰতীয় বিপ্লৱৰ বৰ্তমান কালৰ দুটি প্ৰধান স্তৰত এটিৰ পৰা আনটিলৈ অধিক প্ৰেৰণাৰে জীৱনৰ শ্ৰেষ্ঠতম সামৰ্থ্যৰ অৱদান। ১৮৫৭ চনত আৰম্ভ হোৱা প্ৰথম সশস্ত্ৰ জাতীয় মুক্তিৰ বিদ্ৰোহৰ পৰিসমাপ্তি ঘটে ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত সংঘটিত হোৱা সশস্ত্ৰ নৌবিদ্ৰোহত। বিয়াল্লিছৰ গণ-আন্দোলনৰ পিছত ভাৰতীয় বিপ্লৱৰ জাতীয় মুক্তিৰ স্তৰত আত্মনিয়োগ কৰাসকলৰ কাৰ্যতঃ মুক্তি-সংগ্ৰামৰ যৱনিকা পৰে। তাৰেই স্বীকৃতিত আজিও সম্ভৱতঃ কেইবালাখো মুক্তি-সংগ্ৰামীয়ে "পেঞ্চন" আৰু "তাম্ৰপত্ৰ" লাভ কৰে। কিন্তু বিয়াল্লিছৰ গণ-আন্দোলনৰ পিছত সাম্ৰাজ্যবাদৰ লগত আপোচৰ যোগে যি মধ্যকালীন জাতীয় চৰকাৰ গঠিত হৈছিল তাৰেই আমোলত ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত বম্বেৰ ভাৰতীয় নাবিকে বৃটিছ নৌ-বিষয়াৰ দম্ভালিৰ উত্তৰ যেতিয়া বন্দুকৰ গুলীৰে 'দি নীলসাগৰৰ পানী ৰাঙলী' কৰি দিছিল তাৰ পিছত সাম্ৰাজ্যবাদে আপোচ-আলোচনাৰ যোগে যে ভাৰতীয় জনতাক আভুৱা ভাঁৰাৰ দিন উকলি গ'ল, ইতিহাসৰ সেই ইংগিত বুজি পালে। নৌবিদ্ৰোহৰ বাতৰি প্ৰচাৰৰ লগে লগে বৃটিছ চৰকাৰৰ এই ঘোষণাও ভাৰতবাসীয়ে শুনিবলৈ পালে যে ক্ষমতা হস্তান্তৰৰ ব্যৱস্থা। নিৰ্ধাৰণৰ কাৰণে ভাৰতলৈ আহিব বৃটিছ মন্ত্ৰী মিশ্যন। মন্ত্ৰী মিশ্যন আহিল। জাতীয় ধনিক নেতৃত্ব আৰু সাম্ৰাজ্যবাদ উভয়ৰে বুজা-বুজিৰ পৰিণতিত দেশ খণ্ডিত হ'ল। ভাৰতে লাভ কৰিলে সাৰ্বভৌম ক্ষমতা অৰ্থাৎ বৃটিছ পাৰ্লামেণ্টে নহয় ভাৰতে নিজে ৰচনা কৰা সংবিধানৰ যোগে দেশ শাসন কৰাৰ পৰিপূৰ্ণ স্বাধীনতা। ভাৰতীয় বিপ্লৱৰ এক ঐতিহাসিক অধ্যায়ৰ সমাপ্ত হ'ল। জাতীয় মুক্তি-সংগ্ৰামৰ স্তৰত আত্মনিয়োগ কৰা বিপুল অংশ দেশপ্ৰেমিক সংগ্ৰামী জীৱনৰো সমাপ্তি ঘটে ইয়াৰ লগতে।

জাতীয় মুক্তি-সংগ্ৰামৰ স্তৰতে সংখ্যাত তাকৰীয়া হ'লেও তৰুণ ভাৰতৰ এটি অংশৰ মাজত আগতে উল্লেখ কৰাৰ দৰে ছোভিয়েত বিপ্লৱৰ প্ৰেৰণাত আগৰে পৰা এই ধাৰণা স্পষ্ট আছিল যে সাম্ৰাজ্যবাদৰ পৰা জাতীয় স্বাধীনতা লাভেই জনসাধাৰণৰ সামগ্ৰিক মুক্তি নহয়। সেই মুক্তি সম্ভৱ কেৱল স্বাধীনতা লাভৰ পিছত জনসাধাৰণক সমাজতন্ত্ৰ অভিমুখী সংগ্ৰামত নেতৃত্ব দি আগবঢ়াই নিয়াৰ নতুন স্তৰৰ যোগে। সেই আদৰ্শত বিশ্বাসীসকল স্বাধীনতা লাভৰ পিছত নিৰ্বাচনত অংশগ্ৰহণ কৰা বা সমাজৰ গঠনমূলক কাম কৰাৰ বাহিৰে আন কোনো ৰাজনৈতিক লক্ষ্য সন্মুখত নথকা দেশপ্ৰেমিকসকলৰ দৰে স্বাধীনতা লাভতে ক্ষান্ত নাথাকি লাভ কৰা স্বাধীনতাই যে দেশৰ সাধাৰণ শ্ৰমিক, কৃষক মধ্যবিত্তৰ জীৱনৰ আমূল পৰিৱৰ্তন সাধন কৰিব নোৱাৰে, জনসাধাৰণৰ মাজত সেই সত্য প্ৰচাৰত পুনৰ অধিক প্ৰেৰণাৰে আত্মনিয়োগ কৰে।

প্ৰতিকূল অৱস্থা আছিল এই কাৰণেই যে সদ্যলব্ধ জাতীয় স্বাধীনতাৰ মোহত তেনে সচেতন বিপ্লৱী চেতনাৰে উদ্বুদ্ধসকলৰ বাহিৰে আনসকল বিভোৰ। গতিকে তেনে অৱস্থাত বিদেশী শাসকৰ বিৰুদ্ধে দেশবাসীক যিমান সহজে উদ্বুদ্ধ কৰা সম্ভৱ আছিল সুদীৰ্ঘ দিন সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰাম কৰি জাতিৰ জনমানসত অমোচনীয় আসন লাভ কৰা জাতীয় নেতাসকলৰ নীতিৰ বিৰুদ্ধে জনসাধাৰণৰ সঁহাৰি লাভ কৰা সিমান সহজ নাছিল।

এই দুয়ো স্তৰৰ সংগ্ৰামত তৰুণ অসমৰ সেনানী আছিল ৰাভা। জাতীয় মুক্তিৰ সংগ্ৰামত যেনেদৰে সৰ্বস্ব পণ কৰি আত্মনিয়োগ কৰিছিল ততোধিক প্ৰেৰণা আৰু কৰ্মোদ্যম সহ জনতাৰ মাজত নিজকে বিলীন কৰি জনসাধাৰণক নতুন দিগন্তৰ অভিমুখে আগবঢ়াই নিয়া অভিযানৰ আগশাৰীত আছিল ৰাভা।

এই দুয়ো স্তৰৰ সংগ্ৰামত অৱদান থকা আন এজন স্মৰণীয় পুৰুষ জ্যোতিপ্ৰসাদ আগৰৱালা। কিন্তু জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদৰ মাজত পাৰ্থক্য হ'ল জ্যোতিপ্ৰসাদ অনুপ্ৰাণিত হৈছিল জাতীয় মুক্তিৰ শঙ্খধ্বনিত। সমাজতন্ত্ৰৰ বিশ্ববিয়পা ধ্বনিয়ে ভাৰতীয় বিপ্লৱৰ প্ৰথম স্তৰত তেখেতক স্পৰ্শ কৰা নাছিল। তেখেত দ্বিতীয় স্তৰৰ আদৰ্শৰ প্ৰতি আকৰ্ষিত হোৱাৰ কাৰণে বিয়াল্লিছৰ পিছতো কেইবছৰমানৰ প্ৰয়োজন হৈছিল। স্বাধীনতা লাভৰ পিছত ধনিক শ্ৰেণীৰ পৰিচালনাত স্বাধীন চৰকাৰৰ চৰিত্ৰৰ প্ৰত্যক্ষ প্ৰমাণ পোৱাৰ পিছতহে জ্যোতিপ্ৰসাদৰ মোহভঙ্গ আৰম্ভ হৈছিল। কিন্তু বিষ্ণুপ্ৰসাদৰ জাতীয় চৰকাৰ সম্পৰ্কে আগৰ পৰাই ধাৰণা আছিল স্পষ্ট আৰু সেয়ে স্বাধীনতাৰ পিছতে অসমত ভাৰতীয় বিপ্লৱৰ সমাজতান্ত্ৰিক স্তৰৰ সূচনা কৰোতাসকলৰ ভিতৰত আগৰ স্তৰৰ ঐতিহ্যৰে নিজৰ স্তৰক সমৃদ্ধ কৰি তোলাসকলৰ অন্যতম জননেতা বিষ্ণুপ্ৰসাদ ৰাভা।

হয়তো ভুল হ'ব পাৰে। কিন্তু লেখকৰ নিজৰ ধাৰণা যে যোৱা দুকুৰি বছৰৰ ভিতৰত অসমৰ জনমানসত ব্যাপকতম ক্ষেত্ৰ জুৰি স্থান লাভ কৰা একমাত্ৰ নাম বিষ্ণু ৰাভা। সম্ভৱতঃ অসমৰ কোনো এক জিলাও বাদ নপৰাকৈ অতি আওহতীয়া দুৰ্গম, বিভিন্ন ভাষা-ভাষীৰ একেবাৰে তলৰ খাপত থকা নিৰন্ন, নিৰস্ত্ৰ, নিৰক্ষৰ, নিঠৰুৱা জনমানসৰ মাজত যদি আজি অসমৰ বিশিষ্ট ৰাজনৈতিক আৰু সাংস্কৃতিক নেতাসকলক দেখা বা তেখেতৰ কথা শুনা লোকৰ হিচাপ লোৱা হয় লেখকৰ ধাৰণা যে সেই ভোটৰ বিপুল সংখ্যাধিক্য হ'ব বিষ্ণু ৰাভা নামৰ সপক্ষে।

বিষ্ণু ৰাভাৰ ৰাজনৈতিক কৰ্মক্ষেত্ৰ অসমৰ আওহতীয়া গাঁও-ভূঁই। বিষ্ণু ৰাভাৰ সাংস্কৃতিক সাধনাৰ কেন্দ্ৰ আছিল অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন ধৰ্মীয় বা ভাষা-ভাষীৰ মধ্যবিত্ত আৰু সাধাৰণ কৃষকৰ ঘৰ। এনেদৰে অঘৰী বা যাযাবৰ অৱস্থাতে

কৰ্মময় জীৱনৰ বেছিভাগ কাল কটাবলগা হোৱাৰ কাৰণেই ৰাভাৰ বহু ৰাজনৈতিক কীৰ্ত্তি বা সাংস্কৃতিক অৱদান আজিও অসমবাসীৰ অজ্ঞাত। এই ক্ষেত্ৰত ৰাভাৰ নিজৰ স্বীকৃতি উল্লেখ কৰিও একাধিকজনে বিভিন্ন প্ৰবন্ধাদিত আলোচনা কৰিছে।

অসমে ৰাভাক হেৰুৱাব লগা হোৱাৰ সময়লৈকে তেখেত আছিল অসম গণনাট্য সংঘৰ সভাপতি। গণনাট্য সংঘৰ মূলধ্বনি আছিল "ৰাইজেই ভাৱৰীয়া দেশেই নাটঘৰ"। ব্যক্তিগত জীৱনত যদি এই মূল ধ্বনিক বাস্তৱত পৰিণত কৰাৰ নিদৰ্শন বিচাৰিব লগা হয় তেন্তে বিষ্ণু প্ৰসাদ ৰাভাই আছিল তাৰ জ্বলন্ত প্ৰতিমূৰ্ত্তি।

বিষ্ণু ৰাভাক 'কলাগুৰু' উপাধিৰে তেখেতৰ বিয়োগৰ পিছত ব্যাপকভাৱে বিভূষিত কৰা হৈছে। বৰ্তমানলৈকে যেনেদৰে ব্যাপকভাৱে 'কলাগুৰু' হিচাপে তেখেতৰ স্মৃতি দিৱস পালন কৰা হৈছে তালৈ লক্ষ্য কৰিলে ৰাভাৰ অন্যতম ভ্ৰাতৃসুলভ সহকৰ্মী শ্ৰদ্ধেয় নগেন্দ্ৰ নাথ কাকতিৰ কথাৰে ক'বলৈ হ'লে ৰাভাৰ প্ৰতি এই উপাধি যেন নাচ-গানৰ প্ৰখ্যাত "ওস্তাদ"ৰ প্ৰতি জনোৱা শ্ৰদ্ধাঞ্জলি। ৰাভা কলাৰ প্ৰচলিত ধাৰাৰ কলাগুৰু নাছিল। ৰাভা আছিল কলাক উদ্দেশ্যধৰ্মী অৰ্থাৎ সমাজ বিবৰ্তনত কলাৰ ভূমিকা ৰূপায়ণ কৰা সংগ্ৰামী জাতিৰ শিল্পী। কলাৰ কাৰণেই ৰাভাই কলাৰ সাধনা কৰা নাছিল। ৰাভাৰ কলা সাধনাৰ চালিকা শক্তি আছিল সমাজতন্ত্ৰৰ দৰ্শন আৰু তাৰেই অভিমুখে সমাজক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত নিজকে বিলীন কৰি দিয়া স্বাধীনতাৰ পিছৰ সংগ্ৰামীসকলৰ সেনানী।

ৰাভাৰ জীৱনৰ এই চালিকা শক্তিক অৱজ্ঞা কৰি তেখেতক কেৱল 'কলাগুৰু' হিচাপেই চিত্ৰিত কৰাৰ প্ৰয়াসে কিমান দিনলৈ প্ৰাধান্য লাভ কৰি থাকিব পাৰে সি সময়সাপেক্ষ। কিন্তু আমাৰ সমুখত জাতীয় মুক্তি-সংগ্ৰামৰ অভিজ্ঞতাৰে সমাজতন্ত্ৰ অভিমুখী নতুন ৰূপান্তৰ সাধনৰ প্ৰতিভূ হিচাপে ৰাভাৰ স্মৃতি ইতিহাসত অবিস্মৰণীয় হৈ থাকিব বুলিয়ে লেখকৰ দৃঢ় বিশ্বাস।

## (চাৰি)

আশৈশৱ বিপ্লৱী আদৰ্শ আৰু তাৰেই উপযোগী কলাৰ সাধনা একেলগে চলোৱা ৰাভাৰ জীৱনত বহু সময়ত হয়তো কোনটোৰ ওপৰত নিজৰ শ্ৰেষ্ঠ সামৰ্থ্য অৰ্পণ কৰিব সেই বিষয়ে মানসিক সংঘাতে দেখা দিছিল। এই অনুমানৰ থল হ'ল অসমত প্ৰথম বামপন্থী সংগঠন "ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিত" তেখেতে যোগদান কৰাৰ আগতো আৰু পিছতো কোনো সময়ত এই উভয়তে সক্ৰিয়ভাৱে জড়িত নাথাকি অকলে কৰা নীৰৱ সাধনাৰ কিছু বিক্ষিপ্ত কাহিনী। কিন্তু এই কথা অনস্বীকাৰ্য যে তেখেতে বহু কালজয়ী ৰচনা কৰিছিল বিপ্লৱী কমিউনিষ্ট পাৰ্টিত থকা সময়তে। সম্ভৱতঃ সেই সময়ছোৱাতে তেখেতে জীৱনৰ ভিতৰত আটাইতকৈ বেছি ব্যাপকভাৱে

জনজীৱনৰ লগত নিজকে চামিল কৰি দিয়াৰ সুযোগ পাইছিল চৰকাৰী নিৰ্যাতনৰ কাৰণে। ১৯৪৮ চনৰ পৰা প্ৰায় পাঁচ বছৰ কাল জাতীয় চৰকাৰে ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিক কাৰ্যতঃ বে-আইনী ঘোষণা কৰিছিল আৰু নেতাসকলক যিকোনো অৱস্থাত ধৰি দিব পাৰিলে পুৰস্কাৰ ঘোষণা কৰিছিল। ৰাভাৰ কাৰণে কৰা পুৰস্কাৰ ঘোষণা আছিল যিমানদূৰ মনত পৰে সম্ভৱতঃ দহ হেজাৰ টকা। সেই ঘোষণা মূৰত লৈ ৰাভাই এহাতে পুলিচ চোৰাংচোৱাৰ শেন চকু এৰাই ফুৰা আনহাতে জনসাধাৰণৰ মাজত নতুন ভাবাদৰ্শৰ প্ৰচাৰ আৰু গণ-সংস্কৃতিৰ সাধনা কৰিব লগা হৈছিল।

ভাববাদী দৰ্শন বা ধনিক ৰাজনীতিত বিশ্বাস কৰাসকলৰ পক্ষে এক নিৰ্দিষ্ট কক্ষপথতে কৰ্মজীৱন সীমাবদ্ধ ৰখা সম্ভৱ। কিন্তু সেই ধাৰা সম্পৰ্কে সন্দেহ বা তাৰ বিকল্প বিচৰাসকলৰ পক্ষে যুগ যুগ ধৰি প্ৰধানতঃ তেনে ধাৰণাৰেই শ্যাসিত আৰু চালিত হৈ থকা সমাজখনৰ পৰিৱৰ্তনৰ কাৰণে গতিশীল বিশ্লেষণমূলক দৃষ্টিভংগীৰে আগবাঢ়িব লগা হয়। সেই কাৰণেই এনে ভাবাদৰ্শত অনুপ্ৰাণিতসকলৰ ক্ষেত্ৰত প্ৰয়োজনবোধ ধাৰণা বা গতিপথৰ পৰিৱৰ্তন লক্ষণীয়।

আগতেই উল্লেখ কৰা হৈছে যে ১৯০৫ চনৰ ৰুচ বিপ্লৱৰ পিচতে পৃথিৱী জুৰি বিশেষকৈ পৰাধীন আৰু শোষিত জাতিসমূহৰ তৰুণ সম্প্ৰদায়ৰ মাজত গোপন সশস্ত্ৰ সংগ্ৰামৰ যোগে সাম্ৰাজ্যবাদক উচ্ছেদ কৰাৰ যি ভাৱধাৰাৰ সম্প্ৰসাৰণ ঘটিছিল ৰাভাও প্ৰভাৱিত হৈছিল সেই ভাৱধাৰাৰ দ্বাৰাই। ভাৰতৰ বিভিন্ন ৰাজ্যত তেনে ভাৱধাৰাই যথেষ্ট ব্যাপকতা লাভ কৰি সাম্ৰাজ্যবাদক শঙ্কিত কৰি তুলিছিল যদিও অসমত সেই মনোভাবে ব্যাপকতা লাভ কৰিব নোৱাৰিলে। তাৰ কাৰণ সম্ভৱতঃ মুক্তি-সংগ্ৰামৰ প্ৰধান ধাৰাৰ ক্ষেত্ৰতে অসম মিলিত হয় মূলতঃ অসহযোগ আন্দোলনৰ সময়তহে। অৱশ্যে অসম চৰকাৰে সংকলন কৰা "পলিটিকেল হিষ্ট'ৰী অৱ আসাম" (১ম খণ্ড) আৰু প্ৰয়াত অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ স্মৃতি লেখা। (১৯৬৯ চনত গান্ধী শতাব্দী সমাৰোহ সমিতিৰ যোগে প্ৰকাশিত "শ্বহীদ স্মৃতিগ্ৰন্থ") আদিত অসমতো এই শতিকাৰ প্ৰথম দশকতে কটন মহাবিদ্যালয়ৰ একাংশ যুৱকৰ মাজত তেনে আদৰ্শই কিছু পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰাৰ প্ৰমাণ দিয়ে আৰু অসহযোগ আন্দোলনৰ আগৰ সময়ছোৱাত জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ পিছতে অসমত বঙ্গদেশৰ পৰা অহা তেনে এক গুপ্ত সশস্ত্ৰ বিপ্লৱীৰ লগত নৱগ্ৰহ পাহাৰত বৃটিছৰ খণ্ডযুদ্ধ হোৱাৰ উল্লেখ পোৱা যায়। কিন্তু সেই সময়ত অসমত বৃটিছ চৰকাৰৰ প্ৰতি আবেদন-নিবেদনৰ যোগেই সংস্কাৰ সাধনৰ ধাৰণাই প্ৰাধান্য লাভ কৰি থকা পৰিবেশত তেনে গুপ্ত বিপ্লৱীৰ ভাৱধাৰাই অসমত প্ৰসাৰ লাভ কৰিব নোৱাৰিলে।

কাৰ্যক্ষেত্ৰত ৰাজনীতি আৰু সংস্কৃতি উভয় ক্ষেত্ৰতে নেতৃত্ব প্ৰদানৰ যোগ্যতা সম্পৰ্কে ৰাভাৰ দক্ষতা অনস্বীকাৰ্য। কিন্তু সম্ভৱতঃ সংগঠক হিচাপে সেই দক্ষতা সমপৰিমাণে ৰাভাৰ নাছিল যাৰ কাৰণে সংগঠক হিচাপে তেখেতৰ বিশেষ ভূমিকাৰ কথা জনা নাযায়।

তাৰ কাৰণেই সম্ভৱতঃ শৈশৱত যি আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল ৰাভাৰ নিজৰ ফালৰ পৰা সেই আদৰ্শৰ ভিত্তিত কোনো সংগঠন গঢ়ি তোলাৰ প্ৰচেষ্টা নহ'ল। আনহাতে ১৯২১ চনৰ পৰা অসমত জাতীয় মুক্তি-সংগ্ৰামৰ বনজুই বিয়পি পৰাত ৰাভাই এহাতে তাৰ লগত নিজকে যুক্ত কৰে আৰু আনহাতে শিল্পীপ্ৰাণৰ আকাংক্ষা পূৰণৰ সন্ধানত ব্ৰতী হয়।

ত্ৰিশৰ দশকৰ শেষৰ ফালে অসমত বামপন্থী চিন্তাধাৰাৰ বিকাশ ঘটে। ওপৰত উল্লেখ কৰা বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়েই সৰ্বপ্ৰথম ৰাজ্যজুৰি কৃষক (প্ৰধানতঃ জনজাতিসকলৰ মাজত), ছাত্ৰ আৰু কিছু পৰিমাণে শ্ৰমিকৰ মাজতো সংগঠন আৰম্ভ কৰে। ইতিমধ্যে সমগ্ৰ ভাৰতত গোপন বিপ্লৱী চক্ৰৰ আত্মত্যাগেৰে ভাৰতৰ ইতিহাস উজ্জ্বল কৰি যোৱাসকলৰ বাহিৰে বৃটিছৰ বিভিন্ন কাৰাগাৰত বিশেষকৈ আন্দামানত (কলীয়াপানী) কাৰাৰুদ্ধ হৈ থকাসকলৰ মাজত তেনে গুপ্ত চক্ৰৰ সফলতা সম্পৰ্কে সন্দেহে দেখা দিয়ে। আনহাতে জনতাৰ ব্যাপক অংশক বিশেষকৈ শ্ৰমিক আৰু দুখীয়া কৃষক শ্ৰেণীক সংঘবদ্ধ কৰিব নোৱাৰিলে বিপ্লৱ সম্ভৱ নহয়, মাৰ্ক্সীয় দৰ্শনৰ এই বাণীয়ে সকলোকে আকৰ্ষণ কৰে। বিভিন্ন কাৰাগাৰত কৰা অধ্যয়ন-আলোচনাৰ যোগে কমিউনিষ্ট সংহতি (কমিউনিষ্ট কনছোলিডেশ্যন) গঢ়ি তোলাৰ প্ৰচেষ্টা আৰম্ভ হয়। কাৰামুক্ত হোৱাৰ পিছত অধিকাংশই ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু আন অংশই জাতীয় কংগ্ৰেছ বা বিভিন্ন ৰাজ্যত গঠিত হোৱা বামপন্থী ভাবধাৰাৰ সংগঠনসমূহত যোগদান কৰে। স্বভাৱতেই জনসমুদ্ৰত "সাঁতুৰি-নাদুৰি" ফুৰাৰ হাবিয়াহ পোষণ কৰা ৰাভাই অসমত পোন প্ৰথমে গঠিত বিপ্লৱী কমিউনিষ্ট পাৰ্টিত যোগদান কৰে। এই সময়তেই তেখেতৰ বিপ্লৱী গীতসমূহৰ বোধহয় বেছিভাগ ৰচিত। আৰু তেখেতৰ বিয়োগ ঘটাৰ আগতেই সেই সময়ত আৰু পিছত ৰচনা কৰা তেখেতৰ কিছু প্ৰকাশিত, সুপ্ৰসিদ্ধ কবি শ্ৰদ্ধেয় কেশৱ মহন্তই ৰাভাৰ কেইটিমান অপ্ৰকাশিত কবিতাসহ বৰ্তমানৰ অসম জুৰি শিল্পীসকলৰ অত্যন্ত প্ৰিয় দুকুৰিৰো অধিক গীত এই লেখকৰ অনুৰোধক্ৰমে মিকিৰ পাহাৰ হাওড়াঘাট সাহিত্য সভাৰ সভাপতি শ্ৰদ্ধেয় ক্ষুদ্ৰ বড়াই আৰ্থিক সাহায্য আগবঢ়োৱাত ৰাভা বিয়োগৰ পিছত গুৱাহাটীতে সমবেতভাৱে পালন কৰা প্ৰথম স্মৃতি বাৰ্ষিকীৰ আগে আগে শ্ৰীকেশৱ মহন্তৰ সম্পাদনাত "বিশ্বৰ ছন্দে ছন্দে" নামকৰণেৰে প্ৰকাশ কৰা হয়। পুথিখন প্ৰকাশৰ অলপ দিনৰ পিছতে দুষ্প্ৰাপ্য হৈ পৰে। তেখেতৰ

ৰচিত বিভিন্ন গ্ৰন্থৰ ভিতৰত কেৱল এইখনিৰ উল্লেখ কৰাৰ কাৰণ হ'ল এয়ে যে তেখেতৰ এই গীতসমূহৰ মাজেদিয়ে তেখেতৰ চিন্তাধাৰাৰ ৰূপান্তৰ ঘটাৰ আভাস স্পষ্ট।

১৯৫২ চনত স্বাধীন সংবিধান অনুসৰি ভাৰতত প্ৰথম সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। নৱলব্ধ স্বাধীনতাৰ সংগঠন বুলি দাবী কৰা জাতীয় কংগ্ৰেছৰ তেতিয়া জয়-জয়কাৰ। কেইটিমান মাত্ৰ দলে নিৰ্বাচনত কংগ্ৰেছৰ বিৰোধিতা কৰিছিল। সংখ্যাৰ ফালৰ পৰা ব্যৱধান বহু হ'লেও ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়েই সংগঠনৰ আৰু সংসদত প্ৰতিনিধিৰ ফালৰ পৰা ভাৰতৰ দ্বিতীয় বৃহত্তম পাৰ্টি হিচাপে স্বীকৃত হয়। অৱশ্যে সদস্য সংখ্যা আজিৰ তুলনাত কম হ'লেও সৰ্বভাৰতীয় বামপন্থী পাৰ্টি আছিল ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়েই আৰু পাৰ্টি আছিল সেই সময়ত অবিভক্ত।

তেতিয়াৰ পৰা পিছৰ এটা দশক আহিল ঃ ভাৰতৰ বিভিন্ন ৰাজনৈতিক দল আৰু ব্যক্তিগতভাৱেও মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ শক্তিশালী কমিউনিষ্ট পাৰ্টি গঢ়ি তোলাৰ দশক। এই দশকত জনমানসত এই ধাৰণা ক্ৰমবৰ্ধমান গতিত প্ৰসাৰ লাভ কৰিছিল যে কংগ্ৰেছৰ বিকল্প শক্তি হোৱাৰ সম্ভাৱনা থকা ৰাজনৈতিক দল হ'ল একমাত্ৰ কমিউনিষ্ট পাৰ্টি।

সেই সময়ৰে কথা। পশ্চিমবঙ্গ আৰু অসমতেই সংগঠন থকা বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সৰ্বভাৰতীয় সাধাৰণ সম্পাদক আছিল অসমৰেই প্ৰয়াত বিপ্লৱী হৰেন কলিতা। প্ৰয়াত কলিতাৰ নেতৃত্বত দলৰ অধিকাংশই, বিপ্লৱী কমিউনিষ্ট পাৰ্টি গঢ়ি তোলাৰ পথ গ্ৰহণ কৰে। প্ৰচেষ্টাক বাস্তৱ ৰূপ দিয়াৰ প্ৰস্তুতি চলিছিল গুৱাহাটীত উক্ত দলৰ এক বিশেষ সন্মিলনৰ যোগে ১৯৫৫ চনৰ জুন মাহত।

পৰিতাপৰ কথা যে বহুদিন অসুখত ভুগি থকা নেতা কলিতাৰ সন্মিলনৰ কেইদিনমানৰ আগতে বিয়োগ ঘটে। কিন্তু সন্মিলন অনুষ্ঠিত হয় আৰু সন্মিলনত বিপ্লৱী কমিউনিষ্ট পাৰ্টি ভঙ্গ কৰি দি সদস্যসকলক ভাৰতৰ কমিউনিষ্ট পাৰ্টিত যোগ দিয়াৰ সিদ্ধান্ত গৃহীত হয়। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সেই সময়ৰ ৰাজ্যিক সম্পাদক শ্ৰদ্ধেয় কামিনী মোহন শৰ্মাই দলৰ সকলো নথি-পত্ৰ, দলৰ হাতত থকা সা-সম্পত্তি আৰু সদস্যসকলৰ তালিকা ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ ৰাজ্য দপ্তৰত সদল-বলে আহি অৰ্পণ কৰি সদস্য পদৰ কাৰণে আবেদন কৰে। অৱশ্যে শ্ৰদ্ধেয় খগেন্দ্ৰ নাথ বৰবৰুৱাদেৱৰ নেতৃত্বত একাংশ এই সিদ্ধান্তৰ অংশীদাৰ নাছিল। তেখেতসকলে পাৰ্টিৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ সিদ্ধান্ত কৰে।

উক্ত বিশেষ সন্মিলনৰ সময়ত ৰাভা অসমত নাছিল। তেখেতে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ সদস্য পদ গ্ৰহণ কৰে কিছুদিন পিছত।

আলোচিত দশকৰ ভিতৰত কমিউনিষ্ট ঐক্যৰ যি ভাৰতজোৰা প্ৰচেষ্টা চলিছিল সম্ভৱতঃ তাৰ মূল কাৰণ আছিল সৰ্বহাৰাৰ বিপ্লৱ সকলো দেশতে সম্ভৱ কৰি তোলাৰ কাৰণে প্ৰয়োজনীয় চৰ্ত হ'ল প্ৰত্যেক দেশত ঐক্যবদ্ধ কমিউনিষ্ট পাৰ্টি গঢ়ি তোলাই সৰ্বপ্ৰধান কৰ্তব্য বুলি কৰা মহান লেনিনৰ বিশ্লেষণ।[৫] ৰাভাই লেনিনৰ সেই বিশ্লেষণকে ভাৰতীয় বিপ্লৱৰ ক্ষেত্ৰতো প্ৰযোজ্য বিবেচনা কৰি যি অংশই বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সংগঠন অব্যাহত ৰখাৰ পোষকতা কৰিছিল সেইসকলৰ লগত নাথাকি স্বেচ্ছাই ভাৰতৰ কমিউনিষ্ট পাৰ্টিত যোগদান কৰে আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ এজন সৰ্বজন শ্ৰদ্ধেয় নেতা হিচাপেই শেষ নিশ্বাস ত্যাগ কৰে। মাৰ্ক্স, এঙ্গেলছ্ আৰু লেনিনৰ নিৰ্দেশিত পথৰ বিভিন্ন ব্যাখ্যা আগতেও চলিছিল ; বৰ্তমানো চলি আছে। কোনো কোনোৰ মতে সাম্ৰাজ্যবাদৰ আজিৰ ৰূপত তাৰ বিৰুদ্ধে মাৰ্ক্স, এঙ্গেলছ্, লেনিনৰ নিৰ্দেশিত পথ অচল হৈ গৈছে। তেনে তত্ত্বতে ভেজা দি বিশ্বৰ বিভিন্ন দেশত আৰু ভাৰততো ভাৰতৰ কমিউনিষ্ট পাৰ্টি যদিও মাৰ্ক্সবাদ, লেনিনবাদ আৰু শ্ৰমিক শ্ৰেণীৰ আন্তৰ্জাতিকতাবাদত বিশ্বাসী, সংকীৰ্ণতা, উগ্ৰ জাতীয়তাবাদ, মতান্ধতা আদিৰ বিৰোধী তথাপি মাৰ্ক্সবাদ, লেনিনবাদক সমাজতন্ত্ৰৰ একমাত্ৰ পথ বুলি গ্ৰহণ কৰা বিশ্ব কমিউনিষ্ট আন্দোলন আৰু তাৰেই নেতৃত্বত পৰিচালিত বিশ্ব ট্ৰেড ইউনিয়ন ফেডাৰেশ্যনৰ অন্তৰ্ভুক্ত ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ পৰা পৃথকভাৱে বিভিন্ন নামত কমিউনিষ্ট বা সমাজতান্ত্ৰিক দল গঢ়ি উঠিছে। নীতি বা পদ্ধতিৰ শুদ্ধতাৰ সম্পৰ্কে ৰায় প্ৰদান কোনো ব্যক্তি বা সংগঠনৰ পক্ষে সম্ভৱ নহয়। সেই ৰায় ইতিহাসে দিব। কিন্তু এটি কথা আজি ভাৰতৰ ৰাজনীতিত স্পষ্ট।

ভাৰতৰ সাধাৰণ শ্ৰমিক, কৃষক, মধ্যবিত্তৰ অবিস্মৰণীয় আত্মত্যাগৰ দ্বাৰা ১৮৫৭ চনৰ পৰা বহু সংগ্ৰাম চলাই ১৯৪৭ চনত লাভ কৰা স্বাধীনতা যদিও জাতীয় কংগ্ৰেছৰ নেতৃত্বতে লাভ হৈছিল তথাপি তাৰ সমুদায় গৌৰৱৰ অধিকাৰী জাতীয় কংগ্ৰেছ নহয়। শাসনাধিষ্ঠিত কংগ্ৰেছে স্বাধীনতাৰ পিছৰ পৰাই তেনে দাবীকে কৰি আহিছে। কিন্তু জনসাধাৰণে সেই দাবীক কংগ্ৰেছে কৰা দাবী অনুযায়ী স্বীকৃতি দিয়া নাই। প্ৰথম সাধাৰণ নিৰ্বাচনৰ পৰাই আজি পৰ্যন্ত প্ৰদত্ত ভোটৰো শতকৰা ৫০ ভাগৰ অধিকাৰীও কংগ্ৰেছে হ'ব নোৱাৰাই হ'ল তাৰ জ্বলন্ত নিদৰ্শন।

আজি ভাৰত জাতীয় ইতিহাসত কোনো দিনে নোহোৱা ধৰণে ৰাজনৈতিক দলত বিভক্ত। ধনিক দলসমূহৰ নিজৰ ভিতৰত অৱধাৰিত দ্বন্দ্ব আৰু সমাজতন্ত্ৰকামী শক্তিসমূহৰ মাজত বিভিন্ন তত্ত্বৰ কাৰণে থকা বিভেদৰ কাৰণেই আজি অভূতপূৰ্ব ৰাজনৈতিক অস্থিৰতাৰ মাজতো জনসাধাৰণৰ তাকৰীয়া সংখ্যাৰ সমৰ্থন যি কোনো পদ্ধতিৰে লাভ কৰিয়ে ধনিক দলৰ প্ৰতিনিধি আজি শাসনৰ গাদীত।

এনে বহুধাবিভক্ত ৰাজনৈতিক পটভূমিতো ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ ১৯৬৪ চনত ৰম্বে মহানগৰীত অনুষ্ঠিত সপ্তম মহাসম্মিলনত ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে সাম্ৰাজ্যবাদ, সামন্তবাদ, একচেতীয়া পুঁজিবাদৰ বিৰোধী সকলো শক্তিৰ মিলিত জাতীয় গণতান্ত্ৰিক ঐক্যৰ মূল আহ্বান জনাই কাৰ্যসূচী গ্ৰহণ কৰে। তেতিয়াৰ পৰা যোৱা ১৮ বছৰ কালৰ ভিতৰত আজি এই সত্যই ক্ৰমে ব্যাপকতৰ ভিত্তিত স্বীকৃতি লাভ কৰি আহিছে যে আদৰ্শ বা তত্ত্বগত পাৰ্থক্য সত্ত্বেও ওপৰত উল্লেখ কৰা তিনি প্ৰধান শত্ৰুৰ বিৰুদ্ধে সেই তিনি শক্তিৰ প্ৰত্যক্ষ বা পৰোক্ষ সমৰ্থন লাভ কৰি থকা ধনিক শ্ৰেণীৰ বিৰুদ্ধে বৰ্তমান বিপ্লৱৰ স্তৰত ভাৰতবাসীক পথ প্ৰদৰ্শন আৰু নেতৃত্ব দিব পৰা শক্তি কোনো একক দলৰ নাই। আছে বাম-গণতান্ত্ৰিক ঐক্যৰ মিলিত শক্তিৰ। লেখকৰ ধাৰণা ভাৰতৰ ইতিহাসৰ অমোঘ গতি তাৰেই অনুকূলে।

ৰাভা আছিল সেই লক্ষ্যত অটল বিশ্বাসী, সেয়ে আমৃত্যু তেখেতে তাৰেই উদ্দেশ্যে জীৱনৰ শ্ৰেষ্ঠতম অৱদান আগবঢ়াই গ'ল। ভাৰতৰ ইতিহাসে যদি অন্যপথ গ্ৰহণ কৰে তেন্তে সি হ'ব সুকীয়া কথা। কিন্তু যদি ৰাভাই অমোঘ বুলি বিশ্বাস কৰা বাম-গণতান্ত্ৰিক শক্তিৰ জাতীয় বিকল্পই ভাৰতক সমাজতন্ত্ৰৰ অভিমুখে আগবঢ়াই নিয়াৰ একমাত্ৰ পথ বুলি ইতিহাসে প্ৰমাণ কৰে তেন্তে ৰাভাৰ ৰাজনৈতিক বিশ্বাস ক্ৰমে ব্যাপকতকৈও ব্যাপকতৰ হৈ যাবলৈ বাধ্য। পৃথিৱীৰ বিভিন্ন দেশৰ বিপ্লৱী মহান শিল্পীসকলে যি সত্যৰ সাধনাত ব্ৰতী হৈ অৱদান আগবঢ়াই গৈছে অসমতো ৰাভাই সেই নিৰ্ভুল পথকে অনুসৰণ কৰাৰ মূল্যায়ন আজিৰ দৰে একাংশৰ মাজত সীমাবদ্ধ নাথাকি লাভ কৰিব লাগিব জাতীয় স্বীকৃতি।

## (পাঁচ)

ৰাভাৰ ৰাজনৈতিক জীৱনৰ মূল্যায়ন বিভিন্নজনে নিজৰ নিজৰ দৃষ্টিভঙ্গীৰে বহু প্ৰকাৰে কৰাৰ প্ৰচেষ্টা চলিছে। সি অত্যন্ত শুভ লক্ষণ। কাৰণ আজি ৰাভাক যিসকলে বিভিন্ন দিশৰ পৰা শ্ৰদ্ধাৰে মূল্যায়নৰ প্ৰচেষ্টা কৰিছে, ৰাভাৰ বিয়োগ ঘটাৰ প্ৰথম বছৰতো আনকি এনে ব্যাপকভাৱে প্ৰকাশ পোৱা নাছিল। কেৱল সেয়ে নহয়। ভাবিলে আজি আচৰিত যেন লাগে আনকি মৃত্যুৰ ৭ বছৰ আগত ১৯৬২ চনত চীন-ভাৰত যুদ্ধৰ সময়ত ভাৰত চৰকাৰে এই শ্ৰদ্ধেয় নেতাজনক দুটি মাতৃহাৰা শিশুপুত্ৰক বুকুত লৈ শুই থকাৰ পৰা তুলি পথাৰে বান্ধি খোজকঢ়াই, পুলিচৰ গাড়ী, জাহাজ আদিত আনি গুৱাহাটী পোৱাই তাৰ পিছত সুদূৰ উৰিষ্যাৰ কাৰাগাৰত বন্দী কৰি ৰখা অৱস্থাতো আজি ৰাভাৰ উদ্দেশ্যে শ্ৰদ্ধাঞ্জলি আগবঢ়োৱা বহুতৰ পৰা সাধাৰণ প্ৰতিবাদৰ ধ্বনি এবাৰো শুনা নগৈছিল। তাৰ কাৰণ ৰাভাই তেতিয়া "কলাগুৰু"

উপাধিৰে বিভূষিত হোৱাৰ পৰিবৰ্তে সেইসকলৰ দৃষ্টিত আছিল মাথোন "বিদেশৰ প্ৰতি আনুগত্য থকা" বুলি জন্মৰ পৰাই অপপ্ৰচাৰৰ সমুখ হৈ আহিব লগা হোৱা কমিউনিষ্ট পাৰ্টিৰ সদস্য। ৰাভাৰ ৰাজনৈতিক জীৱন দৰ্শনৰ দিশ পৰিহাৰ কৰি আজি তেখেতক কেৱল "কলাগুৰু" বা "জনতাৰ শিল্পী" হিচাপেই মূল্যায়ন কৰাৰ যি প্ৰচেষ্টা চলিছে লেখকৰ দৃঢ় বিশ্বাস যে ইয়াৰ পিছৰ স্তৰতে আহি পৰিব ঃ ৰাভা জীৱনৰ মূল চালিকা শক্তি সম্পৰ্কে বিচাৰ বিশ্লেষণৰ প্ৰচেষ্টা।

লেখকৰ পক্ষে ৰাভাৰ জীৱনৰ সৰ্বপ্ৰধান দিশ হ'ল —আমাৰ গৌৰৱময় সাংস্কৃতিক আৰু জাতীয় জীৱনৰ ঐতিহ্যৰ লগত সমূলি বিৰোধ নঘটাকৈ শ্ৰমিক শ্ৰেণীৰ আন্তৰ্জাতিকতাৰ সমন্বয় সাধন কৰিব পৰা শক্তি। উদ্ধৃতিৰে লেখা বাহুল্য কৰা উদ্দেশ্য পৰিহাৰ কৰি এটি মাত্ৰ ঘটনাৰ উল্লেখ কৰা হ'ল।

ৰাভাৰ বিয়োগৰ পিছত তেখেতৰ অপ্ৰকাশিত অন্যতম ৰচনা "এয়ে মোৰ শেষ গান" গীতটি পোনপ্ৰথম প্ৰকাশ কৰা হয় কমিউনিষ্ট পাৰ্টিৰ ৰাজ্যিক মুখপত্ৰত। গীতটি ছপাশাললৈ পঠোৱাৰ কাৰণে মূলৰপৰা নকল কৰাৰ সময়ত ৰাভাই অসমীয়া অতীত সংস্কৃতিৰ স্বৰ্ণযুগ শ্ৰীমন্ত শংকৰদেৱৰ ৰচিত নাটকসমূহৰ 'কল্যাণ খৰমান' গীতেৰে মৰা সামৰণিৰে তেখেতৰ জীৱনৰো কল্যাণ খৰমান ৰচনা কৰি সমগ্ৰ জীৱন কেনেদৰে জনসাধাৰণৰ সেৱাতেই উচৰ্গা কৰি শেষত "ৰাইজৰ পদচুমি" মেলানি লোৱাৰ ধাৰা ব্যাখ্যা কৰিছিল। প্ৰত্যক্ষ ৰাজনীতি তাত একো নাছিল যদিও অসমৰ জাতীয় সত্তাৰ লগত ৰাভাই কেনেদৰে নিজকে ওতপ্ৰোতভাৱে জড়িত কৰি মানৱৰ সেৱাত আত্মদানৰ কথা প্ৰকাশ কৰাৰ মাধ্যম আৰু তাৰ আবেদন অনুধাৱন কৰি লেখকৰ চকুপানী ৰোধ কৰিব নোৱাৰা স্মৃতি আজিও স্পষ্ট মনত আছে।

ৰাভাৰ ৰাজনৈতিক মূল্যায়নৰ ক্ষেত্ৰত মূল্যায়ন কৰাতো ভেদে পাৰ্থক্য থকা স্বাভাৱিক। কিন্তু তেখেতৰ ৰাজনৈতিক জীৱনৰ চালিকা শক্তি আছিল কি সেই সম্পৰ্কে তেখেতৰ নিজৰ কথাৰ আশ্ৰয় ল'লেই বোধহয় তেখেতৰ জীৱিত কালৰ ভাৱধাৰাৰ লগত বেছি সঙ্গতি সম্পন্ন হ'ব।

মৃত্যুৰ কিছুদিন আগলৈকে ৰাভা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল। তেখেতৰ বিয়োগ ঘটাৰ এমাহ তিনিদিন আগতে অসমত কমিউনিষ্ট পাৰ্টিৰ ৰাজ্যজোৰা সাংগঠনিক ৰূপ পোৱাৰ ৰূপালী জয়ন্তী উৎসৱ পালিত হয় মে' মাহৰ ১৭ তাৰিখে। উৎসৱৰ প্ৰস্তুতি চলাৰ সময়ত ৰাভাৰ আন্তৰিক আগ্ৰহ আছিল নিজে উৎসৱত উপস্থিত থকাৰ। কিন্তু উৎসৱৰ সময়ত তেখেতৰ অৱস্থা শয্যা ত্যাগ কৰিব নোৱাৰা। লেখকৰ অনুৰোধত ৰাভাই অসমত পাৰ্টি প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী উপলক্ষে এটি বাণী নিজ হাতে লিখি দিয়ে। তাৰ পিছত তেখেতে অন্য কিবা লেখাৰ

কথা জনা নাযায় আৰু লেখা সম্ভৱো নাছিল। অসমৰ ৰাজনীতি আৰু সাংস্কৃতিক জগতত চিৰদিন পুৱতি নিশাৰ তৰাৰ দৰেই জিলিকি থকা ৰাভাৰ জীৱনৰ অন্তৰৰ প্ৰবলতম আৱেগৰ প্ৰকাশ তেখেতৰ সেই শেষ লেখা। এই লেখকৰ ধাৰণা তাৰ সহায়ত তেখেতৰ মূল্যায়নৰ প্ৰচেষ্টা হ'লেই ৰাভা কি হ'ব পাৰিলেহেঁতেন তাৰ পৰিবৰ্তে ৰাভা কি আছিল তাৰেই বহু ওচৰ চপা সম্ভৱ। লেখাটিৰ তাৰিখ আছিল ১৫ মে' ১৯৬৯ চন। প্ৰকাশ পাইছিল অসমত কমিউনিষ্ট পাৰ্টি স্থাপনৰ ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশ পোৱা "সৌৰৰশত"। তেখেতৰ সেই শেষ লেখাকেই তেখেতৰ ৰাজনৈতিক জীৱনৰ মূল্যায়নৰ ক্ষেত্ৰত যথাযোগ্য মূল্য আৰোপ কৰাৰ প্ৰত্যাশাৰে তেখেতৰ শেষ বাণীৰ হুবহু উদ্ধৃতিৰে আলোচনাৰ সামৰণি হিচাপে দিয়া হ'ল।

## ৰোগ-শয্যাৰ পৰা কমৰেড বিষ্ণু ৰাভাৰ বাণী

"ৰাইজৰ অসীম বল। সীমাহীন শক্তি। এই জোৰাল কথাষাৰকে বুজা নাছিলোঁ। ভাবিছিলোঁ চহৰৰ, নগৰৰ ভেমপুৰীয়াসকলেই দেশৰ, সমাজৰ আৰু ৰাইজৰ নেতা। দৰাচলতে অসমৰ সীমামুৰীয়া ঠাইত যেতিয়া দ্বিতীয় মহাসমৰৰ কামান গৰজি উঠিল, সৌমাৰত সীমান্ত অঞ্চলত জাপানৰ জাকে জাকে উৰাজাহাজ আদি ডেউকা মেলি আকাশ ছানি পেলালে আৰু সীমান্ত ভূমিত জঁয়াল জাপানী বোমাৰ বিস্ফোৰণ হ'ল, তেতিয়া মোৰ মনত কোটিকলীয়া অসমৰ লাখ লাখ বছৰীয়া সংস্কৃতি আৰু সভ্যতা জানোচা জাপানী আগ্নেয়াস্ত্ৰৰ দাৱানলত দহি-পুৰি ছাই হৈ যায় এই চিন্তাই মোৰ হিয়া খুলি খুলি খাইছিল।........ (মণি ভৌমিকৰ নিবন্ধ 'কমৰেড ৰাভা অমৰ ৰহে' চাওক —পৃষ্ঠা ঃ ১৭-১৮ —সম্পাদক) ❑

টোকা — (১) 'We must realise that the transition to communism can not be accomplished by the vanguard alone. The task is to arouse the working masses to revolutionary activity, to independent action and to organisation, regardless of the level they have reached ; to translate the true communist doctrine, which was intended for the communists of the more advanced countries, into the language of every people ; to carry out those practical tasks which must be carried out immediately and to join the proletarians of other countries in a common struggle.

Such are the problems whose solution you will not find in any communist book. but will find in the common struggle begun by Russia. You will have to tackle that problem and solve it through

you own independent experience. In that you will be assisted, on the one hand, by close alliance with the vanguard of the working people of other countries, and on the other by ability to find the right approach to the peoples of the east whom you here represent."

[From Address to "the Second All Russian Congress of Communist Organisation of the peoples of the East."

22-11-17]

(২) "Perhaps the greatest single event which influenced. The Political and moral development of India during the century was the Russian Revolution. The assumption of power by the proletariate not only in Moscow but across the borders of pamirs had a profound effect on the youth of India."

(৩) "The revolution in Russia (1977) was regarded in India as a triumph over despotism. . . It has given an impetus to Indian political aspirations "

["Under Communisms Crimson Colours" by Hiren Mukherjee, P.P. 193 ]

(৪) "This satanic (British) government cannot be mended but is must be ended." [ibid]

(৫) ......."From the point of view of the international proletarian movement, it is the Communist Parties' principal task at the present moment to unite the scattered communist forces, to form a single communist party in every country (or to reinforce or removate the already existing party) in order to increase tenfod the work of preparing the proletariat for the conquest of political power."

[Leninist approach to unity of the world communist movement. Published by Novosti Press Agency, P. 32] ❑

# কমৰেড বাভা

## অসমৰ বামপন্থী আন্দোলনৰ এটি অসমাপ্ত পৰ্ব

### ।। প্ৰবীণ বৈশ্য।।

শ্ৰীমন্ত শংকৰদেৱে এটি নতুন ধৰ্মৰ সহায়ত সামন্তবাদী সমাজত অৱহেলিত জনসাধাৰণৰ কাৰণে এটি আশাৰ ৰেঙণি অনাৰ লগতে অসমৰ সাহিত্য-সংস্কৃতিৰ জগততো এটি নতুন দিগন্ত আনিছিল। তেওঁৰ পিছত আন বহুকেইজন শিল্পী-সাহিত্যিকৰ ভিতৰত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰভাব বিশেষ লক্ষ্য কৰিবলগীয়া। স্বাধীনতা আন্দোলনৰ সন্তান ৰূপকোঁৱৰ আৰু কলাগুৰু দুয়োজনৰে অৱদানৰ আজি মূল্যাঙ্কন হ'ব ধৰিছে —সমালোচকসকলৰ ব্যক্তি সাপেক্ষিক ধ্যান-ধাৰণা মতে। সেয়ে কোনোৱে মাৰ্ক্সৰ ডাচ্ কেপিটেলৰ বৃটিছ্ সংস্কৰণৰ পাত লুটিয়াই মানুহক, শিল্পী-সাহিত্যিকক তথা ৰূপকোঁৱৰক চাব্জেকটিভ্ হোৱা দেখে (ডাচ্ কেপিটেলত মানুহৰ চাব্জেকটিভ্ অৱস্থাৰ কথা পোৱাৰ লগতে কেপিটেল শব্দটোৰ মাৰ্ক্সীয় তাৎপৰ্যও এইচাম লেখকে বিচাৰি পালে ভাল হয়); কোনোৱে ৰূপকোঁৱৰৰ লিখনীত শ্ৰেণী হিৰ' নেদেখে (যেনিবা কোনজন হিৰ' কোন শ্ৰেণীৰ পৰা লৈছে তাক লেখকে ফুটনোট দি কৈ থব লাগে); কোনোৱে দেখে তেওঁৰ জীৱনৰ শেষৰ ফালে মানসিক দ্বন্দ্ব আৰু আন এচামে দেখে ভাববাদী চিন্তাধাৰাৰপৰা সমাজবাদী চিন্তাধাৰালৈ জ্যোতিপ্ৰসাদৰ উত্তৰণ।

সাহিত্য-সংস্কৃতি সম্পৰ্কে জ্যোতিপ্ৰসাদ কিম্বা বিষ্ণুপ্ৰসাদৰ চিন্তাধাৰা অথবা ইয়াক লৈ তেওঁলোকৰ অৱদান সম্পৰ্কে মতামত দাঙি ধৰাৰ ধৃষ্টতা আমাৰ নাই। তথাপিও এইটো বোধহয় সৰ্বসন্মত কথা যে স্বাধীনতা আন্দোলন আৰু ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ নিয়ন্ত্ৰণত থকা ভাৰতীয় গণনাট্য সংঘৰ লগত জ্যোতিপ্ৰসাদৰ যি ইন্‌ভল্‌ভমেণ্ট সিয়ে ১৯৪২ চনত মাও-চে-টুঙে শিল্প-সাহিত্যৰ ইয়েনান ফোৰামত "সাহিত্য-সংস্কৃতি কাৰবাবে আৰু কি উদ্দেশ্যে" বুলি তোলা প্ৰশ্নৰ উত্তৰৰ "দামী কাৰ্পেটৰ পৰা ধাঁহনিলৈ নামি অহা" অসমৰ শিল্পী জ্যোতিপ্ৰসাদে সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনত জঁপিয়াই পৰি 'সাহিত্য-সংস্কৃতি জনসাধাৰণৰ কাৰণে তেওঁলোকৰ মুক্তিৰ উদ্দেশ্যে' বুলি তেতিয়াই কৈ গৈছিল ; "অসমীয়া ডেকাই ভগৎ সিঙক অনুকৰণ কৰিব। পূৰ্ণ স্বৰাজ লাভৰ কাৰণে চুৰি-ডকাইতি বা অন্য যি কোনো পন্থা অৱলম্বন কৰিবলৈ তেওঁ কুণ্ঠাবোধ নকৰে" বুলি ১৯৩১ চনতে ন-দুৱাৰৰ এখন সভাত ঘোষণা কৰিছিল

(পলিটিকেল হিষ্ট'ৰি অব আসাম, ২য় খণ্ড, পৃঃ ২৭১)। জ্যোতিপ্ৰসাদৰ এই ইনভল্‌ভ্‌মেণ্টে প্ৰমাণ কৰি গৈছে যে সাহিত্য-সংস্কৃতি, সমাজ আৰু সময় নিৰপেক্ষ হ'ব নোৱাৰে ; সমাজ জীৱনৰ উৰ্দ্ধত নন্দনতত্ত্বৰ চৰ্চা হ'ব নোৱাৰে ; ইয়াৰ উদ্দেশ্যৰ হ'ব দুষ্কৃতিক বিনাশ কৰি মানৱ সমাজত সংস্কৃতিক প্ৰতিষ্ঠা কৰা।

জ্যোতিপ্ৰসাদৰ দুষ্কৃতিক বিনাশ কৰাৰ উপায় অথবা সমাজত কি সংস্কৃতি-সামন্তবাদী, পুঁজিবাদী নে সমাজবাদী সংস্কৃতি প্ৰতিষ্ঠাৰ লক্ষ্য সম্পৰ্কে পাঠক কিম্বা সমালোচকৰ মনত সন্দেহৰ ভাব জগাই তোলাৰ স্থল ৰূপকোঁৱৰে অলপ এৰি থৈ গ'লেও কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই কিন্তু ইয়াক অকণো এৰি যোৱা নাই। কিয়নো "কলাগুৰু" ৰাভাতকৈ "কমৰেড" ৰাভা বুলিহে বিষ্ণুপ্ৰসাদ শেষ মুহূৰ্তলৈকে জনাজাত আছিল। আজি যিখন চৰকাৰে কলাগুৰু ৰাভাৰ প্ৰতিমূৰ্তি স্থাপন কৰি তেওঁক অসমৰ সংস্কৃতিৰ প্ৰতীক অথবা জনজাতীয় আৰু অ-জনজাতীয় লোক-সমষ্টিৰ সংহতিৰ প্ৰতীক বুলি দাঙি ধৰিছে আৰু যিসকল উগ্ৰ-জাতীয়তাবাদী তথাকথিত বুদ্ধিজীৱীয়ে অসমৰ জন-জীৱনত এফালে বিচ্ছিন্নতাবাদী চিন্তাধাৰাৰ বীজ ৰোপণ কৰি আনফালে 'অসমীয়া'ৰ সংহতিৰ প্ৰতীক বুলি কলাগুৰুৰ প্ৰশস্তি গাইছে —এই আটাইৰে মনত কমৰেড ৰাভাই এসময়ত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। এই কমৰেড ৰাভাজনক জীৱিত কিম্বা মৃত অৱস্থাত ধৰি দিলে পাঁচ হেজাৰ টকাৰ পৰা শেষত দহ হাজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল চৰকাৰে। (এহাজাৰৰ পৰা পাঁচ হাজাৰ টকা ঘোষণা কৰা 'মাথা'ৰ সংখ্যা কেইবাটাও আছিল, তাৰে ভিতৰত হৰেন কলিতা, হৰিদাস ডেকা, তৰুণ সেন ডেকা, গোবিন্দ কলিতা, উপেন দাস, খগেন বৰবৰুৱা, চন্দ্ৰসিং তেৰণ, মোহনলাল মুখাৰ্জী, অনিৰাম বসুমতাৰী, সুৰেন ভট্টাচাৰ্য, অৰবিন্দ ঘোষ, কামিনী শৰ্মা আৰু বীৰু মেধি অন্যতম আছিল। এইসকলৰ ভিতৰত উপেন দাস, গোবিন্দ কলিতা আৰু ৰাভাৰ ওপৰত শেষত ১০ হেজাৰ টকা ঘোষণা কৰে বুলি গুৱাহাটীৰ ছাত্ৰীবাৰীৰ গোপাল দাসৰ পৰা জনা গৈছে। (চৰকাৰে প্ৰস্তুত কৰা ব্যক্তিগত ৰাজনৈতিক নথি বা দোচিয়াৰ চালে সঠিক সংখ্যা পোৱা যাব।)

কিহৰ সন্ত্ৰাস সৃষ্টি কৰিছিল কমৰেড ৰাভাই? দস্যুগিৰী কৰি? ব্যক্তিগত ৰাজনৈতিক হত্যাকাণ্ডত লিপ্ত থাকি? তেওঁ কি টেৰৰিষ্ট আছিল? হয়, প্ৰতিক্ৰিয়াশীল চক্ৰ আৰু চৰকাৰ পক্ষই ঠিক এনেবোৰ অপ-প্ৰচাৰেই কৰিছিল। আচল কথা হ'ল, খৃষ্ট'ফাৰ কড্‌ওৱেলৰ নিচিনা এই আজন্ম বিপ্লৱী ৰাভায়ো শিল্পীৰ তুলিকা আৰু কলম এৰি হাতত তৰোৱাল তুলি লৈছিল। কোচবিহাৰৰ কলেজত পঢ়ি থকা কালতে "এই ৰাজ্যেৰ দুটি পাঠা, একটি কালো, একটি চাদা, যদি ৰাজ্যেৰ মুক্তি চাও দুইটি পাঠাকে বলি দাও" বুলি পোষ্টাৰ মাৰি ৰাতিৰ ভিতৰতে কোচবিহাৰ চহৰ ৰাঙলী কৰি ইউনিয়ন

জেক নমাই দিছিল; আহ্বান দিছিল বগা পাঠা সাম্রাজ্যবাদক বলি দিয়াৰ লগতে ক'লা পাঠা দেশীয় পুঁজিবাদী শোষণ আৰু অত্যাচাৰীকো বলি দি দেশত এখন নতুন সমাজ গঢ়ি-তুলিবলৈ। পুঁজিবাদক খতম কৰা মন্ত্ৰ ৰাভাই ক'ৰ পৰা পাইছিল সঠিক জনা নাযায় ; কিন্তু সেই সময়ত বঙ্গদেশৰ বিভিন্ন অঞ্চলত আনকি অসমৰ গোৱালপাৰা জিলাতো কমিউনিষ্টৰ প্ৰভাৱ পৰিছিল, পবিত্ৰ ৰায় নামৰ বঙ্গদেশৰ পৰা চৰকাৰে উলিয়াই দিয়া কমিউনিষ্ট এজনে গোৱালপাৰা জিলাত কৃষক সংগঠন গঢ়ি তুলিছিল (পলিটিকেল হিষ্ট'ৰী অব আসাম, ২য় খণ্ড, পৃঃ ২৫৬)। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ৰাভা কোনো কমিউনিষ্টৰ সান্নিধ্যলৈ আহি সাম্যবাদী আদৰ্শত অনুপ্ৰাণিত হয় আৰু ১৯৩৯ চনত তেওঁ গুৱাহাটীলৈ আহি ৰেডিকেল ইনষ্টিটিউটৰ সভ্যসকলক পোৱাত হয়তো এই সাম্যবাদী আদৰ্শই তেওঁৰ মনত দৃঢ়ভাৱে গঢ় লয়।

১৯৩৯ চনৰ আগৰ কেইটামান বছৰ হেনো তেওঁ প্ৰথম পত্নীক হেৰুৱাই অসমৰ পৰ্বতে-ভৈয়ামে জনজাতীয় লোক-গোষ্ঠীৰ মাজত হতাশা আৰু নিৰাশাত অনাই-বনাই ঘূৰি ফুৰিছিল। এই কালডোখৰতে তেওঁ বিভিন্ন জনজাতীয় লোকগোষ্ঠীৰ ভাষা, সংস্কৃতি, গীত-মাত আদিৰ অধ্যয়ন কৰিছিল; বহু কিবা-কিবি লিখিছিল ; তাৰে ভিতৰত জনজাতীয় লোক-সমষ্টিৰ ইতিহাস স্বৰূপ “চিফুং বাঁহীৰ সুৰ” অন্যতম আছিল। কিন্তু দুখৰ বিষয় বোহেমিয়ান শিল্পীজনে এই বহুমূলীয়া লিখনিবোৰ ক'ত এৰিছিল একো ঠিকনা নাছিল। এই বোহেমিয়ান অৱস্থাতে স্বৰ্গীয় কেদাৰ নাথ গোস্বামীক লগত লৈ গুৱাহাটীৰ শান্তিপুৰৰ বৰ্তমান এডভোকেট উপেন শৰ্মা তেজপুৰলৈ গৈ ৰাভাক গুৱাহাটীলৈ আনি কামাখ্যাৰ নামনিত কালিপুৰ আশ্ৰমৰ ওচৰত থকা শ্ৰীযুক্তা নিৰুপমা দেৱীৰ ঘৰত ৰাখে বুলি এডভোকেট শৰ্মাৰ পৰা জানিব পাৰিছোঁ।

উল্লেখযোগ্য যে এই সময়ছোৱাত স্বাধীনতা আন্দোলনৰ কাঁচিয়লি ৰ'দত অসমতো সমাজবাদী আৰু সাম্যবাদী চিন্তাধাৰা ঠন ধৰি উঠিছিল। ১৯২৭ চনতে গঢ়ি উঠা ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ লগত, বিশেষকৈ বেঙ্গল কৃষক-বনুৱা পাৰ্টিৰ লগত কটন কলেজৰ কেইজনমান ছাত্ৰই যোগাযোগ স্থাপন কৰে। ১৯৩৪ চনৰ পৰা আনকি কংগ্ৰেছৰ এচাম কৰ্মীও ৰেডিকেল হৈ উঠে আৰু কিছুসংখ্যক নেতা কমিউনিষ্ট ভাবধাৰাৰ প্ৰতি সহানুভূতিশীল হয়। ১৯৩৬ চনত বেনাৰচৰ অসমীয়া ছাত্ৰ জগন্নাথ ভট্টাচাৰ্যই কমিউনিষ্ট নিয়ন্ত্ৰিত সৰ্বভাৰতীয় কৃষক সভাত যোগদান কৰে। ১৯৩৭ চনত কটন কলেজৰ কেইজনমান ছাত্ৰই ৰেডিকেল ক্লাব খুলি বে-আইনী কমিউনিষ্ট লিটাৰেচাৰ ছাত্ৰৰ মাজত বিলাই ফুৰিছিল? ১৯৩৮ চনত বেনাৰচৰ পৰা ঘূৰি অহা ছাত্ৰ যদুনাথ শইকীয়াই গোলাঘাটত জয়প্ৰকাশ নাৰায়ণৰ নিৰ্দেশত এটা চোচিয়েলিষ্ট গ্ৰুপ গঠন কৰে (পল. হি. আঃ ২য় খণ্ড, পৃঃ ২৪৬-৫৬) আৰু ১৯৪০ চনত ধীৰেন

দত্তৰ নেতৃত্বত শ্ৰীশ্ৰীমান প্ৰফুল্ল গোস্বামীক সম্পাদক হিচাপে লৈ গোলাঘাটৰ মিত্ৰমৰাত প্ৰাদেশিক চোচিয়েলিষ্ট পাৰ্টি গঠিত হয়। এই চোচিয়েলিষ্ট পাৰ্টিয়ে ফৰওৱাৰ্ড ব্লক আৰু কমিউনিষ্টসকলৰ লগ হৈ কৃষক সংগঠনৰ কাম কৰে (পল. হি. আঃ ৩য় খণ্ড, পৃঃ ১৩৮)।

এই সময়তে আকৌ সদৌ অসম ছাত্ৰ সন্মিলন (১৯১৬), মণিপুৰ ৰাজ্যিক ছাত্ৰ সন্মিলন আৰু চিলং ছাত্ৰ সন্মিলন লগ হৈ ১৯৩৯ চনত সদৌ অসম ছাত্ৰ মহাসন্মিলন গঠিত হয় আৰু ১৯৪০ চনত শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্যক সম্পাদক হিচাপে লৈ সন্মিলনৰ মুখপত্ৰ 'মিলন' সম্পাদনাৰ ভাৰ শ্ৰীদধি মহন্তক দি সদৌ অসম ছাত্ৰ মহাসন্মিলনে ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ নিয়ন্ত্ৰণত থকা ভাৰতীয় ছাত্ৰ ফেডাৰেশ্যনৰ অন্তৰ্ভুক্তি লাভ কৰে। এই ছাত্ৰ মহাসন্মিলনে অসমত মাৰ্ক্সবাদী দৰ্শনৰ প্ৰচাৰ আৰু এই বিষয়ে প্ৰশিক্ষণ দিয়াত বিশেষ ভূমিকা গ্ৰহণ কৰে আৰু ১৯৪৩ চনত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ অসম শাখা মুকলিভাৱে গঠিত হয়। ইতিমধ্যে কমিউনিষ্ট (১৯৩৪) প্ৰতিষ্ঠাতা নেতা সৌমেন্দ্ৰ নাথ ঠাকুৰ ১৯৩৮ চনৰ নৱেম্বৰ মাহত গুৱাহাটীলৈ আহি ব্যায়াম সংঘৰ (১৯৩৫) যুৱ ছাত্ৰসকলক লগ ধৰি পাণবজাৰত ৰেডিকেল ইনষ্টিটিউট গঠন কৰে। এই ৰেডিকেল ইনষ্টিটিউটেও মাৰ্ক্সবাদী দৰ্শনত যুৱক আৰু ছাত্ৰ-ছাত্ৰীসকলক ৰাজনৈতিক প্ৰশিক্ষণ দিছিল। ১৯৩৯ চনত কমিউনিষ্ট লীগৰ অন্যতম নেতা সুধাময় দাসগুপ্ত আহি এই ইনষ্টিটিউটক কেন্দ্ৰ কৰি স্বৰ্গীয় হৰেন কলিতাক সম্পাদক হিচাপে লৈ কমিউনিষ্ট লীগৰ অসম শাখা গঠন কৰে আৰু শ্ৰীদেবেন্দ্ৰনাথ শৰ্মাক সভাপতি আৰু শ্ৰীউপেন্দ্ৰনাথ শৰ্মাক সম্পাদক হিচাপে লৈ সদৌ অসম প্ৰগতিশীল যুৱক সন্থা নামে অন্য এটি সংগঠন গঢ়ি তোলে (প্লেন্টাৰ ৰাজ টু স্বৰাজ —ড° অমলেন্দু গুহ, পৃঃ ২৫৩ আৰু ২৭৫-৭৭)। এই ৰেডিকেল ইনষ্টিটিউট আৰু প্ৰগতিশীল যুৱক সন্থাৰ লগত বিশেষভাৱে জড়িত থকাসকলৰ ভিতৰত স্বৰ্গীয় হৰেন কলিতা আৰু উপেন দাস, শ্ৰীহৰিদাস ডেকা, তৰুণ সেন ডেকা, উমা শৰ্মা, গোবিন্দ কলিতা, নিৰেন লাহিড়ী, ছত্ৰসিং টেৰণ, অৰবিন্দ ঘোষ, চিন্তাহৰণ কলিতা, মোহনলাল মুখাৰ্জী, সুৰেন ভট্টাচাৰ্য, কমলা মজুমদাৰ, খগেন বৰবৰুৱা, স্বৰ্গীয় হেনা গাঙ্গুলী আৰু অনিৰাম বসুমতাৰী, শ্ৰীফণী তালুকদাৰ, গোকুল মেধি, শৰৎ ৰাভা, বীৰু মেধি, ভূপেন মহন্ত, সৰোজ সেন, উপেন্দ্ৰ নাথ শৰ্মা, দেবেন্দ্ৰ নাথ শৰ্মা আৰু স্বৰ্গীয় বিষ্ণুপ্ৰসাদ ৰাভাৰ নাম উল্লেখযোগ্য (পলিটিকেল হিষ্ট'ৰি অব আসামত কেইজনমানৰ নাম নাই ; ৩য় খণ্ড, পৃঃ ১৪২ আৰু ১৭৮)।

বিষ্ণুপ্ৰসাদ ৰাভা এই সময়ৰ পৰা গণ সংগঠনবোৰৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰে আৰু কমিউনিষ্ট লীগৰ নেতৃত্বত গঠি উঠা (১৯৪০) "কৃষক-বনুৱা

পঞ্চায়ত"ৰ বিশেষকৈ গোৱালপাৰা, কণিহা (উত্তৰ কামৰূপ), নামতিদ'ল (শিৱসাগৰ) আদিৰ সভাবোৰত স্বৰ্গীয় কেদাৰ নাথ গোস্বামীৰ লগত বক্তৃতা দি ফুৰিছিল। কৃষক-বনুৱা পঞ্চায়ৰ বড়ৰা আৰু ভাঙুৰিপাৰা (দুয়োখন দক্ষিণ কামৰূপত) অধিবেশনত কমিউনিষ্ট লীগৰ নেতা সিবনলাল চাক্চেনা আৰু চৌকত্ ওচ্মানিয়ে দিয়া ক্রমে হিন্দী আৰু উৰ্দু ভাষণৰ অসমীয়া ভাঙনি কৰিছিল বিষ্ণুপ্রসাদ ৰাভাই। উল্লেখযোগ্য যে এই সময়ৰ পৰাই অসমত আধিয়াৰ আন্দোলন (ৰায়তে জমিদাৰক মাটিৰ কাৰণে দিব লগা আধি-ঠিকাৰ ধান বন্ধ কৰা আন্দোলন) আৰম্ভ হয় (পলঃ হিঃ আঃ ২য় খণ্ড, পৃঃ ২১০)। 'নাঙল যাৰ মাটি তাৰ' ধ্বনিৰে ৰঙা পতাকাৰ তলত গঢ়ি উঠা এই অৰ্থনৈতিক আন্দোলনৰ সাংস্কৃতিক ৰূপদান কৰিছিল কমৰেড ৰাভাই এনেবোৰ গীতেৰে —"আমাৰ দেশৰ আমাৰ মাটি / ৰোৱা আমাৰ ধান ঐ / ৰোৱা আমাৰ ধান / জান গ'লেও প্ৰাণ গ'লেও / ধান নিদিওঁ, ধান নিদিওঁ, নিদিওঁ আমাৰ ধান।"

মন কৰিব লগা কথা যে সেই সময়ৰ কমিউনিষ্ট লীগ বা ১৯৪৩ চনত নাম সলনি কৰি হোৱা বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে নিজৰ দেশ তথা ৰাজ্যৰ আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ লগত খাপ খুৱাই গণ-আন্দোলনত নমা কাৰণে জনসাধাৰণৰ পৰা বিচ্ছিন্ন হোৱাৰ পৰিবৰ্তে খেতিয়ক-বনুৱাসকলক নেতৃত্ব দিয়াৰ উপৰিও আনকি কংগ্ৰেছৰ পৰাও নৈতিক সমৰ্থন লাভ কৰিছিল। উদাহৰণস্বৰূপে, দ্বিতীয় মহাযুদ্ধক ষ্টেলিনে পিপলচ্ ৱাৰ বুলি কোৱা সত্ত্বেও আৰু ১৯৪১ চনৰ পৰা পৃথিৱীৰ অন্যান্য দলবোৰৰ লগতে ভাৰতীয় কমিউনিষ্ট পাৰ্টিয়েও এই যুদ্ধক গণযুদ্ধ বুলি কোৱা সত্ত্বেও (১৯৪১ চনলৈকে তেওঁলোকেও যুদ্ধৰ বিৰোধিতা কৰিছিল)। বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে কংগ্ৰেছৰ লগতে এই যুদ্ধক সাম্ৰাজ্যবাদী যুদ্ধ বুলি ঘোষণা কৰি ১৯৪২ চনৰ গণ-আন্দোলনত জঁপিয়াই পৰিয়েই ক্ষান্ত থকা নাছিল ; সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত ব্ৰহ্মদেশেদি কহিমালৈ আজাদ হিন্দ ফৌজৰ সৈন্য বাহিনী আগবাঢ়ি থকা সময়ত (১৯৪৪, মাৰ্চ) "বৃটিছ ৰাজত্বৰ এয়েই শেষ অধ্যায়" ; "আমি স্বাধীন হ'লোঁ" ; "যদি দেশৰ স্বাধীনতা বিচৰা তেন্তে কৰিবলৈ অথবা মৰিবলৈ সাজু হোৱা" ইত্যাদি শ্লোগান দি বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে অসম তথা দেশৰ জনসাধাৰণক মানসিকভাৱে সংগ্ৰামৰ বাবে প্ৰস্তুত কৰি তুলি আজাদ হিন্দ ফৌজক স্বাগতম্ জনাইছিল (পলঃ হিঃ আঃ, ৩য় খণ্ড, পৃঃ ১৭৯)। অকল সেয়ে নহয় ; ১৯৪৬ চনত অসমক বঙ্গদেশৰ লগত সাঙুৰি দিয়া কেবিনেট মিশ্যনৰ আঁচনিৰো বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে ভাৰতীয় কমিউনিষ্ট পাৰ্টি আৰু কংগ্ৰেছৰ লগত একেলগে তীব্ৰ বিৰোধিতা কৰি ভাষা আৰু সংস্কৃতিৰ ভেটিত প্ৰত্যেক জাতি-উপজাতিৰে আত্ম-নিয়ন্ত্ৰণৰ জন্ম স্বত্ব থকা বুলি দাবী কৰিছিল। এই বিষয়ে চি পি. আইৰ বিশ্বনাথ মুখাৰ্জী আৰু আৰ, চি, পি,

আহিৰ সৌমেন্দ্ৰ নাথ ঠাকুৰ অসমলৈ আহি বিভিন্ন ঠাইৰ সভা-সমিতিত ভাষণ দি জনমত গঠন কৰি কেবিনেট মিশ্যনৰ আঁচনি ব্যৰ্থ কৰাত সহায় কৰিছিল (পলঃ হিঃ আঃ, ৩য় খণ্ড, পৃঃ ৩৫২-৫৩)। বিশ্বনাথ মুখাৰ্জী আৰু সৌমেন্দ্ৰ নাথ ঠাকুৰৰ অসম বঙ্গদেশৰ লগত সাঙুৰা আঁচনিৰ বিৰোধিতাই প্ৰমাণ কৰে যে বঙালী হ'লেও তেওঁলোকে বঙালী জাতীয়তাবাদী স্বাৰ্থৰ উৰ্দ্ধত থিয় হৈ অসমীয়াৰ জাতীয় স্বাৰ্থৰ হকে অথবা মাৰ্ক্সবাদীসকলে সকলো জাতি-উপজাতিৰ ভাষা-সংস্কৃতি আৰু আত্ম-নিয়ন্ত্ৰণৰ স্বাৰ্থৰক্ষাৰ কাৰণে মাৰ্ক্সীয় দৃষ্টিভঙ্গীত কাম কৰে।

উল্লেখযোগ্য যে ভাৰতীয় কমিউনিষ্ট পাৰ্টিক ১৯৩৪-১৯৪২ চনলৈ চৰকাৰে বে-আইনী কৰি ৰাখিছিল আৰু ১৯৪৩ চনৰ পৰা ১৯৪৬ চনৰ মাৰ্চলৈকে বিপ্লৱী কমিউনিষ্ট পাৰ্টিকো বে-আইনী কৰি ৰাখে। বিষ্ণুপ্ৰসাদ ৰাভাই এই কালডোখৰত তেওঁৰ সহযোদ্ধাসকলৰ লগত আত্মগোপন কৰি সংগঠনৰ কামত নামি তেওঁৰ ব্যক্তিত্বৰ প্ৰকাশ কৰিছিল আৰু এই কালডোখৰতেই তেওঁৰ নামৰ চৌপাশে এটি আভা (Charisux) জ্যোতিষ্মান হৈ উঠিছিল। হয়তো স্বৰ্গীয় লক্ষ্মীধৰ শৰ্মাৰ গল্প 'চিৰাজ'ৰ ভেটিত গঢ়ি তোলা "চিৰাজ" কথাছবিয়ে ৰাভাৰ এই আভাক উজ্জ্বলতৰ কৰাত সহায় কৰিছিল।

১৯৪৭ চন। ১৫ আগষ্ট। ভাৰতবৰ্ষ স্বাধীন হ'ল। বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে বৃটিছ সাম্ৰাজ্যবাদে দান কৰা এই স্বাধীনতাৰ বিৰোধিতা কৰিলে। ৰাভাৰো অন্তৰ কান্দি উঠিল স্বাধীনতাৰ স্বৰূপ দেখি —কি বিচাৰিছিলোঁ আৰু কি পালো? বিহুসুৰীয়া গীত এটিৰে তেওঁ তাৰ বৰ্ণনা কৰিলে —"কিনো কম দুখৰে কথা ভাৰতবাসী / কিনো কম দুখৰে কথা / কৈনো থাকিলে ওৰকে নপৰে / দুখীয়া ৰাইজৰ কথা। ........ ৰাম ৰাজ্য পাতোঁ বুলি / ৰাৱণ ৰাজ্য পাতিলে / পৰম যতন কৰি / স্বাধীনতাৰ নামতে ৰাইজক ঠগিলে / এখন দেশ দুখনি কৰি / ।" স্মৰণযোগ্য যে বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে আৰম্ভণীৰে পৰা ভাৰত বিভাজন আঁচনিৰ বিৰোধিতা কৰি আহিছিল।

১৯৪৮ চন আহিল। পশ্চিমবঙ্গৰ বীৰভূম অধিবেশনত পাৰ্টিয়ে নতুন থেচিচ্ গ্ৰহণ কৰিলে। অধিবেশনে সিদ্ধান্ত কৰিলে "Action release the thought process from its vicious circle"। এতিয়াৰ দেশবোৰত চাৰিওফালে কমিউনিষ্ট আন্দোলনৰ বিজয় শঙ্খ বাজি উঠিছে , ভিয়েৎনামত হো-চি-মিনৰ বিজয় ডঙ্কা (১৯৪৫) ; চীনত মাও-চে-টুঙৰ বিজয়ৰ হেন্দোলনি , ব্ৰহ্মদেশ, ইন্দোনেচিয়া, মালয়-এচিয়াত কমিউনিষ্ট গেৰিলাৰ প্ৰচণ্ড যুদ্ধ। বিপ্লৱী কমিউনিষ্ট পাৰ্টি মানসিকভাৱে প্ৰস্তুত হ'ল ভাৰতীয় পুঁজিবাদৰ ওপৰত আঘাত হনাৰ কাৰণে। মুক্ত অঞ্চল (Red zone)

কৰাৰ আঁচনি ল'লে। দমদম-বচিৰহাট (পশ্চিমবঙ্গ) দখল কৰিব। চেগুৱেভাৰাৰ Focco অথবা Motor Theory ৰ নিচিনা কেইজনমান গেৰিলাই বিপ্লৱ আৰম্ভ কৰিব ; হাজাৰ হাজাৰ কৃষক-বনুৱা আগবাঢ়ি আহিব ; দমদম বচিৰহাট মুক্ত অঞ্চল হ'ব। সঁচাকৈয়ে আঘাত পৰিল দমদম-বচিৰহাটৰ অস্ত্ৰাগাৰৰ ওপৰত। কিন্তু ক'তা। "কমৰেড ধৰো হাতিয়াৰ" শ্লোগান গাই কৃষক-বনুৱাতো ওলাই নাহিল প্ৰতিৰোধ সংগ্ৰামৰ বাবে।! অৰ্থাৎ বাস্তৱ অৱস্থাৰ পৰিপক্ক নৌহওঁতেই বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে আহ্বান দিলে বিপ্লৱৰ!!! অৱশ্যে এই ভুল অকল বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়েই কৰা নাছিৰ ; কলিকতা অধিবেশনত গৃহীত বি, টি, ৰাণাডিভেৰ থেচিচৰ ভেটিত ভাৰতীয় কমিউনিষ্ট পাৰ্টিয়েও একেটা ভুলকে কৰিছিল। ফলত বহুবিলাক মূল্যবান বিপ্লৱী জীৱন হেৰুৱালে উভয় দলে। উভয় দলকে চৰকাৰে আকৌ বে-আইনী ঘোষণা কৰিলে (১৯৪৮)।

বীৰভূম অধিবেশনৰ পৰা ঘূৰি আহোঁতেই হৰিদাস ডেকা, নিৰেন লাহিড়ী, কামাখ্যা শৰ্মা, অৰবিন্দ ঘোষ, তৰুণ সেন ডেকা আৰু আন কেইবাজনকো বাটতেই পুলিচে বন্দী কৰি যোৰহাট জেললৈ পঠালে (দুমাহ পাছত নবেম্বৰত তেওঁলোক জেলৰ পৰা পলায়)। গুৱাহাটীৰ পাণবজাৰৰ কোনো এঠাইত বন্দী কৰিবলৈ পুলিচে চাৰিওফালে ঘৰ আগুৰি থাকোতে উপেন দাস আৰু বিষ্ণু প্ৰসাদ ৰাভাই পলায়ন কৰিলে। অন্য সহযোদ্ধাসকলৰ লগত সুদীৰ্ঘ কালৰ কাৰণে কমৰেড ৰাভাই অজ্ঞাতবাস আৰম্ভ কৰিলে —"তেজৰ বোলেৰে লিখি যাম ইতিহাস / মচি যাম দীন সমাজৰ হীন পৰিহাস / কত শ্বহীদৰ দুখৰ জীৱনী লিখা / কত ব্যথিতৰ বেদনাৰ ছবি আঁকা / "......নতুন ইতিহাস লিখিবলৈ পণ কৰিলে। ৰাভা গৈ নলবাৰী-ঘগ্ৰাপাৰ অঞ্চলত সোমাল। সঁচাকৈয়ে তেওঁ অসমৰ চাৰি হাজাৰ বছৰৰ দুহাজাৰ পৃষ্ঠাৰ বুৰঞ্জী লিখা কাম আৰম্ভ কৰিলে ইয়াতেই (এইবোৰ ক'ত হেৰাল ঠিকনা নাই —গোপাল দাসৰ পৰা জানিব পাৰিছোঁ)।

কিন্তু অসমৰ বিপ্লৱৰ ইতিহাসৰ পাতনি মেলিলে মঙ্গলদৈৰ ভকতপাৰা অঞ্চলত। স্বাধীনতা আন্দোলনৰ সময়ত চলোৱা আধিয়াৰ আন্দোলন স্বাধীনতাৰ পাছত আকৌ আৰম্ভ কৰিবলগা হ'ল। জমিদাৰ-পুঁজিপতিয়ে শোষণ কাৰ্য কেতিয়াও স্বেচ্ছাই ত্যাগ নকৰে। সেয়ে কমৰেড ৰাভাই ধনী-মহাজন-জমিদাৰক সাৱধান বাণী শুনালে —"দুখীয়াৰ কলিজা নিঙাৰি ল'ব / টুপি টুপি তেজ শুহি শুহি পিব / কঁকি কঁকি মাংস চোবাই খাব / হুচিয়াৰ। হুচিয়াৰ! ধনী মহাজন, জমিদাৰ হুচিয়াৰ / বিপ্লৱ পথৰে যাত্ৰী আমি / সৰ্বহাৰাৰ মুক্তিকামী / হ'ম বিজয়ী আমি দুখীয়া / ক'ত ৰবি ধনী জমিদাৰ / চূৰ্ণ কৰিম পণ আমাৰ / হুঁচিয়াৰ! হুঁচিয়াৰ!" / ৰাভাই আহ্বান দিলে

স্বাধীনতা আন্দোলনৰ শ্লোগান "নাঙল যাৰ মাটি তাৰ" বাস্তৱত ৰূপায়িত হ'ব লাগিব। মাটিভৰাৰ প্ৰত্যেকটো খেতিৰ সমান আধি অথবা খেতি হওক-নহওক পুৰাৰ মাটিত ১০।১২ মোন ধানৰ ঠিকা আৰু একুৰি টকাত ৫।৬ মোন ধানৰ সুত নচলিব। সুদূৰপ্ৰসাৰী সংগঠন গঢ়ি উঠিল ; বড়ো-কছাৰী, হাৰ্থা-দেহান (Non-Tribal Assamese Hindu), অসমীয়া-বঙালী, হিন্দু-মুছলমান একেটা মন্ত্ৰত দীক্ষিত হ'ল ; আধি-ঠিকা আৰু সুত বন্ধ হ'ল। গান্ধীজীৰ ত্যাগৰ বাণী শুনোৱা আৰু ন্যাসবাদৰ ব্যাখ্যা সমাজত দাঙি ধৰা জমিদাৰ আৰু সুদখোৰ মহাজনৰ গাৰ নোম শিয়ৰি উঠিল। চৰকাৰৰ চকু পৰিল এই অঞ্চলৰ ওপৰত। ভাৰতবৰ্ষৰ ছয় লাখ গাঁৱত বাস কৰা লক্ষ লক্ষ দৰিদ্ৰ-নাৰায়ণৰ মুক্তিয়েই স্বৰাজ বুলি গান্ধীজীৰ ৰামধুন গাই ফুৰা চৰকাৰৰ গুৰিয়ালসকলে পক্ষ ললে ধনী-জমিদাৰৰ। পুলিচৰ জোৰ তালাচী চলিল। ধৰা পৰিল বাপুৰাম তালুকদাৰ —গুপ্ত নামত থকা অৰবিন্দ ঘোষ। অপৰাধ, এই বঙালী বাবুজনে জাতি, বৰ্ণ, ধৰ্ম আৰু ভাষা নিৰ্বিশেষে অসমৰ শোষিত খেতিয়কৰ স্বাৰ্থৰ হকে কাম কৰিছে। এইসকল খেতিয়কৰ মাজৰ পৰা তেওঁক পুলিচে লৈ যোৱাটো সহ্য কৰিব নোৱাৰে। "কমৰেড তালুকদাৰৰ মুক্তি লাগে" ধ্বনিৰে আগবাঢ়ি আহিল এটি জনস্ৰোত ; প্ৰায় দহ হেজাৰ খেতিয়কৰ সমাবেশ এটাই পুলিচৰ গাড়ী আগচি ধৰিলে। ১৯৪৯ চন, ২৬ ফেব্ৰুৱাৰী। স্বাধীন ভাৰতৰ, স্বাধীন অসমৰ স্বাধীন চৰকাৰে পোন প্ৰথমে এৰি দিয়া গুলিবোৰত ভকতপাৰা ৰাঙলী হ'ল দৰিদ্ৰ কৃষকৰ তেজেৰে ; মাটিত বাগৰি পৰিল কাতিৰাম কছাৰীৰ দেহ!

কমৰেড ৰাভা কিন্তু পুলিচ তালাচীৰ আগতেই তাৰ পৰা আঁতৰিছিল। ৰাভাই এইদৰে ১৯৪৮ চনৰপৰা ১৯৫২ চনলৈ সুদীৰ্ঘ চাৰি বছৰকাল অজ্ঞাতবাসত থাকি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি-ফুৰি বৈপ্লৱিক সংগঠন গঢ়ি তুলিছিল খেতিয়ক আৰু বনুৱাসকলৰ মাজত। তত্ত্বগত দিশত হৰেন কলিতা, হৰিদাস ডেকা, উপেন দাস, তৰুণ সেন ডেকা আৰু আন কেইজনমানৰ স্থান আগবঢ়া হ'লেও সাংগঠনিক দিশত খগেন বৰবৰুৱা, ছত্ৰসিং তেৰণ, অনিৰাম বসুমতাৰী, গোবিন্দ কলিতা আৰু নবীন মেধিতকৈও বিষ্ণুপ্ৰসাদ ৰাভাৰ স্থান বোধহয় এখোপ ওপৰত আছিল ; কিয়নো মাও-চে-টুঙৰ নিচিনা বহল আৰু শান্ত মুখমণ্ডলৰ ওখ-পাখ এই ব্যক্তিগৰাকীক দেখিলেই মানুহ আকৰ্ষিত হৈছিল। ইয়াৰ লগতে আছিল শিল্পী ৰাভাৰ খ্যাতি। গতিকে ৰাভা য'লৈকে গৈছিল তাতেই দলৰ সংগঠন গঢ়ি উঠিছিল আৰু সেই কাৰণেই চৰকাৰে তেওঁৰ মূৰৰ ওপৰত অধিক টকা ঘোষণা কৰিছিল।

এবৃস্কন্দ্ কৰি ঘৰ-শত্ৰুৰ মাজত শ্ৰেণী সংগঠন গঢ়ি তোলা কাম যে কিমান কঠিন তাক স্বাধীনতা আন্দোলনৰ বীৰ যুঁজাৰু আৰু এবৃস্কন্দ কৰি থকা দলীয়

কৰ্মীসকলেহে উপলব্ধি কৰিব পাৰিব। সেয়ে এই কালডোখৰত কমৰেড ৰাভা বা অন্য সহযোদ্ধাসকলে যে কিমান কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলগা হৈছিল, সি বৰ্ণনাৰ অতীত। ১৯৫০ চনৰ জুলাইৰ পৰা আমাৰ (আমি তেতিয়া ৯ম মানৰ ছাত্ৰ আছিলোঁ —নলবাৰী গৰ্ডন হাইস্কুলত) প্ৰায় দুবছৰ কালৰ চালুকীয়া অভিজ্ঞতা আছে। এই কালডোখৰত কমৰেড ৰাভাক দুই-এদিন ক্ষন্তেকৰ কাৰণে লগ পাইছিলোঁ। এই নেতাসকল তেতিয়া আমাৰ মনত তথা কৃষক-বনুৱা সংগঠনবোৰৰ মাজত ত্যাগৰ প্ৰতীক স্বৰূপ আছিল। কিয়নো স্বাধীনতাৰ পাছত স্বাধীনতা সংগ্ৰামৰ এই বীৰ যোদ্ধাসকলে কংগ্ৰেছ বা পুঁজিপতিসকলৰ পক্ষ ল'লে হয়তো একোটা ডাঙৰ পদবী লৈ নিজৰ জীৱনক উপভোগ কৰিব পাৰিলেহেঁতেন। কিন্তু তাকে নকৰি এটা আদৰ্শৰ নামত নিজৰ সুখ-স্বাচ্ছন্দ্য ত্যাগ কৰি স্বেচ্ছাই অশেষ দুখ-কষ্টক সাৱটি লৈ নিজৰ জীৱনকো আহুতি দিবলৈ প্ৰস্তুত হৈছিল। পিন্ধিবলৈ কাপোৰ নাই, এখন ধুতী, এটা চাৰ্ট, এটা গেঞ্জী ; তাকো চাফ কৰিবলৈ চাবোন নাই। ঠাওাত ল'বলৈ কাপোৰ নাই, শুবলৈ বিছনা নাই ; কেতিয়াবা গছৰ তলত বা টঙিত (খেতি ৰখাৰ কাৰণে খেতিয়কে গছৰ ওপৰত সজা ক্ষুদ্ৰ চাংঘৰ) থাকিব লাগে। ৰ'দ-বৰষুণলৈ ভ্ৰূক্ষেপ নাই ; দিনত এখন গাঁৱত থাকিলে শ্ৰেণী শত্ৰুৰ হাত সৰাৰ কাৰণে ৰাতি অন্য এখন দূৰৈৰ গাঁৱত থাকিব লাগে। হয়তো আশ্ৰয়স্থলী (Shelter) গৃহস্থৰ ঘৰত সিদিনা ভাত নাই; গতিকে দিনটো বা ৰাতিটো লঘোণে থাকিব লাগিব। এই কৰ্মৰ মাজতো আছে অন্য এক বিভীষিকা —বৰ্তমানে আমাৰ দেশত তথা পৃথিবীৰ অন্যান্য পুঁজিবাদী দেশত শ শ যুৱকে প্ৰাণ হেৰুৱাৰ নিচিনা পুলিচৰ লগত তথাকথিত এনকাউণ্টাৰত নিজৰ জীৱন হেৰুৱাৰ আশঙ্কা! আহিব ধৰা গৃহযুদ্ধৰ ধ্বংসলীলা!! কুৰুক্ষেত্ৰ ৰণৰ মৰাশৰ গোন্ধ!!!

তথাপি কিন্তু দলৰ নেতা আৰু কৰ্মীসকলৰ নিজৰ জীৱনলৈ কোনো মায়া নাই, মমতা নাই; মৃত্যু আৰু ধ্বংসস্তূপৰ মাজতেই তেওঁলোকে বিচাৰি পাইছিল ঃ সৃষ্টিৰ নতুন অঙ্কুৰ। কমৰেড ৰাভাই ন ন ডেকা-গাভৰুক ন ন গীত আৰু নৃত্য শিকাই ন-সমাজৰ চিত্ৰ আঁকিছিল, নতুন ইতিহাসৰ নতুন গান গাইছিল —"ৰক্ত লিখনিৰে লিখি যাম / আমি লিখি যাম / ইতিহাসৰ দুখনি পাত / ৰজা-মহাৰজাৰ কাহিনী / সংসাৰ ত্যাগীৰ ধৰ্মৰ বাণী / নাথাকিব, নাথাকিব, নাথাকিব লিখা তাত / সৰ্বহাৰা কৃষকৰ, শ্ৰমজীৱী মজদুৰৰ / বুকুৰ তেজেৰে লিখা থাকিব / চিত্ৰ নতুন সমাজৰ / য'ত নাথাকিব ভেদা-ভেদ / জাতি-বিজাতিৰ হ'ব শেষ / গঢ়ি উঠিব যে শান্তিৰ দেশ / হৈ ঘাত-প্ৰতিঘাত / ৰক্ত লিখনিৰে ..........।"

এই নতুন সমাজৰ নতুন ইতিহাস ৰচনা কাৰ্য কমৰেড ৰাভাৰ জীৱনত শেষ নহ'ল। প্ৰকৃততে, লেনিনে কোৱাৰ নিচিনা "সকলো ইতিহাস, বিশেষকৈ বিপ্লৱৰ

ইতিহাস আটাইতকৈ নিখুঁত ৰাজনৈতিক দল আৰু বিপ্লৱৰ আটাইতকৈ অগ্ৰণী শ্ৰেণীটোৰ আটাইতকৈ অধিক শ্ৰেণীসচেতন আগৰণুৱাসকলে কল্পনা কৰাতকৈ বিষয়-বস্তুত সদায় অধিক সমৃদ্ধিশালী, অধিক বৈচিত্ৰ্যপূৰ্ণ, বহু দিশসম্পন্ন, বেছি জীৱন্ত আৰু অধিক সূক্ষ্ম।" বিপ্লৱ ওপৰৰ পৰা জাপি দিব নোৱাৰি ; সমাজৰ বুকুত ই সৃষ্টি হ'ব লাগিব। সেয়ে মাও-চে-টুঙে "বিপ্লৱ চাহ মেল নহয়" বুলি কৈছে। বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীত বা চহৰৰ এয়াৰকণ্ডিচন্ড কমত বহি বিপ্লৱ সফল কৰিব নোৱাৰে। বিপ্লৱ আৰু ইয়াৰ ইতিহাস ৰচনা কৰে সৰ্বহাৰা কৃষক-বনুৱা, মধ্যবিত্ত আৰু তেওঁলোকৰ সহযোগী বন্ধুসকলে নিজেই ; ৰাজনৈতিক দল আৰু ইয়াৰ নেতাসকলে এই নতুন ইতিহাস ৰচনা কাৰ্যৰ কেৱল নেতৃত্ব দিয়ে। এই নেতৃত্বত যদি ভুল হয় —(১) সমাজৰ সকলো শ্ৰেণীৰ লোকৰ শিবিৰ ভুক্তিকৰণ হৈছে নে নাই, (২) বিপ্লৱ বিৰোধীসকল মূল সমাজৰপৰা বিচ্ছিন্ন হৈছে নে নাই, সিহঁতৰ মাজত তুমুল অন্তৰ্দ্বন্দ্ব হৈছে নে নাই, (৩) আয়াৰাম-গয়াৰাম মধ্যবিত্ত লোক আৰু দলবোৰ ৰাইজৰ চকুত ধৰা পৰিছে নে নাই, (৪) সৰ্বহাৰাসকলৰ মনত বিপ্লৱৰ কাৰণে এটি আবেগৰ সৃষ্টি হৈছে নে নাই, আৰু (৫) সমাজৰ বিৰাট অংশ এই বিপ্লৱৰ সময়ত বিপ্লৱৰ পক্ষ নল'লেও নিৰপেক্ষ হৈ থাকিব নে নাথাকে (লেনিন —বামপন্থী সাম্যবাদ আৰু শিশুসুলভ উচ্ছৃংখলা, ১০ম অধ্যায় দ্ৰষ্টব্য) —ইত্যাদি অৱস্থাৰ অধ্যয়ন আৰু কৌশল নিৰ্ণয়ত যদি ভুল হয় তেন্তে এই ইতিহাস ৰচনা কাৰ্য হয়তো বহু বছৰলৈ পিচুৱাই যাব। ভাৰতবৰ্ষৰ ক্ষেত্ৰতো সেয়ে হ'ল। অসম, পশ্চিমবঙ্গ, কেৰালা, মহাৰাষ্ট্ৰ আৰু পঞ্জাবৰ কেইটামান অঞ্চলত কৃষক-সংগঠন আৰু কেইটামান শিল্পত বনুৱা সংগঠন গঢ়ি তুলিয়েই নেতাসকলে দেশখন ৰঙা হৈ যোৱা বুলি ভাবিছিল —স্বাধীনতাৰ ঠিক পাচতেই, নতুন স্বাধীনতাৰ আস্বাদ সৰ্বসাধাৰণ ৰাইজে নৌপাওঁতেই।

গতিকে ৰাষ্ট্ৰৰ দমন যন্ত্ৰ মেলি দিলে সংগঠনবোৰৰ ওপৰত। বৰ্তমানে মিজোৰাম, নাগালেণ্ড বা মণিপুৰত কোম্বিং অ'পাৰেশন চলোৱাৰ নিচিনা সংগঠনৰ গাঁওবোৰত পুলিচ-মিলিটাৰী সোমাই ঘৰ খানাতালাচ কৰিলে ; নিৰ্মম অত্যাচাৰ কৰিলে নাৰী-পুৰুষৰ ওপৰত। উত্তৰ কামৰূপৰ বাঘমাৰা গাঁৱৰ গৰ্ভৱতী নাৰী ৰজনী বড়োক বিষ্ণুপ্ৰসাদ ৰাভাৰ কথা সুধি কোবাই কোবাই হত্যা কৰিলে। বহু কৰ্মী ধৰা পৰিল ; বহুতৰ জীৱন ঘূৰ্ণীয়া হ'ল চিৰদিনৰ কাৰণে (পুলিচৰ অত্যাচাৰত বিষ্ণুপ্ৰসাদ ৰাভা আৰু উপেন দাসৰ সন্ধান মুখৰ পৰা ওলাই বুলি প্ৰতাপ ৰাভাই নিজৰ জিহ্বা কাটি দিলে ; দলৰ প্ৰতি কি আনুগত্য! আদৰ্শৰ কাৰণে কিমান ত্যাগ!!)। নেতাসকলৰ বহুকেইজন ধৰা পৰিল। কমৰেড ৰাভা ১৯৫২ চনৰ শেষৰ ফালে গোসাইগাওঁ অঞ্চলৰ দতমাত পুলিচৰ হাতত বন্দী হ'ল। মুক্তি লাভ কৰিলে ১৯৫৩ চনৰ শেষৰ ফালে।

জেলৰ ভিতৰতে বহুকেইজন নেতাৰ চিন্তাধাৰা সলনি হ'ল। ১৯৫২ চনৰ শেষৰ ফালে বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ ওপৰত নিষিদ্ধতা উঠাই দিলে। কেইজনমান নেতাই ৰাজহুৱা সভাত চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰিলে। ১৯৫৪ চনত বাসুগাঁৱত প্ৰায় তিনিহাজাৰ প্ৰতিনিধিৰ ১৯ দিনীয়া সৰ্বভাৰতীয় অধিবেশন বহিল। দল দুভাগত বিভক্ত হ'ল। কেইজনমান নেতাই ভাৰতীয় কমিউনিষ্ট পাৰ্টিত যোগদান কৰিলে ; সিফালে হৰেন কলিতা আৰু উপেন দাসৰ মৃত্যু হ'ল; অন্য বহুকেইজন নেতা নিষ্ক্ৰিয় হৈ বহি গ'ল ; কৰ্মীসকলো নিৰাশ আৰু হতাশ হৈ বহি পৰিল —বহুতে নিজৰ জীৱনক অন্যভাৱে গঢ় দিয়াৰ চেষ্টা কৰিলে।

সংগঠনবোৰ? নেতৃত্ব নহ'লে সিবোৰে নিজে একো কৰিব নোৱাৰে; গোটেই সমাজখনে একো কৰিব নোৱাৰে ; সমাজৰ অঙ্গ-প্ৰত্যঙ্গবোৰ গেলি-পচি সৰি পৰিব, সমাজ জীৱন দুৰ্গন্ধময় হ'ব, তথাপি নেতৃত্ববিহীন সমাজ এটা নিৰ্দিষ্ট পথত আগবাঢ়ি যাব নোৱাৰে। সেয়ে আৱশ্যক নিজ দেশৰ বাস্তৱ অৱস্থাক তন্নতন্নকৈ অধ্যয়ন কৰিব পৰা, নিজ দেশৰ কৃষ্টি-সংস্কৃতিৰ লগত খাপ খুৱাই মাৰ্ক্সবাদৰ স্বাধীনভাৱে প্ৰয়োগ কৰিব পৰা এটা নিখুঁত ৰাজনৈতিক দলৰ।

মন কৰিবলগা, বাসুগাঁও অধিবেশনৰ পাচত কেইবাজনো আৰু কেইবছৰমান পাচত কমৰেড ৰাভাকে ধৰি প্ৰায় আঠাইকেইজন নেতাই কমিউনিষ্ট পাৰ্টিত যোগদান কৰা সত্ত্বেও দলৰ কৰ্মী আৰু সংগঠনবোৰ ভাৰতীয় কমিউনিষ্ট পাৰ্টিলৈ নগ'ল। ইয়াৰ একমাত্ৰ কাৰণ হ'ল কৰ্মী আৰু সংগঠনৰ মানুহবোৰৰ ৰাজনৈতিক চেতনা আৰু সংগঠনৰ ভিতৰেদি গঢ়ি উঠা কমৰেডশ্বিপ —আজি বামপন্থী দলবোৰৰ মাজত যিটো অভাৱ খুব বেছি প্ৰকটভাৱে পৰিলক্ষিত হৈছে —গঢ়ি উঠিছিল। সমাজতান্ত্ৰিক বিপ্লৱ, বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱ, জন গণতান্ত্ৰিক বিপ্লৱ, ভাৰতীয় কমিউনিষ্ট পাৰ্টিয়ে কৰি অহা ভুল, নিজ দেশীয় কলা আৰু সংস্কৃতিৰ পটভূমিত হ'ব লগা সামাজিক বিপ্লৱ ইত্যাদি কথা তেওঁলোকক ভালদৰে শিকোৱা হৈছিল (এইবিলাক কথা, আনকি 'মাৰ্ক্সবাদী শব্দৰ অৰ্থ, বহু মুধাফুটা বুদ্ধিজীৱীয়ে নাজানে)। গতিকে নেতৃত্বকো অস্বীকাৰ কৰি এটা ৰাজনৈতিক শূন্যতাৰ মাজত তেওঁলোক বৈ থাকিল। খগেন বৰবৰুৱা আৰু চামচুল হুদাৰ নেতৃত্বত অগ্নু বৰাক সম্পাদক হিচাপে লৈ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ যি এটি ক্ষুদ্ৰ সুকীয়া গোট থাকিল সিয়ো পৰিবৰ্তিত ৰাজনৈতিক পৰিস্থিতিত কৰ্মীৰ অভাৱৰ কাৰণে সংগঠনবোৰ ৰাখি থ'বলৈ সমৰ্থ নহ'ল। বৰ্তমানে এই সংগঠনবোৰৰ বেছিভাগ চি. পি. আই. (এম.)ৰ হাতলৈ গ'ল।

যিহওক, দল সলনি কৰিলেও বিষ্ণুপ্ৰসাদ ৰাভা কিন্তু 'কমৰেড ৰাভা' হৈয়ে থাকিল (যিটো বহুতে হৈ থাকিব নোৱাৰিলে বা নোৱাৰিলো)। জীৱনৰ শেষ

মুহূৰ্তটোকে ভাৰতীয় তথা অসমীয়া কৃষ্টি-সংস্কৃতিৰ আধাৰ "শিঙাই" (বাতাৰ শঙ্খ) বা "নটৰাজ"ৰ তাণ্ডৱ নৃত্য কৰি তেওঁ পুৰণি সৃষ্টিক অকল ধ্বংসই কৰিব বিচৰা নাছিল, সৃষ্টিও কৰিব বিচাৰিছিল ; ধনী-দুখীয়াৰ ভেদা-ভেদ হীন কৃষক-বনুৱাৰ "মুক্তিদৌল"। কিন্তু মুক্তিদৌলৰ বাস্তৱ সমাজ ৰচনাৰ অধ্যায় তেওঁৰ জীৱনত শেষ নহ'ল; কেৱল ভৱিষ্যতৰ বীৰ যোদ্ধাসকলৰ হাতত দি গ'ল এখনি নৃত্য-নাটিকা।। ❑

# বিষ্ণু ৰাভা আৰু অসমৰ জাতি সমস্যা

।। ড° হীৰেন গোহাঁই।।

আজি ৮।৯ বছৰমান আগতে মোৰ এখন সংকলনত ("কেৱল মানুহৰ আছে গান") বিষ্ণু ৰাভা সম্পৰ্কে দুটা প্ৰবন্ধ প্ৰকাশ কৰিছিলোঁ। দুয়োটা প্ৰবন্ধতে ৰাভাৰ প্ৰতিভাৰ দোষ-ত্ৰুটি সম্পৰ্কে অলপ আলোচনা আছিল। এতিয়া দুয়োটা প্ৰবন্ধই মোক বিব্ৰত কৰে। জীৱনৰ অভিজ্ঞতা যথেষ্ট নহ'লে ৰাভাৰ দৰে প্ৰতিভাৰ বিচাৰত ভ্ৰান্তি হোৱাৰ সম্ভাৱনা প্ৰবল। ৰাভাৰ প্ৰতিভা বিকশিত হ'বৰ সময়ত অসমত আধুনিক সংস্কৃতি-চৰ্চাৰ ক্ষেত্ৰ আছিল সীমাবদ্ধ, সেয়ে তেওঁৰ প্ৰতিভাৰ প্ৰকাশত ভুল-ত্ৰুটি থকাটো অস্বাভাৱিক নহয়। কিন্তু যিকোনো ক্ষেত্ৰতে তেওঁৰ কৃতিক উৰাই দিয়াৰ আগতে আমি কথাটো আকৌ এবাৰ সাৱধানে বিচাৰ কৰি চোৱা উচিত হ'ব বুলি ভাবোঁ।

আচলতে ৰাভাৰ প্ৰতিভাৰ লগত আমাৰ ব্যাপক আৰু ঘনিষ্ঠ পৰিচয় আজিও হোৱা নাই। অৱশ্যে অলপতে অসমজুৰি মহা-সমাৰোহ ৰাভা দিৱস পালন কৰা হৈছে। ৰাভাৰ নাম মুখত লৈ হেজাৰ-হেজাৰ ডেকা-গাভৰুৱে ৰাজ-আলিত সমদল কৰিছে। এনেকৈয়ে ৰাভাৰ মৃত্যুৰ পিছত তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হৈছে। কিন্তু, ৰাভাৰ জীৱিতাৱস্থাত তেওঁ এনেধৰণৰ স্বীকৃতি পাইছিলনে? মৃত্যুৰ আগমুহূৰ্ত পৰ্যন্ত ৰবীন্দ্ৰনাথ বংগদেশত আছিল এটা institution ; ঘৰে-ঘৰে ৰবীন্দ্ৰ সাহিত্য আৰু ৰবীন্দ্ৰ সংগীতৰ চৰ্চা হৈছিল। বঙালী মানসিকতাক গভীৰভাৱে প্ৰভাৱিত কৰি গৈছিল ৰবীন্দ্ৰ প্ৰতিভাই। কিন্তু ৰাভাৰ জীৱনকালত ঠিক তেনেধৰণে তেওঁৰ প্ৰভাৱ অসমীয়া ৰাইজে গ্ৰহণ কৰিছিলনে? আন কথা বাদেই দিলোঁ, অসমীয়া ৰাইজৰ কল্যাণৰ হকে জীৱন উচৰ্গা কৰি দিহিঙে-দিপাঙে ঘূৰি ফুৰা তেওঁৰ শৃংখলহীন জীৱনত তেওঁ যিবোৰ গীত, কবিতা আৰু ৰচনা অসমৰ অ'ত-ত'ত সিঁচৰতি কৰি থৈ আহিছিল, সেইবোৰ তেওঁৰ পৰিয়ালে আজিও বুকুত বান্ধি ৰৈ আছে। অথচ লাখ লাখ টকা ঘৰ সজাত খৰচ কৰিবলৈ কাৰ্পণ্য নকৰা অসম প্ৰকাশন পৰিষদে, দাম-দৰ কৰি মাত্ৰ ৫০০০ টকাৰ বাবে ৰাভাৰ ৰচনাৱলী ওভতাই পঠিয়ালে। ৰাভাৰ প্ৰতি অনাদৰ-অৱহেলাৰ, ৰাভাৰ স্মৃতিৰ প্ৰতি অসন্মানৰ ইয়াতকৈ মৰ্মান্তিক উদাহৰণ থাকিব পাৰেনে?

ৰাভাৰ ৰচনাৱলী প্ৰকাশৰ বাবে প্ৰথম ৰাজহুৱা দাবী অসম সাহিত্য সভাই তোলা নাছিল। সেই দাবী তোলা হৈছিল দিশপুৰত ভাৰতৰ ছাত্ৰ ফেডাৰেশ্যনৰ উদ্যোগত

বহা এখন সভাত। তাৰ পিছত পত্ৰিকা আদিৰ পিনৰ পৰা সৰ্বপ্ৰথমে এই দাবী তুলিছিল —"সাম্প্ৰতিক সাময়িকী"য়ে। কাৰণ বোধহয় এয়ে যে, বামপন্থী ভাবাদৰ্শত দীক্ষিত নহ'লে ৰাভাৰ জীৱনৰ মূল্য সঁচাকৈ বুজা টান। ৰাভাৰ প্ৰতিভাৰ মূল্য অন্তৰেৰে অনুভৱ কৰিলেহে তেওঁৰ ৰচনাৱলীৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিব পাৰি। ধৰ্মোৎসৱৰ দৰে ধূপ-ধূনাৰে নুবুজাকৈ ৰাভাক পূজা কৰিবলৈ অন্তৰৰ অনুভৱ নহ'লেও চলে। কিন্তু তেওঁৰ প্ৰতি হৃদয়ৰ আকৰ্ষণ অনুভৱ কৰা লোকেহে তেওঁৰ ৰচনাৱলীৰ মূল্য সঁচাকৈ উপলব্ধি কৰিব পাৰিব।

তেনেহ'লে আজিনো ইমান ধুম-ধামেৰে ৰাভা দিৱস পালন কৰাত অ-বামপন্থী লোকসকলে ইমান উৎসাহ দেখুৱাইছে কিয়? তাৰ কাৰণ এয়ে যে, অসমীয়া জাতীয়তাবাদী নেতাসকলে আজি অনুভৱ কৰিছে যে অসমবাসী জনজাতীয় ৰাইজৰ লগত অসমৰ অসমীয়া ৰাইজৰ' মিত্ৰতা তেওঁলোকৰ ৰাজনৈতিক স্বাৰ্থৰ বাবে অপৰিহাৰ্য হৈ পৰিছে। সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ লগত অসমীয়া মধ্যবিত্তৰ নেতৃত্বৰ যি দ্বন্দ্ব চলিছে তাত তেওঁলোকে সহযোদ্ধা আৰু সহযোগী হিচাপে থলুৱা জনজাতীয় ৰাইজক বিচাৰিছে। সেয়ে তেওঁলোকে পাহৰণিৰ ধোঁৱাচাঙৰ পৰা নমাই আনিছে ৰাভাৰ ছবি। কাৰণ ৰাভা আছিল অসমীয়াৰ লগত অসমবাসী জনজাতীয় ৰাইজৰ সৌহাৰ্দ্যৰ জীৱন্ত প্ৰতীক।

কিন্তু এইখিনিতে মোৰ মনত এটা প্ৰশ্ন জাগিছে। ১৯৭৯ চনৰ ২৬ নৱেম্বৰত উত্তৰ গুৱাহাটীৰ দুজন নিছলা বড়ো খেতিয়কক পুলিচে গুলিয়াই হত্যা কৰিছিল। গণতান্ত্ৰিক যুৱ ফেডাৰেশ্যনৰ সহায়ত মই ফুলুং গাঁৱত অনুসন্ধান কৰাৰ সুযোগ পাইছিলোঁ। নিহত বড়ো খেতিয়ক দুজন আছিল এনে শ্ৰেণীৰ, যিসকলক বিষ্ণু ৰাভাৰ প্ৰাণৰ মানুহ বুলিলে ভুল নহ'ব। এই দুজন বড়ো মানুহৰ পৰিয়ালে ঘৰত অসমীয়া কথা কৈছিল। যিকোনো কাৰণতে নহওক, তেওঁলোকৰ হত্যা কৰাৰ সময়ত বহু অসমীয়া ছাত্ৰই হত্যাকাণ্ডত সহযোগিতা কৰিছিল। তাৰ পিছত এচাম অসমীয়া সাংবাদিকে তেওঁলোকক বাংলাদেশী নাইবা উত্তৰ বংগৰ জনজাতীয় লোক আদি বুলি প্ৰমাণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। এইসকল অসমীয়া ছাত্ৰই —এইসকল অসমীয়া সাংবাদিকে —কেতিয়াও এনে পাপ নকৰিলেহেঁতেন, যদিহে তেওঁলোকে ৰাভাৰ জীৱনৰ পৰা শিক্ষা লাভ কৰিব পাৰিলেহেঁতেন, ৰাভাৰ জীৱনৰ ব্ৰত মৰ্মে-মৰ্মে উপলব্ধি কৰিলেহেঁতেন।

বহুতে কয় যে ৰাভাই এক বৃহত্তৰ অসমীয়া জাতি গঢ়িব খুজিছিল। তেওঁ সেই নামৰ প্ৰবন্ধও লিখিছিল। কিন্তু অসমীয়া মানে তেওঁ কি বুজিছিল? তেওঁ যদি সঁচাকৈ অসমীয়া মানে কেৱল অসমীয়াভাষী মানুহখিনিকহে বুজিলেহেঁতেন, তেনেহ'লে নিশ্চয় সকলো জনজাতীয় লোকক বৈষ্ণৱৰ হিন্দু-অসমীয়া কৃষ্টিৰ সজাত ভৰাই সকলোকে

অসমীয়াভাষী কৰিবলৈ লাগি গ'লহেঁতেন। কিন্তু তেওঁ এনে উদ্দেশ্যে কাম কৰা কোনো প্ৰমাণ পোৱা নাযায়। বৰং, বিভিন্ন গোষ্ঠীৰ লোকে নিজ নিজ সাংস্কৃতিক প্ৰতিভা বিকাশৰ যোগেদি মহিমামণ্ডিত হৈ উঠক —এয়ে আছিল তেওঁৰ সাধনাৰ নিহিতাৰ্থ। মুক্তিযুদ্ধত উদগনি দিবলৈ তেওঁ বড়োসকলৰ বাবে বহু বড়ো গীত ৰচনা কৰিছিল। বড়ো সংস্কৃতিৰ স্বতন্ত্ৰীয়া চৰ্চাক তেওঁ সদায় উৎসাহ দিছিল। অসমৰ অন্যান্য জাতিৰ মাজত অসমীয়া কৃষ্টি প্ৰচাৰ কৰাত তেওঁৰ যিমান আগ্ৰহ আছিল তাতকৈ বেছি আছিল সেইবোৰ জাতিৰ সংস্কৃতি আগ্ৰহ আৰু শ্ৰদ্ধাৰে শিকি তাৰ চৰ্চাৰ দ্বাৰা অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰাত। অৰ্থাৎ এক ভাষা-ভাষী (unilingual) ৰাজ্য হিচাপে অসমক প্ৰতিষ্ঠা কৰিবলৈ যিবিলাকে হেলৌ-হেচৌ লগাইছে সেই চেলেপু নেতাসকলৰ ধাৰণাৰ লগত বিষ্ণু ৰাভাৰ অসমীয়া কৃষ্টি আৰু জাতিৰ ধাৰণাৰ পাৰ্থক্য এইখিনিতে।

অথচ অসমত বাস কৰা বিভিন্ন জাতিৰ প্ৰাণ-প্ৰবাহৰ ঐক্য তেওঁৰ দৰে গভীৰভাৱে আন কোনেও অনুভব কৰা নাছিল। তেওঁৰ মানত আমি অসমবাসী সকলোৱে লুইতপৰীয়া :

"বুঢ়া লুইত! আই অসমীৰ জনমৰ কালৰে পৰা তই বৈ আছ আৰু বৈ থাকিবিও। আজি কৈ যা, সমিধান দি যা অসমীৰ মৌসনা সোঁৱৰণি। নিমাতী অতীত স্মৃতিৰ গোপন-কুঞ্জৰ এচুকত সোণৰ সজাত বন্দিনী সোঁৱৰণী পখী আজি আমাৰ মাজলৈ এৰি দি যা" (বাঁহী, বিহু সংখ্যা, ৬ষ্ঠ বছৰ)।

"অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সাহিত্য ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু বিৰাট। সৰু সৰু জুৰি, নিজৰা, নৈ, উপনৈৰ সমন্বিত শকতিৰ দ্বাৰা যেনেকৈ ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে ঠিক তেনেকৈ অসমৰ বহু জাতি, উপজাতি আৰু জনজাতিৰ কৃষ্টি-সংস্কৃতি আৰু সাহিত্যত বিশালতা আৰু বিৰাটতা লাভ কৰিছে!" (তেজপুৰত সাহিত্য সভা ভৱনৰ আধাৰশিলা স্থাপন উপলক্ষে ১৯৬৯ চনত ৰাভাৰ ভাষণ)।

অৰ্থাৎ অসমীয়া বৃহৎ জাতিসুলভ চৰ্দাৰীৰ প্ৰতিক্ৰিয়াত আজি জনজাতীয়সকলৰ মাজত যি ধৰণৰ আছুতীয়া মনোভাব (exclusiveness) গঢ় লৈ উঠিছে, ৰাভা তাৰো পক্ষপাতী নাছিল। অসমৰ বিভিন্ন জাতীয় কৃষ্টিৰ মাজত তেওঁ অবিৰত যোগাযোগ তথা আদান-প্ৰদান বিচাৰিছিল। সময়ৰ সোঁতত সি এক ঐক্যবদ্ধ সংস্কৃতিৰ জন্ম দিয়াটো হয়তো তেওঁৰ কাম্য নাছিল। কিন্তু কোনো বিশেষ অগ্ৰসৰ জাতিৰ প্ৰভুত্ব আৰু তত্ত্বাৱধানৰ তলত এনে সমন্বয় হোৱাটো তেওঁ কেতিয়াও বিচৰা নাছিল। তাহানিখনতে বৃহৎ জাতিসুলভ দম্ভৰ বিৰুদ্ধে তেওঁ সতৰ্কবাণী শুনাইছিল :

"অসমৰ অত্যাচাৰিত আৰু অৱনত জাতিসমূহক আন আন উন্নত জাতিৰ লগত

একে আসনতে ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজ নেতাসকলে এতিয়াৰ পৰা চেষ্টা কৰা উচিত। তাকে নকৰিলে অৱনত জাতিসকলৰ বুকুত বিদ্ৰোহৰ অগ্নি জ্বলাই অসমত আৰু এটা গৃহকন্দলৰ বাহ সাজি দিয়া হ'ব (আবাহন, ২য় বছৰ, ১১শ সংখ্যা)

ৰাভাৰ জাতীয়তাবাদী চিন্তাধাৰাৰ পটভূমি আছিল স্বাধীনতা সংগ্ৰামে অসম তথা ভাৰতৰ ম্লানু মানৱ সমাজলৈ অনা জাগৰণ। অৱহেলিত জনগোষ্ঠীৰ পৰা ওলোৱা সত্বেও তেওঁ যে অসমৰ নৱজাগৰণৰ অন্যতম নেতা হৈ পৰিছিল, সেই ঘটনাটোৱে তাৎপৰ্যপূৰ্ণ। হেজাৰ হেজাৰ বছৰীয়া সামন্ত শোষণে নিস্তেজ আৰু পঙ্গু কৰি ৰখা ভাৰতৰ কৃষক সমাজৰ জাগৰণত সাম্ৰাজ্যবাদী শোষণৰ আঘাতে ইন্ধন যোগালে —ই আধুনিক ইতিহাসৰ অন্যতম বিস্ময়। এই পটভূমিয়েই ব্যাখ্যা কৰে : সাম্ৰাজ্যবাদী বিৰোধী ভাৰতৰ বিভিন্ন জাতিৰ ঐক্য আৰু মিলনৰ ৰহস্য। আত্ম-প্ৰতিষ্ঠাৰ সপোন দেখা এই প্ৰতিবেশী জাতিবোৰৰ মাজত যিমানেই হাই-কাজিয়া নহওক, পৰস্পৰৰ মাজত এক গভীৰ একাত্মবোধো গঢ়ি তুলিছিল সাম্ৰাজ্যবাদ আৰু অনগ্ৰৰসতাৰ বিৰুদ্ধে উমেহতীয়া সংগ্ৰামে। সেয়ে ৰাভাৰ কবিতা আৰু গীতত দুখুনী অসমৰ লগতে নিছলী ভাৰতো মাতৃৰূপিনী, আৰু দুয়োৰে দৈন্য আৰু দুৰ্দশাৰ কাৰণ পৰাধীনতা :

আই মোৰ ভাৰতী জননী, —
লখিমী দুখুনী;
ভাৰতবাসীৰ হৃদয়ৰে ৰাণী ;
মোৰ পৰাণৰ
মোৰ জীৱনৰ
চেনেহী গোসাঁনী।
সোণামুৱা সঁফুৰা সুখৰে কোলাত তোৰ
উমলি পাওঁ সৰগৰ অমিয়া যেন মোৰ
তেওঁ কিয় নপৰে শত শত দুখৰে ওৰ?.......
নিছলা আই অ' দেৱী স্বৰূপিনী
চেনেহী চিকুণী দেৱী! অসমী জননী
লখিমী দুখুনী মোৰ চেনেহী গোসাঁনী।
পিশাচে নি শুহি
ৰক্ত পিয়েছি ;—

হিয়া তোৰ যায় জহি

ওৰে নিশা দিন.....

যিসকলে ছোভিয়েট ইউনিয়নৰ সাঁচতে অবিকল ভাৰতৰ জাতি সমস্যা সমাধান কৰিব খোজে তেওঁলোকে ভাবি চোৱা উচিত যে জাৰতন্ত্ৰৰ বিৰুদ্ধে জাৰ শাসিত ৰুছিয়াৰ বিভিন্ন জাতি আৰু জনগোষ্ঠীৰ মাজত এনেধৰণৰ মৈত্ৰী আৰু আত্মীয়তা গঢ়ি উঠা নাছিল যে সমগ্ৰ জাৰশাসিত অঞ্চলেই একদেশ, একজাতি বুলি এটা ধাৰণা গঢ় লৈছিল। কেৱল ধাৰণা গঢ় লোৱাই নহয়, কলা-সাহিত্যত প্ৰস্ফুটিত হৈ অন্তৰৰ নিবিড়তম প্ৰদেশত স্থান পাইছিল।

বিবিধৰ মাজত ঐক্যৰ যি বৈশিষ্ট্য ভাৰতীয় জাতীয়বোধ মৰ্ম, স্বাধীনতাৰ পিছত টনা-আঁজোৰাত সি বহু পৰিমাণে শিথিল হৈছে সঁচা ; কিন্তু বিদেশী ৰাষ্ট্ৰৰ লগত যেতিয়াই সংঘাত লাগিছে —সেই সংঘাত ন্যায়সংগত হওক বা নহওক —তেতিয়াই এই সৰ্বভাৰতীয় একতাবোধ পুনৰ উত্তাল বানৰ দৰে পাৰ ভাঙি ব'বলৈ ধৰে। কিন্তু এই কথা ঠিক যে বিভিন্ন বিকশিত জাতিসত্তাৰ নেতৃত্বত যিবোৰ মধ্যবিত্ত শ্ৰেণী আছে সেইবোৰ মধ্যবিত্ত শ্ৰেণীয়ে স্বাধীনতাৰ পিছত সৰ্বভাৰতীয় একচেটিয়া বৃহৎ পুঁজিৰ অগ্ৰগতিৰ হেঁচাত বিশেষ বিব্ৰত আৰু ক্ষুব্ধ অনুভৱ কৰিছে। সেয়ে নিজ নিজ গোষ্ঠীৰ জমিদাৰ, কৃষক আৰু অন্যান্য শ্ৰমজীৱী লোকক সৰ্বভাৰতীয় পুঁজিৰ চৰকাৰৰ বিৰুদ্ধে উত্তেজিত আৰু বিক্ষুব্ধ কৰিবলৈ সিহঁতে প্ৰায়ে চেষ্টা কৰিছে। ভাৰতৰ স্বাধীন চৰকাৰে যিহেতু অনগ্ৰসৰ আঞ্চলিক গোষ্ঠীসমূহৰ সকলো শ্ৰেণীৰ লোককে বঞ্চিত কৰিছে, সেয়ে এনেধৰণৰ আঞ্চলিকতাবাদী আন্দোলনেও সময়ে সময়ে শক্তিশালী হৈ উগ্ৰৰূপ ধাৰণ কৰিছে। অসমতো মাজে মাজে জ্বলি উঠিছে এনেধৰণৰ আঞ্চলিকতাবাদী আন্দোলনৰ জুই। কিন্তু এনেবোৰ আন্দোলন পৰোক্ষভাৱেহে কেন্দ্ৰীয় চৰকাৰৰ বিৰোধী হৈছে। প্ৰকৃতভাৱে এইবোৰ সদায় অন্যান্য ভাৰতীয় জাতিৰ, সেইবোৰ জাতিৰ শ্ৰমজীৱী লোকৰ, বিৰুদ্ধে বিস্ফোৰিত হৈছে। এনে ধৰণৰ সংকীৰ্ণ জাতীয়তাবাদৰ জন্ম স্বাধীনতাৰ আগতে হৈছিল। কিন্তু অসমৰ মধ্যবিত্তই হওক, ব্যৱসায়ীয়েই হওক, কৃষকেই হওক প্ৰধান শত্ৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুদ্ধত টিলাই দি অন্যান্য ভাৰতীয় জাতিৰ বিৰুদ্ধে যুদ্ধত মতলীয়া হ'বলৈ কেতিয়াও বিশেষ উৎসুক নাছিল। সেয়ে অম্বিকাগিৰীৰ ৰাজনৈতিক দৰ্শনে অসমত স্বাধীনতাৰ আগতে বিশেষ প্ৰতিষ্ঠা লাভ কৰিব পৰা নাছিল। ৰাভাৰ ৰাজনৈতিক জীৱনতো অসমীয়া উগ্ৰ জাতীয়তাবাদৰ উপাদান আছিল তাকৰীয়া।

জাতীয়তাবাদৰ শক্তি আৰু পুষ্টি আহে কৃষকৰ সংগ্ৰামৰ পৰা। কিন্তু তাৰ প্ৰবক্তা আৰু তাত্ত্বিক হয় মধ্যবিত্ত। সেয়ে অসমীয়া জাতীয়তাবাদৰ নেতৃত্বতো আছিল অসমীয়া

মধ্যবিত্ত। অসমৰ সকলো জনগোষ্ঠী সামৰি এক বহল অসমীয়া জাতি গঢ়াৰ সপোন ৰাভায়ো দেখিছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰাম চল্লিশৰ দশকত যেতিয়া ব্যাপক কৃষক জাগৰণ তথা জনজাগৰণত পৰিণত হ'ল তেতিয়া তাৰ প্ৰভাৱত ৰাভাই শংকৰী কৃষ্টিকে অসমৰ জাতি গঠনৰ আৰ্হি বুলি লৈছিল ঃ

"সঁচাকৈয়ে শঙ্কৰদেৱ অসমৰ গুৰু, অসমীয়াৰ প্ৰাণ। আজি শঙ্কৰদেৱৰ যি কোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হ'ব। শঙ্কৰ নাথাকিলে অসমৰ একেবাৰেই নাথাকে.........মাৰ্ক্সৰ সাম্যবাদ আৰু গান্ধীৰ সাম্যবাদৰ আগেয়ে তেওঁ তেনে নীতি প্ৰচাৰ কৰিছিল। যৱনহৰি, ভোট, গাৰো, শ্ৰীৰাম কৈৱৰ্ত্ত সকলো আতা তেওঁৰ শিষ্য আছিল।" (অসমৰ ছাত্ৰ ফেডাৰেছনৰ কৃষ্টি শাখাৰ সভাপতিৰ ভাষণ, ১৯৪৭)

কিন্তু তেওঁ পাছত দেখিলে যে অতীতত শংকৰদেৱৰ পথ যিমানেই ফলপ্ৰসূ নহওক, জটিল আৰু চঞ্চল বিংশ শতাব্দীত তাৰ উপযোগিতা কমি আহিছে। বিশেষকৈ শংকৰী কৃষ্টিৰে আলম লৈ এচাম অসমীয়া লোকে থলুৱা জনজাতীয়সকলক লেই-লেই, ছেই-ছেই কৰা বাবে তেওঁ তাৰ বৰ্তমান মূল্য সম্পৰ্কে সন্দিহান হৈ উঠাটো অস্বাভাৱিক নাছিল।

১৯২০ ৰ পৰা ১৯৫০ চন মানলৈ অসমৰ নিপীড়িত জাতিসত্তাসমূহৰ জাগৰণত নেতৃত্ব দিছিল অসমীয়া ভাষীসকলে। ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে হোৱা এই সংগ্ৰামৰ এটা সুঁতি আছিল বঙালীবিৰোধী। কাৰণ এচাম বঙালীয়ে উগ্ৰজাতীয় অহমিকাৰে থলুৱা জাতিসত্তাসমূহৰ আত্মাভিমানত আঘাত কৰিছিল। Divide and Rule ৰ কৃতকৰ্মা প্ৰবক্তা ব্ৰিটিছ শাসক গোষ্ঠীয়েও এইচাম বঙালীৰ উগ্ৰ জাত্যভিমানত উদগনি দিছিল। সেয়ে অসমৰ অসমীয়া ভাষীৰ লগত অন্যান্য জাতিসত্তাবিলাকেও বঙালী বিৰোধী মনোভাব পোষণ কৰিছিল। কিন্তু সৰ্বভাৰতীয় সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰাম সবল হৈ থকালৈকে বঙালী বিদ্বেষে মাত্ৰাধিক প্ৰশ্ৰয় পোৱা নাছিল। যদিও এচাম অসমীয়া নেতাই বাট ভুল কৰি সাম্ৰাজ্যবাদ বিৰোধী যুদ্ধত মনোযোগ দিবলৈ এৰি অন্ধ বঙালী বিদ্বেষত নিবিষ্ট হৈছিল, ৰাভাৰ গতিশীল মন এনে সংকীৰ্ণ লক্ষ্যত কেতিয়াও সন্তুষ্ট হ'ব নোৱাৰিছিল। সেয়ে তেওঁৰ কৰ্মজীৱনৰ কোনো ক্ষণতেই তেওঁক "বঙাল খেদা"ৰ উত্তেজনাত মত্ত হোৱা দেখা নগৈছিল।

পাহৰিলে নচলিব, তাহানি অসমৰ স্বাধীনতা সংগ্ৰামত কেইবাজনো শ্ৰদ্ধেয় বঙালী নেতা আছিল। অসমৰ একাংশ বঙালী সংকীৰ্ণ জাতীয়তাবাদত আসক্ত হ'লেও বহুসংখ্যক বঙালী লোকে অসমীয়াৰ সতীৰ্থ হৈ স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰিছিল। বিষ্ণু ৰাভাৰ বঙালী বন্ধুৰ সংখ্যা তাকৰ নাছিল। বঙালী কৃষ্টিৰ উৎকৰ্ষ আৰু সৌন্দৰ্যৰ প্ৰতি তেওঁ শ্ৰদ্ধাবান আছিল। তেওঁৰ বন্ধুৰ ভিতৰত আছিল সুৰকাৰ

হিমাংশু দত্ত। ৰবীন্দ্ৰ সংগীত গাই শান্তি নিকেতনৰ শ্ৰোতামণ্ডলীক আকৃষ্ট কৰিব পৰা ৰাভাৰ উন্মুক্ত বিশাল মনে পৰজাতিবিদ্বেষৰ অন্ধ গলিত কেতিয়াও বাট হেৰুওৱা নাছিল।

ভাৰতৰ জাতীয় জাগৰণৰ যি গভীৰতা আৰু বিশালতা, তাক তেওঁ হৃদয়েৰে উপলব্ধি কৰিব পৰা বাবেই সকলো জাতিৰ জাতীয় সত্তা আৰু সংস্কৃতিৰ প্ৰতি তেওঁ এনে আন্তৰিক শ্ৰদ্ধা আৰু আকৰ্ষণ দেখুৱাব পাৰিছিল। বিহাৰৰ দৰিদ্ৰ যুৱক ৰামনাথৰ ৰাজনৈতিক জীৱনৰ উন্মেষ ঘটাই তেওঁক শ্ৰমিক নেতা কৰি তুলিছিল ৰাভাই। দৰঙৰ নেপালী গাঁৱত নেপালী ঝাউৰীয়া গীত গাই তেওঁ নেপালী ৰাইজৰ মন মুহিছিল। কোচবেহাৰৰ ৰাজবংশীসকলৰ মাজত তেওঁলোকৰ ভাষাতে সংস্কৃতি বিষয়ক ভাষণ দি শ্ৰোতামণ্ডলীক উদ্বাউল কৰিব পৰা লোক আছিল তেওঁ। সীমান্তৰ ভুটীয়াসকলৰ লগত শুকান মঙহ আৰু ভাত খাই তেওঁলোকৰ গীত-মাত চৰ্চা কৰি ইমান উৎসাহিত কৰিছিল যে তেওঁলোকে অভিভূত হৈ কোৱা-কুই কৰিছিল ঃ "আমাৰ মিতা কোন বা দেৱতা আছে ঔ।"

সেয়ে আমি নিশ্চিন্ত হ'ব পাৰোঁ যে ৰাভাই যেতিয়া বৃহৎ অসমীয়া জাতিৰ কল্পনা কৰিছিল তেতিয়া বিভিন্ন জনগোষ্ঠীয়ে স্বেচ্ছাই আত্মবিলোপ কৰি অসমীয়া হিন্দু সমাজত জাহ যোৱাৰ ধাৰণা মনলৈ অনা নাছিল। কিন্তু সামন্তযুগীয়া জাতিভেদৰ খোলাটো আঁকোৱালি লৈ থকা অসমীয়া হিন্দু সমাজ তাৰ বাবে প্ৰস্তুত নাছিল। স্বাধীনতা যুদ্ধৰ বতাহে তাৰ মাজলৈ এছাটি উদাৰতাৰ বতাহহে বোৱাই আনিছিল মাত্ৰ। স্বাধীনতা সংগ্ৰামত জমিদাৰতন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰামত সবল হৈ উঠা নাছিল। গান্ধীজী প্ৰমুখ্যে বুৰ্জোৱা নেতাসকলে সেই সংগ্ৰামত চেঁচাপানীহে ঢালিছিল। ফলত মাটিৰ মালিকৰ মৰকামোৰ ঢিলা নহ'ল, খেতিয়কৰ হাতলৈ মাটি নগ'ল। সেইবাবেই সামন্ততন্ত্ৰৰ লগৰীয়া জাতিভেদ প্ৰথাও লুপ্ত নহ'ল। এই পটভূমিতে ৰাভাই স্পষ্টকৈ উপলব্ধি কৰিলে যে মধ্যযুগীয়া শংকৰী কৃষ্টিৰ সাঁচত নহয়, ঊনবিংশ শতিকাৰ পুঁজিবাদী জাতীয়তাবাদৰ সাঁচত নহয় —শোষণমুক্ত সমাজতন্ত্ৰতহে জাতিসমূহৰ মুক্তি, সমতা, উন্নতি আৰু মহামিলন সম্ভৱ। সমাজতন্ত্ৰ হৈছে জাতিসমূহৰ মুক্তি আৰু মিলনৰ অবিচ্ছেদ্য চৰ্ত। অথচ জাতীয়তাবাদী হিচাপে ৰাভাক থিয় কৰাই তেওঁৰ সমাজতন্ত্ৰবাদী বিশ্বাস আৰু ভূমিকা বহুতে ঢাকি ৰাখিবলৈ বিচাৰিছে।

এটা সৰু ঘটনাৰ পৰাই বিষ্ণু ৰাভাৰ মনোভাবৰ লগত মধ্যবিত্ত অসমীয়া নেতৃত্বৰ মনোভাবৰ পাৰ্থক্য বিচাৰি উলিয়াব পাৰি। ১৯৬৮ চনৰ তেজপুৰ সাহিত্য সভালৈ আদি জনজাতীয় নৃত্য-গীত পৰিবেশন কৰিবলৈ নেফা (অৰুণাচল)ৰ দল এটাক নিমন্ত্ৰণ কৰা হৈছিল। অনুষ্ঠান দীঘলীয়া হ'ব বুলি উদ্যোক্তাসকলে শেষ মুহূৰ্তত

এই দলটোক অনুষ্ঠানৰ পৰা বাদ দিব খুজিছিল। ৰাভাই ৰুদ্ৰমূৰ্তি ধৰি অভ্যৰ্থনা সমিতিৰ পৰা পদত্যাগ কৰিব বুলি কোৱাত উদ্যোক্তাসকল "অবাক" হ'ল আৰু সেই নৃত্য-গীত পৰিবেশন হ'বলৈ দিলে। জনজাতীয়সকলৰ প্ৰতি যথোচিত শ্ৰদ্ধা আৰু সন্মান থকা হ'লে অসমীয়া মধ্যবিত্ত নেতাসকলে এনে আচৰণ নকৰিলেহেঁতেন।

জাতীয় জাগৰণৰ শেষ স্তৰত তেওঁ অনুভৱ কৰিলে অসম, ভাৰত তথা পৃথিৱীৰ সাধাৰণ মানুহৰ মাজত ঐক্য আৰু মিলনৰ ভিত্তি এটাই ঃ সেইটো হ'ল এয়ে যে পৃথিৱীৰ সাধাৰণ মানুহ শ্ৰমজীৱী, কিন্তু তেওঁলোকৰ শ্ৰমৰ ফল আত্মসাৎ কৰি এচাম মালিক ঐশ্বৰ্যশালী হৈছে। ফলত জাতিগত নিপীড়নৰ মূলত তেওঁ ব্যাপক শ্ৰেণীগত নিপীড়নৰ আভাস পালে। ত্ৰিশৰ দশকত তেওঁ লিখিছিল ঃ

অ' অসমীয়া ডেকাদল!
অ' অসমীয়া ডেকাদল!
আজি তোৰ এই তেজাল বদন মলিন কিয় হ'ল?

কীৰ্ত্তন-দশম-নামঘোষা
হওক আমাৰ শৌৰ্য্য,
নাট-গীত নাম বৰগীত
হওক ৰণৰ তূৰ্য্য

অসমীয়া। সমনীয়া। আগবাঢ়ি যাওঁ ব'ল।

ইয়াত তেওঁ অসমীয়া জাতিৰ অৱনতি আৰু দুৰ্দশাৰ কাৰণ বিচাৰি পাইছে জাতীয় চেতনাৰ অৱলুপ্তিত। কীৰ্তন-দশম তথা জাতীয় সংস্কৃতিৰ পুনৰুদ্ধাৰৰ জৰিয়তে তেওঁ জাতীয় নৱজাগৰণ সমাধা কৰিব খুজিছে। এই ভাববাদী চিন্তা পিছলৈ তেওঁ জাতীয়তাবাদৰ লগতে বিসৰ্জন দিছে। তেওঁৰ বিপ্লৱী পৰ্যায়ৰ গীতত "অসমীয়া" নহয়, "ৰনুৱা"হে সমনীয়া। তাত দুৰ্দশাৰ কাৰণ আধ্যাত্মিক চেতনালুপ্তি নহয়, শোষণহে ঃ

আমি খুৱাওঁ বিশ্ববাসীক
মাটি ফালি ধান, —
আমি যোগাওঁ ধনী শ্ৰেণী
অস্ত্ৰ শক্তিমান, —
কাৰখানা-কল আমাৰ সৃজন
পথাৰ সুবহুল। ........
তেওনো কিয় আমাৰ এনে

আলে-বিলে হ'ল।

ব'ল ব'ল ব'ল ব'ল
কৃষক শক্তিদল।
অ' বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ ব'ল।
জাগ্ জাগ্ জাগ্ জাগ্
মজদুৰ ন-জোৱান
নির্যাতিত-নিপীড়িত
কৃষক শক্তিমান।

ভাবাদর্শৰ এই পৰিৱৰ্তনৰ ফলত সংস্কৃতি সম্পৰ্কেও তেওঁৰ ধ্যান-ধাৰণা সলনি হ'ল। ধনতন্ত্ৰত সংস্কৃতি বিলাসী শোষক শ্ৰেণীৰ ধেমালি —শিল্পী শোষক শ্ৰেণীৰ অৱসৰ বিনোদনৰ ক্ৰীতদাস। জনসাধাৰণৰ মাজত জীয়াই থকা লোকসংস্কৃতিৰ প্ৰতিও লগে লগে বিষ্ণু ৰাভাৰ মনোভাবৰ পৰিৱৰ্তন হ'ল। ধূলি-মাকতিৰে মলিন এইবোৰ লোককৃষ্টিৰ নিদৰ্শনৰ মাজত তেওঁ প্ৰত্যক্ষ কৰিলে জনগণৰ আত্মিক শক্তিৰ মহিমা। কলিকতাৰ কেইজনমান বিশিষ্ট গুণীৰ লগতে উচ্চাংগ সংগীতৰ অন্যতম প্ৰধান পৃষ্ঠপোষক ত্ৰিপুৰা ৰাজভৱনলৈ নিমন্ত্ৰণ পায়ো তেওঁ এইবাবেই প্ৰত্যাখ্যান কৰিছিল। বন্ধু আৰু সহযোগী গজেন বৰুৱাক তেওঁ কৈছিল ঃ "গজেন, মই নাযাওঁ, কেতিয়াও নাযাওঁ, তুমিও যাব নোৱাৰা। মহাৰজাইঁতে আমাক বান্দৰতকৈ আৰু বেছি নাভাবে। আমাৰ সংস্কৃতি বা জনগণৰ সংস্কৃতি আৰু শক্তিৰ সিহঁতে কি মূল্য বুজে? কৃষ্টি-সংস্কৃতি সিহঁতৰ মস্কৰা, অৱসৰ বিনোদনহে।" 'প্ৰবাহ' নামৰ অধুনালুপ্ত আলোচনীৰ প্ৰথম সংখ্যাত তেওঁ লিখিছিল ঃ "শিল্পীৰ তপস্যাৰ ধন ধন-কুবেৰহঁতে নি সঁচাত ভৰাই কাঠী ঘূৰাই বন্ধ কৰে। অমূল্য ধন ধনীৰ সঁচাত বন্ধ। ধনতন্ত্ৰৰ বিনাশে সেয়ে কেৱল জনগণকে নহয় ; শিল্পকলাকো মুক্ত কৰিব।"

শোষক শ্ৰেণীও তেওঁৰ মতে কোনো জাতি বা দেশৰ নহয়। জাতীয়তাবাদৰ চকুৰে শোষকক চাবলৈ বিষ্ণু ৰাভাৰ উৎসাহ কমি আহিল। তেওঁ স্পষ্টকৈ ক'লে ঃ

"যিবিলাক ধনী, জমিদাৰ, হাকিম, পুঁজিপতি, চাহ বাগানৰ মালিক, তেওঁলোকে এই বাপতি সাহোনীয়া সম্পত্তি অসমৰ কৃষ্টি-সংস্কৃতি, উপহাস আৰু আমোদৰ উপকৰণ বুলি ইতিকিং কৰি নিষ্ঠুৰ আনন্দ লভে। কিন্তু তেওঁলোক জানো অসমীয়া? তেওঁলোক জানো ভাৰতৰ নাগৰিক? তেওঁলোক অসমীয়াও নহয়, ভাৰতৰ নাগৰিকো নহয়। পৃথিৱীৰ আন আন দেশৰ সেই একে শোষক সম্প্ৰদায়ৰ তেওঁলোক, যাৰ জাতি

নাই, দেশ নাই, কেৱল সুবিধাবাদী-মুনাফাখোৰ, চোৰাং-বাজাৰী", ('অসমীয়া কৃষ্টিৰ চমু আভাস', ১৯৪৫ চনত কণিহাত দিয়া ভাষণ)

মাৰ্ক্সবাদী দৰ্শনে বিষ্ণু ৰাভাৰ অন্তৰাত্মাৰ স্বতঃস্ফূৰ্ত অভিব্যক্তিবোৰ তেওঁৰ বাবেই পৰিষ্কাৰ কৰি তুলিলে। তেওঁৰ বিদ্ৰোহী মনৰ উদ্দাম আবেগৰাশিয়ে বিচাৰি পালে সিইঁতৰ লক্ষ্যস্থল : 'মাৰ্ক্সবাদ-লেনিনবাদে মোৰ চঞ্চল-অস্থিৰ শিল্পীজীৱনলৈ আনি দিছে সাগৰ-সংগমৰ পূৰ্ণতা আৰু গভীৰতা।' এই পথৰ পথিক হিচাপেই তেওঁ জনতাৰ লগত শিল্পীৰ নতুন সম্বন্ধ আৱিষ্কাৰ কৰিলে। 'নিম্ন মধ্যবিত্ত ব্যক্তিৰ আশা-আকাংক্ষা বা আশাভংগৰ ৰূপকাৰেই শিল্পী নহয় —আত্মপ্ৰকাশেই শিল্পীৰ লক্ষ্য নহয়। জনতাৰ প্ৰাণস্পন্দন কলাত ফুটাই তোলাজনহে শিল্পী।'

: 'ৰাইজৰ অন্তৰ-ফুলনিত ফুলে ফুলে উৰি উৰি পৰি পৰি মৌগুটি ভোমোৰাৰ দৰে ৰস শুহি শুহি মই মোৰ হৃদয়ত মৌ-কোঁহ ৰচনা কৰোঁ। সেই ৰাইজৰেই মৌ মই ৰাইজক বিলাওঁ। সি মোৰ কোনো নিজস্ব নহয়। ........শিল্পীৰ ই ধৰ্ম।'

জনজাতীয় কৃষ্টিৰ চৰ্চাত ৰাভাৰ মনোযোগ আৰু আগ্ৰহৰ তাৎপৰ্য এয়ে। বোম্বেৰ সুৰকাৰৰ দৰে লোকগীতৰ সুৰ চুৰ কৰি ব্যক্তিগত ব্যৱসায়িক সাফল্য অৰ্জন কৰা উদ্দেশ্যৰ লগত তেওঁৰ কোনো সম্পৰ্ক নাছিল। বৰং জনজাতীয় কৃষ্টিৰ উৎকৃষ্ট উপাদান আহৰণ কৰি উন্নত ৰূপত তাক জনতাৰ মাজলৈ ঘূৰাই দিয়াই আছিল তেওঁৰ সাধনাৰ মৰ্ম। ❑

❑ ৰাভা দিৱস উপলক্ষে গুৱাহাটীৰ ৰে'লৱে ইনষ্টিটিউটত অনুষ্ঠিত এখন সভাত (১৯৮০) দিয়া ভাষণৰ কিয়দংশ। ("সাম্প্ৰতিক সাময়িকী" ৰাভা সংখ্যা ১৯৮০)।

# বিষ্ণুপ্ৰসাদৰ মূল্যায়নৰ প্ৰয়োজনীয়তা তথা সমস্যা

।। প্ৰসেনজিৎ চৌধুৰী।।

বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে বহুমুখী আৰু ক্ৰমবিকাশমান প্ৰতিভাৰ মূল্যায়ন বৰ সহজ কাম নহয়। অ'ৰ-ত'ৰ পৰা প্ৰসঙ্গ-বিযুক্ত দুই-এটা উদ্ধৃতিৰ দ্বাৰাও এই মূল্যায়ন অসম্ভৱ। এই ধৰণৰেই কেতবোৰ অপচেষ্টা সম্প্ৰতি বিভিন্ন পত্ৰ-পত্ৰিকাত সঘনে পঢ়িবলৈ পোৱাৰ সৌভাগ্য আমাৰ হৈছে। এই মূল্যায়নবোৰত —সঠিকভাৱে ক'বলৈ গ'লে এই অপমূল্যায়নবোৰত বিষ্ণুপ্ৰসাদৰ চিন্তাধাৰাৰ মূল প্ৰবাহ আৰু তাৰ পৰিণত —পৰিণতি সম্পৰ্কে আভাস দিয়াৰ প্ৰচেষ্টা দেখা নাযায়। দৰাচলতে মূল্যায়নকাৰীসকলে বিষ্ণুপ্ৰসাদৰ জীৱনাদৰ্শৰ উৎস আৰু উদ্দেশ্য বুজিবলৈ তথা বুজাবলৈ যত্ন কৰাৰ পৰিবৰ্তে তেওঁক খণ্ডিত কৰি, অপ্ৰধান বৈশিষ্ট্যসমূহক প্ৰাধান্য দি, নিজৰ সংকীৰ্ণ স্বাৰ্থৰ হকে ব্যৱহাৰ কৰাতহে অধিক আগ্ৰহী যেন পৰিলক্ষিত হয়।

অ-বাওঁপন্থী মহলে সম্প্ৰতি বিষ্ণুপ্ৰসাদক লৈ যথেষ্ট হৈ-চৈ কৰা দেখা গৈছে। অথচ জীৱিত কালত এইচাম মানুহৰপৰা তেওঁ এই ধৰণৰ সমাদৰ আৰু স্বীকৃতি কোনো কালেই নাপালে। কথাটো অপ্ৰিয় হ'লেও সত্য। চৰকাৰে যেতিয়া কমিউনিষ্ট বিষ্ণুপ্ৰসাদৰ মূৰৰ ওপৰত দহ হেজাৰ টকা ঘোষণা কৰিছিল কিম্বা চীন-ভাৰতৰ সীমান্ত সংঘৰ্ষৰ সময়ত যেতিয়া পুলিচে তেওঁৰ কঁকালত ৰছীৰে বান্ধি খোজ কঢ়াই নিছিলে সেইসময়ত অধুনা সৰ্বজন বিনন্দিত 'কলাগুৰু'গৰাকীৰ হকে আমাৰ স্বনামধন্য বুদ্ধিজীৱী আৰু 'মহান' জাতীয় অনুষ্ঠানবোৰে মাত মতাৰ কথা আমি শুনা নাই। কোৱা বাহুল্য যে আজিৰ দৰেই বিষ্ণু প্ৰসাদৰ জীৱিতকালতো তেওঁৰ মাৰ্ক্সীয় আনুগত্য অসমীয়া মধ্যশ্ৰেণীৰ এক বুজন অংশৰ বাবে অস্বস্তি আৰু উদ্বেগৰ কাৰণ হৈ পৰিছিল। মাৰ্ক্সীয় ৰাজনৈতিক চেতনাৰে উদ্বুদ্ধ বিষ্ণু প্ৰসাদে কিন্তু এই অস্বস্তি আৰু উদ্বেগক বিশেষ পাত্তা দিয়া নাছিল। তেওঁৰ জীৱনৰ দুটা সৰু অথচ গুৰুত্বপূৰ্ণ ঘটনাৰ উল্লেখ কৰিলে আমি এই কথা বুজাত সহায় হ'ব। গুৱাহাটীৰ এক অভিজাত পৰিয়ালত গান-বাজনা কৰাৰ পাছত খোৱাৰ সময়ত এজনে বিষ্ণুপ্ৰসাদক ক'লে, "দাদা, আপুনি কমিউনিষ্ট পাৰ্টি এৰক।" বিষ্ণুপ্ৰসাদে তৎক্ষণাত হাত ধুই ওলাই আহি ক'লে, "তোমালোকৰ লগত বহি ভোজ খালোঁ বুলিয়ে উপদেশ ল'বলৈ অহা নাই।" দ্বিতীয় ঘটনাটো ঘটিছিল এক আড্ডাত। বিষ্ণুপ্ৰসাদে তেতিয়া সশস্ত্ৰ সংগ্ৰামত যোগ দিবলৈ প্ৰস্তুত হৈছে। তাকে জানি তেওঁৰ সম্ভ্ৰান্ত বংশীয় বন্ধুকেইজনে বিষ্ণুপ্ৰসাদক ক'লে

যে তেওঁ ৰাজনীতিলৈ যাব নালাগিছিল, কাৰণ অসমৰ বাহিৰে তেওঁক আন ক্ষেত্ৰতহে পাৰলৈ বিচাৰে। এই অযাচিত পৰামৰ্শ শুনি বিষ্ণুপ্ৰসাদে ক্ষুব্ধ আৰু বিৰক্ত হৈ হেনো ক'লে, "অসমৰ বাহিৰ মানে তোমালোকেই নে?" প্ৰশ্নটো সৰু যদিও অসীম তাৎপৰ্যপূৰ্ণ।

সম্প্ৰতি বিষ্ণুপ্ৰসাদক লৈ এক ধৰণৰ টনা-আঁজোৰা চলিছে। বিভিন্ন সামাজিক আৰু ৰাজনৈতিক গোষ্ঠীৰ বাবে তেওঁ ইমানেই প্ৰয়োজনীয় হৈ পৰিছে যে, বে-চৰকাৰী, অ-বাওঁপন্থী মহলৰ কথা বাদেই দিছোঁ, স্বয়ং চৰকাৰেও 'ৰাভা দিৱস' পতাৰ ৰজাঘৰীয়া ব্যৱস্থা কৰিছে। এই বিষ্ণুপ্ৰসাদ প্ৰীতিৰ অন্তৰালত বিভিন্ন সংকীৰ্ণ স্বাৰ্থ-চালিত গোষ্ঠীয়ে আমাৰ জনজাতীয় সমাজৰ আস্থা অৰ্জন কৰাৰ পৰোক্ষ প্ৰচেষ্টা খুবেই সক্ৰিয় যেন বোধ হয়। তদুপৰি, এই গোষ্ঠীবোৰে বিষ্ণুপ্ৰসাদক বাওঁপন্থীসকলৰ হাতত এৰি দিয়াতকৈ তেওঁক ঘঁহি-মাজি সংশোধিত আৰু পৰিমাৰ্জিত ৰূপত গ্ৰহণ কৰাটোহে অধিক বুদ্ধিমানৰ কাম বুলি হয়তো ভাবি পাইছে। প্ৰসংগতঃ উল্লেখ কৰা যায় যে বিষ্ণুপ্ৰসাদ প্ৰীতিৰ গহীনা লৈ তেওঁৰ মূল চিন্তাধাৰাক বিকৃত কৰা প্ৰচেষ্টাও মাজে-সময়ে দেখা যায়। বিকৃতকৰণৰ প্ৰক্ৰিয়াবোৰ অৱশ্যে সহজ আৰু চতুৰ। যেনে, তাহানি ভৰ-যৌৱনত বিষ্ণুপ্ৰসাদে লেখা 'বৃহত্তৰ অসমৰ পৰিকল্পনা'ৰ লগত তেওঁৰ পৈণত বয়সৰ সমাজতান্ত্ৰিক চেতনা-প্ৰসূত সৃষ্টিবোৰৰ কৃত্ৰিম আৰু চতুৰ সংমিশ্ৰণ ঘটাই একপ্ৰকাৰৰ ছদ্মবেশী জাতীয়তাবাদৰ জন্ম দিব পৰা যায়। এই ছদ্মবেশী জাতীয়তাবাদৰ বাহ্যিক ৰূপ সামাজতান্ত্ৰিক, সাৰবস্তু উগ্ৰ জাতীয়তাবাদমুখী।

এই পৰিপ্ৰেক্ষিতত বিচাৰ কৰিলেহে বুজা যাব —বিষ্ণুপ্ৰসাদৰ প্ৰকৃত মূল্যায়নৰ প্ৰয়োজনীয়তা আমাৰ সকলোৰে বাবে আজি কিমান গুৰুত্বপূৰ্ণ! কোৱা বাহুল্য যে বিষ্ণুপ্ৰসাদৰ চেতনা সদায়ে একে ঠাইতে বৈ থকা নাছিল। চলমান সমাজ বাস্তৱৰ উত্থান-পতনৰ লগত তেওঁৰ চেতনাৰ সম্পৰ্ক আছিল ঘনিষ্ঠ। অসমীয়া মধ্যশ্ৰেণীৰ আত্ম-সচেতনতা, সৰ্বভাৰতীয় সাম্ৰাজ্যবাদ-বিৰোধী স্বাধীনতা আন্দোলন, ভাৰতত কমিউনিষ্ট আন্দোলনৰ জন্ম, বিকাশ আৰু ক্ৰমাৱক্ষয় —এই সকলোবোৰ পটভূমিত বিচাৰ কৰিলেহে বিষ্ণুপ্ৰসাদৰ চেতনাৰ বিভিন্ন দিশ সবলতা-দুৰ্বলতা আৰু বিবৰ্তন বুজাত সহায় হ'ব। বৰ্তমান অৱস্থাত অৱশ্যে এই দৃষ্টিভঙ্গীৰে বিষ্ণুপ্ৰসাদৰ পূৰ্ণাংগ মূল্যায়নৰ সূত্ৰপাত কৰাটো কোনোপধ্যেই সম্ভৱ নহয়। কিয় নহয় সেই বিষয়ে যথাস্থানত আমি ইংগিত দিম।

বিষ্ণুপ্ৰসাদৰ মূল্যায়নৰ দ্বাৰা কেৱল যে শিল্পী-কলাকাৰসকলহে উপকৃত হ'ব পাৰে তেনে ধাৰণা ভুল। যিসকলে আৰ্য-অভিমানৰ পৰা নিজকে মুক্ত ৰাখি নিৰ্মোহভাৱে ইতিহাস চৰ্চা কৰিব বিচাৰে, যিসকলে নিষ্ঠাৰে দেশ আৰু জাতিৰ উন্নতি

বিচাৰে, বিসকলে কথা আৰু কামৰ সংগতি ৰাখি বহুমুখী চিন্তা তথা কামত নিজকে লিপ্ত কৰিব বিচাৰে, সেইসকল লোকৰ বাবে বিষ্ণুপ্ৰসাদৰ মূল্যায়ন যে বিশেষভাৱে শিক্ষাপ্ৰদ আৰু প্ৰেৰণাদায়ক হ'ব সেই বিষয়ে সন্দেহৰ অৱকাশ নাই। আমি আশা কৰিছোঁ, অদূৰ ভৱিষ্যতে উপযুক্ত অধ্যয়ন আৰু নিৰ্মোহ বিশ্লেষণীক্ষমতা সম্পন্ন লোকে এই ধৰণৰ মূল্যায়নৰ কাম আৰম্ভ কৰি আমাক উপকৃত কৰিব। বৰ্ত্তমান আলোচনাত আমি আমাৰ সীমিত সামৰ্থ্যানুযায়ী এই মূল্যায়নৰ সম্পৰ্কে দুই-এটা কথাহে মাত্ৰ উনুকিয়াব খুজিছোঁ।

বিষ্ণুপ্ৰসাদক আমি 'কলাগুৰু' বুলিয়েই জানোঁ। এই উপাধিটো কেতিয়া আৰু কেনেকৈ বিষ্ণুপ্ৰসাদৰ নামৰ লগত যুক্ত হ'ল তাৰ কোনো ইংগিত আমি তিলক দাসৰ 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি' নামৰ কিতাপখনত নাপাওঁ। গোকুল চন্দ্ৰ ডেকাই লেখা সৰু জীৱনী এখনৰ পৰা জনা যায় যে কাশী বিশ্ববিদ্যালয়ত প্ৰদৰ্শন কৰা নটৰাজ নৃত্যত মুগ্ধ হৈ তেতিয়াৰ উপাচাৰ্য সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে বিষ্ণুপ্ৰসাদক ১৯৪০ চনত এই উপাধিটো প্ৰদান কৰে। সি যি নহওক, বিষ্ণুপ্ৰসাদৰ ক্ষেত্ৰত এই উপাধিটো যে খুবেই বিভ্ৰান্তিকৰ সেই কথা বোধকৰো বহলাই কোৱাৰ প্ৰয়োজন নাই। কাৰণ এই উপাধিটোৰ দ্বাৰা বিষ্ণুপ্ৰসাদৰ চিন্তা তথা কৰ্মৰ 'বিপজ্জনক' আৰু 'অবাঞ্ছিত' দিশসমূহ ঢাকি ৰাখি তেওঁক বিশুদ্ধ কলা-সাধনাত নিৰ্লিপ্তভাৱে ব্যস্ত 'গুৰু'* হিচাপেহে প্ৰচাৰ কৰাৰ সম্ভাৱনাক কোনোমতে নুই কৰিব নোৱাৰি। আৰু এইবাবেই সম্ভৱতঃ জ্যোতিপ্ৰসাদৰ 'ৰূপকোঁৱৰ' উপাধিৰ দৰেই 'কলাগুৰু' উপাধিটোও মধ্যশ্ৰেণীৰ মাজত বেছ জনপ্ৰিয়।

বিষ্ণুপ্ৰসাদক আমি ৰাইজমুখী শিল্পী হিচাপেই জানোঁ। ৰাইজৰ লগত তেওঁৰ সম্পৰ্ক ঘনিষ্ঠ আৰু গভীৰ, তেওঁলোকৰ প্ৰতি তেওঁৰ শ্ৰদ্ধাও অসীম আৰু অকৃত্ৰিম। গজদন্ত মিনাৰত বহি বিশুদ্ধ কলা-সাধনাত ৰত আধুনিক শিল্পী-সাহিত্যিকসকল বিষ্ণুপ্ৰসাদৰ শিল্পসাধনাৰ এই গুৰুত্বপূৰ্ণ দিশ সম্পৰ্কে বৰ বেছি সতৰ্ক আৰু আগ্ৰহী নহয় যেন লাগে। ৰাইজবিমুখ শিল্পী-সাহিত্যিকসকলৰ ব্যক্তিত্বত সচৰাচৰ যি অহংবোধ আৰু আত্ম-অভিমান দেখা যায় তাৰপৰাও বিষ্ণুপ্ৰসাদ আছিল মুক্ত। ৰাইজৰ স'তে ঘনিষ্ঠ সংস্পৰ্শ আৰু তৎলব্ধ অভিজ্ঞতাই তেওঁৰ ব্যক্তিত্বলৈ আনিছিল এক বিৰল আৰু অনুসৰণীয় বিনম্ৰতা, যাৰ অভাৱ আনকি কেতিয়াবা প্ৰগতিৰ কথা কোৱা শিল্পী-বুদ্ধিজীৱীসকলৰ মাত-কথা আৰু আচাৰ-ব্যৱহাৰত ৰাৰুকৈয়ে লক্ষ্য কৰা যায়। এইখিনিতে আমি বিষ্ণুপ্ৰসাদৰ নিজৰ লিখনিৰপৰা কেইশাৰীমান কথা উদ্ধৃত কৰা প্ৰাসংগিক আৰু সমীচীন হ'ব বুলি বিবেচনা কৰোঁ ঃ "জনতা অফুৰন্ত কলা-শিল্পৰ

উঠাল। ......তেওঁলোকৰ চেনেহৰ কৰমৰ হিয়া সাগৰত বুৰ মাৰি মই এই শিল্প-সৰস্বতীক লাভ কৰিছোঁ।

বাহিৰৰ অন্তৰ ফুলনিৰ ফুলে ফুলে উৰি উৰি পৰি পৰি মৌগুটি ভোমোৰাৰ দৰে ৰস শুহি শুহি মই মোৰ হৃদয়ত মৌ-কোঁহ ৰচনা কৰোঁ। সেই ৰাইজৰেই মৌ মই ৰাইজক বিলাওঁ। সি মোৰ কোনো নিজৰ নহয়। ......শিল্পীৰ ই ধৰ্ম। মই সেই ধৰ্মহে পালন কৰিছোঁ।" এই কথাকেইষাৰৰ তাৎপৰ্য গভীৰ। বিষ্ণুপ্ৰসাদে তেওঁৰ শিল্পকৰ্মৰ গণ-উৎস সম্পৰ্কে নিজেই ইয়াত পৰিষ্কাৰভাৱে কৈছে। অকল সেয়ে নহয়, মহৎ শিল্পৰ সৃষ্টি-প্ৰক্ৰিয়াৰ গণ-ভিত্তিৰ বিষয়েও তেওঁ কোৱা কথাকেইষাৰ বিশেষভাৱে অনুধাৱনযোগ্য।

বিষ্ণুপ্ৰসাদে এবাৰ কৈছিল যে মাৰ্ক্সবাদ-লেনিনবাদে তেওঁৰ চঞ্চল, অস্থিৰ জীৱনলৈ আনি দিছিল সাগৰ সংগমৰ পূৰ্ণতা আৰু গভীৰতা। বিষ্ণুপ্ৰসাদৰ নিজৰ ভাষাত তেতিয়াৰপৰাই 'ৰাইজৰ লগত একেলগে মিলিজুলি ৰাইজক মাৰ্ক্সীয় আদৰ্শত উদ্বুদ্ধ কৰাৰ কাৰণে নিজৰ সকলো শক্তিৰে চেষ্টা কৰোঁ।' পৰিতাপৰ কথা যে পত্ৰ-পত্ৰিকাত আবেগাপ্লুত হৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা বহুতো লেখকে বিষ্ণুপ্ৰসাদৰ এই ৰাজনৈতিক চৰিত্ৰ সম্পৰ্কে একপ্ৰকাৰৰ পৰিকল্পিত নীৰৱতা অৱলম্বন কৰে। অথচ এই কথা তৰ্কাতীত যে মাৰ্ক্সীয় সমাজ-দৰ্শনে তেওঁৰ শিল্প-সৃষ্টিৰ ওপৰত প্ৰচুৰ প্ৰভাৱ পেলাইছিল। তেওঁৰ বিপ্লৱী গানবোৰেই ইয়াৰ প্ৰমাণ। 'অসমীয়া! সমনীয়া! আগবাঢ়ি যাওঁ ব'ল।' বুলি এসময়ত আহ্বান কৰা বিষ্ণুপ্ৰসাদে পৰৱৰ্তী কালত লিখিলে 'অ' বনুৱা সমনীয়া / আগবাঢ়ি যাওঁ ব'ল।' জাতি নিৰ্বিশেষে শ্ৰেণীৰ ভিত্তিত জনোৱা এই আহ্বানে বিষ্ণুপ্ৰসাদৰ ভাবাদৰ্শগত উত্তৰণৰেই স্বাক্ষৰ বহন কৰে। এই সমাজ চেতনাই তেওঁৰ শিল্পচিন্তাৰ ওপৰত কি ধৰণৰ প্ৰভাৱ পেলাইছিল তাৰ এটি কৌতূহলোদ্দীপক উদাহৰণ গজেন বৰুৱাই লেখা স্মৃতিকথা এটিৰপৰা জনা যায়। কলিকতাত বৰুৱাৰ নৃত্য-কেন্দ্ৰত 'অমৃত-মন্থন' নৃত্য-নাটিকাৰ আখৰা চাই বিষ্ণুপ্ৰসাদে কৈছিল 'এইটো উৎকৃষ্ট বস্তু হ'ব —যদি তুমি ইয়াৰ পোছাক-পৰিচ্ছদবোৰ বদলি কৰি লোৱা।' আধুনিক সমাজ-সত্যৰ লগত সংগতি ৰাখি অমৃত-মন্থনৰ পুৰণি কাহিনীটোৰ নৱৰূপ বিষ্ণুপ্ৰসাদে কল্পনা কৰিছিল এই ধৰণে ঃ দেৱতাসকলে দীঘল পাঞ্জাবী পিন্ধিব, দুই-এজনৰ গাত জহৰ কোটো থাকিব। বাসুকীৰ মুখৰ ফালে থকা আধা-নাঙঠ মানুহবোৰৰ গাত থাকিব মাথোঁ একোখন ফুটা চুৰিয়া। অমৃতৰ পৰিবৰ্তে এটা কলহত থাকিব হাজাৰ টকীয়া নোটৰ তোৰা। সাপৰ বিষাক্ত নিশ্বাসত অৱশেষত সকলো অসুৰেই মৃত্যুমুখত পৰিব আৰু নেজৰ ফালে নিৰাপদজনক অৱস্থাত থকা দেৱতাসকলে কলহটোৰপৰা নোটবোৰ লৈ সানন্দে প্ৰস্থান কৰিব। তীব্ৰ শ্ৰেণী-

চেতনাৰে উদ্বুদ্ধ এই নৃত্য-পৰিকল্পনাৰ কথা কোৱাৰ পাছত বিষ্ণুপ্ৰসাদে হাঁহি হাঁহি গজেন বৰুৱাক কৈছিল, 'এইবোৰেই আজিৰ সমাজৰ বাস্তৱ নৃত্য, জনতাৰ জীৱন নৃত্য।'

বিষ্ণুপ্ৰসাদ আছিল সমন্বয়ৰ প্ৰতীক। জ্যোতিপ্ৰসাদ যেনেকৈ আন্তঃপ্ৰাদেশিক সমন্বয়ৰ উৎকৃষ্ট উদাহৰণ হিচাপে স্মৰণীয়, ঠিক তেনেকৈ বিষ্ণুপ্ৰসাদ অন্তঃপ্ৰাদেশিক সমন্বয়ৰ সফল উদাহৰণ হিচাপে উল্লেখ্য। তেওঁ বিভিন্ন ভাষিক সম্প্ৰদায় আৰু জনজাতীয়সকলৰ লগত অকৃত্ৰিম বন্ধুত্ব পাতি স্বতঃস্ফূৰ্তভাৱে মিলি যাব পাৰিছিল। বিষ্ণুপ্ৰসাদৰ জীৱনৰ এই দিশটোৰ বিষয়ে কাকতে-পত্ৰে ইতিমধ্যে কিছু আলোচনা হৈছে। লক্ষ্য কৰিলে দেখা যাব যে বিষ্ণুপ্ৰসাদে এচাম জনজাতীয় লোকৰ মাজত নানা কাৰণে দেখা দিয়া নেতিবাচক আছুতীয়া মনোভাবক যেনেকৈ প্ৰশ্ৰয় দিয়া নাছিল, ঠিক তেনেকৈ আন্তৰিকতাৰে জাতীয় সমন্বয় বিচাৰিলেও বৃহৎ জাতিসুলভ 'দাদাগিৰী'ৰ ওপৰত তেওঁৰ কোনো আস্থা নাছিল। সমন্বয়ৰ বাবে দৰকাৰ গভীৰ বুজাবুজি, আন্তৰিক আস্থা আৰু পাৰস্পৰিক আদান-প্ৰদান। সমন্বয়ৰ নামত একপক্ষীয়ভাৱে সংস্কৃতি জাপি দিয়াৰ নীতি কেতিয়াও সমৰ্থনযোগ্য হ'ব নোৱাৰে। জাতীয় সমন্বয়ৰ সম্পৰ্কে এই গণতান্ত্ৰিক দৃষ্টিভংগীৰ আভাস আমি পাওঁ বিষ্ণুপ্ৰসাদৰ 'বড়ো কৃষ্টি' নামৰ নিবন্ধত : 'এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হ'বলৈ হ'লে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে সম্পূৰ্ণ জ্ঞান থকা উচিত। নিজৰ ধৰ্ম, কৃষ্টি সমাজ আৰু সংস্কৃতিৰ উপৰিও আনৰ ধৰ্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ বিষয়ে গভীৰ জ্ঞান থকা উচিত। পৰস্পৰৰ ভিতৰত অকৃত্ৰিম আৰু আন্তৰিক শ্ৰদ্ধা ৰাখি কালৰ ৰথৰ চকাত অগ্ৰগতিৰ তালে তালে প্ৰগতিৰ অসীম বাটেদি অগ্ৰসৰ হোৱা উচিত।' বিষ্ণুপ্ৰসাদে স্পষ্টভাৱে কৈছে যে পাৰস্পৰিক জ্ঞানৰ অভাৱ থাকিলে দুটা জাতিৰ সমন্বয় 'বিশুদ্ধ হ'ব নোৱাৰে, বৰং কলুষেৰে ভৰপূৰ হৈ ধ্বংসৰ বাটহে মুকলি কৰা হয়।' বিষ্ণুপ্ৰসাদৰ এই কথাকেইষাৰ কেৱল শিক্ষণীয়েই নহয়, বহুতৰে বাবে ই সকিয়নী স্বৰূপো।

বিখ্যাত-অৰ্ধখ্যাত-অখ্যাত বহুতো লেখকৰ ৰচনা পঢ়ি মনলৈ স্বাভাৱিকতে এটা প্ৰশ্ন আহিব পাৰে : বিষ্ণুপ্ৰসাদ জানো অন্ধ আৰু সংকীৰ্ণ জাতীয়তাবাদী আছিল? সাম্প্ৰতিক কালত এই প্ৰশ্নটো বেছ গুৰুত্বপূৰ্ণ। জীৱনৰ আগভাগত —যেতিয়া বিষ্ণুপ্ৰসাদে 'বৃহত্তৰ অসমৰ পৰিকল্পনা' ৰচিছিল —তেতিয়া তেওঁৰ প্ৰধান সপোন আছিল অসমীয়া সংস্কৃতিৰ পুনৰুজ্জীৱন। পৰৱৰ্তী দুই-এটা লেখা বা কথাবতৰা বিচ্ছিন্নভাৱে উদ্ধৃত কৰি সেই পুৰণি সপোনটোকেই তেওঁ সদায় একেধৰণে দেখি আছিল বুলি 'প্ৰমাণ' কৰাটোও বোধহয় চতুৰ বুদ্ধিজীৱীৰ বাবে বৰ টান নহ'ব। কোৱা বাহুল্য যে এই ধৰণৰ অপচেষ্টাবোৰে দৰাচলতে বিষ্ণুপ্ৰসাদৰ চিন্তাধাৰাৰ মূল প্ৰবাহটোক

অস্পষ্ট, অস্বীকাৰ বা বিকৃতহে কৰে। জাতিৰ ভিত্তিত নহয়, শ্ৰেণীৰ ভিত্তিত সংগ্ৰাম কৰি সদৌ দুখীয়া ৰাইজৰ কান্ধত কান্ধ মিলাই যুঁজ কৰিবলৈহে ৰাজনীতিৰ পথাৰত জঁপিয়াই পৰা বিষ্ণুপ্ৰসাদক অন্ধ আৰু সংকীৰ্ণ জাতীয়তাবাদী হিচাপে প্ৰমাণ আৰু প্ৰচাৰ কৰাৰ চেষ্টা যে অসৎ উদ্দেশ্য-প্ৰণোদিত সেই কথা যিকোনো সৎ আৰু সচেতন ব্যক্তিয়েই বুজি পাব। 'শ্ৰেণীহীন/জাতি-দল-বিভেদ-বিহীন' নতুন সাম্যৰ পৃথিৱীৰ সপোন দেখোঁতা বিষ্ণুপ্ৰসাদে বুজিছিল যে জাতিৰ নামত শোষক-শাসকেও নিজৰ স্বাৰ্থৰক্ষাৰ ব্যৱস্থা সংগোপনে আৰু সুচতুৰভাৱে কৰিব পাৰে : বাৰে বাৰে জাতিৰ নামত চুৰি-ডকাইতি খেল, —/বজ্জাতৰ দলে পাতে মানা জালিয়তী মেল।' এই উপলব্ধি আছিল বাবেই বিহাৰৰ ৰামনাথ হালৈৰ আঠগাঁৱত থকা চাহৰ দোকান 'গৰিবখানা'লৈ গৈ 'বনুৱা মজদুৰক জগাই তুলিব লাগে' বুলি বিষ্ণুপ্ৰসাদে এই অনা-অসমীয়া গৰিব মানুহজনক মুক্তিৰ বীজমন্ত্ৰ দিছিল। বিষ্ণুপ্ৰসাদে জানিছিল গৰিবৰ কোনো জাত নাই। মাৰ্ক্সীয় সমাজ বীক্ষাৰ এই মহাসত্য তেওঁ স্পষ্টভাৱে এঠাইত ব্যক্ত কৰিছে : '............অসমীয়া জাতিৰ মৃত্যুবাণ এই হোজা, দুখীয়া, গাঁৱলীয়া অসমীয়াৰ হাতঁতে। কিন্তু যিবিলাক ধনী, জমিদাৰ, হাকিম, পুঁজিপতি, চাহ-বাগিচাৰ মালিক, তেওঁলোকে এই বাপতি সাহোনীয়া সম্পত্তি অসমৰ কৃষ্টি-সংস্কৃতি উপহাস আৰু আমোদৰ উপকৰণ বুলি ইতিকিং কৰি নিষ্ঠুৰ আনন্দ লভে। তেওঁলোক জানো অসমীয়া? তেওঁলোক জানো ভাৰতৰ নাগৰিক? তেওঁলোক অসমীয়াও নহয়, ভাৰতৰ নাগৰিকো নহয়। পৃথিৱীৰ আন আন দেশৰ সেই একে শোষক সম্প্ৰদায়ৰ তেওঁলোক, যাৰ জাতি নাই, দেশ নাই, কেৱল সুবিধাবাদী মুনাফাখোৰ, চোৰাং-বজাৰী।' এই তাৎপৰ্যপূৰ্ণ কথাখিনিৰ মাজতেই ৰাভাৰ স্বচ্ছ শ্ৰেণী দৃষ্টিভঙ্গী আৰু 'অসমীয়া'ৰ শ্ৰেণীভিত্তিক অভিনৱ সংজ্ঞা নিহিত হৈ আছে। সাধাৰণ অসমীয়া ৰাইজৰ শত্ৰু কোন, মিত্ৰ কোন এই গুৰুত্বপূৰ্ণ প্ৰশ্নটোৰ সঠিক আৰু নিৰ্মোহ উত্তৰো ইয়াত বিদ্যমান। স্বাভাৱিকতে এইজনা বিষ্ণুপ্ৰসাদ কুৰুচ সাম্প্ৰদায়িকতাৰ বন্ধ্যা, আত্মঘাতী আৰু প্ৰতিক্ৰিয়াশীল চৰিত্ৰ সম্পৰ্কে নিজৰ অৱগত আছিল। 'মামীৰ হাৰ' নামৰ গল্পৰ মুখ্য চৰিত্ৰ হৰেন ৰাজবংশীয়ে অভিজ্ঞতাৰ ভিত্তিত কৰা আত্মসমালোচনা এই প্ৰসংগত অৱশ্যেই উল্লেখযোগ্য : 'সমস্যাৰ গোড়া না বুঝিয়া চুঝিয়া আমিৰা ধৰিয়ালং — এই ইমিৰাই দেছেৰ শত্ৰু, —এই পাকিস্থানেৰে পেৰা আছু মানছিগিলা। .......ওদিগি চিলাইয়া ওঠে, আল্লা হো আকবৰ' —আমিৰা ডাকাওঁ 'বন্দেমাতৰম্।' ......যাং বঙালৰ গ্ৰামেৰ দিগে অন্ধকাৰ ৰাত্ৰিত। হাতত হাতিয়াৰ অস্ত্ৰ লইয়া, —দাং, কুঠাৰ, জাঠি, জোং। ......আগুন জ্বলিয়া উঠে আমিৰা যাং বাঙাল খেদাবাৰ! তমিৰাৰ ঘৰ পুৰে। আকাচ লাল হয়। ঘৰৰ খুটা ফুটে —ঠো-ঠো-ঠো। .......আৰু তিৰী-ছাৱা কান্দিয়া

উঠে। তাৰ পৰে আৰু কিছু নাই। ....তমিৰা পালায়। হয়, —আমাৰ পেট নভৰে, আগৰ মতন খালি খালিয়েই থাকি যায়।.....' বিষ্ণুপ্ৰসাদৰ নায়ক হোজা সৰল খেতিয়ক হৰেন ৰাজবংশীয়ে বুজিলেও আমাৰ 'শিক্ষিত' বহুলোকেই নুবুজে —বা নুবুজাৰ ভাও ধৰে —যে 'সমস্যাৰ গোড়া না বুঝিয়া চুঝিয়া' সাম্প্ৰদায়িক বিভেদ-বিদ্বেষত মত্ত হ'লেই সাধাৰণ অসমীয়া ৰাইজৰ 'পেট নভৰে, আগৰ মতন খালি খালিয়েই থাকি যায়।' এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে ১৯৬০ চনৰ ভ্ৰাতৃঘাতী সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত গণনাট্য সংঘৰ উদ্যোগত সংগঠিত শিল্পীসকলৰ শুভেচ্ছামূলক দলটোৱে তেজপুৰত পতা অনুষ্ঠানত বিষ্ণুপ্ৰসাদে বক্তৃতা দিছিল। এই বক্তৃতাত তেওঁ উদঙাই দিছিল সাম্প্ৰদায়িকতাৰ কুৎসিত আৰ্থ-ৰাজনৈতিক স্বৰূপ।

আমি আগতেই উনুকিয়াই আহিছোঁ যে জীৱনৰ আগছোৱাত বিষ্ণুপ্ৰসাদে অসমীয়া সংস্কৃতিৰ পুনৰুজ্জীৱন কামনা কৰিছিল। কিন্তু হ'লেও বংগীয় সমাজ আৰু সংস্কৃতিৰ লগত এই কালছোৱাত তেওঁৰ সম্পৰ্ক আছিল ঘনিষ্ঠ আৰু আন্তৰিক। আপাতদৃষ্টিত গৌণ যেন লগা বিষ্ণুপ্ৰসাদৰ জীৱনৰ এই দিশটোৰ ওপৰত যথোচিত গুৰুত্ব দিয়াটো সম্প্ৰতি বেছ প্ৰয়োজনীয় হৈ পৰিছে। বিষ্ণুপ্ৰসাদৰ জীৱনৰ ঘটনা-প্ৰবাহ লক্ষ্য কৰিলে দেখা যায় যে কলিকতাতহে তেওঁ সৰ্বভাৰতীয় আৰু আন্তৰ্জাতিক সংস্কৃতিৰ সংস্পৰ্শলৈ আহিছিল। এই অভিজ্ঞতাই তেওঁৰ শিল্প-প্ৰতিভা আৰু সমাজ-চেতনাৰ বিভিন্ন দিশ বিকশিত হোৱাত যে যথেষ্ট সহায় কৰিছিল সেই বিষয়ে কোনো সন্দেহ নাই। সেই কালত বিষ্ণুপ্ৰসাদে তেওঁৰ গুণমুগ্ধ বংগীয় বন্ধুসকলৰপৰা নানা প্ৰকাৰৰ সহায় আৰু প্ৰেৰণা পাইছিল। ১৯৩১ চনত তেওঁ মণিৰায় আৰু অন্যান্য কেইজনমান বন্ধুৰ সহযোগত 'Agro Picture Corporation' খুলি ছায়াচিত্ৰ নিৰ্মাণৰ প্ৰাথমিক প্ৰস্তুতি আৰম্ভ কৰিছিল। উল্লেখযোগ্য যে বিষ্ণুপ্ৰসাদৰ আশা আছিল অসমীয়া ছবি উলিয়াই 'ডাবিং'ৰ দ্বাৰা বঙালী আৰু হিন্দীও কৰিব। কলিকতাত হিমাংশু দত্তৰ দৰে বংগদেশৰ প্ৰসিদ্ধ সুৰস্ৰষ্টাৰ লগত তেওঁৰ বন্ধুত্ব হৈছিল আৰু তাৰ ফলত বিষ্ণুপ্ৰসাদে বহুতো গুণী লোকৰ সান্নিধ্য লাভ কৰিছিল। এই সময়ত তেওঁ বাংলা নাটক কৰাৰ কথাও জনা যায়। নাটকখন চাই অগ্নিকবি নজৰুলে তেওঁক মৰমতে 'দাৰোৱান ভাই' বুলি সম্বোধন কৰিছিল। বংগদেশৰ ঠাকুৰ পৰিয়ালৰ লগতো বিষ্ণুপ্ৰসাদৰ পৰিচয় আছিল আৰু তেওঁলোকৰ লগত থকা ঘৰুৱা ঘনিষ্ঠতাৰ ফলত ৰবীন্দ্ৰ সংগীতৰ প্ৰতিও তেওঁৰ ধাউতি জন্মে। এই ৰবীন্দ্ৰ সংগীত পৰিৱেশন কৰি বংগৰ সংগীতমোদী ৰাইজক বিষ্ণুপ্ৰসাদে কেইবাবাৰো মুগ্ধ কৰাৰ দৃষ্টান্ত তেওঁৰ জীৱনীত পোৱা যায়। উল্লেখযোগ্য যে কাৰ মাইকেল কলেজত বিষ্ণুপ্ৰসাদে কেৱল সৰস্বতীৰ মূৰ্তিয়েই সজা নাছিল, ৰবীন্দ্ৰনাথৰ আৱক্ষ মূৰ্তি এটাও সাজিছিল। ১৯৬২

চনত কাৰাবন্দী হৈ থকা অৱস্থাতো তেওঁ ৰবীন্দ্ৰনাথৰ এখন প্ৰতিকৃতি আঁকে। এই সক সক ঘটনাবোৰে বিষ্ণুপ্ৰসাদৰ মানসিকতাৰ এনে দিশৰ আভাস আমাক দিয়ে বিটিৰ বিষয়ে পৰ্যাপ্ত আলোচনা এতিয়ালৈকে আমি পঢ়িবলৈ পোৱা নাই। এই সম্পৰ্কে তথ্যপূৰ্ণ নিৰ্মোহ আলোচনা হ'লেহে আমি বুজিব পাৰিম কিয় অমলেন্দু গুহই এবাৰ বিষ্ণুপ্ৰসাদ সম্পৰ্কে লিখিছিল 'আৰু ময়েই কেতিয়াবা কেতিয়াবা ভাবিছিলোঁ তেওঁ এজন খাঁটি বঙালী বুলি।' এইখিনিতে আমি এটা গুৰুত্বপূৰ্ণ কথা উনুকিয়াই যোৱা উচিত হ'ব। বিষ্ণুপ্ৰসাদে কেৱল আন্তঃভাষিক সংহতিয়েই বিচৰা নাছিল, তেওঁ আন্তৰিকতাৰে আন্তঃধৰ্মীয় সংহতিও বিচাৰিছিল। সেয়ে 'চিৰাজ' ছবি কৰাৰ সময়ত বিষ্ণুপ্ৰসাদে 'অগ্নিযুগৰ ফিৰিঙতি' গীতটিৰ শেষৰ অন্তৰাটো সলাই দিবলৈ ভূপেন হাজৰিকাক পৰামৰ্শ দিছিল। মূল গীতটিত আছিল 'বড়ো, কোচ, চুতীয়া, কছাৰী, আহোমৰ / অন্তৰ ভেদি মৌ বোৱাম।' বিষ্ণুপ্ৰসাদৰ পৰামৰ্শ গ্ৰহণ কৰি 'চিৰাজ'ৰ বাবে হাজৰিকাই লিখিলে —'হিন্দু, মুছলিম, শিখ, খৃষ্টানৰ / অন্তৰ ভেদি মৌ বোৱাম।' কোৱা বাহুল্য যে সৰ্বভাৰতীয় স্বাধীনতা সংগ্ৰাম আৰু মাৰ্ক্সীয় সমাজ-দৰ্শনৰ প্ৰভাৱৰ পটভূমিত বিচাৰ কৰিলেহে বিষ্ণুপ্ৰসাদৰ চিন্তাৰ এই অধুনা দুৰ্লভ উদাৰনৈতিক গণতান্ত্ৰিক দিশটো সঠিকভাৱে বুজা যাব।

বৰ্তমান অৱস্থাত বিষ্ণুপ্ৰসাদৰ সঠিক আৰু পূৰ্ণাংগ মূল্যায়ন যে সম্ভৱ নহয় সেইকথা ইতিমধ্যে আমি উল্লেখ কৰিছোঁ। তেওঁৰ ৰচনাৱলী আজিলৈকে প্ৰকাশ নাপালে। আৰু ৰচনাৱলী নপঢ়াকৈ শিল্পী-সাহিত্যিকৰ পূৰ্ণাংগ মূল্যায়নৰ চেষ্টা কৰাটো যে একধৰণৰ মূৰ্খতা-মিশ্ৰিত অক্ষমণীয় আস্পৰ্দ্ধা সেই কথা বোধকৰোঁ নক'লেও হ'ব। কথা হ'ল, কিয় বিষ্ণুপ্ৰসাদৰ ৰচনাৱলী আজিলৈকে প্ৰকাশ নহ'ল? এই ক্ষেত্ৰত বিভিন্ন জনে হয়তো বিভিন্ন প্ৰকাৰৰ অজুহাত দেখুৱাব। সৰু-সুৰা দুই-এটা বাস্তৱ অসুবিধা হয়তো নথকাও নহয়। তথাপি এই কথা আমি ন দি ক'ব পাৰোঁ যে বিষ্ণুপ্ৰসাদৰ ৰাজনৈতিক চৰিত্ৰক সুবিধাবাদী মধ্যশ্ৰেণীৰ প্ৰতিপত্তিশীল বুদ্ধিজীৱীসকলে নিৰাপদ আৰু আপোন বুলি ভবাহেঁতেন তেওঁৰ ৰচনাসমূহে নিশ্চয় ইতিমধ্যে পোহৰৰ মুখ দেখিলেহেঁতেন। সাম্যবাদী চিন্তাধাৰাৰ প্ৰতি মধ্যশ্ৰেণীৰ স্বভাৱসুলভ অনীহা, অৱজ্ঞা আৰু বিদ্বেষৰ বাবেই বিষ্ণুপ্ৰসাদৰ জীৱনৰ অন্যতম প্ৰধান দিশটোৱে আজিকোপতি যথোপযুক্ত সমাদৰ আৰু স্বীকৃতি নাপালে। মধ্যশ্ৰেণীৰ এই মানসিকতাৰ বাবেই হয়তো জীৱনীতো বিষ্ণুপ্ৰসাদৰ ৰাজনৈতিক জীৱন সম্পৰ্কে যথোচিত আগ্ৰহ আৰু অনুসন্ধানৰ অভাৱ দেখা যায়। দৃষ্টান্ত হিচাপে উল্লেখযোগ্য যে তিলক দাসে লিখা জীৱনীত বিষ্ণুপ্ৰসাদক ১৯৫০ চনত গ্ৰেপ্তাৰ কৰি দুবছৰ জেলত ৰখা হৈছিল বুলি কোৱা হৈছে। দুয়োটা তথ্য শুদ্ধ নহয়। তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল ১৯৫২

চনত আৰু তেওঁ কাৰাবাস খাটিছিল এবছৰহে, দুবছৰ নহয়। গোকুল চন্দ্ৰ ডেকাই ৰচা সক জীৱনীখনতো বিষ্ণুপ্ৰসাদৰ ৰাজনৈতিক জীৱন সম্পৰ্কে ভুল তথ্য পৰিবেশিত হৈছে। বিপ্লৱী কমিউনিষ্ট দলৰ সক্ৰিয় কৰ্মী হিচাপেহে বিষ্ণুপ্ৰসাদক গ্ৰেপ্তাৰ কৰা হৈছিল ; গোকুল চন্দ্ৰ ডেকাই লেখাৰ দৰে ১৯৫৩ চনত জেলৰপৰা ওলাই অহাৰ পাছত তেওঁ বিপ্লৱী কমিউনিষ্ট দলৰ সভ্য হোৱা নাছিল। এই অশুদ্ধ তথ্যবোৰ দৰাচলতে অনীহা-প্ৰসূত অজ্ঞতাৰেই পৰিণতি। বিষ্ণুপ্ৰসাদৰ জীৱনী লেখি বহুতো নজনা কথা আমাক জনাৰ সুযোগ দিয়াৰ বাবে তিলক দাস আমাৰ সকলোৰে ধন্যবাদৰ পাত্ৰ যদিও তেওঁৰ সকলো ব্যাখ্যা আৰু সিদ্ধান্তৰ সৈতে একমত হোৱাটো সম্ভৱ নহয়। দাসে এঠাইত লেখিছে 'সশস্ত্ৰ বিপ্লৱী পথৰ জয়-যাত্ৰাৰ আধৰুৱা বাটৰপৰা উভতি আহি তেওঁ শ্ৰীমন্ত শংকৰদেৱৰ মহা সংস্কৃতিক জনতাৰ জীৱনত প্ৰতিষ্ঠিত কৰিবলৈ দেহে-কেহে লাগিল।' এই মন্তব্য নিঃচৰ্ত আৰু সম্পূৰ্ণভাৱে মানি ল'ব নোৱাৰি। বিষ্ণুপ্ৰসাদৰ জীৱনৰ এই শেষ-পৰ্ব সম্পৰ্কে অৱশ্যে নিৰ্মোহভাৱে আলোচনা-বিলোচনা কৰাৰ থল নিশ্চয় আছে ; কিন্তু এই সময়ছোৱাত জীৱনৰ জংগী মধ্য-পৰ্বৰ দৰে তেওঁ পুনৰ বিপ্লৱী ৰাজনীতিত যদি জঁপিয়াই পৰা নাছিল তেন্তে তাৰ বাবে বোধহয় মূলতঃ দায়ী তৎকালীন ৰাজনৈতিক আন্দোলন আৰু পৰিস্থিতিৰ চৰিত্ৰ, ব্যক্তিগত মোহভংগ আৰু প্ৰত্যাবৰ্তন নহয়। বিষ্ণুপ্ৰসাদৰ মূল্যায়নৰ প্ৰসংগত এই বিষয়টো খুবেই গুৰুত্বপূৰ্ণ। অৱশ্যে এই বিষয়ে সবিশেষ তথ্য আৰু তত্ত্বৰে আলোচনা কৰাৰ যোগ্যতা আমাৰ নাই। যোগ্যজনে এই সম্পৰ্কে আমাক আলোকিত কৰিব বুলিহে আমি মাত্ৰ আশা কৰিব পাৰোঁ। এইখিনিতে আমি এটা কথা উল্লেখ কৰাটো সমীচীন আৰু প্ৰাসংগিক হ'ব। কিছু লেখকে বিষ্ণুপ্ৰসাদৰ যি ৰাজনৈতিকপূৰ্ণ পশ্চাদগমনৰ ইংগিত দিব বিচাৰে সি দৰাচলতে ইচ্ছাপূৰণমূলক চিন্তাৰেই ফলশ্ৰুতি। বিষ্ণুপ্ৰসাদক অৰাজনৈতিক শিল্পী হিচাপে বিচৰাৰ প্ৰকাশ্য কিম্বা প্ৰচ্ছন্ন ইচ্ছাৰ লগত এই পূৰ্ব পশ্চাদগমনৰ মনে-গঢ়া 'তথ্য'ৰ গভীৰ-গোপন সম্পৰ্ক থকাটো অসম্ভৱ নহয়। নক'লেও হ'ব যে শেষ পৰ্বত ৰাজনীতিৰপৰা সম্পূৰ্ণভাৱে আঁতৰি আহি বিষ্ণুপ্ৰসাদে সংস্কৃতি চৰ্চা কৰা নাছিল। অসমত কমিউনিষ্ট পাৰ্টি প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী উপলক্ষে ৰোগশয্যাৰপৰা তেওঁ দিয়া এটি বাণীৰপৰা এই প্ৰসংগত আমি কিছু কথা উদ্ধৃত কৰিব পাৰোঁ —"এবছৰ কাৰবাস কৰি ওলাই আহি কিছু দিনৰ পিছত সেই বিৰাট সাধনাৰ স্বাভাৱিক পথে মোক লৈ আহে ভাৰতৰ কমিউনিষ্ট পাৰ্টিলৈ, বিশ্বজুৰি মহামানৱৰ মুক্তিৰ যি অভিযান সেই অভিযানৰ অংশভাগী হ'বলৈ। সেই কথা ১৯৫৫ চনৰ। তেতিয়াৰেপৰা বিশ্ব-ভ্ৰাতৃত্বৰ, শ্ৰমিক, কৃষক, সৃষ্টিকাৰী জনতাৰ শান্তি, প্ৰগতি আৰু নতুন সমাজৰ সাধনাত মোৰ ক্ষুদ্ৰ শক্তিৰে দুখকাৰী জনসাধাৰণৰ পাৰ্টি কমিউনিষ্ট

পাৰ্টিৰ সভ্যৰূপে ৰাইজৰ সেৱা কৰি আহিছোঁ।" উল্লেখযোগ্য যে কমিউনিষ্ট পাৰ্টিৰ ৰাজনীতিৰ মাৰ্ক্সীয় চৰিত্ৰ সম্পৰ্কে সন্দিহান সমালোচকসকলে বিষ্ণুপ্ৰসাদৰ ৰাজনৈতিক অৱস্থান আৰু সংস্কৃতিক জীৱনত তাৰ প্ৰতিফলন সম্পৰ্কে নানা ধৰণৰ মতামত ব্যক্ত কৰাটো সম্ভৱ। ইতিমধ্যে দুই-এঠাইত এইধৰণৰ আলোচনা আৰম্ভ হোৱা দেখা গৈছে। পিছে এই ৰাজনৈতিক অৱস্থানৰ চৰিত্ৰ আৰু পৰিণতি যিয়েই নহওক, কিছু লেখক-সমালোচকে ভবাৰ দৰে মৃত্যুৰ আগমুহূৰ্ত্তলৈকে বিষ্ণুপ্ৰসাদে যে মাৰ্ক্সবাদৰ প্ৰতি অৱজ্ঞা-অনীহা প্ৰকাশ কৰা নাই সেইটোহে আলোচ্য প্ৰসংগত আমাৰ বাবে বিশেষভাৱে তাৎপৰ্যপূৰ্ণ।

পৰিশেষত আমি এটা কথা উল্লেখ কৰা বোধকৰোঁ উচিত হ'ব। বিষ্ণুপ্ৰসাদৰ সামগ্ৰিক মূল্যায়নৰ বাবে কেৱল তেওঁৰ ৰচনাৱলী প্ৰকাশ হ'লেই সমস্যাৰ ওৰ নপৰিব। চলমান সমাজ ইতিহাসৰ পটভূমিত প্ৰণালীবদ্ধ আৰু নিৰ্মোহভাৱে লেখা এখন জীৱনীৰো প্ৰয়োজন আছে। কোৱা বাহুল্য যে বীৰ পূজাৰ দৃষ্টিভঙ্গীৰে লেখা জীৱনী আমাৰ বিশেষ কামত নাহিব। সেইবাবে আমি সচেতনভাৱে 'নিৰ্মোহ' শব্দটো ব্যৱহাৰ কৰিছোঁ ; বিষ্ণুপ্ৰসাদৰ সীমাবদ্ধতা, স্ববিৰোধ, দুৰ্বলতা —এইবোৰৰ পৰিষ্কাৰ উল্লেখ আৰু বৈজ্ঞানিক বিশ্লেষণ তেওঁৰ জীৱনীত থকাটো আমি আশা কৰোঁ। তেতিয়াহে আমি তেওঁৰ জীৱনৰপৰা ইতিবাচক আৰু নেতিবাচক দুয়োবিধ শিক্ষা ল'ব পাৰিম আৰু সেইটো কৰিব পাৰিলেহে আমি বিষ্ণুপ্ৰসাদৰ ঐতিহাসিক ইতিবাচক ঐতিহ্যক এক সমৃদ্ধ আৰু সম্ভাৱনাময় ভৱিষ্যতৰ পিনে আগুৱাই নিয়াৰ পথনিৰ্দেশ আৰু অনুপ্ৰেৰণা পাম। নহ'লে বছৰেকীয়া শ্ৰদ্ধা-তৰ্পণৰ যান্ত্ৰিক অনুষ্ঠানৰ ধূপ-ধূনাৰ ধোঁৱাৰ আঁৰত ক্ৰমে ক্ৰমে অস্পষ্ট হৈ পৰিব বিষ্ণুপ্ৰসাদৰ মহান ঐতিহাসিক তাৎপৰ্য। ❑

# নৱ-জাগৰণৰ প্ৰতীক ঃ বিষ্ণু ৰাভা

।। ড° শিৱনাথ বৰ্মন।।

য়ুৰোপীয় নৱ-জাগৰণৰ কাহিনী আমাৰ শিক্ষিত অসমীয়া সমাজত অপৰিচিত নহয়, অন্ততঃ হোৱা উচিত নহয়। খ্ৰীষ্টীয় প্ৰায় পঞ্চদশ শতিকাৰ য়ুৰোপত, বিশেষকৈ ইয়াৰ ইটালী অঞ্চলত জ্ঞান-বিজ্ঞানৰ যি বিস্ময়কৰ বিকাশ দেখা গৈছিল, ইতিহাসবিদসকলে তাৰ নাম থৈছে 'নৱ-জাগৰণ', কাৰণ প্ৰাচীন গ্ৰীচৰ গৌৰৱময় ঐতিহ্য এই যুগত পুনৰ জাগৰুক হৈ উঠিছিল। অৱশ্যে ইয়েই য়ুৰোপীয় নৱ-জাগৰণৰ একমাত্ৰ বৈশিষ্ট্য নহয়। ইয়াৰ পূৰ্ববৰ্তী সামন্ত যুগটো আছিল 'এন্ধাৰ'ৰ যুগ। ধৰ্মীয় তথা আধিভৌতিক চিন্তাৰ হেঁচাত মানুহ আৰু মানুহ সম্পৰ্কীয় প্ৰায়বোৰ ধ্যান-ধাৰণা সেই যুগত ঠিহিৰা মাৰি আছিল। কিন্তু নৱ-জাগৰণৰ অভ্যুদয়ৰ লগে লগে আৰম্ভ হ'ল য়ুৰোপৰ আধুনিক যুগ। য়ুৰোপীয় মানুহে অনুভৱ কৰিলে মনোমুক্তিৰ এক মহান অনুপ্ৰেৰণা। অস্পষ্টভাৱে হ'লেও মানুহে বুজিলে —দেৱতাসকল হয়তো সত্য নহয়, সত্য মানুহহে ; স্বৰ্গও হয়তো বাস্তৱ নহয়, বাস্তৱ হ'ল মানুহে বাস কৰা এই পৃথিৱীখনহে। মানুহ আৰু প্ৰকৃতি হৈ পৰিল এই যুগত মানুহৰ অধ্যয়নৰ মুখ্য বিষয়। সেয়ে আচৰিত নহয় যে 'Humanism' বা 'মানৱতাবাদ' পৰিভাষাটোৰ প্ৰচলন ঘটে পোনতে এই যুগতেই।

নৱ-জাগৰণৰ আচাৰ্যসকলে জানিছিল, —মানুহৰ যি মূল আলোচ্য বিষয় —মানুহ —সেই মানুহ এটা নিষ্প্ৰাণ সত্তা, এটা জড়বস্তু নহয়, সেই মানুহ হ'ল অসীম সম্ভাৱনাৰ সঁফুৰা, মানুহে কৰিব বা হ'ব নোৱাৰে —এনে কাম জগতত নাই। চেষ্টা আৰু সাধনাৰ দ্বাৰা মানুহৰ নিহিত সমস্ত সম্ভাৱনাসমূহ সাৰ্থক কৰি তুলিবলৈ, দেশ-কাল-জাতি-সম্প্ৰদায়ৰ প্ৰাচীৰ ভেদি মুকলিলৈ ওলাই আহিবলৈ, বিশ্ব-মানৱত্ব লাভ কৰিবলৈ পৃথিৱীৰ প্ৰতিজন মানুহ সক্ষম। এইখিনিতে উল্লেখ কৰিব পাৰি যে 'Universal man' বা 'বিশ্ব-মানৱ' পৰিভাষাটোৰ ব্যৱহাৰৰ সূচনা হয় এই যুগৰপৰাই।

য়ুৰোপীয় নৱ-জাগৰণ নিৰ্মাতাসকলৰ অনুসন্ধিৎসা আছিল অপাৰ, অধ্যৱসায় আছিল অফুৰন্ত, নিজৰ চৌদিশে থকা সমস্ত শৃংখলা ছিঙি পেলাবলৈ, নিজকে বিশ্বমানৱৰ পৰ্য্যায়লৈ তুলি নিবলৈ এইসকল লোকৰ চেষ্টাৰ অন্ত নাছিল। তেওঁলোকৰ বীজমন্ত্ৰ আছিল লাটিন কবি টেৰেন্সৰ এটা উক্তি ঃ 'মই মানুহ, সেয়ে মানুহৰ কোনো কাপেই মোৰ বাবে অনাত্মীয় নহয়।'

উনৈশ শতিকাৰ শেষাৰ্ধ আৰু কুৰি শতিকাৰ প্ৰথমাৰ্ধ —এই কালছোৱাক যদি

আমি 'অসমৰ নৱ-জাগৰণ' আখ্যা দিঁব পাৰোঁ, তেন্তে নিঃসন্দেহে ক'ব লাগিব, বিষ্ণু ৰাভা আছিল এই নৱ-জাগৰণৰ অন্যতম মূৰ্তি। অসমৰ নৱ-জাগৰণৰ লগত য়ুৰোপীয় নৱ-জাগৰণৰ প্ৰভেদ অনেক। অসমৰ নৱ-জাগৰণ য়ুৰোপীয় নৱ-জাগৰণৰ দৰে বিশাল আৰু বৈচিত্ৰ্যতো নহয়েই, বৰং চুবুৰীয়া বঙ্গদেশৰ নৱ-জাগৰণতকৈয়ো ই অনেক শেঁতা আৰু নিশকতীয়া। সঁচাকৈ ক'ব লাগিলে ই আছিল বহুলাংশে বঙ্গদেশৰ নৱ-জাগৰণৰেই এক বিবৰ্ণ প্ৰতিফলন। তদুপৰি অসমৰ তথা সমস্ত ভাৰতবৰ্ষৰ নৱ-জাগৰণেই আছিল এক উন্মূল নৱ-জাগৰণ। আপোন ভূমিৰপৰা ৰস গ্ৰহণ কৰি, তাৰ স্বকীয় বৈশিষ্ট্যৰে এই জাগৰণ সংঘটিত হোৱা নাছিল ; সাম্ৰাজ্যবাদী, শোষক ইংৰাজে জাপি দিয়া আৰ্থ-সামাজিক পৰিবৰ্তনৰ ফলতহে এই জাগৰণ সাধিত হৈছিল। সেয়ে য়ুৰোপীয় নৱ-জাগৰণৰ দৰে সকলোবোৰ দিশ পল্লবিত হৈ উঠাৰ সুবিধা ইয়াৰ নাছিল ; ভাৰতীয় মাটিৰ গভীৰত ইয়াৰ শিপাডাল সোমাই নথকাৰ ফলতেই এই জাগৰণৰ বহুদিশ হৈ পৰিছিল বিকাশ ৰুদ্ধ, এনেকি বিকৃত। অসমীয়া নৱ-জাগৰণৰ বিতং বৰ্ণনা এই প্ৰবন্ধৰ এয়ে, ৰাভাৰ জীৱনৰ পৰিপ্ৰেক্ষিতত অতি চমুকৈ ইয়াৰ গুটিদিয়েক দিশ আলোচনা কৰিবলৈ আমি ইয়াত যত্ন কৰিম।

য়ুৰোপীয় নৱ-জাগৰণৰ অন্যতম বৈশিষ্ট্য আছিল প্ৰাচীন গ্ৰীক পুথি-পাঁজিসমূহৰ উদ্ধাৰ। অসমৰ নৱ-জাগৰণতো একেই প্ৰচেষ্টা আমি দেখিবলৈ পাওঁ। প্ৰাচীন সাহিত্য-সংস্কৃতিৰ যি অফুৰন্ত ভাণ্ডাৰ অসমত আছিল, মানৰ আক্ৰমণ, ইংৰাজৰ আগমন ইত্যাদি বিভিন্ন ৰাজনৈতিক উপপ্ৰৱসমূহৰ, তদুপৰি আকাল-মহামাৰী প্ৰভৃতি প্ৰাকৃতিক দুৰ্যোগসমূহৰ বা'-মাৰলিত সি প্ৰায় হেৰাই গৈছিল। এই ৰত্নৰাজি উদ্ধাৰৰ প্ৰথম প্ৰচেষ্টা চলায় জ্যোতিপ্ৰসাদৰ ককাদেউতাক হৰিবিলাস আগৰৱালাই। কুৰি শতিকাৰ আৰম্ভণিতে লক্ষ্মীনাথ বেজবৰুৱাই শংকৰ-মাধৱৰ জীৱনী লেখি উলিয়ায়, পদ্মনাথ গোহাঞি বৰুৱাই ৰচনা কৰে শ্ৰীকৃষ্ণৰ জীৱন-চৰিত। তেওঁলোকৰে সমসাময়িক হেমচন্দ্ৰ গোস্বামী এই কামত একাণপতীয়াকৈ লাগে আৰু অসমৰ প্ৰাচীন ঐতিহ্য সম্পৰ্কে অসমীয়া মানুহক সচেতন কৰি তোলে।

পূৰ্বসুৰীসকলৰ এই ঐতিহ্য-চেতনা উত্তৰাধিকাৰ সূত্ৰে লাভ কৰিছিল আমাৰ বিষ্ণু ৰাভায়ো। অসমীয়া সংস্কৃতিৰ গৱেষণা, বিশেষকৈ ইয়াৰ আৰ্যেতৰ উপাদানসমূহ খুঁচৰি উলিওৱাত ৰাভাৰ অৱদান নিচেই কম নহয়। প্ৰকৃততে, যি দিশত তেওঁ অসমীয়া কৃষ্টিৰ গৱেষণা চলাইছিল, সেই দিশত তেওঁৰ যোগ্য উত্তৰাধিকাৰী অসমত আজিলৈকে ওলোৱা নাই বুলিলে বঢ়াই কোৱা নহ'ব। অসমীয়া গৱেসকসকলৰ তথাকথিত 'আৰ্য-চেতনা'ই বোধকৰোঁ এই অভাৱৰ অন্যতম কাৰণ।

ঐতিহ্যৰ ভেটিতেই যে প্ৰগতি সম্ভৱ হয়, এই কথা ৰাভাই বুজিছিল। অসমীয়া

ঐতিহ্যৰ শ্ৰেষ্ঠতম প্ৰতিনিধি শংকৰদেৱৰ প্ৰভাৱ তেওঁৰ জীৱনত পৰিছিল বাৰুকৈয়ে। সেইবুলি ভাবিলে ভুল হ'ব যে বিষ্ণু ৰাভা পুনৰুত্থানবাদী (Revivalist) আছিল। শংকৰী ঐতিহ্যৰ প্ৰতি অ-সমালোচনাত্মক মুগ্ধতাই যে মাজে মাজে তেওঁক পিছলৈ টানিব খুজিছিল, এই কথা অস্বীকাৰ কৰিলে সত্যৰ হয়তো অপলাপ কৰা হ'ব। সেইবুলি এগৰাকী অতীত-কাতৰ বৈষ্ণৱ ভকত তেওঁ নাছিল ; শংকৰদেৱৰ আদৰ্শেৰে প্ৰগতিৰ পথত আগবাঢ়ি যাবলৈকে অসমৰ ডেকাসকলক তেওঁ আহ্বান জনাইছিল।

অ' অসমীয়া ডেকা দল
আজি তোৰ তেজাল বদন
মলিন কিয় হ'ল?
দুৰ্গম নদ পাহাৰ গিৰি
লংঘিছিলে ডেকাগিৰী
সুন্দৰ শংকৰে লৰি কৰিছিলে তল,
দেখুৱাইছিল জগত জুৰি অসীম বাহুৰ বল
সিও যে তোৰ নাইকিয়া হ'ল।
কীৰ্তন দশম নামঘোষা / হওক আমাৰ শৌৰ্য
নাট গীত নাম বৰগীত / হওক ৰণৰ তূৰ্য
আহিঁ তেওঁৰ এই অসমৰ / হওক অসীম বীৰ্য
অসমীয়া সমনীয়া আগবাঢ়ি যাওঁ বল।

বিষ্ণু ৰাভা প্ৰাচীনপন্থী আছিল, তেওঁ আছিল নতুনৰ আকাংক্ষী :

নতুন আলোৰে উজলি উঠি / বিলোৱা জ্যোতি বিলীন,
পিছ পৰি আৰু নাথাকিবা হেৰা / বজোৱা নতুন বীণ।

—তেওঁ গীত ৰচিছিল। অলপ টং কৰিলেই বুজিব পাৰি যে শঙ্কৰদেৱৰ ধৰ্মীয় ভাবাদৰ্শতকৈও বিষ্ণু ৰাভাক আকৰ্ষণ কৰিছিল শংকৰৰ শৌৰ্য-বীৰ্যই, তেওঁৰ সাংস্কৃতিক প্ৰতিভাই, অসমৰ সামাজিক সংহতিত তেওঁৰ অবদানে, সবাতোকৈ ডাঙৰ কথা, তেওঁৰ বিশ্ব-মানৱত্বই, যিবিলাকত আকৃষ্ট হৈছিল অসমীয়া নৱ-জাগৰণৰ আন এগৰাকী পথিকৃত জ্যোতিপ্ৰসাদ আগৰৱালাও। অসমীয়া নৱ-জাগৰণৰ প্ৰতিভূ হিচাপে জ্যোতিপ্ৰসাদৰ দৰেই বিষ্ণু ৰাভাও আছিল মানুহৰ সৰ্বাঙ্গীণ বিকাশৰ ধাৰণাত বিশ্বাসী আৰু এনে এক সৰ্বগুণাকৰ পুৰুষ হিচাপেই শংকৰদেৱক তেওঁ গুৰু মানিছিল। উল্লেখযোগ্য যে এখন ৰচনাত শংকৰদেৱক তেওঁ শ্ৰীকৃষ্ণৰ লগতে য়ুৰোপীয় নৱজাগৰণৰ পুৰোধা লিওনাৰ্ডো দা ভিঞ্চিৰ লগত তুলনা কৰিছে :

"এই পৃথিৱীত যিসকল মহাপুৰুষে জন্ম গ্ৰহণ কৰিছিল, তাৰ ভিতৰত তিনিজন

মহাপুৰুষ আছিল কৃষ্টিৰ আকাৰ। এজন হৈছে স্বয়ং শ্ৰীকৃষ্ণ। .......তেওঁ কি নাজানিছিল, গীত, বাদ্য, নৃত্য, ৰাজনীতি, ধনুৰ্বিদ্যা ইত্যাদি। তেওঁ আছিল সৰ্বগুণনিধি। আৰু এজন আছিল ইটালিৰ লিওনাৰ্ডো ডা ভিঞ্চি —এওঁ একেলগে বৈজ্ঞানিক, চিত্ৰকৰ আৰু ৰাজনীতিজ্ঞ পুৰুষ আছিল ; আৰু এজন আছিল আমাৰ এই অসমৰে মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ, যাক আজিও অসমে গুৰু বুলি পূজা কৰি থাকে। সঁচাকৈয়ে আজি শ্ৰীশ্ৰীশংকৰদেৱৰ যিকোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হ'ব। শ্ৰীশ্ৰীশংকৰ নাথাকিলে অসমৰ একোৱেই নাথাকে। এনেকি শ্ৰীশ্ৰীশংকৰদেৱ তেৰাই কিনো নাজানিছিল, কিনো নিদিছিল আৰু কিনো নিলিখিছিল? অসমীয়াক তেৰাই সকলো দি গৈছিল। অসমীয়াৰ গীত, বাদ্য-নৃত্য, সুৰ, ৰাগ, সাহিত্য, ভাওনা, নাম-কীৰ্ত্তন, ঘোষা, বৰগীত, অঙ্ক, নাট, নামঘৰ, খোল, মৃদংগ, তাল, ভাঁজঘৰ, দোলযাত্ৰা, হাটী, ধন-পুঁজি (Bank), সমাজ, ধৰ্ম, বিচাৰনীতি, আইন, নৈতিক আন্দোলন, অহিংসা, ত্যাগ, ভোগ, বৈৰাগ্য, সমাধি —সকলো শ্ৰীশ্ৰীশংকৰদেৱেহে অসমীয়াক দি গৈছিল।"

কৃষ্ণ, লিওনাৰ্ডো আৰু শংকৰৰ আদৰ্শানুৰাগী বিষ্ণু ৰাভা নিজেও আছিল এগৰাকী সৰ্বগুণনিধি পুৰুষ, এক পূৰ্ণ, অখণ্ড মানৱৰ অভিমুখী আছিল তেওঁ। তেওঁনো নকৰিছিল কি? তেওঁ গান লিখিছিল, গান গাইছিল, নাটক লিখিছিল, নাটক কৰিছিল, এনেকি চিনেমাতো হাত দিছিল। তেওঁ ছবি আঁকিছিল, নাচ নাচিছিল, উপন্যাস লেখিছিল, গৱেষণা কৰিছিল। তেওঁ ৰাজনীতিত নামিছিল, বিপ্লৱ কৰিছিল। তেওঁ খেল খেলিছিল, ব্যৱসায় কৰিছিল, প্ৰেমত পৰিছিল। তেওঁৰ শৰীৰো আছিল তেওঁৰ মনটোৰ দৰেই বিশাল। ১৯৫২ চনত তেওঁ যেতিয়া পুলিচৰ হাতত ধৰা পৰে, তেতিয়া তেওঁক বান্ধিবৰ জোখাৰে পুলিচে হেনো হাত-কেৰেয়া বিচাৰি পোৱা নাছিল, ইমানেই শালপ্ৰাংশু পুৰুষ আছিল তেওঁ।

তেওঁৰ জীৱনৰ বৰ্ণাঢ্যতালৈ লক্ষ্য কৰিলে ভাব হয়, তেওঁ যেন আছিল হোমাৰ বৰ্ণিত অলিম্পিয়া পাহাৰৰ এজন টাইটানিক প্ৰকৃতিৰ দেৱতা, অথবা তেওঁ যেন আছিল ঋগ্বেদৰ মুক্ত-স্বভাৱ যন্ত্ৰ। সঁচাকৈয়ে, মানুহৰ কোনো ৰূপেই তেওঁৰ বাবে অনাত্মীয় নাছিল। মাৰ্ক্সে তাহানিতে কল্পনা কৰিছিল ভৱিষ্যৎ সমাজৰ এনে এজন নাগৰিকৰ যি পুৱা ছবি আঁকিব, দিনত খেতি কৰিব, আবেলি মাছ মাৰিব আৰু পুৱা প্লেটো পঢ়িব। বিষ্ণু ৰাভা আছিল মাৰ্ক্স-কল্পিত ভৱিষ্যতৰ সেই সমাজখনৰ এজন সাৰ্থক নাগৰিক।

গ্যেটেই তেওঁৰ এটা কবিতাত লেখিছে, :

Were not sun-like our human eye,
How ever could the Sun-god light us?

Did not in us the god's own power lie,
How could the god-like then delight us?

স্বৰ্গৰ সৰ্ববিশাৰদ দেৱতাসকলক স্থানচ্যুত কৰি নিজেই দেৱত্ব অৰ্জন কৰাৰ এই যি প্ৰমেথিয়ান উদ্যম য়ুৰোপীয় নৱ-জাগৰণৰ মানুহৰ মাজত পোৱা গৈছিল, সেই একেই উদ্যম আমি দেখিবলৈ পাওঁ বিষ্ণু ৰাভাৰ জীৱনতো। পৰম্পৰাগত শৃংখলাৰ শৃংখল ভাঙি মুক্তিৰ পূৰ্ণ আস্বাদ ল'ব খোজা বিষ্ণু ৰাভা আছিল মনে-প্ৰাণে এগৰাকী নৱ-জাগৃত পুৰুষ (Renaissance man) :

ভাং ভাং ভাং ভাং / লোহাৰ শিকলি ভাং।
ছিং ছিং ছিং ছিং / দাসৰ বান্ধোন ছিং।
খোল খোল খোল খোল / কাৰাৰ ফাটক খোল।
ভাং ভাং / দুৱাৰ দাং।

—বান্ধোনৰ মাজত উশাহ নাপাই তেওঁ গৰজি উঠিছিল নজৰুলৰ দৰে কিম্বা ৰবীন্দ্ৰনাথৰ সেই সপোন ভাঙি যোৱা নিজৰাটিৰ দৰে।

নৱ-জাগৰণৰ লোকসকলৰ লেখিয়াকৈ বিষ্ণু ৰাভাও আছিল এগৰাকী চিৰঅন্বেষক। নতুন কিবা এটা কৰাৰ, সাহিত্য-শিল্প-সংস্কৃতিৰ একোটা নতুন দিশ উন্মোচন কৰাৰ চেষ্টাত তেওঁৰ মনটো আছিল সদা-অস্থিৰ। 'নাল্পে সুখমস্তি, ভূমৈব সুখম্।' —আৰ্য কবিৰ এই উক্তিয়ে তেওঁক যেন আজীৱন বিষয়ৰপৰা বিষয়ান্তৰলৈ দৌৰাই লৈ ফুৰিছিল। এই অন্তহীন অনুসন্ধিৎসাৰ বাবেই হয়তো কোনো এটা কামতে সুস্থিৰে লাগি থাকিব পৰা ধৈৰ্য তেওঁৰ নাছিল, তেওঁৰ এগৰাকী নমস্য পুৰুষ লিওনাৰ্ডোৰ দৰে বিষ্ণু ৰাভাৰো প্ৰায় সকলোবিলাক কামেই আছিল আধৰুৱা ধৰণৰ।

সেইবুলি কেৱল বহুমুখী ব্যক্তিত্বই ৰাভাৰ জীৱনৰ একমাত্ৰ বৈশিষ্ট্য নহয়। তেওঁ নাছিল এগৰাকী দুৰ্ঘোৰ মানৱতাবাদী। কিন্তু তেওঁৰ মানৱতাবাদ য়ুৰোপীয় তথা ভাৰতীয় নৱ-জাগৰণৰ ভাববাদী পুৰোধাসকলৰ দৰে বিমূৰ্ত নাছিল। মানুহক তেওঁ এটা বিমূৰ্ত সত্তা, মাথোন এটা ভাব বুলি গণ্য কৰা নাছিল। তেওঁৰ চকুত মানুহ আছিল বাস্তৱ পৃথিৱীৰ বাস্তৱ সমাজত বাস কৰা তেজ-মঙহৰ এটা জীৱন্ত প্ৰাণী, যি দুখ পায়, আশা কৰে, শান্তি বিচাৰে। 'ৰাজ্যে আছে দুইটি পাঠা / একটি কালো একটি সাদা / ৰাজ্যেৰ যদি মঙ্গল চাও / দুইটি পাঠাই বলি দাও' — এনে ধৰণৰ বিপ্লৱী পোষ্টাৰ লিখি বিদেশী শাসকৰ ঘৰৰ দেৱালত মাৰিবলৈ সাহ কৰা বিষ্ণু ৰাভাৰ এটা সমাজতান্ত্ৰিক মানৱতাবাদী মন ল'ৰালি কালৰপৰাই আছিল। গতিকে এনে ব্যক্তি যে এসময়ত মাৰ্ক্সবাদৰ প্ৰতি অনুৰক্ত হৈ পৰিব —তাত অস্বাভাৱিকতা একো নাই। তেওঁৰ নিজস্ব স্বীকাৰোক্তি মতেই, মাৰ্ক্সবাদ-লেনিনবাদে তেওঁৰ চঞ্চল, অস্থিৰ শিল্পী

জীৱনলৈ আনি দিছিল সাগৰসঙ্গমৰ পূৰ্ণতা আৰু গভীৰতা। এই দৰ্শনে সামাজিক শ্ৰেণী বৈষম্যৰ প্ৰতি তেওঁক সচেতন কৰি তুলিলে, সমাজৰ দুৰ্গত শ্ৰেণীটোৰ স'তে তেওঁক একাত্ম কৰি পেলালে আৰু এই শ্ৰেণীটোৰ ভৱিষ্যৎ বিজয়ৰ ওপৰত আনি দিলে তেওঁৰ সুগভীৰ আস্থা। এই দৰ্শনেই তেওঁক গাবলৈ শিকালে,

ব'ল্ ব'ল্ ব'ল, ব'ল, / কৃষক শক্তি দল,
অ' বনুৱা সমনীয়া / আগবাঢ়ি যাওঁ বল।
জাগ্ জাগ্ জাগ জাগ্ / মজদুৰ ন-জোৱান.
নিৰ্যাতিত নিপীড়িত / কৃষক শক্তিমান।
তোৰ বাহুতে আছে লুকাই / অসীম শক্তিবল ;
ৰণৰ শিঙা বাজে শুন ঐ / আগবাঢ়ি যাওঁ ব'ল।

সন্দেহ নাই, বিষ্ণু ৰাভা আছিল এগৰাকী সৰ্বতোমুখী প্ৰতিভাসম্পন্ন ব্যক্তি, অসমীয়া নৱ-জাগৰণৰ সাৰ্থকতম প্ৰতিভূ। কিন্তু তেওঁৰ মাজত যি বিপুল সম্ভাৱনাৰ বীজ লুকাই আছিল, তাৰ পূৰ্ণ স্ফুৰণ ঘটিলনে? যদি নঘটিল, তেন্তে তাৰ বাবে দায়ী কোন? বৃটিছ যুগৰ অসমীয়া তথা ভাৰতীয় সমাজৰ দাসত্ব? বঙালী প্ৰভাৱৰপৰা নিজকে মুক্ত কৰাৰ নিৰন্তৰ চেষ্টাত অসমীয়া সমাজৰ শক্তি ক্ষয়? অসমত জন-জাতীয়বাদ-সামন্তবাদৰ অসম্পূৰ্ণ বিলুপ্তি আৰু পুঁজিবাদৰ দুৰ্বল বিকাশ? ৰাভাৰ নিজৰে যাযাবৰী ৰোমাণ্টিক মনোবৃত্তি? তেওঁৰ একেলেথাৰিয়ে লাগি থকা গুণৰ অভাৱ? অসমৰ বামপন্থী দলসমূহৰ ত্ৰুটী-বিচ্যুতিসমূহ? বিষ্ণু ৰাভাৰ বছৰেকীয়া তিথিত কেৱল তেওঁৰ ভটিমা নাগাই এনেবিলাক প্ৰশ্নৰো উত্তৰ বিচৰাৰ আজি সময় আহি পৰিছে। ❑

# ৰাভাৰ কবিতা

## ।। নলিনীধৰ ভট্টাচাৰ্য।।

বিষ্ণু ৰাভাৰ কবিতা সম্পৰ্কে লিখিবলৈ লৈ ভাবিছোঁ, যিজন মানুহৰ বিশাল ব্যক্তিত্ব উৎসৰ্গিত হৈছিল দেশৰ নিপীড়িত জনতাৰ বাবে, যিজনে ঘৰ পাতিও দেশৰ কাৰণে অঘৰী হৈছিল, সুৰৰ দেউল ৰচি জীৱনক সুন্দৰ কৰিবলৈ ওলাইছিল — সেইজন মানুহৰ ৰচনা আজি পাবলৈ নাই ; তেজৰ বোলেৰে ইতিহাস লিখা সেই প্ৰবাদ পুৰুষৰ কবিতা-গীতৰ আলোচনা-সমালোচনা কৰাৰ ইচ্ছা থাকিও কাৰ্যতঃ তাক পূৰণ কৰাৰ বাট বন্ধ। এয়া অত্যন্ত পৰিতাপৰ কথা। অথচ তেওঁৰ নামত অৰ্ঘ্য যচাৰ অন্ত নাই, কিন্তু তেওঁৰ কামৰ, তেওঁৰ মেধা মনীষাৰ প্ৰকৃত বিচাৰ কৰিবৰ বাবে অসমীয়া মানুহে তেওঁৰ ৰচনাৱলী পোহৰলৈ অনাৰ কোনো আন্তৰিক প্ৰয়াস আজিলৈকে নকৰিলে। অসমীয়া জাতিৰ বাবে ইয়াতকৈও আৰু ডাঙৰ দুৰ্ভাগ্য একো হ'ব নোৱাৰে। বিষ্ণু ৰাভা মানুহজন অসমৰ অতি আপোন, অথচ এই আপোন মানুহজনৰ ৰাজনৈতিক চৰিত্ৰ আৰু সামাজিক দায়িত্ববোধৰ অনুপুংখ নিদৰ্শন বহন কৰা স্বৰচিত বস্তু আজি আমাৰ বাবে দুৰ্লভ।

সেইবাবে, ভাবিছোঁ লিখিম কি? হাতত আছে দুখন সৰু পুথি —এখন 'সুৰৰে দেউলৰে' আৰু আনখন কোটনিচ কমিটিয়ে প্ৰকাশ কৰা 'বিষ্ণু ৰাভাৰ কেইটামান কবিতা'। এই দুখন পুথিকে হাতত লৈ তেওঁৰ মনৰ খবৰ সংগ্ৰহ কৰিবলৈ যত্ন কৰিম।

এই দুখন পুথিত সন্নিবিষ্ট সৰহভাগ ৰচনাই গীত। কবিতা বুলিবলৈ দুই-এটাহে আছে। গীত আৰু কবিতাৰ পাৰ্থক্য আছে —গীতত সুৰৰ প্ৰাধান্য, কবিতাত তাৰ অৰ্থব্যঞ্জনা। তথাপিও ৰবীন্দ্ৰনাথ বা জ্যোতিপ্ৰসাদৰ গীতৰ দৰে ৰাভাৰ গীততো কথাৰ প্ৰাধান্য আছে। সেইবাবে সেইবোৰ প্ৰেৰণাদায়ক। ৰাভাই গীত বা কবিতা ৰচনা কৰিছিল বিশেষ উদ্দেশ্যৰে। সমকালীন স্বাধীনতাৰ যুঁজ আৰু কমিউনিষ্ট আন্দোলন উভয়তে জড়িত থাকি যেতিয়াই জনতাক জগাই তোলাৰ হেঁপাহে তেওঁক অন্তৰত খোঁকি-বাখোঁ লগাইছিল, তেতিয়াই ৰচনা কৰিছিল গীত আৰু কবিতা।

মধ্যবিত্ত ঘৰৰ সন্তান ৰাভাৰ বিদ্ৰোহী মনতো মানসিক সংকট আছিল। এই সংকট আহিছিল সমসাময়িক পৰিবেশৰপৰাই। কোচবিহাৰত পঢ়া কালৰে পৰাই — সাম্ৰাজ্যবাদ বিৰোধী মনোভাব এটি তেওঁৰ মনত গঢ় লৈছিল। স্বাধীনতা সংগ্ৰামৰ প্ৰভাৱৰ ফলতেই তেওঁৰ এই মানসিকতা গঢ় লৈছিল, অৱশেষে শেহলৈ তেওঁৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিত যোগ দি জনসাধাৰণৰ বেছি ওচৰ চাপিছিল। ৰাজনৈতিক চৰিত্ৰৰ

এই পৰিৱৰ্ত্তনে তেওঁক দিছিল শ্ৰেণী-পীড়নৰ সংবাদ —তেওঁৰ ভালেমান গীতত শ্ৰেণী-সংঘৰ্ষৰ সুৰ শুনাৰ কাৰণো এয়ে। এঠাইত তেওঁ কৈছে —

শতক সউ চৌপাশে ৰয়
ধনী জমিদাৰ
শোহে কলিজাৰ ৰঙা তেজ
প্ৰজা দুখীয়াৰ
ধ্বংস কৰ ধ্বংস কৰ
ধনীৰ অহংকাৰ।

যি জনতাৰ শ্ৰমৰ ফল ভোগ কৰে ধনীয়ে, সেই জনতাক তেওঁ স্মৰণ কৰিছে এই বুলি ঃ

তই খুৱাৱ বিশ্ববাসীক
মাটি ফালি ধান
তই যোগাৱ ধনী শ্ৰেণীক
অস্ত্ৰ শক্তিমান
কাৰখানা-কল তোৰেই সৃজন
পথাৰ সুবহল
নাঙল, কাঁচি, হাতুৰী, দা-ৰ
যাদুকৰী ফল।

জগত গঢ়া শকতি যাৰ হাতৰ মুঠিত, সিয়েই আকৌ দাসত্বৰ বান্ধ মূৰ পাতি ল'ব লগা হৈছে। তেওঁ অনুভৱ কৰিছে, সেই দাসত্বৰ শিকলি ছিঙাৰ এয়ে সময়। শোষিত জনতাক তেওঁ উদগনি দিছে আবেগময় কণ্ঠেৰে ঃ

ভাং ভাং ভাং ভাং
লোহাৰ শিকলি ভাং
ছিং ছিং ছিং ছিং
দলৰ বান্ধোন ছিং.......

আকৌ,

তুলি ল, তুলি ল সউ কৰালী কালীৰ ভীম ভয়ংকৰ খৰ্গ,
ভাঙ্ ভাঙ্ কাৰাৰ কপাট শত অভিশাপ পূৰ্ণ এই দুখময় দুৰ্গ।

ইয়াত শ্মশান কালীৰ কৰাল মূৰ্তিয়ে অভিশপ্ত দুৰ্গ চূৰমাৰ কৰাৰ কল্পনাও তেওঁৰ। পুঁজিবাদী শোষণৰ বিৰুদ্ধে পুঞ্জীভূত ক্ৰোধ উদ্গীৰিত হৈছে। কেতিয়াবা তেওঁৰ কল্পনাত, জনতা অগ্নি-পৰ্বত।

তই অগ্নিগিৰী
অগনি উগাৰি
জ্বলা জ্বলা শত লক্ষ পাপ অনৰ্গল
হে দাবানল......

জনতাৰ মাজত তেওঁ দেখিছে হিমগিৰি শৃঙ্গৰ গগনচুম্বী উচ্চতা, দেখিছে প্ৰশান্ত গভীৰতা। কেতিয়াবা এই জনতা সুদৰ্শনধাৰী কৃষ্ণ —পাঞ্চজন্য ফুকি শোষক বিনাশ কৰিবৰ বাবে উদ্যত। এই জনতাই তেওঁৰ চকুত কেতিয়াবা সব্যসাচী অৰ্জুন — পুৰণি নৰক ক্ষেত্ৰ ধ্বংস কৰিবৰ বাবে যি হাতত গাণ্ডীৱ তুলি লয়, আৰু ধৰাৰ বুকুত নব ধৰ্মক্ষেত্ৰ সৃষ্টি কৰিবলৈ সাজু হয়। জনতাৰ ওপৰত তেওঁৰ এই গভীৰ প্ৰত্যয়, আৰু অবিচল আস্থা, আৰু তেওঁলোকৰ ৰুদ্ৰ আৰু শান্ত গভীৰ ৰূপৰ কল্পনাই তেওঁৰ সময় সত্য-সম্পৰ্কে আন্তৰিক উপলব্ধিৰ কথাকে সূচায়। স্বীকাৰ কৰিব লাগিব, তেওঁ এই দৃষ্টিভংগীৰ অধিকাৰী হৈছিল মাৰ্ক্সীয় আদৰ্শত দীক্ষিত হোৱাৰপৰা, এই দীক্ষাই তেওঁক দেখুৱাই দিছিল ক্ষয়িষ্ণু পুঁজিবাদৰ কলুষ, ভণ্ডামি আৰু বজকৰা ৰুচি। পুঁজিবাদৰ স্বৰূপ উদঙাই তেওঁ সেয়েহে আমাক ক'ব পাৰিছে :

আমাৰ ৰসবোৰ তোমালোকে মদ কৰি চাকি সম্ৰাট হৈ ফুৰা
পিছে মন কৰিছা জানো—
আমাক আক্ৰমণ কৰা সংক্ৰামকে তোমালোককো চুইছে......

এইবাবেই তেওঁ গ্ৰহণ কৰিছে বিপ্লৱৰ পথ ; অকলৈ নহয়, জনতাক লগত লৈহে — তেওঁ উচ্চাৰণ কৰিছে —'আমি সংগ্ৰামী।' তলৰ পংক্তিত তাৰ লক্ষণ প্ৰকট :

বিপ্লৱ পথৰে যাত্ৰী আমি
সৰ্বহাৰাৰে মুক্তি কামী
চূৰ্ণ কৰিম আমি সংগ্ৰামী
দৰ্প-ধনীৰ —পণ আমাৰ।
হুচিয়াৰ! —হুচিয়াৰ!!
ধনী! মহাজন!! জমিদাৰ!!
হুচিয়াৰ! হুচিয়াৰ!

তেওঁ সকলো কলুষ নৰক-পংক ভাঙি-ছিঙি যেন আগবাঢ়ি সৃষ্টি কৰিব — নতুন পৃথিৱী ভৱিষ্যতৰ অলকা নগৰী :

শিল ভাঙি পাহাৰ পৰ্বত ধ্বংসি গঢ়া অলকা নগৰী
কন্দৰ খান্দি তোলাহি অমৃত ধাৰা নিজৰি

আকাশৰ মেঘৰ কলিজা ফালি আনা বিজুলীৰ বাণ
বিদাৰি মধ্যাকৰ্ষণ গৰ্ভ তুলি লোৱা চুম্বক টান।।

আকাশৰ মেঘৰ কলিজা ফালি বিজুলীৰ বানৰ কল্পনা অৰ্থবহ। এন্ধাৰ ফালি পোহৰ নমোৱা এই বিদ্ৰোহী সংকল্প বিষ্ণু ৰাভাৰ মুখতহে শুৱায়।

বিষ্ণু ৰাভা কেৱল বিদ্ৰোহীয়েই নহয়, শিল্পীও। শিল্পী ৰাভাই 'তমোহৰ দেউ' হৈ নাচে বিশ্বৰ ছন্দত ; 'বিশ্বৰ ছন্দে ছন্দে' এই গীতটোত তেওঁ যেন আন্তৰ্জাতিকতাবোধত উদ্বুদ্ধ হৈ সংস্কৃতিৰ পোহৰৰ এনাজৰীৰে সকলোকে বান্ধি আনন্দতে নৃত্য কৰিছে। এন্ধাৰ জয়ী সংস্কৃতিৰ পতাকা লৈ গীতটোত তেওঁ নটৰাজ শিৱ হৈ পুলকানন্দত যেন নাচিছে আৰু তেওঁৰ নাচোনৰ তালে তালে বসন্ত যেন জাতিষ্কাৰ হৈ উঠিছে। গীতটোৰ এই পৰিকল্পনা বৰ মনোগ্ৰাহী।

ভাৰত তথা অসমৰ বন্দিনী ৰূপ দেখি বেদনা অনুভৱ কৰিছিল তেওঁ — দুখত ম্ৰিয়মাণ হ'লেও ভাৰত তেওঁৰ চেনেহী গোঁসানী ; পৰাণৰ আই, জীৱনৰ আইৰ বন্দী দশা তেওঁ সহে কেনেকৈ? অন্তৰ পৰশা ভাষাত তেওঁ কৈছে —

সোণামুৱা সঁফুৰা মুখেৰে কোলাত তোৰ
উমলি গাও সৰগৰ অমিয়া যেন মোৰ
তেওঁ কিয় নপৰে শত শত দুখৰ ওৰ
হোজাৰ দুখৰ ওৰ?

এই প্ৰশ্নটোৱেই তেওঁক বিদ্ৰোহ কৰিবলৈ, জেল খাটিবলৈ, স্বাধীনতাৰ পিছতো অপমান সহ্য কৰিবলৈ শিকাইছিল। এই প্ৰশ্ন আজিও সঁচা হৈ আছে। এই প্ৰশ্ন আন্তৰিকতাৰে গ্ৰহণ কৰিছিল বাবেই বিষ্ণু ৰাভা বিদ্ৰোহী। ৰোমা ৰোঁলাই ঠিকেই কৈছিল, 'where order is injustice disorder is the being of justice'? ৰাভাৰ বিদ্ৰোহ আছিল সম্ভাৱনাময় বিশৃংখলা।

কিন্তু এই বিষ্ণু ৰাভাৰ মানসিক সংকট আছিল। তেওঁৰ এসময়ত অসমৰ উন্নতি কৰিবলৈ বিচাৰিছিল শংকৰদেৱৰ পথেৰে —সেই আদৰ্শৰ হয়তো এদিন প্ৰগতিশীল ভূমিকা আছিল, আজিৰ সমস্যা কিন্তু ধৰ্মীয় পুনৰুজ্জীৱনৰ পথেৰে সমাধান নহয়। তেওঁ এটা সময়ত বিশ্বাস কৰিছিল :

কীৰ্তন দশম নামঘোষা
হওক আমাৰ শৌৰ্য
নাট গীত নাম বৰগীত
হওক বজ্ৰ তূৰ্য.........

এইবোৰ আমাৰ সংস্কৃতিৰ সোণসেৰীয়া সম্ভাৰ সঁচা কিন্তু ৰাভাই পিছৰ জীৱনত দেশৰ যি পৰিৱৰ্তন বিচাৰিছিল, তাৰ বাবে এইখিনি সমল অপৰিহাৰ্য নহয় বৰং তাৰ আলমত আমি সময়ৰ উপযোগীকৈ নতুন সংস্কৃতিৰ উদ্ভাৱনা কৰাটোহে বাঞ্ছনীয়।

কেতিয়াবা তেওঁ ভাবিছিল আদিম সমাজেই স্বৰ্গস্বৰূপ ; কুৰি শতিকাৰ যান্ত্ৰিক জীৱনৰ তুলনাত সেই আদিম জীবনেই সুন্দৰ আছিল। এই ধাৰণা শুদ্ধ নহয় ; কিয়নো জীৱনৰ সমূহীয়া ৰূপ এটা আছিল যদিও পৰিবেশ ইমান অনুন্নত আছিল যে তাক আমি আদৰ্শস্থানীয় সমাজ বুলিব নোৱাৰোঁ। তেওঁ কৈছে :

তাহানি আছিল সৰগ
এই মৰতভে
কালৰ শৈশৱ অৱস্থাতে
সৃষ্টিৰ আদিতে......

কেতিয়াবা আকৌ উপনিষদৰ ধ্বনিৰেও সেই স্বৰ্গক সুঁৱৰিছে :

এক ব্ৰহ্ম দেৱতাৰ অমৃত সন্তান
মানৱতা বিশ্বজনীন মহান
দেৱতা সমান
মহা পুণ্যবান......

ইয়াত নষ্টালজিয়াৰ গোন্ধ আছে। এনেবোৰ ধাৰণাই জীৱন আৰু জগত সম্বন্ধে বৈজ্ঞানিক দৃষ্টিৰ অভাৱক সূচায়। কেতিয়াবা তেওঁৰ নিমাতী কন্যাই সুদূৰ ধিয়াই নাচে। ইয়াত হয়তো 'আমি চঞ্চল হে সুদূৰেৰ পিয়াসী'ৰ প্ৰতিধ্বনি আছে। এনে ৰোমাণ্টিক ব্যাকুলতা প্ৰণয়মূলক গীত-মাততো প্ৰকাশ পাইছে। 'পৰজনমৰ শুভ লগনত' নামৰ গীতটিত জন্মান্তৰৰ মিলন-স্পৃহাও ফুটি উঠিছে। এনেবোৰ ভাবানুভাৱৰপৰা তেওঁ এটা সময়ত মুক্ত হ'ব পৰা নাছিল। তেওঁৰ লেখাবোৰৰ সময়-নিৰ্ণয়ো এটা সমস্যা। বিশেষকৈ গীত-কবিতাৰ (দুই-এটাত অৱশ্যে সময়ৰ উল্লেখ আছে —যেনে বহৰমপুৰ জেল, বকতা, লেখা গীতৰ ক্ষেত্ৰত) বেলিকা এই কাল ক্ৰম ধৰিব নোৱাৰা বাবে তেওঁৰ ৰচনাৰ সঠিক সময় নিৰ্ণয় কৰা টান ; তথাপিও, তেওঁৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিত যোগদানৰ সময়ৰেপৰা তেওঁ দৃষ্টিভংগীৰ পৰিৱৰ্তন হৈছিল বুলি ধৰিব পাৰি। কেতিয়াবাৰেপৰা তেওঁ নিৰালম্ব সৌন্দৰ্যলোকৰপৰা নামি আহি মাটিৰ গোন্ধত যে আকুল হৈছিল সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। অৱশেষত শিল্পক তেওঁ জীৱনৰ বিকাশৰ সহায়ক হিচাবে গ্ৰহণ কৰিছিল। তেওঁৰ মতে, জীৱনতকৈ শিল্প শ্ৰেষ্ঠ নহয়। এনে এক ধাৰণাই তেওঁক মূৰ্ত মানৱতাবাদৰ ফালে লৈ গৈছিল। ভান্ গোগ্ তেওঁৰ প্ৰিয় শিল্পী আছিল, কিন্তু অসীম প্ৰতিভাধৰ ইম্প্ৰেছনিষ্ট শিল্পীগৰাকীয়ে বুৰ্জোৱা সমাজৰ

আক্ৰমণ সহ্য কৰিব নোৱাৰি শেষ জীৱন কটাইছিল পগলা গাৰদত। ৰাভা আক্ৰান্ত হ'লেও পৰ্যুদস্ত নহে শোষণহীন মুক্ত নতুন সমাজ ৰচনাৰ বাবে আত্মোৎসৰ্গ কৰি মানসিক সংকটৰপৰা মুক্ত হৈছিল। এই পটভূমিত ৰাভাৰ বিচাৰ তাৎপৰ্যপূৰ্ণ হ'ব যেন লাগে।

ইউৰোপৰ পুঁজিবাদৰ বিকাশ পৰ্বত বহুমুখী প্ৰতিভাৰ জন্ম হৈছিল। প্ৰতিভাৰ বিকাশত বুৰ্জোৱাৰো অৰিহণা আছিল। সেইবাবে একেজন মানুহেই ভালেমান গুণৰ অধিকাৰী হৈছিল। আমাৰ ইয়াতো পাশ্চাত্যৰ প্ৰথম সাংস্কৃতিক প্ৰবাহ আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে হোৱা বিদ্ৰোহৰ বিপুল জোৱাৰত কেইবাজনো প্ৰতিভাধৰৰ জন্ম হৈছিল। বিষ্ণু ৰাভাও তাৰে এজন। তেওঁ বহুগুণী লোক। তেওঁ সম্ভাৱনাময় বিশৃংখলাৰ প্ৰতিভূ। জীৱনত ক'তো শৃংখলা নাই, সুষমা নাই, কলাগত সুষমা নো আহিব ক'ৰ পৰা? সেইবাবে তেওঁৰ গীত-কবিতাত ফৰ্মৰ সুষমা নিবিচাৰিলেও চলে। তথাপি নিতান্ত পোনপটীয়া কথাৰ পৰ্বতীত যেতিয়া তেওঁ তেওঁৰ সময়ৰ ৰাজনৈতিক অৰ্থনৈতিক আৰু সামাজিক দৃশ্য আঁকি তাৰ কদৰ্যতা নাশি এটা সুন্দৰ ভৱিষ্যৎ ৰচনাৰ ইংগিত দিব প্যাৰে —তেতিয়া তাত প্ৰকাশ পায় এটি মানৱীয় আবেদন। এইবোৰ সাধাৰণ পাঠককে দিয়া ভাৰসা। এনে ধৰণৰ মানবিক দলিল হিচাপেই আমি ৰাভাৰ গীত-কবিতাৰ পৰ্যলোচনা কৰা দৰকাৰ।

ক্ৰান্তিকামী ৰাভাক আমি বিপ্লৱী আখ্যা সহজেই দিব পাৰোঁ। তেওঁ শ্ৰেণী পীড়নৰ বিৰুদ্ধে ৰণ কৰাৰ কথা হৈছিল। অন্যায়ৰ বিৰুদ্ধে এনে প্ৰয়োজনীয় হিংসাৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি ; কিয়নো এই হিংসাৰ লক্ষ্য নতুন সৃষ্টি। তেওঁ মানুহক এই শ্ৰেণী সংঘৰ্ষৰ বাবে সাজু হ'বলৈ কৈছে আৰু লগতে নৱ-নিৰ্মাণৰ ভৱিষ্যৎ সম্পৰ্কেও সকীয়াই দিছে :

অস্ত্ৰ তোমাৰ দা, জোং, হাল্, কোৰ যাঠি কুঠাৰ বজ্ৰবাণ।
চলোৱা বিপ্লৱ অভিযান গঢ়া ন-কৈ বিশ্ব স্বৰ্গমান।

কিন্তু বিপ্লৱী ৰাভা শান্তিৰো উদগাতা। বিপ্লৱৰ অৰ্থ কেৱল হিংসাই নহয়, সি যে মানৱীয়তাৰো জনক. তাক ৰাভাই বুজিছিল। হিটলাৰৰ বিশ্বধ্বংসৰ আয়োজনত যি ফেচিষ্ট বৰ্বৰ হিংসা আছিল তাৰ বিৰুদ্ধে তেওঁ সৰৱ হৈ উঠিছিল আৰু তাৰ সলনি তেওঁ বিশ্বৰ মহাকাশত শান্তিৰ কপৌ উৰুৱাৰ সপোন দেখিছিল। তেওঁৰ কপৌৰে ৰূপৰ ঠোঁ তোলে আৰু —

সোণৰে ধানৰে শিহ
ঠোঁটত লৈ যায়
দুখৰে হিয়াৰে অগনিৰ
দাহ নুমুৱায়।

কপৌৰ উৰণত ৰণৰ খঁকুৱাও ভয়ত পেপুৱা লাগে —
তাকে দেখি খিয়লা চকুৱা
তেজপিয়া ৰণৰে খঁকুৱা
ভয়ত পেপুৱা লাগে........

হৃদয়ৰ এই ব্যাপ্তিৰে তেওঁ বিচাৰিছিল জগতৰ শান্তি। এইজন মানৱ প্ৰেমিক শিল্পীৰ জীৱনৰ সংকল্প কি আছিল? তেওঁ ইতিহাস লেখি গ'ল তেজৰ আখৰেৰে দীন সমাজৰ হীন পৰিহাস মচি আঁকি গ'ল পৃথিৱীৰ চিৰ-মুকুতিৰ পথ-ৰেখা। এই পথ-ৰেখা অংকনৰ বলিষ্ঠ সংকল্পই আছিল তেওঁৰ জীৱনৰ সাধনা।

কিন্তু এই বিপ্লৱীক অকালতে মৃত্যুৱে কাঢ়ি নিলে। দোষে-গুণে এদিন ভাৱনাৰো শেষ হ'ল। তেওঁৰ দোষ-গুণৰ উৎস আছিল শক্তি ; জনতাৰ পশ্চাৎ-পদতাৰ দোষখিনিও, তেওঁৰ সতৰ্কতা সত্ত্বেও, তেওঁৰ ৰচনাৰ অ'ত-ত'ত প্ৰতিফলিত হ'ল। জনগণৰ দুৰ্বলতাই বীৰ্যবানকো বিচলিত কৰাৰ সম্ভাৱনা থাকে। ৰাভা কিছু সতৰ্ক হোৱা হেতু এনেবোৰ দুৰ্বলতাৰ বিৰুদ্ধেই গীত-কবিতাত অগ্নিময় বাণী উচ্চাৰণ কৰিছিল আৰু জনতাৰ শ্ৰমৰ ফলতে বিশ্ব যে ৰূপবান হ'ব পাৰে তাৰো ইংগিত দিছিল। সেয়ে তেওঁৰ অগ্নিবাণী সামাজিক অগ্ৰগতিৰ সহায়ক। স্বয়ং জনতাই তেওঁক সন্মানৰ মুকুট পিন্ধাইছে তেওঁৰ গীত-কবিতাক আদৰি লৈছে। সমালোচনাৰ ছুৰীয়ে হয়তো তাত বহুতো আসোঁৱাহ উলিয়াব নাইবা সেইবোৰক good bad poetry বুলি অভিহিত কৰিব ; কিন্তু ইয়াত নিৰ্বাচনশীলতা নাই, আছে পক্ষাৱলম্বন —সেয়ে সি বিদগ্ধজনৰ বেষ্টনী ভাঙি সাধাৰণ মানুহৰ হৃদয়ত সোমাই পৰিছে ; তাক আমি নাকচ কৰিম কেনেকৈ? বুকুৰ তেজেৰে কল্যাণময় ভৱিষ্যতৰ পথ নিৰ্মাণকাৰী এই বিপ্লৱী শিল্পী যে অগ্ৰদূত সেই কথা তেওঁৰ গীত-কবিতাই সোঁৱৰাই থাকিব। ৰূপান্তৰৰ এই পথিকজনলৈ আমাৰ সহস্ৰ প্ৰণিপাত!

সামৰণিত এষাৰ কথা ক'বৰ মন গৈছে। আজিৰ পৃথিৱী অসুস্থ —বাতৰি কাকত মেলিলেই আমি সেই কথা ধৰিব পাৰোঁ। ভাল খবৰ নাই। চৌপাশে সন্ধ্যাৰ ছাঁ। তথাপিও শেহ পোহৰকণে দিগন্ত এতিয়াও পোহৰাই আছে। এই শেষ পোহৰ কণেই ৰাভাৰ দৰে শিল্পীৰ জীৱনবোধ আৰু গতিশীলতা। ৰাভাহীন পৃথিৱীত ৰাভাৰ বিপ্লৱী আত্মাৰ পোহৰে পৃথিৱীক সুস্থ কৰি তুলিব পাৰে। পাহাৰ এৰি আহিলেই নদীয়ে পাহাৰক পাহৰে আৰু সমুদ্ৰলৈ যোৱা বাটতো কেনা লাগে। ৰাভাও প্ৰবাহিত নদী, কিন্তু তেওঁ তেওঁৰ উৎসক পাহৰি যোৱা নাছিল। জনসমুদ্ৰলৈ যোৱাৰ পথ তেওঁৰ নখদৰ্পণত আছিল। সেইবাবেই ৰাভাৰ শিল্পতকৈও ৰাভা মানুহজনৰ শিল্পীব্যক্তিত্ব আমাৰ বাবে অধিক নমস্য, আকৰ্ষণীয় আৰু বৰণীয়। ❑

# পৰিব্ৰাজক ৰাভা

।। তিলক হাজৰিকা।।

আমি লক্ষ্য কৰিছোঁ, ক্ষণজন্মা পুৰুষসকলৰ বিষয়ে বৰ্তমানে যেন বিশেষ গুৰুত্বৰে বিচাৰ আৰু পুনৰ্বিচাৰৰ বাবে এটা আগ্ৰহৰ সৃষ্টি হৈছে। উদীয়মান আৰু গভীৰমনা যুৱক-সমাজৰ মাজতে এটা আগ্ৰহ বেছিকৈ হৈছে। উৰলি যোৱা সমাজ ব্যৱস্থাৰ বিৰুদ্ধে য'তেই প্ৰতিবাদ আৰু বিদ্ৰোহৰ কণ্ঠ সৰৱ হোৱা যেন হৈছে, ত'তেই এই পুৰুষে আগ্ৰহেৰে কাণ পাতিবলৈ চেষ্টা কৰিছে আৰু সেই ভাষাৰ মূল্যায়ন কৰাৰ চেষ্টা কৰিছে। আমি বিশেষকৈ জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাৰ ক্ষেত্ৰত তাকেই লক্ষ্য কৰিছোঁ।

এজন মানুহক তেওঁৰ অ-বৰ্তমানত বা উত্তৰকালত সম্পূৰ্ণভাৱে আৰু শুদ্ধভাৱে জানিব পৰা যাব পাৰে তেওঁৰ বিভিন্ন সৃষ্টিসমূহৰপৰা। বিষ্ণু ৰাভাৰ সৃষ্ট সুৰ-জগত আৰু সাহিত্য-জগতৰ সামান্য অংশৰ বাহিৰে দুৰ্ভাগ্যবশতঃ প্ৰায়খিনিয়েই আজিও আমাৰ আগত নাই। তেওঁৰ মৃত্যুৰো বহুকাল পিছত তেওঁৰ ৰচনা সম্ভাৰ যিকোনো কাৰণত প্ৰকাশিত হৈ নুঠাৰ ফলস্বৰূপে আজি তেওঁৰ বিষয়ে অধ্যয়ন কৰিব খোজাসকলে তেওঁৰ মৌলিক চিন্তা-ভাৱনা আৰু অৱদানৰ যথাৰ্থ অৱলোকন কৰিব পৰা নাই। অন্ততঃ ৰাভাৰ সমগ্ৰ ৰচনাৱলী যেতিয়ালৈকে প্ৰকাশিত হৈ নোলাব, তেতিয়ালৈকে নতুন পুৰুষৰ বাবে তেওঁৰ পূৰ্ণ মূল্যায়ন কেতিয়াও সম্ভৱ নহ'ব। মাত্ৰ ৰাভাৰ ওচৰ চাপিব পৰাসকলৰ জৰিয়তে তেওঁৰ স্মৃতিচাৰণহে হৈ থাকিব। বৰ্তমানেও সেয়েই হৈছে। কিন্তু অবিলম্বে ৰাভাৰ সম্পূৰ্ণ আৰু অসম্পূৰ্ণ অৱস্থাৰ সমগ্ৰ ৰচনাৱলী অবিকৃতভাৱে প্ৰকাশৰ ব্যৱস্থা হোৱা দৰকাৰ। এইটো সোনকালে হৈ নুঠিলে বৰ্তমান সময়ৰ যুগ-চেতনা আৰু নতুন পুৰুষৰ অসীম কৌতূহলে ৰাভাক হয়তো অলৌকিকতা দান কৰাৰ শংকা আছে ; কাৰণ তেওঁক ইতিমধ্যে ৰহস্য নায়কৰ পৰ্যায়লৈ ঠেলি দিয়া দেখা গৈছে।

বিষ্ণু ৰাভা কি আছিল, একে আষাৰতে কোৱা নাযায়। তেওঁ আছিল বহুতো। হয়তো তেওঁক আমি জনাতকৈও বিশাল ৰূপত দেখিবলৈ পালোঁহেঁতেন ; কিন্তু তেওঁৰপৰা প্ৰত্যাশিত বহুতো দিশ সম্পূৰ্ণ হৈ নুঠিল অথবা হ'বলৈ নাপালে। বোধহয় ক'ব পাৰি, তেওঁ আছিল বহুবোৰ অসম্পূৰ্ণতাৰ সমষ্টি। এই ধাৰণা আমাৰ মনলৈ আহিছে এই কথাকে অনুভৱ কৰি যে তেওঁৰ বহুমুখী প্ৰতিভাৰ মাত্ৰ যিকোনো এটা

দিশ যথাৰ্থভাৱে উন্মোচিত হোৱাহেঁতেন তেওঁ এজন যুগ-নায়কৰ শাৰীলৈ উঠিলেহেঁতেন। তেওঁৰ এক অদ্ভুত নিৰ্লিপ্ত আৰু নিৰুদ্বেগ যাযাবৰী জীৱনৰ বাবে আমি তেওঁক বোহেমিয়ান বুলিছিলোঁ ; উনৈশ শতিকাৰ য়ুৰোপৰ বুদ্ধিজীৱী বোহেমিয়ান সম্প্ৰদায়ৰ এক অবিকল প্ৰতিচ্ছবি তেওঁৰ মাজত দেখা পাইছিলোঁ। তেওঁ আছিল যাইকে শিল্পী। সংগ্ৰামী আৰু বিদ্ৰোহী শিল্পী। চৰিত্ৰত আছিল এজন বিপ্লৱী। তেওঁৰ পৰিক্ৰমা আছিল সাংস্কৃতিক জীৱনৰপৰা ৰাজনৈতিক জীৱনলৈ, যদিও তেওঁ এজন সম্পূৰ্ণ ৰাজনৈতিক ব্যক্তি নহয়। পূৰ্ণতাৰ ফালৰপৰা হয়তো তেওঁ আছিল এজন পৰিব্ৰাজক —এই পৰিব্ৰজনেই আছিল তেওঁৰ জীৱনৰ প্ৰকৃত ছবি। শিল্পীৰপৰা বিদ্ৰোহীলৈ, গানৰপৰা ষ্টেনগানলৈ, গান্ধীৰপৰা মাৰ্ক্সলৈ, ডিমাপুৰৰপৰা মধুপুৰলৈ, মঞ্চৰপৰা জনসাধাৰণৰ মাজলৈ, স্বাচ্ছন্দ্যৰপৰা দাৰিদ্ৰলৈ আৰু লোকালয়ৰপৰা অজ্ঞাতবাসলৈ।

টলষ্টয়ে ৰাজসিক জীৱনৰপৰা আঁতৰি গৈ নিঃসীম দাৰিদ্ৰ্যৰ মাজত জীৱনৰ অন্তিম কাল অতিবাহিত কৰিছিল। যদি ই তেওঁৰ জীৱন-বীক্ষা আছিল, তেন্তে সি পূৰ্ণতা পাইছিলনে? বিষ্ণু ৰাভাই ঐশ্বৰ্য আৰু সুখ-সমৃদ্ধিৰ জীৱন হেলাই পৰিত্যাগ কৰি এক নিঃস্ব পৰিব্ৰাজকৰ বেশ লৈছিল। যদি তেৰোঁ জীৱন-বীক্ষাৰ বাবে অনুৰূপ কায়ক্লেশ ধাৰণ কৰিছিল তেন্তে তেৰোঁ তাৰ পূৰ্ণ সন্ধান পালেনে? আমাৰ বাবে ই যি প্ৰজ্ঞা, যি সন্ধান লাভ কৰিলে, তাৰ প্ৰত্যয়যোগ্য ৰচনা আৰু চিন্তাৰ ৰেখা কিবা আছে যদিও নতুন পুৰুষৰ হাতত নাই। জীৱনৰ চৰ্চাৰে তেওঁ দেখুৱাই গৈছে এক অদমিত আৰু অনমনীয় প্ৰচণ্ড বিদ্ৰোহ —যাৰ কোনো আপোন নাই। কিন্তু সেই বিদ্ৰোহৰ সম্পূৰ্ণ ছবি কি আছিল? কি আছিল তাৰ দৰ্শন? সেইটো শুদ্ধভাৱে জনা দৰকাৰ। জ্যোতিপ্ৰসাদৰ ক্ষেত্ৰত নতুন পুৰুষৰ এই আগ্ৰহ কিছু পৰিমাণে পূৰণ হৈছে তেওঁৰ ৰচনা আৰু বক্তব্যসমূহৰপৰা। জ্যোতিপ্ৰসাদ আছিল এই বিষয়ত আটোমটোকাৰি আৰু সুস্থিৰ। কিন্তু ৰাভা তাৰ বিপৰীত আৰু অসম্ভৱ অস্থিৰ হোৱাৰ বাবেই আমি তেওঁৰ বহু সময়ৰ ৰচনা বা চিন্তাধাৰাৰ বহুবোৰ মূল্যবান দিশৰপৰা বঞ্চিত হ'লোঁ।

কিন্তু কিহে তেওঁক এনেকৈ অস্থিৰ কৰি তুলিছিল? পাৰিবাৰিক জীৱনৰ ধুমুহাই হয়তো ইয়াৰ বাবে যাইকে দায়ী ; কিন্তু সমাজৰ প্ৰতি দায়বদ্ধ এজন শিল্পীৰ বেদনাও বোধহয় ইয়াত যোগ হৈছিল। তেওঁৰ এজন সহযোগীয়ে কোৱামতে ৰাভাই বড়ো সমাজৰ দাৰিদ্ৰ্য আৰু অশিক্ষাৰ কুফলসমূহ বুজাবৰ কাৰণেইহে পোনতে তেওঁলোকক সচেতন কৰাৰ ভূমিকাত অৱতীৰ্ণ হ'বলৈ গৈ কমিউনিজমৰ পথ গ্ৰহণ কৰিলে। (গাহৰি আৰু মদ এই সমাজৰ অভিশাপস্বৰূপ বুলি ৰাভাই অনুভৱ কৰিছিল আৰু তেওঁলোকৰ অৰ্থনৈতিক দুৰ্দশা আৰু সামাজিক দুৰ্গতিত তেওঁলোকৰ কু-অভ্যাসবোৰৰ বৰঙণি

সম্পৰ্কে তেওঁ তেওঁলোকক সজাগ কৰাৰ যত্ন কৰিছিল। অৱশ্যে এই সামাজিক অভ্যাসেই বড়ো সমাজৰ দাৰিদ্ৰ্যৰ একমাত্ৰ কাৰণ বুলি তেওঁ কেতিয়াও ভবা নাছিল।) সমগ্ৰ পূৰ্বাঞ্চলৰ এসময়ৰ এই অতি প্ৰভাৱশালী আৰু সমৃদ্ধ বড়ো-কছাৰী জনসমাজ আৰু জনসংস্কৃতি নতুন এক উপনিবেশবাদৰ দ্বাৰা কেনেদৰে ক্ৰমে ক্ৰমে স্বভূমিৰপৰা নিশ্চিহ্ন হ'বলৈ ধৰিছে, তাক তেওঁ ঐতিহাসিক জ্ঞান আৰু প্ৰত্যক্ষ অভিজ্ঞতাৰপৰা বুজিছিল। স্বদেশী আন্দোলনৰ সময়ত কোচবিহাৰৰ কলেজৰপৰা বহিষ্কৃত হৈ তেওঁ ৰংপুৰ কলেজলৈ আহিছিল। উত্তৰ-পূব বঙ্গৰ চিৰাচৰিত উগ্ৰ ৰাজনৈতিক সক্ৰিয়বাদ আৰু বামপন্থী চিন্তা-চৰ্চাৰ পূৰণি ইতিহাসৰ লগত যাৰ পৰিচয় আছে, তেওঁলোকৰ বাবে এইকণ অনুমান কৰা মুঠেই কঠিন নহ'ব যে ৰাভাৰ ৰাজনৈতিক বিশ্বাসৰ উত্তৰণৰ ক্ষেত্ৰত এইখিনি সময়ৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়া কি হ'ব পাৰে। ৰাভা য'তেই আৰু যেতিয়াই আছিল, সাংস্কৃতিক আৰু ৰাজনৈতিক চেতনা তেওঁৰ সক্ৰিয় আছিল। উত্তৰ বঙ্গৰ কোচবিহাৰ, ৰংপুৰ, জলপাইগুৰিৰপৰা আৰম্ভ কৰি সমগ্ৰ অসমলৈ সুবিস্তৃত আৰু অভিন্ন সামাজিক আৰু অৰ্থনৈতিক জীৱনক তেওঁ ঘনিষ্ঠভাৱে আৰু নিৰপেক্ষ দৃষ্টিৰে অধ্যয়ন কৰাৰ সুবিধা তেতিয়াই লাভ কৰে। তেওঁ নিজে এজন সেই গোষ্ঠীৰে সচেতন মনৰ মানুহ হোৱা বাবে সামগ্ৰিকভাৱে শোষিত আৰু নিষ্পেষিত এই জনজাতিসকলৰ অস্তিত্বৰ সমস্যা সহানুভূতিৰে আৰু সহৃদয়তাৰে গ্ৰহণ হয়তো সহজেই কৰিব পাৰিছিল ; কিন্তু মাৰ্ক্সীয় দৰ্শন আৰু সাম্যবাদী বিশ্বাসে তেওঁৰ এই বিদ্ৰোহী চেতনা কেৱল অস্তিত্ব হেৰুওৱা এটা জনগোষ্ঠীৰ মুক্তিতে আবদ্ধ নকৰি সমগ্ৰ শোষিত আৰু নিপীড়িত শ্ৰেণীৰ মুক্তিলৈ সম্প্ৰসাৰিত কৰে। তেওঁৰ এই ৰাজনৈতিক বিশ্বাসৰ ভেটি জীৱনত লৰচৰ হোৱা নাছিল, দৃঢ়হে হৈছিল।

ৰাভাক অনুসৰণ কৰিলে আমাৰ এনে ধাৰণা হয় যে তেওঁ কমিউনিষ্ট তত্ত্ব গ্ৰহণ কৰিলেও পুথিগত পানী নসৰকা ধাৰণাই, য'ত কেৱল তত্ত্বইহে প্ৰধান কথা, তেওঁক গ্ৰাস কৰিব পৰা নাছিল। কমিউনিজম জীৱনৰ লগত সম্পূৰ্ণভাৱে সম্পৰ্কিত হ'বলৈ সম্ভৱ এতিয়াও বাকী। ৰাভাই তাকে কৰিবলৈ যাওঁতে যিবোৰ চিন্তাৰ দিশ উন্মোচন কৰিছিল, তাৰ আধাৰত তেওঁ সাম্যবাদী ধাৰণাসমূহ নিৰ্ধাৰণ কৰিছিল যেন লাগে। এইবোৰৰ মাজত স্ববিৰোধ আৰু বৈপৰীত্য কিছু ক্ষেত্ৰত স্বাভাৱিকতে থাকিব আৰু হয়তো আছে। (মাৰ্ক্সৰ নিজৰ ক্ষেত্ৰতো হৈছিল বুলি জনা যায়) ৰাভা সেইকালৰপৰা এজন কাতিহা নসহা (diehard) কমিউনিষ্ট নহয়, প্ৰধানতঃ আদৰ্শবাদী। সেইবাবে তেওঁ শংকৰদেৱৰো ভকত আৰু গান্ধীৰো গুণমুগ্ধ। সাংস্কৃতিক পৰিক্ৰমাত দেখা যায় তেওঁৰ শংকৰদেৱ আৰু জ্যোতিপ্ৰসাদৰ অনুসাৰী। শংকৰদেৱৰ সমাজ বিপ্লৱক তেওঁ এক যোগাত্মক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিবলৈ আৰু বৈজ্ঞানিক ব্যাখ্যাৰে

গ্ৰহণ কৰিবলৈ চেষ্টা কৰিছে। ইয়াকে কৰোঁতে সাম্যবাদৰ দৰ্শন তেওঁৰ সহায়ক হোৱা যেন লাগে।

বাভাৰ শিল্প-সৃষ্টিৰ প্ৰেৰণা আছিল নটৰাজ —"নাচা তমোহৰ দেউ"। তেওঁকো তাণ্ডৱ বা শিৱৰ প্ৰতিভূ ৰূপেই অসমৰ মানুহে দেখিছিল বা দেখিবলৈ ভাল পাইছিল। শিৱৰ ব্যক্তিত্ব আৰু তাণ্ডৱৰ অভিব্যক্তি বাভাৰ হাতত বিশিষ্ট ৰূপত প্ৰকাশ পোৱাটোও অৰ্থপূৰ্ণ। জনজাতীয়সকলৰ দেৱতা শিৱ। বড়োসকলৰ এটা বিশিষ্ট নৃত্যত শিৱ-তাণ্ডৱৰ সাদৃশ্য বাভাৰ শিল্পীসুলভ অন্তৰ্দৃষ্টিয়ে লক্ষ্য কৰিছিল আৰু দুয়োটাৰে এটা সুন্দৰ সমন্বিত ৰূপ তেওঁৰ তাণ্ডৱ ভাবনাত ফুটাই তুলিছিল। তেওঁৰ এই নৃত্য উপস্থাপনাক উদয়শংকৰ আৰু ব্ৰতাচাৰী নৃত্যগুৰু গুৰুসদয় দত্ত প্ৰমুখ্যে ভাৰতৰ নৃত্যবিদসকলে আশ্চৰ্য সহকাৰে প্ৰশংসা কৰিছিল। বাভাই মাথোন ইয়াৰ দ্বাৰাই অসমৰ তথা ভাৰতৰ জনজাতীয় সংস্কৃতি আৰু শাস্ত্ৰীয় সংস্কৃতিৰ সমন্বয়ৰ এটা দিশ উন্মোচন কৰিছিল। পিছত তেওঁৰ বৈপ্লৱিক ৰাজনীতিক জীৱনৰ বাণীও আছিল সেয়েই। শংকৰদেৱৰ সাংস্কৃতিক বিপ্লৱৰ পথ অনুসৰণ কৰি জ্যোতিপ্ৰসাদে বিচাৰিছিল সমন্বয়ৰ সংস্কৃতি। বাভাই তাৰ লগতে বিচাৰিছিল গণমুক্তি।

# ৰাভাৰ ৰাজনৈতিক আচৰণ

।। বানেশ্বৰ শইকীয়া।।

## জাতীয়তাবাদী ৰাভা

এই শতিকাৰ আগছোৱাত সাম্রাজ্যবাদবিৰোধী জাতীয় মুক্তিসংগ্রামৰ প্রচণ্ড প্রবাহ বয় —এছিয়াৰ পৰাধীন আৰু অর্ধ-স্বাধীন দেশসমূহত। এই প্রবাহত ভাৰতবর্ষৰ কোটি কোটি মানুহ উদ্বেলিত হয়। স্বাধীনতাৰ স্পৃহা আৰু জাতীয়তাবাদৰ বহ্নি-শিখাই দেশ ছানি পেলায়। নিজৰ দেশ, দেশৰ সম্পদৰাজি আৰু মানুহবোৰক নিজৰ কৰি লোৱা, —দেশৰ মাটি, পানী, বতাহৰ ওপৰত নিজৰ অধিকাৰ সাব্যস্ত কৰা, আৰু ইয়াক সমগ্র দেশৰ মানুহৰ কল্যাণ আৰু উন্নতিৰ হকে ব্যৱহাৰ কৰা, নিজস্ব সত্তাৰ আৱিষ্কাৰ আৰু প্রতিষ্ঠাৰ প্রবল স্পৃহাই ইংৰাজ সাম্রাজ্যবাদীৰ শাসন, শোষণ আৰু নিষ্পেষণৰ বিৰুদ্ধে —কৰাচীৰপৰা শদিয়ালৈকে, কাশ্মীৰপৰা কুমাৰিকালৈকে ব্যাপক জন-জাগৰণ আনি দিলে। ভগৎ সিং, ক্ষুদিৰাম, সূর্য সেন আৰু বহুত বিদ্রোহী দেশপ্রেমিকৰ বৈপ্লৱিক কর্মধাৰাই দেশৰ মানুহক ৰুছিয়াৰ শ্রমজীৱী মানুহক মুক্তি কৰি নতুন দুনিয়াৰ সৃষ্টিয়েই কৰা নাই, সুদূৰ এই ভাৰতবর্ষতো হেজাৰ হেজাৰ নিষ্পেষিত যুৱক-যুৱতীৰ মাজত নতুন প্রাণৰ সঞ্চাৰ কৰিছিল। প্রেৰণা দিছিল ইংৰাজৰ বিৰুদ্ধে যুঁজ কৰিবলৈ আৰু দেশৰ হকে মৰিবলৈ আৰু মাৰিবলৈ।

ভাৰতবর্ষৰ ধনতন্ত্র আৰু ধনিক শ্রেণীও ইতিমধ্যে, অর্ধ-শতাব্দী ধৰি পোখা মেলি গা-কৰি উঠিছে! এই বিশাল দেশৰ বিপুল সম্পদৰাজিক শোষণ আৰু ভোগৰ কাৰণে তেওঁলোকৰ মাজত অদম্য বাসনা জাগি উঠিছে। বগা বঙালক আঁতৰাই ইয়াৰ উত্তৰাধিকাৰী হোৱাৰ তীব্র আকাংক্ষা জাগিছে। ইংৰাজৰ ছত্রছায়াত এদল বুর্জোৱা আৰু বুদ্ধিজীৱীৰ সৃষ্টি হৈছে ; আৰু ইয়াৰ ৰাজনৈতিক প্রকাশ পায় —ভাৰতীয় জাতীয় কংগ্রেছ দলৰ মাজেৰে। ১৯২১ চনত, ইংৰাজৰ শাসনৰ বিৰুদ্ধে দেশজোৰা অসহযোগ আন্দোলনৰ সৃষ্টি হ'ল। তাৰ পিছত পুনৰ ১৯৩০-৩১ চনত 'ভাৰত স্বৰাজ' হোৱাৰ কাৰণে —'বিদেশী বর্জন, অসহযোগ আন্দোলনৰ ঢৌ দেশৰ ইমূৰ-সিমূৰ বিয়পি পৰিল। এই আন্দোলনৰ নেতা আছিল, মোহনদাস কৰমচাঁদ গান্ধী, চিত্তৰঞ্জন দাস, নেহেৰু, পেটেল, চৌকৎ আলী, মহম্মদ আলী, তৰুণৰাম ফুকন ইত্যাদি। স্বাধীনতাৰ এই জাগৰণে ভাৰতবর্ষৰ ছাত্র সমাজৰ মাজত প্রচণ্ড আলোড়নৰ সৃষ্টি কৰে। অসংখ্য ছাত্র-ছাত্রীয়ে স্কুল-কলেজ ত্যাগ কৰি স্বাধীনতাৰ যুঁজত যোগ দিয়ে।

বিষ্ণু ৰাভায়ো ১৯৩০ দশকৰ এই স্বাধীনতাৰ আন্দোলনত অংশগ্ৰহণ কৰে। তেওঁ তেতিয়া ছাত্ৰ আছিল। জাতীয়তাবাদী চিন্তাৰে উদ্বুদ্ধ হৈ স্বাধীনতাৰ যুঁজত নামি পৰে। বিদেশী বৰ্জন আৰু আইন অমান্য আন্দোলনত বিষ্ণু ৰাভাই ছাত্ৰ জীৱন কাটি কৰি থৈ জঁপিয়াই পৰিল। তেওঁৰ বাকী সতীৰ্থসকলেও সেই পথেই ল'লে। তেওঁ গ'ল গাঁৱৰ গাঁৱলৈ। খেতিয়কৰ মাজত স্বাধীনতাৰ পানী, জাতীয়তাবাদৰ আদৰ্শ প্ৰচাৰ কৰিলে। পঢ়ি থকা অৱস্থাতো বিষ্ণু ৰাভা বিদেশী শাসকৰ বিৰুদ্ধে সংগ্ৰামত অৱতীৰ্ণ হৈছিল। শেষত শিক্ষা জীৱন অসমাপ্ত ৰাখিয়েই বিষ্ণু ৰাভা ওলাই আহিল। সেই সময়ত অসংখ্য ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজৰ গোলামি শিক্ষা নলওঁ বুলি দেশ স্বাধীন কৰাৰ মহামন্ত্ৰ লৈ স্বাধীনতাৰ সমদল যাত্ৰা কৰিছিল। বিষ্ণু ৰাভাও এই সমদল যাত্ৰীৰ এজন। প্ৰখৰ বুদ্ধি-সম্পন্ন বিষ্ণু ৰাভাৰ ছাত্ৰজীৱনৰ ওৰ পৰিল, দেশপ্ৰেমৰ সাধকৰ জীৱনৰ আৰম্ভণিৰে।

১৯৩০ দশকৰ এই সাম্ৰাজ্যবাদ বিৰোধী জাতীয় মুক্তি আন্দোলনৰ নেতৃত্ব ভাৰতীয় বুৰ্জোৱা শ্ৰেণীৰ প্ৰতিনিধি ভাৰতীয় জাতীয় কংগ্ৰেছৰ হাতত আছিল। গান্ধী, নেহেৰু, পেটেল প্ৰমুখ্যে জাতীয়তাবাদী বুৰ্জোৱা নেতাসকল আপোচহীন সংগ্ৰামৰ কাৰণে প্ৰস্তুত নাছিল। ইংৰাজৰ দমন-নীতিৰ ওচৰত নতিস্বীকাৰ কৰি আন্দোলনৰ বিৰতি কৰিলে —গান্ধী-আৰউইন চুক্তিৰ মাজেৰে ঘূৰণীয়া মেজৰ মেলৰ প্ৰস্তাৱেৰে। দেশৰ শ্ৰমজীৱী কৃষক-শ্ৰমিক, সাধাৰণ মানুহৰ আপোচহীন মুক্তি সংগ্ৰামৰ অফুৰন্ত আৰু দুৰ্জয় শক্তিক সঠিকভাৱে সংগঠিত কৰা হোৱা নাছিল। জাতীয়তাবাদী সংগ্ৰামৰ ভাটা পৰে।

বিষ্ণু ৰাভা এবাৰ শিক্ষা জীৱনৰ ফালে পিঠি দি ওলাই আহিল যেতিয়া আকৌ ঘূৰি যোৱাৰ প্ৰশ্ন নাছিল। তেওঁ জাতীয়তাবাদৰ বাস্তৱ ভিত্তি ৰচনাৰ কাৰণে ভাৰতীয় সংস্কৃতিৰ সাধনাত আত্মনিয়োগ কৰিলে। অসমক তেওঁ কৰ্মক্ষেত্ৰ হিচাপে বাছি লৈ প্ৰাচীন অসমীয়া কৃষ্টিৰ চৰ্চাত লাগি গ'ল। ইয়াৰ মাজেৰে দেশৰ মানুহে নিজক বিচাৰি পোৱাৰ চেষ্টা চলালে। ভাৰতীয় সংস্কৃতিৰ সহস্ৰ সুঁতিৰ পূব প্ৰান্তৰ তেজাল সুঁতি অসমীয়া সংস্কৃতিৰ উদ্ধাৰ, বিকাশ আৰু উন্নয়নৰ কামত আত্ম-নিয়োগকাৰী অগ্ৰণীসকলৰ ভিতৰত বিষ্ণু ৰাভা অন্যতম। জ্যোতিপ্ৰসাদ বিষ্ণু ৰাভাৰ সহযোগী-সহভাগী বন্ধু গ'ল বিদেশলৈ। কিন্তু বিষ্ণু ৰাভা গ'ল অসমৰ গাঁও আৰু সত্ৰবোৰলৈ। বিষ্ণু ৰাভাই নাচিবলৈ আৰম্ভ কৰিলে, গাবলৈ ধৰিলে, লিখিবলৈও আৰম্ভ কৰিলে। অঁকাৰ কামত নিজৰ কল্পনাৰ স্বকীয়তাৰ প্ৰকাশ কৰিলে। কলিকতাত আনা পাভলভাৰ নাচ চাই বিষ্ণু ৰাভা বৰকৈ অনুপ্ৰাণিত হৈছিল। ৰুছ নৃত্যপটীয়সীৰ প্ৰভাৱ বিষ্ণু ৰাভাৰ জীৱনত বাৰুকৈ পৰিছিল। এবাৰ সোধোতে ৰাভাই নিজেই কৈছিল —"পাভলভাৰ অপূৰ্ব নৃত্য-ভঙ্গীয়ে

মোৰ জীৱনত গভীৰ ৰেখাপাত কৰিছিল।" বোধহয় সেই প্ৰেৰণাই তেওঁক নৃত্যবিশাৰদ উদয়শংকৰৰ প্ৰতিদ্বন্দ্বিতা কৰিবলৈ উৎসাহিত কৰিলে। অসমৰ ধৰ্মগুৰু শংকৰদেৱক বিষ্ণু ৰাভাই অসম তথা ভাৰতবৰ্ষৰ সাধাৰণ মানুহৰ মাজত —কলাগুৰু শংকৰদেৱ হিচাপে দাঙি ধৰিলে। ভাৰতীয় নৃত্য-গীত নাট্য-বাদ্যৰ অগ্ৰণী হিচাপে শংকৰদেৱক জাতীয়তাবাদী বিষ্ণু ৰাভাই দেশৰ মানুহৰ মাজত প্ৰতিষ্ঠা কৰিলে। বিষ্ণু ৰাভা নিজেই সুৰকাৰ, গীতিকাৰ, চিত্ৰকৰ, বাদ্যকাৰ, নৃত্যকাৰ আৰু অভিনায়ক হিচাপে প্ৰতিষ্ঠিত হ'ল। কিন্তু অনগ্ৰসৰ বিশাল জনতাৰ মাজত ইয়াৰ উপযুক্ত আদৰৰ নিশ্চয় অভাৱ নাছিল।

দ্বিতীয় বিশ্ব-মহাযুদ্ধৰ কালছোৱাত বিষ্ণু ৰাভাৰ জীৱনতো অস্থিৰতাই দেখা দিয়ে। এই কালছোৱাত তেওঁ অসমৰ হাবি-বন পাহাৰৰ জনজাতি মানুহৰ জীৱনধাৰাৰ সামাজিক আৰু মানসিক প্ৰকাশৰ ৰূপৰ সন্ধানত আত্মনিয়োগ কৰিলে। সেই বিষয়ে তেওঁ সংগ্ৰহ কৰা সম্বলবোৰ হয়তো আজি নাই, নানা কাৰণত হেৰাই গ'ল।

তাৰ পিছত পুনৰ ঘূৰি আহিল সাধাৰণ মানুহৰ সমাজ জীৱনলৈ। অসমৰ বিভিন্ন ঠাইত অনাই-বনাই ঘূৰি ফুৰোঁতে জনজাতি মানুহৰ আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক দুৰৱস্থা দেখি ইয়াৰ নিবাৰকৰণৰ উপায় বিচাৰি জনজাতি কল্যাণ সংঘ আৰম্ভ কৰে। লগত পালে —দুধনৈৰ অনিৰাম বসুমতাৰীক।

## বিপ্লৱী কমিউনিষ্ট বিষ্ণু ৰাভা

১৯৪৫ চনৰ শেষৰফালে ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ অসম প্ৰাদেশিক কমিটিৰ নেতা উপেন শৰ্মাৰ লগত বিষ্ণু ৰাভাৰ যোগাযোগ হয়। তেওঁ ৰাভাক পাৰ্টিৰ সান্নিধ্যলৈ আনে। লাহে লাহে ৰাজনৈতিক মঞ্চত থিয় হয় বিষ্ণু ৰাভা। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ গণসংগঠন —কৃষক পঞ্চায়ত প্ৰাদেশিক ছাত্ৰ ফেডাৰেচন আদিৰ সন্মিলনসমূহত তেওঁ প্ৰথমতে কৃষ্টি শাখাৰ সভাপতি হয়। ১৯৪৬ চনৰ জুন মাহত অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেচনৰ বাৰ্ষিক অধিবেশন গোৱালপাৰা টাউনত অনুষ্ঠিত হৈছিল। এই সভাত বিপ্লৱী কমিউনিষ্ট নেতা সৌমেন্দ্ৰ নাথ ঠাকুৰ আৰু বিষ্ণু ৰাভাই যথাক্ৰমে ৰাজনৈতিক আৰু কৃষ্টি শাখাৰ সভাপতিত্ব কৰে। তাৰ পিছত ভাণ্ডুৰীপাৰাৰ কৃষক পঞ্চায়তৰ বিৰাট সমাবেশত কলাকাৰ বিষ্ণু ৰাভা হেজাৰ হেজাৰ কৃষকৰ সন্মুখত উপস্থিত হয়। এনেদৰে ক্ৰমান্বয়ে শোষিত জনসাধাৰণৰ সন্মুখত থিয় হৈ অকল ভাৰতবৰ্ষৰ স্বাধীনতাৰ দাবী, বৃটিছ সাম্ৰাজ্যবাদৰ পতনৰ দাবীয়েই তোলা নাছিল, —তেওঁ আৰু দাবী কৰিছিল কৃষক-বনুৱা পঞ্চায়ত ৰাজৰ। বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে জাতীয় কংগ্ৰেছ দলৰ নিচিনাকৈ খালী স্বৰাজ বা ইংৰাজ বুৰ্জোৱাৰ হাতৰপৰা ভাৰতীয়

বুৰ্জোৱা শ্ৰেণীৰ হাতলৈ ক্ষমতা হস্তান্তৰ হোৱাটো বিচৰা নাছিল। ইংৰাজ সাম্ৰাজ্যবাদীৰ ঠাইত আমাৰ দেশৰ কৃষক-শ্ৰমিকসকলহে প্ৰকৃততে ক্ষমতাৰ গাদীত বহিব লাগে বুলি পাৰ্টিয়ে জনসাধাৰণলৈ আহ্বান কৰিছিল। বিষ্ণু ৰাভাও এই আহ্বানৰ অংশীদাৰ। সাম্ৰাজ্যবাদ, সামন্তবাদ আৰু ধনতন্ত্ৰবাদৰ পতন সাধি শ্ৰমিক-কৃষকৰ গণতান্ত্ৰিক ৰাজত্ব প্ৰতিষ্ঠা হ'ব লাগে এই শ্লোগানেই '৪৭ চনৰ আগতে পাৰ্টিয়ে জনসাধাৰণৰ ওচৰত উত্থাপন কৰে।

মাৰ্ক্সবাদৰ বিপ্লৱী চিন্তা, দৃষ্টিভঙ্গী আৰু দৰ্শনে এইবাৰ বিষ্ণু ৰাভাক নতুন ৰূপত প্ৰকাশ কৰিলে। তেওঁৰ সাংস্কৃতিক দৃষ্টিভঙ্গীৰো পৰিৱৰ্তন হ'ল। বিপ্লৱী কমিউনিষ্ট পাৰ্টিত যোগ দিয়াৰ পিছত তেওঁ লিখা "অসমীয়া কৃষ্টিৰ চমু আভাস", "অসমীয়া কৃষ্টি" আৰু "মুক্তি দেউল"ৰ প্ৰকাশ হয়। গণদৃষ্টিৰে অসমীয়া কৃষ্টিক বিচাৰ কৰা এয়া প্ৰথম নিদৰ্শন। শ্ৰেণী বিচাৰেৰে অসমৰ তথা দেশৰ সঙ্গীত, নৃত্য, কলাৰ প্ৰকাশত অসমীয়া সাহিত্যত বিষ্ণু ৰাভা বাটকটীয়া। শ্ৰেণী সংগ্ৰামৰ শক্তিবৃদ্ধি আৰু তীব্ৰতাৰ কাৰণে সঙ্গীত সাহিত্যৰ ভূমিকা বিষ্ণু ৰাভাই আয়ত্ত কৰিয়েই এই লেখাবোৰ আগবঢ়ায় ; আৰু ৰাভাৰ এই লেখাই দেশৰ কৃষক, শ্ৰমিক, নিপীড়িত মানুহক উদ্বুদ্ধ কৰিবলৈ সক্ষম হয়।

১৯৪৭ চনত ভাৰতবৰ্ষৰপৰা ইংৰাজ আঁতৰি গ'ল। ভাৰতীয় বুৰ্জোৱা শ্ৰেণীৰ লগত আপোচ কৰিলে। দেশৰ ৰাষ্ট্ৰক্ষমতা জাতীয় বুৰ্জোৱা শ্ৰেণীৰ প্ৰতিভূ জাতীয় কংগ্ৰেছ দলৰ নেতৃবৰ্গৰ হাতত চমজাই দি গ'ল। কংগ্ৰেছ দলৰ নেতৃত্বত চৰকাৰ গঠন হ'ল আৰু এই চৰকাৰক স্বাধীন চৰকাৰ বুলি ঘোষণা কৰা হ'ল। অৰ্থাৎ দেশ স্বাধীন হ'ল। বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে স্বাধীনতাক প্ৰকৃত স্বাধীনতা বুলি স্বীকাৰ নকৰিলে। বৰং ইয়াৰ বিপৰীতে বুৰ্জোৱা চৰকাৰৰ পতন ঘটাই শ্ৰমিক, কৃষকৰ গণতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ বাবে সশস্ত্ৰ সংগ্ৰামৰ কৰ্মসূচী গ্ৰহণ কৰিলে ১৯৪৮ চনত।

বীৰভূম সন্মিলনৰ (ফেব্ৰুৱাৰী '৪৮), কৰ্মসূচী গ্ৰহণ কৰি অসমৰ নেতাসকল ঘূৰি অহাৰ লগে লগে চৰকাৰে তেওঁলোকক গ্ৰেপ্তাৰ কৰে। প্ৰবীণ নেতা হৰেন কলিতা গ্ৰেপ্তাৰ হোৱা নাছিল। বিষ্ণু ৰাভা, অনিৰাম বসুমতাৰী, গোবিন্দ কলিতা আদি জনপৰিচিতি থকা নেতৃস্থানীয় কৰ্মীসকল তেতিয়াও বাহিৰত। পাৰ্টিৰ নিৰ্দেশত বিষ্ণু ৰাভা, অনিৰাম বসুমতাৰী আৰু অন্যান্য নেতৃবৰ্গই আত্ম-গোপনৰ কঠিন জীৱন আৰম্ভ কৰিলে। সকৰ্মবাদৰ বৈজ্ঞানিক চিন্তাধাৰাই ৰাভাৰ জীৱনলৈ আমূল পৰিৱৰ্তন আনি দিলে। শিল্পীৰ ভেম, নৰ্তকৰ ঢং, অভিনেতাৰ অভিমান সকলো গচকি থৈ গাঁৱৰ হালোৱা, হজুৱা, বনুৱাৰ মাজলৈ আগুৱাই গ'ল। সাধাৰণ শ্ৰমজীৱী মানুহৰ মুক্তি সংগ্ৰামৰ এজন অগ্ৰণী হিচাপে নিজকে তেওঁ বিলাই দিলে। আত্মগোপনৰ

দীঘলীয়া কালছোৱাত অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো জিলাতে তেওঁ সংগঠনৰ কামত গাঁৱে গাঁৱে ফুৰি কৃষকসকলৰ সংগঠন কৰিছিল। তেওঁৰ হাতত এই কালছোৱাত ষ্টেনগান থকা সত্ত্বেও তাৰ কেতিয়াও অপব্যৱহাৰ কৰা নাছিল। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সশস্ত্ৰ সংগ্ৰামৰ কৰ্মসূচী ব্যৰ্থ কৰাৰ কাৰণে ১৯৫০ চনৰ শেষৰপৰা ছমাহকাল জোৰা সামৰিক অভিযান চলালে। অসমৰ হেজাৰ হেজাৰ কৃষকৰ ওপৰত নিৰ্যাতন চলালে। শ শ পাৰ্টিৰ নেতা, কৰ্মী আৰু সমৰ্থকক জেললৈ নিলে। বহুতো প্ৰবীণ নেতা ধৰা পৰিল, বন্দী হ'ল। কিন্তু বিষ্ণু, সেই মানুহৰ মাজতেই থাকিল, —কুমাও সশস্ত্ৰ বাহিনীৰ অভিযানৰ সামৰণিলৈকে। ১৯৫২ চনৰ শেষত বিষ্ণু গোৱালপাৰাত গ্ৰেপ্তাৰ হ'ল।

বিষ্ণু ৰাভা জেলৰপৰা ওলোৱাৰ সময়ত পাৰ্টিৰ ভিতৰত সংকটে দেখা দিয়ে। এচাম কৰ্মী আৰু নেতাই বৈপ্লৱিক দায়িত্ব বহন কৰিবলৈ নিজে অসমৰ্থ হৈ, পেটি-বুৰ্জোৱা সুলভ মনোবৃত্তি গ্ৰহণ কৰিলে। নিজৰ অপাৰগতা আৰু দুৰ্বলতাক ঢাকিবলৈ নতুন ধ্বনি তুলিলে। হ'ল —আন্তৰ্জাতিক সংযোগ থকা এটা কমিউনিষ্ট দলৰ সৈতে পাৰ্টিক চামিল কৰিব লাগে। অৰ্থাৎ ভাৰতৰ কমিউনিষ্ট পাৰ্টিত যোগ দিব লাগে। এই আৱাজ তুলি ১৯৫৫ চনত এচাম দুৰ্বলচেতা কৰ্মীয়ে ভাৰতৰ কমিউনিষ্ট পাৰ্টিত যোগ দিলে। আনহাতেদি বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতৃবৰ্গই নগাঁৱত জাতীয় সন্মিলন পাতি পুনৰ পাৰ্টিক সুদৃঢ় কৰে।

## বিষ্ণু ৰাভাৰ দল সলনি

বিষ্ণু ৰাভাই সশস্ত্ৰ বিপ্লৱ আৰু সমাজতান্ত্ৰিক ৰণনীতিত মনে-প্ৰাণে বিশ্বাস কৰিছিল। জেলৰপৰা ওলোৱাৰ পিছত পাৰিবাৰিক সমস্যাত ৰাভা তেজপুৰত নিজ বাসস্থানত আবদ্ধ হ'ল। ১৯৫৭ চনৰ সাধাৰণ নিৰ্বাচনৰ আগে আগে তৰুণ সেন ডেকা আৰু কামিনী শৰ্মাই তেখেতক তেজপুৰত লগ ধৰিলে। আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ তৰফৰপৰা সাধাৰণ নিৰ্বাচনত প্ৰাৰ্থী হ'বৰ কাৰণে বৰকৈ ধৰিলে। ইতিমধ্যে অৱশ্যে বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ তৰফৰপৰাও ৰাভাক বৰমা সমষ্টিৰপৰা নিৰ্বাচনত প্ৰাৰ্থী থিয় কৰাৰ প্ৰস্তুতি চলিছিল। শেষত, ৰাভাই কমিউনিষ্ট পাৰ্টিৰ পক্ষৰপৰাই প্ৰাৰ্থীৰূপে থিয় হ'বলৈ মন স্থিৰ কৰিলে —আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টিত যোগ দিলে। তেতিয়াৰপৰা, তেওঁ শেষলৈকে সেই পাৰ্টিতেই সভ্য হৈ থাকিল।

১৯৬২ চনত চীন-ভাৰত সীমান্ত যুদ্ধৰ সময়ত উৰিষ্যাৰ বৰহমপুৰ জেলত আটক হৈ থকাৰ সময়ত বিষ্ণু ৰাভাৰ ৰাজনৈতিক মতবাদ সম্পৰ্কে আলোচনা কৰোঁতে এই লেখকক কৈছিল —"মই সশস্ত্ৰ বিপ্লৱত বিশ্বাস কৰোঁ আৰু এটা কমিউনিষ্ট

পাৰ্টি হোৱাটো বিচাৰোঁ।" তেওঁ জেলত থকা অৱস্থাতেই ভাৰতৰ কমিউনিষ্ট পাৰ্টি দুভাগ হোৱাৰ ভিত্তি ৰচনা হৈ গৈছিল, —আৰু তেওঁৰ পাৰ্টিয়েও শান্তিপূৰ্ণ উপায়েৰে সংসদী পথেৰে সমাজতন্ত্ৰলৈ উত্তৰণৰ পথ গ্ৰহণৰ কথা নিশ্চিত হৈ পৰিছিল। যিহেতু, বিষ্ণু ৰাভাই পুনৰ সাংস্কৃতিক জগতত নিজৰ স্থান বিচাৰি ল'লে —ৰণনীতি আৰু ৰণ-কৌশলৰ জটিল প্ৰশ্নই তেওঁক বিব্ৰত কৰিবলৈ সুবিধা কৰিব নোৱাৰিলে।

১৯৬৭ চনত বিষ্ণু ৰাভা তেজপুৰৰপৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে অসম বিধান সভালৈ নিৰ্বাচিত হ'ল। কিন্তু বিধানসভাত তেওঁ চি. পি. আইৰ বিধায়িনী দলত থাকিল। দীৰ্ঘকাল আপোচহীনভাৱে সুবিধাবাদৰ লগত সংগ্ৰাম কৰা —বিষ্ণু ৰাভাই কিয় এনে আচৰণ কৰিলে, —সি বহুতৰ মনত প্ৰশ্ন নিশ্চয় তুলিব। চি. পি. আইৰ সদস্য হিচাপে তেওঁ নিশ্চয় শেষলৈকে আছিল। দলৰ অনুমতি সাপেক্ষেই তেওঁ নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল। ইয়াত যদি কিবা সুবিধাবাদৰ কথা থাকে, —তেনেহ'লে তাৰ কাৰণে জগৰীয়া তেওঁৰ পাৰ্টিহে —তেওঁ নিজে নহয়। ৰাভাই ব্যক্তিগতভাৱে যিমানেই শিথিল জীৱন-যাপন নকৰক কিয়, যিমানেই অসুবিধা আৰু জটিলতাৰ মাজত নপৰক কিয়, —নীতি আৰু আদৰ্শৰ ফালৰ সমাজ-জীৱনত দুৰ্বলতা দেখুওৱা নাছিল।

বিষ্ণু ৰাভাই নিজেই ৰাজনৈতিক কাৰ্যকলাপতকৈ কলা, কৃষ্টিৰ চৰ্চাতেই জীৱনৰ অধিক সময় কটাইছিল। সমাজ-চিন্তা আৰু বিকাশৰ পদ্ধতিৰ সম্পৰ্কে গভীৰ মনোযোগ দিয়া নাছিল। সমাজৰ বৈপ্লৱিক পৰিবৰ্তনৰ প্ৰয়োজন বোধত —মাৰ্ক্সীয় পথ গ্ৰহণ কৰিছিল, —কিন্তু, ইয়াৰ বাস্তৱায়নত নিজৰ ভূমিকা আৰু গধুৰ দায়িত্বৰ ওপৰত প্ৰয়োজনীয় গুৰুত্ব আৰোপ কৰিব পৰা নাছিল। ইয়াৰ কাৰণে, —ধাৰাবাহিকতা, অধ্যৱসায়, সাধনা আৰু অবিৰাম প্ৰচেষ্টাৰ আৱশ্যক ; আৰু আৱশ্যক দৃঢ়তা, কৃতসংকল্পতা আৰু কঠিন পৰিশ্ৰমৰ। শিল্পীপ্ৰাণ বিষ্ণু ৰাভাই ৰাজনৈতিক নিষ্ঠুৰতাৰ সাধনা কৰিব পৰা নাছিল।

বিষ্ণু ৰাভাই প্ৰতিক্ৰিয়াশীল নীতি, চিন্তাধাৰা, আৰু দৃষ্টিভঙ্গীৰ সদায় বিৰোধিতা কৰিছিল। আদৰ্শ আৰু বন্ধুত্বৰ ব্যৱধান ৰাখি তেওঁ চলিছিল। জাতীয়তাবাদী দেশ প্ৰেমিক হিচাপে জীৱনৰ পাতনি মেলি, মানৱতাবাদী সৰ্বহাৰাৰ আন্তৰ্জাতিকতাবাদী যুঁজাৰু হিচাপে বিষ্ণু ৰাভাই জীৱনৰ সামৰণি মাৰে। আত্মত্যাগ, নম্ৰতা, অনাড়ম্বৰতা আৰু সততাৰ প্ৰতীক বিষ্ণু ৰাভা, আগন্তুক দিনৰ মুক্তিসংগ্ৰামৰ সৈনিকসকলৰ কাৰণে প্ৰেৰণাৰ উৎস হৈ থাকিব। ❑

# বিষ্ণুপ্ৰসাদ ৰাভাৰ ইতিহাস অনুসন্ধান ঃ কেইটামান বিক্ষিপ্ত চিন্তা

।। নিত্য বৰা।।

১. বিষ্ণুপ্ৰসাদ ৰাভা প্ৰচলিত অৰ্থত ঐতিহাসিক নহয়। কিন্তু ইতিহাস সম্পৰ্কে তেওঁৰ অদমনীয় অনুসন্ধিৎসা আৰু প্ৰগাঢ় জ্ঞান আছিল। যিসকলে ইতিহাস লৈ চিন্তা-চৰ্চা কৰে তেওঁলোকৰ বাবে ৰাভাৰ কেতবোৰ ভাষাতাত্ত্বিক ব্যাখ্যা-বিশ্লেষণ আৰু সিদ্ধান্ত বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। আনকি সুনীতি চট্টোপাধ্যায়ৰ দৰে পণ্ডিতেও ৰাভাৰ ভাষাতাত্ত্বিক ব্যাখ্যাৰ কথা সশ্ৰদ্ধভাৱে উল্লেখ কৰিছিল।

২.১. আমাৰ বহুতো পণ্ডিতৰ দৃষ্টিভঙ্গী আৰ্য-অভিমানৰ দ্বাৰা নিয়ন্ত্ৰিত কিম্বা গভীৰভাৱে প্ৰভাৱিত। ফলত তেওঁলোকৰ অনুসন্ধান আৰু সিদ্ধান্তসমূহ একপক্ষীয় আৰু ভ্ৰান্ত হয়। এনে ইতিহাস বিচাৰেই জন্ম দিছে সৰ্বব্যাপী হিন্দুত্বৰ ভিত্তিহীন ধাৰণাৰ। আনিহ্যাতেদি অসমীয়া তথা ভাৰতীয় ভাষা-সংস্কৃতিলৈ আৰ্যেতৰ ভাষা-সংস্কৃতিৰ অধ্যয়নৰ ক্ষেত্ৰত এইধৰণৰ একদেশদৰ্শী ঐতিহাসিক দৃষ্টিভংগীৰ বিৰুদ্ধে বিশেষভাৱে সতৰ্ক থকা দৰকাৰ ; কাৰণ এই কথা আজি তৰ্কাতীতভাৱে প্ৰমাণিত যে অসমীয়া সমাজ-সংস্কৃতিত আৰ্যেতৰ (জনজাতীয়) উপাদান সৰ্বাধিক।

২.২. 'অসম' শব্দটোৰ যি ব্যাখ্যা আমি সাধাৰণতে পঢ়িবলৈ পাওঁ তাৰ মাজতেই ওপৰোক্ত পণ্ডিতসকলৰ আৰ্য-প্ৰীতিৰ আভাস বিদ্যমান। 'হেমকোষ'ত পাওঁ ঃ "এই দেশত প্ৰথমে আহোম জাতি ৰজা হোৱাত ইয়াৰ অধিবাসীবিলাক তেওঁলোকৰ প্ৰতাপ দেখি তেওঁলোকৰ সমান কেও নাই এনে ভাবি সিবিলাকক "অসম" বুলিলে ; পাচত সেই শব্দ আহোমবিলাকে উচ্চাৰণ কৰাত "স"ৰ ঠাইত "হ" হৈ ক্ৰমে "আহম" বা আহোম হ'ল ; আৰু এই দেশ তেওঁবিলাকৰ অধীন এতেকে ইয়াকে "অসম" বোলা গ'ল। এই অসমেই বিদেশীৰ মুখত পৰি "আসাম" হৈছে।" (হেমকোষ, পৃষ্ঠাঃ ৬৩)। গুণাভিৰাম বৰুৱাই "আসাম বুৰঞ্জি"ত প্ৰায় একেধৰণৰ ব্যাখ্যাই দিছে। এই ব্যাখ্যা শুদ্ধ নহয় যেন লাগে। চুকাফাৰ দিনত সৌমাৰপীঠত থকা আদিবাসীসকলে সংস্কৃত শব্দেৰে বিদেশী বিজেতা জাতিৰ নামকৰণ কৰাটো জানো সম্ভৱ? সুপণ্ডিত বাণীকান্ত কাকতিৰ মতে কিন্তু "অসম" শব্দটো আৰু আৰ্য্য ভাষাৰ সংমিশ্ৰণৰ ফল —যাৰ অৰ্থ হ'ল অপৰাজেয়, বিজয়ী। (দ্ৰষ্টব্য ঃ Dr. B. K. Kakati, Mother Goddess Kamakhya)। এই সম্পৰ্কে আৰ্য-অভিমানৰপৰা মুক্ত অন্যান্য ব্যাখ্যাও

পোৱা যায়। এটা ব্যাখ্যা মতে "আসাম" নামটো বড়ো-কছাৰীসকলৰ অৱদান। এওঁলোকে আহোমসকলৰ ৰাজ্যক "হা-শ্যাম" বুলিছিল। "হা" মানে দেশ বা ৰাজ্য। অৰ্থাৎ আহোম (শ্যাম) সকলৰ ৰাজ্য (দ্ৰষ্টব্য ঃ মেদিনী চৌধুৰীৰ পত্ৰ, লোকায়ত, ১ ডিচেম্বৰ, ৮১)। এই সম্পৰ্কে নিৰ্মোহ অনুসন্ধানৰ প্ৰয়োজন আছে বুলি আমাৰ ধাৰণা।

৩.১. আৰ্য-প্ৰীতিয়ে একোটা শব্দৰ ইতিহাস অৰ্থ কেনেকৈ বিকৃত আৰু অস্পষ্ট কৰিব পাৰে তাৰ আভাস "অসম" শব্দটোৰ আলোচনা প্ৰসংগত পালোঁ। কোৱা বাহুল্য যে বিষ্ণুপ্ৰসাদ ৰাভাৰ ইতিহাস অনুসন্ধান এই ধৰণৰ আৰ্য-প্ৰীতিৰ পৰা মুক্ত আছিল। সেইবাবে আজি যিসকলে নিৰ্মোহভাৱে ইতিহাস চৰ্চা কৰিবলৈ লৈছে তেওঁলোকৰ বাবে ৰাভাৰ ব্যাখ্যা-বিশ্লেষণসমূহ গুৰুত্বপূৰ্ণ।

৩.২. সমাজতাত্ত্বিকসকলে যাক সংস্কৃতায়ন (Sanskritization) বোলে সেই গুৰুত্বপূৰ্ণ সামাজিক-সাংস্কৃতিক প্ৰক্ৰিয়া সম্পৰ্কে আজি নানা প্ৰকাৰৰ আলোচনা আৰম্ভ হোৱা দেখা গৈছে। অসমত এই ধৰণৰ সাংস্কৃতিক ক্ৰিয়া-প্ৰতিক্ৰিয়া সম্পৰ্কে ক্ৰিটিক্যাল আলোচনাৰ এজন প্ৰধান পথিকৃৎ বিষ্ণুপ্ৰসাদ ৰাভা। ১৯৪৫ চনত কোহিমাৰ বিহুতলীত দিয়া অভিভাষণত তেওঁ কৈছিল ঃ ".....যেতিয়া কালিকা পুৰাণ, যোগিনীতন্ত্ৰ ৰচিত হ'ল তেতিয়া এই পুৰাণ আৰু তন্ত্ৰ প্ৰণেতাসকলে নানা গল্পেৰে সজাই "কামৰু"ক কামৰূপ কৰিলে, 'ক-মলখী' বা কাম্-খী (ক্ষী) বা 'কাম্-ক্ষা'ক কামাখ্যা কৰিলে, 'ভুল্লুংবুথুৰ'ক ব্ৰহ্মপুত্ৰ কৰিলে, "টিলাও"ক লাওটি, লুইটি, লুহিত, লৌহিত্য কৰিলে। আহোমসকল যেতিয়া অসমলৈ আহিছিল তেতিয়া তেওঁলোকে ব্ৰহ্মপুত্ৰ নদৰ নাম শুনা নাছিল, 'টিলাও'হে শুনিছিল। সেইদৰে অসমত পশ্চিমৰ এটা ডাঙৰ কৃষ্টি আৰু সভ্যতাই অধিকাৰ লাভ কৰিলে" (দ্ৰষ্টব্য ঃ অসমীয়া কৃষ্টিৰ চমু আভাস পৃঃ ১১)। কথাখিনি খুবেই চিত্তাকৰ্ষক আৰু তাৎপৰ্যপূৰ্ণ। উল্লেখযোগ্য যে ব্ৰহ্মপুত্ৰৰ পুৰুষত্বক লৈ গৰ্ব কৰা হয়। পিছে বিষ্ণুপ্ৰসাদৰ ব্যাখ্যা যদি শুদ্ধ হয় তেন্তে ব্ৰহ্মপুত্ৰৰ পুৰুষত্ব আচলতে "ভুল্লুংবুথুৰ"ৰ ওপৰত আৰ্যভাষীসকলে জাপি দিয়া পুৰুষত্বহে। "ভুল্লুংবুথুৰ"ৰ অৰ্থ হ'ল —কুলু কুলু শব্দ কৰা নৈ।

৩.৩. 'বিহু', 'বহাগ', 'বৰদৈচিলা' ইত্যাদি শব্দৰ উৎস সম্পৰ্কে ৰাভাৰ মতামত বেছ কৌতূহলোদ্দীপক আৰু তাৎপৰ্যপূৰ্ণ। 'বিহু'ক সাধাৰণতে সংস্কৃত শব্দ 'বিষুব'ৰ লগত সম্পৰ্কিত কৰা হয়। এই সম্পৰ্ক স্থাপনৰ লগত দৰাচলতে নিহিত আছে একপ্ৰকাৰ প্ৰচ্ছন্ন আৰ্য-অভিমান। নৈ, ঠাই, উৎসৱ ইত্যাদিৰ নামবোৰ যিকোনো প্ৰকাৰে আৰ্যীকৰণ কৰাটোৱেই যেন ঐতিহাসিকৰ একমাত্ৰ দায়িত্ব। বিষ্ণুপ্ৰসাদৰ ব্যাখ্যা অনুযায়ী 'বিহু' শব্দটোৰ উৎস লুকাই আছে বড়ো ভাষাত। তেওঁ লেখিছে ঃ "বড়োসকলৰ

মতে 'বি' মান মগা, 'ছ' মানে দিয়া। গুৰুজনাক ভকতি মাগিলে তেওঁ আশীষ দিয়ে। মাক-দেউতাকক শ্ৰদ্ধা যাচিলে তেওঁলোকে ল'ৰা-ছোৱালীলৈ চেনেহ দিয়ে। এইদৰে এই বিছুৰ দিনাই হিয়াৰ ভাবৰ আদান-প্ৰদান হয়" (কৈ নো থাকো মানে ওৰকে নগৰে, আমাৰ প্ৰতিনিধি জুন, ১৯৭০)। একেটা নিবন্ধতেই তেওঁ কৈছে যে বড়ো শব্দ 'ছনায়'ৰপৰাও 'বিহু' শব্দ হোৱা বুলি অনুমান কৰিব পাৰি। ৰাভাৰ মতে 'বহাগ' শব্দটোও বড়ো শব্দ 'বৈছাগা'ৰ (বৈছ = বছৰ, গা = জনম) পৰা আহিছে। এইখিনিতে আমি 'বৰদৈচিলা'ৰ অৰ্থ সম্পৰ্কে চমুকৈ উল্লেখ কৰিব পাৰোঁ। বৰদৈচিলা জটায়ুৰ জীয়ৰী গৰুড়ৰ বোৱাৰী বুলি এটা কাহিনী পোৱা যায়। ৰাভাৰ মতে এই কাহিনী —'অসমলৈ আৰ্যসকল অহাৰ পিচত' ৰচনা কৰা হয়। বৰদৈচিলা দৰাচলতে বড়োসকলৰ এগৰাকী গোঁসানী। ৰাভাই লেখিছে : "বাৰ মানে বতাহ বা ধুমুহা, 'দৈ' মানে পানী বা বৰষুণ, 'চিথ্‌লা' মানে গাভৰু বা গোঁসানী বা অপেশ্বৰী। চমুকৈ ক'বলৈ গ'লে 'বাৰদৈচিথ্‌লা' মানে ধুমুহা-বৰষুণৰ গোঁসানী। এই বাৰদৈচিথ্‌লাৰপৰাই বাৰদৈচিথ্‌লা বাৰদৈচিহিলা.... বৰদৈচিলা হৈছে বুলি অনুমান কৰা যায়।" (পূৰ্বোক্ত নিবন্ধ)

৪. যিসকলে নিৰ্মোহভাৱে অসমীয়া সমাজ-সংস্কৃতিত জনজাতীয় অৱদান সম্পৰ্কে অধ্যয়ন কৰিব বিচাৰে তেওঁলোকৰ বাবে বিষ্ণুপ্ৰসাদ ৰাভা নিঃসন্দেহে অফুৰন্ত প্ৰেৰণাৰ উৎস। বহুক্ষেত্ৰত তেওঁৰ মাজত নিশ্চয় সঠিক পথ-নিৰ্দেশো বিচাৰি পোৱা যাব। এই প্ৰসংগত বাণীকান্ত কাকতিৰ নামো স্মৰণযোগ্য। অৱশ্যে ৰাভাই বড়ো মূলধাৰাৰপৰা উদ্ভূত বুলি কোৱা কেইবাটাও শব্দ কাকতিৰ মতানুযায়ী অষ্ট্ৰিক মূলধাৰাৰ সৈতে সম্পৰ্কিত। সি যি কি নহওক, আৰ্য-অভিমানৰ পৰা মুক্ত ৰাভাৰ দৃষ্টিভংগী ইতিহাস অনুসন্ধানকাৰীসকলৰ বাবে যে এক উজ্জ্বল আলোক-বৰ্তিকা — সেই বিষয়ে সন্দেহৰ অৱকাশ নাই। ❑

# বিশ্বৰ ছন্দে ছন্দে......

**।। কেশৱ মহন্ত।।**

তেজপুৰ সাহিত্য সভা ভৱনৰ আধাৰশিলা স্থাপনৰ অনুষ্ঠানত মুখ্য অতিথিৰ অভিভাষণৰ এঠাইত বিষ্ণুপ্ৰসাদ ৰাভাই কৈছে, "সৰু সৰু জুৰি-নিজৰি উপনৈৰ সমন্বিত শকতিৰ দ্বাৰা যেনেকৈ ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে, ঠিক তেনেকৈ অসমৰ বহু জাতি, উপজাতি আৰু জনজাতিৰ কৃষ্টি-সংস্কৃতি আৰু সাহিত্যৰ সমন্বিত শকতিৰ দ্বাৰা অসমীয়া কৃষ্টি-সংস্কৃতি সাহিত্যয়ো বিশালতা আৰু বিৰাটতা লাভ কৰিছে। .....যদি কোনোবাই ভেটা দিয়ে, হেঙাৰ দিয়ে, ব্ৰহ্মপুত্ৰই সেই ভেটা ভাঙি মহাসাগৰৰ ফালে ঢাল খাবই। ঠিক তেনেকৈ সকলো চক্ৰান্ত, ষড়যন্ত্ৰ মষিমূৰ কৰি অসমীয়া কৃষ্টি-সংস্কৃতিৰ বৈচিত্ৰ্য ঐক্যৰ প্ৰবল সমন্বিত শক্তিও মহামানৱতাৰ ফালে ঢাল খাবই।"

সহৃদয় অসমে এনেকৈয়ে গণ-কলাকাৰ বিষ্ণু ৰাভাৰ বিশ্বৰূপ দৰ্শন কৰিছে। আজিৰ খণ্ডিত-দৃষ্টিৰ চকা-চমকাত সেয়ে বিষ্ণু ৰাভা 'কোটি-সূৰ্য্য-জিনি জ্বলে।'

একেখনি অভিভাষণেৰে আন এঠাইত আছে, "মানুহে মোক শিল্পী বুলি কয়। যদি মই শিল্পী হওঁ, বিধাতাৰ আশীৰ্বাদত মই শিল্পী হোৱা নাই —ৰাইজৰ আশিসতহে মই শিল্পী হৈছোঁ। ৰাইজৰ হিয়া-কোঁহৰপৰা এটুপি এটুপি সুন্দৰৰ ৰস বুটলি আনি মই মোৰ মন-কোঁহ ভৰাই লওঁ। সেই মন-কোঁহকে ৰহ-ঘৰা মউ-কোঁহ কৰি তাৰ পৰা টোপাল টোপাল ৰস নিঙাৰি নিঙাৰি নিগৰি নিগৰি উলিয়াই ৰাইজক বিলাই দিওঁ। সেয়েহে ৰাইজৰ লগত মোৰ জীৱনৰ সম্পৰ্ক ওতপ্ৰোতভাৱে জড়িত আৰু সেই কাৰণে ৰাইজৰ দুখত মই সমদুখী, বেথাত সমব্যথী।"

এইদৰেই বিষ্ণু ৰাভাই গণমন মন্থন কৰি অমৃত উদ্ধাৰ কৰিছে, দেশৰ মাটিৰ মানুহৰ আত্মাৰ নিৰ্যাস স্থাপন কৰিছে। গণ-সংস্কৃতি আৰু বিষ্ণু ৰাভা যেন একেপদ বস্তুৰে দুটা নামমাত্ৰ। আয়তনৰ বিশালতা, শক্তিৰ প্ৰবলতা, সত্যাশ্ৰয়িতা, ঐতিহাসিক তথ্যানুগত্য আদি গণ-জীৱন-প্ৰবাহৰ বৈশিষ্ট্যবোৰ বিষ্ণু ৰাভাৰ চৰিত্ৰতো থকাৰ কাৰণেই বিষ্ণু ৰাভাৰ ব্যক্তিত্বত দেশৰ ব্যক্তিত্ব সমন্বিত হৈছিল, দৈহিক আৰু আত্মিক উভয়ক্ষেত্ৰতে —মাটিৰ মানুহৰ তেজ-মঙহেৰে বিষ্ণু ৰাভা আছিল শালপ্ৰাংশু। সমাজৰ মানুহ সাধাৰণে বিষ্ণু ৰাভাৰ সৃষ্টি কৰিছিল, বিষ্ণু ৰাভাই মানুহৰ সমাজখনক নতুনকৈ গঢ় দিবলৈ ওলাইছিল।

মাৰ্ক্সীয় বিশ্বদৃষ্টিভঙ্গী গ্ৰহণ কৰাটো বিষ্ণু ৰাভাৰ জীৱনচৰ্যাৰ স্বাভাৱিক পৰিণতি। কাৰণ, তেওঁৰ প্ৰাপ্ত-প্ৰতিভাই আছিল বিশ্লেষণ-ধৰ্মী, তথ্যানুসন্ধানী আৰু বিদ্ৰোহী। মাৰ্ক্সবাদ-গ্ৰহণে তেওঁৰ সেই প্ৰতিভাক শ্ৰেণী-চেতনা আৰু সমাজ-চেতনাৰ বৈপ্লৱিক ভিত্তিবিলাছ পিন্ধাই দিলে। নহ'লে, যি সময়ত বগা ব্ৰিটিছ খেদি ক'লা ব্ৰিটিছ হোৱাৰ অন্তঃসলিল চেতনাই বহু জাতীয় নেতাক গোপন-উদ্দীপনা যোগাইছিল, সেই সময়ত কোনো মাৰ্ক্সীয়-দীক্ষাত শিক্ষিত নোহোৱাকৈয়ে বিষ্ণু ৰাভাই ব্ৰিটিছ হকিন্সন আৰু ভাৰতীয় নলিনীৰঞ্জন খাস্তগীৰৰ মাজত গাৰ বৰণৰ বাহিৰে অন্য পাৰ্থক্য দেখা নোপোৱাটো অলপ কথা নহয়। গাৰ বৰণ উপলক্ষ্য, আচল কথা হ'ল চৰিত্ৰ। গতিকে মহাত্মা গান্ধীৰ নেতৃত্বত চলা ব্ৰিটিছ সাম্ৰাজ্যবাদবিৰোধী জাতীয় (অসহযোগ) আন্দোলনৰ এক নিষ্ঠ যোদ্ধা বিষ্ণু ৰাভা ভাৰতৰ জাতীয় শ্ৰেণী-চৰিত্ৰৰে এক প্ৰতিবাদ আছিল। এইদৰে কালক্ৰমত মহীৰুহ আনুষ্ঠানিকভাৱে কমিউনিষ্ট বিষ্ণু ৰাভা জীৱনৰ জোৰণিতে সহজাতভাৱেই আছিল বীজৰ ৰূপত ৰূপান্তৰৰ কলাকাৰ।

আৰ্থিক অৰ্থত বিষ্ণু ৰাভাৰ ঐশ্বৰ্য নাছিল, যদিওবা বৈষয়িক উত্তৰাধিকাৰতো তেওঁ দৰিদ্ৰ নাছিল। দেউতাকে তেওঁক বহু সহস্ৰ বিঘা মাটি দিছিল। চৰকাৰে পুলিচত উচ্চপদ যাচিছিল। ৰাভাই ইয়াৰ এটাও গ্ৰহণ নকৰিলে। ৰাভাৰ ঐশ্বৰ্য আছিল অন্য এঠাইত —বঞ্চিত মানুহৰ বিশাল হৃদয়-সমুদ্ৰত, তেওঁলোকৰ মনোৰাজ্যত। সেয়ে আৰ্থিক অৰ্থত তেওঁ দাৰিদ্ৰ্য বৰণ কৰিছিল। এই গণ-কলাসন্মত স্বতঃস্ফূৰ্তভাৱে লাভ কৰা শিল্প-ভাবনাই তেওঁক ক্ৰমে সমাজ-পৰিবৰ্তনকামী সংগঠিত ৰাজনৈতিক দলৰ কৰ্ম-প্ৰচেষ্টাৰ পংক্তিত থিয় কৰালে —ৰাভাই যোগ দিলে প্ৰথমে বিপ্লৱী কমিউনিষ্ট পাৰ্টিত আৰু শেষত ভাৰতৰ কমিউনিষ্ট পাৰ্টিত। তেওঁ তেওঁৰ বিভিন্ন ৰাজনৈতিক কামৰ মাজত প্ৰধান অৱিহণা যোগালে গীতেৰে। তেওঁৰ ৰাজনৈতিক গীতৰ দুই-এফাকি এই সুযোগতে উদ্ধৃত কৰিলোঁ :

(ক)

ব'ল ব'ল ব'ল ব'ল
কৃষক শক্তি দল
অ' বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ বল।
তই খুৱাব বিশ্ববাসীক
মাটি ফালি ধান
তই যোগাব ধনী শ্ৰেণীক
অন্ন শক্তিমান

কাৰখানা কল তোৰেই সৃজন
পথাৰ সুবহল
নাঙল কাঁচি হাতুৰী দাৰ
যাদুকৰী ফল।।

(খ)

শুন সৌৱা শুন শুন
ঘোষিছে ৰণ-বিষাণ
মুকৃত আকাশে উৰে
দীপ্ত ৰঙা নিচান
ৰক্তেৰে ৰঞ্জিত
সূৰুয উদীয়মান
শুন মুকুতিৰ সুৰুযৰ আহ্বান
হালোৱা হজুৱা হেৰ মজুৰ কিষাণ
মুক্তিমান মুক্তিমান মুক্তিমান।

(গ)

গাম পীড়িতৰ চিৰ-বিজয়ৰ গান
ফিৰাই আনিম দলিতৰ সন্মান
মৰা জগতৰ হৃদয়ত ঢালি প্ৰাণ
পাতিম ধৰাত চিৰ-শান্তিৰ উদ্যান।

—ইত্যাদি।

মানুহৰ আত্মা য'ত লাঞ্ছিত, জীৱন য'ত বঞ্চিত সেই সমাজৰ অভিন্ন-হৃদয় হৈ ৰাভাই যি তেওঁৰ শিল্প-ভাবনাৰ ভিত্তিভূমি পাইছিল, মাৰ্ক্সীয় দীক্ষাৰ লগত পৰিচয়ৰ মাজেদি তেওঁ এই সমাজৰ শ্ৰমিক-কৃষক-মধ্যবিত্ত অৰ্থাৎ শ্ৰমজীৱী মানুহৰ শোষণৰ কাৰণ চিনি পালে আৰু একালত যি "সুৰৰ দেউলৰ শিকলি ভাঙি দি সোণালী দুৱাৰ" মেলিবলৈ 'সুন্দৰৰ পূজাৰী'ক আহ্বান জনাইছিল, সিয়েই নতুন ৰূপত দেখা দিলে "ভাং ভাং দুৱাৰৰ ডাং" —আহ্বানত। বিষ্ণু ৰাভাই কৃষক-বনুৱাক 'কেঁচাসোণ' বুলিছে। তেওঁৰ এটা গানত আছে :

জুমে জুমে আহ কেঁচাসোণ
আহ বনুৱাৰ দল
ন-পোহৰৰ জিলিক সানি
যাওঁ আগুৱাই ব'ল।

গীত-ৰচনাৰ পৰিক্ৰমাত ৰাভাই এই অৱস্থান লাভ কৰাৰ আগতে লিখা গীতবোৰৰ দুই-এটা একান্ত ব্যক্তিগত গীত আছে। সেই গীতৰ আলোচনা গুৰুত্বপূৰ্ণ নহয়, কাৰণ ৰাভাৰ যি পূৰ্ণ সামগ্ৰিক ব্যক্তিত্ব উদ্ভাসিত হৈ উঠিছিল তাত সেই গীতৰ স্থান একেবাৰে ম্লান। তথাপি তেওঁৰ পিছৰ সুৰকাৰ, শিল্পী আৰু কণ্ঠশিল্পীসকলে এনে দুটি গীতৰ শব্দ-চয়ন আৰু সুৰাৰোপত অদ্বিতীয়তা আছে বুলি কয়। গীত দুটি হ'ল, "পৰজনমৰ শুভ লগনত" আৰু "লগন উকলি গ'ল।" বিষ্ণু ৰাভাৰ সুৰৰ জ্ঞান সম্বন্ধে ইয়াৰপৰা আভাস পাব পাৰি। ইয়াৰ পিছতেই তেওঁৰ সুৰাৰোপৰ প্ৰায়োগিক দিশত বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ পৰিচয় যি কেইটি গীতে দিয়ে তাৰ ভিতৰত উল্লেখযোগ্য হ'ল —'নাহৰ ফুলে নুশুৱায়', 'সুৰৰে দেউলৰে' আৰু 'বিশ্বৰ ছন্দে ছন্দে'। ইয়াৰ উপৰিও হৃদয়স্পৰ্শী সুৰ থকা অন্য এটি গীত হ'ল, "মোৰ কবিতাৰ ছন্দ লাগি স্পন্দন তোৰ জাগেনে।" অসমীয়া ডেকাক জগাই তুলিবলৈ লিখা অন্য এটি গীত হ'ল "অ' অসমীয়া ডেকা দল"। এই জাতীয় গীতবোৰৰ এটা লক্ষণীয় দিশ হ'ল — শঙ্কৰদেৱৰ কীৰ্তিৰ স্মৰণ ঃ 'সুন্দৰ শঙ্কৰে' 'দুৰ্গম নদ-পাহাৰগিৰি লংঘিছিল', "জগৎ জুৰি অসীম ৰাহুৰ বল' দেখুৱাইছিল। বিষ্ণু ৰাভাই আমাৰ ঐতিহ্যৰ এই শক্তিশালী দিশটোৰ উদাহৰণেৰে আমাৰ ডেকাক জাগৃত কৰি কৈছে, "আৰ্হি তেওঁ এই অসমৰ অসীম বীৰ্য্য।" তেওঁৰ মানত বৰগীত "যাউতিযুগীয়া" আৰু "অমিয়া"। বহুতে হয়তোবা ইয়াত ৰাভাৰ চিন্তাৰ খেলিমেলি দেখিব। কিন্তু এগৰাকী শিল্পীৰ শিল্প-ভাৱনাৰ ক্ৰমবিকাশ যুকিয়াই সজাই চালে এনে খেলিমেলিবোৰত এটা অতিক্ৰমৰ অপৰাজেয় অগ্ৰগতি দেখা পাব। বিষ্ণু ৰাভাৰ সকলো গীত থুপতে যিদিনা পাব পৰা হ'ব, সেইদিনা এনে এটা আলচ কৰাৰ সুযোগ ওলাব।

বিষ্ণু ৰাভাক জ্যোতিপ্ৰসাদৰ লগত ৰিজাই চালে মোৰ সদায়েই উপলব্ধি হয় —বিষ্ণু ৰাভা যেন energy আৰু জ্যোতিপ্ৰসাদ power, বিষ্ণু ৰাভা সাগৰ-সংকাশ আছিল। তেওঁ নিজকে সামৰিব নোৱাৰিলে যেন। তেওঁৰ গুণগ্ৰাহীসকলেও তেওঁক ভালকৈ পাব নোৱাৰিলে হয়তো ব্যৱধান বৃহৎ আছিল।

কিন্তু এবাৰ কথা নিৰ্ঘাত সত্য যে বিষ্ণু ৰাভাৰ জীৱনটোৱেই এনে বিচিত্ৰ আৰু সংঘাতপূৰ্ণ আছিল যে তেওঁৰ অভিজ্ঞতাৰ পৰিসৰ আৰু কৰ্মপ্ৰেৰণা অপৰিমেয় আছিল। সেয়ে থূলমূলকৈ তেওঁৰ জীৱনটো চোৱা সুবিধাজনক হ'ব।

কামৰূপ জিলাৰ ৰাণী অঞ্চলৰ শনিৰাম মোছাহাৰী নামৰ লোক এজনে বঙ্গদেশৰ মেদিনীপুৰত চাকৰি কৰিছিল। তাতে তেখেতৰ মৃত্যু হয়। তেখেতৰ পুতেক গোপাল মোছাহাৰী। কিন্তু নাবালক অৱস্থাত গোপাল যাৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হয় তেওঁ এজন পুলিচ ইন্সপেক্টৰ, উপাধি ৰাভা। গতিকে গোপালৰো উপাধি পোষ্টা

পিতৃৰ অধিকাৰ-বলত ৰাভা হয়। গোপাল ৰাভা আছাম ৰাইফলছৰ চাকৰিত সোমাই চুবেদাৰ মেজৰ হয়গৈ। এই গোপাল ৰাভাৰে পুত্ৰেক বিষ্ণু ৰাভা। বিষ্ণু ৰাভাৰ পাঠ আৰম্ভ হয় ঢাকাৰ বাংলা স্কুলত। তাতে ৪ৰ্থ মানত পঢ়ি থাকোতেই ৰাভাৰ পিতাক ঢুকায়। ৰাভাৰ বয়স তেতিয়া ৭ বছৰ। ঢাকাৰ পাঠশালা এৰি ৰাভা একেকোবেই তেজপুৰৰ চৰকাৰী উচ্চ ইংৰাজী স্কুল পায়হি। তাৰপৰা "কুইন এম্‌প্ৰেছ" পদক লৈ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে। তাৰ পিছত পায়গৈ কলিকতাৰ ছেন্ট পলছ কলেজ। তাৰপৰা আই. এছ. চি. পাছ কৰি ৰিপন কলেজত পদাৰ্থ বিজ্ঞানত অনাৰ্ছ লৈ পঢ়ে। কিন্তু পৰীক্ষা নিদি কোচবেহাৰৰ ভিক্টোৰিয়া কলেজত ইংৰাজীৰ অনাৰ্ছ লৈ বি. এ. পঢ়ে। ঠিক সেই সময়তে (১৯৩০ চনত) মহাত্মা গান্ধীৰ নেতৃত্বত চলা অসহযোগ আন্দোলনত যোগ দিয়ে আৰু দেশীয় ৰাজ্য কোচবেহাৰৰ ৰাজকাৰেঙৰ সিংহ দুৱাৰত "ৰাজ্যে আছে দুইটি পাঠা" শীৰ্ষক সম্প্ৰতি সৰ্বজনবিদিত পদ্য-পোষ্টাৰ মাৰে। ইয়াৰ পিছত ৰাজকাৰেং আৰু জেন্‌কিন্স হাইস্কুলত উৰি থকা ব্ৰিটিছৰ "ইউনিয়ন জেক' নমাই কংগ্ৰেছৰ "ত্ৰিৰঙ্গা পতাকা" উৰাই দিয়ে আৰু বহিষ্কৃত হয়। খেদা খাই ৰাভা ৰংপুৰৰ কাৰ মাইকেল কলেজ পায়হি আৰু বি. এ.ৰ বাছনি পৰীক্ষাত ইংৰাজী অনাৰ্ছত প্ৰথম শ্ৰেণীৰ নম্বৰ পায় কিন্তু শেষ পৰীক্ষা নিদিয়ে। এইখিনিতে সাতঘাটৰ সৈয়াকণী ব্ৰিটিছ প্ৰশাসনে তেওঁক পুলিচ বিভাগৰ উচ্চপদ যাচি সৈমান কৰিবৰ চেষ্টা কৰে, কিন্তু বিষ্ণুপ্ৰসাদ ৰাভাৰ মুক্ত তেজৰ উতল চেঁচা পেলোৱা শক্তি তেতিয়া দেশৰ শোষক-শাসকৰ বাহুত নাছিল।

ইতিমধ্যে প্ৰথাগত, শিক্ষাৰ দেৱাল দিঙাই ৰাভাই বাহিৰ-বিশ্বতো প্ৰবেশ কৰিছে। ১৯২৮ চনত ৰাভাই কলিকতাত থাকোঁতেই বিশ্ববিশ্ৰুত ৰুছ প্ৰাইমা বেলেৰিনা আনা পাভ্‌লোভাৰ 'মুমূৰ্ষু মৰাল' নৃত্য দেখাৰ সুযোগ পায়। এই নৃত্যই ৰাভাক ইমানেই আপ্লুত কৰে যে তেওঁ পাভ্‌লোভাৰ সঙ্গী হ'বলৈ ইচ্ছা প্ৰকাশ কৰে। কিন্তু পাভ্‌লোভাই ক'লে যে বিষ্ণু ৰাভাৰ নিজৰ দেশৰে মন্দিৰৰ গাত দেৱদাসী নৃত্যত যি ছন্দ বন্দ হৈ আছে, তাকে ৰাভাই পোহৰলৈ আনিব লাগে। পাভ্‌লোভাৰ এই পৰামৰ্শ ৰাভাৰ কাৰণে এক বিৰাট ৰিভিলেশ্যনৰ দৰে হ'ল। ৰাভাৰ পৰৱৰ্তী শিল্পচৰ্চাত ইয়ে এক ৰূপান্তৰ সাধন কৰিলে।

ৰাভা অসমলৈ উভতি আহি অসমীয়া নৃত্যৰ সন্ধান আৰম্ভ কৰিলে আৰু কামৰূপৰ 'ওজাপালি'তে এই নৃত্যৰ অঙ্কুৰ দেখা পালে আৰু ওজাপালিক পোহৰলৈ আনিলে। ইয়াৰ পিছত উচ্চাঙ্গ সঙ্গীত, সত্ৰীয়া নৃত্য, বৰগীত আদিৰ ক্ষেত্ৰত তত্ত্বগত আৰু ক্ষেত্ৰগত —দুয়োপ্ৰকাৰৰ সাধনা আৰম্ভ কৰে। নৃত্যৰ ক্ষেত্ৰত ৰাভাৰ তাণ্ডৱনৃত্য অভিনৱ। তেওঁ কাশী হিন্দু বিশ্ববিদ্যালয়ত এই নৃত্য প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসো লাভ

কৰে। অসমত "কামৰূপী নৃত্য পৰিষদ" গঠন কৰি অসমৰ সত্ৰীয়া নৃত্য সদৰী কৰে। কলিকতাৰ ভৱানীপুৰত 'এগ্ৰ' পিকচাৰ্ছ কৰপৰেশ্যন' নাম দি এটা চলচ্চিত্ৰ নিৰ্মাণ প্ৰতিষ্ঠানো আৰম্ভ কৰিছিল। কিন্তু সেই সময়তে তেওঁৰ অগ্ৰজোপম ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে জয়মতী চলচ্চিত্ৰ নিৰ্মাণত সহায় কৰিবৰ কাৰণে মাতি পঠোৱাত তেওঁ তেজপুৰলৈ গুচি আহে। আকৌ, জ্যোতিপ্ৰসাদৰ লগ লাগি জয়মতী', 'শোণিত কুঁৱৰী' নাটৰ গ্ৰামোফোন ৰেকৰ্ড কৰে। তদুপৰি, নিজে ৰেকৰ্ড কৰে —'বেউলা', 'ৰতনী', 'বিহুমতী', 'জন্মাষ্টমী', 'বৰদৈচিলা', 'শ্ৰীশ্ৰীশংকৰদেৱ' আৰু 'শ্ৰীশ্ৰীমাধৱদেৱ'।

অসমৰ নাট্য-আন্দোলনৰ কেন্দ্ৰস্থ প্ৰেৰণা তেজপুৰৰ বাণ ৰঙ্গমঞ্চত বহুজন প্ৰথিতযশা নাট্য-প্ৰতিভাৰ আগশাৰীত যিসকল আছিল তাৰ ভিতৰত নটসূৰ্য ফণী শৰ্মা আৰু বিষ্ণু ৰাভাৰ স্থান প্ৰধান। পোনতে পৌৰাণিক নাটকত অভিনয় আৰম্ভ কৰি পিছলৈ ফণী শৰ্মাৰ পৰিচালনাত মঞ্চস্থ হোৱা 'চিৰাজ'ৰ আযোণা আৰু 'কিয়'ৰ 'গেঠু'ৰ ভূমিকাত অভিনয় কৰি অসমৰ নাট্যপ্ৰেমীৰ মনত দ সাঁচ বহুৱায়।

চলচ্চিত্ৰ জগততো বিষ্ণু ৰাভাৰ অৰিহণা উল্লেখযোগ্য। 'মনোমতী' বোলছবিৰ নৃত্য-পৰিচালনা, চিৰাজৰ যুটীয়া পৰিচালক আৰু অভিনেতা, এৰাবাটৰ সুৰৰ ভজলুং কাকা, প্ৰতিধ্বনিত খাটী ৰজা ছিয়েম আৰু পিয়লি ফুকনৰ ৰূপসজ্জা-দৃশ্যসজ্জা আদিৰ সহযোগিতা আৰু সবাতোপৰি জ্যোতিপ্ৰসাদৰ সহযোগী হৈ চলচ্চিত্ৰ নিৰ্মাণত কৰা কামে বিষ্ণু ৰাভাৰ বহুমুখী প্ৰতিভাৰ পৰিচয় দিছে।

প্ৰবন্ধ-পাতিও তেওঁ 'বাঁহী'ৰ দিনৰপৰাই লিখিছিল। প্ৰকাশিত প্ৰবন্ধৰ সংখ্যা কম যদিও গুণৰ ফালৰপৰা উৎকৃষ্ট আছিল আৰু অপ্ৰকাশিত প্ৰবন্ধৰো সীমাসংখ্যা নাই, যদিও সৰহভাগেই হয় চৰকাৰৰ পুলিচে নষ্ট কৰিছে, নহয় পলাতক অৱস্থাত য'তে-ত'তে এৰিছে। প্ৰকাশিত প্ৰবন্ধৰ ভিতৰত 'শ্ৰীশংকৰদেৱ বৰ গায়ন', 'জনজাতীয় সংস্কৃতিত শিৱ', নগাঁও ছাত্ৰ ফেডাৰেচনত পাঠ কৰা অভিভাষণ 'অসমীয়া কৃষ্টি', কণিহা বিহুতলীত পঠিত অভিভাষণ 'অসমীয়া কৃষ্টিৰ চমু আভাস', গল্প-সংকলন 'সোণপাহি' গীতিনাট 'মুক্তি-দেউল', 'ন পৃথিৱীৰ নতুন যুগ', 'মুক্তি তিথি', ৰামধেনুত আধৰুৱা হৈ ওলোৱা 'প্ৰাচীন ভাৰতৰ নৃত্যকলা', মিচিংসকলৰ আলি-আই-লিগাং উৎসৱ সম্বন্ধে তথ্যপূৰ্ণ প্ৰবন্ধ, 'কৈনো থাকে মানে ওৰকে নপৰে' আদি আছে।

ৰাভাৰ অপ্ৰকাশিত ৰচনাসমূহ সম্বন্ধে ব্যক্তিগত অভিজ্ঞতাৰপৰা সামান্য উল্লেখ কৰিলেই যথেষ্ট হ'ব। অসম প্ৰকাশন পৰিষদৰ সচিব শ্ৰীযুত চন্দ্ৰপ্ৰসাদ শইকীয়া আৰু মোৰ ওপৰত সম্পাদনাৰ দায়িত্ব দি ৰাভাৰ অপ্ৰকাশিত ৰচনা সংগ্ৰহৰ কাৰণে মোক বিভিন্ন ঠাইলৈ পঠায়। মই তেজপুৰতে তেখেতৰ সহধৰ্মিণী শ্ৰীযুতা মোহিনী ৰাভাৰপৰা ভালেখিনি পাণ্ডুলিপি সংগ্ৰহ কৰি যাত্ৰা আৰম্ভ কৰোঁ। তাৰপৰা অসমৰ উজনিৰ বিভিন্ন

ঠাইলৈ গৈ ভাণ্ডৰী আৰু লাওখোৱা গাঁও পাওঁগৈ। বহু ঠাইত সন্ধান কৰি ক'ৰবাত দুই-এখন ৰচনা, ক'ৰবাত বা সৰহীয়াকৈয়ে ৰাভাৰ লিখা পাইছিলোঁ। বহুলোকে উৎসাহেৰে সহায় কৰিছিল। এনেকৈ যাওঁতে চৌকিডিঙিৰ শ্ৰীটংকেশ্বৰ বৰাদেৱৰপৰা গম পাইছিলোঁ, বিষ্ণু ৰাভাই 'ঝাউলীয়া দেৱান' নামৰ কাহিনী এটাও লিখিছিল যাযাবৰী জীৱন-যাত্ৰাতে। এই দেৱানজন গোৱালপাৰা-ভূটান সীমান্তত আছিল। ব্ৰিটিছ প্ৰশাসনে তেওঁক বশলৈ আনিবলৈ চেষ্টা কৰিছিল। দেৱানে হাৰ নামানি ভূটানলৈ পলাই যায়। শ্ৰীযুত লোহিত শইকীয়াদেৱৰ মুখে জানি পাৰিলোঁ, এই ঝাউলীয়া দেৱানৰ জীৱনক কেন্দ্ৰ কৰি ৰচিত মালিতা শ্ৰেণীৰ লোকগীতৰ ভিত্তিত তেওঁ এখনি নৃত্য-নাটিকা ৰচনা কৰিছিল।

প্ৰথাগত অৰ্থত ৰাভা যদিও গৱেষক নাছিল, তেওঁৰ কেইটামান প্ৰবন্ধত গৱেষণামূলক চিন্তাধাৰা প্ৰধান আছিল। তাৰ ভিতৰত 'জনজাতীয় সংস্কৃতিত শিৱ' অন্যতম। অসমৰ নৃ-গোষ্ঠীসমূহৰ বিভিন্ন আলোচনা থকা দেশী-বিদেশী পণ্ডিত-মনীষীসকলৰ গৱেষণাবোৰ "সংস্কৃত পুথি, বেদ-বেদান্ত-উপনিষদ-পুৰাণাদি"ত নিৰ্ভৰশীল কাৰণে ত্ৰুটীপূৰ্ণ বুলি কৈ এঠাইত তেওঁ কৈছে, "কোনো জনজাতিৰ বিষয়ে জানিবলৈ হ'লে সেই জনজাতিৰ ধৰ্ম, ভাষা, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ বিষয়ে জ্ঞান আৰু অধ্যয়ন থাকিব লাগিব......আৰু সেই জনজাতিৰ কলিজাৰ এডুখৰি আৰু বুকুৰ এফাল হ'বলৈ শিকিব লাগিব।" অসমৰ বিভিন্ন নদ-নদী, মঠ-মন্দিৰৰ নামবোৰো বড়োমূলীয় বুলি তেওঁ স্বকীয় গৱেষণাত পাইছে। যথা, কামাখ্যা < খাম মাই-খা। (খাম ঃ পোৰা, জুয়ে পোৰা; মাই ঃ আই; জুয়ে কেঁচা বস্তুও পোৰে। গতিকে কেঁচাইখাতী গোঁসানী।) সেইদৰে খামৃৰু > কামৰূপ, ভড়লী-ভল্লী বুঢ়ৈ, ব্ৰহ্মপুত্ৰ-ভুল্লং-বুথুৰ। ইত্যাদি। ৰাভাৰ মতে, এই বড়োমূলীয় শব্দবোৰকে আৰ্যসকলে আহি একো একোটা সংস্কৃত ৰূপ দি লয়। প্ৰবন্ধটোত আৰ্যসকলে কেনেকৈ জনজাতীয় সংস্কৃতিক নিজৰ সংস্কৃতিৰে গ্ৰাস কৰি তাতে আৰ্যীকৃত কিৰাত দেৱতা শিৱক অনুপ্ৰৱেশ কৰাইছে তাকে দেখুৱাইছে। এই গৱেষণাৰপৰা যিটো সিদ্ধান্তত উপনীত হ'ব খোজা হৈছে সি হ'ল ঃ "এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হ'বলৈ হ'লে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে সম্পূৰ্ণ জ্ঞান থকা উচিত।...... পৰস্পৰৰ ভিতৰত অকৃত্ৰিম আৰু আন্তৰিক শ্ৰদ্ধা ৰাখি কালৰ ৰথৰ চকাৰ অগ্ৰগতিৰ তালে তালে প্ৰগতিৰ অসীম বাটেদি অগ্ৰসৰ হোৱা উচিত।"

মন কৰিবলগীয়া যে, আৰ্যই আৰ্যেতৰ দেৱতা শিৱক বড়োসকলৰ মাজত অনুপ্ৰৱেশ কৰোৱাই জনজাতিকো আৰ্যীকৰণ কৰিব খুজিছে বুলি ঠাৱৰ কৰা ৰাভাই কিন্তু নিজেই মহাদেৱৰ ৰূপ-কল্পনাৰ মাজেদি ঐতিহ্যৰ পুনৰ্ভাৱন কৰিছিল। জ্যোতিপ্ৰসাদে

কৃষ্ণৰ পুনৰ্নিৰ্মাণৰ মাজেদি যেনেকৈ সংস্কৃতিৰ ৰূপক উদ্ভাৱন কৰি গাইছিল, 'মোৰে জীৱনৰে সখা কৃষ্ণ', —বিষ্ণুপ্ৰসাদেও অনুৰূপভাৱে মহাদেৱৰ ৰূপকতে সংস্কৃতিৰ তিমিৰ নাশি ৰূপৰ পুনৰ্ভাৱন কৰি গাইছিল, "বিশ্বৰে ছন্দে ছন্দে মহানন্দে আনন্দে নাচা, তমোহৰ দেউ নাচা।" নটৰাজৰ তাণ্ডৱনৃত্যৰ ক্ষেত্ৰত ৰাভাৰ শিল্প-দৃষ্টিৰ কথা আগতে উনুকিয়াই অহা হৈছে। মহাভাৰতত অৰ্জুন আৰু কিৰাতৰূপী মহাদেৱৰ যুদ্ধৰ কথা আছে। যুদ্ধত অৰ্জুনে পৰাজয় বৰণ কৰি মহাদেৱক স্তুতি কৰে। মহাদেৱে পৰাজিত অৰ্জুনে বীৰত্ব স্মৰণ কৰি তেওঁক পাশুপাত অস্ত্ৰ দান কৰে। এই কাহিনীয়ে আৰ্যৰ ওপৰত কিৰাত-দেৱতাৰ অপৰিমেয় প্ৰাধান্য বিস্তাৰ কৰা ঘটনাটোৱেও বিষ্ণু ৰাভাক প্ৰভাৱিত কৰিব পাৰে। এইবোৰ যিয়েই নহওক, অসমৰ সাংস্কৃতিক বৈচিত্ৰ্যত বড়োসকলৰ সমস্ত দানৰ কথা কৈও কিন্তু ৰাভাই কোনো জনগোষ্ঠীয় সংকীৰ্ণতাত ভোগা নাছিল। জন্মসূত্ৰে জনজাতীয় হ'লেও, ৰাভাই বস্তুনিষ্ঠ গৱেষকৰ দৃষ্টিভংগীৰে অসমৰ সংস্কৃতিত মঙ্গোলীয় ভেটিটোৰ বিচাৰ কৰিছিল আৰু তাক "প্ৰগতিৰ অসীম বাটেদি" সোঁত বোৱাই অসমৰ সংস্কৃতিৰ ঘাই সুঁতিয়েদি নি বিশ্ব-সংস্কৃতিৰ মোহনামুখী কৰি দিব খুজিছিল। গতিকে বড়ো হৈ উপজি বিষ্ণু ৰাভাই তেওঁৰ ঐতিহ্যত 'সুন্দৰ শংকৰ'ৰ বিশাল সমুদ্ৰত বুৰ গৈছিল আৰু আন বহুজন অসমীয়াতকৈ অধিক অসমীয়া হৈছিল, প্ৰকৃত ভাৰতবাসী অসমীয়া হৈছিল আৰু প্ৰকৃত বিশ্ববাসী অসমীয়া হৈছিল।

সকলো কলায়েই তাৰ পূৰ্ণতাৰ ফালে অগ্ৰসৰ হওঁতে এটা সঙ্গীতৰ অৱস্থা পাবলৈ আকাংক্ষা কৰে। গদ্যতে লিখক বা পদ্যত ছন্দতে লিখক, সকলো কলাসন্মত ৰচনাই তাৰ পূৰ্ণ বা চূড়ান্ত অৱস্থাত একোটা কবিতা, সি সঙ্গীতধৰ্মী। বিষ্ণুপ্ৰসাদ ৰাভাৰো সকলো ৰচনা যেন এটি গীততে শেষ হৈছে ঃ বিশ্বৰ ছন্দে ছন্দে.....। ❑

# ব্যক্তি আৰু ব্যক্তিত্ব

।। অমলেন্দু গুহ।।

বিগত কেইবাদশকত ব্ৰহ্মপুত্ৰ উপত্যকা তথা অসমীয়া সমাজৰ যিখিনি অগ্ৰগতি ঘটিছে বা অগ্ৰগতিৰ বাটত বাধা-বিঘিনিৰ সন্মুখীন হৈছে, আজি সেইবোৰ কথাৰ মূল্যায়ন বা পৰ্যালোচনা আৱশ্যক।

১৯২৮ চনৰপৰা ১৯৬৯ চনলৈকে যোৱা ৪১ বছৰে অসমৰ ৰংগমঞ্চ, বোলছবি, সাহিত্য, সঙ্গীত, খেলা আৰু ৰাজনৈতিক আন্দোলনক কেন্দ্ৰ কৰি যি অসমীয়া জনজীৱন চলমান, তাৰ অন্যতম সক্ৰিয় অংশীদাৰ আছিল বিষ্ণুপ্ৰসাদ ৰাভা।

অনেক সম্ভাৱনা, পৰস্পৰ বিৰোধ আৰু আংশিক অসম্পূৰ্ণতাৰে সৈতে তেওঁৰ জীৱন বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰেই জীয়া দাপোণস্বৰূপ।

আজিৰপৰা প্ৰায় ১৩০ বছৰৰ আগতেই চাহ-শিল্পৰ সৈতে অসমৰ যোগাযোগ। এই সুদীৰ্ঘ কালছোৱাৰ ভিতৰতে ধনতান্ত্ৰিক বিকাশৰ পথলৈ অসমীয়া সমাজে বহু দূৰলৈকে আগবাঢ়ি যোৱাৰ কথা ; বাগিচাৰ বজাৰৰ আকৰ্ষণত গ্ৰামাঞ্চলৰ কৃষক ধনতন্ত্ৰৰ বিকাশ লাভ হোৱাৰে কথা ; অসমীয়াভাষী সমাজত থলুৱা পুঁজিপতি শ্ৰেণী আৰু বনুৱা শ্ৰেণী গঢ়ি উঠাৰেই কথা আৰু এওঁলোকৰ নেতৃত্ব আৰু পৰস্পৰ বিৰোধিতাৰ জৰিয়তে সমাজ-জীৱনত, বিশেষকৈ সাংস্কৃতিক জীৱনত ট্ৰাইবেল আৰু সামন্ততান্ত্ৰিক মূল্যবোধৰ ঠাইত প্ৰগতিশীল মূল্যবোধ সুপ্ৰতিষ্ঠিত হোৱাৰেই কথা। কিন্তু এইবোৰ একোৱেই নহ'ল।

এই ব্যৰ্থতাৰ মূলত আছে চাহ-শিল্পৰ ঔপনিবেশিক চৰিত্ৰ। বিদেশী নিয়ন্ত্ৰিত চাহ-শিল্পই জন্ম দিলে এক দ্বৈত-অৰ্থনীতিৰ। সমাজৰ ঘাই খুঁটা, যি অসমীয়া খেতিয়ক, তেওঁৰ উৎপাদনক বজাৰমুখী নকৰাকৈয়েই খনি আৰু বাগিচাৰ অৰ্থনীতি সংগঠিত হ'ল। ইয়াৰ চৰিত্ৰ প্ৰায় খাৰুৱা তেলৰ পাইপলাইনৰ দৰেই। ৰাজ্যখনৰ বাহিৰৰপৰা যন্ত্ৰপাতি, বনুৱা আদি লৈ আহি সম্পদৰ সৃষ্টি কৰি সেই সম্পদ এনেভাৱে বাহিৰা ৰাজ্য বা দেশবোৰলৈ চালান দিয়া হৈছিল যে তাৰ ফলত নিচেই কাবত থকা কৃষক সমাজে ইয়াৰ দ্বাৰা প্ৰভাৱিত হোৱা নাছিল। বাগিচা অৰ্থনীতিৰ সৰহভাগ লেনদেন —কেতিয়াবা ৭০-৮০ ভাগ পৰ্যন্ত —ৰাজ্যৰ বাহিৰৰ সৈতে হোৱাৰ ফলত অসমীয়া সমাজ অকণো লাভৱান হোৱা নাছিল আৰু ধনতন্ত্ৰৰ বিকাশ হৈছিল অতি লেহেম। স্থানীয় বুদ্ধিজীৱীইঁতে দেখিলে —তেওঁলোক নিজা ঠাইতে পৰবাসী; সেয়ে জাতীয়তাবোধৰ চেতনাই বাৰে বাৰে আঞ্চলিকতাৰ দ্বাৰাই খণ্ডিত হৈ পৰিছিল।

এই পটভূমিকালৈ লক্ষ্য কৰিলে সমকালীন জীৱনত ৰাভাৰ অৱদানৰ সীমাবদ্ধতা আৰু সম্ভাৱনাৰ তাৎপৰ্য বুজাত সহজ হ'ব।

## অসমৰ প্ৰতীক ৰাভা

ৰাভা যেন অসমৰেই প্ৰতীক। বিভিন্ন ভাষা-ভাষী গণ-জীৱনৰ সৈতে যোগাযোগ আৰু অদ্ভুত সৃজনশীল প্ৰতিভাৰ অধিকাৰী হোৱা সত্ত্বেও নানা ক্ষেত্ৰত প্ৰাথমিক চমক সৃষ্টি কৰি তেওঁ আৰু আগবাঢ়িব পৰা নাই বা নানা সংকটত পৰি তেওঁৰ বহুতো প্ৰচেষ্টা থাকি গৈছে অৰ্ধসমাপ্ত। তথাপি, বিচিত্ৰ সাধনা আৰু বহুমুখী প্ৰচেষ্টাৰ মাজেদি তেওঁৰ লক্ষ্যৰ সেই ঐক্য পাইছে গৈ, যি আজি ভাৰতৰ তথা অসমৰ শোষিত সমাজৰ —শ্ৰমিক, কৃষক আৰু দুখীয়া জনজাতীয় মানুহৰ জীয়াই থকাৰ আন্দোলনৰ কেন্দ্ৰবিন্দু। এই কেন্দ্ৰবিন্দু হ'ল —সাম্যবাদৰ প্ৰতি আকৰ্ষণ।

## কৰ্মময় জীৱন

জন্ম —১৯০৯ চনৰ ৩১ জানুৱাৰী। ঢাকাত তেওঁৰ পিতৃদেৱ ৰায়বাহাদুৰ গোপালচন্দ্ৰ ৰাভা আছিল দ্বিতীয় আসাম ৰাইফলছ বাহিনীৰ চুবেদাৰ মেজৰ; গবৰ্ণৰৰ এডিকং হৈছিল আৰু পাচত O.B.E. উপাধি পাইছিল। সৈনিক স্কুলতেই বিষ্ণুপ্ৰসাদৰ চতুৰ্থ শ্ৰেণীলৈকে গঠন-পাঠন হৈছিল। ১৯১৭ চনত পিতাদেউ স্বৰ্গী হ'ল। ১৯২৬ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰপৰা মেট্ৰিক পাছ কৰি তাৰপিচত যথাক্ৰমে বঙ্গদেশৰ ছেণ্টপলচ, ৰিপন, কোচবেহাৰৰ ভিক্টোৰিয়া আৰু ৰংপুৰৰ কাৰ মাইকেল কলেজত উচ্চশিক্ষা লাভ কৰে। ফিজিক্স অনাৰ্ছ এৰি আৰ্টছ ল'লে। ছেণ্টপলচত আছিল ক্ৰিকেটৰ অধিনায়ক। কোচবেহাৰৰপৰা বিতাড়িত হৈছিল ৰিজেন্টবিৰোধী আন্দোলনত যোগ দি। ৰংপুৰত আছিল হকীদলৰ অধিনায়ক। এইবোৰ হৈ-চৈৰ মাজতেই ১৯৩১ চনত তেওঁৰ অসমাপ্ত কলেজীয়া জীৱনৰ অন্ত পৰিল আৰু সেই চনতেই কলিকতাৰ ভবানীপুৰত Agro Pictures Corporation নামে বোলছবি নিৰ্মাণৰ উদ্দেশ্য লৈ মণি ৰায়ৰ সহযোগত এটি কোম্পানী খুলিলে। যদিও এই Company য়ে শিপা নেমেলিলে তথাপিও ইতিমধ্যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদলৈ চিঠি লিখিলে "জয়মতী" চিত্ৰ নিৰ্মাণৰ সম্ভাৱনা সম্পৰ্কে। জ্যোতিপ্ৰসাদৰ অমৰ সৃষ্টি এই জয়মতীয়েই প্ৰথম অসমীয়া ভাষাৰ চলচ্চিত্ৰ।

১৯৩১ চনত পুলিচ বিভাগত চাকৰি পায়ো গ্ৰহণ নকৰিলে। ককাদেউতাইঁতৰ

ঐতিহ্য তেওঁ এৰিলে। ত্ৰিশ চনৰ জাতীয় আন্দোলনে ডেকা ৰাভাৰ মনত উথল-মাথল লগালে, যেনেকৈ উথল-মাথল লগাইছিল ১৯২৮ চনত কলিকতাৰ Empire Theatre ত অনুষ্ঠিত আনা পাভ্‌লোভাৰ অপূৰ্ব 'ৰাজহাসী নৃত্য'ই। ৰাভা আহিল কামৰূপী ধ্ৰুপদী নৃত্য-গীতৰ প্ৰাণকেন্দ্ৰ বৰপেটালৈ। তাত শিকিলে সত্ৰীয়া নাচ আৰু ওজাপালি গীত। খেলপথাৰ এৰি সংস্কৃতি-চোতালত ভৰি দিলেহি। ১৯৩৩ ৰপৰা ১৯৪০ লৈকে ৰাভাৰ ধ্যান-জ্ঞান আছিল অসমীয়া সংস্কৃতিৰ পুনৰুজ্জীৱন। ১৯৩৪ চনত অনুষ্ঠিত 'জ্যোতিৰ জেউতি আৰু ৰাভাৰ আভা'ৰে উদ্ভাসিত অসম সাহিত্য সভাৰ তেজপুৰ সন্মিলনৰ কথা আজিলৈকে বহুতেই পাহৰিব পৰা নাই। 'বৃহত্তৰ অসমৰ পৰিকল্পনা' প্ৰবন্ধটি তেওঁৰ সেইকালৰ ৰচনা। অৱশ্যে এই প্ৰবন্ধটোত তেখেতৰ অপৈণত ৰাজনৈতিক চিন্তাধাৰাৰ চিন নথকা নহয়। নাটকৰ উপাদানো তেওঁ সংগ্ৰহ কৰিছিল সত্ৰ আৰু নামঘৰ কেন্দ্ৰিক অসমীয়া লোক-সংস্কৃতিৰপৰা। কলিকতাৰ একাধিক গ্ৰামোফোন কোম্পেনীৰ কাৰণে কাম কৰাৰ সুযোগ লৈ তেওঁ অসমীয়া সংস্কৃতিৰ পৰিধি বহল কৰি তুলিছিল। ১৯৩৫ চনত তেওঁৰ সহযোগত জ্যোতিপ্ৰসাদৰ 'জয়মতী' আৰু 'শোণিত কুঁৱৰী' ৰেকৰ্ড কৰা হয়। তাৰপিছতেই প্ৰকাশিত হ'ল ৰাভাই নিজে লিখা আৰু পৰিচালনা কৰা 'বেউলা' নাটকৰ ৰেকৰ্ড। তাৰপিছত ক্ৰমে স্বৰচিত আৰু পৰিচালিত 'ৰতনী', 'বিহুৱতী', 'জন্মাষ্টমী', 'বৰদৈচিলা', 'শংকৰদেৱ' আৰু 'মাধৱদেৱ' নাটকৰ ৰেকৰ্ড ওলাল। সেই কালছোৱাত অসমত জনশিক্ষাৰ কামত ছপাশালতকৈ গ্ৰামোফোন ৰেকৰ্ডৰ ভূমিকা কম নাছিল। নিৰক্ষৰ জনসাধাৰণৰ এক বুজন অংশৰ সৈতে ৰাভাৰ যোগাযোগ ঘটিছিল এই ৰেকৰ্ডৰ যোগেদিহে। তেওঁৰ সুবিপুল জনপ্ৰিয়তাৰ গুৰিতে এই যোগাযোগৰ গুৰুত্ব অপৰিসীম।

## সাহিত্য-ৰাজনীতিৰ ক্ষেত্ৰত

সাহিত্য ক্ষেত্ৰতো ৰাভাৰ অৱদান উল্লেখযোগ্য। তেওঁৰ প্ৰথমযুগৰ এটি প্ৰবন্ধৰ কথা আগতেই কোৱা হৈছে। সেই সময়তেই তেওঁ আন এটি প্ৰবন্ধ লিখিছিল — 'শ্ৰীশ্ৰীশংকৰদেৱৰ বৰগায়ন' আৰু দুখন একাংকিকা 'মাহ' আৰু 'জীৱন নদীৰ সিপাৰে'। পৰৱৰ্তীকালত প্ৰকল্পিত হৈছিল তেওঁৰ নৃত্যনাট্য 'মুক্তি-দেউল' আৰু গল্পৰ কিতাপ 'সোণপাহি' আৰু লগতে দুটি সাৰগৰ্ভ বক্তৃতা : 'অসমীয়া কৃষ্টিৰ চমু আভাস' আৰু 'অসমীয়া কৃষ্টি'। এইবোৰ বাদেও আৰু বহুতো ৰচনা নিজা নামত, ছদ্মনামত অ'ত-ত'ত পৰি আছে। কলিকতাত থাকোঁতে বিখ্যাত 'বাঁহী' আলোচনীৰ 'চিত্ৰলেখা' বিভাগটোৰ দায়িত্ব লৈছিল তেওঁ কিছুদিনৰ বাবে। ডাক-তাঁৰ কৰ্মচাৰীহঁতৰ ট্ৰেড

ইউনিয়নৰ অনুৰোধক্ৰমে তেওঁ 'চিঠি' নামে এখন একাংকিকা লিখিছিল। এইখন অভিনীত হৈছিল, কিন্তু প্ৰকাশিত হোৱা নাছিল। বোলছবিত তেওঁ প্ৰথমে নটসূৰ্য ফণী শৰ্মাদেৱৰ সৈতে যুগ্মভাৱে পৰিচালিত 'চিৰাজ' চিত্ৰত আৰু তাৰ পিচত ড° ভূপেন হাজৰিকা পৰিচালিত 'এৰা বাটৰ সুৰ', 'প্ৰতিধ্বনি', 'মাহুত বন্ধুৰে' আদি চিত্ৰত অভিনয় কৰিছিল। মঞ্চত অভিনয়ৰ সীমা সংখ্যা নাই। পঞ্চাশ বছৰ বয়সৰ ভেওনা পাৰ হৈ যোৱাৰ পিছতো তেওঁ নৃত্য প্ৰদৰ্শন কৰিবলৈ আগবাঢ়ি আহিছিল। তেওঁ ছবিও আঁকিছিল সংখ্যাত সৰহ নহয় যদিও। ভাৰতবৰ্ষ যেতিয়া স্বাধীনতাৰ দুৱাৰডলিত, তেতিয়াই ৰাভাৰ জীৱনত এক বিৰাট পৰিবৰ্তন ঘটিছিল। তেওঁ বিপ্লৱী কমিউনিষ্ট দলত যোগ দি ১৯৪৮ চনতেই অজ্ঞাতবাসী হ'ল। এই কালছোৱাত তেওঁ জংগী কৃষক আন্দোলনত জঁপিয়াই পৰিল। অজ্ঞাতবাসৰ কালছোৱাত তেওঁ গোটেইখন অসমৰ চুকে-কোণে ঘূৰি ফুৰিলে। ধৰা পৰিল ১৯৫২ চনৰ ১৭ জুলাই তাৰিখে। যি হওক —মোকৰ্দমা নিটিকিল, ১৯৫৩ চনতেই মুক্তি পালে। ইয়াৰ পিছত তেওঁ দল পৰিবৰ্তন কৰিছিল ঠিকেই, কিন্তু বাওঁপন্থী মাৰ্ক্সবাদী আন্দোলনৰপৰা কেতিয়াও আঁতৰা নাছিল। ১৯৬২-৬৩ চনত আকৌ তেওঁক বন্দী কৰা হ'ল। কিন্তু ১৯৬২ চনত তেওঁক 'দেশদ্ৰোহী' অপবাদ দি যি তেজপুৰ চহৰত কঁকালত ৰছীৰে বান্ধি নি জেলত ভৰাই থোৱা হৈছিল, সেইখন মহান চহৰৰ মানুহেই তেওঁক ১৯৬৭ চনত ভোট দি এম. এল. এ. নিৰ্বাচিত কৰিছিল।

## খেতিয়কৰ জীৱন-লগৰী

শিল্প-সাহিত্যত 'আধুনিকতা' বোলোতে যি বুজা যায়, ৰাভা তাৰ পৰা বহু আঁতৰত। মাথোন ভঙ্গিৰে নুভুলাই, খেতিয়কৰ জীৱন লগৰী হৈ, 'কৰ্ম আৰু কথাত সত্য আত্মীয়তা' আৰ্জি, মাটিৰ মানুহজন হৈ থাকিবলৈ চেষ্টা কৰিছিল তেওঁ। তেওঁৰ সৃষ্ট ১৯২০-৪০ চনৰ নাটকবিলাক, ১৯৫২-৫৩ চনত জেলত বহি লিখা গল্প আদিত (সোণপাহি) শিল্প কৌশলৰ চিকমিকনি বা নতুনত্ব নথকা বাবে হয়তো বহুতো আধুনিক সমালোচকৰ নাসিকাগ্ৰ কোঁচ খাই উঠিব পাৰে, কিন্তু সাৰল্যৰ বাবেই তেওঁৰ সৃষ্টি অসমৰ জনসাধাৰণৰ মনৰ মণিকোঠাত ঠাই পায়। ৰাভাই যেতিয়াই যিহকে, সৃষ্টি কৰিছিল —নাচেই হওক, গানেই হওক বা নাটকেই হওক —তেওঁৰ লক্ষ্যস্থল আছিল কৃষক সমাজ। ৰাভা তেওঁলোকৰেই গায়ন, বায়ন, সূত্ৰধাৰ। যিখন দেশত শতকৰা ৮০ জন নিৰক্ষৰ, সেই দেশত শিল্পৰ উৎকৰ্ষৰ নামত দুৰ্বোধ্যতাৰ জাল বিস্তাৰ কৰা মহাপাপ। ১৯৩০ চনৰপৰাই সাধাৰণ মানুহে বুজিব পৰাকৈ সাধাৰণ আঙ্গিকৰ হতুৱাই

প্ৰগতিশীল বক্তব্য দাঙি ধৰাৰ গুৰুত্ব সম্বন্ধে ৰাভা পূৰ্ণ-সচেতন। সেয়ে গ্ৰন্থ ৰচনাতকৈ ৰংগমঞ্চ, গ্ৰামোফোন, গণনাট্য আৰু বোলছবিৰ যোগেদি ৰস সৃষ্টিতেই তেওঁৰ উৎসাহ লক্ষ্য কৰা গৈছিল। অসমীয়া ৰাইজৰ চিৰ পৰিচিত সূত্ৰধাৰ, ওজাপালি আৰু ভাওনা ইত্যাদিৰ আংগিকৰ ভেটিত সংস্কৃতি সাধনাৰ ওপৰত তেওঁৰ অগাধ শ্ৰদ্ধা। কিয়নো, মাথোন এইদৰেহে গোটেই দেশখনত উৎসাহৰ জোৱাৰ তোলা সম্ভৱ। সেয়ে জ্যোতিপ্ৰসাদৰ দৰে তেৰোঁ গণনাট্য সংঘৰ মাজত নিজৰ সাধাৰণ পৰিণতি বিচাৰি পাইছিল।

## জাতীয়তা-আন্তৰ্জাতিকতা

সদৌশেষত ৰাভাৰ ব্যক্তিত্বৰ আৰু এটি দিশৰ কথা কওঁ। তেওঁৰ মাজত জাতীয়তা আৰু আন্তৰ্জাতিকতাৰ সমন্বয় মাথোন কথাৰ ফুলজাৰিৰেই নহয়, প্ৰয়োগৰ ক্ষেত্ৰতো বাস্তৱ হৈ উঠিছিল। পিতাকৰ আমোলৰপৰা 'ৰাভা' পদবী লিখিলতো, আচলতে এওঁলোক কছাৰী বা বড়ো জনজাতিৰ মানুহ। ককাক শনিৰাম মোছাহাৰীৰ ঘৰ আছিল কামৰূপৰ ৰাণী গাঁৱত, তেওঁৰ মাতৃহীন কেঁচুৱা গোপালচন্দ্ৰক পোহপাল দিয়ে 'ৰাভা' পদবীধাৰী জনৈক পুলিচ ইন্‌স্পেক্টৰে। তেতিয়াৰেপৰাই এই পদবী। বিষ্ণু ৰাভাই 'ৰাভা' ভাষা শিকিছিল বহু দিনৰ পিচত। ব্ৰহ্মপুত্ৰ উপত্যকাৰ আৰু কেবাটাও ভাষা শিকিছিল তেওঁ বিভিন্ন ভাষিক সম্প্ৰদায় আৰু জনজাতীয়সকলৰ লগত ব্যক্তিগত মিলাজুলাৰ মাজেদি। নেপালীহঁতে তেওঁক নেপালী বুলি ভাবিছিল, কছাৰীসকলে ভাবিছিল কছাৰী বুলি আৰু ময়েই কেতিয়াবা কেতিয়াবা ভাবিছিলোঁ তেওঁ এজন খাঁটি বঙালী বুলি। ৰাভাৰ এই সাৰ্বজনীনতা আমাৰ অৱশ্য শিক্ষণীয়।

## আন মানুহ আৰু ৰাভাৰ পাৰ্থক্য

ধনিক পিতৃয়ে ল'ৰাইতৰ কাৰণে থৈ গৈছিল চহৰৰ ওচৰে-পাঁজৰে ২৫০০ বিঘামান মাটি আৰু বৈঠকী গানৰ নিচা। কিন্তু সম্পত্তি আৰু সঙ্গীতে ৰাভাক ঘৰত বন্দী কৰি ৰাখিব পৰা নাছিল। কৃষক আন্দোলনত যোগ দি সমগ্ৰ অসমৰ গ্ৰামাঞ্চলত ঘূৰি ফুৰিছিল তেওঁ। বিৰাট সম্পত্তিৰ মাত্ৰ কেইবিঘামানহে এতিয়া আৰু অৱশিষ্ট আছে। যিজনৰ পিতৃয়ে পাইছিল Order of British Empire তেওঁৰ লগত গাঁৱলৈ গৈ দেখিছোঁ, কি অপূৰ্ব সহজভাৱে তেওঁ গাঁৱলীয়া মানুহৰ সৈতে একাত্ম হৈ পৰিছিল। কেতিয়াও কোনো বিষয় লৈ অভিযোগ কৰা তেওঁক মই শুনা নাছিলোঁ। ৰাভা আৰু অসমৰ পঞ্চাশজনমান ৰাজনৈতিক কৰ্মীৰ লগত উৰিষ্যাৰ বৰহমপুৰ জেলত একেবাৰে

ছমাহ আছিলোঁ। তাতো দেখিছিলোঁ অন্যান্য বুদ্ধিজীৱী নেতাসকলৰ লগত তেওঁৰ আচাৰ-ব্যৱহাৰৰ পাৰ্থক্য। জেলত তেওঁৰ লগত আটাইতকৈ বেছি অন্তৰংগতা আছিল স্বল্পশিক্ষিত কৃষক-যুবক গণেশ শইকীয়াৰ। জেলত বহিয়েই একাংকিকা লিখিলে আৰু তাৰ নায়কৰ ভূমিকাটোত ৰূপ দিয়ালে সেই কৃষক ডেকাজনৰ হতুৱাই। তেওঁ দবা খেল শিকালে, শিকালে ভলিবল। গণেশৰ জীৱনত এয়ে আছিল প্ৰথম নাট্যাৱতৰণ, দবা খেল, ভলিবল খেলা।

## জন-জীৱনৰ ভড়ালী

বিষ্ণু ৰাভা অসমৰ জনজীৱন আৰু কৃষ্টি সম্পৰ্কে নানান তথ্যৰ ভঁৰাল। এইবোৰ লৈ গৱেষণা কৰাৰ বহুতো পৰিকল্পনা আছিল তেওঁৰ, কিন্তু অৰ্থ সমাপ্ত থাকি গ'ল। কবি বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ ভাষাত আজি আমিও ৰাভাকে কৈ থওঁ —

"তুমি সাৰে আছা, আৰু সাৰে আছে
তোমাৰ তুলিকা জীৱনৰ চিৰসখী।"

**উত্তৰলেখ ঃ**

এই সৰু প্ৰবন্ধটি কুৰি শতিকাৰ অসমৰ প্ৰবাদপুৰুষ, সৰ্বজনশ্ৰদ্ধেয় বিষ্ণু ৰাভাৰ ৬০ তম জন্মদিবস উপলক্ষে লিখা হৈছিল আৰু তেতিয়া গুৱাহাটীৰে এখন পত্ৰিকাত ১৯৬৯ চনৰ ৩১ জানুৱাৰীৰ তাৰিখৰ ওচৰা-উচৰি সময়ত প্ৰকাশিত হৈছিল। ক'ত, এতিয়া মনত নপৰে। মূল অসমীয়াৰপৰা তাৰে ভাঙনি সেই বছৰটিতে কলিকতাৰ সাপ্তাহিক 'কম্পাস' পত্ৰিকাৰ ১ ফেব্ৰুৱাৰীৰ সংখ্যাটিতো প্ৰকাশিত হৈছিল। ৰাভাৰ অকাল বিয়োগৰ পাছত, মূল অসমীয়া ৰচনাটি হাতত নথকা বাবে, প্ৰকাশিত বাংলা প্ৰবন্ধটিক শ্ৰদ্ধেয় হেমাংগ বিশ্বাসে উদ্যোগী হৈ কাৰোবাৰ হতুৱাই অসমীয়ালৈ পুনৰ ভাঙি, 'আমাৰ প্ৰতিনিধি'ৰ ১৯৬৯, আগষ্ট সংখ্যাত ছপোৱাৰ ব্যৱস্থা কৰিছিল। এই গ্ৰন্থত সেইটোৱে পুনৰ মুদ্ৰিত হ'ল।

আৰু এটি কথা। কল্পিত বহু কাহিনীৰ লগত প্ৰবাদপুৰুষ ৰাভা জড়িত হৈ পৰিছে। এতিয়ালৈকে প্ৰকাশিত কোনো জীৱনী বা স্মৃতিকথাই ৰাভা সম্পৰ্কে সেইবাবে প্ৰামাণ্য নহয়। কেতিয়াবা হয়তো তেনে প্ৰামাণ্য জীৱনী লিখা হ'ব। কিন্তু এইটো কথাও ঠিক যে এজন মানুহ সম্পৰ্কে কল্পকথা (myth) শূন্যত নোপজে। তেনে কল্পকথাত বিবৃত ঘটনাটো আক্ষৰিক অৰ্থত সঁচা নহ'লেও, নিৰ্দিষ্ট পৰিস্থিতিৰ নৈতিক

তাৎপৰ্যক প্ৰতিফলিত কৰিব পাৰে। স্মৃতিচাৰকসকলৰ দ্বাৰা কথিত ৰাভাৰ ৰোমাণ্টিক জীৱনীৰ নানা কাহিনী এইদৰে প্ৰামাণ্য জীৱনীৰ বাবেও অৰ্থপূৰ্ণ হৈ থাকিব। ৰাভা আৰু তেখেতৰ সম্পৰ্কে কল্পকথা —উভয়ৰে স্ৰষ্টা ৰাইজ।

যিকি নহওক, বৰ্তমান চুটি ৰচনাটি বহৰমপুৰ বন্দীশালত ৰাভাৰ পৰা পোৱা তথ্যপাতিৰ ভিত্তিতে লিখা। তেখেতৰ লগত লেখকৰ ব্যক্তিগত পৰিচয় ১৯৫৩ চনৰ পৰা। ১৯৫৫ চনত মোৰ বাংলা কাব্যগ্ৰন্থ "লুইতপাৰেৰ গাথা"ৰ বেটুপাত আঁকি দিছিল তেখেতে। পৰৱৰ্তী কালত গণনাট্য সংঘৰ আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টিত তেখেতে সক্ৰিয়ভাৱে যোগ দিয়াৰ ফলত, এই পৰিচয় কৰ্মসূত্ৰত ঘনিষ্ঠতাত ৰূপান্তৰিত হৈছিল। ১৯৬২-৬৩ চনত বিষ্ণু ৰাভাৰ লগত ছয় মাহৰ কাৰাবাস মোৰ জীৱনৰ এটি অবিস্মৰণীয় অভিজ্ঞতা। এতিয়াও মনত পৰে বন্দীদশাৰ প্ৰথম ৰাতিটো পুৱাইছিলো ওচৰতে শুই থকা তেখেতৰ উদাত্ত কণ্ঠৰ গীতেৰে। তেখেতে গাইছিল বিহাৰৰ দেহাতী ভাষাত লোকগীতি এফাকি। ১৯৬৩ চনতে বহৰমপুৰ বন্দীশালত অসমৰ প্ৰায় অৰ্ধশত ৰাজবন্দীৰ উপস্থিতিত তেখেতৰ ৫৪ তম জন্মদিবস উদ্‌যাপিত হৈছিল। ❑

# অসমৰ শিল্পী সৈনিক ঃ বিষ্ণু প্ৰসাদ ৰাভা

।। হেমাংগ বিশ্বাস ।।

অসমত এটা কথা আছে 'জ্যোতিৰ জ্যোতি, ৰাভাৰ আভা'। জ্যোতিৰ জ্যোতি সম্পৰ্কে আগতেই কোৱা হৈছে। এইবাৰ 'ৰাভাৰ আভা' সম্পৰ্কে কিছু কম।

১৯৪৮-৫১ চনৰ কথা। এজন পলাতকক লৈ অসম চৰকাৰ ব্যতিব্যস্ত। তেওঁক ধৰি দিব পাৰিলে পুৰস্কাৰৰ টকাৰে এজন মানুহ নিশাটোৰ ভিতৰতে ধনী হৈ উঠিব পাৰে। গাঁৱে গাঁৱে ঘাইকৈ উপজাতি অধ্যুষিত অঞ্চলসমূহত পাইকাৰী হাৰত নিৰ্মম অত্যাচাৰ চলিল —ৰাভাৰ সন্ধান উলিয়াবৰ কাৰণে। তেতিয়া সমগ্ৰ অসমতে কমিউনিজমৰ ওপৰত নিৰ্যাতনৰ ষ্টীম ৰোলাৰ চলিছে। বিপ্লৱী কমিউনিষ্ট পাৰ্টি তেতিয়া অত্যন্ত সক্ৰিয়। পুলিচৰ সৈতে সশস্ত্ৰ সংগ্ৰামৰ কাহিনী কিংবদন্তিৰ দৰে মানুহৰ মুখে মুখে। তাৰ ভিতৰত বেছি প্ৰচলিত কাহিনীৰ নায়ক হ'ল বিষ্ণু প্ৰসাদ ৰাভা।

পাঁচ বছৰ কাল গৰিব কৃষকৰ ঘৰে ঘৰে আত্মগোপন কৰি থাকি অৱশেষত সামান্য অসতৰ্কতাৰ কাৰণে ৰাভা ধৰা পৰিল। পুলিচ মহলে স্বস্তিৰ নিশ্বাস পেলালে। কিন্তু মস্কিল হ'ল —পুলিচৰ গুদামত যিমানবিলাক হাত-কেৰেয়া আছিল তাৰ এডালেৰেও ৰাভাক বান্ধিব নোৱাৰি —ইমানেই আছিল ৰাভাৰ, হাতৰ কব্জি। শেষত উপায় নাপাই কঁকালত পঘাৰে বন্দুক-বেয়নেটেৰে, ঘেৰি ধৰি জেললৈ নিয়া হ'ল ৰাভাক। এইজনেই হ'ল বিষ্ণু ৰাভা (artist in arms)।

সেউজীয়া ঘাঁহনিৰে ঘেৰা অসমৰ কোমল ৰঙা মাটি ভেদ কৰি মাজে মাজে মূৰ দাঙি থিয় হৈ আছে সৰু গ্ৰেনাইট শিলৰ পাহাৰ। আমাৰ সকলোৰে অতি প্ৰিয় 'বিষ্ণুদা'ও আছিল ঠিক তেনে। লোহাৰ খুঁটাৰ দৰে কঠিন পেশীৰে হাত-ভৰি, বহল বুকু, দীৰ্ঘকায় আৰু তিব্বতো বৰ্মন ৰাভাৰ উপজাতিৰ চেপেটা গঢ়ৰ, মুখ, সপোন সনা এযুৰি চকু। কণ্ঠস্বৰত উদাৰাৰ খৰজ গম্ভীৰতা।

অসমৰ প্ৰাচীনতম সংস্কৃতিৰ বাহক যি উপজাতিয়ে অসম উপত্যকাৰ পলস কোমল মাটিত সংস্কৃতিৰ প্ৰথম বীজ সিঁচিছিল সেই জাতিৰ নাম হ'ল 'বডো' বা 'বড়ো'। সেই বড়োসকলৰে এটা ঠাল হ'ল ৰাভাসকল। ভাষা, সংগীত, পিন্ধা-উৰা সকলোতে তেওঁলোকে নিজ বৈশিষ্ট্য আজিও জীয়াই ৰাখিছে। এই বড়ো জাতিৰ গোষ্ঠী লালুং, ডিমাচা, চুটিয়া, গাৰো, কছাৰী। সমগ্ৰ অসমজুৰি সিঁচৰতি হৈ আছে এই বিভিন্ন গোষ্ঠীৰ মানুহ। কিন্তু বিষ্ণুপ্ৰসাদ ৰাভা হ'ল অসমৰ উপত্যকাৰ সমগ্ৰ

জাতিৰে প্ৰতিভূ। তেওঁৰ গাত অসমৰ মাটিৰ গোন্ধ। অসমৰ গাঁও, বন, পৰ্বত-পাহাৰৰ বিষয়ে আন কোনেও ৰাভাৰ দৰে ইমান নিবিড়ভাৱে নাজানিছিল। সেইবাবেই উচ্চ শিক্ষিত ৰাভাক দেখা যায় ভিতৰ গাঁৱত বড়োসকলৰ সমুহীয়া নাচ 'দাও থং লংমাইত'। দেখা যায় তেওঁলোকৰ উৎসৱৰ লাওপানীৰ খোলাত। আকৌ সেই একেজন ৰাভাকেই দেখা যায় বিৰাট জনসভাত —হাজাৰ হাজাৰ বিক্ষুব্ধ জনতাৰ মাজত, জনতাৰ প্ৰতিনিধি হিচাপে।

জন্ম ১৯০৯ চনত ঢাকাত। দেউতাক ইষ্টাৰ্ণ ৰাইফলছৰ চুবেদাৰ মেজৰ; তেতিয়াৰ পূৰ্ববঙ্গ আৰু অসমৰ গবৰ্ণৰৰ এডিকং চৰ্দাৰ বাহাদুৰ গোপাল চন্দ্ৰ ৰাভা। তেজপুৰৰপৰা মেট্ৰিক পাছ কৰি কলিকতাৰ ছেন্ট পলছ্ কলেজত নাম লগালেগৈ ৰাভাই। তাৰপৰা আই, এছ, ছি পাছ কৰি বিপন কলেজলৈ গ'ল। কিন্তু কিছুদিন পিছত বিপন কলেজ এৰি থৈ কোচবেহাৰৰ ভিক্টোৰিয়া কলেজলৈ আহিল আৰ্টছ পঢ়িবলৈ। কলেজীয়া জীৱনত ৰাভা আছিল দক্ষ খেলোৱাৰ। কোচবেহাৰত থাকোঁতেই ৰাভা আকৃষ্ট হ'ল স্বদেশী আন্দোলনৰ প্ৰতি আৰু ক্ৰমে তেওঁ ছাত্ৰ সমাজৰ নেতা হৈ উঠিল, সেই সময়ত কোচবিহাৰত দুজন বিষয়াৰ বিৰুদ্ধে জন-বিক্ষোভৰ সৃষ্টি হৈছিল। এজন আছিল হাকিমন আৰু আনজন আছিল ৰাজদেৱান খাস্তগীৰ। হঠাৎ এদিন পুৱা ৰাজপ্ৰাসাদৰ প্ৰধান দুৱাৰত দেখা গ'ল আঠা মাৰি থোৱা এখন কাগজ। লিখা আছিল —

ৰাজ্যে আছে দুইটি পাঠা
একটি কালো একটি সাদা
ৰাজ্যেৰ যদি মংগল চাও
দুইটি পাঠাই বলি দাওঁ।।

এজন অসমীয়া ছাত্ৰই বঙালীত এনে সুন্দৰ ছড়া লিখি প্ৰহৰীৰ চকুত ধূলি মাৰি একেবাৰে যে ৰাজদুৱাৰত লগাই থৈ আহিব পাৰে তেনে কথা কোনে ভাবিব পাৰে? যিয়েই নহওক কোচবেহাৰৰপৰা ৰাভা বিতাড়িত হ'ল। আৰম্ভ হ'ল ৰাভাৰ ৰাজনৈতিক জীৱন।

ইতিমধ্যে ৰাভাৰ জীৱনত এটা উল্লেখযোগ্য ঘটনা ঘটিল। ১৯২৮ চনত ৰাভা যেতিয়া কলিকতাত, বিশ্ববিখ্যাত কছ বেলেৰিনা আনা পাভলোভাই কলিকতাত নাচ পৰিবেশন কৰিছিলহি। আনাৰ 'মুমূৰ্ষু ৰাজহংস' নৃত্য দেখি ৰাভা ইমান মুগ্ধ হ'ল যে তেওঁ আনাক দেখা কৰি তেওঁৰ সংগী হ'বৰ ইচ্ছা প্ৰকাশ কৰিলে। আনাই ৰাভাৰ ঋজু বলিষ্ঠ অথচ ছন্দোময় দেহ দেখি মুগ্ধ হয়। কিন্তু তেওঁ ৰাভাক এনে এষাৰ কথা ক'লে যি ৰাভাৰ শিল্পী জীৱনত নতুন দিগন্তৰ দুৱাৰ মুকলি কৰি দিলে। আনাই

কৈছিল, তোমালোকৰ দেশৰ মন্দিৰৰ গাত অ'ত-ত'ত যি নৃত্য আবদ্ধ হৈ আছে তুমি সেইবিলাক পোহৰলৈ আনা। বিলাতত চিত্ৰশিল্পৰ ছাত্ৰ উদয়শংকৰক ভাৰতীয় নৃত্য আন্দোলনৰ পুৰোধা হিচাপে আনা পাভ্‌লোভাই ৰূপান্তৰিত কৰাৰ কাহিনী হয়তো বহুতেই জানে, কিন্তু অন্যৰ কথা দূৰতে থাওক বহুতো অসমীয়াই নাজানে অসমত নৃত্য উদ্ভাৱনৰ ক্ষেত্ৰত আনা পাভ্‌লোভাৰ দান কিমান।

## সুন্দৰৰ পথত শিল্পীৰ যাত্ৰা

অসমলৈ ঘূৰি আহি ৰাভাই অসমীয়া নৃত্যৰ সন্ধানত ওলাল। বৰপেটাৰ 'ওজাপালি' নাচ দেখি তেওঁ আকৃষ্ট হ'ল। ওজাপালি সেই সময়ত ভদ্ৰসমাজত অপাংক্তেয়। অথচ অসমীয়া নৃত্যই কেবল নহয়, নাটকৰো আদিমাতা এই ওজাপালিয়েই। ইয়াৰ অন্তৰ্নিহিত সম্ভাৱনা বুজিব পাৰি ইয়াৰ প্ৰচাৰত ৰাভা ব্ৰতী হ'ল। ওজাপালিক নতুন মৰ্যাদাৰে পুনঃ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ৰাভাৰ দান অসামান্য। ইয়াৰ পিছত তেজপুৰত উচ্চাংগ সংগীত আৰু নৃত্য চৰ্চাত কিছুদিন আত্মনিয়োগ কৰে। মধ্যযুগৰ অসমৰ সমাজ সংস্কাৰক আৰু ধৰ্ম প্ৰচাৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ প্ৰতিষ্ঠিত মহাপুৰুষীয়া ধৰ্মৰ কেন্দ্ৰ বিভিন্ন সত্ৰসমূহৰ ভকতসকলৰ মাজতেই অসমীয়া ক্লাছিকেল নৃত্যৰ ধাৰা আবদ্ধ হৈ আছিল। ইয়াৰ বহুল প্ৰচাৰ আৰু মঞ্চোপযোগী কৰাৰ কাৰণে যি কেইজন ডেকাই দেহে-কেহে লাগিছিল, ৰাভা আছিল তাৰ অন্যতম। তেওঁলোকে প্ৰতিষ্ঠা কৰা 'কামৰূপী নৃত্যসংঘ'ই প্ৰথম পুব আৰু উত্তৰ ভাৰতত বহু সহস্ৰ দৰ্শকৰ আগত অসমীয়া, উচ্চাংগ সত্ৰীয়া নাচ দেখুৱাই অসমৰ প্ৰাচীন নৃত্য সম্পদৰ বিষয়ে লোকচক্ষুত দাঙি ধৰে। ৰাভাৰ 'শিৱ তাণ্ডৱ' নৃত্য আছিল এক প্ৰধান আকৰ্ষণীয় বস্তু। বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ এক বিশেষ সাংস্কৃতিক অনুষ্ঠানলৈ আমন্ত্ৰিত ৰাভাই তাত অসমৰ বিভিন্ন সত্ৰীয়া নাচ নাচি সকলোকে মুগ্ধ কৰে আৰু ভাইচ চেন্সেলাৰৰদ্বাৰা বিশেষভাৱে পুৰস্কৃত হয়।

ইয়াৰ মাজতে ৰাভাৰ এক চাঞ্চল্যকৰ চিত্ৰই সমগ্ৰ অসমতে তোলপাৰ লগায় আৰু প্ৰচণ্ড বিতৰ্কৰ সৃষ্টি কৰে। বংগদেশত শ্ৰীচৈতন্যৰ অনেক ছবি আছে কিন্তু তেওঁৰ সমসাময়িক (চৈতন্যৰ কেইবছৰমান আগতে তেওঁৰ জন্ম) শ্ৰীমন্ত শংকৰৰ কোনো ছবি নাই, আৰু কেৱে আঁকিবলৈকো সাহস কৰা নাই। ৰাভাই নিজ কল্পনাৰে শংকৰৰ এখন ছবি আঁকে। দুখৰ বিষয় সেই ছবিখন এতিয়া আৰু পোৱা নাযায়। ইয়াৰ পাছত অসমৰ ইমূৰৰপৰা সিমূৰলৈ ঘূৰি ৰাভাই অসমৰ লোক-সংস্কৃতিৰ বহু মূল্যবান নিদৰ্শন সংগ্ৰহ কৰে। উদ্দেশ্য আছিল এটা নেচনেল মিউজিয়াম প্ৰতিষ্ঠা কৰা। কিন্তু অনবৰতে

অ'ৰ পৰা ত'লৈ ঘূৰি ফুৰা বাবে আৰু তেওঁৰ আৰ্থিক দৈন্যৰ কাৰণে ইয়াৰ বহু নষ্ট হৈ যায়।

অসমত সংগীতৰ ক্ষেত্ৰত ৰাভাৰ দান অতুলনীয়। প্ৰথমে তেওঁ আছিল ৰবীন্দ্ৰ সংগীতৰ অনুৰাগী। ছাত্ৰ জীৱনতে শান্তি নিকেতনত গৈ তেওঁ দীনেন্দ্ৰ নাথ ঠাকুৰৰ ওচৰত এই বিষয়ে উপদেশ লৈছিলগৈ। দীনেন্দ্ৰ নাথে তেওঁক এই গান শিকায় —"আজি মৰ্মৰধ্বনি কেন জাগিলৰে।" হিমাংশু দত্ত সুৰ সাগৰ আছিল ৰাভাৰ সহপাঠী বন্ধু। তেওঁৰ পৰাও ৰাভা যথেষ্ট উপকৃত হয়। কলিকতাৰ চেনোলা কেম্পানী আৰু পিছত এইচ, এম, ভি'ৰ অসমীয়া গীতৰ পৰিচালক হৈ ৰাভাই গ্ৰামোফোন ৰেকৰ্ডৰ মাধ্যমেৰে সমগ্ৰ অসমতে অসমীয়া গীতৰ প্ৰচলনত সাহায্য কৰে। চেনোলা কোম্পানীতে জ্যোতিপ্ৰসাদৰ লগ লাগি জ্যোতিৰ "শোণিত কুঁৱৰী" আৰু বেজবৰুৱাৰ "জয়মতী" নাট দুখন সম্পূৰ্ণ ছেঁটত কৰি উলিয়ায়। তাৰ পিছতো চেনোলা কোম্পানীৰ পৰাই তেওঁ নিজ পৰিচালনাত 'বেউলা', 'বিহুৱতী', 'ৰতনী', 'শংকৰদেউ', 'মাধৱদেউ' প্ৰভৃতি স্বৰচিত পাঁচখন নাটক আৰু পিছত এইচ. এম. ভি-ৰপৰা 'বৰদৈচিলা' ৰেকৰ্ড কৰোবায়। তেতিয়া অসমত গণপ্ৰচাৰৰ একমাত্ৰ মাধ্যম আছিল গ্ৰামোফোন ৰেকৰ্ড। সেইবাবে, ঘাইকৈ গাঁও অঞ্চলত ইয়াৰ অৱদান আছিল অসামান্য।

স্বনামধন্য চিত্ৰ পৰিচালক নটসূৰ্য ফণী শৰ্মা আৰু বিষ্ণু ৰাভাৰ আজীৱন বন্ধুত্ব আৰু কৰ্ম সাধনাই অসমৰ মঞ্চ আৰু চলচ্চিত্ৰৰ ক্ষেত্ৰত এক অবিনশ্বৰ অধ্যায় প্ৰতিষ্ঠা কৰিছে। অসমৰ নাট্য আন্দোলনৰ মধ্যমণি তেজপুৰৰ বাণ ষ্টেজত ৰাভা আৰু সেই সময়ত ৰাভাই ঘাইকৈ 'কাৰাগাৰ', 'নাদিৰ চাহ' প্ৰভৃতি পৌৰাণিক বা ঐতিহাসিক নাটকৰ নায়কৰ ভূমিকাত সাৰ্থক অভিনয় কৰিছিল। পিচলৈ আধুনিক নাট্যশৈলীৰ সামাজিক নাটকতো তেওঁ সমান দক্ষতা প্ৰদৰ্শন কৰিছিল। ফণী শৰ্মা পৰিচালিত 'চিৰাজ' নাটকত বিবেকবান চাকৰ 'আঘোণা', 'কিয়' নাটকত কছাৰী চাকৰ 'গেঠু'ৰ ভূমিকাত ৰাভাৰ অভিনয় অবিস্মৰণীয়। চলচ্চিত্ৰৰ ক্ষেত্ৰতো ৰাভাৰ সমানেই অৱদান। ১৯৩১-৩২ চনতেই কলিকতাত Agro Picture Corporation নাম দি ফিল্ম কৰাৰ ক্ষেত্ৰত ৰাভা বহুদূৰ আগবাঢ়িছিল, কিন্তু টকা-পইচাৰ অভাৱত পিছত এই প্ৰচেষ্টা ত্যাগ কৰিব লগা হ'ল। ইয়াৰ পিছত অসমৰ অন্যতম শ্ৰেষ্ঠ ছবি 'চিৰাজ'ৰ পৰিচালক ফণী শৰ্মাৰ সহযোগী হয় আৰু 'পিয়লি ফুকন' আদি ছবিৰ ৰূপসজ্জা, চিনাৰিও প্ৰভৃতিৰ ক্ষেত্ৰত তেওঁক সহায় কৰে। কিন্তু তাতোকৈও উল্লেখযোগ্য অসমীয়া ছবিত তেওঁৰ উপজাতীয় গাঁওবুঢ়া বা গাঁৱলীয়া খেতিয়কৰ ভূমিকাত ৰবা অদ্বিতীয় অভিনয়। ড° ভূপেন হাজৰিকা পৰিচালিত 'এৰাবাটৰ সুৰত' গাঁৱলীয়া খেতিয়ক ভুজলুংকোইৰ ভূমিকাত ৰাভাৰ অভিনয় যি দেখিছে তেওঁ মাটিৰ অসমক দেখিছে। হাজৰিকাৰ 'মাহুত বন্ধুৰে'

ছবিত সংক্ষিপ্ত অভিনয়ৰ ভিতৰতো আমি ৰাভাৰ আভা দেখিবলৈ পাওঁ। খাটীয়া জীৱন লৈ কৰা হাজৰিকাৰ "প্ৰতিধ্বনি"ত চিয়েমৰ ভাৱত কৰা ৰাভাৰ নিখুঁত অভিনয় দেখি খাটীয়া জনসাধাৰণো বিস্মিত হয়।

## ৰাভাৰ ৰূপান্তৰ

এই গণ-শিল্পীৰ সাৰ্থক আৰু অনিবাৰ্য পৰিণতি আছিল মাৰ্ক্সবাদ-লেনিনবাদত দীক্ষা গ্ৰহণ। আলোচনা প্ৰসংগত ৰাভাই মোক কৈছিল যে মাৰ্ক্সবাদ-লেনিনবাদে তেওঁৰ চঞ্চল, অস্থিৰ শিল্পী জীৱনলৈ আনিছে সাগৰ সংগমৰ পূৰ্ণতা আৰু গভীৰতা। ৰাভাৰ মাৰ্ক্সবাদ গ্ৰহণ অসমৰ সাম্যবাদী আন্দোলনৰ ক্ষেত্ৰত এক বিৰাট পদচিহ্ন। বিমূৰ্ত মানৱতাবাদ আৰু গণচেতনাৰপৰা ৰাভা উত্তীৰ্ণ হ'ল আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণীৰ মূৰ্ত মানৱতাবাদলৈ। প্ৰলিটেৰিয় মানৱতাবাদত ৰাভাই বুজিছিল, যিমান দিন মানুহ শোষক-শোষিতত বিভক্ত হৈ থাকিব সিমান দিন 'সৰ্বমানৱৰ কল্যাণ' বুলি একো কথা থাকিব নোৱাৰে। মাৰ্ক্সবাদৰপৰা তেওঁ শিকিলে, শ্ৰেণী বিভক্ত সমাজত শ্ৰেণী-সংগ্ৰামেই হ'ল ইতিহাসৰ ৰথ। সেই সমাজত শ্ৰেণী সমন্বয় সম্ভৱ নহয়। শোষকৰ ধ্বংস অবিহনে শোষিতৰ মুক্তি অসম্ভৱ। শোষকক ঘৃণা নকৰাকৈ শোষিতক ভাল পাব নোৱাৰি। আজিৰ পৃথিৱীত মাত্ৰ দুটা ধ্যান-ধাৰণাহে আছে : এক বিশ্ব শ্ৰমিক শ্ৰেণীৰ মাৰ্ক্সীয় সাম্যবাদ আৰু আনটো হ'ল পুঁজিবাদী সমাজ ব্যৱস্থাক জীয়াই ৰখাৰ ধ্যান-ধাৰণা। ইয়াৰ উৰ্দ্ধলৈ কোনো উঠিব নোৱাৰে। অসমৰ শিল্পী-সাহিত্যিক সমাজত ইয়াকে লৈ আৰম্ভ হ'ল এক নতুন বৈপ্লৱিক চিন্তাৰ আলোড়ন। তাৰ প্ৰভাৱতেই ভূপেন হাজৰিকাই তেওঁৰ প্ৰথম গান ৰচনা কৰে :

'অগ্নিযুগৰ ফিৰিঙতি মই
নতুন ভাৰত গঢ়িম
নৰকংকালৰ অস্ত্ৰ হানি
শোষণকাৰীক বধিম।'

ইয়াৰ প্ৰভাৱ কিমান সুদূৰপ্ৰসাৰী আছিল তাৰ শ্ৰেষ্ঠ প্ৰমাণ অসমৰ অন্যতম শ্ৰেষ্ঠ কবি ঔপন্যাসিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কাৰাৰুদ্ধ ৰাভাক উদ্দেশ্য কৰি লিখা কবিতাটো। অসমীয়া আধুনিক কাব্য সাহিত্যত এই কবিতাটি চিৰন্তন দিগদৰ্শনস্বৰূপ। কবিতাটি হ'ল :

বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি?
তুমি সাৰে আছা, সাৰে আছে আৰু

জাগ্ৰত জনতা, নিদ্ৰাবিহীন ৰাতি
বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি,
ৰাজপথ জুৰি নৱ উন্মেষ ধ্বনি
হেজাৰজনৰ অবিৰাম কুৰুলি
মাজ নিশা কোনে মৰিশালি জুৰি চিঞৰি উঠে
কল্লোল বন্ধু জীৱনৰ কল্লোল!
'ডাচ কেপিটেল' এঘাৰ পৃষ্ঠা বাকী।

নতুন জীৱন দৰ্শন গ্ৰহণৰ পিছত ৰাভাই 'মুক্তি দেউল' আৰু 'পৃথিৱীৰ নতুন যুগ' নামেৰে দুখন নৃত্যনাট্য ৰচনা কৰে। পৰৱৰ্তী সময়ত প্ৰকাশিত সৰু গল্প সংকলন 'সোণপাহি'ৰ পাণ্ডুলিপি প্ৰস্তুত কৰে। সেই সময়তে ৰচনা কৰা তেওঁৰ বিপ্লৱী গীতসমূহ অসমৰ সংগ্ৰামী কৃষক জনগণৰ কণ্ঠত অমৰ হৈ আছে। তেৱেঁই প্ৰথম অসমত শ্ৰমিক-কৃষকৰ শ্ৰেণীৰ ৰঙা পতাকাৰ গীত ৰচনা কৰে :

"কাৰখানা-কল আমাৰ সৃজন
পথাৰ সুবহল
তেওনো কিয় আমাৰ এনে
আলৈ বিলৈ হ'ল।
অ' বনুৱা সমনীয়া আগবাঢ়ি যাওঁ ব'ল।
ৰঙা তেজৰ নিচানটি লৈ আগবাঢ়ি যাওঁ ব'ল।"

১৯৬২ চনত সীমান্ত সংঘৰ্ষৰ সময়ত ৰাভাক পঘাৰে বান্ধি প্ৰকাশ্যে ৰাজ পথেদি পুলিচে লৈ গৈছিল। কেইদিনমান আগতহে ৰাভাৰ পত্নী বিয়োগ ঘটিছিল। দুটি শিশু সন্তানক অসহায় অৱস্থাত পেলাই থৈ তেওঁক লৈ যোৱা হ'ল সুদূৰ উৰিষ্যাৰ বহৰমপুৰলৈ। আচৰিত কথা, তেতিয়া অসমৰ আধুনিক শিল্পী-সাহিত্যিকসকলৰ ফালৰপৰা কোনো প্ৰতিবাদ ধ্বনিত নহ'ল, বৰঞ্চ বুৰ্জোৱা জাতি-বিদ্বেষৰ পথ বাছি লৈ চৰকাৰী আদেশৰ দাস হৈ নিজকে 'পেট্ৰিয়ট' প্ৰমাণ কৰাত লাগি গ'ল। কিন্তু ৰাভাতকৈ ডাঙৰ 'পেট্ৰিয়ট' কোন হ'ব পাৰে? যেই হওক এনে অৱস্থাতো, এনে পৰিণত বয়সতো ৰাভাৰ মনৰ বল কমা নাছিল। জেলৰ ভিতৰতে এখন একাংকিকা, কেইবাটাও গান লিখে আৰু ৰবীন্দ্ৰনাথৰ এখন প্ৰতিকৃতি অংকন কৰে।

অপৰাজেয় জীৱন শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা। ৰাভাৰ জীৱন লৈ শ্ৰীআৰতি ঠাকুৰে শুভ ঠাকুৰ সম্পাদিত "সুন্দৰম্"ত কিছুদিনৰ আগতে এখনি পূৰ্ণাংগ উপন্যাস লিখিছে। তাত তেওঁ দেখুৱাবৰ চেষ্টা কৰিছে যে ৰাভাই ৰাজনৈতিক পথ পৰিত্যাগ কৰি শিল্পী ৰাভালৈ ৰূপান্তৰিত হৈছিল। কিন্তু শ্ৰীমতী ঠাকুৰে ৰাভাৰ জীৱনৰ মৰ্মকথা কণমানো

উপলব্ধি কৰিব পৰা নাই। গণ-বিপ্লৱৰ জীৱন দৰ্শন বাদ দি যে আজি কোনো শিল্পীয়েই মহান হ'ব নোৱাৰে এই কথা ৰাভাই বিশ্বাস কৰিছিল। আজি অসমৰ শিল্পী-সাহিত্যিকসকলৰ এক বিৰাট অংশয়েই চৰকাৰৰ অনুগ্ৰহ প্ৰাৰ্থী; যি চৰকাৰে জনসাধাৰণৰ জীৱনলৈ আনিছে সৰ্বতোমুখী সৰ্বনাশ। এওঁলোকৰ মাজৰে একোজন আকৌ আমেৰিকামুখী আৰু কমিউনিজমৰ বিৰুদ্ধে ভাৰাতীয়া লেখক হিচাপেও নিযুক্ত। অসমৰ বানপীড়িত, অনাহাৰী জনসাধাৰণৰপৰা সম্পূৰ্ণ আঁতৰি থাকি এইসকল শিল্পী-সাহিত্যিকে যেতিয়া কবিতাত ক্ষয়িষ্ণু আত্মমগ্ন দুৰ্বোধ্যতাৰ জাল গুঠিছে আৰু গল্প-উপন্যাসত মধ্যবিত্তৰ অৱক্ষয়ী অসুস্থ মানসিকতাৰ মনস্তত্ত্ব বিশ্লেষণত ব্যস্ত সেই সময়ত ৰাভাৰ বলিষ্ঠ জীৱনবেদ ইয়াৰ বিপৰীতে এক বিস্ময়কৰ চেলেঞ্জ।

যদি ৰাভা কণমানো চৰকাৰী অনুগ্ৰহ প্ৰাৰ্থী হ'লহেঁতেন তেওঁৰ কোনো প্ৰকাৰ অভাৱেই নাথাকিলহেঁতেন।

কিন্তু ৰাভাই বাছি ল'লে দাৰিদ্ৰ্যৰ পথ। অসমৰ লক্ষ লক্ষ দৰিদ্ৰ জনতাৰ শিল্পীৰ পথ ইয়াতকৈ ভিন্ন হ'ব নোৱাৰে।

যোৱা বহাগত মধ্য গুৱাহাটী বিহু সন্মিলনত বিষ্ণুপ্ৰসাদৰ ভাষণ শুনিছিলোঁ ঃ

"আপোনালোকে মোক জীৱন শিল্পী বুলি কয়। যদি প্ৰকৃততে মই জীৱন শিল্পী হওঁ সেয়া ভগৱানৰ কৰুণাত নহয়, জনতাৰ সৃজনী শক্তিতহে। 'শিল্পী' কথাষাৰ আজিকালি বৰ সহজ হৈ পৰিছে। কিন্তু শিল্পী হ'বলৈ হ'লে ঝঞ্ঝা বিজয়ী আত্মাৰ অধিকাৰী হ'ব লাগিব। প্ৰশান্ত মহাসাগৰত ডুব মাৰি অসংখ্য শামুক বুটলিব পৰা দুঃসাহস আৰু দুৰ্বাৰ শক্তি থাকিলেহে আজি আৰ্টৰ মুক্তা লাভ কৰা সম্ভৱ।"* ❑

---

* কম্পাচ, শাৰদীয় সংখ্যা (১৩৭৩), কলিকতা

অসমীয়া অনুবাদ, 'সাম্প্ৰতিক সাময়িকী', ৰাভা সংখ্যা ১৯৭৮, গুৱাহাটী।

# পথৰ সঞ্চয়

## ।। হ্যাৰুণ আলী, দীঘেলী (টিহু)।।

১৯৪৯ চনত বিপ্লৱী বিষ্ণুপ্ৰসাদ ৰাভাক প্ৰথম লগ পাওঁ। আত্মগোপন কৰি থকা কালত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সংগঠন গঢ়ি তোলাৰ উদ্দেশ্যে বেলশৰৰ প্ৰয়াত বিপ্লৱী কৰ্মী (পিছলৈ ৰাভাৰ শহুৰেক) নবীন মেধিৰ লগত সেই বছৰতে ৰাভা দীঘেলীলৈ আহিছিল। শ্ৰীৰতি স্বৰ্গীয়াবাৰ ঘৰত এখন বাহীৰ খাটত শুই থকা সময়ত যেতিয়া প্ৰথম দেখিছিলোঁ —তেখেতৰ বিৰাট দেহাবয়বে মোক বিস্ময়া ভূত কৰি তুলিছিল।

ৰাভাৰ সৈতে মোৰ ব্যক্তিগত সম্পৰ্কতকৈ সাংগঠনিক সম্পৰ্কহে বেছি আছিল। পাৰ্টিৰ মূল সংগঠন 'চেল'সমূহৰ লগত তেখেতে গোপনে যোগাযোগ কৰিছিল আৰু গণ-সংগঠন যেনে —কৃষক পঞ্চায়ত, নাৰী মুক্তি বাহিনী আদিৰ লগত খোলাভাৱে যোগাযোগ কৰিছিল। কৃষক পঞ্চায়তৰ সভাত তেখেতে সহজ-সৰল অথচ গভীৰ আৰু হৃদয় জয় কৰিব পৰা ভাষাত বক্তব্য ৰাখিছিল। ধৰ্মমূলক সৰু সৰু কাহিনী আৰু ঐতিহাসিক বিভিন্ন ঘটনাক বাস্তৱ অৱস্থাৰ লগত ৰজিতা খুৱাই শ্ৰেণী বৈষম্যৰ কাৰণ আৰু ইয়াৰ আমূল পৰিবৰ্তনৰ বাবে শ্ৰেণী সংগ্ৰামৰ প্ৰয়োজনীয়তাৰ কথা জনসাধাৰণক বুজাই কৈছিল।

ৰাভা দীঘেলীলৈ অহাৰ সময়তে নাৰীমুক্তি বাহিনীৰ কৰ্মী কনকলতা, বিমলা, কমলা আদিও আহিছিল আৰু তেওঁলোকে নাৰী সংগঠন গঢ়াৰ কামত মনোনিবেশ কৰিছিল। এই কাৰ্যত ৰাভাই বিভিন্ন দিশত সহায়-সহযোগ কৰা দেখিছিলোঁ।

মই জনাত পাৰ্টিৰ নিৰ্দেশ মতেই ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ 'গণতন্ত্ৰ দিৱস'ৰ দিনা দীঘেলীতে ক'লা পতাকা উত্তোলন কৰি "ইয়ে আজাদী ঝুথা হ্যায়" ধ্বনি দিয়া হৈছিল। এই কাৰ্যত ৰাভাৰ উদগনি কম নাছিল। সেই বছৰতেই টিহু চাৰ্কোল অফিচ ভস্মীভূত কৰা হয়। নাৰী মুক্তি বাহিনীৰ কৰ্মীসকলে টিহুত পুঁজি সংগ্ৰহ কৰি থাকোতে কিছুমান প্ৰতিক্ৰিয়াশীল লোকে তেওঁলোকক অপমান কৰা ঘটনাক লৈয়ে এই ঘটনাৰ সূত্ৰপাত হয়। এই ঘটনাৰ পিচতেই ৰাভাৰ মূৰৰ দাম দহ হাজাৰ টকা ঘোষণা কৰা হয়। এই ঘটনাত সচকিত হৈ তেতিয়াৰ প্ৰধানমন্ত্ৰী জবাহৰলাল নেহৰুৱে "দীঘেলী কি?" বুলি অসম চৰকাৰলৈ তাঁৰবাৰ্তা পঠোৱাৰ কথা আমি শুনিব পাইছিলোঁ।

পাৰ্টিৰ বাসুগাঁও সন্মিলনৰ পিছত ৰাভা চি. পি. আই.লৈ আহে আৰু এই সংগঠনৰ উদ্দেশ্যে তেখেতে এই অঞ্চল দীঘেলীকে আদি কৰি মাখিবাহা, টিহু, কুছিয়াৰ, শ্ৰীপুৰ, নাকটিপাৰা (বৰমা) আদি ঠাইত সভা-সমিতি কৰি ঘূৰি ফুৰে।

সংগঠন আৰু বিভিন্ন কাম-কাজত ৰাভাৰ লগত তেওঁৰ দৰে থাকি সহায়-সহযোগ কৰা আমাৰ দীঘেলীৰ বহুত কৰ্মী এতিয়া আৰু নাই ; কিছু কৰ্মী এতিয়াও বাচি আছে। ৰাভাৰ লগত প্ৰধানকৈ ˚চমিকদ্দিন আহমেদ, শ্ৰীসতীশ ৰামচিয়াৰী, শ্ৰীৰতি স্বৰ্গীয়াৰী, শ্ৰীফাগুনা ৰামচিয়াৰী, শ্ৰীহৰেন দৈমাৰী, ˚প্ৰমোদ ৰামচিয়াৰী, ফুকন বড়ো, শ্ৰীবালি দাস, ˚মহেশ্বৰ দাস, শ্ৰীতিথি স্বৰ্গীয়াৰী (লগতে মই) আদি ব্যক্তিসকলৰ জীৱনৰ কোঁহে কোঁহে ৰাভাৰ কেঁচা স্মৃতি এতিয়াও জীৱন্ত হৈ আছে।

কৃষ্টি-সংস্কৃতি সম্প্ৰসাৰণৰ উদ্দেশ্যে দীঘেলীৰ শোলমাৰী চুবুৰিত "বীৰখাং আফাং" (উৰন্ত কৃষ্টি সংঘ) নামেৰে এটি প্ৰগতিশীল কৃষ্টি সংঘ প্ৰতিষ্ঠা কৰাত ৰাভাই অৰিহণা যোগাইছিল। এই সংঘত তেখেতে নিজে গাই, নৃত্য প্ৰদৰ্শন কৰি শিল্পীক প্ৰশিক্ষণ দিছিল।

১৯৫৬-৫৭ চনত এবাৰ টিহুৰ গান্ধী ভৱনত এই অঞ্চলৰ বিভিন্ন সাংস্কৃতিক সংঘৰ প্ৰদৰ্শনীমূলক সাংস্কৃতিক অনুষ্ঠান এটি অনুষ্ঠিত কৰা হৈছিল। তাত ৰাভা উপস্থিত থকা বাবেই এই অঞ্চলৰ কিছু প্ৰতিক্ৰিয়াশীল লোকে অনুষ্ঠান চলি থকা কালত শিলগুটি বৰ্ষণ আৰম্ভ কৰি দিছিল।

১৯৬৫-৬৬ চনত ৰাভাই দীঘেলী বিহু উদ্‌যাপন কমিটিৰ আহ্বান ক্ৰমে শেষবাৰৰ বাবে দীঘেলীলৈ আহে আৰু বিহু সন্মিলনত বক্তব্য ৰাখে।

ৰাভাই তেখেতৰ বিভিন্ন লেখা আৰু বক্তব্যত 'দীঘেলী' শব্দৰ তাৎপৰ্য ব্যাখ্যা কৰিছে। দৈ-ঘুলী = দীঘুলী = 'দীঘেলী'ৰ মানুহৰ অন্তৰ দীঘল অৰ্থাৎ বহল কাৰণে 'দীঘেলী' হোৱা বুলি তেখেতে কৈছে। এনেকৈ এই অঞ্চলৰ বহুতো অজ্ঞাত কিংবদন্তি তেখেতে বিভিন্ন সভা-সমিতিত কোৱা শুনিছিলোঁ —যিবোৰ বুৰঞ্জীৰ সমল হ'ব বুলি ধাৰণা কৰিব পাৰি।

১৯৬৮ চনত ৰাভা ভেলোৰৰপৰা চিকিৎসা লৈ ঘূৰি অহাৰ পিছত তেখেতৰ লগত শেষবাৰৰ বাবে দেখা-দেখি হওঁ। তেতিয়া তেখেতে মোক কৈছিল : "কমৰেডসকল, গোটেই জীৱন সংগ্ৰামতেই শেষ হ'ল। এই সংগ্ৰাম আছিল শোষক শ্ৰেণীৰ বিৰুদ্ধে। এতিয়া সংগ্ৰাম হৈছে যমৰ বিৰুদ্ধে। এই সংগ্ৰাম শেষ নহ'ব যেন লাগিছে।" ❑

---

❑ অনুলিখন : খগেন ৰামচিয়াৰী

## ।। ধুপাৰাম বসুমতাৰী, (নলবাৰী)।।

এই কুৰি শতিকাৰ তৃতীয় দশকতে যেতিয়া আমি ছাত্ৰ আছিলোঁ, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ গুণ-গৰিমাৰ কথা বৰকৈ শুনিছিলোঁ। তেওঁৰ নাম সেই সময়ছোৱাত বৰকৈ প্ৰচাৰ হৈছিল। কিন্তু তেওঁক দেখাৰ সুযোগ পাওঁ ১৯৪৬ চনৰ কোনো এদিনত, নলবাৰীৰ নাট্য মন্দিৰত। তাত অনুষ্ঠিত সভাত ৰাভাই প্ৰায় ডেৰঘণ্টা সময় জুৰি কৃষ্টি সম্বন্ধে অনৰ্গল বক্তৃতা দিছিল। তেওঁৰ মৌ-বৰষা, মধুময় বক্তৃতা শুনিবলৈ নাট্যমন্দিৰৰ ভিতৰ-বাহিৰ লোকাৰণ্য হৈ পৰিছিল। বক্তৃতাৰ লগতে ৰাভাই গাইছিল এটি গীত "কঁপি উঠে কিয় তাজমহল —তাজমহল"। তেওঁৰ কণ্ঠৰ স্পৰ্শত যেন ঝংকৃত হৈ উঠিছিল নাট্য মন্দিৰ। শ্ৰোতাসকলে মন্ত্ৰমুগ্ধৰ দৰে স্তব্ধ হৈ সেই কণ্ঠ শুনিছিল একান্তমনে। সেই মধুময় স্মৃতি এতিয়াও বাজি উঠে হিয়াত। মনৰ হাবিয়াহ সাৰ্থক হ'ল বুলি সিদিনা মই নিজকে নিজে ধন্য মানিছিলোঁ।

মুকলিভাৱেই হওক বা আত্মগোপন কৰি থকা সময়তে হওক ১৯৪৬ চনৰ পৰা মৃত্যুকাল পৰ্যন্ত সময় আৰু সুবিধা পালেই ৰাভা নলবাৰী অঞ্চললৈ আহিছিল। বড়ো-কছাৰীসকলৰ কাছিমপুৰ খেৰাই থানত হোৱা 'বাথৌ পূজা' তথা 'খেৰাই উৎসৱ'ৰ কৃষ্টি সভাত প্ৰায় প্ৰতি বছৰে —১৯৫৫ চনৰ পৰা ১৯৬৭ চনলৈ ৰাভাক সভাপতি হিচাপে আমাৰ মাজত পাইছিলোঁ।

নলবাৰী তথা নলবাৰী অঞ্চলৰ ৰাইজক ৰাভাই অন্তৰেৰে ভাল পাইছিল। এই কথা আমাৰ আগত তেওঁ কেবাবাৰো প্ৰকাশ কৰিছিল। নলবাৰীক কেন্দ্ৰ কৰি উত্তৰ কামৰূপক অসমৰ নাট্য জগতৰ বিশ্ববিদ্যালয় স্বৰূপ বুলি তেওঁ আখ্যা দিছিল।

নলবাৰীলৈ আহিলেই ৰাভা আমাৰ কুটীৰত এভুমুকি মাৰিবলৈ নাপাহৰিছিল। এদিনৰ কথা, তেওঁ দুপৰীয়া আমাৰ ঘৰত আহাৰ গ্ৰহণ কৰাৰ কথা। তেওঁলৈ অপেক্ষা কৰি আছোঁ। দুপৰীয়া ১২ বাজিছে। কিন্তু তেওঁৰ দেখাদেখি নাই। বিচাৰি গৈ এঠাইত তেওঁক দেখি বিস্ময় মানিলোঁ। নলবাৰী পৌৰসভাৰ হৰিজনসকলে তেতিয়াৰ চৰ্দাৰ জিঙ্গাৰাম বাচকুৰৰ ঘৰত বাচকুৰৰ লগত প্ৰফুল্লচিত্তে ৰাভাই দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি আছে। মোক দেখি মিচিককৈ এটি হাঁহি মাৰি ক'লে —"মোৰ আহাৰ ভগৱানে আজি ইয়াতে মিলালে। আপোনালোকেও গ্ৰহণ কৰক গৈ। মোলৈ আৰু ৰখি থাকিব নেলাগে।" মহামানৱ মহাত্মা গান্ধীৰ এনে অস্পৃশ্যতা বৰ্জনকাৰী লোক কেইজন আছে?

সকলোৱে জানে তেওঁ দেখ-দেখকৈ সুৰাপান কৰিছিল। কিন্তু কোনেও ক'ব নোৱাৰে কোনো দিনে অত্যধিক সুৰাপান কৰি মাতলামি বা ভুল কৰা বুলি — বৰং সুৰাপান যিমানে মাত্ৰাধিক নহওক লাগিলে তেওঁৰ সভা মঞ্চৰ বক্তৃতা তিমানেই ৰসাল আৰু মধুৰ হ'ব। এই ক্ষেত্ৰত তেওঁক দেৱাদিদেৱ মহাদেৱৰ লগত ৰিজাব পাৰি। নটৰাজ মহাদেৱে হলাহল বিষ পান কৰি নীলকণ্ঠ নাম লৈ সংসাৰত খ্যাতি ৰাখি থৈ যোৱাৰ দৰে নৃত্য-গীত বিশাৰদ সুৰাপায়ী ৰাভাদেৱে যাউতিযুগীয়া নাম থৈ গ'ল।

ভেশছন কৰাত ৰাভা মহা পাকৈত আছিল। এদিনৰ কথা, বাৰিষাকাল ৰাভা ৰোষত পৰি আত্মগোপন কৰি আছেহি নলবাৰীৰ উত্তৰে পাগলাদিয়া নদীৰ পশ্চিম পাৰে এঘৰ মানুহৰ ঘৰত। চৰকাৰৰ আৰক্ষী বাহিনীয়ে গম পাই গোটেই ৰাতি সশস্ত্ৰ পহৰা দি আছে, ৰাতি পুৱালেই তেওঁক আটক কৰিব। তেতিয়া বাৰিষা কাল। পাগলাদিয়া নদী পানীৰে উপচি পৰিছে। দোকমোকালিতে কান্ধত এখন নাঙল, মূৰত জাপি, হাতত এডাল লৰু, গাত এটা ফটা চোলা আৰু আঁঠুৰ ওপৰৰ পৰা এখনি পুৰণি গামোচা কঁকালত পিন্ধি এজন বড়ো কছাৰী জনজাতীয় খেতিয়কৰ বেশত এহাল গৰু খেদি পহৰাত থকা আৰক্ষী বাহিনীৰ আগেৰে ৰাভা ওলাই গ'ল। আৰক্ষী বিষয়া এজন মুখামুখি হোৱাত বিষয়াজনে তেওঁক ৰাভাৰ বিষয়ে সোধাত তেওঁ (ৰাভাই) উত্তৰ দিলে —"আমি খব নাফাৰং কুনি বিষ্ণু ৰাভা" বুলি কৈ আগেৰে ৰাভা গুচি গ'ল। আৰক্ষী বিষয়াই ততকে ধৰিব নোৱাৰিলে। কিছু দূৰ গৈয়ে সুযোগ সুবিধা বুজি গৰুহাল, কান্ধৰ নাঙল আৰু মূৰৰ জাপি থিতাতে থৈ ফেনে ফোটোকাৰে বাঢ়ি অহা পাগলাদিয়া নদী পাৰ হৈ পূব পাৰত উঠি এখন নিৰাপদ ঠাইত আশ্ৰয় ল'লেগৈ। বিপদমুক্ত হোৱাত আমাক লগ পোৱাত ঘটনাটোৰ বিৱৰণ দি আমাক পাৰেমানে হঁহুৱাইছিল আৰু লগতে আতঙ্কত আমাৰ গাৰ নোম ডাল ডাল হৈ উঠিছিল।

ৰাভাদেৱ এজন অজাতশত্ৰু আছিল। তেওঁৰ প্ৰত্যুৎপন্নমতিত্বত বিপক্ষ দলৰ লোকো মুগ্ধ হৈছিল। শ্বিলঙৰ অসম বিধানসভাৰ এদিনৰ কথা। বিধানসভা চাবলৈ সিদিনা তাত উপস্থিত হৈছিলোঁ। ১৯৬৭ চনৰ কোনো এটা দিন। শাসনাধিষ্ঠিত কংগ্ৰেছ চৰকাৰৰ বিপক্ষে বিৰোধী দলে নানা তথ্যপাতি উত্থাপন কৰি অনাস্থা দিছে —চৰকাৰ পক্ষয়ো উত্তৰ দিলে। বিধানসভা উত্তেজিত হৈ উঠিছে। অধ্যক্ষৰ আসনত হৰেশ্বৰ গোস্বামীদেৱ। বিধায়ক ৰাভাদেৱে থিয় হৈ অধ্যক্ষ মহোদয়ক সম্বোধি ক'লে —'ৰজা-প্ৰজা, পিতা-পুত্ৰ সম্বন্ধ —এতিয়া ৰজা নাই যিহেতু ভাৰত এখন গণতান্ত্ৰিক দেশ। চৰকাৰেই ৰজা —এতিয়া আমাৰ চৰকাৰ কংগ্ৰেছ চৰকাৰ —কংগ্ৰেছেই আমাৰ পিতা।

এই পিতাই আগতে আমাক বৰ মৰম কৰিছিল। তেতিয়া আমি মাতিলে মাতিছিল। সুখ-দুখত আমাৰ প্ৰতি যত্ন লৈছিল। চোৱা-চিতা কৰিছিল। এতিয়া আমি মাতিলেও নেমাতে, মাতবোল নিদিয়ে, মৰমো নকৰে। হাত-ভৰি নলৰে লৰ-চৰো নকৰে। নাকত শ্বাস-প্ৰশ্বাসো নাই, চকুও নেমেলে, কাণেৰেও নুশুনে। কথা কি হ'ল? গাত হাত দি চাওঁ শৰীৰ জঠৰ হৈছে। কংগ্ৰেছ চৰকাৰ —আমাৰ পিতাৰ মৃত্যু হৈছে। অধ্যক্ষ মহোদয়, আপুনিও আহক —পিতাৰ মৃতদেহ গেলি-পচি দুৰ্গন্ধ নোলোৱাতে আমি সকলোৱে ধৰাধৰি কৰি বৰ লুইতৰ বুকুত উটাই দিওঁ।" বিধানসভাত হৰ্ষধ্বনিৰে হাত চাপৰিৰ জাউৰি উঠিল। কিন্তু সংখ্যাগৰিষ্ঠ বিধায়কৰ দ্বাৰা গঠিত চৰকাৰ হেতুকে অনাস্থা প্ৰস্তাৱ নাকচ হ'ল। সিদিনাৰ বিধানসভা বিৰতিৰ পিচত বাহিৰত চৰকাৰ পক্ষৰ প্ৰবীণ কংগ্ৰেছী বিধায়ক মাননীয় শ্ৰীদেবেশ্বৰ শৰ্মাই ৰাভাদেবৰ গাত থপৰিয়াই ধন্য ধন্য বুলি প্ৰশংসা কৰিছিল।

ৰাভাদেৱে আত্মগোপন কৰি থাকি পিচত নিজে ধৰা দি জেলৰ পৰা ওলাই অহাৰ পাচত সভা-সমিতিৰ বক্তৃতা মঞ্চৰ পৰা সততে কৈ ফুৰিছিল —মোক ৰাইজে মৰমেৰে চেনেহেৰে আগুৰি ৰাখিছিল। মই জনসমুদ্ৰৰ মাজত মাছৰ দৰে সাঁতুৰি-নাদুৰি আছিলোঁ। তথাপিও চৰকাৰৰ আৰক্ষীৰূপী মাছৰোকাসকলে মোক ধৰিবৰ শকতি নহ'ল —বুলি নিজে গৌৰৱ কৰিছিল। কথাটো সত্য। তেওঁক ধৰাই দিব পৰাজনক পাঁচহেজাৰ টকা দিব বুলি চৰকাৰে ঘোষণা জাৰি কৰা সত্ত্বেও কোনোজনে তেওঁক ধৰাই নিদিলে। এয়ে জানো ৰাইজৰ তেওঁৰ প্ৰতি থকা মৰম-চেনেহ আৰু শ্ৰদ্ধাৰ চিন নহয়? ❑

---

❑ লিখি পঠোৱা ৰচনাৰ পৰা

## ।। ভবেন ওৱাৰি, বেংতল, বিক্ৰমপুৰ (গোৱালপাৰা)।।

কমৰেড ৰাভাক মই প্ৰথম লগ পাওঁ ১৯৪৯ চনত। সম্ভৱ খৰাং বতৰত। আত্মগোপনকাৰী ৰাভাই উত্তৰ অঞ্চলৰ পৰা আহি বিক্ৰমপুৰৰ গঙাৰাম ব্ৰহ্মৰ ঘৰত আছিল। লগত কনকলতা। ইয়াত ঘূৰি-পকি ৰাভাই গৰিব জনসাধাৰণৰ অৰ্থনৈতিক মুক্তিৰ কাৰণে বিপ্লৱ গঢ়ি তোলাৰ কথা কৈছিল। কৃষক পঞ্চায়তৰাজ গঠন কৰাৰ কথা কৈছিল।

ৰাভাৰ আগমনৰ কথা কেনেবাকৈ গম পাই তেতিয়াৰ চিদ্‌লি থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পদ্ম দত্তই ৰাভাই অভিনয় কৰা 'চিৰাজ'ৰ ফটো দেখুৱাই মোৰ ওচৰলৈ আহি সুধিছিল —'আপুনি এই ফটো চিনি পায়নে?'

মই কৈছিলোঁ —'অ' পাওঁ। এয়া বিষ্ণু ৰাভাৰ ছবি।'

পুলিচ বিষয়া দত্তই টপৰাই প্ৰশ্ন কৰিছিল —'কেনেকৈ চিনি পালে?'

মই কৈছিলোঁ —'ট্ৰাইবেল সংঘত ঘূৰোঁতে লগ পাইছিলোঁ।'

তাৰ পিছত দত্ত ডাঙৰীয়াই ৰাভা এইফালে আহিছে নেকি, 'কৈ দিলে পুৰস্কৃত কৰা হ'ব' ইত্যাদি নানা প্ৰশ্ন কৰিছিল আৰু প্ৰলোভন দেখুৱাইছিল। কিন্তু ৰাভাৰ খবৰ হ'লে দিয়া নাছিলোঁ।

ৰাভা ১ নং বেংতল (বান্দুগুৰিৰ আমাৰ ঘৰত) মোৰ পিতা ৰতন ওৱাৰিৰ ঘৰত) ডেৰমাহমান আছিল। ইতিমধ্যে তাতো চোৰাংচোৱাই পিছ লোৱাত মই ৰাভাৰ ডেউশ্ৰীৰ ওচৰত থকা নিজলাগুৰিৰ শ্ৰীজৈৱা বড়োৰ ঘৰত নি ৰখাৰ ব্যৱস্থা কৰিলোঁ। ইয়াত থকা সময়ছোৱাত ৰাভাই লেখা-মেলা আৰু কিতাপ অধ্যয়নত মনোনিবেশ কৰিছিল। ৰাইজৰ মাজত পঞ্চায়তৰাজ গঠন কৰাৰ কথা কৈছিল —পঞ্চায়তৰাজে গৰিব জনতাৰ অৰ্থনৈতিক মুক্তি আনিব বুলি তেওঁ দঢ়াই দঢ়াই মানুহক বুজাইছিল। নাৰীসকলৰ 'নাৰী মুক্তি সংঘ' গঠনৰ কথা কৈছিল। এই অঞ্চলৰ নেপালীসকলৰ মাজত সোমাই পৰি নেপালী মাত-কথাৰে, নেপালী সাজ-পোছাক পিন্ধি এজন নিভাঁজ নেপালীৰূপে নেপালত তাৰ জনসাধাৰণে সামন্ত প্ৰভুৰ বিৰুদ্ধে যুঁজ দিয়াৰ আভাস দি এই অঞ্চলৰ নেপালী ভাইসকলৰ সংগ্ৰামী চেতনা জগাই তুলিবলৈ যত্ন কৰিছিল। নেপালী গীত-মাত প্ৰচাৰ কৰি ৰাভা তেওঁলোকৰ অতি আপোনজন হৈ পৰিছিল।

ডেউশ্ৰীত এসপ্তাহ কটোৱাৰ পিছত এজন ফৰেষ্ট গাৰ্ডে খবৰ দিলে যে স্থানীয় ধনবান নেপালীয়ে চৰকাৰক গম দিছে যে বিষ্ণু ৰাভা এই অঞ্চলত আছে গতিকে আপুনি ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰক।

সেইমতে ডেউশ্ৰীৰ পৰা ২নং টুকুৰা বনাৰৰ বাবৰ সিঙৰ ঘৰত এৰাতি কটাওঁ। কুকুৰাই ডাক দিয়াৰ আগতে তাৰ পৰা আহি বেংতল কুমগুৰিৰ শ্ৰীদাছাৰাম বসুমতাৰীৰ ঘৰত আশ্ৰয় লৈ তিনিদিনমান কটাওঁ। সেই সময়ত বেংতললৈ পুলিচে ৰাভাক বিচাৰি আহে আৰু ৰাভাক নেপাই মোৰ পিতা ৰতন ওৱাৰি, কান্তিৰাম ব্ৰহ্ম (বিক্ৰমপুৰ) আৰু ৰাভাৰ স'তে অহা মহিলা কমৰেড্ কেইজনীমানক পুলিচে নানা নিৰ্যাতন কৰি ট্ৰাকত তুলি লৈ যায়।

কেইদিনমান পিছত বেংতলৰ ওচৰত 'শিল্ ঘাগ্ৰি'লৈ ৰাভাক লৈ যাওঁ। তেতিয়া তাত R.C.P.I ৰ সশস্ত্ৰ বিপ্লৱৰ প্ৰশিক্ষণ দিয়া হৈছিল। ৰাভাই এই অঞ্চলৰে চিদ্‌লি থানাৰ অন্তৰ্গত শিলঘাগ্ৰি, নলবাৰী (দহলাপাৰা), দক্ষিণ কাজল গাঁও, উত্তৰ কাজল গাঁও, গোসাইগাঁও আদি ঠাইৰ ৰাইজৰ মাজত বিপ্লৱৰ বাণী প্ৰচাৰ কৰে।

ইয়াৰ পিছত আমি চিদ্‌লৰ উত্তৰ-পশ্চিমত থকা ৰুণীখাটা অঞ্চলৰ ইছলাখাটা আৰু গাৰ্চিংপাৰালৈ যাওঁ। তাৰ পিছতে মই ঘৰলৈ গুচি আহোঁ।

ৰাভাৰ স'তে ঘূৰি ফুৰা এই গোটেই সময়ছোৱাত ৰাভাই 'বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ৰ বীৰভূম থিচিছ, তৰুণ সেন ডেকাৰ 'ন-কমৰেড্‌সকললৈ' আদি কিতাপ আৰু নানা প্ৰচাৰ-পত্ৰ আমাক পঢ়িব দিছিল। পাৰ্টিৰ ৰণ-কৌশল, ৰণ-নীতিৰ ওপৰত ৰাভাই অনেক ক্লাচো লৈছিল। এনে ক্লাচবোৰত মাজে মাজে উপস্থিত হৈছিল উপেন দাস, হৰেন কলিতা, হৰিদাস ডেকা আদি পাৰ্টিৰ নেতাসকল। পাৰ্টিৰ শৃংখলা ৰক্ষাত ৰাভাই সদায় গুৰুত্ব দিছিল আৰু এই বিষয়ে আমাক পৰামৰ্শ আগবঢ়াইছিল। ❑

---

❑ অনুলিখন : পৰমানন্দ মজুমদাৰ

।। প্ৰকাশ বসুমতাৰী; দোতমা, (ফকিৰাগ্ৰাম)।।

১৯৫০ চনত মই ক্লাচ নাইনত। শিল্পী হিচাপে বিষ্ণু ৰাভাৰ তেতিয়া গোটেই অসমতে খ্যাতি। খবৰ পালোঁ ৰাভাই কমিউনিষ্ট পাৰ্টিত যোগদান কৰিছে। তেতিয়াৰ শিক্ষিত ডেকাসকলেও ৰাভাৰ এই ভূমিকাৰ প্ৰতি আকৃষ্ট হয়। শিল্পী ৰাভাই ৰাজনৈতিক ক্ষেত্ৰত এটা নতুন পৰিবেশ সৃষ্টি কৰিব পাৰিব বুলি ডেকাচামে পতিয়ন গ'ল। মোৰ মন লাহে লাহে সেই ফালে ঢাল খায়। ১৯৫২ চনত মই সম্পূৰ্ণৰূপে R.C.P.I. ৰ ভিতৰত সোমাই পৰোঁ আৰু সক্ৰিয় ভূমিকা লওঁ। ডেকাসকলে ৰাভাৰ progressive outlook আহৰণ কৰি পাৰ্টিৰ কাম-কাজত অগ্ৰসৰ হয়।

পাৰ্টিত যোগদান কৰাৰ দ্বিতীয় বছৰত ১৯৫৪ চনৰ আগষ্ট মাহত ৰাভাৰ স'তে একেলগে গ্ৰেপ্তাৰ বৰণ কৰোঁ। আমি তেতিয়া ঘিলাগুৰি গাঁৱৰ এঘৰত নিশা কটাইছোঁ। এটা ঘৰত মই আৰু বাবুলাল ব্ৰহ্মা নামেৰে আন এজন কমৰেড্। আন এটা ঘৰত ৰাভা। লগত কনকলতা। ৰাতি পুৱাওঁ পুৱাওঁ। এনেতে আমি থকা ঘৰটি কংগ্ৰেছ গৱৰ্ণমেণ্টৰ পুলিচ বাহিনীয়ে ঘেৰি পেলালে। আমাৰ হাতত অস্ত্ৰ-শস্ত্ৰ নাই। কিন্তু পুলিচ বাহিনীয়ে ভয় কৰিছিল কিজানি ৰাভাৰ লগত অস্ত্ৰ-শস্ত্ৰ আছেই। বাহিৰৰপৰা সিহঁতে আমাক ওলাই আহিবলৈ হুকুম দিলে। পুলিচৰ হাতৰ ৰাইফলৰপৰা গুলি বৰ্ষণ হ'ল। ঘৰৰ টিনপাটো ফুটি গ'ল। ৰাভা ওলাই আহিল। লগতে আমি। আমাক লগে লগে গ্ৰেপ্তাৰ কৰে। সেই সময়ত যাতায়াতৰ অৱস্থা বৰ দুখ লগা। ফকিৰাগ্ৰামলৈ আমাক খোজকঢ়াই লৈ আহে —দহ-এঘাৰ মাইল। কোকৰাঝাৰলৈ ট্ৰেইনেৰে আনে। কনকলতা আৰু ৰাভাক, লগতে আমাক ধুবুৰী জেলখানাত ৰাখে। আমি ছমাহ জেলত কটাওঁ। ৰাভাক ধুবুৰীৰপৰা আন ঠাইলৈ চালান দিয়ে। পাৰ্টিৰ সম্পাদক আছিল তেতিয়া কমঃ গোপাল দাস। কমঃ হৰেন কলিতাৰ ইতিমধ্যে মৃত্যু হৈছে।

আমি জেলত থকা কালত পাৰ্টিয়ে তেনেকুৱা যোগাযোগ ৰখা নাছিল বা ৰাখিব পৰা নাছিল। জেলৰপৰা ওলাই অহাৰ পিছত আমাৰ কমৰেড্সকলৰ তীব্ৰ মত-বিৰোধৰ সূচনা হয়। পাৰ্টি কন্ফাৰেন্সত এটা গ্ৰুপ Election-ৰ মাধ্যম ল'ব লাগে আৰু আন এটা গ্ৰুপে Armed Revolution ৰ নীতিক ৰাখিব লাগে বুলি মত দাঙি ধৰে। প্ৰথমটোৰ মত পোষণ কৰাসকল পাৰ্টিৰপৰা ওলাই গ'ল। তৰুণ সেন ডেকা গ'ল। কামিনী শৰ্মা গ'ল। বিষ্ণু ৰাভাই একেই পথ ল'লে। ইয়াৰ পিছত ৰাভা C.P.I. দলত যোগদান কৰে। এই সময়ত গণনাট্য সংঘৰ নিচিনা গণসাংস্কৃতিক

সংগঠনৰ লগত বেছি ঘনিষ্ঠ হয়। R.C.P.I. ত থকাৰ নিচিনা এই পাৰ্টিত Active ভূমিকা লোৱা আৰু দেখা নগ'ল।

১৯৬৮ চনত মই কোকৰাঝাৰ লোকসভা সমষ্টিত R.C.P.I. ৰ প্ৰাৰ্থীৰূপে থিয় দিওঁ। বাভায়ো এই সমষ্টিতে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে থিয় দিয়ে। মই বুজাপৰালৈ আহিবলৈ চেষ্টা কৰিছিলোঁ যদিও সফল নহ'লোঁ।

ৰাভাৰ মতে আত্মগোপন কৰা কালত একেখন ঠাইত আমি বেছি সময় থকা সম্ভৱ হোৱা নাছিল। কাৰণ কংগ্ৰেছ গৱৰ্ণমেণ্টৰ প্ৰভাৱ গাঁও অঞ্চলৰ ৰাইজৰ ওপৰত পৰিছিল। বিশেষকৈ গাঁৱৰ মুখিয়াল লোক আৰু গাঁওবুঢ়াসকলৰ আছিল কংগ্ৰেছৰ প্ৰতি আনুগত্য। গাঁৱলীয়া ৰাইজ সচেতন হ'ব পৰা নাছিল। আমিও ভালদৰে বুজনিৰে তেওঁলোকক সংগঠিত কৰিব পৰা নাছিলোঁ। গতিকে আমি য'লৈ যাওঁ কেইদিনমান থকাৰ পিছত এই বাৰ্তা পুলিচৰ কাণত পৰেগৈ। ৰাভাৰ গুপ্তসূত্ৰ বিচাৰি পুলিচে প্ৰায়ে তালাচী চলাইছিল। ..........

মাৰ্ক্সীজিম্‌ৰ অগাধ অধ্যয়ন ৰাভাৰ আছিল বুলি মোৰ ধাৰণা নহয়। থকা হ'লে তেওঁৰ হঠাৎ মত পৰিৱৰ্তন নহ'লহেঁতেন। দলো সলনি নকৰিলেহেঁতেন। তেওঁ গুচি যোৱাত আমাৰ মাজত এক হতাশা ভাব আহিছিল।

ৰাভাৰ সৰল-সহজ ব্যাখ্যাই মানুহক যথেষ্ট আকৃষ্ট কৰিবলৈ বাধ্য হৈছিল। কওঁতে তেওঁ ব্যৱহাৰ কৰা সৰল উপমাক ৰাইজক সংগঠিত কৰাৰো মূলমন্ত্ৰ যেন তেওঁ সকলো কথা কৈছিল ৰাইজে বুজিব পৰাকৈহে। ❑

---

❑ অনুলিখন : খগেন বামচিয়াৰী

।। বিপিন দৈমাৰী, সককুৰ্চাকাটি (কোকৰাঝাৰ)

মই আছিলোঁ ফৰবাৰ্ড ব্লকত (সুভাচিষ্ট)। স্বাধীনতাৰ কিছুকাল পিছতে বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সংগঠনে আমাৰ অঞ্চলটো শিপাব ধৰিলে। ইয়াৰে বাংগালডোবা চামথাইবাৰী আদিত পাৰ্টিৰ প্ৰতি গাঁৱৰ ৰাইজ যথেষ্ট আকৃষ্ট হৈছে। এনেতে লগ পালোঁ পাৰ্টি কৰ্মী তথা নেতা হৰিদাস ডেকা আৰু গোবিন্দ কলিতাক। তেওঁলোকক লগ পোৱাৰ সাতদিনমান পিছত চিৰ্লী গোসাইগাঁওৰ নিধিৰাম ব্ৰহ্মৰ ঘৰত বহা এখন পাৰ্টিৰ কৰ্মীৰ বৈঠকত উপস্থিত হ'লোঁ। বৈঠকত প্ৰায় ৪০/৫০ জন মানুহ উপস্থিত আছিল। তাৰে ৪/৫ জনী মহিলা কৰ্মী। প্ৰথমে বড়ো ভাষাত গোৱা হ'ল গণ গীত। কমৰেড ৰাভাই বেছ গাম্ভীৰ্যতাৰে বড়ো ভাষাৰে পাৰ্টিৰ নীতি আৰু কৰ্মসূচীৰ কথা ক'লে। মাৰ্ক্সীয় মৌলিক কিতাপ আৰু প্ৰচাৰ-পত্ৰও বিতৰণ কৰিলে কৰ্মীসকলৰ মাজত। এয়েই প্ৰথম দেখাদেখি ৰাভাৰ লগত। ময়ো ক্ৰমে ৰাভা সংযুক্ত এই বিপ্লৱী কমিউনিষ্ট পাৰ্টিত সোমাই পৰোঁ।

ইয়াৰ পিছতো পাৰ্টিৰ বৈঠকত দেখিছোঁ —ৰাভাই সুন্দৰ সৰল ভাষাৰে কৰ্মীসকলক মাৰ্ক্সবাদ-লেনিনবাদৰ কথা কৈছে। সাম্প্ৰদায়িকতাৰ বিপক্ষে থিয় হোৱাৰ কথা কৈছে। জাতীয় সংহতিৰ কথা কৈছে। সাম্ৰাজ্যবাদ আৰু পুঁজিবাদী বিৰোধী জনমত গঢ়াৰ কথা কৈছে। বড়োসকলৰ মাজত ৰাভাৰ আছিল বিৰাট জনপ্ৰিয়তা। তেওঁলোকে ৰাভাক 'আবৌ আতা' বুলি মাতিছিল। ৰাভাৰ ভাষাজ্ঞান আছিল প্ৰচুৰ। বড়ো ভাষাত কথা কওঁতে তেওঁ আমি নজনা বহু শব্দ ব্যৱহাৰ কৰি আমাক ভাষাজ্ঞান দিবলৈ চেষ্টা কৰিছিল। বড়োসকলৰ মাজত প্ৰচলিত 'বাথৌ তত্ত্ব'ৰ বিষয়ে তেওঁ ফঁহিয়াই দেখুৱাই ৰাভা ৰাইজৰ মাজত আস্থাভাজন হৈছিল। ঘিলাগুৰিৰ গাঁওবুঢ়াৰ ঘৰত বহা কৰ্মী বৈঠকত এই বিষয়ে বিস্তৃত ব্যাখ্যা দাঙি ধৰিছিল।

ৰাভাক গ্ৰেপ্তাৰ কৰাৰ সময়ত অসমৰ বিখ্যাত মানুহবিলাকে প্ৰতিবাদ কৰা নাছিল। কিন্তু আমাৰ ইয়াৰ গ্ৰামাঞ্চলত —য'ত-য'ত ৰাভাই অজ্ঞাতবাসত কটাইছিল সেইবোৰ গাঁৱত গএৰা ৰাইজে প্ৰতিবাদত মিছিল কৰিছিল। পাৰ্টিৰ কৰ্মীসকলে এই অন্যায়ৰ বিপক্ষে ৰাইজৰ মাজত প্ৰচাৰ চলাইছিল। আমিও এটা মিছিল উলিয়াইছিলোঁ। য'ত তিনি-চাৰি হাজাৰ মানুহ আছিল।

শেষবাৰ ৰাভাক লগ পাইছিলোঁ ১৯৬৮ চনত। তেতিয়া তেওঁ কোকৰাঝাৰ লোকসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতাত নামে। ময়ো তেওঁক সহায় কৰোঁ।

ৰাভা আছিল ওখ-পাখ থূলন্তৰ পুৰুষ। কথা কওঁতে মিচিকিয়াই হঁহা হাঁহিটিয়ে

আমাক মুগ্ধ কৰিছিল। তেওঁৰ শিল্প-চৰ্চাক সকলোৱে শলাগিছিল। 'শিল্পী' হিচাপে ৰাভা তেতিয়া সকলোৰে প্ৰিয় আছিল। কিন্তু আমাৰ এই অঞ্চলত ৰাভা বিপ্লৱী কমিউনিষ্ট বুলিহে জনজাত হৈছিল। অৱশ্যে তেওঁক সফল ৰাজনীতিবিদ বুলি ক'ব পৰা যায় নে নেযায় বিচাৰ্যৰ বিষয় ; পিচে তেওঁ যে এজন ভাল জননেতা আছিল সেই কথা ক'বই লাগিব। সেই বাবেই ইয়াৰ গঞা ৰাইজে তেওঁক মৰমেৰে আঁকোৱালি লৈছিল।

ৰাভাই 'ফুংকো' নামৰ বড়ো গল্প এটা লিখাৰ কথা জানিছিলোঁ। তাক কিতাপ আকাৰে লিখি ছপোৱাৰ কথা ভাবিছিল। .....ৰাভাই ছবি আঁকা দেখিছিলোঁ। মানুহৰ লগত কেতিয়াবা কথা পাতি থাকোতে তেওঁ হাতত কাগজ-পেঞ্চিল লৈ সমুখত থকাজনৰ অবিকল মুখৰ ছবিটো আঁকি পেলাইছিল। কোকৰাঝাৰত, কোনো এক কৰ্মীৰ বৈঠকত এবাৰ তেওঁৰ নাচো দেখিছিলোঁ। এজনী বুঢ়ীয়ে বৰকৈ ধৰাত তেওঁ অতি চমকপ্ৰদ নৃত্য দেখুৱাইছিল। ❑

---

❑ অনুলিখন : পৰমানন্দ মজুমদাৰ।

।। ভৰত কলিতা, দলুবা (ঘগ্ৰাপাৰ)

ভাৰতে স্বাধীনতা লাভ কৰাৰ প্ৰায় দুবছৰ পিছত বিষ্ণু ৰাভা, আমাৰ স্থানীয় R.C.P.I. ৰ কৰ্মী তথা নেতা শ্ৰীচিন্তাহৰণ কলিতাৰ স'তে দলুবাত উপস্থিত হয়। তেতিয়া অসমৰ বিভিন্ন অঞ্চলত R.C.P.I. ৰ নেতৃত্বত আন্দোলন চলি আছিল। লগে লগে চাৰিওফালে চলিছিল পুলিচী সন্ত্ৰাস। ৰাভা আহি আমাৰ ঘৰত আত্মগোপন কৰেহি।

বিষ্ণু ৰাভাইঁতে আমাৰ এই দলুবা আৰু ইয়াৰ ওচৰ-পাঁজৰৰ ঠাইত আৰ, চি, পি, আইৰ সংগঠনিক কাম আৰম্ভ কৰে। এই অঞ্চলৰ ৰাইজ (বিশেষকৈ আমাৰ গাঁৱৰ) R.C.P.I. ৰ বিপ্লৱী আদৰ্শত উদ্বুদ্ধ হয় আৰু জমিদাৰ, জোটদাৰ, ভূমিপতিৰ বিৰুদ্ধে সংগ্ৰামত লিপ্ত হয়।

অৱশ্যে পুলিচী সন্ত্ৰাস চলি থকা কাৰণে ৰাভা কোনো এঠাইত স্থিৰ হৈ থাকিব নোৱাৰিলে। দুদিন দলুবাত আৰু দুদিন ওচৰৰে চত্ৰা গাঁৱত.....এনেকৈ পুলিচৰ চকুৰ পৰা আঁতৰত থাকিবলৈ চেষ্টা কৰিছিল।

ইয়ালৈ আহি ৰাভাই ৰাইজক সংগ্ৰামত নামি পৰিবলৈ সকীয়নি দিছিল। 'য়ে আজাদী ঝুথা হে' —এয়ে আছিল তেওঁৰ মূলমন্ত্ৰ। তেওঁ ৰাইজক বুজাইছিল — ইংৰাজক খেদিলেই ভাৰতৰ জনগণৰ মুক্তি নহয়। কংগ্ৰেছ চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে সংগ্ৰামত অৱতীৰ্ণ হ'বলৈ ৰাইজক বুজনি দিছিল। ভাৰতৰ জমিদাৰ আৰু দেশীয় পুঁজিপতিহঁতৰ শোষণৰ কথা কৈছিল। বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে ইয়াৰ বিপক্ষে যুঁজ দিবলৈকে ওলাই আহিছে বুলি কৈছিল।

১৯৫০ চনত বিভিন্ন অঞ্চলত কংগ্ৰেছৰ কমিউনিষ্ট অপাৰেচন চলে। পুলিচ বাহিনীয়ে দলুবা অঞ্চলতো ৰাতি-দিনে পহৰা দিব ধৰে আৰু জধে-মধে বিভিন্নজনক ধৰি নিয়ে। বিষ্ণু ৰাভাই অৱশ্যে ইয়াৰ আগেয়ে দলুবা এৰে।

দলুবাত ৰাভা ৪ দিনৰ বেছি নাছিল। সেয়েহে এই কম সময়ত তেওঁৰ ব্যক্তিত্বৰ বিভিন্ন দিশ দলুবাৰ ৰাইজে অধ্যয়ন কৰিব নোৱাৰিলে। কিন্তু ৰাভাৰ স্মৃতি ইয়াৰ বয়োবৃদ্ধসকলৰ হৃদয়ত এতিয়াও সজীৱ হৈ আছে। ৰাভাৰ ত্যাগৰ ফলতেই আজিও দলুবা অঞ্চল এটা কমিউনিষ্ট অধ্যুষিত এলেকা। এতিয়াৰ চামে ৰাভাৰ প্ৰতি অধিক আকৃষ্ট হৈছে। ৰাভাৰ ওপৰত ইয়াত 'নাগাৰা নাম' প্ৰচলিত হৈছে। বিষ্ণু ৰাভাৰ স্মৃতি (লগতে জ্যোতিপ্ৰসাদ) যুগমীয়া কৰিবলৈ এই গাঁৱত স্থাপিত হৈছে 'বিষ্ণু-জ্যোতি হাইস্কুল।' ❑

---

❑ অনুলিখন ঃ ৰাজেশ্বৰ তালুকদাৰ।

## ।। জনৈক বাছ যাত্ৰীৰ পৰা ।।

চীনা যুদ্ধৰ সময়। পুহৰ শেষ, কি মাঘৰ মাহ। বৰমাৰ ফালৰ পৰা এজন থূলতৰ পুৰুষ লাইন বাছৰ পাছৰ চিটটোত বহি আহিছে। মুখত এমোকোৰা হাঁহি।

হেন্দিমেনজনৰ লগত মানুহজন নেচনেল হাইৱেৰ গাঁৱবোৰৰ কথা পাতি আহি আছে।

বৰমাৰ পৰা বাছখন কিছুদূৰ অহাৰ পিছত কেইজনীমান তিৰোতা মানুহ টালি-টোপোলা লৈ উঠিল ; ঘগ্ৰাপাৰৰ ফালে যাব। মানুহজনৰ কাষতে বহা ভদ্ৰলোক এজনৰ গাতে বুঢ়ী এজনী পৰি যোৱাত গেৰগেৰাই উঠিল। নলবাৰী পাবলৈ আৰু অলপ বাকী। আদ-বয়সীয়া তিৰোতা এগৰাকীয়ে গাড়ীতে বমি কৰি পেলালে। ওচৰৰ মানুহকেইজনৰ খং গৈ চুলিৰ আগ পালে। কোনোৱে মানুহজনীক নমাই দিবলৈ ক'লে। কোনোৱে হেন্দিমেনক গালি পাৰিবলৈ ধৰিলে। হেন্দিমেনজনে বাটৰ কাষৰ বালি আনি বমিখিনি ঢাকিবলৈ গাড়ীৰ পৰা নামি গ'ল। প্ৰকাণ্ড মূৰৰ মানুহজনে গাৰ এৰিয়া চাদৰখনেৰে বমি কৰা চিটটো আৰু চিটিকি পৰা বমিবোৰ মচি পুনৰ সেইখনকে গাত মেৰিয়াই গাড়ী চলাবলৈ দিলে। হেন্দিমেনজনো গাড়ী চলাৰ লগে লগে আহি গাড়ীত উঠিল। প্ৰকাণ্ড মূৰৰ মানুহজনৰ ওপৰত আঁঢ়ে কুৰি যোৰ চকু নিবদ্ধ হ'ল। ইজনে সিজনৰ মুখলৈ চোৱা-চুই কৰিলে। হেন্দিমেনজনে বমিৰ গন্ধ কমাবলৈ গাড়ীৰ দুৱাৰখন মেলি ধৰিলে।

এনেতে গল-গলীয়া মাতেৰে মানুহজনে চিঞৰিলে, ৰাখি দিয়ক। গাড়ীৰপৰা নামি প্ৰকাণ্ড মূৰৰ মানুহজনে সৰিয়হতলীলৈ যোৱা বাটটোৰে মিলিটেৰী বেগত যাবলৈ ধৰিলে। সকলো যাত্ৰীৰ দৃষ্টি মানুহজনৰ ওপৰত।

ড্ৰাইভাৰজনে ওচৰৰ যাত্ৰী এজনক সুধিলে —এইজন কোন চিনিছেনে?

—নাই, কোন?

—বিষ্ণু ৰাভা।

একেলগে কেবাজনো মানুহৰ কণ্ঠৰ পৰা ওলাল : বিষ্ণু ৰাভা!! অ' কমিনিচ্ বিষ্ণু ৰাভা!!! কোনোবা এজন যাত্ৰীয়ে চিঞৰি উঠিল : নহয় কমৰেড বিষ্ণু ৰাভা!!! তেতিয়া বিষ্ণু ৰাভাৰ মূৰৰ ওপৰত চৰকাৰৰ গ্ৰেপ্তাৰী পৰোৱানা ওলমি আছে। কোন মুহূৰ্তত ক'লৈ পলাব লাগে ঠিকনা নাই। গতিকে গাড়ীৰপৰা পোনছাটে নামি চিধা ৰাস্তা লোৱাৰ এইটোৱে প্ৰশস্ততম উপায়।

পুলিচে বিচাৰি ফুৰা বিষ্ণু ৰাভা এইজনে বুলি কথা-বতৰাৰ পৰা জানিব পাৰি —ঘগ্ৰাপাৰ অভিমুখী তিৰোতাকেইগৰাকীয়ে কান্দি পেলালে। প্ৰকাণ্ড মূৰৰ মানুহজনেই আছিল বিষ্ণু প্ৰসাদ ৰাভা। হয়তো শেষৰ চিটচৌত ভ্ৰমণ কৰা মানুহজনৰ এটা স্বভাৱ আছিল। হয়তো এই স্বভাৱ অৱস্থা চাই ব্যৱস্থাজনিতো হ'ব পাৰে। ❑

---

❑ অনুলিখন : সমীন্দ্ৰ হজুৰী।